গাগেলিৰ গৰখীয়া ৰাজসভালৈ যায়

পবিন্দ্ৰ ডেকা

অশোক বুক ষ্টল
পাণবজাৰ, গুৱাহাটী - ১

GAGELIR GARAKHIYA RAJSABHALOI JAAI : A novel written by Pabindra Deka
First Publication : January, 2008.
Published by Ashok Book Stall
Panbazar, Guwahati - 1
Price Rs. - 100.00
(Rupees one hundred only)

গাগেলিৰ গৰখীয়া ৰাজসভালৈ যায়

লেখক : পবিন্দ্ৰ ডেকা

প্ৰকাশক : মাধব দাস
অশোক বুক ষ্টল
পাণবজাৰ, গুৱাহাটী - ১

প্ৰথম প্ৰকাশঃ জানুৱাৰী, ২০০৮ চন

মূল্য : ১০০.০০ টকা

বেটুপাতৰ শিল্পীঃ চন্দন চুতীয়া

মুদ্ৰক : লাই-লেছাই ছপাঘৰ
হেঙেৰাবাৰী পথ, গণেশগুৰি
গুৱাহাটী - ৬

উচৰ্গা

১৯৬০ চনৰ 'অসম ৰাজ্যভাষা আন্দোলন'ৰ ছহিদ সূৰ্য্য বৰা আৰু ৰঞ্জিত বৰপূজাৰী, ১৯৭২ চনৰ 'মধ্যম আন্দোলন'ৰ ছহিদ মোজাম্মিল হক, অনিল বৰা, প্ৰমোদ বৰা, বলিন ৰাজখোৱা আৰু নৰেন মহন্ত, ১৯৭৪ চনৰ 'খাদ্য আন্দোলন'ৰ ছহিদ গজেন ইংতি আৰু পুতুল শইকীয়াৰ পবিত্ৰ স্মৃতিত **"গাগেলিৰ গৰখীয়া ৰাজসভালৈ যায়"** উপন্যাসখন উচৰ্গা কৰা হ'ল।

৮ জানুৱাৰী, ২০০৮ইং চন
হেঙেৰাবাৰী হাউচিং ক'লনি
গুৱাহাটী - ৬

বিনম্ৰতাৰে
পবিন্দ্ৰ ডেকা

লেখকৰ দুআষাৰ

উপন্যাস পঢ়াৰ সুতীব্ৰ বাসনা আৰু নিচা মোৰ মনত বাহ লৈছিল বাল্যকালতেই। এনে বাসনা আৰু নিচাই অসমীয়াকে ধৰি ভালে সংখ্যক দেশী-বিদেশী উপন্যাস পঢ়াৰ সুযোগ উলিয়াই দিছিল মোক। এনে পঠন-পাঠনে উপন্যাস দুই-এখন লেখাৰ গোপন অভিলাস এটাৰ জন্ম দিছিল মোৰ মনত শৈশৱ অবস্থাতেই। কিন্তু মন, মগজু আৰু কলমে সুদীৰ্ঘ দিন ধৰি মোক উপন্যাস লেখাৰ বাবে সহায় নকৰাত থমকি ৰ'বলগা হৈছিলো অশেষ ইচ্ছা সত্বেও। ২০০৬ চনৰ কথা। ৫০ খনমান উপন্যাস কিনি আনি পুনৰ উপন্যাস পঢ়াত আত্ম নিয়োগ কৰিলো। এইবাৰ মন, মগজু আৰু কলম মোৰ প্ৰতি সদয় হ'ল আৰু উপন্যাস লেখাৰ বাবে একপ্ৰকাৰ মোক বাধ্য কৰালে। এনে এক পৰিস্থিতিয়েই মই কলম হাতত তুলি দিন-ৰাতি ছেদ-ভেদ নোহোৱাকৈ লিখিবলৈ ল'লো **"গাগেলিৰ গৰখীয়া ৰাজসভালৈ যায়"** নামৰ উপন্যাসখন। উপন্যাস লেখাৰ গোপন অভিলাসে সপোন এৰি বাস্তবৰ দুৱাৰডলিত থিয় হ'ল।

"গাগেলিৰ গৰখীয়া ৰাজসভালৈ যায়" উপন্যাসখন আৰম্ভ হৈছে নলবাৰী আৰু বৰপেটা জিলাৰ অন্তৰ্গত জলখানা গাঁৱৰ কাউৰেহাগী চুবুৰীৰ গাতে লাগি থকা গাগেলি নামৰ বিলখনৰ পৰা। গাগেলিৰ পৰা আৰম্ভ হ'লেও ১৯৫৬ চনৰ পৰা ১৯৭৪ চনলৈ অসমৰ ৰাইজে অসমৰ কেবাটাও মৌলিক সমস্যা সমাধানৰ দাবীত সংঘটিত কৰা কেবাটাও আন্দোলনক উপন্যাসখনৰ উপজীব্য বিষয় হিচাপে বাচি লৈ সেই আন্দোলন সমূহৰ চমু অথচ সচিত্ৰ-চিত্ৰ ডাঙি ধৰিবলৈ বিনম্ৰ প্ৰয়াস কৰা হৈছে। ১৯৫৬ চনৰ তেল শোধনাগাৰ আন্দোলন, ১৯৬০ চনৰ ৰাজ্যভাষা আন্দোলন, ১৯৬৮ চনৰ লাচিত সেনাৰ স্বাধীন অসমৰ আন্দোলন, ১৯৬৮-৬৯ চনৰ তৃতীয় তেল শোধনাগাৰ আন্দোলন, ১৯৭২ চনৰ সদৌ অসম ছাত্ৰ সন্থাৰ মাধ্যম আন্দোলন আৰু ১৯৭৪ চনৰ সদৌ অসম ছাত্ৰ সন্থাৰ খাদ্য আন্দোলনেই এনে উপজীব্য বিষয়ৰ মূল চালিকা শক্তি। উক্ত আন্দোলনসমূহৰ চিত্ৰ দাঙি ধৰোতে বাস্তৱ ঘটনাবোৰক অধিক গুৰুত্ব দিয়া হৈছে— অৱশ্যে কল্পনাৰ প্ৰলেপ যে পৰা নাই তাক দাঠি ক'ব পৰা নাযায়। উপন্যাসখনৰ কিছুমান চৰিত্ৰ আৰু বিষয় সঁচা আৰু বাস্তৱ। আন কিছুমান চৰিত্ৰ কল্পনাৰে গঢ় দিয়া হৈছে। ভুল-ত্ৰুটী থকাটো নিত্যান্তই স্বাভাৱিক। তাৰ বাবে পাঠক সমাজৰ পৰা ক্ষমা-ভিক্ষা মাগি থ'লো।

উপন্যাসখন লেখা আৰু প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায়-সহযোগ কৰি উৎসাহিত কৰাৰ বাবে মোৰ পত্নী নিৰু ডেকা, সু-সাহিত্যিক ভবানী প্ৰসাদ অধিকাৰী, হেঙেৰাবাৰী হাউচিং কলনিৰ প্ৰণৱ বেজবৰুৱা আৰু সোভা খনিকৰ, মোৰ বৰপুত্ৰ জ্যোতিপ্ৰসাদ ডেকা, জীয়ৰী চয়নিকা ডেকা, সৰুপুত্ৰ অৰ্ণবজান ডেকা, মোৰ বন্ধু পাটাছাৰকুছি সমষ্টিৰ বাঘমাৰাৰ অনন্ত নাথ আৰু তেওঁৰ জীয়ৰী নমিতা নাথ, মিচিচিপি প্ৰেছৰ স্বত্বাধিকাৰী গোপাল কুমাৰ বৰ্মন আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলো।

উপন্যাসখন প্ৰকাশৰ দায়িত্ব লৈ মোক উৎসাহিত কৰাৰ বাবে গুৱাহাটী পাণবজাৰস্থ অশোক বুক ষ্টললৈ ধন্যবাদ জনালো।

উপন্যাসখন কম সময়ৰ ভিতৰতে ছপা কৰি পাঠকৰ হাতত তুলি দিয়াত সুযোগ দিয়াৰ বাবে লাই-লেছাই ছপাঘৰৰ স্বত্বাধিকাৰী অশোক কুমাৰ দাস আৰু ছপাঘৰৰ আন আন কৰ্মচাৰীসকললৈ মোৰ হিয়া ভৰা প্ৰীতি আৰু শুভেচ্ছা থাকিল।

৮ জানুৱাৰী, ২০০৮ ইং চন
হেঙেৰাবাৰী হাউচিং ক'লনি
গুৱাহাটী - ৬

বিনয়ৰে
পবিন্দ্ৰ ডেকা

(এক)

চৰকাৰী ভাড়া ঘৰটোৰ ঠেক বাৰাণ্ডাখনত থকা পুৰণি বেঞ্চখনত বহি সাত ভাৰস্তৰ চিন্তাৰে মনটো ভৰাই তোলা প্ৰসেনজিৎ কলিতাই গুণ গুণাই কবি যতীন্দ্ৰনাথ দুৱৰাৰ—

> "সুখে-দুখে জীৱনৰ ফুৰে পাছে পাছে
> অতীতৰ মধুৰ সপোন;
> নিমিষতে বিষাদত ধৰিছে আগত
> এৰি অহা প্ৰেমৰ দাপোণ
> অতীতৰ মধুৰ সপোন"

— কবিতাফাকি আওঁৰাই আওঁৰাই তন্দ্ৰালস হৈ পৰিছে। প্ৰায় তিনিকুৰিৰ ডেওনা পাৰ হোৱা প্ৰসেনজিতে সুখ- দুখ, হৰ্ষ-বিষাদেৰে ভৰা জীৱনৰ এৰি অহা দিনবোৰ থূপুৰীয়াই লৈ উঠিছে এখন কল্পনাৰ সোণালী ৰথত। শুকুলা মেঘৰ আঁৰে আঁৰে ঘূৰি ফুৰিছে তেওঁৰ সেই ৰথ। প্ৰচণ্ড গতিত ঘূৰা ৰথখনৰ কোলাত বহি স্বপ্নাবেশী প্ৰসেনজিতে আঙুলি গণি হিচাপ কৰিছে— জীৱনত কিমান পালে তেওঁ— কিমান পাবলৈ বাকী থাকিল। স্মৃতিৰ সঁফুৰাটো খুলি তন্ন তন্নকৈ কৰিছে সেই হিচাপ তেওঁ। লগে লগে মাৰিছে তেওঁ আধাখোলা হাঁহি এটা। সেই হাঁহিত ফুটি উঠিছে পৰম সন্তুষ্টি আৰু গভীৰ বিষাদ। সন্তুষ্টি আৰু বিষাদৰ মাজবাটত ক্ষন্তেক বহি তেওঁ প্ৰত্যয়েৰে ভাবিছে— জীৱনত তেওঁ ভবাতকৈ, আশা কৰাতকৈ বহুত বেছি পাইছে— শিক্ষা-দীক্ষা, মান-সন্মান, পদ-প্ৰতিষ্ঠা। তেনেই নিচলা এক খেতিয়ক পৰিয়ালৰ ল'ৰা আছিল তেওঁ। দুবেলা দুমুঠি পেট ভৰাই খাবলৈ পোৱাটোৱেই আছিল ল'ৰালিকালত প্ৰসেনজিৎৰ চিন্তাৰ প্ৰধান বিষয়। খেতিয়ক পিতৃ আছিল মাত্ৰ অ, আ, ক, খ চিনি পোৱা এজন হাড়ভঙা পৰিশ্ৰমী ভূমিহীন কৃষক। তাৰ মাজতে তেওঁৰ খেতিয়ক পিতৃ আছিল এজন নিষ্ঠাৱান সমাজকৰ্মী। 'ক'ৰ কান কেইটা, কেই পইচাই মিলি আধলিটো বা সিকিটো হয়, এটকীয়া নোট কোনখন— তাৰ ভু নোপোৱা মাতৃয়ে কেৱল চিনি পাইছিল ভুঁইৰোৱা পথাৰখন, গৰুৰ গোহালিটো আৰু পাকঘৰৰ চৰুকেইটা। সাতোটা ল'ৰা-ছোৱালীক পোহপাল দিয়াত বাহিৰে প্ৰসেনজিতৰ পিতৃ-মাতৃৰ আন কথা ভাবিবলৈ অৱকাশেই নাছিল। কিন্তু তথাপি

ল'ৰা-ছোৱালীকেইটাক শিক্ষা-দীক্ষা দি 'মানুহ' কৰাৰ কথা ভাবিছিল দুয়ো। 'আমাৰতো জীৱন গেবেৰি খাটোতেই গ'ল— ইহঁত কেইটাই অন্ততঃ স্কুললৈ গৈ অলপ জনা-বুজা হ'লে- মানুহ হ'ল হয় নেকি'— বুলি মাজে মাজে আক্ষেপ কৰিছিল প্ৰসেনজিতৰ মাকে। অনাখৰী হ'লেও আছিল তেওঁ বিদ্যানুৰাগী। এনে পৰিয়ালৰ পৰাই পিতৃ-মাতৃৰ শুভাশিস, বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনৰ সহায়ত ওলাই আহিছিল প্ৰসেনজিৎ এখন বহল পৃথিৱীলৈ। ৰাজ্যখনৰ অতি নামী আৰু সন্মানীয় কলেজ আৰু বিশ্ববিদ্যালয়ত পঢ়ি উচ্চ শিক্ষা লাভ কৰিছিল প্ৰসেনজিতে। অকল সেয়াই নহয়— স্কুল, কলেজ আৰু বিশ্ববিদ্যালয়ত পঢ়ি থকাৰে পৰাই বিভিন্ন সামাজিক কামত জড়িত হৈ সমাজৰ উন্নয়নত ব্ৰতী হৈছিল তেওঁ। স্কুলত পঢ়ি থকা সময়ৰে পৰাই ছাত্ৰ সমাজক বিভিন্ন সময়ত বিভিন্ন পদবীৰে নেতৃত্ব দি অসমৰ মৌলিক আৰু জলন্ত সমস্যাবোৰ সমাধানৰ বাবে বহুকেইটা আন্দোলনৰ লগত জড়িত হৈ পৰিছিল প্ৰসেনজিৎ। কেতিয়াবা সফল হৈছিল— কেতিয়াবা খাইছিল বিফলতাৰ মুখ থেকেচা। সফলতা-বিফলতাৰ ভাৰ পাচি লৈয়েই তেওঁ সত্তৰ দশকৰ মাজভাগত মূৰ সুমুৱাই দিছিল সক্ৰিয় ৰাজনীতিত। নিৰ্বাচনত অংশ লৈ ৰাইজৰ বিপুল সমৰ্থনত এম, এল, এ, হৈছিল প্ৰসেনজিৎ। হৈছিল মন্ত্ৰীও দুচকুত আছিল অসম আৰু অসমৰ জ্বলন্ত সমস্যা, সোণৰ অসম গঢ়াৰ সুতীব্ৰ বাসনা।

শৈশৱৰ পৰাই গান গাইছিল প্ৰসেনজিতে। অভিনয়ো কৰিছিল। কবিতা, গল্প, প্ৰবন্ধ লেখাটো আছিল তেওঁৰ বাল্যাভ্যাস। কেবাখনো গ্ৰন্থ ৰচনা কৰি প্ৰসেনজিৎ হৈ পৰিছে এজন স্বীকৃত লেখক।

হিচাপ কৰি দেখিলে প্ৰসেনজিতে— জীৱনত তেওঁৰ নোপোৱাতকৈ পোৱাৰ সংখ্যাই বেছি— বহুত বেছি। অথচ এক অন্তৰ্দ্বন্দ্বৰে ভৰা অবুজ বেদনাই অহৰ্নিশে জুমুৰি দি থাকে তেওঁৰ মন আৰু মগজুত। এনে বেদনাই মাজে মাজে তেওঁক টানি লৈ যায় নৰকৰ যন্ত্ৰণাকাতৰ বধ্যভূমিলৈ। ভয় আৰু শংকাত বিহ্বল হৈ প্ৰসেনজিতে স্বগতোক্তি কৰে—'ভুল কৰিছো মই- বহুত ভুল। প্ৰতাৰণা কৰা হৈছে ৰাইজক— বহুত প্ৰতাৰণা। সোণৰ অসম গঢ়াৰ স্বপ্ন দেখুৱাই ৰাইজক বহুত প্ৰৱঞ্চনা কৰা হৈছে। সোণৰ অসম দিম বুলি মাটিৰ অসমখনকে ভাঙি পেলোৱা হৈছে, ঠিক হৰবালা— বাইৰ পানীভৰা পুৰণি মাটিৰ কলহটো অসাৱধান বশতঃ কঁকালৰ পৰা মাটিত পৰি ভাঙি টুকুৰা টুকুৰি হোৱাৰ দৰেই। অসমৰ মাটিত আজি তেজ, নৈত তেজ, সৰ্বত্ৰ তেজৰ চেকুঁৰা, আকাশত শগুণৰ জাক, বতাহত পোৰা মানুহৰ গোন্ধ।

পুত্ৰ-পুত্ৰী, নাতি-নাতিনী আৰু পৰিবাৰ সমন্বিতে পৰিপূৰ্ণ সংসাৰ এখন প্ৰসেনজিতৰ। নিজৰ বুলি ঘৰ এটা বান্ধিব নোৱাৰিলে যদিও ভাড়াঘৰত থাকিয়েই অতিশয় সুখী বুলি দাবী কৰে প্ৰসেনজিতে। আকালো নাই তেওঁৰ ভঁৰালো নাই। ধন সম্পদসৰ্বস্ব

জীৱন এটা তেওঁ বিচৰাও নাছিল। দাৰিদ্ৰতাই তেওঁক জনমৰ পুৱতিতেই যি লগ ধৰিছিল, আজিও সি লগ এৰা দিয়া নাই। অথচ তাক লৈ তেওঁ কোনোদিনে চিন্তিত হোৱা নাই— হোৱা নাই ব্যথিত।

এনে এক স্বপ্নাৱেশ অৱস্থাত কিমান সময় পাৰ হ'ল প্ৰসেনজিতে ক'ব নোৱাৰে। হঠাৎ কাৰোবাৰ ভৰিৰ শব্দত থতমত খাই উঠিল তেওঁ।

ঃ কোন?

ঃ মই, মই আতা, মই আকাশ

ঃ অ' তই এতিয়াহে আহিলি।

ঃ অ আতা, তোমাৰ কিতাপখন বিচাৰোতে বহুত সময় লাগিল, আহোতে সেয়ে দেৰি হ'ল।

ঃ পালিনে পিছে কিতাপখন?

ঃ মূল ইংৰাজী কিতাপখন নাপালো। লখিন্দ্ৰ হাজৰিকাৰ অসমীয়া অনুবাদখন হে পালো।

ঃ হ'ব দে- বুলি প্ৰসেনজিৎ কলিতাই পৰম সন্তুষ্টিৰ ভাব এটা প্ৰকাশ কৰিলে।

আকাশ। আচল নাম আকাশজিৎ কলিতা। সকলোৱে আকাশ বুলিয়েই মাতে। প্ৰসেনজিৎ কলিতাৰ ডাঙৰ নাতি। খৰগপুৰ আই, আই, টিত ইঞ্জিনীয়াৰিং পঢ়ি আছে। প্ৰথম চেমিষ্টাৰ দি ঘৰলৈ আহিছে। আকাশকে প্ৰসেনজিতে ডন ব্ৰাউনৰ 'দ্যা দা ভিঞ্চি ক'ড' কিতাপখন পাণবজাৰৰ পৰা কিনি আনিবলৈ কৈছিল। অলপতে প্ৰকাশ পোৱা এই কিতাপখনে সমগ্ৰ বিশ্বতে আলোড়ন সৃষ্টি কৰিছে। বিশ্বৰ বহু ভাষাত অনূদিত হৈ কোটি কোটি বিক্ৰীৰে বেষ্ট চেলাৰ হিচাপে পৰিগণিত হৈছে কিতাপখন। কিতাপখন পঢ়াৰ প্ৰৱল তাড়নাত ভু গি আছে প্ৰসেনজিতে। দেশ-বিদেশত কিবা বিখ্যাত কিতাপ নতুনকৈ প্ৰকাশ পোৱাৰ খবৰ পালেই তাক পঢ়িবলৈ এক প্ৰকাৰ উদ্বাউল হৈ উঠে প্ৰসেনজিৎ কলিতা। এই অভ্যাস প্ৰসেনজিতৰ আজিৰ নহয় নিত্য নতুন কিতাপ পঢ়াৰ নিয়মিত অভ্যাস বাল্যকালতেই গঢ়ি তুলিছিল তেওঁ।

ঃ ল'ক ল'ক, চাহ একাপকে খাওঁক- বুলি চাহৰ কাপটো প্ৰসেনজিতলৈ আগবঢ়াই দিলে প্ৰসেনজিৎৰ পত্নী নৈৰঞ্জনাই। নিজেও কাষতে থকা মুঢ়াটো টানি আনি বহি ল'লে প্ৰসেনজিৎৰ কাষত।

ঃ বৰ ভাল সময়তে চাহকাপ আনিলা। কেতিয়াবাৰ পৰাই চাহ একাপ খাবলৈ মনটো উচপিচাই আছিল বুলি প্ৰসেনজিতে নৈৰঞ্জনাৰ প্ৰতি পৰম কৃতজ্ঞতাৰ ভাব দেখুৱাই চাহ খাবলৈ ধৰিলে।

কাপোৰ সলাই মুখ-হাত ধুই আকাশেও যতীন্দ্ৰনাথ দুৱৰাৰ—

"সুঁৱৰি সুঁৱৰি কিয় অতীতৰ স্মৃতি
মিছাতেই নিজে দুখ পোৱা;
মুখনি মোলাম কিয় মিছাতে চকুলো
অতীতক পাহৰি পেলোৱা।"

কবিতাফাঁকি আবৃত্তি কৰাৰ দৰে আওৰাই আওৰাই প্ৰসেনজিৎৰ কাষত থিয় হ'ল।

ঃ বহ বহ আকাশ, মোৰ কাষতে বহ।

ঃ অতীতক পাহৰা ইমান সহজ নহয় অ' আকাশ। অতীতৰ বুকুতে লুকাই থাকে অনাগত ভৱিষ্যৎ, যেনেকৈ এটা কালৰাতিৰ বুকুত লুকাই থাকে এটা নতুন প্ৰভাত, এটা নতুন দিন— দাৰ্শনিক এজনৰ দৰেই কথাষাৰ ক'লে প্ৰসেনজিতে।

ঃ আতা, কথা এটা কওঁ- বেয়া পাবা নেকি?

ঃ ক' আকাশ, কি কথা ক'ব খুজিছ ক'— প্ৰসেনজিতে ক'লে।

ঃ আজিলৈ তুমি যি কামেই দিছা মই তাক কৰি দিছো- যি কথা কৈছা, তাক আখৰে আখৰে পালন কৰিছো- অথচ তুমি কিন্তু মোৰ সামান্য কথা এটাকে আজিলৈ নাৰাখিলা— অভিমান প্ৰকাশ কৰি আকাশে ক'লে।

ঃ কি কথা ৰখা নাই অ'- ক' আকৌ— মই পাহৰিছো বোধহয়'- প্ৰসেনজিতক সুধিলে।

ঃ কিয় তাহানি মই সৰু হৈ থাকোতে তুমি দেখোন খাওঁতে-শোৱতে, উঠোতে-বহোতে 'গাগেলি'ৰ কথা, গাগেলিৰ ঘোৰাপাক ভূতৰ কথা- উকা ভূতৰ কথা- গাগেলিৰ মাছ-কাছ, চৰাই-চিৰিকটিৰ কথা কৈ নিচুকিয়াইছিলা। তুমি তাত গৰু চৰোৱা, হাল বোৱা, মাছ মৰা, মহৰ খুঁটিত ম'হৰ গাখীৰ খোৱা আদিৰ বিষয়ে ক'ত যে সাধু কথা কৈছিলা- আৰু মই আকাশৰ তৰা গণি গণি সেইবোৰ শুনি কিমান যে ৰোমাঞ্চিত হৈছিলো— তোমাৰ জানো মনত নাই। তোমাৰ কৈশোৰ, শৈশৱ আৰু যৌৱনৰ ৰঙৰ ভূমি, জীৱন গঢ়াৰ পূত ভূমি গাগেলিক দেখুৱাম বুলি কিমান দিন যে কথা দিলা— অথচ আজিও কিন্তু কথা নাৰাখিলা।

হয়তো- ল'ৰাটোক গাগেলিলৈ আজি নিম, কালি নিম বুলি কতদিন ধৰি আপুনি ভুৰুকাই আছে- ময়ো শুনি আছো নহয়। শুনি শুনি মোৰো খঙেই উঠি আছিল। প্ৰকাশহে কৰা নাছিলো। নিয়কচোন এবাৰ তাক।

ঃ হে এৰা নৈৰঞ্জনা- তাক ভুৰুকাই থকা নাইহে। তুমিয়ে কোৱাচোন মই কৰো বুলি কিবা কাম নকৰাকৈ থাকোনে? আচলতে মোৰ শৈশৱ আৰু যৌৱনৰ ৰঙৰ ভূমি, জীৱন গঢ়াৰ পূতভূমি গাগেলি এতিয়া গাগেলি হৈ থকা নাই। তাত এতিয়া সেই ঘোৰাপাক

ভূত, উকা ভূত, মহৰ খুটি, মাছ-কাছ, চৰাই-চিৰিকতি, মেটেকা খোৱা গৰু-মহৰ জাক- এইবোৰ বোলে দেখিবলৈ নাই। এতিয়া সাধু কথাৰ কথা যেনহে হৈছে সেইবোৰ কথা।

ঃ হ'লেও ল'ৰাটোৱে ইমান আশা কৰিছে গাগেলিখন চোৱাৰ বাবে। তাৰ আশাত আপুনি চেঁচা পানী নাঢালিব। য'ক তাক তালৈ লৈ য'ক। আজি দেওবাৰ। অহা শনিবাৰে পুৱাই যাওক। শনিবাৰে পুৱা গৈ ৰাতি গাঁৱৰ ঘৰতে থাকি দেওবাৰে তাক গাগেলিখন দেখুৱাই আবেলি ঘূৰি আহিব পাৰিব— বৰ আশাৰে নৈৰঞ্জনাই কথাষাৰ ক'লে একাসিকা স্বভাৱৰ প্ৰসেনজিতক।

ঃ তুমি ঠিকেই কৈছা নৈৰঞ্জনা— যাম, মই আকাশক গাগেলি দেখুৱাবলৈ গাগেলিলৈ যাম। তুমি কোৱা মতে অহা শনিবাৰেই যাম। ময়ো বহুত দিন দেখা নাই গাগেলিখন । বৰ মন গৈছে চাবলৈ- গাগেলিৰ গোন্ধ ল'বলৈ যি গোন্ধ আজিও মোৰ নাকত লাগি আছে। শুনিছ আকাশ! আমি অহা শনিবাৰে গাঁৱলৈ যাম। তোক গাগেলি দেখুৱাম। নৈৰঞ্জনা তুমিও ওলোৱা। ঐ গণেশ, গণেশ- আমি অহা শনিবাৰে গাঁৱলৈ যাম- গাগেলিলৈ যাম- তই সেইদিনা পুৱাই গাড়ীখন ধুই-পখালি ঠিক কৰি লবি। চাবি ৰাস্তাত যাতে গাড়ীখন বেয়া নহয়। অ, অ, আমি শনিবাৰেই ৰাতিপুৱা সাত বজাতেই গাগেলিলৈ যাম। - কিবা এক অদ্ভুত আবেগত আবেগবিহ্বল হৈ একপ্ৰকাৰ নাটকীয়ভাৱে কথাখিনি ক'লে এসময়ৰ নাট্যাভিনেতা প্ৰসেনজিৎ কলিতাই।

শনিবাৰ। প্ৰসেনজিতৰ ড্ৰাইভাৰ গণেশে কাহিলি পুৱাতে আহি প্ৰসেনজিৎ অতি পুৰণি এম্বাচাডৰ গাড়ীখন ধুই-মচি চাফা কৰিলে। যোৱা এমাহমান গাড়ীখন ৰ'দে-বতাহে আৰু বৰষুণে মুকলি আকাশৰ তলতেই পৰি আছে। ড্ৰাইভাৰ গণেশও তাৰ গাঁৱৰ ঘৰলৈ গৈছিল। খুড়াক এজন ঢুকাইছিল। গাড়ীখনক আপডাল কৰিবলৈ কোনো নাছিল। ধুই-মচি গাড়ীখন গণেশে ষ্টাৰ্ট দি চালে। আছে— সকলো ঠিকেই আছে- ষ্টাৰ্টও হ'ল।

ঃ ছাৰ, ছাৰ গাড়ী ৰেডি, সব ঠিকেই আছে বুলি গণেশে চিএৰি চিএৰি প্ৰসেনজিতক কথাটো জনালে। তাৰ মাতত এনে এটা ভাব প্ৰকাশ পালে যেন এই মাত্ৰ সি এখন যুদ্ধতহে জয়লাভ কৰি আহিছে। প্ৰসেনজিৎ, নৈৰঞ্জনা আৰু আকাশ- তিনিও নিজৰ নিজৰ বেগবোৰ লৈ লৰা-ঢপৰা কৰি ওলাই আহিল বাৰাণ্ডালৈ। বেগকেইটা গণেশে আটোমটোকাৰিকৈ গাড়ীখনৰ ডিগিত থ'লে। প্ৰসেনজিতহঁত গাড়ীত বহিল। গণেশে গাড়ীৰ বনেটখন খুলি গাড়ীখন আকৌ এবাৰ ডাক্তৰে ৰোগীৰ পালচ্ চোৱাদি চাই ষ্টাৰ্ট দিলে। এটা ভয়ংকৰ শব্দ কৰি গাড়ী ষ্টাৰ্ট হ'ল। লগে লগে ষ্টিয়াৰিঙত সোৱা এটা জনাই গাড়ীৰ একচেলেটৰ দবাই দিয়াত গাড়ীখন আগলৈ গতি কৰিলে।

ঈশ্বৰবিশ্বাসী প্ৰসেনজিৎ আৰু নৈৰঞ্জনাই তেওঁলোকৰ ঘৰৰ সন্মুখতে নাতি দূৰত থকা নামঘৰটোলৈ চাই সেৱা জনালে। গাড়ী গুৱাহাটীৰ পৰা প্ৰায় এশ কিলোমিটাৰ নিলগত থকা কাকতল গাঁও অভিমুখে ভোভোকৈ আগবাঢ়িল। মাজতে এবাৰ জালুকবাৰী এৰি শৰাইঘাট দলং পোৱাৰ আগতে ষ্টাৰ্ট হঠাৎ বন্ধ হৈছিল গাড়ীখনৰ। গণেশে কিছু সময় কিবা-কিবি চাই পুনৰ গাড়ীখন ষ্টাৰ্ট দি চলাই দিয়াত গাড়ীখন চলিল।

প্ৰায় ১০ বজামানত প্ৰসেনজিতহঁতে নিজ জনমভূমি কৈশোৰ, শৈশৱ আৰু যৌৱনৰ বিচৰণ ভূমি চেনেহৰ কাকতল নামৰ গাঁওখন পালে। গাঁৱৰ পূব মূৰৰ চুবাটোত সোমোৱাৰ লগে লগে আবেগবিহ্বল হৈ পৰিল প্ৰসেনজিৎ। চুবাটোৰ ল'ৰা-তিৰোতা কিছুমানে নিজ নিজ পদূলিলৈ ওলাই আহি ক'ৰ পৰানো আহি ইমানদিনৰ মূৰত গাড়ী এখন গাঁৱত সোমাল তাক চালে। চকু মুদি প্ৰসেনজিতে তৎমুহূৰ্ততে প্ৰায় ৪০ বছৰ আগৰ তেওঁৰ মৰমৰ গাঁওখন জ্ঞান চকুৰে জুমি জুমি চাবলৈ ধৰিলে। কাকতল গাঁও। কি আছিল- কি হ'ল। তেওঁ যেতিয়া শৈশৱৰ ডেওনা পাৰ হৈ যুৱক হৈছিল— মেট্ৰিক পাছ কৰি গুৱাহাটীলৈ পঢ়িবলৈ গৈছিল সেইদিনা গাঁওখন আছিল তেনেই এখন সৰু গাঁও। ৭০টা মান পৰিয়াল আছিল গাঁওখনত। বছৰৰ আধাতকৈও বেছিদিন বানপানীৰ তলত থকা, গাঁওখনত কেৱল অভাৱ আৰু অনাটন। কিন্তু অভাৱ-অনাটন নেওচি একেটা পৰিয়ালৰ দৰে গাঁওখনৰ সকলো মানুহে জীৱন-যাপন কৰিছিল— প্ৰায় তিনি বৰ্গকিলোমিটাৰ হ'ব কাকতলৰ মাটিকালি। 'আতা, অ' আতা- বলা, বলা ঘৰ পালো— নামিব লাগে'- বুলি কল্পনাৰ দেউকাত উঠি অতীতলৈ উৰা মৰা প্ৰসেনজিতক নাতিয়েক আকাশে গাত ধৰি মতাতহে প্ৰসেনজিতে কল্পনাৰ কুঁৱলী ফালি বাস্তৱলৈ ঘূৰি আহিল।

ঃ ইছ্— মোৰ টোপনিয়েই আহিছিল- বল, বল নাম'— বুলি খৰধৰকৈ গাড়ীৰ দৰ্জা খুলি প্ৰসেনজিতৰ, নৈৰঞ্জনা আৰু আকাশ গাড়ীৰ পৰা নামিল। ইতিমধ্যে গাড়ীৰ শব্দ শুনি প্ৰসেনজিতৰ খুৰাক অশীতিপৰ দীপেন্দ্ৰ মাষ্টৰ, আন এজন স্বৰ্গগামী খুৰাকৰ পুতেক প্ৰসেনজিতৰ শৈশৱৰে লগ অহীন্দ্ৰ, নয়ন, জগদীপকে ধৰি বহুকেইজন পুৰুষ; ভালেসংখ্যক মহিলা আৰু ল'ৰা-ছোৱালীয়ে গাড়ীখনৰ কাষত ভিৰ কৰিলেহি। প্ৰসেনজিতে সকলোকে মাত-বোল কৰি পিতৃভিঠাত থকা তেওঁলোকৰ জৰাজীৰ্ণ ঘৰটোত সোমাল। খবৰ আগতে দিয়াত অহীন্দ্ৰই ঘৰটো কিছু চাফ-চিকুণ কৰি থৈছিল। কোনো নথকা ঘৰ। ভূতৰ বাহৰ দৰে হৈ আছে। তাৰেই ড্ৰইং ৰূমটোত থকা ভগা-চিগা চকী, তুল, মূঢ়া আদিত দীপেন্দ্ৰ মাষ্টৰ, অহীন্দ্ৰ, নয়ন, জগদীপ, প্ৰসেনজিতৰ বাল্যবন্ধু ব্ৰজমনি, নাহেন্দ্ৰ, নৰেশ্বৰ সকলোৱে বহি ভাল-বেয়া মত বিনিময় কৰিলে। দুই-এজনে দুই-এটা অতীতৰ খুহুটীয়া কথা কৈ হাঁহিৰ খলকনিৰে অতদিনে মৰিশালি হেন হৈ থকা ঘৰটোক নতুন প্ৰাণ এটা দিলে। নৈৰঞ্জনাই বস্তু-বাহানিবোৰ ঠিক-

ঠাক কৰি তেওঁলোকৰ বেগবোৰ বিছনা এখনতে থলে। এপাট বাঢ়নি চোতালৰ কোণাতে দেখি সেই পাতেৰে শোৱনি কোঠাটো এবাৰ সাৰিলে। আকাশে ভেবা লাগি তাৰ আতাকহঁতে পতা কথাবোৰ শুনি আমোদ পাই আবুৰেক নৈৰঞ্জনাই কেবাবাৰো আকাশ, আকাশ' বুলি মতা সত্ত্বেও সেইপিনে কাণ দিয়া নাই।

ঃ প্ৰসেনজিত, বৌ অ 'বৌ, দুপৰীয়াৰ ভাত আমাৰ ঘৰতে ৰান্ধিছে। সুদাই-নিকাই যি হয় ভাত আমি আটায়ে আমাৰ ঘৰতে একেলগে খাম। মই পুৱাতেই বাৰীৰ পিছৰ পুখুৰীটোত আচৰা জালখন মাৰি কাৱৈ মাছ কেইটামান আৰু দুটা ডাঙৰ শোল মাছ মাৰি থৈছো'— অহীন্দ্ৰই অতিথি শুশ্ৰূষা কৰাৰ যেন এক আকাংক্ষিত সুযোগহে পাইছে- এনে এটা ভাবত কথাখিনি ক'লে। অহীন্দ্ৰ প্ৰসেনজিততকৈ অলপ সৰু হ'লেও সি প্ৰসেনজিতক নাম ধৰিয়েই মাতে।

ঃ চাহ লওক— অলপ পলমেই হ'ল। গাই দুৱা মানুহজন আজি পলমকৈ আহিছে— পৰম উলাহত অহীন্দ্ৰৰ পত্নী অনৰূপাই চাহৰ ট্ৰেখন লৰক-ফৰক টেবুলখনত থৈ সকলোকে চাহ খাবলৈ বিনয়েৰে অনুৰোধ কৰিলে। চাহৰ লগত ব্ৰজপানিৰ দোকানৰ পৰা অলপ আগতে অনা বিস্কুট কেইখনমানো এখন কাঁহীত আনি টেবুলখনত থ'লে অনুৰূপাই। তাত উপস্থিত সকলোৱে আনন্দ মনে চাহ খালে আৰু গধূলি পুনৰ লগ হোৱাৰ আশাৰে আটাইকেইজনে ঘৰাঘৰি গ'ল। ইতিমধ্যে তাত জুম বন্ধা সৰু ল'ৰা-ছোৱালীবোৰ আগতেই তাৰ পৰা আঁতৰি গৈছিল।

চাহ খোৱা পৰ্ব শেষ কৰি প্ৰসেনজিতে ঘৰৰ মানুহ কেইগিৰিৰ ঘৰলৈ গৈ জীয়ৰী-বোৱাৰী সকলোকে মাত লগালে। তেতিয়া প্ৰায় দিনৰ ১২ বাজো বাজো। সৰু খুড়াক যদুনন্দনৰ ঘৰত খুড়ীয়েকে নেৰাত চাহ একাপো খালে তেওঁ। তাৰ পাছত ঘৰুৱা খা-খবৰ লৈ প্ৰসেনজিত তেওঁৰ এসময়ৰ নলে-গলে লগা বন্ধু বীৰেশ্বৰ ঘৰলৈ গ'ল। বীৰেশ্বৰৰ চোতাল পাই অবাক হ'ল প্ৰসেনজিত। দুজন যুৱক তিতা কাপোৰ পিন্ধি চোতালত কঠ পাৰি বহি থকা দেখিলে প্ৰসেনে। বীৰেশ্বৰৰ মাকে মকৰা জালেৰে ভৰি থকা চকী এখন ঢেঁকী ঘৰৰ পৰা আনি চোতালতে পাৰি দি প্ৰসেনজিতক বহিবলৈ ক'লে।

ঃ তই আহিছ ভালেই হৈছে দে। বৰ ভাল পালো। তোৰ বন্ধু বীৰেশ্বৰ এই সংসাৰত আৰু নাই। আজি সাত দিন হ'ল। হঠাতে মূৰ ঘূৰাই পৰি সি মৰি থাকিল'--- বৰ বেজাৰ আৰু ভগ্ন হৃদয়েৰে তপত চকুলো মচি বীৰেশ্বৰৰ মাকে কথাকেইষাৰ ক'লে। প্ৰসেনজিতৰ দুচকুৰেদি চকু পানী ওলাল। গাঁও এৰি গুৱাহাটীৰ কলেজত পঢ়ি থাকোতে গাওঁ আৰু অঞ্চলৰ দাৰৰ খবৰ দাৰে দিছিল বীৰেশ্বৰে প্ৰসেনজিতক। ঘৰলৈ আহিলে দুয়ো বন্ধুৱে লগ হৈ চন্দন ভকতহঁতৰ চনবাৰীৰ মূৰত বহি ঘণ্টাৰ পিছত ঘণ্টা নানা কথাৰ লগতে গাঁৱৰ কোন ল'ৰাই কোন ছোৱালীৰ প্ৰেমত হাবু-দাবু খাই জোলাকে

জোলোকে পানী খাইছে— কোন ল'ৰাই কাৰ ছোৱালীৰ লগত মাজনিশা ক'ত কথা পাতিলে, কাৰ বিয়াত, ক'ৰ সবাহত, কোন কোন প্ৰেমিক-প্ৰেমিকাই কেনেকৈ লগ হৈ হিয়া-দিয়া নিয়াৰ কথা পাতিলে— ইত্যাদি কথা পাতি ঘণ্টাৰ পিছত ঘণ্টা পাৰ কৰি দিছিল। লগতে গাওঁৰ সমস্যা, সমাজৰ সমস্যা, দেশৰ সমস্যা, প্ৰসেনজিতৰ ৰাজনৈতিক কাম-কাজ আদিও বাদ পৰা নাছিল দুই বন্ধুৰ আলোচ্য বিষয়ৰ পৰা। সেইজন বীৰেশ্বৰৰ মৃত্যু হোৱা কথাটোত মৰ্মাহত হৈ পৰিছে প্ৰসেনজিত— বিষাদে দহিছে তেওঁৰ হিয়া। কিছু সময় তাত বহি কাজ-কৰ্মৰ ভু লৈ প্ৰসেনজিৎ ভগ্ন হৃদয়েৰে ঘৰলৈ আহিবলৈ থিয় হ'ল। ল'ৰাকেইটাক মাত দি ঘৰলৈ আহিল তেওঁ।

ঘৰলৈ আহি প্ৰসেনজিত, নৈৰঞ্জনা আৰু আকাশ অহীন্দ্ৰহঁতৰ ঘৰত দুপৰীয়াৰ ভাত খালে। ভাতৰ লগত মাছ আছিল যদিও প্ৰসেনজিতে মাছৰ আঞ্জা নাখালে। ভাত খাই থকা সময়তেও বীৰেশ্বৰৰ স্মৃতিয়ে তেওঁৰ মন-মগজু আগুৰি ধৰি আছিল। ভাত খাই উঠি অহীন্দ্ৰহঁতৰ চোতালতে কিছু সময় বহিল প্ৰসেনজিত। নৈৰঞ্জনাই পৰিয়ালৰ আন আন মানুহখিনিৰ ঘৰলৈ গ'ল। লগত আকাশ। পৰিয়ালৰ প্ৰতি ঘৰলৈ গৈ দুই-এটা খা-খবৰ লোৱাৰ লগতে আকাশকো চিনাকি কৰি দিলে। তেতিয়া প্ৰায় আঢ়ৈটা বাজিছিল।

ঃ "অ'-ই, প্ৰসেনজিত- বল বল, দেৰিয়েই হ'ল— চ'তৰ বেলা, ফটকৈকে গধূলি হ'ব। আন্ধাৰ হ'লে গাগেলি চাবি কেনেকৈ- দেখিবিয়েই বা কি"— বুলি অহীন্দ্ৰই কাপোৰ পিন্ধি আগতে কৈ থোৱা অনুসৰি গাগেলিলৈ প্ৰসেনজিত আৰু আকাশক নিবলৈ সাজু হ'ল। লগত ওলাল অহীন্দ্ৰৰ ল'ৰা অতনু, ঘৰৰ কাষৰে অমৰ আৰু অভয়।

হয়তো গধূলি হ'বৰ হ'লেই— অই আকাশ- আহ আহ আমি গাগেলিলৈ যাওঁ— প্ৰসেনজিতে এই বুলি কৈ গাড়ীখনৰ ওচৰত আহি থিয় হ'ল। আকাশো আহিল। প্ৰসেনজিত, আকাশ, অহীন্দ্ৰ, অতনু, অমৰ, অভয়— আটায়ে ঠেলা-হেঁচাকৈ গাড়ীখনত বহি ল'লে। গণেশে গাড়ীখন ষ্টাৰ্ট দিবলৈ গাড়ীত বহিল। কিছু সময় চাবিপাট পকাই থকাৰ মূৰত গাড়ীখন ষ্টাৰ্ট হ'ল। গাড়ীখনৰে ঘোপকুছি পাৰ হৈ তেওঁলোক একেবাৰে গাগেলিৰ বুকু পালে। তাৰ পাছত প্ৰসেনজিতহঁতৰ মাটিলৈ ৰূপেশ্বৰৰ মাটিৰ কাষেদি থকা লিকটোৱে দি খোজকাঢ়ি হোলাৰ জানৰ মূৰলৈ গ'ল। তাত এটা সৰু টিপ আছে। তেওঁলোক আটায়ে টিপটো ত থিয় হ'ল। তাত থিয় হৈ প্ৰসেনজিত শিল পৰা কপৌৰ দৰে হৈ নিবিড়চিত্তে গাগেলিখনলৈ চাই থাকিল। সম্ভৱতঃ তেওঁৰ হৃদয়ৰ মৰ্মস্থলৰ কোনোবাখিনিত গাগেলিৰ নতুন ৰূপে তেওঁক আঘাত কৰিছিল। নিৰ্বাক, নিষ্পন্দ প্ৰসেনজিতক দেখি অহীন্দ্ৰই মাত লগালে আকাশক।

ঃ"চোৱা আকাশ, ভালকৈ চোৱা, এইখনেই গাগেলি। তোমাৰ আতাৰ কৈশোৰ, শৈশৱ আৰু যৌৱনৰ কঠীয়াতলী— তোমাৰ আতাই গৰু-চৰাই, মাছ ধৰি, হালবাই

চৰাইৰ সৈতে গীত গাই, মহৰ খুঁটিত ম'হৰ গাখীৰ খাই জীৱনৰ ৰংগভূমি লৈ ৰূপান্তৰ কৰা গাগেলি। কিন্তু অতীতৰ সেই গাগেলি আজি নাই। ইয়াৰ নৈসৰ্গিক মনোহৰ প্ৰাকৃতিক শোভা, ইয়াৰ মাছ-কাছ, জীৱ-জন্তু আৰু বিচিত্ৰ ৰঙী পক্ষীবিলাকৰ আনন্দোচ্ছল বিচৰণে এদিন ইয়াক স্বৰ্গৰ নন্দন-কাননত পৰিণত কৰিছিল। অপৰূপ ৰূপ আৰু বৈচিত্ৰ্যময় দৃশ্যাৱলীৰে সজোৱা সেই ৰূপৰ জেউতি আজি নাই। নল-খাগৰি, মেটেকা, পানী-মেটেকা, পাৰিজাত ফুলে সজাই পৰাই তোলা ইয়াৰ মনমোহিনী ৰূপ আজি বিস্মৃতিৰ গৰ্ভত বিলীন হৈ গৈছে। কি নাছিল ইয়াত— বৌ, বৰালী, বাহু, আৰি, ভকুৱা, কাৱৈ, মাগুৰ, শাল, শোল, চেনাৰ, শিঙি, পুঁঠি, খলিহনা, চেং, পাভ, গাগল আদি শত প্ৰজাতিৰ মাছৰ চিৰচেনেহৰ চিৰ জীৱনৰ লগৰী আছিল এই গাগেলি। গগল মাছৰ সংখ্যাধিক্যৰ বাবেই আমাৰ আতা-পিতাইঁতে গগল মাছৰ নামেৰে নামকৰণ কৰিছিল গাগেলিক। গগলছ মাছৰ পৰাই হৈছিল গাগেলি। ইয়াৰ বুকুকেই জীৱনৰ চাৰণভূমি হিচাপে লৈছিল এদিন বগলী, হাড়গিলা, শৰালি, কুৰুৱা, চিলনী, ভেল্লা, পানী কাউৰী, মাছৰোকা, কাউৰী, শগুণ, দহিকতৰা, চাকৈ-চকোৱা আদি প্ৰজাতিৰ পক্ষীবোৰে। সেইসকলৰ কলৰবে গাগেলিক ৰোমাঞ্চিত কৰিবলৈ আজি সেইসকল ইয়াত নাই। শিয়াল, হেপা, নেউল, উদ আৰু বিভিন্ন প্ৰজাতিৰ এন্দুৰ-নিগনিয়ে ইয়াতেই পাতি লৈছিল একো একোখন সোণৰ সংসাৰ— সুখৰ সংসাৰ। তেনে সংসাৰৰ দুই-এখনহে আজি বৰ্তি আছে মৰো-জিউ, সোঁ-অধিকৈ। এসময়ত প্ৰায় চাৰি বৰ্গকিলোমিটাৰে আৱৰা ইয়াৰ ভূমি ভাগ আজি বহু মানুহে বেদখল কৰি তেনেই ঠেক কৰিলে গাগেলিক। ঘাঁহ-বন, নল-খাগৰি বিলুপ্ত হ'ল। মহৰ মহাজনসকলে এতিয়া ইয়াত ম'হৰ খুঁটি নাপাতে-- পাতিব নোৱাৰে। গৰু-বাচুৰৰ সংখ্যা কমি আহিল। অমৰ লতাই গোটেইখন গাগেলি অজগৰে গিলা দি গিলি পেলালে। গাগেলিত মানুহ সোমাবলৈ, গৰু চৰাবলৈ, মাছ মাৰিবলৈ মানুহে এতিয়া ভয় কৰা হ'ল। পশু-পক্ষীৰ কলৰবে জয়াল কৰি ৰখা গাগেলি এতিয়া বিশাক্ত সাপে ভয়াল কৰি ৰাখিছে।

তদুপৰি বহু-- শুভ-অশুভ সামাজিক আৰু ৰাজনৈতিক ঘটনাৰ বুৰঞ্জীয়েও এসময়ত অপ্ৰত্যাসিতভাৱে ইয়াৰ পৰা ৰিং মাৰিছিল-- যি ৰিংৰ ধ্বনিয়ে চুইছিল চিলং, গুৱাহাটী, চুইছিল দিছপুৰ। তোমাৰ আতা প্ৰসেনজিতে ইয়াৰ মাটি-পানী আৰু বোকাৰ গোন্ধ লৈ ৰাজনীতিৰ বহল পৃথিবী এখনত ভৰি দিছিল। তেওঁৰ সাহিত্য সাধনাৰো কল্পভূমি আছিল এই গাগেলিয়েই।

ঃ মই ভালকৈ বুজা নাই, বহলায় বুজাই কোৱা আতা-।

ঃ আকাশ- এই প্ৰাণস্পৰ্শী আৰু ৰোমাঞ্চকৰ কথাবোৰ জানিবলৈ হ'লে আমি ছয়টা দশক আগলৈ ঘূৰি যাব লাগিব— অহীন্দ্ৰই ক'লে আকাশক।

ঃ ছয়টা কিয়— এশটা দশকলৈ ঘূৰি যাবলৈ মই সাজু আছো আতা। তুমি কেৱল কোৱা, মই শুনিম— অধৈৰ্য হৈ আকাশে অহীন্দ্ৰক খাটনি ধৰিলে কথাবোৰ ক'বলৈ।

ঃ সৌ ডাঙৰ পুষ্প-পত্ৰহীন বৃদ্ধ কদম গছ জোপা দেখিছানে আকাশ- আঙুলি টোঁৱাই গছডাল দেখুৱাই অহীন্দ্ৰই আকাশক সুধিলে।

ঃ হয়- দেখিছো- আকাশে ক'লে।

ধৰ্ম মহৰীৰ মাটিত থকা সেই প্ৰায় এশ বছৰীয়া গছজোপাৰ কাষৰ পৰা সৌ ৰাস্তাৰ কাষৰ আমজোপালৈ এটা মাৰ্ক আছিল— মানে পথাৰলৈ অহা-যোৱা কৰা সৰু আলি। মাৰ্কটোৰ একেবাৰে পশ্চিমত আছিল কটহ বাঁহ এজোপা। বাঁহজোপাৰ কাষেৰে যাবলৈ মানুহে এসময়ত দিনতে ভয় কৰিছিল। তাত হেনো বীৰা আছিল, মানে ভূত। কটহ বাঁহজোপা আৰু কদম জোপাৰ প্ৰায় ৫০ মিটাৰমান দূৰত মাৰ্কটোৰ পূব দিশত আছিল এজোপা শাওৰা গছ। জোপাহা শাওৰা গছজোপা ওখই আছিল ১০ ফুটমান। শাওৰা জোপাক মানুহে ভয় কৰিছিল— আনকি শাওৰা জোপাৰ ঠানি দাঁত মাজিবলৈও কোনোৱে নানিছিল। শাওৰা জোপাত হেনো এটা ভূতে বাহ লৈ আছিল। কিন্তু ভূতৰ বাহ থকা সেই শাওৰা গছজোপাই আছিল তোমাৰ আতা প্ৰসেনজিতৰ বাল্যবন্ধু, গৰু চৰোৱা সময়ৰ প্ৰিয় লগৰী। তোমাৰ আতা প্ৰসেনজিতৰ জীৱন পৰিক্ৰমাৰ শুভ আৰম্ভণি হৈছিল সেই শাওৰা গছ জোপাতেই। সেই কথা জানিবলৈ আমি- মই কোৱা মতে ছয়টা দশকৰ আগলৈ ঘূৰি যাব লাগিব।

অহীন্দ্ৰই আকাশক বৃদ্ধ, অথৰ্ব প্ৰায় এশ বছৰে জীৱনৰ লগত যুঁজ দি ভাগৰি নপৰা কদম গছ জোপাৰ ওচৰলৈ লৈ গ'ল। দুয়ো কদমজোপাৰ তলত বহিল। কল্পনাৰ এখন ৰথ সাজি অহীন্দ্ৰই আকাশক ৰথখনত উঠাই লৈ বিস্ময়াভিভূত, গহীন আৰু সৃষ্টিশীল অতীতলৈ লৈ গ'ল তাক। সেই অতীত কেৱল প্ৰসেনজিতৰ অতীত নহয়— নহয় কেৱল গাগেলিৰ অতীত; সেই অতীত অসমৰো অতীত— অসমীয়া জাতিৰো অতীত।

(দুই)

আকাশত মেঘৰ তাণ্ডৱ নৃত্য। সূৰ্যাস্তলৈ কেবাঘণ্টা বাকী এতিয়াও। ঘনঘোৰ ক'লা মেঘে আকাশখন ছানি ধৰিছে। দিনতে এন্ধাৰ হৈ পৰিছে পৃথিৱীখন। মুষলধাৰে পৰিছে দবাপিটা বৰষুণ। বতাহৰ হো হোৱনি শব্দ আছেই। মাজে মাজে মেঘৰ গগন ফলা ভয়ঙ্কৰ শব্দ। বিজুলীৰ ভয়াল চিক্‌মিকনি- যেন পৃথিৱীখন এইমাত্র পুৰি চাৰখাৰহে কৰিব। অচলা প্ৰকৃতি হৈ পৰিছে ভয়াল আৰু ৰহস্যময়। এনে ভয়াল আৰু ৰহস্যময় পৰিৱেশত গাগেলিৰ বুকুত গৰু-গাইবোৰক স্বাধীনমনে ঘাঁহ খাবলৈ এৰি দি প্ৰসেন উঠি আছে ধৰ্ম মহৰীৰ মাটিৰ মাৰুটোৰ পূব দিশৰ পঞ্চাচৰ ডেওনা পাৰ হোৱা জোপোহা শাওৰা গছ জোপাত। প্ৰসেন মানে প্ৰসেনজিৎ কলিতা। গাঁৱত সকলোৱে প্ৰসেন বুলিয়ে মাতে। বিপুলা পৃথিৱীৰ এই ভয়াল আৰু ৰহস্যময় পৰিৱেশে প্ৰসেনক ভয়াৰ্ত কৰি তোলা নাই। বৰং এক আনন্দোচ্ছল আৰু প্ৰাণচঞ্চলতাই প্ৰসেনক দিছে এক স্বৰ্গীয় অনুভূতি আৰু অপৰিমেয় সুখানুভূতি। সি হৃদয় আৰু প্ৰাণৰ সমস্ত আৱেগেৰে উপলব্ধি কৰিছে যেন অপৰা প্ৰকৃতিয়ে এই মুহূৰ্তত পৃথিৱীৰ সমস্ত সুখ কঢ়িয়াই আনিছে তালৈ। এনে অনুপম আৰু স্বৰ্গীয় উপলব্ধিয়ে প্ৰসেনক কৰি তুলিছে অত্যন্ত আৱেগবিহ্বল আৰু সুখানুভৱী। এনে আৱেগবিহ্বলতা আৰু সুখানুভূতিত আবিষ্ট হৈ নাগৰা নামৰ গীত এটা গাইছে প্ৰসেনে হিয়া উজাৰি—

"গিৰ্‌গিৰ্ শবদে মেঘে গৰজিলা
নুশুনি প্ৰজাৱে মাত
পালি পহৰীয়া সবে নিদ্ৰা গৈলা
উপজিলা জগন্নাথ"

ঃ অ- কোন অ সেইজন?

মইহে মণ্ডলুকাই। মই প্ৰসেন-শৰীৰৰ সমস্ত শক্তি প্ৰয়োগ কৰি চিঞৰি চিঞৰি ক'লে প্ৰসেনে।

ঃ এ- কি গীত নো গাইছ- বতাহ-বৰষুণৰ শব্দত শুনাই নাই নহয় ভালকৈ?

ঃ 'কংস বধ'ৰ গীত - মণ্ডলুকাই- 'কংস বধ'ৰ গীত — প্ৰসেনে চিঞৰি চিঞৰি ক'লে।

চিঞৰি চিঞৰি কথা পাতি দৌৰি আহি মণ্ডলু শাওৰাগছ জোপাৰ তল পালে। বতাহ-বৰষুণৰ হো-হোৱনি শব্দ অলপো শাম কটা নাই। মণ্ডলুকাই মানে মংগলচৰণ

কলিতা। গাঁৱৰ মানুহে মঙলুকাই বুলিয়েই মাতে তাক। লাউলোৱা অৱস্থা তাৰ। ছয়টাকৈ ল'ৰা-ছোৱালীৰে গাঁৱৰ মাজতে তাৰ ঘৰটো। ঘৰ বুলিবলৈ নাই বুলিয়েই ক'ব পাৰি। দুটা ৰুমৰ আধাও খেৰ নোহোৱা চালি এখন-- তলত ভাঙি উখহি যোৱা বেৰ কেইখনমানেৰে এটা অদ্ভুত কিমাকাৰ ঘৰ তাৰ। খেতিৰ মাটি নাই বুলিয়েই হয়। ভায়েকহঁতৰ লগত বেলেগ হোৱা সময়ত এবিঘা খেতিৰ মাটি ভাগত পাইছিল সি। সিও আছে বন্ধকত। দিনৰ দিনটো আনৰ ঘৰত কাম কৰোতে যায় তাৰ। ঘৈণীয়েকেও আনৰ ঘৰত কাম কৰে। তেনেকৈয়ে এসাজ খাই দুসাজ লঘোণে থাকি জীৱনৰ পালতৰি নোহোৱা টুলুঙা নাওখন বাই আছে সি। পাৰ এদিন পাব নে নাই একমাত্ৰ ভগৱানেহে জানে। সেই মঙলুৱে দৌৰি দৌৰি আহি প্ৰসেনে উঠি থকা শাওৰা গছ জোপাৰ তলত ভিজি-বুৰি আশ্ৰয় লৈছে।

ঃ জানা মঙলুকাই- দুষ্ট কংসই ভগৱান কৃষ্ণকো মাৰিব খুজিছিল, পিছে নোৱাৰিলে।

ঃ অ-অ, সিদিনা ভদ্ৰেশ্বৰ মাষ্টৰৰ ঘৰত ভাগৱত পাঠ কৰোতে অনিৰুদ্ধ পাঠকে কংস বধৰ কাহিনীকে কৈছিল। মোৰ অলপ অলপ মনত আছে। বেছিভাগেই পাহৰিছো মঙলুৱে ক'লে—

ঃ অ মঙলুকাই, মথুৰাৰ ৰজা উগ্ৰসেনৰ পুতেক সেই দৈত্য কংসই বাপেক উগ্ৰসেনকে ধৰি ভনীয়েক দৈৱকী, দৈৱকীৰ পতি বসুদেৱ সকলোকে বিনাদোষতে কাৰাগাৰত বন্দী কৰি থৈছিল। এনে মেঘৰ গাজৰণি, ধুমুহা আৰু বৰষুণে মথুৰা ৰাজ্য আৰু পৃথিৱীত ভয়লগা অৱস্থা কৰাৰ সময়তে কংসৰ কাৰাগাৰত ভগৱান কৃষ্ণ উপজিছিল এদিন।

ঃ পিছে সেই দৈত্য কংসৰ কিবা শাস্তি হ'লনে নাই অ প্ৰসেন? —দবাপিটা বৰষুণ পৰা নিজকে ৰক্ষা কৰিবলৈ ককালৰ গামোছাখন মূৰত পাগুৰি মাৰি মঙলুৱে প্ৰসেনক সুধিলে।

ঃ হ'ল, হ'ল মঙলুকাই- দুষ্ট কংসৰ শাস্তি হ'ল— ইমানপৰে বহি থকা ঠানিটোৰ পৰা আন এটা ঠানি লৈ লাহে লাহে গৈ বহি লৈ প্ৰসেনে ক'লে— দুষ্ট কংসই দৈৱকীৰ সাতটা সন্তানক শিলত আঁচুৰি মৰাৰ পিছতে তাৰ শাস্তি নহ'বনে? বুজিছা মঙলুকাই- কৃষ্ণ ওপজাৰ পাছতে বসুদেৱে তেওঁক গকুলত নি থলে। তাতেই কৃষ্ণ ডাঙৰ হ'ল। বাল্যকাল পাই এদিন মথুৰালৈ আহিল। তাতো কংসই তেওঁক মাৰিবলৈ বহু অসুৰ-ঘাটক লগাই দিছিল- পিছে নোৱাৰিলে। কৃষ্ণই সকলো অপশক্তিক নেওচি দৈত্য কংস বধ কৰিলে। উগ্ৰসেনক পুনৰ মথুৰাৰ ৰজা পাতিলে। মাক দৈৱকী আৰু পিতাক বসুদেৱক

কাৰাগাৰৰ পৰা উদ্ধাৰ কৰিলে।

ঃবৰষুণ কমিল। আন্ধাৰ হ'বৰ হ'ল। বল-বল ঘৰলৈ যাও— বুলি মঙলুৱে প্ৰসেনক গছৰ পৰা নামি আহি গৰু গাইবোৰ থুপুৰিয়াই ঘৰলৈ যাবলৈ ক'লে।

ঃ হয়, হয় গধূল হ'ল। আন্ধাৰ হ'বৰ হ'ল—ঘৰলৈ যাবৰ সময় হ'ল— মঙলুৰ কথাত হয়ভৰ দি

"কাউৰী গ'ল, গধূলি হ'ল
আমাৰ ঘৰাঘৰি যাবৰে হ'ল"

বুলি গীতটোৰ কলিটো গাই গাই শাওৰা গছজোপাৰ পৰা নামি আহিল প্ৰসেন।

ঃ মঙলুকাই, অ মঙলুকাই, তই ইয়ালৈ আহোতে দৌৰি দৌৰি আহি হোলাৰ জানটো পাৰ হোৱা মই দেখিছিলো। কিয—দৌৰিছিলি? বৰষুণৰ কাৰণে নেকি? নে তই কিবা ভয় খাইছিলি?

ঃ নাই নাই অ'। বৰষুণৰ মাজতে ভাবিলো বোলো ঘৰলৈ যোৱাৰ আগতে ৰাতিৰ ভাতমুঠিৰ বাবে মাছ-পুঠি কেইটামানকে লৈ যাও। জাকৈখন লগত আনিছিলোৱেই।

ঃ তইতো সদায় মাছৰ বাবে হয় জাকৈখন, নহয় বৰশীটো বা কচডাল- কিবা নহয় কিবা মাছমৰা বস্তু এটা লৈয়েই ফুঁৰ— বুলি প্ৰসেনে মন্তব্য কৰিলে।

ঃ হোলাৰ জানটো পাৰ হৈ জানৰ আগত থকা ঘূলিটোত জাকৈখন কেইচাবমান মাৰিম বুলি গৈছিলো। বৰষুণ সামান্য কমিছিল যদিও ইপিনে মেঘৰ সিংহ গৰ্জন, সিপিনে সৰগত চিক্‌মিকিৰ চকুত চাটমৰা পোহৰ- তাৰ মাজতে দিলো ঘূলিটোত জাকৈৰ চাব এটা। কথা নাই বতৰা নাই মাছ নুঠিল-উঠিল মৰা মানুহৰ পচা এখন ভৰি। আই ঐ বুলি চিঞৰ এটা মাৰি য'ৰ জাকৈ তাতে এৰি মাৰিলো তৰা নৰা ছিগা দৌৰ এটা। একে দৌৰে জানটো পাৰ হৈ আহি শুনা-নুশুনাকৈ তোৰ গীতৰ শব্দ শুনিহে দেহলৈ জীউটো ঘূৰি আহিল। তোৰ গীতৰ শব্দ নুশুনা হ'লে আজি মোলৈ আধ্যায়েই আছিল— ভুতে ধৰা মানুহৰ দৰে কথাখিনি ক'লে মঙলুৱে।

ঃ কিয় তই পাহৰিছয়েই নেকি—আজি কিছুদিন আগতে যে আমাৰ গাঁৱৰ বলীন খুড়াৰ খুড়ীয়ে ফাঁচ দি মৰিছে। সহিৰাৰ দেৱতাই ধৰিছিল বোলে খুড়ীক। সহিৰা দিয়া মানুহক বোলে খৰি দি পুৰি পেলাব নাপায়। ইপিনে গাঁৱখন বানপানীৰ তলত। গাঁৱৰ ওচৰে-পাজৰে ক'তো বাম ঠাই নাই। সেয়ে গাঁৱৰ বয়সস্থ মুখিয়াল কেইজনমানে আলোচনা কৰি গাগেলিতে মৰাশটো ভঁহাই দিয়াৰ সিদ্ধান্ত ল'লে। সেইমতে জানটোৰ মুৰৰ সেই ঘূলিটোৰ মেটেকাৰ মাজতে খুড়ীৰ শটো পেলাই থৈ আহিছিল— কথাখিনি প্ৰসেনে মঙলুক ক'লে।

ঃ অ-অ মই সেইদিনা গৰুহালৰ চব্‌কাৰ ঔষধ বিচাৰি শঙ্কৰহঁতৰ ঘৰলৈ গৈছিলো নহয়। ঔষধৰ বাবে এদিন থাকিব লগা হৈছিল তাত। বলীনৰ ঘৈণীয়েকজনী মৰাৰ দিনা ঘৰত নাছিলো। ঘৰ পাই সকলো শুনিছো। বৰ দুখ আৰু বেজাৰৰ কথা বুজিছা প্ৰসেন, বৰ দুখ আৰু বেজাৰৰ কথা।

ঃবেচেৰা বলীন—আমাৰ লগৰে। কৰব্ৰাত মোতকৈ এবছৰমানৰ হে সৰু হ'ব। পাঁচটা ল'ৰা-ছোৱালীৰে সাতজনীয়া পৰিয়ালটোক হাজিৰা কৰি কিমান দিননো পালিব? আৰু বলীনৰ বেচেৰি ঘৈণীয়েকজনী। দুখীয়া হ'লেও বৰ সাদৰি তিৰোতা আছিল তাই। শুনিছ প্ৰসেন বলীনৰ ঘৈণীয়েকজনী ফাঁচ দি মৰাৰ তিনিদিনমান আগৰে পৰাই সিহঁত বোলে লঘোণে আছিল। ল'ৰা-ছোৱালীকেইটাৰ মুখ শুকাই টেমীহেন হৈছিল। হ'বই দেছোন। ইপিনে বানপানীয়ে গাঁওখন দুবাই থৈছে। ক'তনো কাৰ ঘৰত হাজিৰা কাম পাব। উপায় নাপাই মদন মহাজনৰ ঘৰলৈ চাউল অলপ বিচাৰি গৈছিল বোলে বলীনে। নিদিলে। হৰিধন মাষ্টৰৰ ঘৰলৈও গৈছিল সি টকাকেইমান বিচাৰি। হৰিধনৰো বোলে নিজৰে টনাটনি। হৰ্ষ কেৰাণীৰ ওচৰলৈ গৈ বস্তিৰ মাটিখিনিকে বন্ধকত ৰাখি টকা দুকুৰি মান দিবলৈ কাবৌ-কোকালি কৰিলে। কামত নাহিল। বস্তি-মাটি হেনো হৰ্ষ কেৰাণীয়ে বন্ধকত নলয়। সাতে-সোঁতৰে সন্ধিয়াপৰত সুদা হাতেৰেই উভতিল বলীন। ঘৈণীয়েক বিৰলাই সন্ধিয়া পৰত আন একো নহ'লেও অন্ততঃ কেইমুঠিমান চাউলকে লৈ বলীনে ঘৰলৈ উভতিব বুলি বৰ আশাৰে বাট চাই আছিল। কিন্তু বলীনে ঘৰ পালে সুদা হাতেৰেহে। ঘৈণীয়েক বিৰলাই আৰু সহ্য কৰিব নোৱাৰিলে। কান্দোনত ভাগি পৰিল। ল'ৰা-ছোৱালীকেইটাই 'ভোকত মৰিলোও-আই-আমাক কিবা খাবলৈ দে' বুলি তোলা কান্দোনৰ ৰ'লে তাইৰ মূৰটো নষ্ট কৰি পেলালে। ৰাতি শুৱৰ সময় নৌহওতেই গোহালিৰ গৰুকেইটা ঠিকে আছেনে বুলি চোৱাৰ চুটাৰে গোহালিৰ পৰা গৰুৰ পঘা দুডালমান লৈ মনে মনে তাই ঘৰৰ পিছপিনৰ আমগছ ডালত ফাঁচ দি মৰি থাকিল। সকলো ভাগ্যৰ খেল বুইছা প্ৰসেন ভাগ্যৰ খেল। দুখীয়া হৈ জনম ধৰাটো বৰ পাপ। আমিবোৰ পাপী প্ৰসেন। আমি পাপী —মূৰৰ গামোচাখনেৰে চকুপানীখিনি মচি মণ্ডলুৱে বলীনৰ ঘৈণীয়েকে ফাঁচ দি মৰাৰ কাহিনীটো চমুকৈ প্ৰসেনৰ আগত ক'লে।

ঃ ধেৎতেৰি, মুখত যি আহিল তাকেই ক'লো—তই সৰু ল'ৰা, তোক এইবোৰ কৈ মনত বেজাৰ দিব কিয় লাগে— মণ্ডলুৱে নিজৰ ওপৰতে খং প্ৰকাশ কৰিলে। 'বল বল গৰুবোৰ মেটেকাতলীৰ পৰা অনাত ময়ো সহায় কৰি দিও' বুলি মণ্ডলুৱে প্ৰসেনৰ লগত গাগেলিৰ বুকুৰ পৰা মেটেকাৰ মাজে মাজে থকা গৰুবোৰ খেদি খেদি গৰুবোৰৰে সৈতে দুয়ো কাকতললৈ যোৱা হোলাৰ জানৰ মথাউৰিটোত উঠিল। তাৰ পৰা কোনোমতে একাঁঠু বোকা আৰু পানী ভাঙি আহি উঠিল কাকতলৰ মূল ৰাস্তাটোত। স্বস্তিৰ নিশ্বাস

এটা পেলাই গৰুবোৰক মৰমতে লৰুৰে দুই একোব মাৰি ঘৰমুখে আগবঢ়া প্ৰসেনে গুণ্‌গুণাই গালে—

"অ কানাই পাৰ কৰা হে
বেলিৰ পৰিল ছায়া
নষ্ট হৈলে দধিৰ ভান্দ
বাজাৰ হৈবে বেয়া।"

গৰুবোৰ খেদি অনাত মণ্ডলুৰেও প্ৰসেনক সহায় কৰিলে। গৰু খেদি খেদি গৰু মানুহ সকলোৱে কাকতলত সোমাল। তেতিয়া কাকতলত কাণি-মুনি আন্ধাৰ।

এইখনেই প্ৰসেন-মণ্ডলুহঁতৰ অতি মৰমৰ, অতি চেনেহৰ কাকতল। ইয়াতেই সিহঁত উপজিছে, হয়টো ইয়াতেই মৰিব লাগিব এদিন। এই গাঁৱৰ মাটিৰ মৰমত সিহঁত বলিয়া। কাকতল বুলি কোৱাৰ লগে লগে আৱেগ-অনুভূতিৰ এক প্ৰবল জোকাৰণিয়ে জোকাৰি যায় সিহঁতৰ মন, মগজু আৰু শৰীৰ। কাকতলৰ মাটিৰ গোন্ধে সিহঁতৰ মন অনবৰতে কৰি ৰাখে উন্মনা। মণ্ডলুৰ লগৰে শিবেন মাষ্টৰে মাজে মাজে মানুহৰ জুম পালেই আওৰাই দিয়ে নলিনীবালা দেৱীৰ কবিতা এফাকি —

"তোমাৰ ই ধূলি বালি তোমাৰ আকাশ বায়ু
আই মোৰ সৰগৰ বাস;
তুমি মোৰ মৰতৰ পুণ্য মুকুতিৰ ভূমি
তুমি মোৰ তীৰ্থৰ প্ৰভাস।"

সত্তৰটা পৰিয়ালেৰে তৃষ্ণা নৈৰ এক কিলোমিটাৰ মান আঁতৰত অৱস্থিত কাকতল গাঁও। ত্ৰিনাথ নগৰৰ পৰা প্ৰায় ছয় কিলোমিটাৰৰ বাট। গাঁওখনৰ সোঁমাজত থকা মণ্ডলুহঁতৰ ঘৰৰ পিছপিনে আছে এডাল অতি পুৰণি কদমগছ। কাউৰী, শগুণ, হাৰগিলা, শেন, কুৰুৱা আদি কেবাবিধো চৰাইয়ে যুগান্তৰৰ সাক্ষীৰূপে বাস কৰি আহিছে এই কদমগছ জোপাত। গাঁৱৰ কোনোৱে সঠিককৈ কদমজোপাৰ বয়সৰ কথা ক'ব নোৱাৰে। সকলোৱে অনুমান কৰে প্ৰায় ১৫০ বছৰ মান হ'ব কিজানি কদমজোপাৰ বয়স। সেই কদমজোপাৰ পৰাই ঘণ্টাই ঘণ্টাই ডাক দিয়ে কুৰুৱা চৰাই এজাকে। কুৰুৱা চৰাইজাকৰ ডাকেই হ'ল গাঁওখনৰ ঘড়ী। এসময়ত ভিন ভিন গাঁৱৰ পৰা ইয়াৰ ওচৰতে থকা কাউৰমণি নামৰ বিলখনৰ পাৰলৈ পাম ধৰিবলৈ আহিছিল অনেক মানুহ। হাবি-জংঘলেৰে ভৰা কাউৰমণিৰ গছ-বিৰিখবোৰত আছিল অজস্ৰ কাউৰী। কাউৰীৰ বাহেৰে ভৰি থকা গছবোৰৰ তলতে এই মানুহবোৰে পাম পাতি বাস কৰিছিল। কিছু বছৰ তেনেকৈ বাস কৰাৰ পিছতেই ঠাইখিনি হৈ পৰিছিল এখন গাঁৱৰ দৰে। পমুৱালোকসকলে তাত গঢ়ি তুলিছিল এখন সমাজ। সমাজখনে বহি এদিন ঠাইখিনিৰ নাম দিছিল কাকতল। কাকতল

গাঁও। গাঁওখনৰ মাজত মানুহৰ ঘৰবাৰী বাকী চাৰিওফালে খেতি পথাৰ। সত্তৰ গিৰি মানুহৰ কেইঘৰমান মানুহৰহে দুবেলা দুমুঠি পেট ভৰাই খাব পৰা অৱস্থা। বাকী শতকৰা ৯৯ ভাগৰেই অৱস্থা তথৈবচ। গাঁওখনত শিক্ষিত মানুহ নাই বুলিয়েই ক'ব পাৰি। তিনিজনমান মেট্ৰিক পাছ যুৱক আছে। তাৰে এজন কেৰাণী, এজন এম. ই. স্কুলৰ মাষ্টৰ আৰু এজনে চাকৰি বিচাৰি নগৰলৈ তাত বাতি কাঢ়ি আছে। গাঁওখনত প্ৰাইমাৰী স্কুল এখন পাতি থৈছে কেইজনমান অনাখৰী সমাজকৰ্মীয়ে। স্কুলখন চৰকাৰীও হৈছে। পঢ়া ল'ৰাৰ সংখ্যা ভালেই। কিন্তু বেছিভাগেই হয় প্ৰাইমাৰী পাছ কৰি নহয় প্ৰথম, দ্বিতীয় বা তৃতীয় শ্ৰেণীলৈ পঢ়ি পঢ়া বাদ দি কেঁকোৰা নাঙলৰ মুঠিত ধৰিছে। বাপেকক টামাখুৰ চিলিমটো জ্বলাই দি নিজেও দুই এক হোপা মাৰি খেতি পথাৰৰ ৰণুৱা এজন হৈ পৰিছে। আৰু মাক-বাপেকেও ইটো-সিটো অজুহাত উলিয়াই এজনী ছোৱালী চপাই দি সংসাৰ সাগৰৰ অমৃত মন্থন কৰিবলৈ ক্ষিৰোদ সাগৰৰ পাৰলৈ পঠিয়াই দিছে। তাৰে ভিতৰত দুই-চাৰিজনে অৱশ্যে গাঁৱৰ পৰা প্ৰায় ৬ কিলোমিটাৰ দূৰৰ ত্ৰিনাথ নগৰত থকা ত্ৰিনাথ হাইস্কুলখনত নাম লগাই অহা-যোৱা কৰি আছে। বছৰৰ প্ৰায় ছয়মাহ জুৰি বানপানীয়ে গাঁওখনক জুৰুলা কৰি ৰাখে। কেবাটাও ফৈদত বিভক্ত গাঁওখনৰ প্ৰথম প্ৰজন্মৰ মানুহবোৰ ১৮৯২ চনৰ বৰ ভূঁইকঁপৰ পাছতেই তাৰ পৰা দক্ষিণ দিশৰ দহ-বাৰ কিলোমিটাৰ দূৰৰ নামদণ্ডা, কুমাৰকুছি, চৈবাৰী আদি গাঁৱৰ পৰা উত্তম জীৱিকাৰ আশাত পাম ধৰিবলৈ আহিছিল। তাতেই নিগাজিকৈ ৰৈ গৈছিল। পুৰণা পিতৃভিঠাক পাহৰি কাকতলৰ মাটিকে আপোনভূমি বুলি সাবটি লৈ জীৱন-যাপনৰ সপোন ৰচিছিল। কেবাটাও ফৈদত বিভক্ত মানুহখিনি আছিল ধৰ্মপ্ৰাণ। খেলে খেলে সাজি লৈছিল একোটা নামঘৰ। এনে খেল প্ৰীতিয়ে একতাৰ জৰীডাল অৱশ্যে ঢিলা কৰি ৰাখিছিল গাঁওখনত।

গাঁওখনৰ ৰাস্তাঘাট বোকাপানীৰে ভৰা। ফাগুন-চ'ত মাহত গাঁৱৰ ডেকা ল'ৰাসকলে গাঁৱৰ ৰাস্তা-ঘাটবোৰ শ্ৰমদানেৰে কিছু ঠিক ঠাক কৰি লৈছিল। কলেৰা, হাইজা, বসন্ত আদি জীয়া যম সদৃশ বেমাৰবোৰৰ প্ৰকোপত ৰাইজে ত্ৰাহি মধুসূদন সুঁৱৰিছিল। গাঁৱৰ ওচৰে-পাজৰে ডাক্তৰখানা নাই। গাঁওখনৰ পৰা প্ৰায় ৬ কিলোমিটাৰ আতৰৰ ত্ৰিনাথ নগৰখনত তাহানি বৃটিছসকলৰ দিনতে পতা এখন সৰু ডিচপিনচাৰী আছে। সেয়ে বিভিন্ন বেমাৰ-আজাৰত গাঁওখনত সপ্তাহ পষেকত কোনো কোনো লোক হয় গাগেলিৰ মাটিত শিয়াল কাউৰীৰ খাদ্য হ'ব লগা হৈছিল নহ'লে ওচৰতে থকা তৃষ্ণা নদীৰ মাছ পুঠিৰ আহাৰ হ'ব লগা হৈছিল। তথাপিও কাকতলৰ মানুহখিনিয়ে আন মানুহৰ দৰে সপোন দেখিছিল, দুবেলা দুমুঠি পেট ভৰাই খোৱাৰ সপোন— ল'ৰা-ছোৱালীবোৰৰ কোনোবাই পঢ়ি-শুনি ডাক্তৰ, ইঞ্জিনীয়াৰ, হাকিম-উকীল, কেৰাণী-মহৰী হৈ বাপেকসকলৰ মূৰ আৰু কান্ধৰ মেটমৰা দুখৰ বোজা আতৰোৱাৰ ৰঙীন

সপোন। এৰা, সপোন আৰু আশায়েতো মানুহৰ চিৰন্তন আকাংক্ষা, দুখৰ বোজা আঁতৰাই সুখৰ বোজা কঢ়িওৱাৰ অন্তহীন বাসনা। এনে আকাংক্ষা আৰু বাসনাতে বন্দী হৈ মানুহ জীয়াই আছে, জীয়াই থাকিব বিচাৰে।

আৰু প্ৰসেন— কাকতল গাঁৱৰ ৰজত কলিতা ওৰফে ৰজত মেম্বৰৰ ল'ৰা প্ৰসেন। অকল পৰিয়ালৰে নহয়— গাঁওখনৰে যেন নয়ণৰ মণি প্ৰসেন। আচল নাম প্ৰসেনজিৎ কলিতা। সকলোৱে মৰমতে প্ৰসেন বুলিয়ে মাতে। জীৱনৰ নটা বসন্তত ভৰি দিয়া প্ৰসেন বুদ্ধিদীপ্ত, প্ৰগলভ, পৰিশ্ৰমী আৰু অমায়িক। পঢ়া-শুনাতো বৰ ভাল। গীত গোৱা, অভিনয় কৰা, খেলা-ধূলা কৰি ৰংমনে থকা আদিত তেওঁৰ বৰ ৰাপ আৰু আগৰণুৱাও। ক শ্ৰেণীৰ পৰাই সকলো শ্ৰেণীত প্ৰথম হৈ পাছ কৰা প্ৰসেনে পিতৃ ৰজত কলিতাৰ আৰ্থিক অৱস্থা অতি বেয়া হোৱা সত্বেও লঘোণীয়া পেটেৰে হ'লেও নিয়মিতভাৱেই স্কুললৈ অহা-যোৱা কৰে প্ৰসেনে। স্কুলতো সহপাঠী আৰু শিক্ষকসকলৰ প্ৰিয়পাত্ৰ প্ৰসেন। সৰুৰে পৰাই গাঁওখনৰ কাৰোবাৰ ঘৰত বেমাৰ-আজাৰ হ'লে প্ৰসেনে গৈ ৰোগীৰ ওচৰ পাব, শুশ্ৰূষা কৰিব। গাঁৱৰ ৰাস্তা-ঘাট ঠিক কৰিব লাগিব তাকো প্ৰসেনেহে ক'ব লাগিব। প্ৰাইমাৰী স্কুলখনৰ বেৰ ভাঙিছে, অহা-যোৱা কৰা পথটোত একাঁঠু বোকা হৈ ল'ৰা-ছোৱালী স্কুল এৰিব লগা হৈছে তাকো গাঁৱৰ ঘোষক প্ৰসেনে ঢোলপিটি ৰাইজক জনাব লাগিব। মেট্ৰিক পৰীক্ষা পাছ কৰাৰ আগতে গাঁৱৰ নামঘৰত শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ আদিৰ তিথিত নাম ধৰিলে নামঘোষা, কীৰ্ত্তন, দশম আদিৰে গীত গাই নামঘৰ মুখৰিত কৰা আদি কামৰ লগত প্ৰসেনৰ যেন জন্ম-জন্মান্তৰৰ পৰাই সম্পৰ্ক। পিতাকক খেতি পথাৰত সহায় কৰিবলৈ যাওঁতে লোকগীত, বৰগীত, আধুনিক গীত আদিৰে গাঁৱৰ ইমূৰ-সিমূৰ আৰু খেতি পথাৰ মুখৰিত কৰি ৰাখে প্ৰসেনে। হালোৱা, হজুৱা, ৰোৱনী-দাৱনীসকলে ক্ষন্তেকৰ কাৰণে হ'লেও প্ৰসেনৰ গীত শুনি এখন সুখৰ পৃথিৱীত প্ৰবেশ কৰে। এনেবোৰ কথা আৰু কামেৰেই কাকতলত ডাঙৰ-দীঘল হৈছে প্ৰসেন।

প্ৰসেনৰ পিতাক ৰজত কলিতা। সেই তাহানিতে ১৯৫৯ চনত গাঁও পঞ্চায়তৰ মেম্বৰ হৈছিল এবাৰ তেওঁ। তেতিয়াৰে পৰাই গাঁৱৰ মানুহে ৰজত কলিতাক মাতে 'ৰজত মেম্বৰ' বুলি। এজন অতি নিচলা খেতিয়ক ৰজত কলিতা। কাকতল গাঁৱৰ পৰা প্ৰায় তিনি কিলোমিটাৰ আৰত থকা কদমতল গাঁৱৰ প্ৰাইমাৰী স্কুলখনত তৃতীয় শ্ৰেণীলৈ কোনোমতে উধাইছিল তেওঁ। পঢ়া-শুনাত ভালেই আছিল যদিও কাহাৰ শিল্পী ধনঞ্জয় কাহাৰৰ ডাঙৰ ল'ৰা ৰজতে মাকৰ অকালতে মৃত্যু হোৱাত হৰিপুৰ গাঁৱৰ মোমায়েকৰ ঘৰত থাকিব লগা হৈছিল। পিছত পিতাক ধনঞ্জয় কাহাৰে দ্বিতীয়বাৰ বিয়া কৰাই পুনৰ সংসাৰ ধৰ্মত সোমাই পৰাত বৰপুত্ৰ ৰজত আৰু দ্বিতীয় পুত্ৰ পূষণক মোমায়েকৰ ঘৰৰ

পৰা আনি নিজৰ ঘৰ পোৱাইছিল। কেইদিনমান পাছত দুয়োকে খেতি মাটিৰ সীমা চমজাই দি নাঙল কোৰ, সেনী, হালবাৰী হাতত দি পেট পোহাৰ ব্যৱস্থাত সোমাই দিছিল। অকল সেয়াই নহয় ১৭ বছৰ বয়সৰ লগে লগে ওচৰৰে ভৌমন গাঁৱৰ মায়াৱতী নামৰ গাভৰু এগৰাকীৰ লগত ধনঞ্জয় কঁহাৰে পুতেক ৰজতক লগুণ গাঁঠি মাৰি দি সংসাৰৰ দায়িত্বৰ পৰা হাত সাৰিছিল। সেয়া আছিল ৩০ দশকৰ শেষৰ কথা। গোটেই দেশত তেতিয়া সজোৰে চলি আছিল ভাৰতৰ স্বাধীনতা আন্দোলন। নগৰ-চহৰ, গাঁও-ভূই সকলো ঠাইকে চুই গৈছিল সেই আন্দোলনে। হাকিম, উকিল, মুক্তিয়াৰ, প্ৰফেচাৰ, মাষ্টৰ, কেৰাণী-মহৰী, কৃষক-বনুৱা, ধনী-দুখীয়া সমাজৰ সকলো শ্ৰেণীৰ লোকে 'বন্দে মাতৰম', মহাত্মা গান্ধী কি জয়, বৃটিছৰাজ মুৰ্দাবাদ, স্বাধীনতা আমাৰ জন্মস্বত্ব, স্বাধীন ভাৰত কি জয়—আদি ধ্বনিৰে সমগ্ৰ দেশৰ আকাশ-বতাহ কপাই তুলিছিল। গাৱে-ভূয়ে নগৰে-চহৰে সকলোতে হৈছিল সমদল, সত্যাগ্ৰহ। তেনে সমদলত ৰজত কলিতায়ো যোগদান কৰিছিল। কৰিছিল কেবাজনো কাকতলৰ যুৱকে। সেই সকলক নেতৃত্ব দিছিল গজিন মেম্বৰে। তেওঁ জেলো খাটিব লগা হৈছিল। পিছত মুক্তি যোদ্ধাৰ পেনচন পাইছিল তেওঁ। কাকতলৰ তেওঁৰেই পেনচন পোৱা প্ৰথম মুক্তিযোদ্ধা। তাৰ পিছতেই তেওঁৰে বৰপুত্ৰ বনমালী ডেকায়ো মুক্তিযোদ্ধাৰ পেঞ্চন লাভ কৰিছিল। স্বাধীনতা আন্দোলনত কাকতলৰ ভূমিকা যে লেখত ল'বলগীয়া আছিল তাক আজিও কাকতলবাসীয়ে গৌৰৱেৰে সোঁৱৰণ কৰে।

স্বাধীনতাৰ পাছত দেশৰ বহু পৰিৱৰ্তন হ'ল। বহু স্বাধীনতা সংগ্ৰামী ধনী মাটিগিৰি আৰু ব্যৱসায়ীলৈ উন্নীত হ'ল— নহ'ল কিন্তু কাকতলৰ সেই নিছলা যুৱ খেতিয়কসকল। সেই যুৱ খেতিয়কসকলৰ ভিতৰত গগন, সিন্ধুৰা আদিৰ লগতে আছিল ৰজত কলিতা নামৰ যুৱকজনো। তথাপি তেওঁলোকে জীৱনৰ বাটত খোজ কাঢ়িয়েই থাকিল। জীৱন ডিঙা বাইয়েই থাকিল। খেতি পথাৰত কঠোৰ পৰিশ্ৰম কৰি পেটৰ ভাত মোকলাই জীৱনৰ কাঁইটীয়া পথত খোজ কাঢ়িয়েই থাকিল। সেই সকলৰে অন্যতম ৰজত কলিতা ওৰফে ৰজত মেম্বৰে সাতোটা ল'ৰা-ছোৱালীৰে সংসাৰৰ ভাৰ কোনোমতে বহন কৰি আছে- ক্লান্ত হোৱা নাই। সেই ৰজত মেম্বৰৰে তৃতীয় পুত্ৰ কাকতলৰ নয়নৰ মণি, বুদ্ধিদীপ্ত, প্ৰগলভ, বিনয়ী প্ৰসেনজিত কলিতা মানে প্ৰসেন। সৰুৰে পৰাই সপোন দেখি আহিছে কাকতলক এখন ভাল গাঁও- এখন উন্নত গাঁৱলৈ ৰূপান্তৰ কৰাৰ এক অন্তহীন সপোন।

কাকতল প্ৰাইমাৰী স্কুলৰ প্ৰধান শিক্ষক জয়েন্দ্ৰ পণ্ডিত ওৰফে জয়চন্দ্ৰ শৰ্মাই খণ্ডত টিঙিৰা তুলা হৈ স্কুলৰ বাৰাণ্ডাত ইমূৰৰ পৰা সিমূৰলৈ তাঁতবাটি কাঢ়ি আছে। হাতত তিনিডাল মান বেত।

ঃ তহঁতক মাৰ-বাপেৰহঁতে মোৰ মূৰটো খাবলৈ ইয়ালৈ পঠাইছে। ঐ দিনৰ দিনটো যদি তহঁতৰ কেৱল মাছমৰা, বলখেলা, হাউখেলা, লোকৰ বাৰীত চৰাইৰ পোৱালি বিচাৰি ফুৰিবলৈয়ে মন ইয়ালৈ কিয় আহ হা। মোৰ মূৰটো খাবলৈ আহ— তাতকৈ মাৰ-বাপেৰহঁতৰ সাতামপুৰুষীয়া কেঁকোৰা নাঙলত নধৰ কিয়? মায়েৰহঁতে তহতৰ উৎপাতত ঘৰত কাম-বন কৰাত দিগদাৰ পাই মোৰ মূৰটো খাবলৈ তহঁতক ইয়ালৈ পঠাই দিয়ে নহয়? ঐ ৰণেন, ঐ হৰেন ঘৰত যে অংককেইটা কৰি আনিবলৈ দিছিলো, কৰি আনিছ নে নাই, আন বহী লৈ আন?

ছাৰ কালি ৰাতি আমাৰ ঘৰত কেৰাচিন তেল নাছিল। আদিৰাম দোকানীৰ বোলে অসুখ। দোকানলৈ একো মাল-বস্তুৱেই আনিব পৰা নাই। কেবাদিন ধৰি কেৰাচিন তেলো আনিব পৰা নাই। পিতাই মোক দুবাৰো দোকানলৈ পঠিয়াইছিল, নাই নাপালো। কালি ৰাতি সেয়ে কিতাপ চোৱা নহ'ল ছাৰ— ৰণেনে থিয় হৈভয়তে কঁপি কঁপি কথাকেইষাৰ জয়েন্দ্ৰ পণ্ডিতক ক'লে।

ঃ হৰেন তই ক চোন, তোৰ কি হ'ল?

ঃ ছাৰ যোৱাকালি আমাৰ ঘৰত সন্ধিয়াতে হেপা এটা আহি আমাৰ পাৰ বাহৰ পৰা দুটা পাৰ পোৱালি চকুৰ পচাৰতে নি হেপাটো বাৰীত সোমাল। চুপাটোৰ সকলোৱে হেপাটো আৰু পাৰ পোৱালি দুটা বিচাৰি প্ৰায় দুঘণ্টা আমাৰ বাৰী-ঘৰ চলাথ কৰিলে। মইও ছাৰ ইফালে-সিফালে হেপা বিচাৰি ফুৰাত কিতাপ চাবলৈ সময়ে নাপালো। গতিকে অংককেইটা কৰা নহ'ল ছাৰ।

হ'ব হ'ব, তহঁতৰ এনে কথা শুনি শুনি কাণ ঘোলা কৰাৰ আজি পঁচিছ বছৰ হ'ল মোৰ। তহঁতক জানিবলৈ মোৰ বাকী নাই। বাৰ মাহত তেৰটা লেঠা তহঁতৰ। আজি বোলে কেৰাছিন তেল নাই, কালি বোলে হেপাই পাৰ নি গাঁওখনত হুলস্থূল লগালে, পৰহি বোলে পেটৰ বিষ, চৌথাদিনা বোলে সন্ধিয়া জাকৈ বাই আহি ভাগৰ লাগিল— আদি লেঠাৰ অন্ত নাই। ইপিনে পৰহি এছ আই আহিব স্কুল চাবলৈ। তহঁতৰ এই লেঠাবোৰ ক'লে এছ আইয়ে মোক গা-মূৰ পিহি মৰম কৰি ভাল ৰিপোৰ্ট এটাকে দিব নহয়। অংকৰ বহী চাব, ভূগোল-বুৰঞ্জীৰ প্ৰশ্ন সুধিব, তহঁতে যদি শুদ্ধ উত্তৰ দিব নোৱাৰ তহঁতৰ মুখলৈ চাই মোক ৰেহাই দিবনে? বুলি খণ্ডত একো নাই হৈ জয়েন্দ্ৰ পণ্ডিতে এটা এটাকৈ তৃতীয়মানৰ ছাত্ৰকেইজনক পাঁচ বেতকৈ মাৰি প্ৰসেনৰ ওচৰ পালে।

শ্ৰেণীৰ প্ৰথম ছাত্ৰ প্ৰসেন।

ঃ কি অ' প্ৰসেন—তই দেখোন আজি নিবোকা চাবোন হৈ আছ? তয়ো অংক কৰি অনা নাই নেকি? পণ্ডিতে বেতডাল ঘূৰাই ঘূৰাই সুধিলে প্ৰসেনক।

ঃ ছাৰ যোৱা কালি গৰু চৰাবলৈ যাওঁতে গাগেলিৰ নল-খাগৰিত বাহ লৈ থকা

বৰলকেইটামানে গাৰে-মূৰে বেয়াকৈ কামুৰিলে ছাৰ। বিষত তত নোহোৱা হৈ সন্ধিয়া মোৰ তীৰকঁপে জ্বৰ উঠে। মই ছাৰ যোৱাকালি সন্ধিয়া অকল অংককেইটাই নহয় কিতাপকে হাতত ল'ব নোৱাৰিলো ছাৰ— বিনয়েৰে কথাকেইটা কৈ প্ৰসেন তলমূৰ হ'ল।

ঃ 'গাগেলি-গাগেলি-গাগেলি—ইয়াৰ খাওতে বহোতে শোৱতে কেৱল গাগেলি-কেৱল গাগেলি। ঐ পঢ়ি শুনি হাকিম হৈ ৰজত মেম্বৰক চাওত তুলি থ'ব নালাগে। বাপেৰক ক'বি গাগেলিতে এটা পঁজা ঘৰ বান্ধি দিব। তাতে তই থাকিবি আৰু যিমান মন যায় মাছ মাৰিবি, গৰু চৰাবি আৰু সাপ, বেং মাছ, কাছ, পশু-পক্ষীৰ লগত খাবি, লবি, শুবি, গান গাবি স্কুললৈ আহি বৰ মানুহ হ'ব নালাগে। গাগেলিয়ে তোক বৰ মানুহ কৰিব বুলি— খং আৰু ক্ষোভত কথাখিনি কৈ কিবা এটা ভাবি জয়েন্দ্ৰ পণ্ডিতে নিজৰ চেয়াৰত বহি মূৰত হাত দি টোপনি যোৱাৰ ভংগীত ভৰি দুখন জোকাৰি জোকাৰি নিশ্চুপ হৈ থাকিল।

কাকতল প্ৰাইমাৰী স্কুল। কাকতলৰ একমাত্ৰ শিক্ষানুষ্ঠান। গাঁৱৰে গগণ মেম্বৰ, ৰজত মেম্বৰ, থানে বেপাৰী, গণ্ডে মহাজন, ৰবি মহাজন, চানা কুমাৰ, পদুম কুমাৰ আদি সেই সময়ৰ বয়সস্থ আৰু যুৱককেইজনমানৰ প্ৰচেষ্টাত স্থাপিত হৈছিল কাকতল প্ৰাইমাৰী স্কুলখন। এই সকলৰ ভালেকেইজনেই নাজানিছিল 'ক'ৰ কাণকেইটা। ভাবিলে আচৰিত হ'ব লাগে যে ক ৰ কাণকেইটা তাক নজনা লোকসকলেই এদিন নিজৰ পো-বেটীক স্কুলত পঢ়াই শিক্ষিত কৰাৰ কথা ভাবিছিল। মাত্ৰ পাঁচজন ছাত্ৰৰে স্কুলখন আৰম্ভ কৰা হৈছিল। এতিয়া ষাঠিজনৰো অধিক ছাত্ৰ। এতিয়া স্কুলখনত চেকেণ্ড মাষ্টৰ এজনো আছে। নাম তেওঁৰ মথন দত্ত। তৃতীয় শ্ৰেণীৰ এঘাৰজন ছাত্ৰৰ ভিতৰৰে এজন ছাত্ৰ প্ৰসেনজিৎ কলিতা। শ্ৰেণীৰ প্ৰথম ছাত্ৰ। এইবাৰ বৃত্তি দিব সি।

এইখন কাকতলৰ প্ৰাইমাৰী স্কুলতে আজি স্কুলখনৰ হেডমাষ্টৰ জয়েন্দ্ৰ শৰ্মাই খণ্ডত একো নাই হৈ ল'ৰা-ছোৱালীহঁতক গালি-গালাজ পাৰি মনৰ দুখ পাতলাইছে। এজন সু-সংস্কৃত, নিষ্ঠাৱান আৰু খ্যাতিমান শিক্ষক হিচাপে গোটেই চাৰ্কোলখনতে জয়েন্দ্ৰ পণ্ডিতৰ নাম আছে। দেখাত বাহিৰৰ পৰা খঙাল যেন লাগিলেও ভিতৰি ভিতৰি মানুহজন বৰ কোমল, মৰমিয়াল আৰু ছাত্ৰসকলক নিজৰ সন্তান বুলিয়েই গণ্য কৰে। কোনোদিন স্কুল ক্ষতি নকৰে। সেয়ে কাকতল গাঁৱৰ ডেকা-বুঢ়া, ল'ৰা-ছোৱালী, পুৰুষ-তিৰোতা সকলোৱে ভাল পায়, শ্ৰদ্ধা কৰে জয়েন্দ্ৰ পণ্ডিতকত। প্ৰতি বছৰে মাঘ-ফাগুন মাহত গাঁৱৰ প্ৰতিটো পৰিয়ালে, কোনোবাই কিছু চাউল, কোনোবাই শাক-পাচলি, কোনোবাই পানীলাওটো, কোনোবাই আন একো নাথাকিলে ঘৰত থকা হাঁহৰ কণী দুটামানকে দি জয়েন্দ্ৰৰ প্ৰতি থকা শ্ৰদ্ধা আৰু মৰম প্ৰদৰ্শন কৰে। এনেকৈ দিয়া বস্তুবোৰক

গাঁৱৰ মানুহে 'সিধা' বুলি কয়।

আজিলৈ যিমানজন এছ আইয়ে স্কুলখন চাবলৈ আহিছে কোনোৱে জয়েন্দ্ৰ পণ্ডিতক প্ৰশংসা নকৰাকৈ যোৱা নাই। অহা পৰহি নতুনকৈ চাৰ্কোলত জইন কৰা এছ আইজন আহি যদি স্কুলখনৰ মান নিম্নগামী হোৱা দেখে তেনেহ'লে সেইটো জয়েন্দ্ৰৰ বাবে বৰ দুখৰ কথা হ'ব। তেওঁ বৰ লাজ পাব। ইতিমধ্যে যোৱা তিনিদিনমানৰ পৰা স্কুল চৌহদত থকা বন-জাৱৰবোৰ ল'ৰাহঁতৰ দ্বাৰাই চাফ-চিকুণ কৰাই ৰাইজৰ পৰা কেইডালমান বাঁহ খুজি আনি চৌহদৰ সমুখত বেৰ এখনো দিছে জয়েন্দ্ৰই। স্কুলখন ভাল লগা হৈছে।

খং-ৰাগ সামৰি তেওঁ মাজে মাজে বাৰাণ্ডালৈ আহি এছ, আই আহি পাইছে নেকি চাই যায়হি। ৰাস্তাৰ পৰা স্কুললৈ সোমোৱা ৰাস্তাটোত এডিমা পানী। চেকেণ্ড মাষ্টৰ মথন দত্তই গাঁৱৰে তিনিজনমান যুৱকৰ হতুৱাই এখন ভেল সাজি থৈছিল। সেই ভেলখনকে লৈ এচ, আইক স্কুললৈ অহা পথটোৰ মূৰত মূল ৰাস্তাৰ দাঁতিত চেকেণ্ড মাষ্টৰ মথন দত্তই ইফাল-সিফাল চাই ৰৈ আছে। ইতিমধ্যে গাঁৱৰ মুখিয়াল লোক গগন মেম্বৰ, ৰজত মেম্বৰ, পদুম কুমাৰ, থানে বেপাৰীহতো আহি স্কুলত উপস্থিত হৈছে। আগত স্কুললৈ কোনোবা ডাঙৰ বিষয়া আহিলে গাঁৱৰ মুখিয়াল লোক কিছুমানে বিষয়াগৰাকীক আদৰণি জনোৱা নিয়ম আছিল। ইয়াৰ দ্বাৰা গাঁৱৰ মানুহে তেওঁলোকৰ মানস সন্তান স্কুলখনৰ প্ৰতি থকা দায়বদ্ধতা প্ৰকাশ কৰিছিল। সকলোৱে আগ্ৰহ আৰু ঔৎসুকতাৰে এচ আই অহালৈ বাট চাই থাকিল। প্ৰায় ১২ টা মান বাজিল। এচ আই.ৰ দেখা দেখি নাই। চাওতে চাওতে বেলি ভাটি দিলে— তথাপি এচ আইৰ আমঘুমেই নাই। গাঁৱৰ মানুহবোৰ যাবলৈ ওলাল। তেওঁলোকে দুপৰীয়াৰ ভাতে খোৱা নাই। তেনেতে ক্ষত্ৰিয়পুৰ প্ৰাইমাৰী স্কুলৰ শিক্ষক এজনে চাইকেলেৰে আহি স্কুলত খবৰ দিলে বোলে আজি আৰু এচ, আই কাকতল প্ৰাইমাৰী স্কুললৈ নাহে। ক্ষত্ৰিয়পুৰৰ প্ৰাইমাৰী স্কুলখন চাওতে বহুত দেৰি হ'ল। ইপিনে ছাত্ৰ সকলেও ইচাট-বিচাট কৰি আছিল। খবৰটো পাই জয়েন্দ্ৰ পণ্ডিতে স্কুল ছুটি দিলে। ছাত্ৰ-ছাত্ৰীসকলে হাউমাৰি ঘৰলৈ বুলি দৌৰ দিলে। গাঁৱৰ মুখিয়াল মানুহ কেইজনেও নিজ নিজ ঘৰ বুলি ৰাওনা হওতে স্কুলৰ পানী উঠা পথটোত এসপ্তাহমানৰ ভিতৰত এখন বাঁহৰ দলঙকে দিয়াৰ বিষয়ে আলচ কৰি ঘৰা ঘৰি গ'ল।

কাকতল গাঁৱৰ গাতে লাগি থকা অঞ্চলটোৰ কাঞ্চনপুৰ, পাতিকুছি, জালকুছি, পদুমপাৰা, নতাৰী, কাঁহুদি, ঘোপকুছি আদি সৰু সৰু গাঁৱবোৰতে প্ৰাইমাৰী স্কুল আছিল। সেইবিলাকতো ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিচেই তাকৰ। এনে সৰু বৰ পোন্ধৰটা চুবা (এই চুবাবোৰক সেই সেই চুবাৰ মানুহে গাঁৱ বুলি কয়) লগ লাগিয়েই হৈছে 'জনকপুৰ'

অঞ্চল। প্ৰায় ৮ হাজাৰ জনসংখ্যাৰ এই বৃহৎ অঞ্চটোৰ শতকৰা ৯৯.৫ শতাংশ লোকেই খেতি কৰি জীৱন নিৰ্বাহ কৰে। মাটিকালি প্ৰায় ৫ বৰ্গকিলোমিটাৰ মান হ'ব। অঞ্চলটোৰ প্ৰায় ৭০ শতাংশই ভূমিহীন কৃষক। আৰ তাৰ মাটি আধি-চুকানি, ঠিকা আদি খাই কোনোমতে পৰিয়ালক পোহপাল দিয়ে। অঞ্চলটোত গ্ৰেজুৱেট বুলিবলৈ মহেন শৰ্মা আৰু নয়ন শৰ্মা। মহেন শৰ্মা বৰ চোকা ছাত্ৰ আছিল। বাপেক বৰ দুখীয়া হ'লেও কিবাকৈ কটন কলেজত পঢ়িছিল। তেৱেঁই কটন কলেজত পঢ়া অঞ্চলটোৰ প্ৰথম ছাত্ৰ। মেট্ৰিকত প্ৰথম বিভাগত পাছ কৰা প্ৰথম ছাত্ৰও তেৱেঁ। বৰ্তমান নতুনকৈ স্থাপন কৰা মোক্ষপুৰ হাইস্কুলৰ হেডমাষ্টৰ হিচাপে কামত সোমাইছে। চন্দন, ধৰ্মে, মহীন, দশভু জ, উপেন আদি মাত্ৰ কেইজন মানেহে মেট্ৰিকৰ ডেওনা পাৰ হৈ অঞ্চলটোত যে আৰু কেইজনমান মেট্ৰিক পাছ কৰা ল'ৰা আছে তাৰ প্ৰমাণ দাঙি ধৰি আছে।

অঞ্চলটোৰ কেইজনমান অশিক্ষিত অথচ শিক্ষাৰ প্ৰতি ধাউতি থকা সমাজকৰ্মীৰ প্ৰচেষ্টাত এবছৰ আগতে এখন এম, ই স্কুল গঢ়ি উঠিছে জনকপুৰ অঞ্চলত। গগন মেম্বৰ, ৰজত মেম্বৰ, পদুম কুমাৰ থানে বেপাৰী, সিন্ধু ডেকা, কীৰ্তি কলিতা, নীল ৰাজবংশী, লুকো হালৈ, মধুমোহন শৰ্মা, জগত ৰায়, হাঁহি কলিতা, গদা কলিতা, ৰমা পাঠক, লোকপ্ৰিয় হালৈ, বলো শীল, দখলা বড়ো, খগেন বড়া মহেন শৰ্মা আদি সমাজকৰ্মী আৰু শিক্ষাপ্ৰেমীসকলে গাঁৱে গাঁৱে বাঁহ-খেৰ তুলি ১৯৫৮ চনত স্থাপন কৰিছিল জনকপুৰ এম. ই. স্কুল। মথনপুৰৰ প্ৰিয়নাথ শৰ্মাক মাতি আনি দায়িত্ব দিছিল হেডমাষ্টৰৰ। অঞ্চলটোত গঢ়ি তুলিছিল শিক্ষাৰ এক নতুন বাতাবৰণ। সামাজিকভাৱেও জনকপুৰৰ ৰাইজক জনকপুৰ এম ই স্কুলে একতাৰ জৰীডালেৰে আগতকৈ জোৰে বান্ধিবলৈ সক্ষম হ'ল। এই সম্পূৰ্ণ কৃষিজীৱী, বছৰৰ পাঁচ মাহে বানপানীৰ কবলত থকা অঞ্চলটোৰ সমস্যাৰ অন্ত নাই। অঞ্চটোৰ মাজেৰে এটা পি, ডব্লিউ দি পথ সৰিয়হতল হৈ শৰতপুৰলৈ গৈছে। সেইটোৰে প্ৰতিদিনে পুৰা এখন বাছ ত্ৰিনাথ নগৰখনৰ পৰা গুৱাহাটীলৈ যায়। গাঁৱৰ ভিতৰৰ ৰাস্তাবোৰৰ কথাটো ক'বই নালাগে। বাৰিষা সেই ৰাস্তাবোৰ ৰাস্তা নহয় যমপুৰীলৈ যোৱা পথ হে যেন একোটা। অঞ্চলটোত তেনে কোনো সবল ৰাজনৈতিক নেতা বা ওপৰত হাত থকা ব্যক্তি নাই। ৰাইজেও সংগবদ্ধ প্ৰচেষ্টাৰে আগবাঢ়ি আহিব পৰা নাই। সেয়ে চৰকাৰৰ দৃষ্টিৰ পৰা অঞ্চলটো আঁতৰতে আছে বুলি কাষতে থকা আন আন আগবঢ়া অঞ্চলৰ লোকে কোৱাকুই কৰে।

হঠাতে প্ৰসেনক উধাতু খাই ঘৰলৈ দৌৰি অহা দেখিলে অহীন্দ্ৰই।

ঃ কি হ'ল অ' প্ৰসেন উধাতু খাই দৌৰি আহিছ যে।

ঃ মণ্ডলদা আহিছে -- মণ্ডলদা আহিছে ।

ঃ অ' হয় নেকি- বুলি কৈ অহীন্দ্ৰইও প্ৰসেনৰ পিছে পিছে দৌৰি আহিল।

প্ৰসেন আৰু অহীন্দ্ৰক দৌৰি অহা দেখি অহীন্দ্ৰৰ ককায়েক প্ৰীতিৰঞ্জন চোতালৰ পৰা পদূলি মুখলৈ লৰৰি আহিল।

ঃ অ' হয়, হয়, প্ৰসেনে মিছা কোৱা নাই। হাতত এটা সৰু বেগ লৈ মণ্ডলদা মানে পৰশু কলিতা ঘৰৰ পিনে আহি থকা দেখা পালে প্ৰীতিৰঞ্জনে। আচলতে পৰশু কলিতা প্ৰসেন প্ৰীতিৰঞ্জনহঁতৰ খুড়াক। কাকতল গাৱঁত খুড়াকক দাদা আৰু ডাঙৰ ভায়েকক কাকা বুলি মাতে সেয়ে প্ৰসেনহঁতেও খুড়াক সকলক দাদা বুলিয়েই মাতে।

পৰশু কলিতা। ৰজত মেম্বৰৰ সৰু ভায়েক। আজি দুমাহমান আগতে মণ্ডল চাকৰি পাইছে- গুৱাহাটীত থকা কামৰূপৰ ডি.চি অফিচত। ৰজত মেম্বৰহঁতৰ ঘৰৰ প্ৰথম চৰকাৰী চাকৰি পোৱা পৰশুৱে কোনো খা-খবৰ নিদিয়াকৈ হঠাৎ ঘৰলৈ অহাত সকলোৱে আচৰিত হ'ল। নে কিবা গণ্ডগোল লগাই চাকৰিটোৱেই খেদালে। পৰশুৱে গা ধুবলৈ গৈছে। কথাটোনো কি সুধিবলৈ ককায়েক ৰজত মেম্বৰে বৈ আছে। অৱশ্যে খবৰ দিবলৈ সুবিধাও নাই। টেলিফোনটো নাছিলেই সেই সময়ত। খুব বেছি টেলিগ্ৰাম এখন হয়টো দিব পাৰিলেহেঁতেন টেলিগ্ৰামো আহি গুৱাহাটীৰ পৰা কাকতল পায় মানে প্ৰায় এসপ্তাহেই লাগিলহেঁতেন। কাকতল গাঁও বা জনকপুৰ অঞ্চলৰ মানুহৰ কৰবাত দুই চাৰিজনেহে গুৱাহাটী দেখিছে। বাকীবোৰে কেৱল গুৱাহাটীৰ নামহে শুনিছে। যাতায়তৰ ব্যৱস্থা বুলিবলৈ ৰেলগাড়ীত বাহিৰে আন নাছিল বুলিলেও হয়। আকৌ ৰেলগাড়ীও আমিনগাঁও নামৰ ব্ৰহ্মপুত্ৰৰ ঘাট এটালৈ গৈছিল। তাৰ পৰা ফেৰীৰে অৰ্থাৎ পানী জাহাজেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ পাণ্ডু ঘাট পাব লাগিছিল। পাণ্ডু ঘাটৰ পৰা চিটি বাছত ডি চি অফিচলৈ যাব পাৰি।

ঃ প্ৰসেন, ঐ প্ৰসেন সেই বেগটোত ৰেডিঅ' এটা আছে। বেগটোৰ ৰেডিঅ'টো উলিয়াই আনচোন-- বুলি গা ধুই গা-মূৰ গামোছা এখনেৰে মচি মচি পৰশুৱে নতুনকৈ কিনি অনা ৰেডিঅ'টো তাৰ বেগৰ পৰা উলিয়াই আনিবলৈ প্ৰসেনক ক'লে। প্ৰসেনে বেগটো খুলি ৰেডিঅ'টো উলিয়াই আনি— অ' ভাই ৰেডিঅ' আনিছে— ৰেডিঅ' আনিছে বুলি চিঞৰি চিঞৰি হুলস্থূল লগাই দিয়াত ওচৰতে থকা সৰু ল'ৰা-ছোৱালীবোৰে ৰেডিঅ' চাবলৈ দৌৰি আহিল। কাকতল আৰু জনকপুৰ অঞ্চলৰ মানুহে ৰেডিঅ'ৰ নাম শুনিছেহে—দুই- চাৰিজনত বাহিৰে ৰেডিঅ' দেখা নাই। দুই-চাৰিজনেহে ত্ৰিনাথ টাউনত ৰেডিঅ' দেখিছে আৰু ৰেডিঅ'ৰ গান বা বাতৰি শুনিছে। গতিকে পৰশুৱে গুৱাহাটীৰ পৰা ৰেডিঅ' কিনি অনা খবৰটো কাকতল গাঁৱত বনজুইৰ দৰে বিয়পি পৰিল। ল'ৰা-ছোৱালী, পুৰুষ-মহিলা দলে দলে ৰেডিঅ' চাবলৈ পৰশুহঁতৰ ঘৰলৈ ঢাপলি মেলিলে। ইতিমধ্যে ষ্টেণ্ডাৰ্ড ট্ৰেনজিজটৰ নামৰ ৰেডিঅ'টো পৰশুহঁতৰ ডাঙৰ ঘৰৰ বাৰাণ্ডাৰ তাঁৰ এডালত আঁৰি দি অন কৰি তাত উপস্থিত থকা ল'ৰা-ছোৱালী আৰু

পুৰুষ-মহিলাসকলে ৰেডিঅ'টোত কামৰূপী লোকগীত এটা শুনি আছিল। দুই-এক মহিলাই ৰেডিঅ'টোৰ একেবাৰে ওচৰলৈ গৈ তন্নতন্নকৈ ৰেডিঅ'ৰ ক'ৰ পৰা কেনেকৈ গীতবোৰ ওলাই আহিছে চাবলৈ ধৰিলে।

ঃ ঐ ল'ৰাহঁত, মনে মনে থাক—গানটো ভালকৈ শুনিবলৈ দে বুলি সৰু ল'ৰা-ছোৱালীবোৰক ধমক এটাও দিলে বৃদ্ধ হৰকান্ত মিস্ত্ৰীয়ে।

ডাঙৰ ঘৰৰ মজিয়াত পিৰা এখনত বহি কাঁহৰ বাটি এটাত চাহ খাবলৈ ল'লে পৰশুৱে। কাষত আন এখন পীৰাত বহিছে ৰজত মেম্বৰ ।

ঃ তই দেখোন কোনো খবৰ-খাটি নিদিয়াকৈ হঠাৎ শুচি আহিলি। আমাৰ চিন্তাই হৈছে— ৰজত মেম্বৰে ক'লে।

ঃ কিয়— তহঁতে গুৱাহাটীত যে বৰ গন্দোগোল হৈছে শুনা নাই নেকি? তাত কাৰফিউ দিছে নহয়। একেবাৰে সাংঘাতিক গোলমাল। এনেবোৰ কথা কওঁতে এনেয়ে একক দহ কৰি কোৱা অভ্যাস আছে পৰশুৰ— তদুপৰি চাকৰি কৰি আহিছে যেতিয়া তেওঁৰ কথাৰ ধং আগতকৈ আৰু অলপ চৰা যে হৈছে সেই কথা বুজি পাই ককায়েক ৰজত মেম্বৰে— 'গুৱাহাটীত কিবা গোলমাল হোৱা বুলি যোৱা কালি টাউনত শুনি আহিছো', বুলি লাহেকৈ ক'লে।

উদ্ধৱ দোকানীৰ দোকানত থকা ৰেডিঅ'টো বহু মানুহে মৰাশত শগুণ পৰা দি শুনি আছিল। মইও কানখন অলপ সময় মানুহৰ হেঁচা-ঠেলাৰ মাজতে তাত পাতি দিছিলো যদিও ৰেডিঅ'টোৱে চেৰচেৰাই থকাত একো কথা ভালকৈ নুশুনিলো। আমাৰ জয়েন্দ্ৰ পণ্ডিতো তাত আছিল একেবাৰে ভিতৰত। তেওঁ ওলাই অহাত তেওঁৰ পৰাহে শুনিলো বোলে গুৱাহাটীত বৰ গণ্ডগোল কটাকটি-মৰামৰি হৈছে। কিবা বোলে আমাৰ অসমীয়া ভাষাটো উঠি গ'ল। অসমীয়া ছাত্ৰ যুৱক সকলে গুৱাহাটীত হৰতাল কৰিছে। শ্বিলঙত থকা আমাৰ মন্ত্ৰী-এম এল এ সকলে হেনো আমাৰ অসমীয়া ভাষাটোক হেয় কৰি অসমীয়া ভাষাৰ লগতে বঙালী ভাষাক গোটেই ৰাজ্যখনতে চৰকাৰী ভাষা কৰিলে। এই লৈ গোটেই অসমত আন্দোলন চলিছে চৰকাৰৰ বিৰুদ্ধে। ইতিমধ্যে অসমীয়া যুৱক এজনক ৰেলেৰে গৈ থাকোতে কোনোবা দুৰ্বৃত্তই বোলে শিলিগুৰি নামৰ ঠাইত মাৰিলে। ল'ৰাটো মৰিল। ছহিদ হ'ল— ল'ৰাটোৰ নাম সূৰ্য বৰা। নগাওঁ জিলাৰ জাগিভকত গাঁৱত ঘৰ তেওঁৰ । পিতাকৰ নাম ভুৱন চন্দ্ৰ বৰা আৰু মাকৰ নাম মইনা বৰা। ল'ৰাটোৰ হত্যাকাণ্ডত ছাত্ৰসকল জকি উঠিছে। অসমৰ ৰাইজেও জকিছে। গুৱাহাটীত বোলে সূৰ্য বৰাৰ হত্যাকাণ্ডৰ বিৰুদ্ধে কিবা জুইলৈ সমদল এটা ছাত্ৰসকলে উলিয়ালে। কটন কলেজৰ ওচৰেদি সমদলটো পাৰ হৈ যাবলৈ ওলোৱাত পুলিচে লাঠি চালনা, কন্দুৱা গেছ প্ৰয়োগ নকৰাকৈয়ে বোলে গুলীচালনা কৰিলে। পুলিচৰ গুলীত

কটন কলেজৰ তৃতীয় ছাত্ৰাবাসৰ ৰঞ্জিত বৰপূজাৰী নামৰ পঢ়াত বৰ ভাল ল'ৰা এজন থিতাতে ঢলি পৰিল। চাৰিওফালে হুৱাদুৱা লাগিল। গুৱাহাটীত মানুহৰ খঙে চুলিৰ আগ পালে- । সকলোৰে ৰাজপথলৈ ওলাই আহিল। ডি চিয়ে উপায় নাপাই গুৱাহাটীত কাৰফিউ নে কি দিলে বোলে মানুহ ঘৰৰ বাহিৰ ওলাব নোৱাৰা হ'ল।

ঃ অ' কাৰফিউ দিছে— কাৰফিউ দিলে মানুহ ঘৰৰ বাহিৰ ওলাব নোৱাৰো। ওলালেই গুলী মাৰিবলৈ ক্ষমতা দিছে পুলিচক। এই আইনখনেই বোলে তেনে। সেই সময়ত আমি কোনোমতে অফিচৰ পৰা আহি মেচ পাইছিলো। আমাৰ কাষতে থকা ভৰলু নৈৰ পানী— কি চাবি ৰঙা পৰি গৈছে— দুজন মানে দুটা নে তিনিটা মৰাশও নৈৰ পানীত উটি যোৱা দেখিছে বুলি পৰম প্ৰত্যয়ৰে কথাখিনি ক'লে পৰশুৰে।

ঃ তই তেনেহ'লে কেনেকৈ আহিলি?

ঃ মই আৰু মোৰ বন্ধু দুজন— আমি তিনিওজনে আজি কাহিলিপুৱাতে শান্তিপুৰৰ পৰা খোজকাঢ়ি আহি কোনোমতে পাণ্ডু পালো। আজি ৰাতিপুৱা পাঁচ বজাৰ পৰা ন বজালৈ কাৰফিউ শিথিল কৰি দিছিল। পাণ্ডুৰ পৰা ফেৰি এখনেৰে আমিনগাঁও পালো। আমিনগাঁও ৰেলষ্টেচনত এখন মালগাড়ী বৈ আছিল। আমি সেইখনৰ গাৰ্ডটোক কাবৌ-কাকলি কৰি কোনোমতে আহি আহি আমাৰ ত্ৰিনাথ ষ্টেচন পালে। বাকী দুজনৰ এজনে চাংসাৰিত আৰু এজনে ৰঙিয়াত নামিল— পৰশুৰে ক'লে।

ইতিমধ্যে প্ৰসেনহঁতৰ চোতালত ৰেডিঅ' শুনা মানুহৰ ভিৰ বাঢ়িল। পৰশুৱে প্ৰীতিৰঞ্জনক গাঁৱত নতুনকৈ পতা অনাথ লহকৰৰ দোকানৰ পৰা চেনি, চাহপাত আনিবলৈ পঠালে। ডাঙৰ বৌৱেকক চোতালত থকা মানুহখিনিক চাহ খুৱাবলৈ ক'লে। তেওঁ নিজে বাৰাণ্ডাত উঠি ৰেডিঅ'টোৰ ভলিউম অলপ বঢ়াই দিলে। অলপগ সময় ৰেডিঅ'টোৰ মাত বন্ধ হ'ল। তাৰ পাছতে পুনৰ ই বাজি উঠিল— ৰেডিঅ'টোৰ পৰা এজনে গলগলীয়া মাতেৰে কৈ উঠিল— আকাশবাণী গুৱাহাটী- এতিয়া শুনক সন্ধিয়াৰ আঞ্চলিক বাতৰি- কৈছো অধম পূজাৰীয়ে ঃ

ঃ ঐ সকলোৱে মনে মনে থাক। নিউজ আহিছে। সকলো খবৰ দিব গুৱাহাটী আৰু অসমৰ বুলি পৰশুৱে ল'ৰা-ছোৱালীবিলাকক মনে মনে থাকিবলৈ কাঢ়া সুৰত কৈ ৰেডিঅ'টোৰ ভলিউম আৰু অলপ বঢ়াই দিলে। ৰেডিঅ'ত বাজিউঠিল, " ৰাজ্যখনত চলি থকা ৰাজ্য ভাষা আন্দোলনে আজি চতুৰ্থ দিনত ভৰি দিয়াৰ সময়তে আবেলি ছাত্ৰসকলে গুৱাহাটীত এটা সমদল বাহিৰ কৰে। সমদলটোক পুলিচে পানবজাৰৰ ডনবস্ক' স্কুলৰ ওচৰৰ পৰা অধিক আগবঢ়াত বাধা দিয়াত পৰিস্থিতি উত্তপ্ত হৈ পৰে। চৰকাৰী প্ৰেছ বিজ্ঞপ্তি এখনত কোৱা হয় যে কোনো দুৰ্বৃত্তই পুলিচৰ গালৈ শিলগুটি দলিওৱাত

পুলিচ বাহিনী উত্তেজিত হৈ পৰা আৰু সমদলকাৰীৰ লগত জোতা-পোতা লাগে। পুলিচ বাহিনীয়ে শান্তিপূৰ্ণ সমদলকাৰীৰ ওপৰত গুলী চালনা কৰে। গুলী চালনাত কটন কলেজৰ তৃতীয় ছাত্ৰাবাসৰ ৰঞ্জিত বৰপূজাৰী নামৰ মেধাৱী ছাত্ৰ এজনৰ গাত গুলী লাগে আৰু ছাত্ৰাবাসৰ সন্মুখতে ছাত্ৰজন ঢলি পৰে। ঘটনাটো শুনি দশোদিশৰ পৰা ৰাইজ উক্ত স্থানত আহি উপস্থিত হয়। লোকে লোকাৰণ্য হয় কটন কলেজৰ চৌপাশ। ৰঞ্জিত বৰপূজাৰী নামৰ গুলীবিদ্ধ ছাত্ৰজনক লগে লগে হাস্পতাললৈ নিয়া হয় যদিও তেওঁ হাস্পতাল পোৱাৰ আগতে শেষ নিশ্বাস ত্যাগ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাত আজি সম্পূৰ্ণ শিথিল কৰি দিয়া কাৰফিউ এই ঘটনা ঘটাৰ কেইমিনিট মানৰ পাছতে পুনৰ বলবৎ কৰা হয়। ৰঞ্জিত বৰপূজাৰীক ইপিনে আন্দোলনকাৰী মহলে ছহিদ ঘোষণা কৰিছে। উল্লেখযোগ্য যে ৰঞ্জিত বৰপূজাৰীৰ ঘৰ শিৱসাগৰ জিলাৰ শিৱসাগৰ টাউনৰ আমোলাপট্টিত। তেওঁৰ পিতৃৰ নাম হেমকান্ত বৰপূজাৰী আৰু মাতৃৰ নাম তিলোত্তমা বৰপূজাৰী। এইয়া সন্ধিয়াৰ আঞ্চলিক বাতৰি। এইমাত্ৰ পোৱা খবৰ মতে অহাকালি আন্দোলনকাৰী নেতা আৰু অসম চৰকাৰৰ মাজত অসমৰ ৰাজধানী শ্বিলংত ৰাজভাষা আইন সংক্ৰান্তত আলোচনা অনুষ্ঠিত হ'ব বুলি কোৱাৰ পিছতে ৰেডিঅ'টোত কিবা বিজুতি ঘটিল। মাত নুশুনা হ'ল। পৰশুৱে চুইচটো এবাৰ ইপিনে এবাৰ সিপিনে ঘূৰাই ঘূৰাই থাকিল। কিছু সময় পিছত ৰেডিঅ'টো পুনৰ বাজি উঠিল। আন্দোলনকাৰীসকলে ৰঞ্জিত বৰপূজাৰীৰ হত্যাকাণ্ডৰ প্ৰতিবাদ জনাই সমগ্ৰ অসমতে কাইলৈ অসম বন্ধৰ আহ্বান দিছে আৰু অসম বন্ধ সফলতাৰে পালন কৰি ৰঞ্জিত বৰপূজাৰীৰ নিৰ্মম আৰু নৃশংস হত্যাকাণ্ডৰ প্ৰতিবাদ জনাবলৈ ৰাইজক আহ্বান জনাইছে। আজিৰ সন্ধিয়াৰ বাতৰি ইমানতে শেষ হ'ল।" আঞ্চলিক বাতৰি শেষ হোৱাৰ পাছত গুৱাহাটীত ৰঞ্জিত বৰপূজাৰীৰ মৃত্যুৰ খবৰে ৰেডিঅ' শুনি থকা সকলোকে মৰ্মাহত কৰিলে। কোনো কোনোৱে চৰকাৰক গালি পাৰিলে, কোনোবাই পুলিচক— আৰু কোনোবাই দেশখন গেল গেল বুলি হায় হায় কৰিলে। ৰজত মেম্বৰ প্ৰমুখ্যে বয়োজ্যেষ্ঠ লোকসকলে এই বিষয়ত অহাকালি পতা ত্ৰিনাথ নগৰৰ সভাখনলৈ যোৱাৰ বিষয়ে আলোচনা কৰি শেষত সভাখনলৈ যোৱাটোকে ঠিক কৰিলে। ইতিমধ্যে ৰাতিও হৈ আহিল। ল'ৰা-ছোৱালী, পুৰুষ-মহিলা সকলোৱে হায়-হায় ইচ্ ইচ্ কৰি ঘৰাঘৰি গ'ল।

ঃ ৰাইজসকল বৰ দুখৰ আৰু পৰিতাপৰ কথা। নিজৰ ভাষাটো নিজ ৰাজ্যত চৰকাৰী ভাষা কৰিবলৈ চৰকাৰক ৰাইজে ক'ব লগা হৈছে। আন্দোলন কৰিব লগা হৈছে। যোৱাকালি কটন কলেজৰ ছাত্ৰ ৰঞ্জিত বৰপূজাৰীক অসমৰ পুলিচ বাহিনীৰয়ে কেনে নিৰ্মম আৰু নিষ্ঠুৰভাৱে গুলীয়াই হত্যা কৰিলে তাক নিশ্চয় আপোনালোকে শুনিছে। ১৯৫৬ চনৰ ৰাজ্য পুনৰ গঠন আইন অনুসৰি দেশখনৰ ৰাজ্যবোৰ ভাষাৰ

ভিত্তিত পুনৰ গঠন কৰা হৈছিল— এই কথা শিক্ষিত লোক মাত্রেই জানে। সেই আইন অনুসৰি সকলো ৰাজ্যত সেই ৰাজ্যৰ সৰহ সংখ্যক লোকে কেৱা মূল ভাষাটোকেই সেই সেই ৰাজ্যৰ চৰকাৰী ভাষা কৰা হৈছে। অসমৰ বেলিকা তাৰ ব্যতিক্রম কিয়? আপোনালোকে নিশ্চয় গম পাইছে— অসমৰ ৰাজ্য ভাষা হ'ব লাগে অসমীয়া। অসমীয়াৰ লগতে বঙালী ভাষাক সমগ্ৰ ৰাজ্যখনৰ ৰাজ্য ভাষা কৰিবলৈ আইন পাছ কৰিলে অসম বিধান সভাই। তাৰেই প্ৰতিবাদত আজি অসম উত্তাল। ৰাইজ আজি ৰাজপথত। আন্দোলনে ৰাজ্যখন কঁপাই তুলিছে। সূৰ্য বৰা ছহিদ হ'ল— ছহিদ হ'ল আজি ভাষাৰ বাবে ৰঞ্জিত বৰপূজাৰী" —উদ্দীপ্ত ভাষণেৰে ত্ৰিনাথ নগৰৰ গান্ধী ময়দানত বিশেষ ৰাজহুৱা সভাখনত ভাষণ দিলে অভিজিৎ দত্ত নামৰ কটন কলেজৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ এজনে। তেওঁৰ ঘৰ ত্ৰিনাথ মৌজাতে। অভিজিৎ দত্তৰ উপৰিও ত্ৰিনাথ নগৰৰ গান্ধী ময়দানত ত্ৰিনাথ নগৰৰ আন্দোলনকাৰীসকলে আয়োজন কৰা ৰাজহুৱা সভাখনত গুৱাহাটীতে পঢ়ি থকা আন এজন ছাত্ৰ নেতা মহম্মদ তবিউল আলিয়ে ৰাইজক উদ্দেশ্যি ক'লে— ঃ সমগ্ৰ গুৱাহাটীত আজি কাৰফিউ। জনজীৱন স্তব্ধ হৈ পৰিছে গুৱাহাটী নগৰী। নিজৰ মাতৃভাষাটোক আমি ৰক্ষা কৰিবই লাগিব। দুজন যুৱকৰ তেজ আমি ভাষা জননীৰ বাবে দিলো— প্ৰয়োজন হ'লে আৰু তেজ দিবলৈ আমি সাজু। অসমীয়া ভাষাৰ মান ৰাখিবলৈ, অসমত অসমীয়া ভাষাকে ৰাজ্যভাষা কৰিবলৈ আমি প্ৰয়োজনত সৰ্বস্ব ত্যাগ কৰিবলৈ সাজু বুলি শপত লওঁ আহক। সমবেত ৰাইজে হৰ্ষোল্লাসে এই কথাত সন্মতি জনাই হাত চাপৰিৰে ত্ৰিনাথ নগৰৰ আকাশ-বতাহ কঁপাই তুলিলে। ইতিমধ্যে সন্ধিয়া হৈ আহিল। উদ্যোক্তাসকলৰ ফালৰপৰা ৰাইজক ধন্যবাদ জনাই আন্দোলনৰ সকলো কাৰ্যসূচীতে যোগদান কৰিবলৈ বিনম্ৰ আহ্বানেৰে সভাখন শেষ কৰিলে।

অসমজুৰি 'ভাষা আন্দোলন' কৰিব লগা হ'ল দুৰ্ভগীয়া অসমৰ ৰাইজে। নিজৰ ভাষাটো নিজ ৰাজ্যত চৰকাৰী ভাষা হিচাপে প্ৰয়োগ কৰাটো আইনগতভাৱে দায়বদ্ধ চৰকাৰ। কিন্তু অসম আৰু অসমীয়া বিৰোধী এচাম দুষ্ট চক্ৰই কেবাযুগ ধৰি ৰাজ্যখনৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি অহাৰ ফলতে আজি অসমৰ সহজ-সৰল ৰাইজ আন্দোলনৰ পথত। এই ষড়যন্ত্ৰকাৰীসকলেই ব্ৰিটিছসকলক অসম দখল কৰাৰ কেইবছৰমান পাছতে ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমীয়া ভাষাটোক অসমৰ অফিচ-আদালত আৰু শিক্ষানুষ্ঠানৰ পৰা উঠাই দি বঙালী ভাষাক বৰপীৰা পাৰি দিয়া মৰ্মন্তুদ ইতিহাসৰ কথা কোনে নাজানে? স্বাধীনতাৰ পিছতে অসমৰ ইতিহাস হৈ পৰে আন্দোলনৰ ইতিহাস। অসমৰ যুৱক ছহিদ হোৱাৰ ইতিহাস। সমগ্ৰ অসমৰ ছাত্ৰ-ছাত্ৰী সকলে স্কুল-কলেজক বাদ দি, খেতিয়ক সকলে হাল-কোৰ পথাৰতে থৈ, দোকান-পোহাৰী সকলে দোকানত তলা

লগাই মৰো জিও সো অধিকৈ নামি পৰিছে ৰাজপথত আৰু ইনক্লাব জিন্দাবাদ "অসমীয়া ভাষা অসমৰ ৰাজ্য ভাষা হ'বই লাগিব, ছহিদ সূৰ্য বৰা অমৰ হওক— ৰঞ্জিত বৰপূজাৰী অমৰ হওক"— আদি ধ্বনিৰে কঁপাই তুলিছে অসমৰ মাটি।

অসমৰ ৰাইজৰ দাবীত সেও মানি অসম চৰকাৰে আন্দোলনকাৰীৰ লগত শ্বিলঙত আলোচনাত বহিলে। আলোচনা হ'ল তিনিদিন ধৰি। চৰকাৰে আন্দোলনকাৰীৰ দাবী মানি লৈ অসমীয়াৰ লগতে বঙালীকো অসমৰ ৰাজ্যভাষা কৰা আইনখন বাতিল কৰিবলৈ সন্মত হ'ল। নতুন এখন আইন অসম বিধান সভাত পাছ কৰিলে— "The Assam official language Act, 1960" (অসম ৰাজ্য ভাষা আইন, ১৯৬০) নামৰ আইনখনে ৰাজ্যপালৰ অনুমোদন পালে ১৯৬০ চনৰ ১৭ ডিচেম্বৰ তাৰিখে। আইনখনৰ মূল ধাৰাটোত কোৱা হ'ল— "Without prejudice to the provision of Articles 346 and 347 of the constitution of India and subject as hereinafter provided, Assamese shall be used for all or any of the official purposes of the state of Assam'

Provided the English language, so as the use thereof is permisible under Article 343 of the constitution of India, and thereafter Hindi in place of english shall be used for such official purpose of the secretariate and the Offices of the Heads of the department of the state government and in such manner as many be prescribed".

আইনখনৰ মতে ৰাজ্যভাষা অসমীয়া হোৱাৰ লগে লগে আন্দোলনটো আন্দোলনকাৰীসকলে স্থগিত ৰাখিলে। এনেকৈ অসমৰ ৰাইজে, ভাষাৰ বেদীত দুজন যুৱকক বলিদান দি অসম বিৰোধী শক্তিৰ ষড়যন্ত্ৰ ওফৰাই অসমত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰিলে।

ভাষা আন্দোলনে অসমীয়া ভাষাৰ মৰ্যদা অটুট ৰাখিলে। মানুহে কোৱা মেলা কৰিলে ছাত্ৰসকলে কিয় কৰিব লাগা হ'ল ভাষাৰ মৰ্যাদা ৰক্ষাৰ বাবে আন্দোলন? ১৯১৭ চনতে গঠন হোৱা অসম সাহিত্য সভাই হে এনে আন্দোলন কৰিব লাগিছিল? তেন্তে কি বছৰে বছৰে একোখন বিশাল অধিবেশন পাতি লাখ লাখ টকা শৰাধেৰে কেইজনমান সাহিত্যিকে মালা আৰু গামোচা দিয়া অনুষ্ঠান হে নেকি অসম সাহিত্য সভা? আৰু ৰাজনৈতিক দলসমূহ— কেৱল মন্ত্ৰী এম, এল, এ সজা কাৰখানা নেকি বুলি প্ৰজ্ঞাবাদ লোক কিছুমানে মন্তব্য কৰিলে। ভাৰতীয় জাতীয় কংগ্ৰেছ, ভাৰতৰ কমিউনিষ্ট পাৰ্টি, বিপ্লৱী কমিউনিষ্ট পাৰ্টি, জনসংঘ, ছচিয়েলিষ্ট পাৰ্টি আদি পাৰ্টিসমূহৰ বাবে কি অসমীয়া ভাষাৰ মৰ্যাদা সন্মান, আৰু অসমীয়া ভাষীসকলৰ আৱেগ-অনভূতিক মূল্য দিয়াটো অনুচিত কাৰ্য নেকি? স্বাধীনতাৰ আগতে গঠন হোৱা অসম ট্ৰাইবেল সংঘ আৰু ১৯৫২ চনত গঠিত হোৱা বড়ো সাহিত্য সভাক ধৰি অসমীয়া ভাষা আৰু সংস্কৃতিৰ

মূল সুঁতিৰ কেবাটাও সংগঠনে অসমৰ জনজাতীয় লোকসকলৰ আৰ্থ-সামাজিক, ভাষিক-সাংস্কৃতিক উন্নয়নত গুৰুত্ব দি জনপ্ৰিয়তা অৰ্জন কৰাৰ লগতে বৰ অসমীয়াৰ বৰঘৰৰ ভেটি সবল কৰাত আত্মনিয়োগ কৰিছে। অথচ খাটি অসমীয়া বুলি দাবী কৰাসকলৰ সংগঠনসমূহৰ আৰু ৰাজনৈতিক নেতাসকলৰ জাতিটো এক কৰি ৰখাৰ কোনো প্ৰচেষ্টা আৰু কাৰ্যসূচী হাতত নাই। কিছুমান ন্যস্ত স্বাৰ্থান্বেষী লোকে অসমীয়া জাতিৰ সাতামপুৰুষীয়া ভ্ৰাতৃত্বৰ এনাজৰীডাল দুৰ্বল কৰিবলৈহে আৰম্ভ কৰিছে। সময়ৰ সোঁতত বানপানীৰ তাণ্ডব, অবৈধ প্ৰব্ৰজন নে সৃষ্টি কৰা জনবিস্ফোৰণ তথা ৰাজনৈতিক আৰু বৌদ্ধিক নেতাসকলৰ অদূৰদৰ্শিতাই অসমৰ জন জীৱননৈ, অসমৰ অৰ্থনীতিলৈ, অসমৰ সংস্কৃতিলৈ অশুভ সংকেত কঢ়িয়াই আনিছে। গাঁৱবোৰত তাহানি শৈশৱতে ল'ৰা-ছোৱালীসকলে গোৱা—

"শুৱনি আমাৰ গাঁওখন অতি
শুৱনি গছেৰে ভৰা,
ডাল ভৰি ভৰি ফল-ফুল লাগে
কত পাও তলসৰা।
চালত কোমোৰা লাউ জিকা ভোল
ভঁৰালত জহা ধান,
গোহালিত গৰু পুখুৰীত মাছ
বাৰীত তামোল পাণ। ...."

— অসমৰ গাঁৱৰ সঁচা আৰু সচিত্ৰ চিত্ৰৰ জীৱন্ত ৰূপ থকা এই কবিতাও ল'ৰা-ছোৱালীবিলাকে আওৰাবলৈ টান পোৱা হ'ল। সিহঁতে তেনে চিত্ৰ চকুৰে নেদেখা বাবেই হয়তো তেনে হৈছে— অৱশ্যে তেনে চিত্ৰ আজি গাঁৱত যে পাবলৈ নাই— সেই কথাও সঁচা।

(তিনি)

'পল-অনুপল কৰি সময় গৈছে উৰি
পাখি লগা কাঁড়ৰ নিচিনা অবিৰাম

পাখিলগা কাঁড়ৰ নিচিনা পল-অনুপল কৰি সময়বোৰ উৰি গৈ আছে। প্ৰসেনে প্ৰাইমাৰী স্কুল পাছ কৰিলে। বৃত্তিও পালে। জনকপুৰ এম. ই. স্কুলত নাম লগালে। পিতাক ৰজত মেম্বৰক খেতি পথাৰত সহায় কৰি ঘূৰি আহোতে পি ডব্লিউ-ৰাস্তাৰ পৰা কেইজনমান ভব্য গব্য লোক গাগেলিৰ পিনে খোজকাঢ়ি যোৱা প্ৰসেনে দেখিলে। মানুহকেইজনৰ লগত ৰঙা টুপি পিন্ধা পুলিচ আছিল কেইজনমান। প্ৰসেনে তৎক্ষণাৎ পুনৰ তেওঁলোকৰ খেতিপথাৰলৈ ঘূৰি গ'ল। পিতাক ৰজত মেম্বৰক কথাটো ক'লে। ৰজত মেম্বৰে প্ৰসেনক গাঁৱত খবৰটো দিবলৈ ক'লে। প্ৰসেনে হাউমাৰি দৌৰ দিলে গাঁৱলৈ। সি গাঁৱৰ মূৰৰে পৰাই যাক য'ত পালে কথাটো ক'লে। কাকতলত চেপা উত্তেজনা এটাৰ সৃষ্টি হ'ল। ফাগুন মাহ। বয়সস্থ লোকসকলে আহুধান ৰোৱাৰ বাবে খেতিপথাৰত ব্যস্ত। প্ৰসেনৰ লগতে মঙলু, বীৰহু, কন্দ আদি গাঁৱৰ অতন্দ্ৰ প্ৰহৰীকেইজনে খবৰটো ঘৰে ঘৰে গৈ সকলোকে জনালে। গগন মেম্বৰ, পদুম কুমাৰ, থানে বেপাৰী, গেৰামল মহাজন আদি গাঁৱৰ বয়সস্থ লোকসকলোকে ধৰি যুৱকসকলেও প্ৰায় দৌৰাৰ দৰেই গাগেলিৰ পিনে খোজ ল'লে। কথাটো দুই-একে ঘুনুক-ঘানাককৈ শুনিছিল যে শৰতপুৰ গাঁৱৰ কেইজনমান লোকে গাগেলিৰ প্ৰায় ১৬৫ বিঘা মাটি মণ্ডলক ভেটি দি নিজৰ নামত কৰি লৈছে। কিন্তু তাক মুখ চেৰেকা উৰা খবৰ বুলিহে ভাবিছিল কাকতলৰ ৰাইজে। কিন্তু তেনে জাতীয় যে কিবা এটা হৈছে ৰাইজৰ এতিয়া বুজিবলৈ বাকী নাথাকিল। সেয়ে গোটেই গাঁৱখনৰ বুঢ়া-ডেকা আনকি সৰু সৰু ল'ৰাবোৰো দৌৰি দৌৰি গাগেলিৰ পিনে গ'ল। বতাহত যেন সেই সময়ত ক'ৰবাৰ পৰা ভাঁহি আহিল—

'অ' আমাৰ গাঁও
আমাৰ গাঁৱৰ মান ৰাখি
মৰিবলৈ যাওঁ আমি
মৰিবলৈ যাওঁ।'

— বোলা জ্যোতিপ্ৰসাদৰ গীত এটাৰ এই কলিটো।

কাকতলৰ গঞা ৰাইজ গৈ গাগেলি পালে। ইতিমধ্যে নৰেন মণ্ডল সহ শৰতপুৰ গাঁৱৰ দুন্দুভি চৌধুৰী, মনেশ্বৰ ডেকা, প্ৰশান্ত ভূঞা প্ৰমুখ্যে লোককেইজনে মাটি জোখা

মানুহ কেইজনমানক যাৱতীয় দিহা-পৰামৰ্শ দি আছিল। নৰেণ মণ্ডল ওৰফে নৰেন ভূঞা সেই এলেকাৰ লাট মণ্ডল। কাকতল গাঁৱৰ মানুহে ভালকৈ চিনি পায় তেওঁক। কি কাৰণে গাগেলিৰ মাটি জুখিবলৈ তেওঁলোক আহিছে তাক জানিবলৈ প্ৰথমে গগন মেম্বৰে কথাটো সুধিলে নৰেন মণ্ডলক।

ঃ গাগেলিৰ ১৬৫ বিঘা মাটি চৰকাৰে এওঁলোকে অৰ্থাৎ দুন্দুভি চৌধুৰী, মনেশ্বৰ ডেকা আৰু প্ৰশান্ত ভূঞাৰ নামত আবণ্টন দিছে। মহকুমা অফিচে ইতিমধ্যে মাটিখিনি নামজাৰীও কৰি দিছে। আজি এওঁলোকক মাটিখিনি চমজাই দিবলৈ চৰকাৰী হুকুম অনুসৰি মই চমজাই দিবলৈ আহিছো— এক কুটিল ভাবালেশেৰে মণ্ডল নৰেন মণ্ডলে কথাখিনি ক'লে—

ঃ সেইটো কেনেকৈ হ'ব— এইখন গো ৰিজাৰ্ভ। কাকতলকে ধৰি বাথানবড়ী, কাছমাৰী, ঔপাৰ আদি গাঁৱৰ মানুহে ইয়াত গৰু চৰায়। তদুপৰি আঠ-দহখন মহৰ বাথান আছেই। গো-ৰিজাৰ্ভৰ মাটি কেনেকৈ চৰকাৰে ব্যক্তিগত মানুহৰ নামত দিব। আমি সেইবোৰ নামানো। সাতপিৰি পাৰ হ'ল এই মাটিতেই গৰু চৰায়, মাছ মাৰি। আমিও বুঢ়া হ'লোহি। আপোনালোক ইয়াৰ পৰা যাওঁক। আমি কাকো ইয়াৰ এচপৰা মাটিও দিব নোৱাৰো— দম দিয়েই কথাখিনি ক'লে গগন মেম্বৰে।

দুন্দুভি চৌধুৰীয়ে মোলায়ম সুৰত মাত লগাই— তেওঁলোকৰ নামত চৰকাৰে মাটি আবণ্টন দিয়া চিঠিখন দেখুৱালে। তাত উপস্থিত থকা অলপতে মেট্ৰিক পৰীক্ষা দি উঠা ৰোহিনীয়ে চিঠিখন পঢ়ি চালে। চিঠিখনৰ মতে মাটি দিয়া কথাটো সঁচা। মাটি পোৱা দুন্দুভি, মনেশ্বৰ আৰু প্ৰশান্ত মাটিহীন লোক বুলি লিখা আছে চিঠিখনত। ৰাইজে চিঠিৰ কথাখিনি জানি জাঙুৰ খাই উঠিল। নন্দকিশোৰে থাপ মাৰি চিঠিখন দুন্দুভি চৌধুৰীৰ হাতৰ পৰা কাঢ়ি আনিলে। দুই-এজনে সিহঁতক গালি-গালাজ কৰিলে। সিহঁতে বৰ লাজ পালে আৰু তাৰ পৰা ঘৰলৈ বুলি খোজ ল'লে। পুলিচ কেইটাইও হুমতুম একো নামাতিলে।

ঃ বৰপুখুৰীৰ পাৰতে মিটিং এখন পাতিম আবেলি। তাতেই কথাটো ভালকৈ আলোচনা কৰি ব্যৱস্থা লম। মুঠতে গাগেলিৰ মাটি আমি কাকো নিদিও। ই আমাৰ চৰণীয়া পথাৰ, চৰণীয়া পথাৰ হৈয়েই থাকিব লাগিব— গহীন-গম্ভীৰ স্বৰে গাঁৱৰ সভাপতি সিন্ধুৰা ডেকাই কথাখিনি ৰাইজক ক'লে। ৰাইজেও হয় হব বুলি কৈ কাকতল অভিমুখে ৰাওনা হ'ল।

গাগেলিৰ পৰা আহি গাঁও পাই মানুহ বিলাক ঘৰাঘৰি গ'ল। আবেলি ৫ বজাত গাঁৱৰ বুঢ়া-মেথা ডেকা ল'ৰা সকলোৱে বৰপুখুৰীৰ পাৰত মিলিত হ'ল।

বৰপুখুৰী। কাকতলৰ সুখ-দুখৰ লগৰী এই বৰপুখুৰী। কাকতলৰ পৰিচয়ৰ প্ৰধান

পৰিচয় পত্ৰ। কাকতল বুলিলে বৰপুখুৰীকে বুজায় বহুতে। কিছু বছৰ আগৰ কথা। কাকতলৰ মানুহে তেতিয়া নিজ নিজ ঘৰত থকা সৰু পুখৰীবোৰৰ পৰাই খোৱা পানী যোগাৰ কৰিছিল। বাৰিষা কালত খোৱা পানীৰ অভাৱ নহয় যদিও খৰালি গাঁৱখনত খোৱা পানীৰ অভাৱে মানুহখিনিক বৰ অসুবিধাত পেলায়। গাঁৱৰ বোৱাৰী-জীয়ৰীসকলে জাক জাক হৈ কাকতলৰ পৰা প্ৰায় এক কিলোমিটাৰ দূৰত থকা তৃষ্ণা— নদীৰ পৰা কোনোবাই মাটিৰ কলহত, কোনোবাই পিতলৰ কলহত পানী আনি খোৱা পানী যোগাৰ কৰিছিল। এনে অসুবিধা দূৰ কৰাৰ বাবে গাঁৱৰে ধনঞ্জয় কহাৰে তেওঁৰ গাৱঁৰ সোঁমাজতে থকা দুবিঘা ৰূপিত মাটি খোৱা পানীৰ অসুবিধা দূৰ কৰিবলৈ এটা ডাঙৰ পুখুৰী খন্দোৱাৰ বাবে গাঁৱৰ ৰাইজক দান দিছিল। ৰাইজে সেই মাটিতে শ্ৰমদান কৰি দীঘলে প্ৰায় ৪০০ ফুট আৰু বহলে প্ৰায় ৩০০ ফুটৰ এটা ডাঙৰ পুখুৰী খান্দি লৈছিল। সেই পুখুৰীটোকে কাকতলৰ ৰাইজে 'বৰপুখুৰী' বুলি নাম দিছিল। সেই বৰপুখুৰীটোৱে কাকতলৰ ইতিহাসৰ প্ৰধান সাক্ষী, প্ৰধান পৰিচয়।

এই বৰপুখুৰীৰ পাৰতে কাকতলৰ ৰাইজে মেল-মিটিং কৰে, গাঁৱৰ সমস্যা দূৰ কৰে। প্ৰতি বছৰে তিনিদিনীয়াকৈ 'সবাহ' এখন পাতে এই বৰপুখুৰীৰ পাৰতেই। এই সবাহতে কি পুৰুষ; কি মহিলা, কি ডেকা, কি ডেকেৰী— সকলোৱে আনন্দ আৰু উছাহেৰে বছৰটোৰ দুখ-যন্ত্ৰণা পাতলাই নতুন বছৰৰ কৰ্মৰ বাবে নিজকে প্ৰস্তুত কৰি তোলে। 'সভা'ৰ তিনিও দিনাই ঢুলীয়া, ওজা পালি, নাম-কীৰ্তন আৰু ৰাতি যাত্ৰা পাৰ্টিৰ নাটকে সমগ্ৰ গাঁওখন মুখৰিত কৰি কাকতলত এক অনিন্দ্য সুন্দৰ পৰিৱেশ ৰচনা কৰে। এনে অনিন্দ্য সুন্দৰ পৰিৱেশতে কাকতলৰ ৰাইজে মিলনৰ সূতাডাল, একতাৰ বান্ধোনটো অধিক কটকটীয়া কৰি জীৱন সংগ্ৰামত আগবাঢ়ে।

সেই বৰপুখুৰীৰ পাৰতে আবেলি ৫ মান বজাত কাকতলৰ ৰাইজ মিলিত হৈছেহি। সভা বহিল। গাঁৱৰ সভাপতি সিন্দুৰা ডেকাই সভাপতি হ'ল সভাখনৰ। ৰজত মেম্বৰে চেক্ৰেটাৰী হিচাপে সভাৰ বিষয়ে আতি-গুৰি ভাঙি-পাতি ৰাইজক ক'লে। গগন মেম্বৰে দুপৰবেলা গাগেলিত ঘটা ঘটনাৰ সবিশেষ কৈ দুই-এদিনৰ ভিতৰতে মহকুমালৈ গৈ মহকুমাধিপতিক লগ ধৰি ৰাইজৰ আপত্তি দৰ্শাই এখন ৰাজহুৱা দৰ্খাস্ত দিয়াৰ কথা ক'লে। 'শৰতপুৰৰ দুন্দুভিহঁত ওপৰত হাত থকা মানুহ। গতিকে জিলাৰ হাত দীঘল মানুহৰ সহায় লব লাগিব' বুলিও গগন মেম্বৰে ক'লে। প্ৰয়োজন হ'লে দুই-তিনিজনে শ্বিলঙলৈ গৈ ৰাজহ মন্ত্ৰীক লগ ধৰাৰ কথাও ক'লে। ৰাজহ মন্ত্ৰীজনে কাকতলৰ মানুহক ভাল পায়। সভাত বিভিন্নজনে নিজ নিজ প্ৰজ্ঞা অনুসৰি পৰামৰ্শ দিলে। শেষত দুই-এদিনতে স্থানীয় মহকুমাধিপতিক গাগেলিৰ মাটি দুন্দুভি চৌধুৰী নামত আবণ্টন দিয়া চৰকাৰী সিদ্ধান্তৰ বিৰোধিতা কৰি এখন ৰাজহুৱা দৰখাস্ত দিয়াটো ঠিক হ'ল। লগতে

শ্বিলঙত ৰাজহমন্ত্ৰীক লগ ধৰি উক্ত বিষয়ৰ ওপৰত এখন ৰাজহুৱা দৰখাস্ত দিয়া কথাটো সিদ্ধান্ত হ'ল। অন্যায়ভাৱে ৰিজাৰ্ভৰ মাটি আৱণ্টন দিয়া আদেশটো যাতে বাতিল কৰে তাৰ বাবে অসমৰ ৰাজহ মন্ত্ৰীক লগ ধৰিবলৈ গগন মেম্বৰ, ৰজত মেম্বৰ আৰু সিন্ধুৰা ডেকাক দায়িত্ব দিলে ৰাইজে। সভাৰ সভাপতি সিন্ধুৰা ডেকাই গাঁওখনৰ এই বিপদৰ সময়ত কাকতলৰ সকলো মানুহক এক হৈ এনে অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ সাজু থাকিবলৈ অনুৰোধ জনালে আৰু সভা ভঙ্গ দিলে।

পিছদিনা পুৱা সাত বজাৰ লাইন বাছনত গগন মেম্বৰ, ৰজত মেম্বৰ, পদুম কুমাৰ, ধৰ্ম পাঠক, সিন্ধুৰা ডেকাই মহকুমাধিপতিৰ অফিচলৈ গ'ল। নগৰৰ পৰা ৰাতিপুৱা কাকতল সৰিয়হতল হৈ এখনেই লাইন বাছ মহকুমা সদৰলৈ যায়। কাকতলৰ প্ৰতিনিধি দলটোৱে কাৰ্যালয়লৈ গৈ মহকুমাধিপতিক লগ পাবলৈ মহকুমাধিপতিৰ অফিচৰ বাৰাণ্ডাত প্ৰায় দুঘণ্টা মান বোন্দাপৰ দি থাকিল। এক বজা মানতহে মহকুমাধিপতিয়ে তেওঁলোকক সাক্ষাত দিলে। প্ৰতিনিধি দলটোৱে কথাখিনি চমুকৈ বুজাই কৈ ৰাইজৰ দৰখাস্তখন মহকুমাধিপতিক দিলে। কাকতলৰ ৰাইজে গো ৰিজাৰ্ভ এখনৰ মাটি ধনী ব্যৱসায়ী কিছুমানে নিজকে মাটিহীন কৃষক সাজি আত্মসাৎ কৰা কাৰ্য কাকতলৰ ৰাইজে কোনো মতেই মানি নলয় বুলি মহকুমাধিপতিক জনাই দিলে। মহকুমাধিপতিয়েও বিষয়টো তদন্ত কৰি ব্যৱস্থা লোৱাৰ আশ্বাস দিলে কাকতলৰ প্ৰতিনিধিসকলক। পাছত প্ৰতিনিধিসকলে মহকুমাধিপতিৰ কাৰ্যালয়ৰ পৰা ওলাই সৰু হোটেল এখনত ভাত খাই কাকতল অভিমুখে যোৱা লাইন বাছখনত উঠিল।

তেতিয়া প্ৰায় তিনিটা মান বাজিছিল। জনকপুৰ এম ই স্কুল ছুটি হৈছিল। প্ৰসেনে তাৰ লগৰ ছাত্ৰকেইজনৰ লগত ঘৰমুখে আহি আছিল। এনেতে এখন বাছ পি. ডব্লিউ. ডি. ৰাস্তাৰ কাকতললৈ যোৱা চ'কটোত ৰৈ থকা প্ৰাসেনহঁতে দেখিলে। বাছখনত কেইজনমান পুলিচ।

ঃ ঐ ল'ৰাহঁত— কাকতললৈ যোৱা ৰাস্তা কোনটো হে? এজন পুলিচে বাছখনৰ পৰা নামি আহি প্ৰসেনহঁতক সুধিলে?

প্ৰসেনহঁতে ভয়তে হাতেৰে দেখুৱাই দি ভিৰ ভিৰাই গাঁৱলৈ লৰ দিলে। গাঁও পায়েই প্ৰসেনে চিঞৰি চিঞৰি যাক য'ত পালে গাঁৱলৈ পুলিচ অহা খবৰটো দিলে। প্ৰসেনৰ লগতে লগৰ আন কেইজন ল'ৰাইও নিজ নিজ চুবাত পুলিচ অহা খবৰটো দিলে। গাঁওখনত মুহূৰ্ততে হুৱা দুৱা লাগিল। বয়সস্থ লোকৰ বেছিভাগেই নিজ নিজ বাৰীৰে কোনোবাই তৃষ্ণা নদীৰ পাৰলৈ, কোনোবাই কাউৰমণি পথাৰৰ জংঘললৈ, কোনোবাই নামদোঙা গাঁৱলৈ গৈ লুকাই থাকিল। প্ৰসেনে গাঁৱৰ দক্ষিণ মুৰৰ চুপাত খবৰ দিবলৈ দৌৰী যাওতে পিতাক ৰজত মেম্বৰ, গগন মেম্বৰ, পদুমকুমাৰ, সিন্ধুৰা

ডেকা, ধর্ম পাঠকক দূৰৰ পৰা গাঁৱলে আহি থকা দেখিলে। সি দৌৰি পিতাকহঁতৰ ওচৰ পালে।

ঃ পিতা, পিতা, পুলিচ আহিছে আমাৰ গাঁৱলৈ। বহুত পুলিচ। একেবাৰে এক বাছ। গাঁৱৰ ভিতৰ সোমাইছে। আমি ল'ৰাবোৰে গাঁৱৰ মানুহক খবৰ দিছো— ফোঁপাই ফোঁপাই কথাখিনি ক'লে প্ৰসেনে।

ঃ কেতিয়া আহিছে?

ঃ এই অলপ আগতে।

গগন মেম্বৰ, ৰজত মেম্বৰ, সিন্ধুৰা আদি আটাই কেইজন হোলাৰ জানৰ বাঁহৰ দলংখনত অলপ পৰ বহি আলোচনা কৰিলে।

ঃ বুজিছা ৰজত, আমি পুলিচৰ হাতত আজি ধৰা নিদিয়াই ভাল হ'ব। ব'ল আমি ঘোপকুছি হৈ মোক্ষপুৰেদি ত্ৰিনাথ নগৰলৈ যাওঁ। তাতেই আত্মগোপন কৰি থাকো দুদিনমান। সকলোৱে গগন মেম্বৰৰ কথাত হয়ভৰ দিলে। তেওঁলোকে অলপো পলম নকৰি— ঘোপকুছি হৈ ত্ৰিনাথ নগৰলৈ বেগাই খোজ ল'লে।

ঃ প্ৰসেন, তই গাঁৱৰ ক'ত কি ঘটিছে সকলো কথা ত্ৰিনাথ নগৰত থকা বনমালী কাকাৰ ঘৰত জনাই থাকিবলৈ হৰিমলক কবি। তই এতিয়া ঘৰলৈ যা– বুলি ৰজত মেম্বৰে পুতেক প্ৰসেনক ঘৰলৈ যাবলৈ ক'লে।

ইপিনে পুলিচৰ দলটো আহি কাকতলৰ বৰপুখুৰীৰ পাৰত ৰ'ল। কাষৰে দুই এজনে আনি দিয়া চকী আৰু বেঞ্চত বহি ল'লে তেওঁলোকে। গাঁৱৰে আন আন সমাজকৰ্মী গিৰিশ জ্যোতিষী, ৰত্নে মহাজন, অভি হালদাৰ, থানে ওজা, ৰাম চৰণ কলিতা, জয়ৰাম, সৰ্বেশ্বৰ, ঘিণো আদি লোকসকল আহি বৰপুখুৰী পাৰলৈ আহিল। দধিৰাম আৰু সুৰথ নামৰ যুবক দুজনে পুলিচৰ দলটোক একলহ পানী আৰু কেইটামান গিলাচ আনি দিলে। নিমিষতে পুলিচ কেইটাই পানী কলহ খাই শেষ কৰিলে। ইতিমধ্যে কেবাজনো যুৱক আৰু বহুত সৰু সৰু ল'ৰা-ছোৱালী তাত জমা হোৱাত এখন ৰাজহুৱা সভা যেনেই হ'ল বৰপুখুৰীৰ পাৰত। পুলিচৰ দলটোৰ লগত অহা বিষয়াজনে ক'লে— "ৰাইজ আমি এনেয়ে ইয়ালৈ অহা নাই।"

শৰতপুৰ গাঁৱৰ দুন্দুভি চৌধুৰী, নৰেন মণ্ডল, মনেশ্বৰ বেপাৰী আৰু প্ৰশান্ত ভূঞা নামৰ লোক কেইজনমানে কাকতল গাঁৱৰ গগন মেম্বৰ, ৰজত মেম্বৰ, সিন্ধুৰা ডেকা, ধৰ্ম পাঠক পদুম কুমাৰ, আদি পোন্ধৰজন লোকৰ ওপৰত থানাত এখন এজাহাৰ দিছে। এই লোকসকলে যোৱাকালি ফৈৰাদীসকলে তেওঁলোকক চৰকাৰে দিয়া নিজ নিজ মাটি চমজি ল'বলৈ গাগেলিলৈ আহোতে তেওঁলোকক মাৰপিট কৰিছে। দুন্দুভি চৌধুৰী আৰু নৰেণ মণ্ডলৰ জখমো হৈছে। আমি এজাহাৰত উল্লেখ কৰা আচামীকেইজনক গ্ৰেপ্তাৰ

কৰি মহকুমা সদৰলৈ দিবলৈ আহিছো। এইটো চৰকাৰৰ হুকুম।

ঃ কথাটো বুজিলো। কিন্তু মেম্বৰ ৰজত মেম্বৰ, সিন্ধুৰা ডেকা, ধৰ্ম পাঠককে ধৰি আচামী কৰা লোকসকল আজি মহকুমা সদৰলৈ গৈছে মহকুমাধিপতিক লগ পাবলৈ। বাকী যিকেইজনৰ নাম ক'লে সেই কেইজন স্কুলৰ ছাত্ৰ। তদুপৰি এই কথা আপোনালোকক আমি ডাঠি ক'ব পাৰো যে এজাহাৰৰ উল্লেখ কৰা ধৰণে আমাৰ গাঁৱৰ কোনো লোকে দুন্দুভিহঁতৰ দলটোক মাৰপিট কৰাটো দূৰৰে কথা— টান কথা এষাৰো কোৱা নাই— বুকুত সাহ-পীত বান্ধি সৰ্বে ঠিকাদাৰে কথাখিনি পুলিচৰ আগত ক'লে।

ঃ ঠিক আছে– ঠিক আছে আজি আমি যাওঁ। গধূলিও হ'ল। অহাকালি এই আচামী কেইজনক মকুমা সদৰত থকা সদৰ থানাত হাজিৰ হ'বলৈ ক'ব ৰাতিপুৱা দহ বজাৰ ভিতৰত। নহ'লে কথা বিষম হ'ব। আমি পুনৰ আহিব লাগিলে কিন্তু কাকো সুদাই নেৰে। জানেই নহয়— চৰকাৰী ডিউটি– বুলি ধমকিৰ সুৰত কথাখিনি কৈ পুলিচ বিষায়াজন বাহত উঠিল। আন আন পুলিচ সকলো উঠিল। বাছ ষ্টাৰ্ট দি তেওঁলোক গ'ল।

পুলিচ যোৱাৰ পিছত হৰিমলে চাইকেল এখনত উঠি— ত্ৰিনাথ নগৰলৈ গ'ল। তেওঁ তাত গগন মেম্বৰ, ৰজত মেম্বৰ আৰু পদুম কুমাৰহঁতক লগ ধৰি পুলিচবিলাকে গাঁৱত কৈ যোৱা সকলো কথা বহলাই ক'লে। গগণ মেম্বৰহঁতে বনমালী ডেকাৰ লগত কথাটো আলোচনা কৰিলে। বনমালী ডেকা ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ লোৱা এজন মুক্তি যুদ্ধা। ত্ৰিনাথ অঞ্চলৰ এজন নামজাদা ব্যক্তি। কংগ্ৰেছ দলৰো এজন লেখত লবলগীয়া স্থানীয় নেতা। তেওঁৰ চাবেক ঘৰ কাকতল গাৱঁত। ব্যৱসায় সূত্ৰে কিছু বছৰ আগতে কাকতলৰ পৰা আহি ত্ৰিনাথ নগৰতে ঘৰ-বাৰী কৰি আছে। ইতিমধ্যে আগতে খবৰ দিয়া মতে তাত জিলা কংগ্ৰেছৰ প্ৰখ্যাত নেতা ত্ৰিনাথ নগৰৰ বাসিন্দা হলধৰ ডেকাও বনমালী ডেকাৰ ঘৰত আহি উপস্থিত হ'ল। হলধৰ ডেকা জিলাখনৰে এজন বিশিষ্ট কংগ্ৰেছ নেতা, ভাৰতৰ স্বাধীনতা আন্দোলনৰ এজন উল্লেখযোগ্য সেনা। জিলা মুক্তি যুঁজাৰু সন্থাৰ সম্পাদকো তেওঁ। গগন মেম্বৰহঁতৰ পৰা ঘটনাটোৰ বিষয়ে শুনি হলধৰ ডেকাৰ বৰ খং উঠিল। তেওঁ দুন্দুভিহঁতক গালি-গালাজ কৰিলে।

ঃ হ'ব, হ'ব অহাকালি আপোনালোকৰ লগত মহকুমা সদৰলৈ মইও যাম। চাওচোন কোন পুলিচ বিষয়াই আপোনালোকক এৰেষ্ট কৰি জেল হাজোতত থয়। অন্যায় আৰু ষড়যন্ত্ৰ কৰি ৰিজাৰ্ভৰ মাটি ধনী ব্যৱসায়ী সকলো হস্তগত কৰিছে। সিহঁতেই আকৌ ৰাইজৰ বিৰুদ্ধে কেচ দিছে— চাম নহয় বাপেকে সিহঁতৰ বল কিমান-- বুলি হলধৰ ডেকাই আত্মপ্ৰত্যয়েৰে কথাখিনি ক'লে।

ঃ আপোনালোক এতিয়া ঘৰলৈ যাওঁক। অহাকালি ৰাতিপুৱাই ত্ৰিনাথ নগৰৰ পৰা যোৱা প্ৰথম লাইন বাছখনতে মই যাম। আপোনালোক ঘোপকুছি চ'কতে বাছখনত উঠিব, একেলগে মহকুমা সদৰলৈ যাম। বনমালীকা যাব নালাগে। অসুখীয়া মানুহ। বাছত গৈ ধূলা খালে এজমাই উক দিব বুলি কৈ হলধৰ ডেকাই বনমালী ডেকাৰ ঘৰ এৰিলে। গগন মেম্বৰহঁতেও হলধৰ ডেকাৰ কথাত আশ্বস্ত হৈ ঘৰলৈ গ'ল।

ঘোপকুছি চ'ক। নাওৰাম নামৰ ঘোপকুছিৰ লোক এজনৰ এখন পান-তামোলৰ দোকান আছে। নাওৰামে দোকানখনত দুই-চাৰিকাপ চাহো মাজে সময়ে বেচে। অতি পুৰণি বট গছ এজোপাই গোটেই চ'কটো আৱৰি চ'কটো মনোমোহা কৰি ৰাখিছে। বটগছডালৰ তলত ঘোপকুছিৰ মানুহে বাঁহৰ চাং এখন সাজি মানুহ বহিব পৰা কৰি থৈছে। জনকপুৰ অঞ্চলৰ ঘোপকুছি এটা সৰু চুবা, মানুহ প্ৰায় যোল্ল গিৰিমান আছে। আটাইকেইগিৰি মানুহ বড়ো জনগোষ্ঠীৰ। সকলোৱে খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰে। চ'কটোৰ চাৰিওফালে ওচৰৰ গাঁৱৰ মানুহবিলাকৰ খেতিপথাৰ। খেতিপথাৰলৈ আহোতে যাওঁতে খেতিয়কসকলে বটগছ জোপাৰ তলত ক্ষন্তেক জিৰণি লৈ ভাগৰ পলুৱায়। নাওৰামৰ দোকানৰ পৰা বাকীকৈ বিড়ি দুই-এডাল কিনি বিড়ি খায়। ত্ৰিনাথ নগৰৰ পৰা বৰপেটা মহকুমাৰ সদৰলৈ ৰাতিপুৱা সাত বজাত যোৱা লাইন বাছখন ঘোপকুছিত কিছু সময় ৰয়। সেয়ে পুৱা সাত বজাত চ'কটোত মানুহৰ ভিৰ হয়। সেই সুযোগতে নাওৰামে কেইকাপমান ম'হৰ গাখীৰেৰে বনোৱা চাহ বিক্ৰী কৰে।

এই ঘোপকুছি চ'কতে পুৱা সাত বজাৰ আগে আগে আহি গগন মেম্বৰ, ৰজত মেম্বৰ, সিন্ধুৰা ডেকা, ধৰ্ম পাঠককে ধৰি শৰতপুৰৰ দুন্দুভি চৌধুৰীয়ে আচামী কৰা কাকতলৰ পোন্ধৰজন লোকে সাত বজাৰ লাইন বাছখন ৰখি থিয় হৈ আছে। কিছু সময় ৰোৱাৰ পাছত বাছখন আহিল। সৰু বাছ। মানুহৰ বৰ ভিৰ। থিয় হ'বলৈয়ে ঠাই নাই। ডেকা কেইজনে বয়সস্থকেইজনক হেচি-ঠেলি কোনোমতে বাছৰ ভিতৰলৈ সুমুৱাই দিলে। দুজনমানৰ চোলা চিৰিল— কেইজনমানৰ ধুতি আন যাত্ৰীৰ ভৰিত লাগি ফালিল। তথাপিতো তেওঁলোক যাবই লাগিব। পুলিচৰ মামলা। বাকী ডেকা কেইজন বাছৰ ওপৰতে বহি লৈ বাছৰ ওপৰত থকা বস্তু-বাহানিৰ লগতে নিজকে আলু-ডালিৰ বস্তা বুলি গণ্য কৰি ভগৱানৰ নাম লৈ যাত্ৰা কৰিলে। ইতিমধ্যে বাছখনৰ আগৰ চিটত হলধৰ ডেকা আহি আছিল। ৰজত মেম্বৰহঁতৰ তেওঁক দেখিহে মুখত পানী আহিল। বাছ চলিল। নতুনকৈ শিল দিয়া ৰাস্তা। তদুপৰি মাজে মাজে গাতবোৰটো আছেই। কোনো মতে খকা-খুন্দা খাই যমৰ যন্ত্ৰণা ভোগ কৰি গগন মেম্বৰহঁত গৈ ৮-৩০ বজা মানত মহকুমা সদৰ পালে। সদৰ পাই গোটেই কেইজনে একোকাপ চাহ খাই দেহ আৰু মনৰ কষ্ট কিছু পাতলালে। মুক্তি যুঁজাৰু কংগ্ৰেছ নেতা হলধৰ ডেকাইও চাহ খালে।

ঃ দহ বাজিবলৈ তেতিয়াও বহুত সময় আছে। 'বোলক আমি ইয়াৰ কংগ্ৰেছ ফিচতে অলপ বহো। মোৰো এটা সৰু কাম আছে'- বুলি হলধৰ ডেকাই গগন মেম্বৰহঁতক প্ৰস্তাৱটো দিয়াত সকলোৱে হলধৰ ডেকাৰ লগত কংগ্ৰেছ অফিচলৈ গ'ল। কংগ্ৰেছ অফিচৰ বাৰাণ্ডাত থকা বেঞ্চত তেওঁলোক বহিল। হলধৰ ডেকাই চকীদাৰজনৰ হতুৱাই কাৰোবাক খবৰ দিয়ালে। কিছু সময় পিছত এজন ওখ-পাখ চাহাবহেন মানুহ আহি কংগ্ৰেছ অফিচত উপস্থিত হ'ল। পিন্ধনত খদ্দৰৰ ধুতি আৰু কুৰ্ত্তা। মানুহজন ভিতৰলৈ গ'ল।

ঃ আৰে হলধৰ খবৰ খাটি নিদিয়াকৈ এই পুৱাখন তুমি ইয়াত— কি কথা?

ঃ এটা বৰ বিপদত পৰি আহিব লগা হ'ল শৰ্মা দা- বুলি হলধৰে গোটেই ঘটনাটো নৰহৰি শৰ্মাক বুজাই কলে। নৰহৰি শৰ্মা বৰপেটা জিলা কংগ্ৰেছৰ এজন বিশিষ্ট নেতা। এজন সৎ, নিষ্ঠাৱান আৰু নিৰ্লোভ স্বাধীনতা আন্দোলনৰ প্ৰখ্যাত কৰ্মী। মুক্তি যুঁজাৰু। জিলাখনত বৰ প্ৰভাৱ। সকলোধৰণৰ লোকে সন্মান কৰে। 'হ'ব, হ'ব, ঐ বলভদ্ৰ বলভদ্ৰ যাচোন সদৰ থানালৈ যা। মই এতিয়াই অ' চিক মতা বুলি কবি'- শৰ্মাই ক'লে। প্ৰায় বিশ মিনিটমান পাছত অ'চি জয়কান্ত বৰা আহি কংগ্ৰেছ অফিচত উপস্থিত হ'ল। নৰহৰি শৰ্মাই তেওঁক কিবা-কিবি ক'লে। 'হ'ব ছাৰ আপুনি চিন্তা নকৰিব। মই এতিয়াই গৈ কামটো কৰি দিম'- বুলি অ'চি তাৰ পৰা গ'ল।

ঃ আপেনালোক সদৰ থানালৈ যাওক। হলধৰ তুমিও যোৱা। মই অ' চিক এওঁলোকক এতিয়াই থানাতে জামিনত দিবলৈ কৈ পঠাইছো। জামিনত দিব। ৰিজাৰ্ভৰ কথাটো আপোনালোকে চিন্তা নকৰিব। মই মহকুমা ভূমি উপদেষ্টা কমিটীৰ সদস্য। অহা মিটিঙতে অন্যায় কৰি দুন্দুভি চৌধুৰীহঁতৰ নামত আবণ্টন দিয়া গাগেলিৰ মাটিৰ প্ৰস্তাৱটো মই নাকচ কৰাম। কথা দিলো। জামিন লৈ আপোনালোক নিশ্চিন্তে ঘৰলৈ যাওক বুলি নৰহৰি শৰ্মাই গগন মেম্বৰহঁতক কোৱাত গগন, ৰজত, সিন্ধুৰাহঁতে হাততে সৰগ ঢুকি পোৱা যেন পালে।

হলধৰ ডেকাৰ লগত আটাইকেইজনে সদৰ থানালৈ গ'ল। অ'চি জয়কান্ত বৰাই তেওঁলোকক বাৰাণ্ডাতে বহিবলৈ ক'লে। ইতিমধ্যে তেওঁ জামিনৰ কাগজ ৰেডি কৰিছিলেই। কাগজ-পত্ৰত এজন এজনকৈ চহী লৈ আটাইকেইজনকে থানাৰ পৰাই জামিনত যাবলৈ দিলে।

জামিন লৈ গগন মেম্বৰহঁতে কংগ্ৰেছ অফিচলৈ আহি নৰহৰি শৰ্মাক ধন্যবাদ দি কৃতজ্ঞতা প্ৰকাশ কৰিলে। এনেকৈয়ে গাগেলিত সংঘটিত হোৱা কুৰুক্ষেত্ৰ যুদ্ধৰ প্ৰথম পৰ্বৰ সামৰণি পৰিল।

ইপিনে বৰপেটা ভূমি উপদেষ্টা পৰিষদৰ সভাত যুদ্ধ কৰি নৰহৰি শৰ্মাই এমাহমান

পাছত দুন্দুভি চৌধুৰীহঁতৰ নামত আবণ্টন দিয়া গাগেলিৰ মাটিৰ প্ৰস্তাবটো নাকচ কৰালে আৰু তাৰ এটা নকল কপি ৰজত মেম্বৰহঁতে বৰপেটালৈ গৈ আনি গাঁৱৰ মানুহক দেখুৱালে। গাঁৱখনত আনন্দ আৰু উলাহৰে ভৰি পৰিল। এই যুদ্ধ জয়ৰ বতৰাত কাকতলবাসীয়ে এইবাৰ বছৰেকীয়া 'সবাহখনো' আগতকৈ জাকজমক কৰি পাতিবলৈ ঠিক কৰিলে।

(চাৰি)

জনকপুৰ। প্ৰায় পাঁচ হাজাৰ জনসংখ্যাৰে ভৰপুৰ এটা বানবিধ্বস্ত অঞ্চল। চাৰিখন ৰাজহ গাঁৱৰে চৈধ্যটা সৰু-বৰ চুবা আছে অঞ্চলটোত। সেই চুবাবোৰকে চুবাবাসীয়ে গাঁও বুলি কয় আন মানুহক। প্ৰায় ৫ বৰ্গকিলোমিটাৰ এলেকাৰ এই জনকপুৰত আঞ্চলিক ভিত্তিত আছে জনকপুৰ এম. ই. স্কুল এখন। এতিয়ালৈ সেইখনেই অঞ্চলটোৰ ভিতৰত ডাঙৰ শিক্ষানুষ্ঠান। অঞ্চলটোৰ বয়োজ্যেষ্ঠ গগন মেম্বৰ, ৰজত মেম্বৰ, সিন্ধুৰা ডেকা, পদুমকুমাৰ, সৰ্বানন্দ কলিতা, কৃপাময় কলিতা, অভিপ্ৰিয় গাঁওবুঢ়া, হাঁহিৰাম কলিতা, নীলকান্ত ৰাজবংশী, সিন্ধু কলিতা, লোকপ্ৰিয় হালৈ, বলোভদ্ৰ শীল, মহেন শৰ্মা, মধুৰাম শৰ্মা, পানীৰাম দাস, কণ্ঠৰাম দাস আদি সমাজকৰ্মীসকলে জনকপুৰ অঞ্চলত এখন হাইস্কুল পতাৰ কথা আলোচনা কৰি বহল ভিত্তিত এখন ৰাজহুৱা সভা পাতিলে। জনকপুৰ এম. ই. স্কুলত অনুষ্ঠিত হোৱা সভাখনত অঞ্চলটোৰ আটাইকেইটা চুবাৰ পৰা অহা উপস্থিত ৰাইজে অঞ্চলটোত এখন হাইস্কুল পতাৰ সিদ্ধান্ত কৰিলে। সেয়া ষাঠিৰ দশকৰ মধ্যভাগৰ কথা। স্কুলখনৰ নাম দিলে জনকপুৰ হাইস্কুল। অঞ্চলটোৰ কাকতল, কাঞ্চনপুৰ, পাতকুছি, জালপাৰ, পদুমপাৰা, ঘোপকুছি, আদি চুবাবিলাকত প্ৰতি বছৰে অনুষ্ঠিত হোৱা বছৰেকীয়া সভাবোৰ লগ লগাই সেই বছৰে 'জনকপুৰ মিলন সভা' নাম দি এখন সভামহোৎসৱো প্ৰতি বছৰে জনকপুৰ হাইস্কুল খেল পথাৰত পতাৰ সিদ্ধান্ত কৰিলে জনকপুৰৰ ৰাইজে।

হাইস্কুল স্থাপনৰ সিদ্ধান্তই জনকপুৰ অঞ্চলৰ শৈক্ষিক দিশলৈ এক নতুন দিশ কঢ়িয়াই আনিলে। যিসকল দুখীয়া খেতিয়কৰ ল'ৰাই এম. ই. স্কুল পাছ কৰাৰ পাছত অঞ্চলৰ বাহিৰলৈ গৈ পঢ়াৰ সামৰ্থ্য নাছিল, সেইসকলৰ মনতো হাইস্কুলীয়া শিক্ষা লাভ কৰাৰ নতুন আশাৰ সঞ্চাৰ হ'ল। মুঠতে 'জনকপুৰ হাইস্কুল স্থাপন' আৰু 'জনকপুৰ

মিলন সভা মহোৎসৱ' পতাৰ সিদ্ধান্তই জনকপুৰবাসীৰ জীৱনলৈ নতুন এক দিগন্ত মুকলি কৰিলে। ইয়ে একতাৰ এনাজৰীডাল সবল কৰিলে আৰু জাতি-বৰ্ণ নিৰ্বিশেষে অঞ্চলটোৰ সকলোলোকৰ মাজত ভ্ৰাতৃত্ববোধ আগতকৈ শক্তিশালী ৰূপত থিয় হ'ল। অঞ্চলৰ সকলো মানুহে লগ লাগি জানুৱাৰী মাহৰ প্ৰথম দিনটোত চৈধ্যজন ছাত্ৰৰে নাম প্ৰসঙ্গ আৰু হৰিধ্বনিৰে অঞ্চলৰ আকাশ-বতাহ মুখৰিত কৰি জনকপুৰ হাইস্কুলৰ শুভাৰম্ভ কৰিলে। অঞ্চলৰ প্ৰতিঘৰ লোকৰ পৰা ধান, খেৰ, বাঁহ, বেত আদি তুলি এখন মজবুত টিনৰ চালি সাজি তাতেই সপ্তমমান শ্ৰেণীৰ ক্লাছ আৰম্ভ কৰিলে। ঘৰে ঘৰে তুলি পোৱা ধানবোৰ বেছি লাভ কৰা টকাখিনিৰে স্কুলৰ ফাণ্ড এটা গঢ়ি তুলিলে। তদুপৰি অঞ্চলটোৰ ভালেমান লোকে বৰঙণি হিচাপেও টকা কিছু দি স্কুলৰ উদ্যোক্তাসকলক উৎসাহিত কৰাৰ লগতে স্কুলখন পৰিচালনাৰ প্ৰতি থকা নিজৰ দায়বদ্ধতা প্ৰকাশ কৰিলে। স্কুলৰ প্ৰধান শিক্ষক হিচাপে নিয়োগ কৰিলে কুশলৰাম কলিতাক।

স্কুলখন স্থাপনৰ দেৰমাহ পিছত জনকপুৰ মিলন সভা মহোৎসৱ অনুষ্ঠিত হ'ল। মাঘ মাহৰ শুক্লা চতুৰ্থীৰ তিথিত উলহ-মালহেৰে জনকপুৰৰ সকলো শ্ৰেণীৰ লোকে চাউল, টকা-পইচা, বাঁহ, খেৰ আদি দি সভা মহোৎসৱ অনুষ্ঠিত কৰিলে। অঞ্চলটোত সভা মহোৎসৱ আৰম্ভ হোৱাৰ দিনাই এক আনন্দৰ বন্যাই অঞ্চলটোৰ মানুহক উটাই নিলে এক আনন্দোচ্ছল আৰু সুখভৰা পৰিৱেশলৈ। পাঁচদিনীয়া সভা মহোৎসৱ অঞ্চলটোৰ লগতে আন আন ঠাইৰ লোকেও তীৰ্থক্ষেত্ৰত পৰিণত কৰিলে জনকপুৰ অঞ্চল। ঢুলীয়া, খুলীয়া, ওজাপালি, নামগোৱা দল আৰু যাত্ৰা পাৰ্টি বা গান পাৰ্টিয়ে সভাথলী পুৱাৰে পৰা পুৱতি নিশালৈ ৰজনজনাই থাকি অঞ্চলটোলৈ সৰগীয় সুখ কঢ়িয়াই আনিলে। তাৰ মাজতে সভা মহোৎসৱৰ তৃতীয়দিনা অঞ্চলটোৰ কেইজনমন যুৱকে নাট এখন অভিনিত কৰিলে। সেই নাটকত অংশ লৈছিল জনকপুৰ এম. ই. স্কুলৰ ৬ষ্ঠ শ্ৰেণীৰ ছাত্ৰ প্ৰসেনজিৎ কলিতা অৰ্থাৎ প্ৰসেনেও। নাটকখন আছিল 'ৰজা হৰিচন্দ্ৰ'। অঞ্চলৰ ৰাঘব কলিতা, পীতৰাম হালৈ, উদো, শৰণ, যাদৱ নন্দন, উপিন, লক্ষ্যৰাম, তাৰক, বিমল আদি যুৱকসকলে বিভিন্ন ভাৱত ভাও দিছিল। প্ৰসেনে ভাও লৈছিল ৰজা হৰিচন্দ্ৰৰ শিশু পুত্ৰ ৰোহিতাশ্বৰ। সভাৰ খোলাৰ সোঁমাজত মাটিৰে সজা খোলা মঞ্চত মঞ্চস্থ হোৱা ৰজা হৰিশ্চন্দ্ৰ নাটকত যুৱকসকলে কৰা আভিনয় সকলোৱে প্ৰশংসা কৰিছিল। ৰোহিতাশ্বৰ ভাওত প্ৰসেনে কৰা জীৱন্ত অভিনয়ে দৰ্শক ৰাইজক চকু পানী টুকিবলৈ বাধ্য কৰাইছিল।

নাটক পুৱতি নিশা শেষ হ'ল। প্ৰসেনে মেকআপবোৰ ধুই-মচি মণ্ডলুৰ লগত গাঁৱলৈ বুলি খোজ ল'লে পুৱতি নিশা। বাহিৰত বৰ ঠাণ্ডা। তাতে ফিৰফিৰীয়া বতাহ। প্ৰসেনৰ বৰ ঠাণ্ডা লাগিল। সেয়ে দুয়ো বেগেৰে কাকতললৈ খোজ ল'লে।

ঃ বুজিছ প্ৰসেন, নাটকত হ'লেওতো তই এবাৰ ৰাজপুত্ৰ হ'লি যেতিয়া ভৱিষ্যতেও তই ৰজা হ'ব লাগিব। কাকতল গাঁৱৰ লগতে জনকপুৰ অঞ্চলৰ মান ৰাখিব লাগিব, নাম উজ্জলাব লাগিব— মণ্ডলুৰে ক'লে পৰম বিশ্বাসেৰে।

ঃ তোৰো যে আৰু কথা মণ্ডলুকা। নাটকত ৰজা বা ৰাজপুত্ৰ হ'লে সঁচাকৈ ৰজা হ'ব পাৰেনে কোনোবাই। সেইবোৰ অভিনয় হে- আচল নহয়। তদুপৰি তই নাজান নেকি আজিকালি আমাৰ দেশত ৰজা বা ৰাজকুমাৰ নাই। সেইবোৰ উঠি গ'ল। এতিয়া ৰাইজে ভোট দিহে মন্ত্ৰী, এম. এল. এ. পাতে— প্ৰসেনে ক'লে।

ঃ অ' কথাটো হয়। কিন্তু সেই এম. এল. এ., মন্ত্ৰীসকলেইতো আজিকালি ৰজা। নামহে বেলেগ হৈছে। ৰজাৰ কাম তেওঁলোকেইতো কৰে। আজিকালিৰ মন্ত্ৰী মানেইতো আগৰ দিনৰ ৰজা।

কথা পাতি পাতি গৈ থাকোতে কেতিয়া সিহঁত দুটাই কাকতল পালে ক'বই নোৱাৰিলে। তেতিয়া গাঁৱত সম্পূৰ্ণ পোহৰ হৈছিল। বোৱাৰীসকলে চোতাল সৰাৰ শব্দ সিহঁতৰ কাণত পৰিছিল। চৰাইবোৰে কিচ্ কিচ্ শব্দ কৰি ৰাতিপুৱাক স্বাগতম জনাইছিল। মণ্ডলুৰে সমুখ পাই হেঙাৰ গুচাবলৈ ধৰোতে প্ৰসেনে দৌৰি গৈ তাৰ ঘৰত সোমাল। ঘৰত সোমায়েই কপোৰ সলাই থাকোতে প্ৰসেনে টৌপনিৰ আলিজালিত নাটকৰ বচন আওৰাই আছিল।

ঃ প্ৰসেন, অ' প্ৰসেন, নাটকৰ বচন মাতিব নালাগে এতিয়া, ভাত কেইটামান খাই শুই থাকহি। কিমান কৈছো মই, বোলো এই নাটক-চাটক কৰাত লাগি থাকিলে পঢ়া-পাতিত মন নবহে। মোৰ কথা নুশুনা নহয়। এতিয়া নাটকৰ বচন হে সাৰ হ'ল, পঢ়া কিতাপ পাতি পঢ়া টেবুলতহে পৰি থাকিল— হুমুনিয়াহ এটা কাঢ়ি ৰজত মেম্বৰে কথাষাৰ ক'লে।

প্ৰসেনে একো নামাতিলে। মাকে সাজি থোৱা ভাতসাজ খাই মজিয়াত থকা তাৰ বিছনাখনত শুই পৰিল।

হাইস্কুল স্থাপন, মিলন সভা উদ্‌যাপন আদিয়ে অসমৰ জনকপুৰ অঞ্চলৰ দৰে কিছুমান পিছপৰা অঞ্চলৰ মানুহৰ মাজত একতাৰ জৰীডাল টান কৰিলে সঁচা, কিন্তু সামগ্ৰিকভাৱে ৰাজ্যখনৰ একতাৰ জৰীডাল পচি ঢিলা হৈ পৰিবলৈ ধৰাহে দেখা গ'ল। দেশে স্বাধীনতা লাভ কৰাৰ সময়তে অসমৰে অন্যতম জিলা নগাপাহাৰৰ কিছুমান যুৱকে জাপু আঙ্গামি ফিজো নামৰ লোক এজনৰ নেতৃত্বত স্বাধীন নগাভূমি এখনৰ দাবী উত্থাপন কৰিছিল। সেই দাবী পূৰণৰ বাবে স্বাধীনতাৰ কিছুদিন পিছতে সসস্ত্ৰ সংগ্ৰামত নামি পৰিছিল ফিজোৰে। আণ্ডাৰ গ্ৰাউণ্ড হৈ নগাভূমিৰ স্বাধীনতাৰ বাবে সংগ্ৰামত লিপ্ত হৈ পৰিছিল আন এচাম যুৱকে। নগা পাহাৰক অসমৰ পৰা ফালি এখন সুকীয়া ৰাজ্য

কৰাৰ বাবে দাবী উত্থাপন কৰি গণতান্ত্ৰিক আন্দোলনৰ পথ লৈছিল। নগা পাহাৰত জুই জ্বলিল। নানা আলোচনা-বিলোচনা হ'ল। কামত নাহিল। ভাৰত চৰকাৰৰ কিছুমান বিষয়াই নগাসকলক এনে আন্দোলনত গোপনে মদত যোগোৱাৰ অভিযোগ উত্থাপিত হ'ল। অসমৰ বুদ্ধিজীৱী, ৰাজনৈতিক নেতাসকলেও বিষয়টোত দূৰদৰ্শী দৃষ্টিভঙ্গী লৈ নগাসকলৰ মৰ্মবেদনাৰ উম ল'বলৈ সদিচ্ছা প্ৰকাশ নকৰিলে। তীব্ৰ আন্দোলনৰ ফলত ভাৰত চৰকাৰে শ্ৰীমন্ত শংকৰদেৱে তাহানি ১৫শ শতিকাতে অসমীয়া সংস্কৃতিৰ ভেটি সাজি অসমীয়া সংস্কৃতিৰে অসমীয়া কৰা নগা সকলক ১৯৬৩ চনৰ ১ জানুৱাৰী তাৰিখে 'নাগালেণ্ড' নাম দি এখন সুকীয়া ৰাজ্য দিলে ভাৰত চৰকাৰে। লগে লগে বৰ অসমৰ প্ৰায় ২ লাখ ৬৪ হাজাৰ বৰ্গকিলোমিটাৰ মাটিকালিৰ পৰা ১৬,৫৭৯ বৰ্গ কিলোমিটাৰ মাটিকালি চিৰদিনৰ বাবে লোপ পালে। অসমৰ ৰাজনৈতিক মানচিত্ৰখন সংকুচিত হোৱাৰ লগতে অসমীয়া জাতিৰ জীৱনলৈ দুৰ্যোগ নামিবলৈ আৰম্ভ কৰিলে। বহুতে সেই সময়ৰ ৰাজনৈতিক নেতৃত্বক দোষাৰোপ কৰিলে অসমৰ এনে অঙ্গচ্ছেদৰ বাবে। দোষ যিয়ে নকৰক কিয় অসমৰ ভ্ৰাতৃত্বৰ বান্ধোনত যে কেনা লাগিল অসমৰ বৃহৎ নগা গোষ্ঠীৰ অসমীয়াসকলে যে অসম এৰি গুচি গ'ল সিয়েই অসমৰ ঐক্য-সংহতিৰ বৰ ভিঠাত উঁয়ে বাহ লোৱাটোকে প্ৰমাণ কৰিলে।

আনহাতে অসমৰ পৰা বিচ্ছিন্ন হোৱাৰ অন্য এক আৱাজ, অন্য এক ধ্বনিয়েও অসমৰ ৰাজধানী চিলং চহৰৰ পাহাৰীয়া চূড়াবোৰ জোকাৰি তুলিলে। ১৯৬০ চনত খাচিয়া জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰৰ প্ৰায়বোৰ সামাজিক-সাংস্কৃতিক সংগঠন লগ হৈ গঠন কৰা— এ. পি. এইচ. এল. চি. (APHLC) সংগঠনটোৱে 'মেঘালয়' নাম দি এখন সুকীয়া ৰাজ্যৰ দাবী উত্থাপন কৰিলে। গণতান্ত্ৰিক আন্দোলনৰে অসমৰ দুইখন পাহাৰীয়া জিলা কঁপাই তুলিলে তাৰ ৰাইজে। তাৰ অৰ্থ এইটো যে অসমৰ আদিম জনগোষ্ঠীসমূহে স্ব-অধিকাৰ বিচাৰি বৰ অসমীয়া জাতি আৰু বৰ অসমীয়া সংস্কৃতিৰ পৰা আঁতৰি গৈ স্বজাতি সত্ত্বা আৰু স্ব-সংস্কৃতিৰ ঘৰটো নতুন সাজেৰে সুকীয়াকৈ বান্ধিবলৈ প্ৰয়াস কৰিলে। এনে খবৰে অসমীয়া জাতিৰ প্ৰজ্ঞাবান লোক কিছুমানক ব্যথিত কৰিছে যদিও বুৰঞ্জীৰ যে পুনৰাবৃত্তি ঘটে সেই কথা সোঁৱৰি নিৰ্বাক-নিষ্পন্দ হৈ থাকিল সেইসকল লোক।

এনেবোৰ কথাই জনকপুৰৰ দৰে সৰু সৰু অঞ্চলবোৰৰ লোকৰ মনো চুই গৈছে। দুই-এক দেশৰ খবৰ ৰখা লোকে ৰাজ্যখনৰ এচাম লোকে ৰাজ্যখন এৰি গুচি যোৱাত আৰু কিছুমানে গুচি যাবলৈ প্ৰয়াস কৰাত মৰ্মাহত হৈছে। হোজা দুই একে মন্তব্য কৰিছে— গেল গেল দেশখন গেল। যিয়েই নহওক কিয়, জনজীৱন স্তব্ধ হৈ ৰৈ নাথাকে। ই গতিশীল। সময়ে কালৈকো বাট নাচায়। তাৰ নিজৰ গতিত চলি থকাৰ দৰে

জনজীৱন, সমাজ জীৱনেও নিজৰ গতিত কালেকো বাট নোচোৱাকৈ চলি থাকে। জনকপুৰ, কাকতল আদিৰো জনজীৱন, সমাজজীৱন নিজ গতিত চলি থাকিল। পৰিবৰ্তনশীলতাৰ চিৰন্তন সত্যই জনকপুৰ, কাকতল আদিও চুই গ'ল।

সময়ৰ এনে পৰিবৰ্তনৰ আৰ লৈ প্ৰসেনেও মেট্ৰিক পৰীক্ষা দিয়াৰ বাবে সাজু হ'ল। জনকপুৰ হাইস্কুল এতিয়া এখন পূৰ্ণাঙ্গ হাইস্কুল। সপ্তম শ্ৰেণীৰে আৰম্ভ কৰা হাইস্কুলখনে ইতিমধ্যে এবাৰ মেট্ৰিকৰ পৰীক্ষা দি ভাল ৰিজাল্টেই কৰিছে। এইবাৰ দ্বিতীয় বেটচ্‌টোৱে পৰীক্ষা দিব। ওঠৰজন ছাত্ৰই মেট্ৰিক দিব। তাৰ ভিতৰত আছে শ্ৰেণীৰ প্ৰথম ছাত্ৰ প্ৰসেনজিৎ। স্কুলৰ শিক্ষক, অভিভাৱক আৰু জনকপুৰৰ ৰাইজে বহুত আশা কৰিছে সৰবৰহী প্ৰসেনৰ ওপৰত। মেট্ৰিক ৰিজাল্টৰ ওপৰত ভেনচাৰ স্কুলৰ ভৱিষ্যৎ বহু পৰিমাণে নিৰ্ভৰ কৰে। সেয়ে ছাত্ৰ, শিক্ষক, অভিভাৱক আৰু ৰাইজে তেওঁলোকৰ অতি মৰমৰ জনকপুৰ হাইস্কুলখনৰ মেট্ৰিকৰ ৰিজাল্ট যাতে ভাল হয় তাৰ বাবে সুৰ্বতো প্ৰকাৰে চেষ্টা কৰিছে। স্কুলৰ শিক্ষকসকলে মাজে মাজে স্কুল ছুটিৰ পিছতো মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা ছাত্ৰসকলৰ ক্লাছ লৈছে, নানা দিহা-পৰামৰ্শ দিছে। হেডমাষ্টৰে মাজে মাজে পৰীক্ষাৰ্থী কেইজনৰ ঘৰলৈ গৈও পঢ়া-শুনাৰ খবৰ কৰিছে।

কিন্তু সকলোৰে চকু প্ৰসেনৰ ওপৰত। পৰীক্ষালৈ মাত্ৰ আৰু দুমাহমান হে আছে। এই কেইদিন গল্প-কবিতা লিখি, গান গাই সময় নষ্ট নকৰিবলৈ শিক্ষকসকলে প্ৰসেনক কাঢ়া নিৰ্দেশ দিলে। প্ৰসেনৰ ঘৰত পঢ়া-শুনাত অসুবিধা হয় বুলি ভাবি পিতাকে তাক তাৰ ত্ৰিনাথ নগৰৰ ওচৰত থকা পেহীয়েকৰ ঘৰত থোৱাটোৱেই ঠিক কৰিছে। ঘৰত থাকিলে গৰু চৰোৱা, মাছ মৰা, পথাৰত গীত গাই ফুৰা, সংঘৰ কাম কৰা- আদি কামত সি সময় খৰচ কৰিবই । গতিকে পিতাকে প্ৰসেনক তেওঁৰ হৰিপুৰ গামত থকা ভনীয়েকৰ ঘৰত পৰীক্ষা শেষ নোহোৱালৈ থোৱাটোকে ঠিক কৰিলে। সেই মতে পৰীক্ষাৰ এমাহ আগতে প্ৰসেনে পেহীয়েকৰ ঘৰলৈ গ'ল। সৰু খুড়াক যদুনন্দনে তাক চাইকেলেৰে এদিন পেহীয়েকৰ ঘৰত থৈ আহিল।

পেহীয়েকৰ ঘৰত প্ৰসেনে নিবিষ্টমনে পঢ়া-শুনাত লাগিল। চাওতে চাওতে পৰীক্ষাৰ দিন আহি হাজিৰ হ'ল। মাৰ্চ মাহৰ ১২ তাৰিখৰ পৰা পৰীক্ষা আৰম্ভ হ'ল। প্ৰসেনৰ অংকত বাহিৰে বাকীবোৰ বিষয়ত পৰীক্ষা ভালেই হ'ল।

পৰীক্ষাৰ শেষৰ দিনা প্ৰসেনে লগ-সমনীয়াৰ লগত চাহ খালে, ইটোৱে সিটোৰ পৰীক্ষাৰ খা-খবৰ ল'লে। সেয়ে পেহীয়েকহঁতৰ ঘৰ পাওঁতে কিছু পলম হ'ল। ঘৰ পায়েই ভৰি-হাত ধুই ভাত খালে সি। তেতিয়া পশ্চিম আকাশত সূৰ্যটোৱে অস্তমিত হ'বলৈ যো-জা কৰিছে। ৰহিলা, ৰুমা আৰু নিভাই সিহঁতৰ দুৱাৰমুখত থকা হেঙাৰত

আঁউজি কিবা কিবি কথা পাতি আছে। এনেকৈ সন্ধিয়াৰ আগে আগে হেঙাৰডালৰ কাষত থিয় হৈ কথা পতাটো সিহঁতৰ দৈনন্দিন কৰ্মসূচীৰে এক অঙ্গবিশেষ। নানা কথা পাতে সিহঁতে সেই সময়ত। ভাত খাই উঠি প্ৰসেনেও পৰীক্ষাৰ কেইদিনত ঘটা সৰু-সুৰা ঘটনা কিছুমানৰ কথা কৈ সিহঁতক আমোদ দিলে। এনেয়ে ভাষা লগাই সৰু কথাটোকে সজাই-পৰাই প্ৰাঞ্জল কৰি কোৱাৰ শৈল্পিক প্ৰতিভা আছে প্ৰসেনৰ। গল্প-কবিতা লিখা ল'ৰা সি। সিহঁতৰ ৰুমটোত কোন পৰীক্ষাৰ্থীয়ে কেনেকৈ নকল কৰিলে, নকল কৰোতে গাৰ্ড দিয়া শিক্ষকে কি কি ক'লে— এজন ল'ৰাই ভূগোলৰ পৰীক্ষাৰ দিনা ভাৰতৰ মেপখন পৰীক্ষাৰ বহী দিয়ৰা লগে লগেই লগত লৈ অনা মেপ এখনেৰে কেনেকৈ নকল কৰিলে ইত্যাদি কথাৰে সি ৰহিলা, বায়েক আৰু ভনীয়েকহঁতক হুঁহুৱাই থাকে। সিহঁতে হাঁহি-ধেমালিৰে ঠাইখিনি মুখৰিত কৰি ৰখাৰ সময়তে হঠাতে এজনী ছোৱালী হেঙাৰৰ কাষত থকা প্ৰসেনৰ গাৰ কাষেৰে ৰহিলাহঁতৰ ঘৰলৈ সোমাই গ'ল। ছোৱালীজনীয়ে প্ৰসেনৰ মুখলৈ চাওতে চকুৱে চকুৱে পৰিল। এক লাজুক আৰু অস্ফুট হাঁহিৰে ছোৱালীজনীয়ে মুহূৰ্ত্তৰ ভিতৰতে হেঙাৰ পাৰ হৈ গ'ল। চকুৰ পচাৰতে ঘটা এই ঘটনাটোৱে প্ৰসেনক পুলকিত কৰি তুলিলে। কিবা এটা অবুজ ভাল লগা ভাৱে তাৰ দেহ-মন আৰু হৃদয় শিহৰিত কৰি তুলিলে। কিন্তু কি সেই পুলক, কি সেই চঞ্চল শিহৰণ প্ৰসেনে বুজিব নোৱাৰিলে।

ঃ কি অ' প্ৰসেন— হঠাত মুখৰ হাঁহি মাৰ গ'ল যে? ছোৱালীজনী কাষেৰে যোৱাৰ লগে লগে তোৰ দেখোন মুখৰ হাঁহি আৰু মাত হেৰাল— হাঁহি হাঁহিয়েই বায়েক ৰহিলাই কথাকেইষাৰ ক'লে।

ঃ নাই, নাই, হঠাৎ পৰীক্ষাত কৰা ভু ল এটাৰ কথা মনত পৰিল— প্ৰসনে ক'লে।

ঃ হ'ব, হ'ব, ফাঁকি দিবলৈ ঠাই নাপালি। ব'ল, ব'ল আন্ধাৰ হ'বৰ হ'ল। ঘৰলৈ যাওঁ। চিন্তা কৰিব নালাগে চিনাকি কৰি দিম ব'ল তাইৰ লগত। বেকা হাঁহি এটা মাৰি বায়েক ৰহিলাই প্ৰসেনক কথাখিনি কৈ ঘৰলৈ গ'ল। প্ৰসেনেও বায়েকৰ পিছে পিছে গৈ বায়েকহঁতৰ ডাঙৰ ঘৰৰ বাৰাণ্ডা পালে।

সেই বাৰাণ্ডাতে প্ৰসেনৰ কাষেৰে অলপ আগতে প্ৰসেনক এক অদ্ভুত শিহৰণৰ চাকনৈয়াত পেলাই পাৰ হৈ যোৱা ছোৱালীজনীয়ে তলমূৰ কৰি মহুৰা বতি আছিল।

ঃ প্ৰসেন, অ' প্ৰসেন মই যে তোক কৈছিলো নৈৰঞ্জনাৰ কথা- এই জনীয়েই। আমাৰ গাঁৱৰে অনাথ খুড়াৰ জীয়েক। ত্ৰিনাথ ছোৱালী হাইস্কুলৰ সপ্তম শ্ৰেণীত পঢ়ে। পঢ়াত বৰ ভাল। পঢ়াতে অকল নহয় সকলোতে ভাল। কাপোৰ বোৱাত ওস্তাদ। ঘৰত আমি নীৰা বুলি মাতো।

ঃ নৈৰঞ্জনা, ঐ নৈৰঞ্জনা, এইজনেই আমাৰ মামাৰ পুতেক প্ৰসেন। তোক তাৰ বিষয়ে আগতে কৈছিলোৱেই নহয়। বৰ চোকা ল'ৰা। মেট্ৰিক দিলে। তহঁত দুটা কিন্তু বেচ মিলিবি দে- হাঁহি হাঁহি ক'লে বায়েক ৰহিলাই।

ঃ যা— তোক আজিৰ পৰা নামাতো বুলি নীৰাই প্ৰসেনৰ চকুত চকু পৰাকৈ চাই চকুৰ পচাৰতে তাৰ পৰা কাণিমুনি আন্ধাৰত মিলি গ'ল। যোৱাৰ আগতে "আমাৰ ঘৰলৈ এবাৰ তেখেতক নিবি বাই। চাহ একাপ খাই আহিব" বুলি ৰহিলাক কাণে কাণে কৈ গ'ল।

প্ৰসেনে নীৰা যোৱাৰ পিনে নিৰ্বাক নিস্পন্দ হৈ চাই থাকিল। 'তহঁত দুটা বেচ মিলিবি' বুলি বায়েক ৰহিলাই কোৱা কথাষাৰে প্ৰসেনৰ হৃদয়ৰ মৰ্মস্থলৰ কোনো এঠাইত মৃদু আঘাত এটা কৰিলে। বায়েকে তাক নীৰাক চিনাকি কৰি দিয়াৰ সময়ত তাৰ অলক্ষিতে নীৰাই আৰু নীৰাৰ অলক্ষিতে প্ৰসেনে– উভয়ে উভয়ৰ মন আৰু হৃদয় সাগৰত কিবা যেন অমূল্য বস্তু বিচাৰি যে হাহাকাৰ কৰি উঠিছিল সেই কথা বুজাত ৰহিলাৰ অসুবিধা হোৱা নাছিল।

ঃ কি হ'ল প্ৰসেন— একেবাৰে চোন ক'লা পৰি গলি— মুখৰ মাতো নোহোৱা হ'ল।

ঃ নাই, নাই, বুইছা বাই মই অহাকালি ঘৰলৈ যাম। ঘৰলৈ বৰকৈ মনত পৰিছে। আমাৰ গাঁৱৰ সংঘৰো বাৰ্ষিক অধিৱেশনখন বিহুৰ পিছতে পতাৰ কথা আছে।

ঃ যাবি, যাবি, কিয় নাযাবি। ৰঙালী বিহুলৈ আৰু মাত্ৰ সাতদিন মানহে আছে। পিছে কাইলৈ পুৱা এবাৰ নীৰাহঁতৰ ঘৰলৈ যাব লাগিব। দুপৰীয়া ভাত-পানী খাই তই চাৰি মান বজাত গ'লেও হ'ব। কাকতলৈ ইয়াৰ পৰা এঘণ্টামানৰহে বাট। বায়েক ৰহিলাই অলপ আগতে নীৰাই মহুৰা বতি থোৱা যঁতৰ আৰু পঘেটো ঠিক ঠাক কৰি থাকি কথাখিনি ক'লে।

ঃ নীৰেন, অ' নীৰেন, যাচোন প্ৰসেনক এবাৰ আমাৰ পামখন ঘূৰাই আন। লোহিতহঁতৰ ঘৰলৈও নিবি। লোহিতৰ পিতাক অনলা খুড়াই তাক বৰ ভাল পায়।

হৰিপুৰ পাম। হৰিপুৰ গাঁৱৰ পৰা কেইটামান পৰিয়াল তালৈ পাম ধৰিবলৈ আহি তাতেই ঘৰ-বাৰী কৰি স্থায়ীভাৱে বসতি কৰিবলৈ লৈছে। আগৰে পৰা তাত কেইঘৰমান বড়ো সম্প্ৰদায়ৰ লোক আছিলেই। বড়ো সম্প্ৰদায়ৰ লোককেইঘৰ তাৰ পুৰণা বাসিন্দা। নিজাকৈ বস্তি আৰু খেতিৰ মাটি আছে তেওঁলোকৰ। হৰিপুৰৰ পৰা অহা পৰিয়ালকেইটাৰ নিজা মাটি নাই। হৰিপুৰৰ পৰা প্ৰায় বিশ কিলোমিটাৰ আঁতৰৰ চামধৰা গাঁৱৰ লক্ষ্মীকান্ত শৰ্মাহঁতে সেই মাটি দানসূত্ৰে ব্ৰিটিছৰ শাসন কালত লাভ কৰিছিল। আগতে হাবি-জঙ্ঘল আছিল। এতিয়া হাবি-জঙ্ঘলৰ ঠাইত বৰ ধানতুলি

হৈ পৰিছে। লক্ষীকান্ত শৰ্মাহঁতে বছৰি সেই মাটিৰ বাবদ ঠিকা ভিত্তিতকিছু ধান পায়। বড়ো আৰু কলিতা সম্প্ৰদায়ৰ এই মানুহখিনিয়ে বিয়া-বিহু সকলোতে এটা পৰিয়ালৰ দৰে কাম কৰে। সকলো বিষয়তে দুইটা সম্প্ৰদায়ৰ মিলাপ্ৰীতি চকুত লগা। কেতিয়াও কোনো কথাত দাঁতে-ওঁঠে লগা কাৰো মনত নপৰে। হৰিপুৰ গামৰ প্ৰায়বোৰ পুৰুষ মানুহে প্ৰতিদিনে সন্ধিয়াৰ আগে আগে কোনোবাই দুই-এক কেজি চাউল, কোনোৱে কিছু শাক-পাচলি, কোনোৱে বা কিছু তামোল-পাণ আৰু নাৰিকল আদি বেচিবলৈ ত্ৰিনাথ নগৰলৈ যোৱাটো এক দৈনন্দিন অভ্যাস। লগত নিয়া বস্তু-বাহানিখিনি তাত বিক্ৰী কৰি ৰেলষ্টেচনটোৰ কাষতে থকা বটগছ জোপাৰ তলত বাঁহ-খেৰেৰে সৰুকৈ সজা শিৱথানখনত কিছু সময় কীৰ্ত্তন কৰি তেওঁলোকে দিনটোৰ ভাগৰ পলুৱায় আৰু কিছু সময়ৰ বাবে হ'লেও জাগতিক মায়াৰ লৌহ বান্ধোনৰ পৰা আঁতৰি আহে। ৰাতি আঠমান বজাত ঘৰলৈ আহি পিছদিনাৰ জীৱন সংগ্ৰামৰ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি কৰি বিছনাত পৰে।

ৰহিলাই কোৱামতে নীৰেনে প্ৰসেনক গাঁৱলৈ ফুৰাবলৈ নিলে। ধনেশ্বৰ বড়ো, লেখন বড়ো, আদ্য কলিতা আদিৰ ঘৰলৈ নিলে প্ৰসেনক নীৰেনে। প্ৰসেনক এওঁলোকে আগৰে পৰা জানে। পৰীক্ষাৰ খবৰ লৈ তেওঁলোকে প্ৰসেনক চাহপানী খুৱাই আপ্যায়িত কৰিলে।

ঃ তোৰ মতি-গতি ভাল, তই ডাঙৰ মানুহ হ'বিয়েই হ'বি। ডাঙৰ মানুহ হ'লে আমাকো চাবি কিন্তু— বুলি ঘৰতে বনোৱা সাজপানী খাই অলপ নিচাসক্ত হোৱা ধনেশ্বৰ বড়োৱে প্ৰসেনক সাবটি ধৰি তাৰ প্ৰতি থকা মৰম প্ৰকাশ কৰিলে।

পিছদিনা ৰাতিপুৱা এঘাৰ মন বজাত প্ৰসেন ৰহিলাৰ লগত নীৰাহঁতৰ ঘৰলৈ গ'ল। ৰহিলাহঁতৰ ঘৰৰ পৰা তিনিঘৰ মানুহৰ ঘৰ এৰিলেই নীৰাহঁতৰ ঘৰ। ইপিনে প্ৰসেন যাব বুলি নীৰাহঁতে বাট ওলাই চায়েই আছিল।

ঃ নীৰা অ' নীৰা ক'ত গলি অ'— ৰহিলাই চিঞৰি মতাৰ দৰে মাতিলে নীৰা-মানে নৈৰঞ্জনাক।

ঃ অ' ৰহিলা, আহ, আহ, ঘৰৰ ভিতৰলৈ আহ'- এক আত্মীয়তাৰ ভাবত ৰহিলা আৰু প্ৰসেনক ঘৰৰ ভিতৰলৈ মাতিলে নৈৰঞ্জনাৰ মাকে।

ৰহিলা আৰু প্ৰসেনে গৈ নীৰাহঁতৰ ডাঙৰ ঘৰৰ মজিয়াত থকা বিছনাখনতে বহিল।

"খুড়ী, অ' খুড়ী, এইজনে আমাৰ মামাৰ পুতেক প্ৰসেন" বুলি ৰহিলাই প্ৰসেনক নীৰাৰ মাকৰ লগত চিনাকি কৰি দিলে।

ঃ সিদিনা তইহঁতৰ ঘৰত দেখিছিলো নহয়। আমাৰ নীৰাৰ মুখে তেওঁৰ বিষয়ে

সকলো শুনিছো— বুলি কৈ নীৰাৰ মাকে নীৰা অ' নীৰা বুলি নীৰাক মাতিলে। নীৰাই লাজত ৰঙাচিঙা পৰি ঘৰত সোমাল। 'বাই বহুচোন দে। মই চাহ অলপ কৰো'- বুলি নীৰাই পাক ঘৰত সোমাল।

ৰহিলা আৰু নীৰাৰ মাকে ইটো সিটো ঘৰুৱা কথা পাতিবলৈ ধৰিলে। নীৰা পাকঘৰত। প্ৰসেনে তলমূৰ কৰি ৰহিলাহঁতৰ কথা শুনি থাকিল। অলপ পিছত দুটা কাপত চাহ লৈ নীৰা প্ৰসেন আৰু ৰহিলাৰ ওচৰ পালে। চাহৰ কাপ দুটা এখন তুলত থৈ নীৰাই 'ৰহিলা বাই চাহ খা'- বুলি কৈ পুনৰ পাকঘৰলৈ গ'ল। ইতিমধ্যে নীৰাৰ মাকেও 'তহঁতে চাহ খা মই দুপাটমান পাণ আনি তামোলকে দুখনমান কাটো'- বুলি কৈ নীৰাৰ মাকে তাৰ পৰা বাৰীৰ পিছপিনে গ'ল। নীৰাই দুখন প্লেটত কিবা খোৱা বস্তু আনি টুলখনত থ'লে।

ঃ কি অ' নীৰা, তই দেখোন মোকহে চাহ খাবলৈ কলি। অতিথিক একো নক'লি।

ঃ নাই, নাই, অতিথিকো কৈছো বুলি কৈ নীৰাই চাহৰ কাপটো প্ৰসেনলৈ আগবঢ়াই 'চাহ খাওক বুলি কাপটো প্ৰসেনৰ হাতত দিলে। প্ৰসেনে কাপটো হাতত লওতে তন্ময়ভাৱে এবাৰ নীৰাৰ মুখলৈ চালে। নীৰাইও চালে। দুয়োৰে চকুৱে চকুৱে পৰিল। ৰহিলাই সিহঁত দুটাৰ চকুৰ চাৱনি দেখি মন্তব্য কৰি ক'লে— "মই কৈছোৱেই নহয় তহঁত দুটা বেচ মিলিবি। ডাঙৰ হ'লে দুয়োৰে বিয়া পাতি দিম"— কথাষাৰ শুনি নীৰাই দৌৰ মাৰি তাৰ পৰা আঁতৰি গ'ল। অলপ পিছত নীৰাৰ মাকে বঁটা এখনত তামোল আনি ৰহিলাহঁতৰ আগত বঁটাখন থ'লে। 'প্ৰসেনে তামোল নাখায় মইয়ে এখন খাও খুড়ী' বুলি ৰহিলাই তামোল এখন বঁটাৰ পৰা আনি মুখত ভৰালে।

ঃ ব'ল বাই, মই ঘৰলৈ যাম নহয় বহুত দেৰি হ'ল বুলি প্ৰসেনে যাবলৈ থিয় হ'ল।

ঃ ব'ল যাওঁ ব'ল প্ৰসেন, নীৰা অ' নীৰা আমি যাওঁ। প্ৰসেনে ভাত খাই ঘৰলৈ যাব। কিতাপ-পত্ৰবোৰ ঠিক কৰাই নাই। বহুত দেৰিয়েই হ'ল। ৰহিলাই কথাখিনি কোৱাত নীৰা ৰহিলাহঁতৰ ওচৰলৈ আহিল। কিবা এটা লাজ লাজ ভাবত প্ৰসেনে 'যাও' বুলি ক'লে।

বাইহঁতৰ ঘৰলৈ আহিলে আমাৰ ঘৰলৈও আহিব বুলি তলমুৰা হৈ সেপঢ়ুকি কথাখিনি ক'লে নীৰা মানে নৈৰঞ্জনাই।

ঃ হ'ব হ'ব চিনাকি হ'লি যেতিয়া, চোৱা-চুই হ'ল যেতিয়া এতিয়া নিজেই আহিব পাৰিব। ৰাস্তা মই ক্লিয়াৰ কৰি দিলো— বুলি ৰহিলাই দুয়োকে মৰমেৰে ঠাট্টা কৰি মুখটিপি হাঁহি এটা মাৰিলে আৰু প্ৰসেনক লৈ ঘৰলৈ আহিল।

তেতিয়া দুপৰীয়া প্ৰায় ১২ টা মান বাজিছিল। প্ৰসেনে পেহীয়েকহঁতৰ ঘৰ পাই

তাৰাতাৰি গা ধুবলৈ গ'ল। প্ৰায় দহ ঘৰ মানুহৰ মাজত এটাই দমকল। দমকলত গা-ধোৱা মানুহৰ ভিৰ। এইখিনি সময়ত দমকলটোত মানুহৰ ভিৰ যে হয় সেইটো যোৱা এমাহে প্ৰসেনে দেখি আহিছে। তাৰ মাজতে এবাল্টি পানী কোনোমেতে আনি দমকলৰ কাষত থকা কাপোৰ ধোৱা পাট্‌নাখনত বহি প্ৰসেনে গা ধুলে আৰু পেহীয়েকহঁতৰ ঘৰলৈ দৌৰ মাৰিলে। পেহীয়েকে ইতিমধ্যে ডাঙৰ ঘৰৰ মজিয়াত ভাত সাজি সকলো ঠিক-ঠাক কৰি থৈছিল। পেহাক গৌৰীকান্ত তেতিয়াও বজাৰৰ পৰা আহি পোৱা নাই যদি তেওঁৰো ভাত সাজ সাজি পিতলৰ ডাঙৰ চৰিয়া এটা আৰাল দি থৈছে। প্ৰসেনে ৰহিলা, নীৰেন, নিভা আদিৰ লগতে মজিয়াত সাজি থোৱা ভাত পীৰাত বহি খালে। সিহঁত আটায়ে ভাত খাই থক সময়তে কোনোবাই চাইকেলেৰে আহি চোতালত সোমোৱাটো গম পালে। ৰহিলাই ভাত খোৱা হাতেৰে বাৰাণ্ডালৈ আহি কোন আহিছে চাই গ'ল।

ঃ সৰু মামা আহিছে— বুলি কোৱাৰ ক্ষন্তেক পিছতে সৰু মোমায়েক যদুনন্দন ঘৰৰ ভিতৰ সোমাল। দদায়েক যদুনন্দনক দেখি প্ৰসেনে নাকে-মুখে সুমুৱাই ভাত খালে। সি ধৰি লৈছে যে খুড়াক যদুনন্দনে তাক ঘৰলৈ নিব আহিছে।

ভাত খোৱাৰ পাছত প্ৰসেনে কাপোৰ পিন্ধিবলৈ সি থকা ৰুমটোলৈ গ'ল। ইতিমধ্যে ৰহিলাৰ মাকে যদুনন্দনক ভাত বাঢ়ি দি 'বহ ভাত খা' বুলি ক'লে। যদুনন্দনে পানী এঘটী লৈ কাঁথিৰ কোণাত হাত-মুখ ধুই আহি ভাতৰ পাটত বহিল। ভাত খাই উঠি অলপ জিৰণি লৈ বায়েকৰ লগত দুই-চাৰিটা ঘৰুৱা কথা পাতি যদুনন্দন আৰু প্ৰসেন যাবলৈ ওলাল।

ঃ আজি কিতাপ-পত্ৰবোৰ নিব নালাগে, মই দুই-এদিনতে আহি লৈ যাম তই পাছৰ কেৰিয়াৰত উঠ— বুলি কোৱাত প্ৰসেনে কিতাপৰ চুটকেচটো যেনেকৈ আছিল তেনেকৈ থ'লে আৰু খুড়াকৰ চাইকেলৰ কেৰিয়াৰত উঠি ল'লে। যদুনন্দনে চাইকেলখন চলাই দি কাকতল অভিমুখে প্ৰসেনক লৈ ৰাওনা হ'ল।

যদুনন্দনৰ ত্ৰিনাথ নগৰত কাম এটা আছিল। সেয়ে তেওঁ ত্ৰিনাথ নগৰ হৈ হে গাঁৱলৈ যাবলৈ ঠিক কৰি ত্ৰিনাথ নগৰলৈ গ'ল। ত্ৰিনাথ নগৰ পাই ত্ৰিনাথ কলেজৰ অধ্যাপক দয়ানন্দ পাঠকক দেখি যদুনন্দনে চাইকেলৰ পৰা নামিল। যদুনন্দন নমাৰ আগতেই প্ৰসেনে চাইকেলৰ কেৰিয়াৰৰ পৰা নামিছিল।

ঃ কি হে যদুনন্দন ক'ৰ পৰা আহিলা? গম্ভীৰভাৱে পাঠকে যদুনন্দনক সোধাত যদুনন্দনে সঠিক কথাখিনি ক'লে।

ঃ আহা আহা বহুত দিনৰ মূৰত তোমাক লগ পাইছো। চাহ একো কাপকে খাওঁ আমাৰ ৰমাকান্তৰ দোকানত। আহা প্ৰসেন, তুমিও আহা— বুলি কৈ দয়ানন্দ পাক ৰমাকান্তৰ

চাহ দোকানখনত সোমাল। যদুনন্দন আৰু প্ৰসেনেও অধ্যাপক দয়ানন্দৰ পিছে পিছে গৈ দোকানত সোমাল।

ঃ আপুনি ক'লেই হ'বনে? মই জানো নহয়। সেই লাচিত সেনা কৰা কেইটাক। ইহঁত ছদ্মবেশী নক্সালপন্থী— মানুহৰ ধন-সম্পত্তি লুটপাত কৰা, মানুহক হত্যা কৰা— এইবোৰেই সিহঁতৰ কাম— এইবুলি চাহ একাপত চুমুক মাৰি আদহীয়া, মুখত এমোখা ডাড়ি ৰে এক অনন্য ব্যক্তিত্ব গঢ়ি তোলা লোক এজনে এক প্ৰকাৰ উত্তেজিত হৈয়েই তেওঁৰ সন্মুখত বহি চাহ খাই থকা সমবয়সৰ অধ্যাপক প্ৰিয়াঙ্কুশ শৰ্মাৰ আগত দৃঢ়চিত্তে নিজ মন্তব্য এটা প্ৰকাশ কৰিলে। এসময়ত কমিউনিষ্ট পাৰ্টীৰ সদস্য আছিল অধ্যাপক প্ৰিয়াংকুশ শৰ্মা। এতিয়া ৰাজনীতি সম্পূৰ্ণ বাদ দিছে।

ঃ আপুনি ক'লেই হ'বনে? আপোনালোক ক্ষমতাৰ সোৱাদ লোৱা কমিউনিষ্টসকলে ছাঁটোকে ভূত বুলি ভাৱে। আপোনালোকৰ পছন্দ মতে নোহোৱা সকলো কামকে আপোনালোকে বুৰ্জোৱাৰ চল-চাতুৰী, ধনিক শ্ৰেণীৰ ষড়যন্ত্ৰ, উগ্ৰ জাতীয়তাবাদীসকলৰ ধনিক শ্ৰেণীক সন্তুষ্ট কৰাৰ কৌশল, পুঁজিপতিৰ কায়েমী স্বাৰ্থ পূৰণৰ হাতিয়াৰ আদি আখ্যা দি বাস্তৱ সমস্যাক এৰাই চলে। কেৱল বক্তৃতাৰ ফুলজাৰি মাৰি চলাটো আপোনালোকৰ ফেচনত পৰিণত হৈছে। লাচিত সেনা কি, কিয় হৈছে, সেনাৰ লক্ষ্য উদ্দেশ্য আদৰ্শই বা কি আপুনি জানেনে? নাই নাজানে। জানিবলৈ যত্নও নকৰে। অথচ বক্তৃতা মাৰি এনেভাৱ দেখুৱাই যেন আপোনালোকে নজনা কথা সংসাৰত নাই, নহ'বও— বুলি জোকৰ মুখত চুণ দিয়া দি প্ৰত্যুত্তৰ দিলে প্ৰিয়াংকুশে ত্ৰিনাথ নগৰৰ কমিউনিষ্ট নেতা ত্ৰৈলোক্য শৰ্মাক।

প্ৰিয়াংকুশ আৰু ত্ৰৈলোক্যৰ উত্তপ্ত কথা-বতৰাত একো মন্তব্য নিদি অধ্যাপক দয়ানন্দ পাঠকে চাহ খাই ৰমাকান্তৰ দোকানৰ পৰা ওলাই আহিল। পিছে পিছে আহিল তেওঁৰ ছাত্ৰ যদুনন্দন আৰু যদুনন্দনৰ ভতিজাক প্ৰসেন।

ঃ ছাৰ 'লাচিত সেনাৰ বিষয়ে মইও ভালকৈ নাজানো যদিও অলপতে 'অসম বাণী' নামৰ সাপ্তাহিক বাতৰি কাকতখনৰ নিবন্ধ এটা পঢ়িছো সেনাৰ বিষয়ে। তেওঁলোকৰ লক্ষ্য-উদ্দেশ্য আৰু কাম-কাজ আমাৰ অসমখনৰ ভালৰ বাবেহে আছিল যেন পাওঁ — যদুনন্দনে অধ্যাপক দয়ানন্দ পাঠকক আগ্ৰহেৰে কথাখিনি ক'লে।

ঃ সেইবোৰ বহু বিতৰ্কৰ কথা। প্ৰতিজন ব্যক্তিৰ যেনেকৈ ভাল আৰু বেয়া বোলা দুটা ফাল আছে তেনেকৈ যিকোনো সংগঠন, সংস্থা বা অনুষ্ঠানৰো ভাল-বেয়া দুটা ফাল আছে। কোনো ব্যক্তি বা সংগঠন সম্পূৰ্ণ পাৰফেক্ট নহয় হ'ব নোৱাৰে। ঠিক তেনে কথা 'লাচিত সেনা' নামৰ প্ৰায় এবছৰ মান আগতে গঠন হোৱা সংগঠনৰ ক্ষেত্ৰতো খাটে— গহীনভাৱে পথৰ কাষতে থিয় হৈ দয়ানন্দই কথাখিনি ক'লে।

ঃ আপুনি ছাৰ 'লাচিত সেনা'ৰ বিষয়ে ভালকৈ জানে নেকি? যদুনন্দনে সুধিলে।

ঃ জানো, কিয় নাজানিম। সংগঠনটো গঠন কৰাৰ অৰিজিনেল মানুহকেইজনৰ ভিতৰত মইও আছিলো। অৱশ্যে দুই-চাৰিজন বিষয়ববীয়াৰ একঘেয়ামি কামৰ বাবে মই এতিয়া সক্ৰিয়ভাৱে সংগঠনটোৰ কাম-কাজত জড়িত হোৱাৰ পৰা বিৰত আছো।

ঃ ছাৰ যদি বেয়া নাপায় 'লাচিত সেনা'ৰ বিষয়ে আমাকো কিছু কথা কওক ছাৰ, জানিবলৈ বৰ মন গৈছে— প্ৰসেনে অধ্যাপক দয়ানন্দক অনুৰোধ কৰিলে।

ঃ তোমাৰ কথা যদুনন্দনৰ মুখে মই শুনিছো। তুমি বোলে সৰুৰে পৰা নানা সংগঠনত জড়িত হৈ আছ। অজান শৰ্মাৰ লগত 'চেমনীয়া ক'লা পৰিষদ' নামৰ সৰু ল'ৰা-ছোৱালীৰ বাবে গঠিত সাহিত্য-সংস্কৃতি বিষয়ক অনুষ্ঠানটোৰ লগতো আছা। জনকপুৰ হাইস্কুলৰ ছাত্ৰ একতা সভাৰ দুবাৰো সাধাৰণ সম্পাদক হৈ কাম কৰিছা। তদুপৰি এতিয়া বোলে জনকপুৰৰ সমগ্ৰ অঞ্চলটোক লৈ ১৯৫৮ চনতে গঠিত 'জনকপুৰ নবীন ছাত্ৰ সন্মিলন'ৰ সহকাৰী সম্পাদক নে কি হৈও আছা। "মই 'লাচিত সেনা'ৰ জন্ম লগ্নৰে পৰা তাত আছিলো। সেয়ে সেনা বিষয়ক প্ৰায়বোৰ কথা জানো, কিন্তু সেইবোৰ কথা ইয়াত পতাটো ঠিক নহয়। ব'লা মোৰ ঘৰলৈ যাওঁ তাতেই তোমালোকক চমুকৈ সেনাৰ বিষয়ে কম"— বুলি এক আবেগিক উৎসুকতাৰে কথাখিনি কৈ অধ্যাপক দয়ানন্দই যদুনন্দন আৰু প্ৰসেনক ত্ৰিনাথ নগৰতে থকা তেওঁৰ ভাড়া ঘৰটোলৈ লৈ গ'ল।

অধ্যাপক দয়ানন্দ পাঠক দুটা ৰুমৰ ভাড়া ঘৰটোত অকলে থাকে। তেওঁৰ পৰিয়াল গুৱাহাটীত থকা তেওঁৰ নিজা ঘৰতে থাকে। বনকৰা ল'ৰাটোক চাহ কেইকাপ মান কৰিবলৈ কৈ তেওঁৰ শোৱনি কোঠাটোতে তেওঁ এখন চকীত বহি যদুনন্দন আৰু প্ৰসেনক বিছনাখনতে বহিবলৈ ক'লে। যদুনন্দন আৰু প্ৰসেনে বিচনাখনতে বহিল। বনকৰা ল'ৰাটোৱে ইতিমধ্যে চাহ তিনিকাপ আনি সৰু টেবুল এখনত থ'লে। তাৰে একাপ চাহ হাতত তুলি লৈ চাহকাপত চুমুক মাৰি দয়ানন্দই যেন এক ভাবালেশত ডুব গ'ল। ভাবালেশত চকু দুটা মুদি এজন অভিনেতাৰ দৰে অভিনয়ত বচন আওৰাৰ দৰে অধ্যাপক দয়ানন্দ পাঠকে ক'বলৈ ধৰিলে।

"১৯৬৭ চনৰ ১৩ অক্টোবৰৰ কথা। মই তেতিয়া গুৱাহাটীৰ লাচিত নগৰতে থাকো। তাৰ পৰাই আহি কলেজত কাম কৰি প্ৰতি শনিবাৰে গুৱাহাটীলৈ গৈ দেওবাৰে দিনটো গুৱাহাটীতে থাকি সোমবাৰে পুনৰ ত্ৰিনাথ নগৰলৈ আহো। তেতিয়া সকলো দিশতে অসমৰ থলুৱা মানুহখিনিৰ প্ৰতি কৰা বঞ্চনা, অৱহেলা দেখি মানুহ অতিষ্ঠ হৈছিল যদিও সঙ্ঘবদ্ধভাৱে ইয়াৰ বিৰুদ্ধে ওলাই আহি আন্দোলন কৰিবলৈ পৰিৱেশ এটা গঢ়ি উঠা নাছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ দহ বছৰ নৌহওতেই অসমৰ থলুৱা মানুহখিনিয়ে অসমত এটা শোধনাগাৰ স্থাপনৰ বাবে আন্দোলন কৰা, অসমীয়া

ভাষাক চৰকাৰী ভাষাৰ মৰ্যাদা দিয়াৰ বাবে ভাষা আন্দোলন কৰা, ১৯৬২ চনত চীনদেশে নেফাৰে ভাৰত আক্ৰমন কৰি চীনা সৈন্য তেজপুৰ পোৱাত তদানিন্তন প্ৰধান মন্ত্ৰী জৱাহৰ লাল নেহৰুৱে অসমক চীনৰ হাতত এৰি দি দুখঃ প্ৰকাশ কৰা আদি কথা আৰু অসমখনৰ বাবে ফলপ্ৰসূ কিবা এটা কৰাৰ পন লৈ আমি কেইজনমান লোক গুৱাহাটীৰ এক গোপন স্থানত মিলিত হৈছিলো। তাত মিলিত হোৱাসকলৰ ভিতৰত কিছুমানৰ নাম মোৰ মনত আছে কিছুমান পাহৰিছো। মোৰ মনত থকাসকলৰ ভিতৰত আছিল— সেই সময়ৰ যুৱক জগন্নাথ শৰ্মা, ললিত বৰুৱা, জ্ঞানেন্দ্ৰ চৌধুৰী, লোহিত মহন্ত, হৰেন গোস্বামী, পৱিত্ৰ মজুমদাৰ, ধীৰেন্দ্ৰ দেৱ অধিকাৰী, অনিল কুমাৰ বৰদলৈ, গোকুল পাঠক, গোপাল দাস, উমেশ্বৰ কটকী, অচ্যুত ঠাকুৰীয়া, ভগগিৰি চৌধুৰী, বাণী ডেকা, দুৰ্গা দাস, ভাৰত লোহাৰ, শচীন বৰুৱা, ধীৰেন কলিতা, সুশীল ৰাজখোৱা, প্ৰিয় বৰুৱা, ৰামেশ্বৰ বৰা আদি। আৰু বহুত আছিল, নামবোৰ এতিয়া মনত নাই। উক্ত সভাখনতে গঠন কৰা হৈছিল 'সদৌ অসম নিৰ্দলীয় ছাত্ৰ যুৱক সন্থা' নামৰ সংগঠন এটা। জ্ঞানেন্দ্ৰ চৌধুৰীক উক্ত সন্থাটোৰ আহ্বায়ক হিচাপে নিৰ্বাচিত কৰা হৈছিল। অসমৰ প্ৰখ্যাত সাহিত্যিক বেণুধৰ শৰ্মা আৰু মহেন্দ্ৰ নাথ ডেকাফুকনক সন্থাটোৰ উপদেষ্টা হিচাপে লোৱা হৈছিল। সেই সভাখনতে ১৯৬৮ চনৰ ২৬ জানুৱাৰীৰ দিনা গুৱাহাটীৰ জৰ্জ খেলপথাৰত 'সংহতি ৰক্ষা দিৱস' এটা পালন কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছিল। অসমৰ থলুৱা লোকসকলৰ আৰ্থ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু ভাষিক দুৰৱস্থা বহিৰাগতৰ আগ্ৰাসনৰ পৰা ৰক্ষা কৰি তাক সুৰক্ষিত কৰাটোৱেই আছিল উক্ত সন্থাৰ মূল লক্ষ্য আৰু উদ্দেশ্য। ১৯৬৭ চনৰ ১৩ অক্টোবৰৰ পৰা তিনিটা ভাগত ভাগ হৈ সদৌ অসম নিৰ্দলীয় ছাত্ৰ যুৱক সন্থাৰ সদস্যসকলে অসমৰ চুকে-কোণে ঘূৰি সংগঠনৰ কামত লাগি পৰিছিল আৰু ৰাজ্যখনৰ সৰ্কলো ঠাইতে ৰাইজৰ বিশেষকৈ থলুৱা ৰাইজৰ ভাল সঁহাৰি লাভ কৰিবলৈ সমৰ্থ হৈছিল। প্ৰায় তিনি মাহ সাংগঠনিক কাম কৰি ২৬ জানুৱাৰীত পাতিব লগা 'সংহতি ৰক্ষা দিৱস'ৰ প্ৰস্তুতিও সুন্দৰকৈ কৰা হৈছিল। গোতেই অসমৰ অসমপ্ৰেমী লোকসকল যাতে উক্ত দিৱসৰ দিনা গুৱাহাটীৰ জজ খেল পথাৰত উপস্থিত হয় তাৰ বাবে চেষ্টাৰ ক্ৰুটি কৰা হোৱা নাছিল।

১৯৬৮ চন। ২৬ জানুৱাৰী। গুৱাহাটীৰ জজ খেল পথাৰত আয়োজন কৰা হৈছে 'সংহতি ৰক্ষা দিৱস'। পুৱাৰে পৰা আয়োজক সদৌ অসম নিৰ্দলীয় যুৱ-ছাত্ৰ সন্থাৰ বিষয়াসকলে দিৱসটো সফল কৰি তুলিবলৈ মৰো-জীও-সো-আধিকৈ কামত লাগিছে। দিনৰ ১১ বজাত 'সংহতি ৰক্ষা দিৱস' আৰম্ভ হ'ল। নানাজনে নানাভাৱে নিজ নিজ অভিমত প্ৰকাশ কৰি উদাত্ত কণ্ঠে ভাষণ দিলে। অসমৰ ৰাজনীতি, অৰ্থনীতি, সংস্কৃতি, ভাষা আদিৰ এনে পঁয়ালগা অৱস্থা কিয় হ'ল তাক কেবাজনো বক্তাই

তথ্যসহকাৰে বৰ্ণনা কৰিলে।

বহিৰাগত লোকৰ আগ্ৰাসন বন্ধ কৰিব নোৱাৰিলে অচিৰেই যে অসমখন ধ্বংস হ'ব, অসমৰ থলুৱা অসমীয়াসকলে ভিক্ষাৰ জোলোঙা লৈ পথে-প্ৰান্তৰে ঘূৰি ফুৰিব লাগিব তাক সুন্দৰকৈ বিশ্লেষণ কৰি ব্যাখ্যা কৰিলে সন্থাটোৰ আহ্বায়ক জ্ঞানেন্দ্ৰ চৌধুৰীয়ে। অসমৰ বিভিন্ন জিলাৰ কেবা শ লোক উপস্থিত থকা উক্ত দিৱসৰ সভাতেই অসম ৰক্ষাৰ জাগ্ৰত বাহিনী এটা গঠন কৰাৰ প্ৰস্তাৱ সভাত উপস্থিত বিভিন্নজনে উত্থাপন কৰিলে। উল্লেখযোগ্য যে এই সংহতি ৰক্ষা দিৱসত উপস্থিত থকা এশ শতাংশ লোকেই অসমক এখন স্বাধীন দেশ হিচাপে ঘোষণা কৰাৰ দাবী যুক্তি, তথ্যসহকাৰে উত্থাপন কৰিলে। জজ খেলপথাৰৰ আকাশ বতাহ লগে লগে স্বাধীন অসমৰ শ্লোগানেৰে মুখৰিত হৈ উঠিল। ইতিমধ্যে তাত পুলিচ বাহিনীৰ বহু লোক উপস্থিত হ'ল। তেওঁলোকে গোটেই সভাখন ঘেৰাও কৰি ল'লে। পুলিচৰ এনে কাণ্ড কাৰখানাত তাত উপস্থিত থকা লোকসকল উত্তেজিত হৈ পৰিল। জ্ঞানেন্দ্ৰ চৌধুৰীয়ে প্ৰস্তাৱ এটা পাঠ কৰি 'লাচিত সেনা' নামৰ সংগঠনটো গঠন কৰা হ'ল বুলি ঘোষণা কৰিলে। এই ঘোষণাত উপস্থিত ৰাইজ উৎফুল্লিত হৈ 'লাচিত সেনা' জিন্দাবাদ 'স্বাধীন অসম' জিন্দাবাদ ধ্বনিৰে জজ ফিল্ডেই নহয় গুৱাহাটীৰ মাটি কঁপাই তুলিলে, লগতে ভাৰতৰ জাতীয় পতাকা এখন পুৰি পেলালে। পুলিচ বাহিনীয়ে ৰাইজক বাধা দিবলৈ ধৰিলে— শ্লোগান নিদিবলৈ সকীয়াই থাকিল। ৰাইজ উত্তেজিত হ'ল। সভা ভঙ্গ কৰি সমবেত হাজাৰ হাজাৰ ৰাইজে লগে লগে গুৱাহাটীৰ পাণবজাৰ, ফাঁচী বজাৰ আদিত বৃহৎ সমদল এটা উলিয়ালে। পাণবজাৰ হৈ সমদল ফাঁচী বজাৰ পোৱাত পুলিচৰ লগত সংঘৰ্ষ হ'ল সমদলকাৰীৰ। সেই সময়তে কিছুমান দুষ্কৃতিকাৰী আৰু সমাজবিৰোধী লোকে ফাঁচী বজাৰৰ দোকান-পাহাৰত লুট-পাত আৰু মাৰপিট আৰম্ভ কৰে। ফাঁচী বজাৰত এক অৰাজক অৱস্থাৰ সৃষ্টি হয়। পুলিচে যাকে য'তে পালে কোবালে, টিয়াৰ গেছ দিলে, শূন্যলৈ গুলী চালনা কৰিলে। তাতো পৰিস্থিতি শান্ত নহ'ল। শেষত জিলা প্ৰশাসনে গুৱাহাটীত সান্ধ্য আইন জাৰি কৰিলে। পৰিস্থিতি নিয়ন্ত্ৰণৰ ভিতৰত আহিল। তদুপৰি তাতেই কেইজনমান 'লাচিত সেনা'ৰ নেতাক পুলিচে গ্ৰেপ্তাৰ কৰিলে। গুৱাহাটীত ঘটা এই ঘটনাৰ প্ৰভাৱ সমগ্ৰ অসমতে পৰিল। অসমৰ কেবাখনো চহৰত গুৱাহাটীৰ ফাঁচী বজাৰৰ ঘটনাৰ পুনৰাবৃত্তি ঘটিল তাৰ পাছত।

ঃ তাৰ পিছত কি হ'ল ছাৰ— যদুনন্দনে বিনয়েৰে সুধিলে।

ঃ তাৰ পাছত কি হ'ব অসমৰ বাতৰি কাকত কেইখন মানকে ধৰি কিছুমান চৰকাৰী বুদ্ধিজীৱীয়ে লাচিত সেনাৰ কাম-কাজক তীব্ৰ সমালোচনাৰে থকা-সৰক কৰিলে। এনে সমালোচনাত উৎসাহিত হৈ চৰকাৰে সমগ্ৰ অসমতে সেনাৰ সদস্যসকলক গ্ৰেপ্তাৰ

কৰাৰ তীব্ৰ অভিযানত নামি পৰিল। গুৱাহাটীকে ধৰি সমগ্ৰ অসমত প্ৰায় ২০০ জন সেনা সদস্যক গ্ৰেপ্তাৰ কৰি পি. ডি. এক্টৰ অধীনত ৰাজ্যখনৰ বিভিন্ন জেলত ভৰাই থ'লে। গ্ৰেপ্তাৰ হোৱা কিছুমানক এমাহত, কিছুমানক দুমাহত আৰু মূল নেতাসকলৰ কিছুমানক ছয়মাহ, কিছুমানক ন মাহৰ পাছতহে হাইকোৰ্টৰ নিৰ্দেশত মুক্তি দিলে। নেতাসকলৰ প্ৰায়বোৰকে জেলত ভৰাই থোৱাৰ লগে লগে দ্বিতীয় শাৰীৰ উপযুক্ত নেতাৰ অভাৱত আন্দোলনটো স্তিমিত হৈ গ'ল। ফাঁচীবজাৰৰ লুটপাত আৰু মাৰপিতে সেনাৰ সৎ আৰু অসমপ্ৰেমী উদ্দেশ্যত কালিমা সানিলে। সাধাৰণ ৰাইজেও সেনাৰ কাম-কাজত অসন্তুষ্টি প্ৰকাশ কৰাটো পৰিলক্ষিত হ'ল। চৰকাৰে বিভিন্ন চল-চাতুৰ্যৰে সেনাৰ বিৰুদ্ধে প্ৰচাৰ অভিযান চলাই সৰ্বসাধাৰণ ৰাইজৰ মনত সেনাৰ বিৰুদ্ধে বিদ্বেষ গঢ়ি তোলাত সফল হ'ল। এনেকৈয়ে অসম আৰু অসমীয়াৰ স্বাৰ্থ ৰক্ষা আৰু সুৰক্ষাৰ দাবীত জন্ম হোৱা 'লাচিত সেনা' কলিতে মৰহি গ'ল। বুজিও নুবুজাৰ ভাও ধৰা অসমৰ পানী মিঠৈ বুদ্ধিজীৱীসকল আৰু বহিৰাগতৰ আগ্ৰাসনক সাৰ-পানী দি সবল কৰা আৰু ঘিউ-মাখন খোৱা অসম হিতৈষীসকলে স্বস্তিৰ নিশ্বাস পেলালে।

ঃ ছাৰ, 'লাচিত সেনা'ৰ বৰ প্ৰয়োজন আছিল অসমৰ বাবে। উদ্দেশ্যও সৎ আছিল। এনে এটা সংগঠনে অসমৰ স্বাৰ্থৰ বাবে নিষ্ঠা আৰু সততাৰে লাগি থকা হ'লে আজি অসমৰ এনে নাজল-নাথল অৱস্থা নহ'লহেঁতেন নেকি?— যদুনন্দনে মন্তব্য কৰিলে।

ঃ সেইটোতো হয়েই । পিছে এইবোৰ কথা ভাবে নো কোনে। চাৰিওপিনে এতিয়া লেটেৰা ৰাজনীতি। যোৱাকালিৰ 'দৈনিক অসম'ত পঢ়িলো বোলে খাচিয়া, জয়ন্তীয়া আৰু গাৰোসকলে খাচিয়া, জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰ জিলা দুখনক লৈ 'মেঘালয়' নামৰ সুকীয়া ৰাজ্য এখনৰ দাবীত চলাই অহা আন্দোলন তীব্ৰতৰ কৰি তুলিছে। নগা পাহাৰতো গ'লেই। শ্বিলঙকে ধৰি জিলা দুখনৰ কৰবাত কৰবাত বোলে 'আসামিচ্ গো বেক' ধ্বনি দিছে, দেৱালত পোষ্টাৰ মাৰিছে। অসমখনৰ কথাবোৰ ভাবিলে মনটো বৰ বেজাৰ আৰু বেদনাৰে ভৰি পৰে— দুখেৰে কথাখিনি ক'লে দয়ানন্দ পাঠকে। এতিয়া তহঁত যা, মোৰো কলেজত ক্লাছ আছে— বুলি কৈ দয়ানন্দই কলেজলৈ যাবলৈ সাজু হ'ল। যদুনন্দন আৰু প্ৰসেনেও বেজাৰ মনে দয়ানন্দ পাঠকৰ ঘৰৰ পৰা ওলাই আহিল।

(পাঁচ)

দদায়েক যদুনন্দৰ লগত আহি প্ৰসেন তাৰ মৰমৰ কাকতল পালে। গাঁৱৰ মূৰতে দদায়েকৰ চাইকেলৰ পৰা নামি ঘৰলৈ বাকী থকা বাটখিনি সি খোজকাঢ়ি গ'ল। যাওঁতে বাটত যিয়ে য'তে তাক লগ পালে পৰীক্ষা কেনে হ'ল সুধিলে। সি ভালেই হোৱা বুলি ক'লে। ইপিনে বহাগ বিহুৰ ইটো-সিটো কামত জড়িত গাঁৱৰ বহু ল'ৰা বৰপুখুৰী পাৰত কিবা কিবি কাম কৰি আছিল। দূৰৰ পৰাই সিহঁতে প্ৰসেনক দেখি চিঞৰি চিঞৰি তাক স্বাগতম জনালে। প্ৰসেন গৈ বৰপুখুৰী পাৰ পাই লগৰ ল'ৰাহঁতৰ পৰীক্ষাৰ খা-খবৰ ল'লে। ৰঙালী বিহুত প্ৰথম বহাগৰ দিনাৰ পৰা দুদিনীয়াকৈ পাতিব লগা বিহু ফাংচনৰ খবৰো ল'লে। সি আহি বৰপুখুৰী পাৰত উপস্থিত হোৱাৰ লগে লগে বাকী ল'ৰাবোৰৰ উৎসাহ আৰু সাহস বাঢ়িল। কিছু সময় পিছত প্ৰসেনে ঘৰলৈ গ'ল। ঘৰত পিতাক ৰজত মেম্বৰ নাছিল। যোৱা কালিৰে পৰা উদং খাই দুৱনি বগী গাইজনী ঘৰলৈ অহা নাই। মাকৰ গাখীৰ খোৱা দামুৰি পোৱালিটোৱে কালিৰে পৰা গোহালিত হেম্বেলিয়াই আছে। প্ৰসেনে লৰালৰিকৈ কাপোৰ সলালে।

ঃ আই, মই নামবাৰী গাঁৱৰ নদী পাৰত থকা ৰিজাৰ্ভৰ পিনে গাইজনী আছে নেকি বিচাৰি যাওঁ— বুলি কৈ প্ৰসেনে সিহঁতৰ বাৰীপাছেৰে দৌৰ এটা মাৰি তৃষ্ণা নদীৰ পাৰৰ ৰিজাৰ্ভলৈ গ'ল। তাৰ হাবি-জঙ্ঘলৰ মাজত গাইজনী বিচাৰি হাবি চলাথ কৰিলে। শৈশৱৰে পৰা গৰু চৰোৱা প্ৰসেনে গৰুৰ মতি-গতিৰ বিষয়ে ভালকৈ জানে। কোন ঠাইলৈ উদঙৰ গৰুৱে ঘাঁহ খাবলৈ বেছিকৈ অহা-যোৱা কৰে, কোনটো গৰুৰ পিয়াহ লাগিছে, কোনজনী গাইগৰুৰ পোৱালিটোলৈ মনত পৰিছে সেইবোৰ কথা সি গৰু দেখিলেই কৈ দিব পাৰে। সি যেন আচলতে গৰু গাইৰ মন জনা এজন মনোবিজ্ঞানীহে। গাঁৱৰ মানুহেটো তাক গৰখীয়া বুলি উপাধি দি থৈছেই। সেই প্ৰসেনে আজি নিজৰ দুৱনি গাইজনী বিচাৰি হাবাথুৰি খাই ক্ষন্তেক তৃষ্ণা নৈৰ পাৰত বহিল। পশ্চিম আকাশত ইতিমধ্যে সূৰ্যটো এখন টিকটিকীয়া ৰঙা কাঁহীৰ ৰূপ লৈ অপৰূপ হৈ দেখা দিছে। সূৰ্যটোৰ সেই বিনন্দীয়া আৰু ৰহস্যময় ৰূপ চাই চাই প্ৰসেন হঠাৎ এখন কল্পলোকৰ বাসিন্দা হৈ পৰিল। তাৰ মন আৰু হৃদয়ত মুহূৰ্ততে গাইজনীৰ ঠাইত নৈৰঞ্জনাই পীৰা পাৰি বহি পৰিল। সিদিনা পুৱা আৰু তাৰ আগদিনা সি নৈৰঞ্জনা ওৰফে নীৰাক দেখিছিল। তাৰ মন আৰু হৃদয় সাগৰত তেতিয়াৰ পৰাই এক তুমুল ঢৌৱে খেলা কৰি আছে।

এতিয়া নৈৰ পাৰৰ নিবিড় নীৰৱতা আৰু সূৰ্যাস্তৰ অপৰূপ ৰূপৰ মাধুৰ্যই তাক তাৰ অলক্ষিতে নৈৰঞ্জনাৰ কাষলৈ লৈ গ'ল। বাঁহীৰ মাতে সাপক মন্ত্ৰমুগ্ধ কৰাৰ দৰে নৈৰঞ্জনাৰ কাষত সিও হৈ পৰিল মন্ত্ৰমুগ্ধ। হৈ পৰিল সি কোনোবা সপোনপুৰীৰ বাসিন্দা সিখন সপোনপুৰীত ৰজাৰ কুঁৱৰীৰ সাজেৰে এখোজ-দুখোজকৈ লাজুক লাজুক ভাৱ, আধাফুটা হাঁহি এটাৰে তাৰ ওচৰলৈ আহি আছে নৈৰঞ্জনা। আৰু প্ৰসেন, লাজ আৰু ভয়ত কিংকৰ্তব্যবিমূঢ় হৈ নখে মাটি লেখি তলমূৰ হৈ থিয় হৈ আছে কিবা এক সময়ৰ ক্ষণ গণি।

ঃ কোন, কোন এইটো, বুলি নৈখনৰ পাৰেৰে গৰু এটা খেদি লৈ গৈ থকা মানুহ এজনে ভয় খাই চিএৰি চিএৰি সুধিলে।

মানুহজনৰ চিএৰত থতমত খাই প্ৰসেন ঘপহকৰে থিয় হ'ল আৰু ক'লে— মই প্ৰসেন, কাকতল গাঁৱৰ প্ৰসেন।

তেতিয়া ৰঙা সূৰ্যটো পশ্চিম আকাশত নাছিল। এজাক আন্ধাৰে নৈৰ পাৰকে ধৰি সকলো ঠাই আন্ধাৰ কৰি তুলিছিল। সেই আন্ধাৰত তেনেকৈ কোনোবা এজন বহি থকা দেখি ভয় খাই চিএৰি মাতিছিল প্ৰসেনৰ পিতাক ৰজত মেম্বৰে।

ঃ প্ৰসেন, তই ইয়াত এনেকৈ— পিতাক ৰজত মেম্বৰে ততালিকে প্ৰসেনক গাত ধৰি ওচৰলৈ টানি আহি চক খালি নেকি বুলি সুধি গোটেই গাটোত থুৱাই থুৱাই তাৰ আৰু নিজৰ ভয় মাৰিলে।

প্ৰসেনে গাইজনী বিচাৰি তাঁলৈ অহা, আহি সূৰ্যাস্তৰ দৃশ্যটো চাই আপোনপাহৰা হোৱা আদি কথা পিতাকক ক'লে।

ঃ বল, বল, গাইজনী পালো পুণ্যপামৰ অধৰ দাসে তেওঁলোকৰ আহু ধানৰ পথাৰত ধান খোৱা বাবে ধৰি নি ঘৰত বান্ধি থৈছিল। অহাকালি খোৱাৰত দিয়াৰ কথা আছিল। মোক পাই ভালেই পালে। তেওঁ মোৰ বহুদিনৰ লগ। সখি বুলি মাতো মই। মোকো সখি বুলি মাতে।

প্ৰসেনে পিতাকৰ লগত গাইজনী খেদি খেদি নামবাৰী গাঁৱৰ মাজেৰে আহি কাকতল পালে। ইপিনে দামুৰিটোৰ চিএৰত গগন ফলা শব্দ তেওঁলোকে গাঁৱৰ মাজৰ পৰাই শুনিলে। প্ৰসেনে দামুৰিটোৰ বাবে দুখ প্ৰকাশ কৰি ঘৰ পাই তৎক্ষণাৎ দামুৰিটোৰ বান্ধ খুলি দি মাকৰ গাখীৰ খাবলৈ দিলে।

এন্ধাৰে কাকতল তেতিয়া সম্পূৰ্ণ গ্ৰাস কৰিছিল। প্ৰসেনৰ ভাগৰ লগাত সি বৰপুখুৰীৰ ফালে ফুৰিবলৈ নোযোৱাটো ঠিক কৰিলে। ভৰি-হাত-মুখ ধুই সি তাৰ এটা ৰুমটোত সোমাল। সিহঁতৰ ভঁৰাল ঘৰটোৰ এটা অংশত এটা সৰু ঘৰ আছে। সেইটোৱেই প্ৰসেনৰ থকা আৰু পঢ়া ৰুম। ৰুমটোত সোমাই প্ৰসেনে পৰীক্ষা দিবলৈ পেহীয়েকৰ

ঘৰলৈ যোৱাৰ আগতে ভঁৰালৰ ধানৰ মাজত লুকাই থৈ যোৱা হিতেশ ডেকাৰ 'আজিৰ মানুহ', 'এয়েতো জীৱন', মহম্মদ পীয়েৰৰ 'মৰহা পাপৰি', 'জীৱন নৈৰ জাঁজি', যোগেশ দাসৰ 'অবৈধ'— উপন্যাসকেইখন উলিয়াই আনিলে। প্ৰসেনহঁতৰ দৰে যৌৱনৰ দুৱাৰডলিত থিয় দিয়া ল'ৰাবিলাকে উপন্যাস পঢ়ি আমোদ আৰু তৃপ্তি পায় যদিও বয়সস্থসকলে উপন্যাস পঢ়িবলৈ নিদিয়ে। উপন্যাস পঢ়িলে ল'ৰা-ছোৱালী নষ্ট হয়, সেইটোৱে আছিল সেই সময়ৰ সমাজৰ ধাৰণা। সেইবাবে যিসকলে উপন্যাস পঢ়িবলৈ আকুল, সেইসকলে গোপনে উপন্যাস পঢ়ি তাক লুকাই থোৱাটো এক প্ৰকাৰ নিয়ম আছিল। এই বিষয়ত প্ৰসেনৰ দদায়েক যদুনন্দন আনতকৈ বেছি কাঢ়া আছিল। তেওঁ নিজেটো উপন্যাস নপঢ়েই আনকো পঢ়াত বাধা দিয়ে। যদুনন্দনৰ ভয়ত সেয়ে প্ৰসেনে ভঁৰাল ঘৰৰ ধানৰ মাজত, খেৰৰ পুঁজি আদিত লুকাই ৰাখি উপন্যাস পঢ়িব লগা হৈছিল। পঢ়িবও লাগিছিল গোপনে। আজি প্ৰসেনৰ উপন্যাস এখন পঢ়িবলৈ বৰ মন গৈছে। সি যোগেশ দাসৰ 'অবৈধ'খনকে হাতত লৈ শুই শুই পঢ়িবলৈ আৰম্ভ কৰিলে। উপন্যাসখন পঢ়ি থকা সময়ত তাৰ আকৌ নীৰালৈ মনত পৰিল। চকুহাল মুদি সি নীৰাৰ অবয়ব আৰু কথাবোৰ স্মৃতিপটৰ পৰা এটা এটা কৈ উলিয়াই ৰোমাঞ্চিত হৈ পৰিল।

ঃ প্ৰসেন, অ' প্ৰসেন ভাত হৈছে, বাঢ়িছো, আহ ভাত খাহি। পিতেৰ খাবলৈ বহিলেই- প্ৰসেনৰ মাকে পাকঘৰৰ পৰাই চিঞৰি প্ৰসেনক ভাত খাবলৈ মতাত প্ৰসেনৰ চিলমিল টোপনি ভাগিল। সি ঘপহকৈ বিছনাৰ পৰা উঠি ডাঙৰ ঘৰলৈ ভাত খাবলৈ গ'ল। ইতিমধ্যে তাৰ সৰু ভায়েক-ভনীয়েক আৰু পিতাকে ভাত খোৱা আৰম্ভ কৰিছিলেই। সিও লোটাটোৰ পানী অলপ চকুত মাৰি টোপনিৰ জাল ভাঙিলে আৰু ভাত খাবলৈ পীৰাত বহিল।

ৰঙালী বিহুলৈ আৰু মাত্ৰ পাঁচ দিনহে বাকী। কাকতল গাঁৱৰ শীতত লঠঙা হোৱা গছ-গছনিবোৰ কুঁহিপাতেৰে ভৰি পৰিছে। কুঁহিপাতৰ আৰ লৈ কুলি চৰাইবোৰে বসন্তৰ আগমনত উতলা হৈ কুঁ কুঁ মাতেৰে কাকতলৰ আকাশ-বতাহ মুখৰিত কৰি তুলিছে। কুলিৰ মাতে কাকতলৰ মানুহৰ মন-প্ৰাণত জগাই তুলিছে এক অজাগতিক আৰু আধিভৌতিক শিহৰণ। পথাৰত গৰু বিচাৰি ঘুৰি ফুৰা দুই-এক ল'ৰাই কিবা এক মিঠা, কিবা এক ভাললগা আকুলতাত অজানিতভাৱেই গাইছে—

"অ' কুলি কুউ কুউ কুউ বুলি
আকৌ এবাৰ মাত কুলি
আকৌ এবাৰ মাত,
নাকত যদি ধৰে লাজে
নাচাওঁ মই পাতৰ মাজে

ঢাকি থৈ ক'লা গাটি
লৈ কুঁহিপাত কুলি
আকৌ এবাৰ মাত কুলি
কুউ কুউ কুউ বুলি
আকৌ এবাৰ মাত।”.........

আৰু কাকতলৰ জীয়ৰী-বোৱাৰীহঁত– তেওঁলোকৰো আহৰি নাই। ৰঙালী বিহুক আদৰিবলৈ সকলো যা-যোগাৰৰ বাবে টাকুৰি ঘূৰা দি ঘূৰি কাম-বনত মগ্ন হৈ পৰিছে। সৰু ল'ৰাবোৰে গৰু গাইবোৰ ধুৱাবৰ বাবে গালেলিৰ বুকুত দীঘলতি পাত বিচাৰি খদমদম লগাইছে। লাউ, বেঙেনা আনি ঘৰত সযত্নে ৰাখিছে। ৰঙালী বিহু উপলক্ষে আনুষ্ঠানিক বিহু সন্মিলন কাকতলত পতা হোৱা নাই আগৰে পৰা। সাত বিহুৰ পিছতেই প্ৰতি বছৰে 'জনকপুৰ নবীন চন্দ্ৰ ছাত্ৰ সন্মিলন'ৰ বাৰ্ষিক অধিবেশনখন জনকপুৰ এম. ই. স্কুলত অনুষ্ঠিত হয়। তাৰ বাবে সমগ্ৰ জনকপুৰ অঞ্চলৰ ৰাজহুৱা কামত জড়িত যুৱকসকল ব্যস্ত হৈ পৰে। গাঁৱবোৰত বিহু স্বাভাৱিকভাৱে ঘৰে ঘৰে আনন্দেৰে পালন কৰা হয়। তাত আনুষ্ঠানিকতাৰ স্থান নাই। ডাঙৰ ডাঙৰ নগৰবোৰত অৱশ্যে ষ্টেজ সাজি, ডাঙৰ ডাঙৰ শিল্পী মাতি বিহু সন্মিলন পতা হয় ধুমধামেৰে।

সাত বিহুৰ তিনিদিন পিছত অৰ্থাৎ দহ বহাগ তাৰিখে জনকপুৰ নবীন ছাত্ৰ সন্মিলনৰ বাৰ্ষিক অধিৱেশন। জনকপুৰ হাইস্কুলৰ খেলপথাৰত আয়োজন কৰা অধিৱেশনখনলৈ ভালেকইজন বিশিষ্ট লোকক ইতিমধ্যে আমন্ত্ৰণ জনোৱা হৈছে। সন্মিলনৰ সভাপতি তিলেশ্বৰ শৰ্মা, সাধাৰণ সম্পাদক চাৰণদেৱ কলিতা, উপ-সভাপতি বিনন্দ দত্ত, বিশাল শৰ্মা, কৃষ্ণকিংকৰ হাঁলৈ, খগেন বড়ো আদিৰ উপৰিও বহু সংখ্যক বিভিন্ন কলেজত পঢ়া কলেজীয়া ছাত্ৰ অধিৱেশনখন সফলাৰে সম্পন্ন কৰাত ব্যস্ত। মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰা হৈছে। বিশিষ্ট সাহিত্যিক ত্ৰিলোক ৰঞ্জন গোস্বামী আৰু শশধৰ শৰ্মাক। ত্ৰিনাথ কলেজৰ অধ্যক্ষ শৈৱালকান্ত মেধিক আমন্ত্ৰণ জনাইছে বিশিষ্ট অতিথি হিচাপে। তদুপৰি স্থানীয় এচ. ডি. চি. স্থানীয় বি. ডি. অ'. আদি আছেই। অধিৱেশনত মুকলি সভাৰ উপৰিও হ'ব এখন সাংস্কৃতিক সন্মিলন সন্ধিয়া ৬ বজাত। তাৰ বাবেও প্ৰস্তুতি, ৰিহাৰ্চেল, গায়ক মতা আদি কামবোৰ কৰি আছে ৰমেশ শৰ্মা আৰু প্ৰসেনে। প্ৰসেন ছাত্ৰ সন্মিলনৰ সহকাৰী সম্পাদক লগতে সি সাংস্কৃতিক দিশটোও চোৱা-চিতা কৰে।

ছাত্ৰ সন্মিলনৰ বাৰ্ষিক অধিৱেশন উপলক্ষে ইতিমধ্যে খেল-ধেমালি, কবিতা, গল্প, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা আদি প্ৰতিযোগিতাবোৰ মূল অধিৱেশনৰ দুদিন আগৰে পৰা চলি থাকিল। খেল-ধেমালিৰ ভিতৰত হাই জাম্প, লং জাম্প, ধৰা

হাউ, পিলুখেল, এশ মিটাৰ দৌৰ, দুশ মিটাৰ দৌৰ, টেকেলি ভঙা, তেল গছত উঠা, ভাটা, কচুগুটি আদি। খেলৰ প্ৰতিযোগিতা 'ক' আৰু 'খ' নামৰ দুটা শাখাত সম্পন্ন হ'ল। ঠিক তেনেকৈ কবিতা, গল্প, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা 'ক' আৰু 'খ' শাখা নাম দি দুটা ভাগত বিভক্ত কৰা হ'ল। 'ক' শাখাত সপ্তম শ্ৰেণীলৈ আৰু 'খ' শাখাত অষ্টম শ্ৰেণীৰ পৰা কলেজ পৰ্যায়লৈ পঢ়া ল'ৰা-ছোৱালীক প্ৰতিযোগিতাৰ সুযোগ দিয়া হ'ল।

তদুপৰি সাংস্কৃতিক সন্ধিয়াৰ দিনা কাকতল গাঁৱৰ যুৱক কেইজনমানে লক্ষ্যধৰ চৌধুৰীৰ 'ৰক্ষ কুমাৰ' নাটকখনো ৰাতি ৯ বজাৰ পৰা অভিনীত কৰাৰ ব্যৱস্থা কৰা হ'ল।

এনে বিভিন্ন কাৰ্যসূচীৰে আয়োজন কৰা 'জনকপুৰ নবীন ছাত্ৰ সন্মিলন'ৰ অধিবেশনত দুদিনীয়া কাৰ্যসূচীৰে জনকপুৰ হাইস্কুল খেলপথাৰত আৰম্ভ হ'ল। গোটেই জনকপুৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ মাজত উদুলি-মুদুলি ভাব। বিভিন্ন বিষয়ৰ প্ৰতিযোগিতা সুসম্পন্ন হ'ল। ১১ ব'হাগ তাৰিখে দুপৰীয়া ২ বজাৰ পৰা মুকলি সভা। নিমন্ত্ৰিত অতিথিসকল ইতিমধ্য আহি পালে। দুই বজাৰ ঠাইত প্ৰায় ৩ মান বজাত মুকলি সভা আৰম্ভ হ'ল।

ৰমেশ শৰ্মা আৰু প্ৰসেনজিৎ কলিতাৰ যুটীয়া পৰিচালনাত প্ৰস্তুত কৰা আৰম্ভণি গানটো ষ্টেজৰ ক'লা আৰ কাপোৰখন টানি দিয়াৰ লগে লগে আৰম্ভ হ'ল। ৰমেশ শৰ্মাই হাৰমনিয়াম আৰু প্ৰসেনজিতে তবলা সঙ্গত কৰি অম্বিকাগিৰি ৰায়চৌধুৰী ৰচিত গীত এটাৰে আৰম্ভ কৰিলে মুকলি সভাখন।

"শুনিবি, ভাই দেশৰ কথা কও,
বুকু ভৰা মোৰ বেথাৰ বোজা নমাই পাতল হও
একাল অগনি সৌ জ্বলে তোৰ আকাশ পাতাল ছানি
নৈ নলাবোৰ গ'ল যে শুকাই নাই অকণো পানী।
এ— খেতি পথাৰ হৈ পৰিল তোৰ শুকান শিল গুৰি
পথাৰ ভৰা জীপখনি তোৰ গ'ল যে তেনেই পুৰি।।
এ— ঘৰ-বাৰী তোৰ পোহৰ কৰি সোণৰ ভঁৰাল জ্বলে
তইতো নাপাব কণা এটি লুটে দলে দলে।।
এ— তোৰ চোতালত আনে তোলে কিমান চমকনি
এই দেখো হায় ঘৰৰ চুকত আছ প্ৰমাদ গণি।।
এ— আমাৰ সূৰুয ঢাকি পৰে ক'লা মেঘৰ ছায়া
দেশময় তোৰ গোটমৰা হায়, চেতনাহীন কায়া।।"..........

উপস্থিত ৰাইজে জাউৰিয়ে জাউৰিয়ে হাত চাপৰি মাৰি আৰম্ভণী গীতটোৰ

প্ৰতি থকা সৌহাৰ্দ্যতা প্ৰকাশ কৰিলে। তাৰ পাছতে সভাৰ অতিথিসকলক সম্বৰ্ধনা জনোৱা, সম্পাদকীয় প্ৰতিবেদন পাঠ কৰা আদি নৈমিত্তিক কাম মোৰ শেষ হোৱাত মুকলি সভাৰ সভাপতি তিলেশ্বৰ শৰ্মাই মুখ্য অতিথিক ভাষণ দিবলৈ আহ্বান জনালে। মুখ্য অতিথি ত্ৰিলোক ৰঞ্জন গোস্বামী এজন অসমৰ প্ৰথিতযশা সাহিত্যিক আৰু শিক্ষাবিদ। তেওঁৰ ভাষণ শুনিবলৈ জনকপুৰ অঞ্চলৰে নহয় জনকপুৰ অঞ্চলৰ কাষৰ-পাজৰৰ অঞ্চলৰ লোকো আজি সভাত ঠাহ খাই পৰিছে।

স্বাভাৱিক গাম্ভীৰ্যতা আৰু তিৰ্যক ধেমেলীয়া ভাষাৰে শ্ৰীগোস্বামীয়ে তেখেতৰ ভাষণ আৰম্ভ কৰিলে। ভাষণত তেখেতে বিশেষকৈ অসমৰ স্বাধীনতা আন্দোলনকে ধৰি স্বাধীনতাৰ পিছতো অসমৰ ছাত্ৰ সমাজে অসমৰ অৰ্থনৈতিক, ৰাজনৈতিক, ভাষিক আৰু সাংস্কৃতিক সুৰক্ষা আৰু উন্নয়নৰ দিশত লোৱা অভিনৱ ভূমিকাৰ কথা বিশেষভাৱে উল্লেখ কৰে। তেখেতে ক'লে— "আধুনিক শিক্ষা ব্ৰিটিছসকলে অসম দখল কৰাৰ পাছত অসমত ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত বহু পলমকৈ আৰম্ভ হৈছে। তাৰ কাৰণো আছে। ব্ৰিটিছসকলে একেবাৰে শেষতহে স্বাধীন অসমক বৃটিছ ভাৰতৰ অন্তৰ্ভুক্ত কৰিব পাৰিছিল ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে। এই বৃটিছসকলক খেদি ভাৰতৰ হেৰোৱা স্বাধীনতা পুনৰ উদ্ধাৰৰ বাবে দেশত সংঘটিত হোৱা ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ বহু আগতে অৰ্থাৎ ১৮২৮-২৯ চনতে ব্ৰিটিছক খেদিবলৈ অসমৰ যুৱক গোমধৰ কোঁৱৰ, পিয়লি ফুকন, জীউৰাম দুলীয়া বৰুৱা, ৰূপচান্দ কোঁৱৰ আদিয়ে কৰা বিদ্ৰোহতে অংকুৰিত হৈছিল প্ৰকৃততে ভাতৰ স্বাধীনতা আন্দোলনৰ বীজ। সেই কথা ভাৰত বুৰঞ্জীত উপেক্ষিত হৈয়ে ৰ'ল। মই আগতেই কৈছো যে আধুনিক শিক্ষা অসমত ভাৰতৰ আন আন ঠাইতকৈ বহুত পিছত আৰম্ভ হৈছিল। ১৮২৯ চনত প্ৰথমখন প্ৰাইমাৰী স্কুল স্থাপনেৰে অসমত শিক্ষাৰ শুভাৰম্ভ হৈছিল যদিও ১৮৩৫ চনলৈ অসমত কোনো হাইস্কুল নাছিল। ১৮৩৫ চনৰ ২৭ মে' তাৰিখে 'গুৱাহাটী চেমেনাৰী' নামৰ হাইস্কুল এখন স্থাপন কৰি অসমত হাইস্কুলীয়া শিক্ষা আৰম্ভ কৰা হয় ৫৮ জন ছাত্ৰৰে। ১৮৪১ চনত অসমৰ দ্বিতীয়খন হাইস্কুল আৰম্ভ হয় শিৱসাগৰত। এই 'গুৱাহাটী চেমিনাৰী'তেই এফ. এ. শ্ৰেণীও খোলা হৈছিল— এবছৰমানৰ বাবে। হাইস্কুলীয়া শিক্ষা পোৱা অসমৰ ছাত্ৰসকলৰ কিছুমানে কলিকতালৈ ঢাপলি মেলিছিল কলেজীয়া শিক্ষাৰ বাবে। এই ছাত্ৰসকলৰ ভিতৰতে মাণিক চন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা, ৰাধিকাৰাম ঢেকীয়াল ফুকন, গঙ্গা গোবিন্দ ফুকন আদিয়ে ১৮৭১ চনত কলিকতাত গঢ়ি তুলিছিল 'অসমীয়া ছাত্ৰৰ সাহিত্য সভা' নামৰ সংগঠনটো। এইসকলৰ জৰিয়তে অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰথম স্মাৰকপত্ৰ এখন দিছিল ১৮৭২ চনৰ ২১ মে' তাৰিখে। এনেকৈয়ে আৰম্ভ হৈছিল অসমৰ ছাত্ৰই অসমৰ অৰ্থনৈতিক, যাতায়াত আদি উন্নয়নৰ

বাবে লোৱা ভূমিকা। তাৰ পাছতেই উচ্চ শিক্ষা লাভৰ বাবে কলিকতাত পঢ়ি থকা কিছুমান ছাত্ৰই ১৮৮৮ চনৰ ২৫ আগষ্টৰ দিনা কলিকতাৰ মীৰ্জাৰপুৰ পথত থকা 'অসমীয়া ছাত্ৰৰ মেছ'টোত অসমীয়া ভাষা উন্নতি সাধিনী সভা চমুকৈ অঃ ভাঃ উঃ সাঃ নামেৰে এখন সভা গঠন কৰিছিল। সভাৰ মূল উদ্যোক্তাসকলৰ ভিতৰত ৰজনীকান্ত বৰদলৈ, বিনন্দচন্দ্ৰ ফুকন, হেমচন্দ্ৰ গোস্বামী, দ্বাৰিকেশ্বৰ শৰ্মা, তীৰ্থনাথ কাকতি, লক্ষীপ্ৰসাদ বৰুৱা, হৰকান্ত চৌধুৰী, লক্ষ্মীনাথ বেজবৰুৱা ঘনশ্যাম বৰুৱা আদি উল্লেখযোগ্য। উক্ত সভায়ে ১৮৮৯ চনৰ ১৩ জানুৱাৰীত 'জোনাকী' আলোচনী প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ উন্নতিত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে।"

শ্ৰীগোস্বামীয়ে কয়— "১৯০১ চন গুৱাহাটীত অসমৰ প্ৰথমখন কলেজ 'কটন কলেজ' স্থাপন হোৱাৰ লগে লগে অসমৰ ছাত্ৰ সমাজৰ মাজত অসমৰ প্ৰতি পালন কৰিব লগা দায়বদ্ধতা বৃদ্ধি হ'ল। ইতিমধ্যে অসমকে ধৰি দেশত স্বাধীনতা আন্দোলনৰ বা বলিছিল। বঙ্গ-ভঙ্গ আন্দোলনক কেন্দ্ৰ কৰি ভাৰতৰ আন আন কেবাখনো ঠাইৰ দৰে তেতিয়াৰ ছাত্ৰ অম্বিকাগিৰি ৰায়চৌধুৰীয়ে অসমৰ পৰা ব্ৰিটিছক উচ্ছেদ কৰিবলৈ অসমক পূৰ্ববঙ্গৰ লগত চামিল কৰাৰ বিৰুদ্ধে 'এনাৰ্কিষ্ট দল' এটা গঠন কৰিছিল। এই ক্ষেত্ৰত অম্বিকাগিৰি ৰায়চৌধুৰীৰ লগত বিষ্ণুৰাম মেধি, ত্ৰিগুণা বৰুৱা, ৰক্তিম বৰাৰ লগতে আন আন কেইজনমান ছাত্ৰ জড়িত আছিল। সেয়া আছিল ১৯০৫-০৬ চনৰ কথা। তাৰ পাছতে ১৯১৬ চনত 'অসম ছাত্ৰ সন্মিলন' গঠন কৰা হয় চন্দ্ৰনাথ শৰ্মা, জ্ঞানদা বৰা, সৰ্বেশ্বৰ শৰ্মা কটকী, সোনাপতি দেৱ শৰ্মা, ধীৰেশ্বৰ ভট্টাচাৰ্য, ক্ষেত্ৰধৰ বৰগোহাঞি, পদ্মধৰ চলিহা, হেৰাছতউল্লা আৰু দৈবচন্দ্ৰ তালুকদাৰ আদি ছাত্ৰসকলৰ প্ৰচেষ্টাত। তদুপৰি ১৯১৬ চনৰে ২৫ ডিচেম্বৰৰ দিনা 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন' এখনো গঠন হৈছিল। ইয়াৰ উপৰিও বিভিন্ন ৰাজনৈতিক দলৰ পৃষ্ঠপোষকতাত বিভিন্ন ছাত্ৰ সংগঠন গঢ়ি উঠিছিল। গুৱাহাটীত প্ৰগ্ৰেছিভ ছাত্ৰ ইউনিয়ন গঠন কৰিছিল শ্ৰীমান প্ৰফুল্ল গোস্বামী প্ৰমুখ্যে কিছুমান ছাত্ৰই ৰাজনৈতিক আদৰ্শ আগত ৰাখি।

গতিকে দেখা যায় যে স্বাধীনতা আন্দোলনৰ বহু আগৰে পৰাই অসমৰ ছাত্ৰসকলে অসমৰ অৰ্থনৈতিক, ভাষিক, সাংস্কৃতিক কাঠামো শক্তিশালী কৰি তোলাৰ লগতে ভাৰতৰ স্বাধীনতা আন্দোলনতো সক্ৰিয় ভূমিকা লৈ ব্ৰিটিছৰ শাসনৰ বিৰুদ্ধে অবিৰতভাৱে কাম কৰি অসমৰ ছাত্ৰ ইতিহাস উজ্জ্বল কৰি থৈছে।

শ্ৰীগোস্বামীয়ে আৰু কয়— "স্বাধীনতাৰ পছতো অসমৰ খাৰুৱা তেলেৰে অসমত তেল শোধানাগাৰ স্থাপন কৰা, অসমীয়া ভাষাক অসমৰ ৰাজ্য ভাষা হিচাপে চৰকাৰী সিদ্ধান্ত গ্ৰহণ কৰা, অসমৰ থলুৱা ৰাইজৰ আৰ্থ-সামাজিক, ৰাজনৈতিক, ভাষিক আৰু সাংস্কৃতিক অস্তিত্ব সুৰক্ষা কৰা আদিৰ বাবে অসমৰ ছাত্ৰ সমাজে লৈ অহা আৰু লৈ

থকা ভূমিকা অসমৰ বাবে গৌৰৱৰ বিষয়। ১৯৬৭ চনৰ ৮ জুন তাৰিখে তেজপুৰৰ দৰং কলেজত সকলো সৰু বৰ ছাত্ৰ সংগঠন মিলি গঠন কৰা 'সদৌ অসম ছাত্ৰ সন্থা'ই আজিও জাগ্ৰত প্ৰহৰীৰ দৰে অসমৰ বাবে অগ্ৰদূত হৈ কাম কৰি আছে।

শ্ৰীগোস্বামীয়ে সামৰণিত কয়—"গতিকে জনকপুৰ নবীন ছাত্ৰ সন্মিলনেও মই জনাত জনকপুৰ অঞ্চলৰ শিক্ষা-দীক্ষা, যাতায়ত আদি উন্নয়নৰ ক্ষেত্ৰত সবল ভূমিকা গ্ৰহণ কৰি আহিছে, ভবিষ্যতেও এনে সবল ভূমিকা গ্ৰহণ কৰি থাকিব বুলি আশা কৰিলো।

শ্ৰীগোস্বামীৰ পাছত আন দুজন বিশষ্ট অতিথি বিশিষ্ট লেখক শশধৰ শৰ্মা আৰু শিক্ষাবিদ শৈবাল কান্তি মেধিয়ে অসমৰ সাম্প্ৰতিক শিক্ষা ব্যৱস্থা, ইয়াৰ দোষ-ত্ৰুটী আৰু ছাত্ৰ সম্পৰ্কে ল'বলগীয়া ভূমিকাৰ বিষয়ে চমু ভাষণ দি সমবেত ৰাইজক আপ্লুত কৰিলে। মুখ্য অতিথিসকলৰ ভাষণৰ পাছত প্ৰায় ৬ বজাত মুকলি সভা শেষ হ'ল। সভা শেষ হোৱাৰ আগে আগে খেল-ধেমালি প্ৰতিযোগিতা, গল্প, কবিতা, ৰচনা প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা আদিৰ বঁটা বিতৰণ কৰা পৰ্বটোও শেষ কৰিলে।

সন্ধিয়া ৬-৩০ বজাৰ লগে লগে সাংস্কৃতিক সন্ধিয়া আৰম্ভ হ'ব বুলি মাইকত ঘোষণা দিয়া হ'ল।

অধিৱেশনখনত প্ৰসেনৰ ব্যস্ততা আছিল সৰ্বাধিক। সন্মিলনৰ আন আন বিষয়ববীয়া সকলে যেন প্ৰসেনক দায়িত্বটো দিলেহে কামটো ঠিক মতে হয় এনে এটা ধাৰণা। প্ৰসেনেও পৰম নিষ্ঠা আৰু আন্তৰিকতাৰে কামবোৰ কৰি গৈছে। তদুপৰি কামবোৰ কৰাত সি এক বিশেষ ভাল লগা আৰু বিশেষ অনুপ্ৰেৰণাও পাই থাকিল সভাথলীত। সভাথলীত উপস্থিত আছিল তাৰ বায়েক ৰহিলা আৰু ভনীয়েক ৰুমাৰ লগত নৈৰঞ্জনা মানে নীৰা। তেওঁলোকেও সন্মিলনৰ অধিৱেশন চাবলৈ পুৱাতেই প্ৰসেনহঁতৰ ঘৰলৈ আহিছিল। বিশেষ ব্যস্ততাৰ বাবে প্ৰসেনে পুৱাৰ পৰ ঘৰলৈ যাবই পৰা নাছিল। দুপৰীয়া একমান বজাত দৌৰা দৌৰিকৈ ঘৰলৈ গৈ কোনো মতে কেইটামান ভাত নাকে-মুখে সোমাই— "বাই তহঁত ঠিক দুই বজা মানত পোৱাকৈ সভাথলীলৈ যাবি। মই বহাৰ ব্যৱস্থা কৰি থম বুলি- বায়েক ৰহিলাক ক'বলৈ প্ৰসেনে নাপাহৰিছিল, নাপাহৰিছিল অসীম ব্যস্ততাৰ মাজতো বায়েকে ৰহিলাৰ কাষতে বহি থকা নীৰাৰ নীলাভ চকুযুৰি আৰু স্নিগ্ধ জোনৰ দৰে মুখখনলৈ চাবলৈ। সতৃষ্ণ নয়নে প্ৰসেনে সাউৎকৰে এবাৰ নীৰাৰ চকুলৈ চাই গ'ল। চাই প্ৰসেনে মুখেৰে একো নোকোৱাকৈয়ে যেন বহুত কথা কৈ গ'ল এনে লাগিল নীৰাৰ- আৰু প্ৰসেন সিও নীৰাৰ ক্ষন্তেক চাৱনিত শুনি আহিল স্বাক্ষৰ ভাষাৰ এটা ছন্দোময় গীত।

প্ৰসেনে চাইকেলেৰে আহি অধিৱেশনৰ মুকলি সভাৰ প্ৰস্তুতি চলাই থকাৰ কিছু

সময় পিছতে সিহঁতৰ ঘৰৰ আন কেইজনীমান ছোৱালীৰ লগতে ৰহিলা, ৰুমা আৰু নীৰা আহি জনকপুৰ হাইস্কুলত আয়োজন কৰা অধিৱেশনথলী পালে। প্ৰসেনে হৰিণ নামৰ ল'ৰা এজনক ৰহিলাহঁতক ক'ত বহুৱাব তাক কানে কানে কৈ পঠালে। হৰিণে গৈ ৰহিলাহঁতক বহিবলৈ মাজভাগত সুন্দৰকৈ সজাই থোৱা চকী কেইখনমান দেখুৱাই দিলে। ৰহিলা, ৰুমা আৰু নীৰাহঁত পৰম সন্তুষ্টি আৰু সন্তোষেৰে সভাত বহিল। অৱশ্যে মাজে মাজে ইটো-সিটো কামৰ অজুহাতত প্ৰসেনে লুকাই-চুৰকৈ ষ্টেজৰ পিছপিন পৰা নীৰাক চোৱাতো ৰহিলা বায়েকে দেখি হাঁহিলে আৰু আঙুলি টোঁৱাই নীৰাক প্ৰসেনক দেখুৱালে। প্ৰসেনে কথাটো বুজি পাই লাজ পালে। তেতিয়া প্ৰায় চাৰে ছয়টা বাজো বাজো। সাংস্কৃতিক সন্ধিয়া আৰম্ভৰ সংকেত ধ্বনি মঞ্চত বাজি উঠিল। সভাথলীত বিৰদি বাট নোপোৱা ভিৰ। মঞ্চৰ আঁৰ কাপোৰ উঠাৰ লগে লগে সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধক প্ৰবীণ নাট্য শিল্পী যদুপতি শৰ্মা মঞ্চত উপবিষ্ট হ'ল। লগত প্ৰসেনজিত কলিতা ওৰফে প্ৰসেন। তেওঁক প্ৰসেনে এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনালে। তাৰ পাছতে যদুপতি শৰ্মাই উদ্বোধনী ভাষণ আৰম্ভ কৰিলে। সভাত কাঁহপৰি জিন যোৱা অৱস্থা। সকলোৱে নিবিষ্টমনে আৰু একাগ্ৰচিত্তে এই জীৱন শিল্পী, কিংবদন্তি স্বৰূপ অভিনেতাগৰাকীক দেখি আৰু তেওঁৰ গলগলীয়া মাত শুনি হৰষিত হৈ পৰিল।

ঃ শৈশৱৰ পৰাই জীৱনজুৰি অভিনয় কৰিলো লঘোণীয়া পেটেৰে। ৰাইজৰ অশেষ মৰম পালো, চেনেহ পালো, নাপালো দুবেলা দুমুঠি পেট ভৰাই খাবলৈ ভাত। সমূহৰ বাবে গান পাৰ্টি কৰি হাজাৰ-বিজাৰ লোকক সুখ আৰু আনন্দ দিলো মঞ্চত উঠি। অথচ মঞ্চৰ আঁৰত পৰিয়ালৰ ভাতমুঠিৰ বাবে চকুপানী টুকি জীৱন পাত কৰিলো। গোটেই নিশা ৰজা হৈ ৰাজদণ্ডৰে মঞ্চ কঁপাই পুৱতি নিশা শুই পৰো কাৰোবাৰ গোহালি ঘৰ বা খেৰৰ পুঁজিত। তথাপিও মানুহে আমাক শিল্পী বুলি মাতে- নাট্যশিল্পী। অভিনেতা বুলি কয়— কয় যদুপতি ওস্তাদ বুলি। তাতেই গা-মন জুৰ পৰে, কিবা এক সুখে মন-প্ৰাণ হৰি নিয়ে। আজি আপোনালোকে এই সন্মান দিছে, জীৱনত এনে সন্মান আজিয়েই পালো। লঘোণীয়া পেটৰ জুইকুৰা ই যেন আজি জীৱন জেউতি হৈ অলপ সুখ দিলে। ৰাইজ, ভালে-বেয়াই কেইষাৰমান কথা ক'লো। আনে লেখা বচন পঢ়োতে গ'ল। নিজে বচন সাজি ক'ব পৰা শকতি নাই। 'কিবা দোষ লগা কথা যদি মুখেৰে ওলাল নিজ গুণে ক্ষমাহে কৰিব' বুলি যদুপতি শৰ্মাই ৰাইজক নমস্কাৰ দি তেওঁৰ ভাষণ শেষ কৰিলে।

ঃ ৰব জেঠা। এতিয়া আপুনি সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰা হ'ল বুলি কওঁক-- বুলি প্ৰসেনে কোৱাত যদুপতি শৰ্মাই 'উদ্বোধন কৰা হ'ল' বুলি কৈ মঞ্চৰ পৰা বিদায় ললে। ল'গে লগে মঞ্চত আঁৰ কাপোৰ পৰিল। ঘোষকে যদুপতি শৰ্মাৰ সাধাৰণ পৰিচয় এটা মাইকত দাঙি ধৰি ক'লে— জীৱনৰ এনে মৰ্মন্তুদ বেথা আৰু বেদনাৰে জীৱন

যুঁজত লাগি থকা হাজাৰ-বিজাৰ শিল্পী অসমৰ গাঁৱে-ভূঞে অনাদৃত আৰু অৱহেলিত হৈ আমাৰ অভিনয় জগতখন আজিও জিলিকাই আছে। যাত্ৰাপাৰ্টি বা গান পাৰ্টিৰ এই অনাদৃত শিল্পীসকলৰ ভাত মুঠিৰ দায়িত্ব আমি ৰাইজে ল'ব নোৱাৰো নে?

বিভিন্ন গীত-মাত্, দুই-এখন একাঙ্কিকা নাটক পৰিৱেশনেৰে ৰাতি প্ৰায় দহ বজাত সাংস্কৃতিক সন্ধিয়াৰ সামৰণি পৰিল। সাংস্কৃতিক সন্ধিয়া শেষ হোৱাৰ আগে আগে জয়ন্ত বড়োৱে বড়ো গীত এটা গাই ৰাইজক আপ্লুত কৰিলে। তেওঁ গালে—

"স্বান্‌জা সৌনাব খৌলাহা সাহা
সৌৰ গিদিং বে গৌথাং গাবনি
মা এচে চময়না বে জৌংনি জৌনৌমফুৰী।
দৈমা দৈচানি বৌহৈথি জৌং
বুলুং বুথুৰ দিনৈ গৌহৌ বৌলৌনি
জৌং বেনি নেশ্বৌন
উন্দৈ উন্দৈ ৰাও হাৰিজৌং
খৌচেনি জৌংনি জৌনৌমফুৰি
মা......
কাৰ্বি, লালুং, তিৱা, সোনোৱাল
কচাৰী, বড়ো, ৰাভা—
জৌংবয়বৌ জনজাতি
গ্ৰিব গ্ৰিব দাও গানানৈ
জৌং .দাদৌনি ফৈ
বেবৌ খৌচেনি কৃষ্টি
মা......"

ৰাতি প্ৰায় এঘাৰমান বজাত অঞ্চলটোৰ যুৱকসকলে 'ৰক্ষকুমাৰ' নামৰ প্ৰথিতযশা নাট্যকাৰ লক্ষ্যধৰ চৌধুৰীৰ নাটকখন মঞ্চস্থ কৰিলে। ৰক্ষ কুমাৰৰ ভাওত অভিনয় কৰিলে প্ৰসেনে। ৰঘু মাষ্টৰে ৰাম আৰু অনন্ত লহকৰে লক্ষ্মণৰ অভিনয় কৰিলে। নাৰী চৰিত্ৰসমূহো পুৰুষেই ৰূপায়ণ কৰিলে। সেই সময়ত ছোৱালীয়ে মঞ্চত অভিনয় কৰা একপ্ৰকাৰ নিষিদ্ধ আছিল বুলি ক'ব পাৰি। নাটক চাবলৈ বহু দূৰ-দূৰণিৰ লোক আহি জনকপুৰ হাইস্কুলৰ খেল পথাৰ ভৰি পৰিল।

মাজতে প্ৰসেনৰ খুৰাকৰ ল'ৰা জীৱনে প্ৰসেনক গ্ৰীনৰূমত লগ ধৰি বায়েক ৰহিলা, ভনীয়েক ৰুমা আৰু তেওঁলোকৰ লগত থকা নীৰাহঁতে নাটক চাইহে ঘৰলৈ যাব বুলি প্ৰসেনক জনাই আহিল।

ঃ তেওঁলোকে কিবা চাহ-তাহ খাইছে নে নাই জীৱন? হ মোৰ লগত এই দুটকা আছে। তই তেওঁলোকক এখন চাহ দোকানত চাহ খুৱাই আনিবি। দুপৰীয়াৰ পৰাই তেওঁলোক আছে। বৰ কষ্ট হৈছে বোধহয়"- বুলি প্ৰসেনে তাৰ জেপৰ পৰা দুটকীয়া নোট এখন দি জীৱনক ৰহিলা বায়েকহঁতক চাহ খুৱাবলৈ ক'লে।

পুৱা ৰাতি তিনিটামান বজাত নাটক শেষ হ'ল। প্ৰসেনে তাৰাতাৰি মেকআপবোৰ ধুই ঘৰলৈ যাবলৈ ওলাল। সন্মিলনৰ কৰ্মকৰ্তাসকলে তাতেই ভাতৰ ব্যৱস্থা কৰিছিল। কিছুমানে তাতেই ভাত খাই স্ফুৰ্তি-ধেমালি কৰি বাকী থকা ৰাতিখিনি শেষ কৰিলে। প্ৰসেনে বায়েক ৰহিলা, ভনীয়েক ৰুমা, নিভা আৰু জীৱন আদিৰ লগত ঘৰলৈ গ'ল। লগত থাকিল নীৰাও। ৰহিলাহঁত কিছু আগত। পিছে পিছে নীৰা আৰু প্ৰসেন। সিহঁত দুটাই ইচ্ছা কৰিয়েই যে খোজ ঢিলাই দি বায়েকহঁতকৈ কিছু পিছ পৰিছে সেই কথা বায়েকহঁতে নুবুজাকৈ নাথাকিল।

ঃ আপোনাৰ অভিনয় বৰ ভাল লাগিল। ইমান সুন্দৰকৈ ডায়লগবোৰ মুখস্থ কৰিছে, আমি আচৰিত হৈছিলো। দেখাত পুৱা ৰাজকুমাৰ হেন লগা হৈছিল আপোনাক-খোজ কাঢ়ি গৈ থকা নৈৰঞ্জনাই প্ৰসেনক উদ্দেশ্যি কথাখিনি ক'লে।

ঃ নাই,— ইমান ব্যস্ততাত থাকি নাটকত পাৰ্ট কোৱাটো বৰ টান। তথাপি এজন হ'লেও যে ভালপোৱা দৰ্শক আছে তাক শুনি ভাল লাগিল— প্ৰসেনে ক'লে।

ঃ নীৰা আজি তোমালোক নাযাবা। কাইলৈ মইও ত্ৰিনাথ নগৰলৈ যাম। তোমালোকক ময়ে ঘৰলৈ লৈ যাব পাৰিম।

ঃ নাই, নাই, আজি নগ'লে আয়ে বকিব। স্কুলো খুলিছে। ক্লাছ খতি কৰিলে আমাৰ পিতাই বৰ বেয়া পায়।

ঃ মাত্ৰ এটা দিনহে। আজিৰ দিনটো মই অধিৱেশনৰ ভাড়াত অনা বস্তুবোৰ দিওতে মেলোতে যাব। বৰ ব্যস্ত হৈ থাকিম। অহাকালি ফ্ৰি। আমি একেলগে তোমালোকৰ ঘৰলৈ যাম।

ঃ কি অ প্ৰসেন তহঁত দুটাই পিছ পৰি ফুচ-ফাচ কৈ কি কথা পাতিছ আমাকো ভাগ দে— বুলি বায়েক ৰহিলাই প্ৰসেন আৰু নীৰাক কটাক্ষ কৰি কথাখিনি কৈ সিহঁতৰ ওচৰ পালে।

ঃ তহঁত ভালকৈয়ে মজিলি যেন পাওঁ— বুলি ৰহিলাই মিচিকাই হাঁহি এটা মাৰি নীৰাক লাহেকৈ ঠেলা এটা মাৰি দিলে।

এনেকৈ কথা পাতি কিছু সময় পাছত সিহঁতে কাকতল পালে। ইতিমধ্যে পোহৰ হও হও হৈছে। সিহঁতে গৈ প্ৰসেনহঁতৰ ঘৰ পালে। ঘৰৰ আন আন লোকসকলেও গৈ ঘৰ পালে। ৰহিলা আৰু নীৰাই প্ৰসেনহঁতৰ মজিয়াত থকা বিছনাখনতে ভৰি-হাত ধুই

শুই পৰিল। ৰুমা, নিভাই জীৱনহঁতৰ ঘৰত শুলে।

ৰাতিপুৱা ৭ বজাতেই প্ৰসেনে জনকপুৰ হাইস্কুললৈ গ'ল। অধিৱেশনত ভাড়া কৰি অনা বস্তু-বাহানিবোৰ ইহাত-সিহাত কৰিব পাৰে বুলি ভাবি তাৰ ভাল টোপনি নাহিল। ইতিমধ্যে বাকীথকা ৰাতিখিনি তাত অতিবাহিত কৰা প্ৰমোদ, হৰেন্দ্ৰ, সুধন, দিনেশহঁত স্কুলৰে বেঞ্চত শুই গভীৰ নিদ্ৰাত মগ্ন হৈ থকা দেখি প্ৰসেনৰ ভয় লাগিল। সি মঞ্চকে ধৰি চাৰিওপিনে ভাড়াৰ বস্তুবোৰ ঠিকেই আছেনে চালে। ঠিকেই আছে দেখি তাৰ মুখত পানী আহিল। কিছু সময়ৰ বাবে সিও এখন বেঞ্চত অলপ শুলে। ৯ মান বজাত সন্মিলনৰ সভাপতি তিলেশ্বৰ শৰ্মা আহি সিহঁত আটাইকে টোপনিৰ পৰা জোগালে। ইতিমধ্যে বস্তুবোৰ নিবলৈ দুখন ম'হৰ গাড়ী আহিল আগতে বন্দৱস্ত কৰি থোৱা মতে। আটায়ে মিলি মঞ্চ আৰু সভা ঘৰত থকা বস্তুবোৰ ম'হৰ গাড়ী দুখনত বজাই দিলে। তিলেশ্বৰ শৰ্মাই গাৰোৱান দুজনক "তোমালোক আহি থাকা মই চাইকেলত গৈ লক্ষ্য মহাজনৰ দোকানতে থাকিম। বস্তুবোৰ দোকানত চমজাই দি তোমালোককে ভাড়া দিম"- বুলি কৈ তিলেশ্বৰ শৰ্মা চাইকেলত উঠি ত্ৰিনাথ নগৰলৈ গ'ল। ভাড়া কৰি অনা সকলো বস্তু ম'হৰ গাড়ী দুখনত বজাই কৰি দি প্ৰসেনহঁতে ম'হৰ গাড়ী দুখনো ত্ৰিনাথ নগৰলৈ পঠাই দিলে। প্ৰসেন, প্ৰমোদ, হৰেন্দ্ৰ, সুধন, দিনেশহঁতেও স্বস্তিৰ নিশ্বাস পেলাই ঘৰাঘৰি গ'ল। তেতিয়া দিনৰ প্ৰায় ১২টা মান বাজিছিল।

প্ৰসেনে অকলে খোজকাঢ়ি গাঁৱলৈ আহি গাঁৱৰ মাজ পালে।

ঃ প্ৰসেন নেকি অ', ৰাস্তাৰ কাষতে থকা নিজৰ বাৰীৰ বাঁহনি ডৰাৰ পৰা মাত দিলে গণেশ্বৰ ডেকাই।

ঃ হয়, দাদা মই প্ৰসেন।

ঃ কেইদিনমান থাকিবি ঘৰত?

ঃ পৰীক্ষাৰ 'ৰিজাল্ট' জুন মাহৰ শেষতহে দিব। ৰিজাল্ট বা কি হয়!

ঃ ৰিজাল্ট তোৰ ভালেই হ'ব দে।

ঃ তথাপি জুনৰ মাহটো আছো দাদা। পিছে কিয় সুধিলি? প্ৰসেনে ক'লে।

ঃ আমাৰ দেৱীয়ে বোলে ইংৰাজীৰ কিতাপখন ভালকৈ বুজা নাই। টান পাইছে। তই অলপ চাই দিয়াৰ কথা কৈছে তাই। তোৰ বা আৰু সময় হয় নে নহয়— গণেশ্বৰে ক'লে।

ঃ হ'ব দাদা, মই কালি আবেলি এবাৰ আহিম তহঁতৰ ঘৰলৈ। দেৱীৰ লগতো কথা পাতিম। কিয়নো টান পাইছে সুধিম বাৰু— বুলি কৈ প্ৰসেনে বেগেৰে ঘৰলৈ গ'ল।

প্ৰসেনে ঘৰ পাই সিহঁতৰ দুৱাৰ মুখতে থকা দমকলটোত গা ধুলে। গা ধুই উঠি

ভাত-পানী খাই সি তাৰ পঢ়া ৰুমটোত সোমাই এনেয়ে বিছনাখনত বাগৰ দি হিতেশ ডেকাৰ 'ভাড়াঘৰ' নামৰ উপন্যাসখনত চকু ফুৰালে। কিছু সময় পিছত বায়েক ৰহিলা আৰু নীৰা তাৰ ৰুমত সোমাল। ৰুমত বিছনাখনৰ বাহিৰে বহিবলৈ কোনো চকী বা টুল নাই। গতিকে ৰহিলা আৰু নীৰাই তাৰ বিছনাখনতে বহিল। প্ৰসেনেও শোৱাৰ পৰা উঠি বিছনাত বহিল।

ঃ বুজিছা প্ৰসেন আমি তিনিমান বজাত যাম। নীৰাৰ স্কুল আছে। স্কুল খতি কৰিলে খুড়ীয়ে বেয়া পাব। তদুপৰি ফাংচনটো শেষেই– ৰহিলাই প্ৰসেনক বুজোৱাৰ দৰে কথাখিনি ক'লে। 'যদি নগ'লে নহয় যাবি দে। এতিয়া দেখোন প্ৰায় আঠৈটামান বাজিলেই। যা তইঁতে কাপোৰ-কানি পিন্ধি ল। ময়ো গৈছো, গাঁৱৰ মূৰলৈ থৈ আহিম— প্ৰসেনে হুমুনিয়াহ কাঢ়ি কথাষাৰ ক'লে। ৰুমটোৰ পৰা নীৰা ওলাই যোৱাৰ লগে লগে যেন নীৰাৰ আগমনত পোহৰ হৈ উঠা ৰুমটো নীৰাৰ প্ৰস্থানত আন্ধাৰ হৈ পৰিল এনে ভাব হ'ল প্ৰসেনৰ। কিবা এক অবুজ আনন্দ, কিবা এক অজান সুখৰ আবেশে প্ৰসেনৰ মনত দোলনা দি থাকিল ক্ষন্তেক সময়। আনন্দচন্দ্ৰ বৰুৱাৰ 'ভাবীপ্ৰিয়া' কবিতাটোৰ কবিতা এফাঁকি তাৰ অলক্ষিতে প্ৰসেনৰ স্মৃতিপটত ভাঁহি উঠিল—

'সোণালী সপোন এটি উটি ভাঁহি আহি
লাগিছে মোৰ দুচকুত
কলা ঘুমটীয়া মোৰ সুখৰ আবেশ
লাগিছে নিজান বুকুত।'

(ছয়)

ৰাতিপুৱা ৯ মান বাজিছিল তেতিয়া। প্ৰসেনহঁতৰ চোতালৰ এঢলীয়াত থকা নবাজি ফুলবোৰ জকমকাই ফুলি উঠিছিল ৯ বজাৰ সংকেত দি। প্ৰসেনে তাৰ ৰুমত বিশিষ্ট সাহিত্যিক ৰামমল ঠাকুৰীয়াৰ 'সাহিত্য বিচাৰ' নামৰ কিতাপখন পঢ়ি আছিল। কিতাপখন প্ৰসেনে দদায়েক যদুনন্দৰ পৰা আনিছে। বি. এ. মহলাত লাগে। হঠাৎ চোতালত চাইকেলৰ বেলৰ টিলিং টিলিং মাত শুনি প্ৰসেন ৰুমৰ পৰা ওলাই আহি দেখিলে অজান শৰ্মাক।

ঃ অজান দা আপুনি হঠাৎ- আচৰিত হৈ সুধিলে প্ৰসেনে।

ঃ অ মই, আজি আমাৰ ক'লা পৰিষদৰ মিটিং এখন আছে নহয় বৰলাত। বৰলা হাইস্কুলত। দিনৰ ১ বজাত। তোমাক লৈ যাম বুলি আহিলো। বৰলাৰ ক'লা পৰিষদৰ সদস্যকেইজনে তোমাক মিটিংখনলৈ নিবলৈ মোক দঢ়াই দঢ়াই কৈ গৈছে।

ঃ বহকচোন,—বহক,-আই, অ' আই, চাহ দুকাপ কৰ— বুলি প্ৰসেনে অজান শৰ্মাক তাৰ কোঠালিটোলৈ নি বিছনাতে বহিবলৈ দিলে।

অজান শৰ্মা। প্ৰসেনহঁতৰ ওচৰৰে মোক্ষপুৰ গাঁৱত ঘৰ। সৰুৰে পৰা গল্প-কবিতা লিখে। তিনিখনমান উপন্যাসও হাতে লিখা অৱস্থাত আছে। ঘৰৰ আৰ্থিক অৱস্থা পানীত হাঁহি নচৰা। তিনিজন ভায়েক। ভনীয়েকো দুজনী। তিনি বিঘামান খেতিৰ মাটি মাথোন। পিতাক বুঢ়া হৈছে। তাতে বেমাৰ। বিছনাতে থাকে দিনৰ দিনটো। এজন ককায়েকে ওচৰৰে বজাৰে বজাৰে মা-মছলা বেচি ফুৰে। তিনিবাৰ মেট্ৰিক দিও অজান শৰ্মাই মেট্ৰিকটোকে পাছ কৰিব পৰা নাই। সকলো বিষয়তে ভাল নম্বৰ পায়। অংকত এবাৰো দহৰ অধিক পাবলৈ সক্ষম হোৱা নাই, ফলত ৰিজাল্টচিটৰ ফেলৰ তালিকাখনত হে নামটো আছে। তথাপি মানুহজনৰ মুখত হতাশাৰ চিন নাই। সকলো সময়তে কেৱল গল্প, কবিতা, সাহিত্য আৰু কলাৰ কথা। দিনৰ দিনটো ভঙা চাইকেলখনেৰে পিটপাটকৈ সমগ্ৰ ত্ৰিনাথ মৌজা, নামবৰ, বৰলা আদি ঠাইত ঘূৰি ফুৰে। সেই অজান শৰ্মাৰ প্ৰচেষ্টাতে 'ত্ৰিনাথ-বৰলা চেমনীয়া ক'লা পৰিষদ' নামৰ কলা বিষয়ক অনুষ্ঠান এটা গঢ় লৈ উঠিছে আজি এবছৰৰ আগতে চাৰিখন মৌজাক লৈ। বৰলা হাইস্কলুৰ শিক্ষক ৰজনীকান্ত পাঠক পৰিষদৰ সভাপতি আৰু অজান শৰ্মা সম্পাদক। সহকাৰী সম্পাদক পাতিছে প্ৰসেনক। মৌজাকেইখনৰ হাইস্কুলবোৰত গল্প-কবিতা প্ৰতিযোগিতা পতা, আকস্মিক বক্তৃতা, তৰ্কপ্ৰতিযোগিতা পতা, মাজে মাজে সাহিত্য বিষয়ক আলোচনা চক্ৰ পতা— এইবোৰ কাম 'চেমনীয়া ক'লা পৰিষদ'ৰ। সেই চেমনীয়া কলা পৰিষদৰ আজি এখন মিটিং দিছে বৰলা হাইস্কুলত। তালৈকে প্ৰসেনক নিবলৈ আহিছে সদালাপী গহীন-গম্ভীৰ অজান শৰ্মাই।

ঃ চাহ খোৱা-বোপা। সুদা চাহে দিব লগা হ'ল বুলি প্ৰসেনৰ মাক মায়াৱতীয়ে চাহ দুকাপ প্ৰসেনৰ সৰু টেবুলখনত থৈ গ'ল। দুয়ো চাহ খাই তাৰাতাৰি যাবলৈ ওলাল। আজি প্ৰসেনে ত্ৰিনাথ নগৰলৈ যোৱাৰ কথা আছিলেই। তাৰ বন্ধু ত্ৰিনাথৰ দ্বীপ দত্তই তাক মাতি পঠাইছিল। প্ৰসেনে কাপোৰ-কানি পিন্ধি মাকক মাত লগাই অজান শৰ্মাৰ চাইকেলখনৰ কেৰিয়াৰত উঠিল। অজানে টিলিঙা বজাই চাইকেল চলাই দিলে। চাইকেলখনত উঠোতে আৰু নামোতে অজান শৰ্মাৰ চাইকেলখনৰ টিলিঙা বজোৱা এটা অভ্যাস। প্ৰয়োজন থাককেই বা নাথাকক। অজান শৰ্মাই কথা কৈ কৈ চাইকেলখন চলাই গৈ থাকিল। ৰাস্তাটো তেনেই খলা-বমা। ডাঙৰ ডাঙৰ শিলগুটি দিছে অলপতে।

চাইকেল চলোৱাটো বৰ মস্কিল হৈ পৰিছে। অজানে সেইবোৰ কাণ কৰা নাই। গল্প, উপন্যাসৰ কথাৰে সৰৱ হৈ চাইকেলখন গাৰ জোৰেৰে চলাই চলাই গৈ ত্ৰিনাথ নগৰ পালে।

ত্ৰিনাথ নগৰ। পুৰণি এখন নগৰ। ১৯৫১ চনতে নগৰ হিচাপে অসম চৰকাৰে ঘোষণা কৰা নগৰ। সেই নগৰখনত ত্ৰিনাথ চাৰ্কোল অফিচৰ বাহিৰে আন কোনো চৰকাৰী অফিচ নাই। এখন ৰাজ্যিক চিকিৎসালয় আছে যদিও অৱস্থা তথৈবচ। উচ্চ শিক্ষাৰ অনুষ্ঠান বুলিবলৈ এখন কলেজ আৰু দুখন হাইস্কুল আছে নগৰখনত। বেপাৰ-বাণিজ্য, শিক্ষা-দীক্ষা, ৰাজনীতি আদি বিষয়ত ত্ৰিনাথ টাউন হৈ আছে প্ৰায় ১০ খন মৌজাৰ কেন্দ্ৰভূমি। শ শ দোকান-পোহাৰে নগৰখন সদা সৰ্বদা সজীৱ কৰি ৰাখে। ন টা ধানৰ মিলৰ শ শ শ্ৰমিকৰ কলৰৱ, বিজুলী বাটিৰ পোহৰ, মিলবোৰৰ মেচিনৰ খুটুং খাটাং শব্দই দৃষ্টি কৰা বৰ্ণিল পৰিৱেশ আদিয়ে দিনে-নিশাই নগৰখন জীৱন্ত কৰি ৰাখে।

নগৰখনৰ মাজভাগতে ভৱকান্তৰ চাহ দোকান নগৰখনৰ উত্থান-পতনৰ সাক্ষী 'কলিতা কেবিন'। নগৰখন নগৰ হিচাপে ঘোষণা হোৱাৰ কেবাবছৰো আগৰপৰাই এটা কেটলি, চাৰি নে পাঁচটা গিলাচ, এখন নে দুখন টেবুলেৰে ভৱকান্তই আৰম্ভ কৰিছিল এখন সৰু চাহ দোকান। সেয়া দেশে স্বাধীনতা লাভ কৰাৰ আগৰে কথা। জনকপুৰ অঞ্চলৰ সকলোৰে প্ৰিয়পাত্ৰ ভৱকান্তই পিতাকৰ কেঁকোৰা নাঙলৰ মুঠিত নধৰি ব্যৱসায়ত লাগিছিল। অঞ্চলটোৰ খেতিয়ক ৰাইজৰ বহুতৰে চকু কপালত উঠিছিল ভেবেলা খেতিয়কৰ ল'ৰা ভৱকান্তই চাহ-দোকান দিয়া কথাটো শুনি। সকলো মান-অপমান নেওচি স্বাধীনতাৰ পিছতে ত্ৰিনাথ নগৰ হোৱাত ভৱকান্তৰ 'কলিতা কেবিন'খনেই হৈ পৰিছিল নগৰখনৰ একমাত্ৰ চাহদোকান। কেটলি, গিলাচ, টেবুলৰ সংখ্যা বাঢ়িছিল। এযোৰ খৰম, এখন ফাইন ধুতী আৰু এটা চানলাইট গেঞ্জি পিন্ধি দোকানত বহি বহি গ্ৰাহকৰ পইচা লোৱা হৃষ্টপুষ্ট ভৱকান্ত এতিয়া টাউনৰ এজন প্ৰতিষ্ঠিত ব্যৱসায়ী, লেখৰ মানুহ। সেই ভৱকান্তৰ 'কলিতা কেবিন'ৰ সমুখ পোৱাৰ লগে লগে অজান শৰ্মাৰ চাইকেলৰ চেইন নুঘূৰা হ'ল। প্ৰসেনে জাঁপমাৰি চাইকেলখনৰ পৰা নামিল। ব্ৰেক নোহোৱা চাইকেলখন কোনোমতে এফলীয়াকৈ ৰাখিলে অজান শৰ্মাই। 'কলিতা কেবিন'ৰ পিনে কেৰাহিকৈ চাই যেন অজানে কিবা এটা তৃপ্তি পালে। ইতিমধ্যে প্ৰসেনৰ বন্ধু দীপ দত্ত, অজয় চৌধুৰী, নৰনাৰায়ণ কলিতা, নয়ন শৰ্মা, অবনী ডেকা আদি 'কলিতা কেবিন'ৰ সমুখত থিয় হৈ কথা পাতি আছিল।

ঃ বৰ দেৰি কৰিলাহে প্ৰসেন, আমি বহু সময় ধৰি ৰৈ আছো। দীপ দত্তই অভিযোগৰ সুৰত কথাষাৰ ক'লে প্ৰসেনক।

ঃ হ'ব, হ'ব খং নকৰিবা, মোৰ বাবেই প্ৰসেনৰ পলম হৈছে। তেওঁ মোক তুমি

আজি মতা বুলি কৈছিল—মইহে তেওঁক অন্য এটা কামৰ বাবে লৈ আনিছো—অজানে পিঠিত লাহেকৈ মৰমৰ থাপৰ এটা মাৰি দীপক কথাখিনি ক'লে।

ঃ আপোনাক দেখিয়েই ধৰিব পাৰিছে—আজি ক'ৰবাত নিশ্চয় কিবা-মিটিং-চিটিং আছে— হাঁহি হাঁহি ক'লে নৰনাৰায়ণে।

ঃ ব'লা-ব'লা, আমি সকলোৱে মিলি চাহ একো কাপকে খাও- বুলি ভবকান্ত 'কলিতা কেবিন'ত সোমাল আটাইকেইজন। অজান শৰ্মাই প্ৰসেনৰ লগ-বন্ধু কেইজনক আগৰে পৰা ভালকৈ চিনি পায়। অজানকো তেওঁলোকে ভালকৈ জানে।

ঃ কি হে ৰজত নন্দন, আজি নাৰিকল, চাধাপাত, তামোল একোৱেই অনা নাই নেকি বজাৰলৈ। ৰজত মেম্বৰকা আহিছে নে নাই বুলি ভবকান্তই আগৰে পৰা ভালকৈ চিনি পোৱা প্ৰসেনক গ্ৰাহকৰ পৰা পইচা লৈ তলমুৰা হৈ থকা অৱস্থাতে গলগলীয়া মাতেৰে সুধিলে।

ঃ নাই খুড়া, আজি মই বজাৰলৈ বুলি অহা নাই। বৰলা হাইস্কুলত মিটিং এখন আছে, তালৈ যাম বুলিহে অজানদাৰ লগত আহিছো ঃ

ঃ হয় নেকি, ঠিকে আছে দে- বুলি ভবাকান্তই শলাগিলে। প্ৰসেনহঁতে চাহ খাবলৈ বহিল। প্ৰসেনে যে নাটক কৰে ভবকান্তই জানে। গান বুলিলে ভবকান্ত পাগল। জনকপুৰ অঞ্চলৰ আশে-পাশে হোৱা গান-পাৰ্টিৰ গান তেওঁ চাবই। প্ৰসেনৰ অভিনয়ো তেওঁ দেখিছে। সেয়ে প্ৰসেনক ৰজত নন্দন বুলি মাতি জমায় ভবকান্তই। প্ৰসেনে যে প্ৰতি সোমবাৰ আৰু শুক্ৰবাৰে ত্ৰিনাথ নগৰত বহা সাপ্তাহিক বজাৰলৈ ঘৰৰ নাৰিকল, চাধাৰ পাত, বেহৰ, তামোল আদি আনি 'কলিতা কেবিন'ৰ সমুখতে বেচেহিঁ, সেই কথা ভবকান্তই কেবাবছৰ ধৰি দেখি আহিছে। সেয়ে প্ৰসেনক দেখিলে 'আজি কি কি আনিছ' বুলি সোধাটো তেওঁৰ এটা অভ্যাস। অকল ভবকান্ত কিয়— নাৰিকলৰ ডাঙৰ বেপাৰী অলক কলিতা, হৰিশ দাস, চাধাৰ বেপাৰী বাপধন, নগেন শৰ্মা, তামোলৰ পাইকাৰী বেপাৰী কৰুণা দাস, ধনী ৰাজবংশী, অনাদি হালৈ আদি বেপাৰীসকলে প্ৰসেনক ভালকৈ চিনি পায়। তেওঁলোকৰ লগত প্ৰসেনৰ এক আত্মীয়তাও গঢ়ি উঠিছে। চাহ খাই অজান, প্ৰসেন, নৰনাৰায়ণ, দীপ আদি দোকানৰ পৰা ওলাই আহি পইচা দিবলৈ পইচা তুলি থাকোতে হঠাৎ তাত উপস্থিত হ'ল- নৰনাৰায়ণৰ পিতাক হৰিহৰ গাঁওবুঢ়া। ধকধকীয়া বগা চুলি— খদ্দৰৰ ধুতী চোলা পিন্ধা ওখ-পাখ হৰিহৰ গাঁওবুঢ়াক নগৰৰ সকলোৱে চিনি পায়।

ঃ ঐ ভবকান্ত, সিহঁতক যাব দে। পইচা মই দিম- বুলি বাৰাণ্ডাৰ পৰাই চিঞৰি চিঞৰি হৰিহৰ গাঁওবুঢ়াই ভবকান্তক নিৰ্দেশ দিয়াৰ দৰে কথাষাৰ ক'লে।

ঃ যা যা তহত যা, ক'ত মেল মিটিং আছে কৰ গৈ বুলি কোৱাত অজান,

প্ৰসেন, নৰনাৰায়ণ, দীপ আদি আটাইকেইজনে ‘কলিতা কেবিন’ৰ পৰা ওলাই আহিল।

ঃ ব’লা ব’লা প্ৰসেন আমাৰ দেৰি হ’ল। বাৰটা বাজো বাজো। এক বজাৰ পৰা মিটিং। চাইকেলখনৰো অৱস্থা ভাল নহয়—বুলি অজান শৰ্মাই দোকানৰ কাষতে আঁউজাই থোৱা চাইকেলখন আনি যাবলৈ ওলাল।

ঃ বলক, বলক—বৰলা হাইস্কুলৰ হেডমাষ্টৰজন যিহে কাঢ়া— সময়মতে মিটিং আৰম্ভ নকৰিলে দিব গালি এসোপা—বুলি জাঁপমাৰি অজান শৰ্মাৰ চাইকেলৰ কেৰিয়াৰত উঠি বহিল প্ৰসেন। অজান শৰ্মাই বৰলা অভিমুখে টিলিঙাটো বজাই তেওঁৰ ভগা চাইকেলখন সৰ্বশক্তি প্ৰয়োগ কৰি চলাই দিলে।

যথা সময়ত গৈ অজান আৰু প্ৰসেনে বৰলা হাইস্কুল পালে। ‘চেমনীয়া ক’লা পৰিষদৰ বৰলাৰ স্থানীয় ছাত্ৰ কেইজনমান ইতিমধ্যে তাত উপস্থিত হৈছিলেই। শনিবাৰ। ১২.৩০ বজাত স্কুল ছুটি হ’ল। দশম শ্ৰেণীৰ ডাঙৰ কমটোত মিটিংখন হ’ব। কলা পৰিষদৰ সভাপতি, বৰলা হাইস্কুলৰ হেডমাষ্টৰ ৰজনীকান্ত পাঠক তেওঁৰ অফিচৰূমৰ পৰা বেগাই খোজকাঢ়ি সভাথলীলৈ আহিল। বৰ সময়মতে চলা মানুহ ৰজনীকান্ত পাঠক। সময়ৰ ইফাল-সিফাল হোৱাটো সহ্য নকৰে। ১ বজা মানে ১ বজায়েই। সময়মতে সভা-সমিতি আৰম্ভ নহ’লে তেওঁ সভা এৰি গুচি যোৱা মানুহ। ধুতী-কামিজ পিন্ধা, নিয়মীয়া ওখ, অতি স্মাৰ্ট ৰজনীকান্ত পাঠক সেই অঞ্চলত ‘ৰজনী হেডমাষ্টৰ’ নামে পৰিচিত। চোকা ছাত্ৰ আছিল তেওঁ। স্বাধীনতা আন্দোলনৰো এজন নামজ্বলা কৰ্মী আছিল। সদায়ে পঢ়া-শুনাত ব্যস্ত থকা ৰজনীকান্ত পাঠকে শিক্ষক হিচাপে কৃতি শিক্ষক। কৃতি শিক্ষক হিচাপে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰো পাইছে। এইজন সৰ্ব গুণাকৰ পাঠকেই হ’ল ‘ত্ৰিনাথ বৰলা চেমনীয়া কলা পৰিষদ’ৰ সভাপতি। মাত শুনিলেই ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্মী শিক্ষকসকলে ভয়তে পেপুৱা লগা বজ্ৰগম্ভীৰ পাঠকে আহি মিটিং সাজু কৰা কমটোত প্ৰৱেশ কৰাৰ লগে লগে তাত ইতিমধ্যে উপস্থিত হোৱা সকলোৱে থিয় হৈ তেওঁক অভিবাদন জনালে। প্ৰসেনে মানে প্ৰসেনজিৎ কলিতাই অজানৰ ইঙ্গিত মতে ৰজনীকান্ত পাঠকক সভাপতি হিচাপে সভাৰ কাম আনুষ্ঠানিকভাৱে আৰম্ভ কৰিবলৈ অনুৰোধ কৰিলে। পাঠকে সভাৰ কাম আৰম্ভ কৰিলে। অজান শৰ্মাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিলে বহলায়। কেবাজনো ছাত্ৰ-ছাত্ৰী আৰু কলা পৰিষদৰ সদস্যই স্বৰচিত কবিতা পাঠ কৰি সভাখন কাব্যিক ৰসেৰে ভৰাই তুলিলে। দুজনী ছাত্ৰীয়ে দেৱকান্ত বৰুৱা আৰু হেম বৰুৱাৰ ক্ৰমে ‘সাগৰ দেখিছা’ আৰু ‘মমতাৰ চিঠি’ নামৰ কবিতা দুটা আবৃত্তি কৰি সভাৰ দৰ্শক আৰু শ্ৰোতাসকলক মুগ্ধ কৰিলে। প্ৰসেনেও ‘এই নদী এই ঘাট’ নামৰ স্বৰচিত কবিতা এটি আবৃত্তি কৰি শ্ৰোতাসকলক আপ্লুত কৰিলে।

সভাপতি ৰজনীকান্ত পাঠকে এটা শ্ৰুতিমধুৰ সাৰমৰ্ম বক্তৃতাৰে অসমীয়া জাতি,

অসমীয়া ভাষা আৰু সংস্কৃতিয়ে সমুখীন হোৱা সংকটৰ বিষয়ে উপস্থিত সকলোকে সকীয়নি দিলে। হাইস্কুলখনৰে সহকাৰী হেডমাষ্টৰ নৰোত্তম বড়োৱে পাঠকৰ কথাত হয়ভৰ দি কেনেকৈ কলিতা, কেওঁট, বড়ো, কছাৰী, ৰাভা, হাচং, কোঁচ, মেচ, মটক, মৰান, আহোম, ফাকিয়াল, বামুণ, নাথ, যোগী, কমাৰ, কুমাৰ, নেপালী, চাহ বাগানৰ বনুৱা, থলুৱা, মাৰোৱাৰী, ন অসমীয়া মৈমানছিঙীয়া, মণিপুৰী, খাচিয়া, নগা, গাৰো, মিকিৰ, মিচিমি, ভূঞা, মিচিং, টিৱা, ডিমাচা, কাৰ্বি, লালুং, দেউৰী, মিচিমি, খামতি, জয়ন্তীয়া আদি সৰু-বৰ জনগোষ্ঠী সমূহৰ মহামিলনত গঠিত হৈছিল মহান অসমীয়া জাতি আৰু মহান অসমীয়া সংস্কৃতি'- সেই কথা সুন্দৰকৈ প্ৰাঞ্জল ভাষাত বৰ্ণনা কৰি উপস্থিত সকলোকে চমকিত কৰিলে আৰু এই মহান অসমীয়া জাতি আৰু মহান অসমীয়া সংস্কৃতিত ধৰা ঘুণবোৰ আঁতৰাবলৈ সকলো অসমীয়াই ঐক্যবদ্ধভাৱে থিয় হ'ব লাগিব বুলি ক'লে। ত্ৰিনাথ-বৰলা চেমনীয়া কলা পৰিষদে এনে প্ৰচেষ্টা ক্ষীণকৈ হ'লেও আৰম্ভ কৰাত সকলোৰে বাবে আনন্দৰ বিষয়। অসম সাহিত্য সভাকে ধৰি বড়ো সাহিত্য সভা, মিচিং সাহিত্য সভা আদি বিভিন্ন জনগোষ্ঠীয় ভাষাৰ সাহিত্য সভা আৰু সাংস্কৃতিক অনুষ্ঠানসমূহে এই কাম হাতত ল'ব লাগিব। ইতিমধ্যে নগা পাহাৰ আমাৰ পৰা আঁতৰি গ'ল। খাচিয়া-জয়ন্তীয়া আৰু গাৰো পাহাৰতো সুকীয়া ৰাজ্যৰ দাবীত আন্দোলন হৈছে। লাল ডেঙ্গাই ১৯৬৬ চনৰে পৰা মিজোসকলে অসমীয়াটো নহয়েই ভাৰতীয়ও নহয় বুলি মিজোপাহাৰক এখন সুকীয়া স্বাধীন ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ বাবে সশস্ত্ৰ সংগ্ৰামত নামি পৰিছে। সুকীয়া ৰাজ্যৰ দাবী উঠিছে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বড়ো, দেউৰী আদি জনজাতি লোকসকলৰ মাজত। তাৰেই একাংশই 'উদয়াচল' নামৰ সুকীয়া ৰাজ্য এখনৰ দাবীত 'অসম ভৈয়াম জনজাতি পৰিষদ' (পি.টি.চি.এ.) নামৰ ৰাজনৈতিক দল এটা গঠন কৰি আন্দোলন আৰম্ভ কৰিছেই। এনে অৱস্থাত অসম, অসমীয়া জাতি আৰু অসমীয়া ভাষা-সংস্কৃতি সংকটৰ গৰাহত পৰিছে। এই সংকটৰ পৰা আমি উদ্ধাৰ পাবলৈ হ'লে ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ সম অধিকাৰ, সমবিকাশত আৰু সমউন্নয়নত গুৰুত্ব দি আগবাঢ়ি যাব লাগিব— শ্ৰীবড়োৰ ভাষণে উপস্থিত সকলোৰে অন্তৰ চুই গ'ল।

ইতিমধ্যে প্ৰায় ৫ বাজিল। সভাপতি ৰজনীকান্ত পাঠকে সিদিনাৰ বাবে চেমনীয়া কলা পৰিষদখন সবল আৰু শক্তিশালী কৰাত সকলোৱে সহায়-সহযোগিতা বিচাৰি সভা ভঙ্গ দিলে। সভাৰ শেষত চাহ-পানী খাই সকলোৱে ঘৰাঘৰি গ'ল। অজান আৰু প্ৰসেনেও অজানৰ চাইকেলখনেৰে লাহে লাহে বৰলাৰ পৰা ত্ৰিনাথ নগৰলৈ বুলি আহি থাকিল। নগৰ পাই ঠিক ভবকান্তৰ 'কলিতা কেবিন'ৰ ওচৰত স্বাভাৱিকভাৱেই অজান শৰ্মাৰ চাইকেল ৰৈ গ'ল। প্ৰসেনে কেৰিয়াৰৰ পৰা জাঁপ মাৰি নামিল। এনেতে প্ৰসেনহঁতৰ কাকতল গাঁৱৰ হৰেন আৰু প্ৰসেনৰ দদায়েকৰ পুতেক

অহীন্দ্ৰ আহি প্ৰসেনৰ কাষত থিয় হ'ল।

ঃ বৰ সৰ্বনাশ হৈছে প্ৰসেন, বৰ সৰ্বনাশ— হৰেনে ক'লে।

সৰ্বনাশ শব্দটো শুনি গা-মন মুহূৰ্ততে শিয়ৰি উঠা প্ৰসেনে ভয়ে ভয়ে সুধিলে অহীন্দ্ৰক— কি সৰ্বনাশ হৈছে ভালকৈ বুজাই ক।

ঃ আজি গাঁৱত বৰ হুলস্থুল। প্ৰায় ১০ মান বজাতে বোলে শৰতপুৰ গাঁৱৰ সেই দানৱ কেইটা মানে দুন্দুভি চৌধুৰী, মনোৰঞ্জন ডেকা আদিয়ে এখন বাছত একবাছ মানুহ আনি আমাৰ 'গাগেলি'ত উপস্থিত হ'ল। সিহঁতে গাগেলিৰ মাটি বোলে আজি চমজি ল'বই। লগত নৰেন মণ্ডলো আছিল। আমাৰ মণ্ডলুকাই পূৰ্ণহৰিৰ ম'হৰ খুঁটিত কিবা কাম কৰি আছিল সেই সময়ত। সি সিহঁতক দেখি ওচৰলৈ গ'ল। সকলো কথা শুনি সি গাগেলিৰ পৰা দৌৰি আহি গাঁৱত খবৰটো দিলে। গাঁৱত হুলস্থুল লাগিল। আমি ঘৰে ঘৰে গৈ মানুহক খবৰ দিলো। যিয়ে য'ত যেনেকৈ আছিল হাতত ডাং-টোকান, লাঠি, দা, বল্লম, কচ, হুলাবাৰী আদি লৈ গাগেলিলৈ দৌৰি গ'ল।

ঃ কিন্তু সেই মাটিতো এতিয়া সিহঁতৰ হৈ থকা নাই। বৰপেটা মহকুমা ভূমি উপদেষ্টা পৰিষদৰ সভাত সিহঁতৰ নামত হোৱা অবৈধ আবণ্টন নাকচ কৰিছে আজি কেইমাহমান আগতে— প্ৰসেনে ক'লে।

ঃ নাই, নাই, সিহঁতে বোলে সিহঁতৰ নামত মাটিবোৰ নামজাৰি নে ম্যাদী কৰিছে।

ঃ তাৰ পাছত কি হ'ল? প্ৰসেনে সুধিলে।

কি হ'ব আৰু কথাটো শুনিয়েই গাঁৱৰ মানুহবিলাকে খণ্ডত একো নাই হৈ পৰিল। সকলোৱে গাগেলি লৈ গৈ দুন্দুভি, মনোৰঞ্জন, নৰেন মণ্ডল আদি সকলোকে কোবাই বগৰাই দিলে। বাকী মানুহবোৰ তাৰ পৰা পি. ডব্লিউ. ডি. ৰাস্তালৈ দৌৰিবলৈ ধৰোতে তাৰো দুই-এজনক হুলাবাৰীৰে কোবালে। ৰাইজে আহত দুন্দুভিহঁতক ৰাস্তাত থকা সিহঁতৰ বাছখনত থৈ আহিল আৰু ভৱিষ্যতে কেতিয়াও যেন গাগেলিলৈ নাহে সেই কথা সকীয়াই দিলে— অহীন্দ্ৰই ক'লে।

ঃ তাৰ পাছত, তাৰ পাছত কি হ'ল?

ঃ তাৰ পাছত কি হ'ব আৰু, প্ৰায় ৪ টা মান বজাত ৰঙা টুপী মৰা পুলিচেৰে ভৰি পৰিল আমাৰ গাঁও। শুনিবলৈ পাইছো আমাৰ গাঁৱৰে ঠেঙালবুঢ়া আৰু কুবিৰ পাঠকে বোলে পি.ডব্লিউ.ডি. ৰাস্তাৰ পৰা ঘটনাৰ আলেখ-লেখ চাই আছিল। সেই ঘৰবৈৰী বিভীষণ দুটাই বোলে গৈ শৰতপুৰ পুলিচ চকীত খবৰ দিলে। তাৰ পৰাই পুলিচ আহি গগন মেম্বৰ, ৰজত মেম্বৰ, সিন্ধুৰা ডেকা, পদুমকুমাৰ, ধৰ্ম পাঠক, চন্দন ভকত, থানে বেপাৰী, কেশৱ লহকৰ, মধু ডেকা, অভিৰামকে ধৰি প্ৰায় ২০জন মানুহক বাছত উঠাই শৰতপুৰ পুলিচ চকীলৈ লৈ গৈছে। আমি এক মিনিটো পলম নকৰাকৈ চাইকেলেৰে

ততালিকে আহিছো বাবে সঠিক খবৰ নাপালো— হৰেনে ক'লে।

ঃ তোমালোকৰ গাঁওখনক শনিয়ে ধৰিছে, বুজিছা প্ৰসেন সদায়ে তই গাগেলিখনক লৈ কাজিয়া-পেচাল, কেচ মামলা। তুমি এওঁলোকৰ লগতে যোৱা প্ৰসেন। গাঁৱত আলোচনা কৰি মানুহখিনিক মোকলাই অনাৰ বাবে কিবা ব্যৱস্থা কৰা— আক্ষেপেৰে কথাখিনি ক'লে অজান শৰ্মাই।

খং, ক্ষোভ আৰু বেজাৰত দুৰ্বল হৈ পৰিল প্ৰসেন। কি মহাভাৰতখন আৰম্ভ হ'ল, কেতিয়া শেষ হ'ব এই কুৰুক্ষেত্ৰ। কিমানেই বা যুঁজিব কাকতলৰ সেই দুখীয়া-নিচলা খেতিয়কসকলে। অথচ নুযুঁজিলেও নহয়। জীৱনৰ সকলো সুখ-দুখৰ লগৰী, গৰু-গাইৰ জীয়াই থকাৰ একমাত্ৰ জীৱন থলী, মৰমৰ গাগেলিকে বা এৰে কেনেকৈ— মনৰ ভিতৰতে কথাবোৰ পাগুলি প্ৰসেনে অহীন্দ্ৰৰ চাইকেলখনৰ কেৰিয়াৰত উঠি— 'ব'ল ঘৰলৈ' বুলি অহীন্দ্ৰক চাইকেল চলাবলৈ নিৰ্দেশ দিলে। অহীন্দ্ৰৰ চাইকেলখন এবছৰমান আগতে কিনা। সি ভালকৈ ৰাখে বাবে নতুন যেন হৈয়েই আছে। ২০ মিনিটমানৰ পিছতেই প্ৰসেন, অহীন্দ্ৰ আৰু হৰেন কাকতল গাঁও পালে।

প্ৰসেনহঁতে গাঁও পোৱা সময়তে আঁউসীৰ ডাঠ ক'লা এন্ধাৰে গাঁওখন গিলি থৈছিল। ক'তো একো নেদেখি। ৰাতি সাতটা মান বাজিছিল বোধহয়। ব'হাগ মাহ। গৰম প্ৰায় পৰিছেই। চেপা উত্তেজনাই গাঁৱখন উত্তেজিত কৰি ৰখাৰ বাবে পুৰুষ মানুহবোৰ বৰপুখুৰীৰ পাৰত দিনত 'গাগেলি'ত ঘটা ঘটনাবোৰ আৰু গাঁৱৰ নেতাসকলক পুলিচে এৰেষ্ট কৰি লৈ যোৱা কথাটোকে পাতি আছিল। প্ৰসেনহঁতে আহি বৰপুখুৰী পাৰ পোৱাত সকলোৱে তাক বেৰি ধৰিলে। মণ্ডলু, বীৰহু, ভদোৰাম, প্ৰেমেশ্বৰ আদিয়ে প্ৰসেনক পাই গাত বল পালে। সিহঁতে উত্তেজিত ভাষাত কিবা-কিবি কৈ থাকিল।

ঃ অ, হ'বদে, ভীমৰ দৰে বচন দিনটোৱে মাতিছ। এতিয়া বন্ধ কৰ। সকলোৱে বহি জেললৈ নিয়াসকলক কেনেকৈ আনিব পাৰি তাৰহে বুদ্ধি উলিয়াব লাগে বুলি প্ৰায় ৮০ বছৰীয়া সৰ্বকান্ত মহৰীয়ে সকলোকে বহিবলৈ ক'লে। বুঢ়া-ডেকা সকলোৱে যিয়ে যেনেকৈ পাৰে বহি ল'লে বৰপুখুৰীৰ পাৰত।

ঃ ৰাইজ, আমি ধৈৰ্য সহকাৰে কামবোৰ কৰিব লাগিব। দুন্দুভিহঁতে নিত্য নতুন ষড়যন্ত্ৰৰ জাল পাতি আমাক বিপদত পেলাবলৈ উঠিপৰি লাগিছে। দুখ আৰু পৰিতাপৰ কথা যে আমাৰ গাঁৱৰে গাগেলিৰ মাটি বেদখল কৰা দুই-এজনে মাটিৰ লোভত গাঁৱৰ সমূহীয়া স্বাৰ্থক জলাঞ্জলি দি বিভীষণৰ ভাও লৈছে আৰু আমাৰ শত্ৰু দুন্দুভিহঁতৰ লগ লৈছে গোপনে। আমাৰ ৰাইজৰ দাৰৰ বাতৰি দাৰে সিহঁতে দুন্দুভিহঁতৰ চৰাঘৰলৈ পঠায়। সেই বিভীষণসকলৰ প্ৰতি আমি চকু ৰাখিব লাগিব। আগৰবাৰ এৰেষ্ট কৰোতে পুলিচৰ হাতৰ পৰা হৰিপুৰ গাঁৱৰ যুদ্ধযোদ্ধা হলধৰ ডেকাই আমাৰ মানুহখিনিক মুক্ত কৰি

আনিছিল। আমি কেইজনমান এতিয়াই চাইকেলেৰে তেখেতৰ ঘৰলৈ গৈ তেখেতক এইবাৰো আমাক সহায় কৰি আমাৰ মানুহ কেইজনক মুক্ত কৰি আনিবলৈ অনুৰোধ জনাব লাগিব। খং-ক্ষোভ কৰি উত্তেজিত হৈ থাকিলে কাম নিসিজে। সৰ্বকান্ত মহৰীয়ে কোৱাৰ দৰে সন্ধিৰ বাঁহ বুধিৰে কাটিব লাগিব— বুলি এজন বয়সস্থ জ্ঞানী লোকৰ দৰে কথাখিনি ক'লে প্ৰসেনে। সকলোৱে প্ৰসেনৰ কথাত হয়ভৰ দিলে। উপস্থিত সকলোকে ঘৰাঘৰি যাবলৈ কৈ প্ৰসেন, ফণীন্দ্ৰ আৰু মহেনে চাইকেলেৰে হৰিপুৰ বুলি যাত্ৰা কৰিলে। প্ৰসেনে মহেনৰ চাইকেলৰ কেৰিয়াৰতে উঠিল। আগে আগে যোৱা ফণীন্দ্ৰই ৫ বেটাৰীৰ টৰ্চটো মাৰি সিহঁত হৰিপুৰ অভিমুখে গৈ থাকিল। ৰাতি প্ৰায় ১০ বজাত প্ৰসেনহঁতে গৈ হলধৰ ডেকাৰ ঘৰ পালে। হলধৰ ডেকাই সেই সময়ত ভাত খাই বৰ ঘৰৰ বাৰাণ্ডাত বহি হোকা খাই আছিল।

আন্ধাৰত ভালকৈ মনিব নোৱাৰি ভয়ে ভয়ে হলধৰ ডেকাই সুধিলে— 'কোন হে, কোন এইবোৰ ইমান ৰাতি?

ঃ আমি খুড়া, মই ৰজত মেম্বৰৰ ল'ৰা প্ৰসেনজিত। বাকীকেইজন আমাৰ কাকতল গাঁৱৰে যুৱক- প্ৰসেনে কথাষাৰ কৈ হলধৰ ডেকাৰ ওচৰ পালে।

ঃ ইমান ৰাতি আহিলা যে, কিবা বিপদ-আপদ হ'ল নেকি হে? মৰমেৰে কথাখিনি ক'লে ডেকাই।

ঃ বৰ বিপদ খুড়া, বৰ বিপদ, জানেই নহয় আমাৰ গাগেলিখনৰ কথা। তাত এতিয়া সদায় সেই শৰতপুৰৰ দুন্দুভিহঁতে গোলমাল কৰিয়েই থাকে।

ঃ কিয়? সিহঁতে ষড়যন্ত্ৰ কৰি অবৈধভাৱে কৰি লোৱা মাটি মহকুমা ভূমি উপদেষ্টা কমিটীয়ে নাকচ কৰিছে আজি কেইদিনমান আগতে-- ডেকাই ক'লে।

ঃ কথাটো ঠিকেই আছিল। কিন্তু সিহঁতে বোলে তাৰ আগতেই মাটিবোৰ সিহঁতৰ নামত ম্যাদীপট্টা কৰি লৈছিল। আজি আকৌ মাটি চমজাই ল'বলৈ আহিছিল। আমাৰ কাকতল গাঁৱৰ মানুহে সিহঁতক মাৰ-ধৰ কৰি খেদি দিলে। গধূলি পুলিচ আহি গগন মেম্বৰ, আমাৰ পিতা, সিন্দুৰা ডেকা আদিকে ধৰি ২০ জন লোকক পুলিচে গ্ৰেপ্তাৰ কৰি শৰতপুৰ পুলিচ চকীলৈ লৈ গ'ল। গাৱঁত উত্তেজনা। আমি অহালৈকে গাঁৱৰ কাৰো পাকঘৰৰ চৌকাত জুই জ্বলা নাই – প্ৰসেনে কিছু বিস্তাৰিতভাৱে কথাখিনি ক'লে। আপুনি কিবা এটা ব্যৱস্থা কৰক, সেই বাবেই আমি আহিছো।

ঃ এতিয়া বহুত ৰাতি হ'ল। তদুপৰি অহাকালি পুৱাই মই গুৱাহাটীলৈ যাম। মই আমাৰ বৰপেটাৰ কংগ্ৰেছ নেতা নিৰঞ্জন শৰ্মালৈ চিঠি এখন লিখি দিওঁ। আগৰবাৰো তেৰেঁই তেওঁলোকক খালাচ কৰি দিছিল। এইবাৰো দিব। চিঠিখন নি অহাকালি ১০ বজাৰ আগে আগে শৰ্মাক ঘৰত লগ ধৰি দিবা— বুলি কৈ হলধৰ ডেকা ঘৰৰ ভিতৰলৈ

গ'ল। কিছু সময় পিছত ওলাই আহি খাম এটা প্ৰসেনৰ হাতত দি চিন্তা কৰিব নালাগে তেওঁ নিশ্চয় সহায় কৰিব। তোমালোক এতিয়া যোৱা— বুলি প্ৰসেনহঁতক যাবলৈ ক'লে। প্ৰসেনহঁত কাকতললৈ বুলি চাইকেল চলালে। তেতিয়া ৰাতি প্ৰায় ছাৰে বাৰটা মান বাজিছিল। কাকতলৰ বাট-পথত শ শ জোনাকী পৰুৱাৰ জাক। সিহঁতৰ পোহৰে কাকতল গাঁওখন মনোৰম কৰি তুলিছিল। নিশব্দ আৰু নিজান সেই পোহৰৰ মনোমহাৰূপে আপ্লুত কৰি কাকতলক নিদ্ৰাদেৱীৰ মৰমী কোলাত শুৱাই দিছিল। প্ৰসেনহঁতেও নিজ নিজ ঘৰলৈ গৈ বিছনাত পৰাত নিদ্ৰাদেৱীয়ে সিহঁতকো আলফুলকৈ নিজ কোলাত আশ্ৰয় দিছিল- ক্ষন্তেকীয়া সুখৰ আশ্ৰয়।

ভঁৰাল ঘৰটোৰ কাষতে থকা শেৱালীজোপাত চৰাইৰ কিচ্‌কিচ্‌নি আৰু ভোমোৰা এটাৰ গুণগুণনিত প্ৰসেনে সাৰ পাই বিছনাতে বহি পৰিল। চকু মুখ মোহাৰি বাহিৰলৈ চাই সি দেখিলে পৃথিৱীত পোহৰ পৰিছে। পূব আকাশত পৰা ৰঙা পোহৰবোৰে সূৰুযৰ আগমনৰ সংকেত দিছে। প্ৰসেনে বিচনাৰ পৰা নামি শেৱালিজোপাৰ ওচৰলৈ গৈ চৰাইবোৰ চালে। শালিকী, চকোৱা চৰাইকেইজনীৰ বাহিৰে বাকীবোৰ চৰাইক সি চিনিব নোৱাৰিলে। অচিনাকী, মৰম লগা সৰু চৰাইকেইজনী দেখি তাৰ মন আনন্দেৰে ভৰি পৰিল। সি ক'ব নোৱাৰাকৈয়ে অস্ফুট স্বৰে মাতিলে—

"আহ, পখী আহ
ফুল দিম কোচ ভৰি
খুৱাম উদৰ পুৰি
সাজি দিম
সোণোৱালী বাহ
আহ, পখী আহ ...."

ঃ কি অ' প্ৰসেন, তই ওলোৱাই নাই? বাছখন সাত বজাতেই ঘোপকুছি চ'ক পায়। সেইখন ফেল কৰিলে আজি আৰু আমাৰ বৰপেটালৈ যোৱা নহ'ব। লৰা-ঢপৰাকৈ অহা হৰেনে প্ৰসেনক সিহঁতৰ শেৱালি জোপাৰ তলত দেখি কথাষাৰ ক'লে।

ঃ ৰ, ৰ, মই এতিয়াই ওলাইছো। তই অহীন্দ্ৰ, ফণীন্দ্ৰ, মহেনহঁতক মাত বুলি কৈ প্ৰসেনে নৈমিত্তিক কৰ্মখিনি কৰি প্ৰায় ১৫ মিনিট মানৰ ভিতৰত কাপোৰ পিন্ধি বৰপেটালৈ যোৱাৰ বাবে সাজু হ'ল।

ইতিমধ্যে হৰেন, ফণীন্দ্ৰ, মহেন, অহীন্দ্ৰ আহি প্ৰসেনহঁতৰ চোতাল পালে। চাৰিওজনে লৰালৰিকৈ ঘোপকুছি চ'কলৈ ঢাপল মেলিলে। হৰেনেবাছৰ মাত শুনি দৌৰি গ'ল। তেতিয়া সাত বাজিছিলেই। বাছখন পুৰা সাত বজাতেই ঘোপকুছি চ'ক পায়। বাছখন আহি ঘোপকুছি চ'কত ৰোৱাত হৰেনে কিছু সময়ৰ বাবে বাছখন ৰখালে।

প্রসেন, অহীন্দ্র মহেনে ফোঁপাই ফোঁপাই বাছখনত উঠিল। বহু ঠাইতো দূৰৰে কথা বাছখনত কোনো মতে দেহকেইটা সোমাবলৈহে সিহঁত সক্ষম হ'ল। হেন্দিমেনজনে হুইচেলটো বজাই দিয়াৰ লগে লগে গিয়াৰ চেঞ্জৰ প্ৰচণ্ড শব্দ কৰি বাছখনে সমুখলৈ গতি কৰিলে। বাছৰ ভিতৰৰ মানুহবোৰে ভয়তে ত্ৰাহি মধুসূধন সোঁৱৰিলে। দুই একে কৃষ্ণ, কৃষ্ণ বুলি ভগৱানক স্মৰণ কৰিলে।

বাছখন নিৰ্দিষ্ট গতিত চলিল। ৰাস্তাৰ যতে পেচেঞ্জাৰ পালে তাতে পেচেঞ্জাৰ উঠাই বাছখন বৰপেটা অভিমুখে গৈ থাকিল। প্ৰায় ছাৰে ন মান বজাত বাছখন গৈ বৰপেটা নগৰ পালে। হেন্দিমেনজনে বাছৰ ওপৰত থকা হাঁহ-পাৰৰ খাওৱা, ধান, শাক-পাচলি আদিৰ বস্তাবোৰ নমাই মালিক সকলক দিলে। প্ৰসেনহঁতেও গাঁৱৰ কেইজনমান বয়সস্থ লোকৰ পৰামৰ্শক্ৰমে নিয়া নাৰিকল, জহা চাউল নিয়া সৰু বস্তাটো আৰু ঘিউৰ ডাঙৰ টেমা দুটা থকা মোনাখন নমাই লৈ শৰ্মাৰ ঘৰলৈ গ'ল। শৰ্মাৰ ঘৰ তেওঁলোকে চিনি নেপায়। সেয়ে প্ৰথমে কংগ্ৰেছ অফিচলৈ গৈ শৰ্মাৰ ঘৰৰ ঠিকনাটো ল'লে। ঠিকনা লৈ শৰ্মাৰ ঘৰ উলিয়ালে। শৰ্মা তেতিয়া ঘৰত নাছিল। প্ৰসেন, অহীন্দ্ৰ, ফণীন্দ্ৰ আৰু মহেশে শৰ্মাৰ ঘৰৰ বাৰাণ্ডাত থকা বেঞ্চখনতে বহিলে আৰু শৰ্মা অহালৈ অপেক্ষা কৰিলে। কিছু সময় পিছত শৰ্মা আহিল। প্ৰসেনহঁতৰ লগত চিনাকি হ'ল।

ঃ অ, মই যোৱাকালি ৰাতিয়েই খবৰটো পাইছো। গগন, ৰজত, সিন্ধুবাইহঁতক যোৱাকালি সন্ধিয়াই শৰতপুৰৰ পৰা ইয়াৰ সদৰ থানালৈ আনিছে। আমাৰ অফিচৰ পিয়ন বলেনে কিবা কাৰণত থানালৈ যাওতে গগন আৰু ৰজত মেম্বৰক লগ পাই সকলো কথা গম পাই তেওঁলোকৰ লগত কথা পাতি মোক খবৰটো আহি দি গৈছে। মই থানালৈ ফোন কৰি গোটেই কথাবোৰৰ ভূ লৈ তেওঁলোকক থানাতে ভালকৈ খোৱাবোৱাৰ ব্যৱস্থা কৰি ৰাতিটো ৰাখিবলৈ অ'চিক কৈছো। সিহঁতে কেচ এটা দিছে। সেইবাবে আমাৰ নৰনাৰায়ণ গোসাঁই উকীলক মই কৈ আহিছো জামিনত তেওঁলোকক খালাচ কৰাৰ ব্যৱস্থা কৰিবলৈ। তোমালোক কোৰ্টলৈ যোৱা। তাত নৰনাৰায়ণ উকীলক লগ ধৰিলে সকলো কথা জানিব পাৰিবা। পইচা যদি আনিছা কাগজ পত্ৰৰ খৰচৰ বাবে গোসাই উকীলক অলপ দিবা।

ঃ ছাৰ, আমাৰ ৰাইজে ঘৰৰে এইখিনি বস্তু আপোনাক দিবলৈ আমাৰ হাতত দি পঠাইছে— ফণীন্দ্ৰই বস্তাটো আৰু ঘিউৰ ডাঙৰ জগ দুটা থকা মোনাখন দেখুৱালে।

ঃ ছি ছি এইবোৰ কিয় আনিছা হে, এইবোৰ আনিলে মই ভাল পাও বুলি নাভাবিবা। যি কৰিছা কৰিছা ভৱিষ্যতে এইবোৰ বা যিকোনো বস্তু মোলৈ নানিবা। মই বেয়া পাও— বুলি এজন সাধু লোক হিচাপে ইমেজ থকা শৰ্মাই কথাখিনি কৈ প্ৰসেনহঁতক বিদায় দিলে। প্ৰসেনহঁতেও তাৰ পৰা কাছাৰীলৈ আহি প্ৰথমে কাছাৰীৰ এখন দোকানত

বহি চাহ খালে। তাত সিহঁতে দুন্দুভি চৌধুৰীকে ধৰি তেওঁৰ দলৰ লোকসকলক চাহ খাই থকা দেখা পালে।

অলপ পিছত কাকতল গাঁৱৰ গগন মেম্বৰ, ৰজত মেম্বৰ, সিন্ধুৰা ডেকা, পদুমকুমাৰ প্ৰমুখ্যে আচামীসকলক কোৰ্টলৈ এখন বাছত অনা প্ৰসেনহঁতে দেখিলে। সিহঁত তেওঁলোকৰ ওচৰলৈ গৈ গাঁৱৰ কথা, শৰ্মাৰ লগত হোৱা সকলো কথা বিৱৰি ক'লে। নৰ নাৰায়ণ উকীল আহি তেওঁলোকক কিবা ইঙ্গিত দি দণ্ডাধীশৰ সমুখত থিয় হৈ ইংৰাজীতে নিজৰ যুক্তি দাঙি ধৰি গগন মেম্বৰহঁতক জামিনত দিবলৈ অনুৰোধ কৰিলে। দুন্দুভিহঁতৰ উকীলে তাত আপত্তি কৰি যুক্তি দৰ্শালে। দুয়োজন উকীলৰ কিছু সময় ধৰি কথা-কটাকটি হ'ল। এনেতে লাঞ্চৰ সময় হোৱাত দণ্ডাধীশে আঢ়ৈ বজাত ৰায় দিম বুলি কৈ দুপৰীয়াৰ আহাৰ খাবলৈ গ'ল। প্ৰসেনহঁতে উকীল নৰনাৰায়ণ গোসাঁইৰ কথামতে গগন মেম্বৰহঁতক চাহ আৰু শিংৰা খাবলৈ দিলে। প্ৰসেনহঁতেও এখন হোটেললৈ গৈ ভাত খাই ল'লে।

আঢ়ৈ বজাত পুনৰ কোৰ্ট বহিল। নৰনাৰাণ গোসাই যথাসময়ত আহি কোৰ্টত উপস্থিত হ'ল। প্ৰসেনহঁতেও কোৰ্টৰ বাৰান্দাৰ পৰা দণ্ডাধীশৰ ৰায়লৈ অপেক্ষা কৰি বাৰাণ্ডাত থিয় হৈ সতৃষ্ণ নয়নে দণ্ডাধীশলৈ চাই থাকিল। দণ্ডাধীশজন যুৱক। তেওঁ কাগতপত্ৰবোৰ অলপ সময় চাই আচামীসকলৰ আবেদন মঞ্জুৰ কৰা হ'ল অৰ্থাৎ আচামী গগণ মেম্বৰ, ৰজত মেম্বৰ, সিন্ধুৰা কলিতাকে ধৰি ২০ জন আচামীৰ জামিন মঞ্জুৰ কৰিলে।

ৰায়টো শুনি প্ৰসেনহঁতৰ মুখত হাঁহি বিৰিঙিল। প্ৰসেনে তৎক্ষণাৎ কোৰ্টৰ আচামী ৰখা পুলিচ কোৰ্টলৈ গৈ গগণ মেম্বৰহঁতক জামিন হোৱা খবৰটো দিলে। গগন, ৰজত, সিন্ধুৰা আদি সকলোৱে স্বস্তিৰ নিশ্বাস পেলালে।

উকীল নৰনাৰায়ণ গোসাইয়ে অলপ পিছত পি, আই কোৰ্টলৈ গৈ গগন মেম্বৰহঁতৰ এখন কাগজত চহী ল'লে। চহী লোৱাৰ পাছতে পুলিচে তেওঁলোকক পি আই কোৰ্টৰ পৰা যাবলৈ দিলে।

ইপিনে শৰ্মাই কংগ্ৰেছ অফিচৰ পিয়ন বলেনক এখন বাছ ঠিক কৰিবলৈ কৈ থৈছিল। জামিনত খালাচ হৈ গগণ মেম্বৰহঁত কংগ্ৰেছ অফিচলৈ আহি শৰ্মাক লগ ধৰি কৃতজ্ঞতা প্ৰকাশ কৰিলে। "হ'ব, হ'ব, এইটো মোৰ কৰ্তব্য বুলি ধৰিহে কৰিছো এতিয়া ঘৰলৈ যোৱা। মই বাছ এখন ৰিজাৰ্ভ কৰি থৈছো। বলেনে দেখুৱাই দিব। পিছত গাগেলিৰ মাটি আৰু কেচ সম্পৰ্কে সকলো কথা ভালকৈ পাতিম"— কথাকিনি কৈ গগন মেম্বৰহঁতক বিদায় দি শৰ্মা ঘৰলৈ গ'ল। যোৱাৰ আগতে শৰ্মাই প্ৰসেনক দেখুৱাই ক'লে— "এই ল'ৰাটোক তহঁতে চাবি। ভৱিষ্যতে ইয়াৰ কথামতে কামবোৰ কৰিবি।

ইয়াৰ কথা আৰু কামত ভৱিষ্যৎ নেতৃত্বৰ বীজ লুকাই আছে।”

বলেন পিয়নে গগনমেম্বৰ প্ৰমুখ্যে সকলোকে নি থানাৰ কাষতে ৰাখি থোৱা বাছ এখনত উঠাই দিলে। সকলোৱে বাছত উঠিল। বাছখন কাকতল অভিমুখে ৰাওনা হ'ল। সকলোৰে মুখত হাঁহি। ৰাতি প্ৰায় সাতমান বজাত বাছখন আহি ঘোপকুছি চ'ক পালে। তাতেই সকলোৱে নামি কাকতললৈ খোজ দিলে। কাকতলৰ মানুহে গগন মেম্বৰহঁত জামিনত খালাচ হৈ অহা খবৰটো পাই ঘোপকুছি চ'কলৈ দৌৰা দৌৰি কৰি গ'ল। প্ৰায় দুশমান মানুহ তাত হাজিৰ হ'ল। সকলোৱে সমদল কৰাৰ দৰে কৰি গগন, ৰজত মেম্বৰহঁতক কাকতললৈ আগবঢ়াই আনিলে। কাকতলত আনন্দৰ ৰোল উঠিল। প্ৰায়বোৰ কাকতলবাসী বৰপুখুৰী পাৰত লগ হ'ল। বৰপুখুৰী পাৰ মানুহেৰে ভৰি পৰিল।

কোনোবাই বৰপুখুৰীৰ সিটো পাৰত গোৱা গীত এটা ভাঁহি আহি উপস্থিত সকলোৰে কাণত পৰিল—

“অ' আমাৰ গাঁও
আমাৰ গাঁৱৰ মান ৰাখি
মৰিবলৈ যাও আমি
মৰিবলৈ যাও ....।”

(সাত)

আহাৰ মাহ। জেঠ মাহৰ পৰাই এইবাৰ বতাহ বৰষুণ আৰু ধুমুহাই ৰাজ্যখনৰ জন জীৱন ব্যতিব্যস্ত কৰি তুলিছে। জুলাইৰ প্ৰথম সপ্তাহ অৰ্থাৎ আহাৰৰ মাজভাগত ৰাজ্যখনৰ নদ-নদী জান-জুৰিবোৰ পানীৰে ফেনে-ফোটোকাৰে উপচি পৰিছে। চাৰিওপিনে আবতৰীয়া বান পানীৰ তাণ্ডৱ নৃত্য। জনকপুৰ অঞ্চলৰ গাঁৱবোৰতো বানপানীয়ে উগ্ৰমূৰ্তি ধৰি মানুহৰ খেতি পথাৰ, ৰাস্তা-ঘাট ঘৰ-দুৱাৰ আদি ডুবাই পেলাইছে। জনকপুৰ অঞ্চলত বানপানী নতুন কথা নহয়। ওচৰতে থকা তৃষ্ণা, বুঢ়াদল, কালনাথ এই তিনিখন নৈৰ মথাউৰি ভাঙি প্ৰতি বছৰে বিহু অহাদি বানপানী আহে। বানপানীয়ে এনে দুৰ্দশাৰে মানুহক ব্যতিব্যস্ত কৰি তোলাৰ সময়তে আহাৰ মাহৰ তৃতীয় সপ্তাহ অৰ্থাৎ জুলাই মাহৰ ২ তাৰিখে মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিলে। ২ জুলাই তাৰিখে প্ৰসেনহঁতে ৰেডিঅ'ৰ বাতৰিত পৰীক্ষাৰ ৰিজাল্ট দিয়া খবৰটো পালে। খবৰটো পোৱাৰ পাছত প্ৰসেনৰ মনত

উগুল-থুগুল ভাব। ইপিনে ঘৰে-দুৱাৰে চোতালে-পথে একাঁঠু পানী। কৰো মানুহ কেনিও যাব নোৱাৰি। সন্ধিয়া পৰীক্ষাৰ ৰিজাল্ট দিয়া খবৰটো পাই ৰাতি প্ৰসেনৰ টোপনি নাহিল। ভাল-বেয়া নানা চিন্তাই মনত জুমুৰি দি এবাৰ মনটো আকাশলৈ এবাৰ পাতাললৈ অহা যোৱা কৰি থাকিল।

পুৱতি নিশা। কাকতল গাঁৱৰ দক্ষিণ চুবাত তিৰোতা মানুহৰ হিয়াভঙা কান্দোনৰ ৰ'ল প্ৰসেনহঁতৰ কাণত পৰিল। ৰজত মেম্বৰে বিচনাৰ পৰা নামি পানী ভাঙি গৈ ঘৰৰ দুৱাৰমুখত ঠিয় হ'ল। কেবাজনো মানুহৰ কান্দোনে কাকতল কঁপাই তুলিলে। ইতিমধ্যে প্ৰসেনেও আহি পিতাকৰ কাষত থিয় হৈছিলহি। প্ৰসেনে হাতত লেমটো লৈ আনিছিল।

ঃ চাও লেম্পটো মোক দে, তই শুই থাক যা। মই কাৰ কি হৈছে খবৰকে লৈ আহো- বুলি ৰজত মেম্বৰে প্ৰসেনক শুই থাকিবলৈ কৈ দক্ষিণ চুবালৈ যাবলৈ সাজু হ'ল।

ঃ পিতা ময়ো যাওঁ ব'ল। ৰাতিৰ কথা তাতে চাৰিওপিনে পানী। পানী বাঢ়িয়েই আছে— প্ৰসেনে ক'লে।

ঃ যাব খুজিছ যদি ব'ল— বুলি কৈ ৰজত মেম্বৰ আৰু পুতেক প্ৰসেনে কাকতলৰ দক্ষিণ চুপালৈ খুপি খুপি খোজ দি পানী ভাঙি লাহে লাহে খোজ দিলে। প্ৰসেনৰ মাক মায়াবতীৰে 'বেছি দেৰি নকৰিবি প্ৰসেন সোনকালে আহিবি'- বুলি ঘৰৰ বাৰাণ্ডাৰ পৰাই প্ৰসেনহঁতক সোনকালে আহিবলৈ ক'লে।

কিছু সময় পিছত বৰপুখুৰীৰ পাৰহৈ বৈভৱ কুমাৰৰ ঘৰৰ দুৱাৰমুখ পোৱাত বৈভৱ কুমাৰে ৰজত মেম্বৰ আৰু প্ৰসেনক মাত দি ক'লে— অ' মেম্বৰকা আহিছা, কি কবা আমাৰ বীৰহুৰ ঘৰত বিপদ, মহা বিপদ। দিনৰ দিনটো হাড়ভঙা পৰিশ্ৰম কৰি বীৰহু ৰাতি সোনকালে আটাৰে পিঠা কেইখনমান বনাই খাই শুই আছিল। ভাগৰুৱা দেহা, বিছনাখনত পৰাৰ লগে লগে ঘোৰ টোপনিয়ে গ্ৰাস কৰিলে তাক। ৰাতি চতুৰ্থ প্ৰহৰত সাৰ পাই দেখে ঘৈণীয়েক ভদৰীৰ কাষত শুই থকা ডেৰবছৰীয়া ল'ৰাটো নাই। ঘৰৰ ভিতৰত পানীৰ ভীষণ ধাৰ। পানীও প্ৰায় এক উৰু মান হ'ব। এতিয়া তাকে বিচাৰি বীৰহু আৰু চুবাৰ ডেকা ল'ৰাবিলাকে ঘৰ-বাৰী চলাথ কৰি আছে। বীৰহুৰ ঘৈণীয়েকৰ হিয়াভগা কান্দোনত তাত থকাটো টান হৈ পৰাত মই এইমাত্ৰ তাৰ পৰা আহি ইয়াতে অলপ থিয়দি তহঁত দুটাক দেখি ৰৈ আছো।

ঃ ছিঃ ছিঃ বৰ বেয়া কথা হ'ল দে, বৰ দুখৰ কথা হ'ল, ব'ল চোন ব'ল, বৈভৱ এবাৰ বীৰহুৰ ঘৰৰ পৰা আহো।

ঃ ব'ল, ব'ল মেম্বৰকা।

বৈভৱ, ৰজত মেম্বৰ আৰু প্ৰসেনে লাহে লাহে বীৰহুহঁতৰ ঘৰলৈ খোজ ল'লে।

বৈভৱে তাৰ সমুখৰ বেৰখনৰ তিনিটা গোঁজ আনি এটা ৰজত মেম্বৰক, এটা প্ৰসেনক আৰু এটা নিজে ল'লে। গোঁজেৰে পানীৰ উমান লৈ লৈ তেওঁলোক আগবাঢ়িল। অলপ পিছতে বীৰহুৰ ঘৰ পালে। ইতিমধ্যে বাৰী-ঘৰ ৰাস্তা আদি সকলোতে বীৰহুৰ ডেৰবছৰীয়া ল'ৰাটোৰ বিচাৰ-খোচাৰ কৰি আছে প্ৰায় ৩০। ৪০ জনমান মানুহে। ইতিমধ্যে ৰাতি পুৱাও পুৱাও হৈছে। বোৱাৰী পোহৰ পৰিছে।

ঃ নাই ক'তো নাপালো, কেনেকে পাবা যিহে পানীৰ ধাৰ, কৈলৈ বা উটাই নিলে— পানী ভাঙি প্ৰায় দুঘণ্টামান বিচাৰি ঘৰলৈ ঘূৰি আহি বীৰহুৱে বেজাৰ মনে কথাখিনি ক'লে। সকলোৱে ইচ্ আচি কৰি চ'কটোত লগ হৈছে। ৰজত মেম্বৰ আৰু প্ৰসেনেও দুখ প্ৰকাশ কৰি বীৰহু আৰু বীৰহুৰ ঘৈণীয়েকক মাত লগাই ডেকা ল'ৰাবিলাকক আৰু ভালকৈ চাই শটো অন্তত উলিয়াবলৈ কৈ ঘৰলৈ ঘূৰি আহিল। ইতিমধ্যে দিনৰ পোহৰ ফটফটীয়াকৈ পৰিছে কাকতলত। ৰাতিপুৱাৰ লগে লগে বীৰহুৰ ঘৰত ঘটা ঘটনাটোৰ কথা গোটেই কাকতলত ৰাষ্ট্ৰ হৈ পৰিল।

বেজাৰৰ ক'লা ডাৱৰে গাঁৱখন ঢাকি পেলালে। গাঁৱৰ মানুহবোৰে ভৰা পানীৰ মাজতে নিজ নিজ ঘৰৰ পৰা কোনোবাই ভেলেৰে, কোনোবাই হাতত লাঠি এডাল লৈ খুপি খুপি ওলাই আহি গাঁৱৰ চাৰিওফালে শটো বিচাৰি চলাথ কৰিলে। ক'তো নাপালে। বীৰহু আৰু বীৰহুৰ ঘৈণীয়েকক সান্ত্বনা দিয়াত বাহিৰে গাঁৱৰ মানুহবোৰেনো কৰিব কি?

ইপিনে ৰেডিঅ' যোগে কালি সন্ধিয়া মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিয়া খবৰ পাইও কাকতলত এটা মৃদু উত্তেজনা চলি আছে। কাকতলৰ ছয়জন ল'ৰাই এইবাৰ মেট্ৰিক পৰীক্ষা দিছে। তাৰ ভিতৰত প্ৰসেনো আছে। পৰীক্ষাৰ্থী আৰু পৰীক্ষাৰ্থীসকলৰ পৰিয়ালত এটা উগুল-থুগুলভাৱে চেপা উত্তেজনাৰ সৃষ্টি কৰিছে। বীৰহুৰ দেৰবছৰীয়া একমাত্ৰ ল'ৰাটো ৰাতি পানীত পৰি ভাঁহি যোৱা ঘটনাটোৱে গাঁৱখনত শোকৰ চাঁ পেলোৱাৰ সময়তে মেট্ৰিক পৰীক্ষাৰ ৰিজাল্টটোৱে গাঁৱখনত সৃষ্টি কৰিছে অন্য এক পৰিৱেশ। এনে পৰিৱেশৰ মাজতে ভেলেৰে প্ৰসেন, হৰেন, অহীন্দ্ৰ, নগিন্দ্ৰ, আদি কেইজনমান পৰীক্ষাৰ্থী এখন কলৰ ভেলেৰে নিজৰ নিজৰ লংপেণ্ট আৰু চাৰ্ট একোযোৰ গামোচাৰে মেৰিয়াই টোপোলা বান্ধি জনকপুৰ হাইস্কুললৈ গ'ল। ইতিমধ্যে জনকপুৰ হাইস্কুলৰ দুজন শিক্ষক ৰিজাল্ট আনিবলৈ খোজকাঢ়ি ত্ৰিনাথ নগৰলৈ গৈছে। ঘূৰি আহি পোৱা নাই। প্ৰসেনহঁতে স্কুলতে ৰিজাল্ট অহালৈ অপেক্ষা কৰি ৰ'ল। ঠিক এক মান বজাত শিক্ষক দুজনে ৰিজাল্ট আনি জনকপুৰ হাইস্কুল পালে। প্ৰসেনে প্ৰথম বিভাগত ভাল নম্বৰ পাই পাছ কৰিছে। হৰেনেও পাছ কৰিছে যদিও অহীন্দ্ৰ আৰু নগিন্দ্ৰৰ ৰিজাল্ট বেয়া। জনকপুৰ হাইস্কুলৰ চৈধ্যজন ল'ৰাই পৰীক্ষা দিছিল। তাৰে ৯ জন ল'ৰাই পাছ কৰি স্কুলৰ ৰিজাল্ট ভালেই কৰিছে। প্ৰধান শিক্ষকক ধৰি সকলো শিক্ষকে ৰিজাল্ট

ভাল হোৱা বাবে চাহ-মিঠাই খালে। ভেন্দাৰ স্কুল। ৰিজাল্টৰ ওপৰত পাৰ্মিচন, স্বীকৃতি আদি নিৰ্ভৰ কৰে। কাকতল গাঁৱৰো ছয়জন ল'ৰাই জনকপুৰ হাইস্কুলৰ পৰাই পৰীক্ষা দিছিল যদিও প্ৰসেন আৰু হৰিনেহে পাছ কৰিলে। বাকীকেইজনৰ ৰিজাল্ট বেয়া।

গোটেই ত্ৰিনাথ মৌজাকে ধৰি কাকতলত বানপানীৰ তাণ্ডৱলীলা চলি থকাৰ কাৰণে ৰিজাল্ট ভাল হ'লেও জনকপুৰ হাইস্কুলত যি ধৰণৰ আনন্দ-স্ফূৰ্তি হ'ব লাগিছিল, নহ'ল। তথাপি পৰীক্ষাত পাছ কৰা ছাত্ৰকেইজন আৰু শিক্ষকসকলে মিলি স্কুলখন স্থাপন কৰা জনকপুৰ অঞ্চলৰ মুখ্য সমাজকৰ্মীসকলক লৈ এখন ৰাজহুৱা সভা পতাৰ সিদ্ধান্ত ল'লে। বানপানী শেষ হোৱাৰ পাছতে সভাখন পাতি পাছ কৰা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে বানপানীয়ে ইতিমধ্যে ক্ষতি কৰা স্কুলৰ কোঠাকেইটা মেৰামতি কামৰ বিষয়েও আলোচনা কৰাৰ কথা ঠিক হ'ল।

ঃ পিছে প্ৰসেন, তইনো ক'ত পঢ়িম বুলি ভাবিছ? স্কুলৰ হেডমাষ্টৰ কলিতাই সুধিলে প্ৰসেনক।

ঃ ছাৰ সৰুৰে পৰা কটন কলেজ পঢ়াৰ মোৰ বৰ ইচ্ছা। চাও পিতাই যদি টকা-পইচা যোগাৰ কৰিব পাৰে, তেনেহ'লে কটন কলেজতে পি, ইউ (আৰ্টচ) পঢ়িম বুলি ভাবি আছো।

ঃ চিন্ত অৱশ্যে তই পাবি। টকা-পইচা যোগাৰ কৰাটোহে মূল কথা- শিক্ষক মহানন্দ শৰ্মাই ক'লে।

এনেতে স্কুলত স্কুলৰ প্ৰতিষ্ঠাতা সভাপতি অভিৰাম পাঠক আৰু সম্পাদক গগন কলিতা আহি স্কুলত উপস্থিত হ'ল। তেওঁলোক আহিয়েই প্ৰসেনক দেখি বৰ আনন্দ পালে আৰু প্ৰসেনকে ধৰি তাত থকা ল'ৰাকেইটাক পৰীক্ষাত পাছ কৰি স্কুলখনৰ মান ৰখাৰ বাবে আশীৰ্বাদ দিলে।

স্কুল এখন কৰাটো কিমান টান কাম সেই কথা ভুক্তভোগীয়েহে জানে। শিক্ষকসকলৰ মুখৰ পিনে চালে বেথাই লাগে। অথচ আমাৰ উপায়ো নাই। চাহ পানীখিনি খোৱাৰ জোখাৰে পইচা কেইটামান দিব নোৱাৰো। অথচ বছৰৰ পিছত বছৰ ধৰি এই শিক্ষকসকলে কিমান ত্যাগ কৰি স্কুল গঢ়াৰ বাবে, ৰিজাল্ট ভাল কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। ছাত্ৰ-ছাত্ৰী অভিভাৱক আৰু অঞ্চলটোৰ ৰাইজৰ পৰা পোৱা শ্ৰদ্ধা আৰু মৰমে এওঁলোকৰ বৰ্তমান কৰ্মৰাজিৰ মূলধন। কিবা এক ভাবাৱেশত কথাখিনি অফিচৰুমত বহি বক্তৃতা দিয়া দৰে ক'লে স্কুলৰ মেনেজিং কমিটীৰ সভাপতি অভিৰাম পাঠকে। জনকপুৰ হাইস্কুলৰ বৰ্তমানলৈ নিজা কোনো অফিচ নাই। এম, ই স্কুলখনৰ অফিচতে হাইস্কুলৰো অফিচ। দুইখন স্কুলৰ শিক্ষকসকল একেলগে তাতেই বহে। স্কুল দুখনৰ পঢ়োৱা ৰুটিনো একেখনেই। হাইস্কুলৰ শিক্ষকে এম. ই. স্কুলতো ক্লাছ কৰে

আৰু এম. ই. স্কুলৰ শিক্ষকে হাইস্কুলতো ক্লাছ কৰে।

কিছু সময় পিছত অভিৰাম পাঠক আৰু গগন কলিতা স্কুলৰ পৰা গ'ল। এনেতে আহিল জনকপুৰ এম. ই. স্কুলৰ হেডমাষ্টৰ প্ৰতাপ শৰ্মা। প্ৰতাপ শৰ্মা ত্ৰিনাথ টাউনৰ পৰা প্ৰায় তিনি কিলোমিটাৰ উত্তৰে থকা মথনপুৰ গাঁৱত ঘৰ। জনকপুৰ এম. ই. স্কুলখন প্ৰতিষ্ঠাৰ দিনৰে পৰাই হেডমাষ্টৰ হিচাপে কাম কৰি আহিছে। বি, এ পাছ। বৰ কাঢ়া। ছাত্ৰ-ছাত্ৰীসকলে প্ৰতাপ শৰ্মাৰ ভয়ত স্কুলত পেঁপুৱা লাগি থাকে। এজন ব্যক্তিত্বসম্পন্ন লোক যদিও শিক্ষক হিচাপে অনিয়মীয়া। প্ৰায়ে স্কুল খতি কৰে। তথাপি জনকপুৰ অঞ্চলৰ মানুহে তেওঁক ভাল পায়। অঞ্চলটোৰ সুখ-দুখৰ সমভাগী হৈ থাকে প্ৰতাপ শৰ্মাই।

ঃ প্ৰসেন অ' প্ৰসেন তইটো কটন কলেজতে এডমিচন লবি। হ'ব, হ'ব চিন্তা নকৰিবি। মেৰিট স্কলাৰশ্বিপ পাবি নহয়, হৈ যাব— প্ৰসেনক উৎসাহ দি কথাখিনি ক'লে প্ৰতাপ শৰ্মাই।

ঃ আমি তাকেইটো আলোচনা কৰি আছো, গুৱাহাটীত ৰাখি ৰজত মেম্বৰে প্ৰসেনক পঢ়ুৱাব পাৰিব নে নোৱাৰে— শিক্ষক কন্দপান তালুকদাৰে ক'লে।

ঃ আপোনালোকৰ সন্দেহ অমূলক নহয়। যোৱা এঘাৰ বছৰে ধৰি এই জনকপুৰ অঞ্চলত মই আছো। ৰজত মেম্বৰকে ধৰি অঞ্চলটোৰ প্ৰায়বোৰ পৰিয়ালৰ নাড়ী-নক্ষত্ৰৰ কথা মই জানো। বাৰ মাহৰ কেইদিন কাৰ ঘৰত চৌকাত জুই নজ্বলে সিও মোৰ নখ দৰ্পণত আছে। এই জনকপুৰ এম. ই. পৰা এম. ই. পাছ কৰাৰ পাছত দুই-এজনত বাহিৰে শতকৰা ৯৮ ভাগেই হাইস্কুলৰ মুখ নেদেখাকৈয়ে জীৱন পাত কৰিছে। ৰজত মেম্বৰও কোনোমতে পেটে ভাতে খাই থকা এজন লোক। বেচিভাগ সময় সমাজৰ কামত ঘূৰি ফুৰোতে যায়। প্ৰসেনৰ মূৰতে যে ঘৰখনৰ বেচিভাগ দায়িত্ব পৰে তাকো মই জানো। আচলতে পঢ়াৰ মাজতে সিহে যে খেতিৰ কাম কৰি ঘৰখনৰ নটা প্ৰাণীৰ পোহপাল দি আছে তাকো মই জানো। প্ৰতিকূল অৱস্থাৰ মাজতে তাৰ মনত উচ্চ চিন্তাই বাহ লোৱাটোত মই বেয়া পোৱা নাই। আচৰিতো হোৱা নাই। কিয়নো তাৰ মেধা আছে, সাহস আৰু প্ৰজ্ঞা আছে, আত্মবিশ্বাস আছে আৰু আছে এটা দুৰ্দমনীয় সংকল্প। কথাতে কয় বোলে— "Heaven helps those who help themselves."- প্ৰতাপ শৰ্মাই প্ৰসেন সম্পৰ্কে বক্তৃতা এটা দিয়াৰ দৰে কথাখিনি কৈ সকলো সহকৰ্মী শিক্ষকক যিয়ে যেনেকৈ পাৰে প্ৰসেনক আৰ্থিক ভাৱে সহায় কৰিবলৈ অনুৰোধ জনালে। সেই সময়ত প্ৰসেন তাত নাছিল। লগৰ ল'ৰা কেইজনৰ লগত ওচৰতে থকা চাহ দোকানখনত চাহ খাবলৈ গৈছিল। ঘূৰি আহি সি স্কুলৰ অফিচৰ বাৰাণ্ডাত পুনৰ থিয় হ'ল।

ঃ বুজিছা প্ৰসেন, তই কটন কলেজতে এডমিচন লবি। আমিও তোক অলপ

সহায় কৰিম। গুৱাহাটীলৈ যোৱাৰ আগতে এবাৰ স্কুললৈ আহিবি। পাৰিবি যা, সাহসেহে সিদ্ধিৰ মূল— বুলি প্ৰসেনক উৎসাহ উদ্দীপনা দিলে প্ৰতাপ শৰ্মাই। প্ৰসেনও 'হ'ব ছাৰ' বুলি কৈ ঘৰলৈ যাবলৈ ওলাল লগৰ ল'ৰা কেইজনৰ লগত।

ঃ ঐ প্ৰসেন, শুন শুন এতিয়াৰে পৰা তই পঢ়া শুনাতহে মন-প্ৰাণ সপি দিবি। সামাজিক কাম কৰা, নাটক কৰা, মেল-মিটিং কৰা এইবোৰ কাম কমাবি। জীৱনত এইবোৰ কৰিবলৈ বহুত সময় পাবি। পঢ়াৰ সময় এবাৰ গ'লে তাক কিন্তু পুনৰ নাপাবি। দেখাত খঙাল যেন লগা প্ৰসেনহঁতক মাজে মাজে অংক শিকোৱা শিক্ষক ভূধৰ পাঠকে সকীয়নিৰ সুৰত কথাখিনি ক'লে প্ৰসেনক।

হাইস্কুলৰ হেডমাষ্টৰ কলিতাইও শিক্ষক ভূধৰ পাঠকৰ কথাত হয়ভৰ দি প্ৰসেনক দুই-চাৰিদিনৰ ভিতৰত মাৰ্কশ্বিট লৈ যাবলৈ ক'লে।

ঃ হ'ব ছাৰ- বুলি কৈ প্ৰসেনে স্কুলৰ পৰা গৈ স্কুলৰ সন্মুখতে থকা হৰেশ্বৰৰ সৰু চাহ দোকানখনত বহিলগৈ। তাত ইতিমধ্যে হৰেন, অহীন্দ্ৰ, প্ৰমোদ, ত্ৰিলোচন, অচ্যুত, চন্দ্ৰ আদি বহি আছিলেই। ইয়াৰে চন্দ্ৰ, অহীন্দ্ৰৰ ৰিজাল্ট বেয়া। বেজাৰ মনে আছে সেয়ে সিহঁত দুটাই। বাকীকেইজনে তৃতীয় বিভাগত পাছ কৰিছে। হৰেশ্বৰ দোকানীয়ে সিহঁতক একো কাপ চাহ আৰু একোখন হাথা বিস্কুট হাতে হাতে দি গ'ল।

ঃ ফেল মাৰিলেও তোৰ ৰিজাল্টত আমি বৰ আনন্দ পাইছো। গুৱাহাটীলৈ গৈ আমাক পাহৰি নাযাবি। গাঁৱতে থাকি খেতি-বাতিকে কৰিব লাগিব এতিয়াৰ পৰা। পিতাইতো ছোৱালী এজনী চাইয়েই থৈছে। ছোৱালীজনী ঘৰ সোমাই কেতিয়া কেকোৰা নাঙলৰ মুঠিত ধৰো তাৰ বাবে পিতাই দিনবাৰ গণিয়েই আছে- বেজাৰেৰে কথাখিনি ক'লে চন্দ্ৰৱে। চাহ খাই প্ৰসেনহঁত দোকানৰ পৰা ওলাই ঘৰলৈ যাবলৈ ওলাল। প্ৰসেন, অহীন্দ্ৰ, হৰেন্দ্ৰহঁতে সিহঁতে অনা কলৰ ভেলখনত উঠি কাকতললৈ ভেলখন বাই যাবলৈ ধৰিলে।

কেইদিনমান পিছত বানপানী শুকাল। কাকতলৰ মানুহবোৰৰ ঘৰবাৰী ৰাস্তা-ঘাটত পানী নাই যদিও পলস আৰু বোকাময় হৈ আছে ঠাইবোৰ। পথাৰৰ পৰা আহুধানবোৰ এতিয়াও পানীৰ তলতে আছে। শালি ধানৰ কঠীয়াবোৰ সমূলি নষ্ট হৈছে। খেতিয়ক ৰাইজ মহা বিপাঙত পৰিছে, আৰু কেইদিনমান পাছতেই শালি খেতি কৰাৰ সময়। নতুনকৈ কঠীয়া পাৰিবলৈ কঠীয়াৰ বিধানো নাই কোনো ঘৰত। তদুপৰি চাৰিওপিনে দুৰ্গন্ধময় পৰিৱেশ এটা। গোহালিৰ গৰুৱে যোৱা প্ৰায় ১৫ দিন মানেই খেৰ আৰু কলগছৰ বাহিৰে আন ঘাঁহৰ মুখ দেখা নাই। তেজ হাগনি হৈ কাকতলৰ কেবাঘৰো হালৰ গৰু সিপুৰী পাইছে। পানী শুকোৱাৰ লগে লগে চবকা নামৰ বেমাৰটোৱে গোহালিৰ গৰু-গাইবোৰক আক্ৰান্ত কৰিছে। সাতে-পাঁচে মানুহবোৰ অথাই সাগৰত পৰিছে। ত্ৰিনাথ

নগৰত এখন গৰুৰ ডাক্তৰখানা আছে যদিও যোৱা প্ৰায় এবছৰ ধৰি তাত ডাক্তৰ নাই। কম্পাউণ্ডৰ আৰু চকীদাৰজনেই ঔষধ আনিবলৈ যোৱা মানুহক দুই-চাৰিটা টেবলেট দি সান্ত্বনা দিয়ে। অকল যে গৰু-ছাগলীৰে এনে দুৰ্দশা হৈছে তেনে নহয়, কাকতল গাঁৱকে ধৰি জনকপুৰ অঞ্চলৰ শ শ সৰু ল'ৰা-ছোৱালীকে ধৰি বহু পুৰুষ-মহিলা জ্বৰ, শৌচ-বমি আদি বেমাৰত পৰি অৱস্থা কাহিল হৈ পৰিছে। ওচৰে-পাজৰে ডাক্তৰ বা ফাৰ্মাচী বুলিবলৈ নাই। ত্ৰিনাথ নগৰত এখন ডিচপিনচাৰী আছে। এজন ডাক্তৰ থাকে তাত। ঔষধ বুলিবলৈ বটলত কেইদাগমান মিকচাৰ দিয়ে। শৌচ, বমিৰ টেবলেটো দুই-চাৰিটা দিয়ে। চাৰি-পাঁচখন মৌজাৰ ভিতৰতে সেইখন ডিচপিনচাৰী। অনবৰত বেমাৰীৰে ঠাহ খাই থাকে। দুজন ডাক্তৰ দিবলৈ ৰাইজে বহু দৰখাস্ত দিলে, অনুনয় বিনয় কৰিলে চৰকাৰক যদিও এতিয়ালৈ কামত অহা নাই। মুঠতে ৰাইজৰ অৱস্থা পানীত হাঁহ নচৰা। অৱশ্যে এনে অৱস্থা এইবছৰেই যে হৈছে এনে নহয়, এনে অৱস্থা আৰু সমস্যাৰ লগত কাকতলেই কওক, জনকপুৰ অঞ্চলেই কওক বা ত্ৰিনাথ মৌজাকেই কওক, আজন্ম ধৰি ৰাইজে এনে অৱস্থা আৰু সমস্যাৰ সতে বন্ধুত্ব পাতি জীৱন ডিঙা বাই আহিছে। কিছুদিন হাল্লা-হট্টগোল পিছত সকলো বানপানী শুকাই যোৱাৰ দৰে নিজম পৰি যায়।

এনেবোৰ কথা ভাবি ভাবিয়েই প্ৰসেনে খোজকাঢ়ি ত্ৰিনাথ নগৰলৈ গৈ আছে। মাজে মাজে দুই এটা উজুটি খাই ভৰিত দুখ পাইছে যদিও তালৈ কাণ দিয়া নাই। গুৱাহাটীত, বিশেষকৈ কটন কলেজতে পঢ়াৰ উদগ্ৰ বাসনাই তাক কিবা এক সাহস, শক্তি আৰু উদ্দীপনা দিছে। ত্ৰিনাথ নগৰ পাই তাৰ সেই উদ্দীপনা বাঢ়িল। ভৱকান্তৰ চাহ দোকানৰ আগত ইতিমধ্যে নৰনাৰায়ণ, দীপ, তাৰক, পৱন আদি তাৰ লগৰীয়াকেইজন আগৰে পৰা বৈ কথা পাতি আছিল। প্ৰসেনক দেখি সিহঁত উল্লসিত হৈ পৰিল। ইয়াৰ ভিতৰত নৰনাৰায়ণ আৰু দীপৰ ৰিজাল্ট ভালেই। প্ৰথম বিভাগ পাইছে। তাৰক আৰু পবনে অৱশ্যে তৃতীয় বিভাগতহে পাছ কৰিছে। প্ৰসেন গৈ সিহঁতৰ ওচৰ পোৱাৰ লগে লগে সকলোৱে তাক অভিনন্দন জনালে।

ঃ ঐ ল'ৰাহঁত, ল'ৰাহঁত, আহ আহ, চাহ খাই যাহি। আজি তহঁতক মই বিনা পইচাই চাও খুৱাম। পৰীক্ষাত ভাল ৰিজাল্ট কৰাৰ বাবে— বুলি ভৱকান্ত দোকানীয়ে দোকানৰ বাৰাণ্ডাৰ পৰাই প্ৰসেন, নৰনাৰায়ণ, তাৰক, পবন আটাইকেইজনক চিঞৰি চিঞৰি মাতিলে। প্ৰসেনহঁতে প্ৰথমতে ভৱকান্তৰ কথাত গুৰুত্ব দিয়া নাছিল। চাহতো সিহঁতে খাবই। সেইখন দোকানতে সিহঁতে সদায় চাহ খাই আহিছে। কিন্তু ভৱকান্ত দোকানীয়ে বিনা পইচাই চাহ খুৱাব এনে কথা ভবাটোও ভুল। মানুহক বাকীটো নিদিয়েই গ্ৰাহকৰ দুই-এক পইচা কম হ'লেও জোৰ কৰি পইচা লোৱা বুলি তেওঁৰ বদনাম এটা আছেই। তথাপিও মানুহজনক মানুহে সৎ বুলি কয়। মানুহজনে মিছা কথা নকয়।

ব্যৱসায়ত ৰক্ষা কৰিবলগীয়া সততা সদায়ে ৰাখি আহিছে। কোনো বস্তুতে কি চাহ, কি মিঠাই ভেজাল নকৰে। তথাপিও প্ৰসেনহঁত ভৱকান্তৰ দোকানলৈ গ'ল। চাহ চিঙৰাৰ অৰ্ডাৰ দিলে ল'ৰা এটাক।

ঃ নাই, নাই, অৰ্ডাৰ দিব নালাগে। ঐ বলহু, ইহঁতক একোটাকৈ গোল্লা আৰু একোটাকৈ চিংৰা দে, চাহো স্পেচিয়েল দিবি।

কথামতে কাম। গোল্লা, চিংৰা, স্পেচিয়েল চাহ আনি বলহুৱে টেবিলত থ'লে। প্ৰসেনহঁতে আনন্দমতে চাহ মিঠাই খালে।

ঃ তহঁতৰ পৰীক্ষাৰ ৰিজাল্ট ভাল হোৱা বাবেহে যে মই চাহ খুৱালো বাপেৰহঁতক কিন্তু কবি। নক'লে চাবি। বাপেৰহঁতেটো মোক কৃপণ নাম্বাৰ ওৱান বুলি মাতে।

চাহ খাই দোকানৰ পৰা ওলাই ওচৰতে থকা হৰকান্তৰ পান দোকানখনত নৰনাৰায়ণে তামোল এখন খালে। তামোলখন মুখত ভৰাই সি হাতঘড়ীটোলৈ চাই দেখিলে ১২-৩০ টা বাজিবলৈ মাত্ৰ কেইচেকেণ্ডমান হে আছে।

ঃ ঐ প্ৰসেন, দীপ লেজাৰ হ'ল মই অলপ আগৰ পৰা আহো— বুলি কিছু সময় আগৰে পৰা উচ্পিচ্কৈ থকা নৰনাৰায়ণে ভৱকান্তৰ চাহ দোকানৰ সমুখৰ পৰা অলপ আগলৈ গ'ল। দীপ, তাৰক আৰু পৱনে মিচিক মাচাককৈ হাঁহা দেখি প্ৰসেনে নৰনাৰায়ণৰ কি হ'ল বুলি সিহঁতক সুধিলে।

ঃ কি হ'ব আৰু নৰনাৰায়ণক প্ৰেমৰ ভূতে লম্ভিছে। সাধন মাষ্টৰৰ জীয়েক শতাক্ষীয়ে তাৰ টোপনি হৰণ কৰিছে- পৱনে কাণে কাণে প্ৰসেনক কথাকেইষাৰ ক'লে।

নৰনাৰায়ণ। মুক্তি যুঁজাৰু হৰিহৰ গাঁৱবুঢ়াৰ পুতেক। পঢ়া-শুনাত যেনে চোকা দেখিবলৈও তেনে সুন্দৰ। বাপেকৰ ঘৰৰ অৱস্থা ভাল। অভাৱ কাক কয় ভালকৈ নাজানে। মেট্ৰিক প্ৰথম বিভাগতে পাছ কৰিছ। বাপেককে ধৰি ঘৰৰ মানুহ বিলাকে বৰ মৰম কৰে। সেই নৰনাৰায়ণে ত্ৰিনাথ ছোৱালী হাইস্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী শতাক্ষীক লগ পাবলৈ পৱন, দীপ, তাৰক আৰু প্ৰসেনক এৰি 'ত্ৰিকাল বুকষ্টল'ৰ ওচৰলৈ গ'ল। প্ৰসেনহঁতেও অলপ আগলৈ গৈ নৰনাৰায়ণৰ গতি বিধি চাই থাকিল। অলপ পিছতে তিনিজনী ছোৱালী ত্ৰিকাল বুকষ্টললৈ আহিল। শতাক্ষী নামৰ ছোৱালীজনীয়ে নৰনাৰায়ণৰ কাষত বৈ গ'ল। বাকী দুজনী বুকষ্টলখনত সোমাল। প্ৰসেনে দেখিলে বুকষ্টলত সোমোৱা ছোৱালী দুজনীৰ এজনী নৈৰঞ্জনা। নৈৰঞ্জনাই প্ৰসেনক দেখিছে নে নাই সি নাজানে। কিছু সময় নৰনাৰায়ণ আৰু শতাক্ষীয়ে কথা পতাৰ পিছত নৰনাৰায়ণে প্ৰসেনক তাৰ ওচৰলৈ মাতিলে। প্ৰসেন গ'ল। প্ৰসেনক নৰনাৰায়ণে শতাক্ষীক চিনাকি কৰি দিলে।

ঃ আপোনাৰ কথা নৈৰঞ্জনাই কৈছে। ৰিজাল্টৰ বাবে কন্‌গ্ৰেটিউলেচন। বুকষ্টলখনৰ

পৰা নৈৰঞ্জনা আৰু লগৰ ছোৱালীজনী ওলাই আহিল। প্ৰসেনক দেখি নৈৰঞ্জনাই চ'ক খাই গ'ল। লাজত নৈৰঞ্জনা মৰাৰ দৰে হ'ল। তলমূৰ কৰিয়েই তাই প্ৰসেনক কনগ্ৰেটিউলেচন জনালে।

ঃ আপুনি আজি ৰহিলাবাইঁতৰ ঘৰলৈ যোৱাৰ কথা আছিল বুলি বায়ে পুৱা কৈছিল— কও নকওকৈ কথাষাৰ ক'লে নৈৰঞ্জনাই।

ঃ যোৱা কথা আছিল। যাম নেকি এবাৰ— প্ৰসেনে ক'লে। নৈৰঞ্জনা আৰু লগৰ ছোৱালীজনী স্কুলৰ লেজাৰৰ শেষ ৱাৰ্ণিং বেল শুনি স্কুললৈ খোজ ল'লে। শতাক্ষীও নৰনাৰায়ণৰ পৰা আঁতৰি গ'ল। শতাক্ষী যোৱাৰ পাছত নৰনাৰায়ণে আৰু এখন তামোল মুখত ভৰাই ক'লে—

ঃ অ' তহঁতে কেৱল মোক হে কাট্ মাৰি থাক। পিছে আজি গম পালি নহয়, প্ৰসেনেও তলে তলে পকি আছে। সকলো চৰায়ে মাছ খায় কেৱল মাছৰোকাৰহে নাম।

ঃ হয় নেকি। প্ৰসেন তোমাক যে কনগ্ৰেটিউলেচন দিলে কোননো সেইজনী। আগৰে পৰা চিনাকি নথকা মানুহে হঠাতে কনগ্ৰেটিউলেচন দিবলৈ নাহে নহয়— দীপে ক'লে।

ঃ নাই, নাই, আমাৰ পেহীহঁতৰ গাঁৱৰ। চিনি পাওঁ। মাতিলো। ৰিজাল্টৰ খবৰ পাইছে বোধহয় পেহীহঁতৰ পৰা।

ঃ প্ৰসেন শিল্পীমনৰ মানুহ, গীত গায়, কবিতা-গল্প লিখে, নাটক কৰে শিল্পী মনৰ মানুহৰ প্ৰেমৰ লগত সম্পৰ্ক থাকেই, নে কি কোৱা প্ৰসেন? পৱনে কাট্ মাৰি কথাটো ক'লে। প্ৰসেনে একো মন্তব্য নকৰিলে।

ঃ কি হে প্ৰসেন তোমালোক ইয়াতহে আছানে? মই ভৱকান্তৰ দোকানৰ সমুখত তোমালোকক এবাৰ দেখিছিলো। হঠাৎ কোন পিনে গ'লা ধৰিবই নোৱাৰিলো। কটন কলেজৰ এডমিচনৰ ফৰ্ম দিছে নহয়, গম পাইছা নে নাই— নৰনাৰায়ণৰ পিতাক হৰিহৰ গাঁওবুঢ়াই প্ৰসেন, দীপ, পৱন, তাৰক আটাইকে উদ্দেশ্য কৰি কথাখিনি ক'লে।

ঃ গম পাইছো খুড়াদেউ। যোৱাকালিৰ দৈনিক অসম কাকতখনত দিছে বোলে। মই ফৰ্মখন অনাবলৈ মানুহে পোৱা নাই।

ঃ হ'ব, হ'ব, চিন্তা নকৰিবা। অহাকালি মই গুৱাহাটীলৈ যাম। আমাৰ নৰনাৰায়ণ আৰু তোমাৰ বাবে এডমিছন ফৰ্ম দুখন লৈ আহিম। তুমি আৰ্টচহে পঢ়িবা।

ঃ হয়। মই আৰ্টচ পঢ়িম। প্ৰসেনে ক'লে।

ঃ দীপ তোমাৰ ফৰ্মখনো আনিম নেকি?

ঃ মোৰ ফৰ্মখন আমাৰ গুৱাহাটীত থকা সৰুমামাই আজি বোলে পঠাবই।

হ'ব দিয়া ফৰ্ম কেইখনমান বেছিকৈ লৈ আনিম। পবন, তাৰক তোমালোক?

ঃ আমি খুড়াদেউ ত্রিনাথ কলেজতে এডমিছন ল'ম বুলি ভাবিছো। এডমিছনৰ বিষয়ে আটায়ে কথা পাতি থাকোতে এটা ডাঙৰ সমদলে ত্রিনাথ ৰেল ষ্টেচনৰ পৰা আহি থকা প্রসেনহঁতে দেখিলে। ৰাস্তাটোৰ দুইফালে থকা দোকান-পোহাৰৰ মানুহবোৰে ৰাস্তাৰ কাষলৈ আহি থিয় হৈ সমদলটো চাই আছে। আমাক খাদ্য লাগে- খাদ্য দিয়ক, মূল্য বৃদ্ধি ৰোধ কৰক, ক'লা বেপাৰীক দমন কৰক, ক'লা বেপাৰী হুচিয়াৰ, বানাক্রান্ত খেতিয়কক বিনামূল্যে কঠীয়া দিয়ক, আমাক ঔষধ লাগে- ঔষধ দিয়ক আদি শ্লোগানেৰে ত্রিনাথ নগৰৰ আকাশ বতাহ কঁপাই তুলি সমদলটো আগবাঢ়ি গৈ আছে। প্রসেনে ওচৰতে থকা তিনিআলিৰ চ'কটোলৈ প্রায় দৌৰি যোৱাৰ দৰেই গৈ চ'কটোত থিয় দি ৰ'ল।

প্রসেনে গম পালে সমদলটো ভাৰতৰ কমিউনিষ্ট পার্টি, ভাৰতৰ মার্ক্সবাদী কমিউনিষ্ট পার্টি, চচিয়েলিষ্ট পার্টি, জনসংঘ আদি বিৰোধী ৰাজনৈতিক দলসমূহৰ ত্রিনাথ শাখা কমিটীসমূহে যৌথভাৱে উলিয়াইছে। ৰাজ্যখনত বানপানীয়ে চলাই যোৱা তাণ্ডৱৰ পিছত এতিয়া ত্রিনাথ মৌজাৰ লগতে আশ-পাশে থকা মৌজাকেইখনৰ মানুহে চূড়ান্ত দুর্দশাত পতিত হৈছে। বস্তুৰ জুই চাই দাম। গাঁৱে গাঁৱে জ্বৰ, ডায়েৰিয়া আদি বেমাৰত শ শ মানুহ আক্রান্ত হৈ মৃত্যুৰ ক্ষণ গণিছে। চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ বিনামূলীয়া চিকিৎসা আৰু ঔষধৰ ব্যৱস্থা কৰা নাই। শালি খেতিৰ সময়। বানপানীয়ে ইতিমধ্যে কঠিয়াবোৰ সম্পূর্ণ বিনষ্ট কৰিছে খেতিয়কসকলৰ হাতত কঠিয়াৰ বিধানো নাই এনেবোৰ দুর্দশা আঁতৰোৱাৰ দাবীত আজি বিৰোধী ৰাজনৈতিক দলবোৰে এই সমদল উলিয়াইছে। সমদল কৰি গৈ স্থানীয় এচ. ডি. চি.ৰ জৰিয়তে মুখ্যমন্ত্রীলৈ এখন স্মাৰক পত্র পঠাব।

সমদলত প্রথমতে সমদলকাৰীৰ সংখ্যা কম আছিল যদিও বজাৰলৈ অহা মানুহবিলাকেও সমদলত যোগদান দিয়াত সমদলটো ডাঙৰেই হ'ল। প্রসেনেও থিয় হৈ চাই থাকিব নোৱাৰিলে। তাৰ মনৰ কথা কোৱা সমদলটোত সিও সোমাই পৰি শ্ল'গান দিবলৈ ধৰিলে। নৰনাৰায়ণ, দীপ, তৰুণহঁতে দূৰৰ পৰাই চাই থাকিল। সমদলটোৱে নগৰখন কঁপাই তুলিলে। নগৰৰ সকলো কাম-কাজ বন্ধ হৈ গ'ল মুহূর্ততে। সহস্রাধিক সমদলকাৰীৰ শ্লোগানত নগৰখন উত্তাল হৈ পৰিল।

সমদলকাৰীসকলে গোটেই নগৰখন এপাক ঘূৰিলে। তাৰ পাছতে এচ. ডি. চি. অফিচতে সোমাই এচ, ডি, চিক স্মাৰক পত্র দিবলৈ গ'ল। এচ. ডি. চি. জনে অফিচৰ বাৰাণ্ডালৈ ওলাই আহিল। সমদলকাৰীৰহৈ হুৰকৎ আলি. দয়াল পাঠক, বিকুল মজুমদাৰ, প্রফুল্ল পাঠক আদিয়ে লিখিত স্মাৰকপত্রখন এচ. ডি. চি.ক দিলে। এচ. ডি. চি.য়ে সেইখন হাতত লৈ যথাস্থানলৈ পঠিয়াব বুলি কৈ অফিচত সোমাল। এচ. ডি. চি. অফিচৰ সমুখত গোটখোৱা সমদলকাৰীসকলৰ এখন সভা বহিল। হুৰকৎ আলিৰ

সভাপতিত্বত বহা সভাখনত কেবাজনো বক্তাই উদ্দীপ্ত ভাষণেৰে বানপানীৰ পিছত সৃষ্টি হোৱা সমস্যা আৰু এই সমস্যা সমাধানত চৰকাৰৰ নিৰ্বিকাৰ ভূমিকাক সমালোচনা কৰিলে। হঠাত সভাপতিয়ে ছাত্ৰসকলৰ ফালৰ পৰা প্ৰসেন— প্ৰসেনজিৎ কলিতাক দুআষাৰ ক'বলৈ দিলে। প্ৰসেনে আগতে ইমান ডাঙৰ সভাত ভাষণ দি পোৱা নাই। তাৰ ভয় লাগিল। তথাপিও বক্তৃতা দিবলৈ সি ঠিয় হ'ল। সভাত থকা মানুহবিলাকে সৰু ল'ৰা এটাই বক্তৃতা দিবলৈ থিয় হোৱাত আচৰিত হ'ল। এটা মৃদু গুণ গুণনিও উঠিল সভাত। প্ৰসেনে সুন্দৰ আৰু সাৱলীল ভাষাত তেজোদ্দীপ্ত ভাষণ এটাৰে বানপানীয়ে সৃষ্টি কৰা সমস্যাৰ বিষয়ে ক'লে। লগতে চৰকাৰক কঠোৰ আৰু তীব্ৰ ভাষাৰে সমালোচনা কৰিলে। ৰাইজে জাউৰিয়ে জাউৰিয়ে হাত চাপৰি মাৰি প্ৰসেনক সমৰ্থন জনালে। ৰাজনৈতিক দলে আয়োজন কৰা সমদলত যোগ দি ৰাজনৈতিক দলৰ পৃষ্ঠপোষকতাত হোৱা সভাত বক্তৃতা দিয়া এইয়েই প্ৰথম প্ৰসেনৰ। ইতিমধ্যে ত্ৰিনাথ নগৰৰ স্কুল কলেজবোৰ ছুটী হৈছিল। ছাত্ৰ-ছাত্ৰীবোৰেওবৈ বৈ প্ৰসেনৰ বক্তৃতা শুনি আচৰিত হৈছিল। এই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আছিল নৈৰঞ্জনাও। তেওঁ কেতিয়াও প্ৰসেনৰ বক্তৃতা শুনা নাছিল। আজি তাত বক্তৃতাৰ কিয়দংশ শুনিলে। প্ৰসেনৰ জ্ঞান, প্ৰতিভা আৰু সুন্দৰকৈ কথা ক'ব পৰা বাক্‌শক্তি নিজ চকুৰে দেখি-শুনি তাই গৌৰৱবোধ কৰিলে আৰু প্ৰসেনৰ প্ৰতি কিবা এক অবুজ মৰম আৰু শ্ৰদ্ধাত মূৰ দোঁ খালে।

সভাখন শেষ হোৱাৰ আগে আগে সভাৰ সভাপতি হৰকৎ আলিয়ে তেওঁৰ মন্তব্যত ৰাজ্যখন প্ৰতি বছৰে গ্ৰাস কৰি অহা বানপানীৰ ভয়াবহ পৰিস্থিতিৰ বিষয়ে সাৱলীল ভাষাত চমু বক্তৃতা এটা দিলে। বক্তৃতা প্ৰসঙ্গত আলিয়ে ক'লে যে আমাৰ ৰাজ্যখনৰ মুঠ ২৭ লাখ হেক্টৰ খেতিৰ মাটিৰ ভিতৰত প্ৰতিবছৰে প্ৰায় ৬। ৭ লাখ হেক্টৰ মাটিৰ খেতি-বাতি বানপানীয়ে বিনষ্ট কৰে। ৰাস্তা-ঘাট ভাঙি চূৰমাৰ কৰে। মানুহকে ধৰি কেবাশ গৰু-ম'হ-ছাগলী আদি পোহনীয়া জীৱ-জন্তুই অকাল মৃত্যুক আঁকোৱালি ল'ব লগা হয়। শিক্ষানুষ্ঠানকে ধৰি হাজাৰ হাজাৰ ৰাজহুৱা অনুষ্ঠানৰ ঘৰ-দুৱাৰকে ধৰি হাজাৰ হাজাৰ মানুহৰ থকা ঘৰ বানপানীয়ে ভাঙি-ছিঙি লণ্ড-ভণ্ড কৰে। ব্ৰহ্মপুত্ৰ নদকে ধৰি ইয়াৰ উত্তৰে থকা সোৱণশিৰি, ৰঙানৈ, বুৰৈ, ভৰলী, জীয়া ভৰলী, ধনশিৰি, জীয়া ধনশিৰি, বৰনদী, পুঠিমাৰী, পাগলাদিয়া, টিহু, পহুমাৰা, বুঢ়া দিয়া, বেঁকী, মানাহ, আই, গঙ্গাধৰ আৰু দক্ষিণৰ নদিহিং, বুঢ়ীদিহিং, দিচাং, দিখৌ, ধনশিৰি, কপিলী, কুলশী, দিবাং, শিংৰা, দুধনৈ, কৃষ্ণাই আদি প্ৰধান নৈসমূহে বাৰিষা উগ্ৰমূৰ্তি ধৰি বানপানীৰে ৰাজ্যখন ওপচাই দিয়ে। ইয়াৰ উপৰি দক্ষিণৰ বৰাক আৰু ইয়াৰ উপনৈ সোণাই, কাটাখাল, ধলেশ্বৰী, জাতিঙ্গা আদি আছেই। এইনদীবিলাকেও বৰাক উপত্যকাত প্ৰতিবছৰে বানপানীৰ তাণ্ডৱ সৃষ্টি কৰি উপত্যকাৰ জন-জীৱ বিধ্বস্ত কৰি তোলে। এইবাৰৰ বানপানীৰ প্ৰকোপ

বৰ বেছি। ৰাইজৰ দুৰ্দশাৰ সীমা নোহোৱা হৈছে। চৰকাৰ নিৰ্বিকাৰ, নিৰ্লিপ্ত। শ্বিলঙত বহি মন্ত্ৰী, এম. এল. এ. সোপাই কি সোপা কৰিছে তেওঁলোকেহে জানে। এনে অৱস্থাত আমি ৰাইজে চৰকাৰক দুৰ্দশাগ্ৰস্ত ৰাইজক সহায় কৰাৰ বাবে বাধ্য কৰাব লাগিব। তাৰ বাবে গণতান্ত্ৰিক আন্দোলনেই আমাৰ প্ৰধান হাতিয়াৰ। এই হাতিয়াৰ ব্যৱহাৰ কৰিব লাগিব। বক্তৃতা শেষ কৰি সভাপতি আলিয়ে সভা সিমানতে ভঙ্গ কৰা হ'ল বুলি ঘোষণা কৰিলে। ৰাইজ নিজ নিজ কামত দিহাদিহি গ'ল।

প্ৰসেনেও ওচৰতে থকা হৰিপুৰ গামৰ পেহীয়েকহঁতৰ ঘৰলৈ গ'ল। তাতেই ৪টা মান বজাত ভাত অলপ খাই জিৰণি ল'লে।

ঃ কি অ' প্ৰসেন, আজি বোলে তই বৰ সাংঘাতিক বক্তৃতা দিছ ত্ৰিনাথ নগৰত হোৱা মিটিঙত। একেবাৰে বোলে ৰাইজকে ধৰি আৰু বহুতক মুগ্ধ কৰি পেলাইছ— বায়েক ৰহিলাই পাক লগা সুৰত কথাখিনি ক'লে।

ঃ তোমালো কোনে ক'লে ৰেডিঅ'ই নে বতাহে। ক'ব লগা মানুহেই কৈছে। আমাৰো চি আই. ডি. আছে নহয়— বুলি বায়েক ৰহিলাই প্ৰসেনক কৌশলেৰে সিহঁতৰ ভঁৰাল ঘৰৰে লগত থকা কমটোলৈ নিলে। কমটোত সোমাই প্ৰসেনেবিচুৰ্তি খালে। টুল এখন আগবঢ়াই দি বায়েক ৰহিলাই "ইয়াতেই বহ, মই তোৰ ভাত খোৱা কাঁহী-বাটিবোৰ ঠিকঠাক কৰি আহোঁ, আয়ো ঘৰত নাই। গাঁৱৰ নামঘৰলৈ গৈছে"— বুলি কৈ ৰহিলাই সাউতকৰে কমটোৰ পৰা ডাঙৰ ঘৰলৈ গ'ল। প্ৰসেনে কিছু সময় কিংকৰ্তব্যবিমূঢ় হৈ পৰিল। নৈৰঞ্জনাক এনেকৈ অকলে হঠাত লগ পোৱাত সি আচৰিত হ'ল। নৈৰঞ্জনাই তাত মহুৰা বটা কামত ব্যস্ত আছিল। তলমূৰ হৈ মহুৰা বটি থকা নৈৰঞ্জনা ওৰফে নীৰালৈ চাই সি বিমুগ্ধ হৈ পৰিল। ডিঙি শুকাই সি বাকহীন হৈ পৰা যেন অনুভৱ কৰিলে।

ঃ আজি আপোনাৰ বক্তৃতা শুনি আমাৰ লগৰ ছোৱালীবোৰ বৰ আচৰিত হৈছে। আপুনি ইমান কথা জানে। ইমান সুন্দৰকৈ কথা ক'ব পাৰে— মহুৰা বটি বটিয়েই নীৰাই কথাৰ পাতনি মেলিলে।

ঃ তুমি ক'ত শুনিলা?

ঃ কিয় স্কুল ছুটী হোৱাত আমি মিটিংখন চাবলৈ গৈছিলো নহয়। মানুহে কৈছে ত্ৰিনাথত এনে ডাঙৰ মিটিং বোলে আগতে হোৱাই নাছিল। ইমান সৰু ল'ৰাই বক্তৃতা দিয়া বোলে মানুহে আজিহে দেখিলে।

ঃ অ' হয় নেকি, মোৰো কথা শুনি ভালপোৱা মানুহ যে আছে শুনি ভাল লাগিল।

ঃ আজি যাব নে থাকিব?

ঃ গধূলি হ'লেই দেখোন থাকোৱেই নেকি।

ঃ এবাৰ আমাৰ ঘৰলৈ যাব পিতাই মাতিছে।

ঃ পিতেৰাই মাতিলে মই কিয় যাম। পিতেৰাৰ লগততো মোৰ চিনাকি নাই।

ঃ কোনে মাতিলে যাব তেন্তে

ঃ কোনোবা আপোন মানুহে মাতিলে যাব পাৰো।

ঃ কোন বা আপোন মানুহ আমি কেনেকৈ জানিম?

ঃ ঐ ভদৰি তহঁতৰ ঘৰত প্ৰসেনৰ আপোন মানুহ কোন, তই ইমান দিনে জনাই নাই নে? সিহঁতৰ কথা শুনি থকা ৰহিলা বায়েকে ৰুমটোত সোমাই নীৰাক কথাষাৰ ক'লে আৰু প্ৰসেন তইনো ইমান একা-বেঁকা কথাৰে সৰল ছোৱালীজনীক শ'লঠেকত পেলাব লাগেনে? বায়েক ৰহিলাৰ কথাত প্ৰসেন আৰু নীৰাই লাজ পালে। প্ৰসেনে মুখৰ ভিতৰতে অলপ হাঁহিলে। নীৰাই লাজতে ৰঙা-চিঙা পৰি ঘৰলৈ যাবলৈ থিয় হ'ল।

ঃ যা নীৰা, আমি অলপ পাছত তহঁতৰ ঘৰলৈ যাম।

নীৰাই মহুৰাকেইটা হাতত লৈ ঘৰলৈ গ'ল। প্ৰসেনেও ৰুমটোৰ পৰা ওলাই আহি পদূলিমুখৰ পৰা নীৰাক চকুৰ আঁতৰ হোৱালৈ চাই থাকিল। এবাৰ নীৰাই ঘূৰি চাই প্ৰসেনক দেখি হাত এখন জোকাৰি নিজৰ আন্তৰিক প্ৰীতিৰ কথা প্ৰকাশ কৰিলে।

প্ৰসেন— তই কেতিয়া আহিলি— বুলি পদূলিমুখতে প্ৰসেনৰ পেহীয়েকে মাত লগোৱাতহে প্ৰসেনৰ সম্বিৎ ঘূৰি আহিল।

ঃ অ, পেহী মই কেতিয়াবাই আহিলো। তইনো ক'লৈ গৈছিলি?

আমাৰ অচ্যুতহঁতৰ ঘৰত ঠগি এখন দিছিল। অলপতে অচ্যুতৰ ল'ৰা এটা হৈছে নহয়। সিটো নায়েই। মিলিটাৰীৰ চাকৰি কৰা মানুহ, আহো বুলিতো আহিব নোৱাৰে। বোৱাৰীয়ে তিৰোতাকেইজনীমান মাতি সৰুকৈ ঠগিখন দি অশুচিটো খেদালে।

অ'— হয় নেকি?

পেহীয়েক গৰিমাবালাৰ পিছে পিছে আহিছিল নীৰাৰ মাক আৰু আন এজনী তিৰোতা। নীৰাৰ মাকক প্ৰসেনে চিনি পায়। বাকী দুজনীক চিনি নাপায়। তেওঁলোক তিনিওজনী ঘৰলৈ গ'ল। প্ৰসেনেও তেওঁলোকৰ পিছে পিছে গৈ চোতাল পালে। তিৰোতাকেইজনীয়ে বাৰাণ্ডাতে ঢাৰি এখন পাৰি বহিল। পেহীয়েকে প্ৰসাদৰ টোপোলাটো খুলি প্ৰসেনক এগাল প্ৰসাদ দিলে। নীৰাৰ মাকেও এগাল দিলে। গাজ়ি খাই খাই প্ৰসেন নীৰেনৰ ৰুমত সোমাল। বায়েক ৰহিলাই ক'ৰবাৰ পৰা তীব্ৰবেগে আহি প্ৰসেনক নীৰাহঁতৰ ঘৰলৈ যাবলৈ লগ ধৰিলে। প্ৰসেনে বায়েকৰ কথা মতে বায়েকৰ লগত নীৰাহঁতৰ ঘৰলৈ গ'ল। প্ৰসেনক দেখি নীৰাৰ হিয়া-মন যে আনন্দত উথলি উঠিছে প্ৰসেনৰ বুজিবলৈ

বাকী নাথাকিল। আজি প্ৰসেনে নীৰাৰ লগত দুই-এটা মনৰ কথা পাতিম বুলি মনতে ভাবি থৈছিল। ঘৰত নীৰাৰ বাহিৰে কোনো নাই বুলি জানি প্ৰসেনৰ মনত এক আনন্দৰ সোঁতে অহা-যোৱা কৰিবলৈ ধৰিলে। প্ৰসেন আৰু বায়েক ৰহিলা গৈ নীৰাহঁতৰ ডাঙৰ ঘৰটোৰ মজিয়াত থকা বিছনাখনতে বহিল। নীৰাই প্ৰসেনহঁতক বহিবলৈ কৈ চাহ কৰিবলৈ পাকঘৰত সোমোৱা দেখি ৰহিলাই— 'চাহ মই কৰো দে— তই প্ৰসেনৰ লগত কথা পাত' বুলি কৈ পাকঘৰলৈ গ'ল।

ঃ কোৱা, কিয় মাতিছিলা?

ঃ নাই এনেয়ে মাতিছিলো।

ঃ কিবা কথা কোৱা।

ঃ আপুনি কওঁক, মই শুনিম।

ঃ নহয়, তুমি কোৱা, মই শুনিম— মই আজি তোমাৰ কথাহে শুনিবলৈ আহিছো?

নীৰা— অ' নীৰা ৰজত মেম্বৰৰ ল'ৰা প্ৰসেনজিত অহা যেন পাইছিলো। ক'ত গ'ল— নীৰাৰ দদায়েক হৰনাথ পাঠকে চোতালৰ পৰা নীৰাক সুধিলে।

অ', তেখেত আহিছে দাদা— ইয়াতেই— ডাঙৰ ঘৰত মজিয়াৰ বিছনাতে বহিছে ৰহিলা বাইৰ লগত।

'অ' হয় নেকি' বুলি হৰনাথ পাঠকে চোতালৰ পৰা নীৰাহঁতৰ ডাঙৰ ঘৰটোত সোমাই— 'তোমাক মিটিংখনতহে দেখিলো দূৰৰ পৰা— ওচৰৰ পৰা ভালকৈ চাম বুলি আহিলো। আজি তোমাৰ বক্তৃতা মানুহে বৰ ভাল পাইছে। মেট্ৰিকতো বোলে ভাল ৰিজাল্ট কৰিছা'। মানুহবিলাকে আজি বজাৰত তোমাৰ কথাকেই পাতি আছিল দোকানে-পোহাৰে। ইমান সৰু ল'ৰাই ইমান ডাঙৰ ডাঙৰ কথা ইমান ভালকৈ কেনেকৈ ক'ব পাৰিলে— তাকেই ভাবি মানুহবিলাক আচৰিত হৈছে। তুমি ডাঙৰ হ'লে আমাৰ কমিউনিষ্ট পাৰ্টিত সোমাবা। লাহে লাহে আমাৰ পাৰ্টিও বিভিন্ন ভাগত বিভক্ত হৈ নেতা নোহোৱা অৱস্থা এটা হৈছে আমাৰ ৰাজ্যত। মই সিমান পঢ়া-শুনা কৰা মানুহ নহয় যদিও পাৰ্টিৰ কাগজ-পত্ৰ সদায়ে পঢ়ো। ১৯২৬ চনতে গঠিত আমাৰ ভাৰতৰ কমিউনিষ্ট পাৰ্টিটো খণ্ড-বিখণ্ড হৈ বহুকেইটা পাৰ্টি হ'ল। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী), ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি, বিপ্লৱী ছ'চিয়েলিষ্ট পাৰ্টি, ছ'চিয়েলিষ্ট ইউনিটি চেম্বাৰ অব ইণ্ডিয়া , ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী লেলিনবাদী) আদি কমিউনিষ্ট আদৰ্শক মূল আদৰ্শ হিচাপে লৈ সৃষ্টি হোৱা অনেক পাৰ্টি। মই অৱশ্যে মূল পাৰ্টিটোতে আছো। এহ্ কিনো কবা, দেশখনৰ প্ৰায়বোৰ পাৰ্টিয়েটো ভাঙি-ছিঙি ডাল ডাল হৈছে। ১৮৮৫ চনৰ ২৮ ডিচেম্বৰতে গঠিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছ দলটো আজিলৈকে ভাঙিয়েই আছে। ভাৰতৰ স্বাধীনতা আন্দোলনত মুখ্য ভূমিকা

গ্ৰহণ কৰা এই পাৰ্টিটোওতো এতিয়ালৈ কেইবাটাও ভাগত বিভক্ত হৈছে। কিন্তু আমি হ'লো সাধাৰণ একোজন খেতিয়ক। দেশৰ ৰাজনীতি সম্পৰ্কে থাকিব লগা জ্ঞান আমাৰ নাই। কিন্তু মনে কয় এই পাৰ্টিবোৰ আদৰ্শগত কাৰণত ভাঙি টুকুৰা-টুকুৰ হোৱা নাই— ক্ষমতাৰ খকতহে ভঙা-ভঙি হৈছে'— অ' তোমাক হোৱাই নোহোৱাই বহুত কথা ক'লো। ভুলো হ'ব পাৰে। বেয়া নাপাবা।

ঃ নাই নাই— আপোনাৰ পৰা আজি বহুত নজনা কথা জানিলো।

এনেতে নীৰাই দদায়েক হৰনাথ আৰু প্ৰসেনক চাহ দুকাপ দিলে। 'মোৰ কাম আছে— গৰুকেইটা ভালকৈ বন্ধাই নাই' বুলি ফুৰাই ফুৰাই চাহ কাপ খাই 'মই আহো' বুলি প্ৰসেনক মাত লগাই হৰনাথ পাঠক গ'লগৈ।

হৰনাথ পাঠক। এম ভি স্কুলৰ ষষ্ঠ শ্ৰেণীলৈ পঢ়িছিল মানুহজনে। এতিয়া খেতি কৰে। বিয়া-বাৰু কৰাই পত্নীৰে সৈতে চাৰিটা ল'ৰা-ছোৱালীক কোনো মতে খেতি কৰি পোহপাল দি আছে। সৰুৰে পৰাই মাজে মাজে কমিউনিষ্ট পাৰ্টিৰ নেতাসকলৰ লগত মেলে-মিটিঙে ঘূৰি ফুৰি ৰাজনীতি সম্পৰ্কে ভালেখিনি কথা জনা হৈছে। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সদস্য। মাজে মাজে পাৰ্টিৰ বিভিন্ন কাগজ-পত্ৰ আনি ঘৰত পঢ়ে। নিষ্ঠাবান কমিউনিষ্ট কৰ্মী। কিন্তু ঘৰুৱা অৱস্থা ভাল নহয়। কোনোমতে পেটে-ভাতে খাই আছে। পাঠকৰ কথাখিনি শুনি প্ৰসেনৰ বৰ ভাল লাগিল। বহু কথা সি জানিব পাৰিলে। মানুহজনৰ প্ৰতি তাৰ শ্ৰদ্ধা উপজিল।

ঃ নষ্ট কৰি দিলে— একেবাৰে পণ্ড কৰি পেলালে সকলো। ক'ৰ পৰা যে এই কথা চহকীজন আহি ওলাল— ইছ-আচ কৰি ৰহিলাই তাইৰ অসন্তুষ্টি প্ৰকাশ কৰিলে। 'ব'ল— বল যাওঁ ব'ল,— ৰাতি হ'ল- মায়ে বকিব' ৰহিলাই প্ৰসেনক লৈ যাবলৈ ওলাল।

ঃ 'নহ'লে ৰাতিৰ ভাত সাজ আমাৰ ইয়াতে খাই যোৱা বোপা— নে কি কোৱা ৰহিলা'— নীৰাৰ মাকে প্ৰসেন আৰু ৰহিলাক উদ্দেশ্যি কথাষাৰ ক'লে।

ঃ 'নাই নাই নালাগে পেহী— আজি নালাগে, পিছত কেতিয়াবা খাম। আমাৰ পেহীয়ে ভাত বোধহয় ৰান্ধিলেই। খং কৰিব।'— প্ৰসেনে ক'লে।

নীৰাই প্ৰসেনক ৰাতিৰ ভাতসাজ সিহঁতৰ ঘৰত খাবলৈ ক'লে। প্ৰসেনে 'পিছত এদিন খাম' বুলি কৈ নীৰাৰ মুখলৈ এবাৰ সতৃষ্ণ নয়নে চাই বায়েক ৰহিলাহঁতৰ ঘৰলৈ আহিল। ইতিমধ্যে পেহীয়েকে ভাত ৰান্ধি যঁতৰত মহুৰা বতি আছিল। প্ৰসেন আৰু ৰহিলাই আহি পেহীয়েকৰ ওচৰ পালে।

ঃ তহঁতে ইমান সময়নো নীৰাহঁতৰ ঘৰত কি কৰিছিলি? লোকৰ ঘৰত বেছি সময় থাকি আমনি দিব নাপায়। পেহীয়েকে খং কৰিয়েই কথাষাৰ ক'লে।

ঃ নাই— আই প্ৰসেনৰ দোষ নাই। হৰনাথ দাদাই যিহে দীঘলীয়া লেকছাৰ

দিলে— এৰি আহিব নোৱৰা হ'ল প্ৰসেনে।

ঃ 'হ'ব দে— হৰনাথে মানুহ পালেই হ'ল। কথা ক'লে শেষেই নহয়। তেওঁৰহে পাল্লাত পৰিছিলিনে? মানুহজন বেয়া নহয়। সুবিধা পালেই কথাৰ মহলা মাৰে যদিও ৰাইজৰ কামত লাগি থাকে। ঘৰখনৰ প্ৰতি ভালকৈ চকু নিদিয়ে বাবে ঘৈণীয়েকৰ গালিও খায়। ভাত সাজিছো। তইঁতে খা। পেহাৰে আহোতে আজি অলপ পলম হ'ব। ষ্টেচনৰ ওচৰত বোলে কাৰোবাৰ নাম-কীৰ্তন আছে। এটা কথা নহয় ৰহিলা— আমাৰ বৈকুণ্ঠই খবৰ এটা দিছে— সিহঁতৰ ওচৰৰে টোকাৰী গাঁৱৰ ল'ৰা এটাই বোলে অহা দেওবাৰে তোক চাবলৈ আহিব। ল'ৰাটো ভাল— এম. ই. স্কুল এখনত মাষ্টৰী কৰে। আজি বুধবাৰ— মাজতে তিনিটা দিন, পিঠা-পনা অলপ বনাব লাগিব।'

মাকৰ কথাখিনি শুনি ৰহিলা সচকিত হৈ পৰিল। ত্ৰিনাথ ছোৱালী হাইস্কুলত নৱম শ্ৰেণীলৈ পঢ়ি তাই পঢ়া বাদ দিছিল। দেখা-শুনাত বেছ ধুনীয়া আৰু বুদ্ধিমতী। পঢ়াতহে অলপ বেয়া আছিল। নৱম শ্ৰেণীত ফেল কৰাৰ পাছত স্কুললৈ যোৱাটো এৰিলে। তাই খৰ-ধৰকৈ ভাত দুগৰাহমান খাই য'ৰ কাঁহী তাতে এৰি বিছনাত পৰিল। বায়েকৰ অৱস্থাটো দেখি প্ৰসেনৰো ভাত খাবলৈ মন নোযোৱা হ'ল। সিও কোনোমতে হেঁচি-ঠেলি আধা ভাত খাই আধা কাঁহীত এৰি হাত ধুলে। হাত ধুই বায়েক ৰহিলাৰ ওচৰলৈ গৈ ৰহিলাৰ চকুপানী দেখি বেজাৰ মনে নীৰেনৰ ৰুমলৈ আহি শুই থাকিল।

পিছদিনা পুৱাই প্ৰসেন গাঁৱলৈ আহিল। বাটত তাৰ বন্ধু নৰনাৰায়ণৰ পিতাক হৰিহৰ গাঁওবুঢ়াই লগ পালে প্ৰসেনক। হৰিহৰ গাঁও বুঢ়াক দেখিয়েই প্ৰসেনে চাইকেলৰ পৰা নামিল। গাঁওবুঢ়া ত্ৰিনাথ নগৰলৈ বুলি ওলাই আহিছিল।

ঃ 'তুমি গম পাইছা নে নাই— তোমালোকৰ এডমিচন পোন্ধৰ জুলাইৰ পৰা আৰম্ভ হ'ব। ছায়েন্সৰ পোন্ধৰ জুলাই, আৰ্টছৰ সোতৰ জুলাইত বোধহয়। এপাক আমাৰ ঘৰলৈ যোৱা, নৰনাৰায়ণ ঘৰতে আছে। ত্ৰিবিউন কাকতত খবৰটো দিছে। নৰনাৰায়ণৰ পৰা খবৰটো ভালকৈ লৈ যোৱা।'

ঃ 'হ'ব খুড়া, মই এতিয়াই নৰনাৰায়ণক লগ ধৰি সবিশেষ জানি ল'ম'— বুলি প্ৰসেন হৰিহৰ গাঁওবুঢ়াহঁতৰ ঘৰলৈ গ'ল। নৰনাৰায়ণৰ পৰা কটন কলেজৰ এডমিচনৰ তাৰিখ আৰু সময় ল'লে। দিন নাই। মাজত মাত্ৰ সাত-আঠ দিনহে বাকী। প্ৰসেনে বেছি সময় নৰনাৰায়ণহঁতৰ ঘৰত নাথাকি নিজ ঘৰলৈ আহিল। পিতাক ৰজত মেম্বৰে বানপানীয়ে হেলনীয়া কৰি থৈ যোৱা গোহালি ঘৰটোৰ খুঁটা কেইটামান মণ্ডলুৰ লগত ঠিক কৰি আছিল। প্ৰসেনে চোতাল পায়েই চাইকেলখন তাৰ ৰুমটোৰ বেৰত আঁউজাই থৈ গোহালি ঘৰলৈ গ'ল।

ঃ কথা এটা হ'ল নহয় পিতা। ত্ৰিবিউন পেপাৰত দিছে আমাৰ এডমিচন অহা যোল্ল

জুলাই তাৰিখে এঘাৰ বজাত হ'ব। মই আগদিনাই যাব লাগিব। মাজত মাত্র সাত-আঠ দিনহে বাকী।

ঃ তাকেইটো— তই কটন কলেজত পঢ়িব খুজিছ যেতিয়া পঢ়িবি। পইচা-পাতিৰ কথাটো কি কৰা যায়— তাক মই চিন্তা কৰি আছো। দক্ষ দোকানীক আমাৰ মাটি এবিঘা বন্ধকত ৰখাৰ কথা কৈছো। সিও মান্তি হৈছে। বাৰ কুৰি টকা দিব। সেইখিনিৰে তোৰ এডমিচন আদি হ'ব। পিছৰ কথা পিছতেই ভাবিম দে— নে কি কোৱাহে মণ্ডলু।

ঃ 'অ'টো, পঢ়িব খুজিছে সি পঢ়ক গুৱাহাটীত। ভগৱান প্রভুৱে কিবা নহয় কিবা বাট এটা দিব নহয়'— বুলি মণ্ডলুৱে মন্তব্য কৰিলে।

দুদিন পিছত ৰজত মেম্বৰে খেতিৰ মাটি এবিঘা দক্ষ দোকানীৰ তাত বন্ধকত থৈ বাৰ কুৰি মানে ২৪০ টকা আনি প্রসেনক দিলে। হোষ্টেলত থকাটো প্রসেনৰ বাবে যিহেতু সম্ভৱ নহয়— কাৰোবাৰ লগত মেচতে থাকিব সি— এডমিচনত প্রায় ১১০ টকামান লাগিব— বাকী ১১০ টকা মানেৰে দুমাহমান মেচত চলিব পাৰিব— এনে এটা হিচাপ গুৱাহাটীতে মণ্ডল চাকৰি কৰা খুড়াক পৰশুৰে দাঙি ধৰিলে ককায়েক ৰজত মেম্বৰ আৰু প্রসেনৰ ওচৰত।

(আঠ)

আহাৰ মাহ। শাওণ মাহলৈ আৰু মাত্র কেইটামান দিনহে বাকী। বানপানীয়ে দুৰ্দশাগ্ৰস্ত কৰি থৈ যোৱা কাকতলৰ মানুহখিনিয়ে নিজে নিজে জোৰা মাৰি আকৌ কঠীয়া পৰাত উদ্যমেৰে লাগি পৰিছে। কি মুনিহ, কি তিৰোতা- সকলোৱে জীৱন যুঁজত ব্যস্ত হৈ পৰিছে। সেই দিনটোতে প্রসেন যাবলৈ ওলাইছে গুৱাহাটীলৈ। কটন কলেজত এডমিচন লৈ এটা নতুন জীৱনৰ পাতনি মেলিবলৈ। আগদিনাই প্রসেনে এবাৰ গাগেলিখন চাই আহিছে। কেইদিনমান আগতে পাৰ হৈ যোৱা বানপানীটোৱে মেটেকাবোৰ উটুৱাই নি গাগেলিখন মুকলি কৰি থৈছে। গাগেলি নহয় যেন এখন সাগৰহে। সেইদিনা আবেলিয়েই প্রসেনে কাকতলৰ তাৰ মৰমৰ লগৰীয়া সকলোকে ধৰি বয়সস্থ পুৰুষ-মহিলা সকলোকে মাত লগালে। প্রসেন কিছুদিনৰ বাবে কাকতল এৰি গুৱাহাটীত থাকিব- এই কথা ভাবি গাঁৱখনৰ মানুহে বেজাৰ পালে যদিও তাক আশীৰ্বাদ আৰু শুভেচ্ছা জনালে । কেবাজনো বয়সস্থ লোক প্রসেনহঁতৰ ''ৰলৈ আহি প্রসেনক আশীৰ্বাদ দিলে

কাকতলৰ নাম উজলোৱা আশীৰ্বাদ- ভালে-কুশলে থাকি পঢ়াৰ আশীৰ্বাদ। গগন মেম্বৰৰ ঘৰলৈও গ'ল প্ৰসেন। আশীৰ্বাদ বিচাৰিলে।

ঃ গুৱাহাটী বৰ ডাঙৰ চহৰ। চাই-চিতি চলিবি। পঢ়াত তই পাৰিবি। তোৰ বুদ্ধি, সাহস আৰু মনোবল আছে। কাকতলৰ কথা, গাগেলিৰ কথা সদায় মনত ৰাখিবি। গাগেলি হৈছে কাকতলৰ অস্তিত্ব। আমি এই অস্তিত্বৰ বাবে যিমান পাৰো যুঁজি আছো। যুঁজি থাকিম। কিন্তু আমিতো সদায় নাথাকো। আমাৰ পিছত তইয়েই যুঁজিব লাগিব। যুঁজিব তই পাৰিবি। গাগেলিক এদিন তইয়েই উদ্ধাৰ কৰিব লাগিব। মোৰ শৰীৰ দিনক দিনে বেয়া হৈ আহিছে। কেতিয়া সিপুৰীলৈ যাব লগা হয় তাৰ ঠিকনা নাই। আশীৰ্বাদ দিছো কাকতলৰে নহয় আমাৰ ৰাজ্যৰ নাম উজলোৱা কামত ভগবানে তোক সহায় কৰক"— অসুস্থ গগন মেম্বৰে বিচনাৰ পৰাই কথাখিনি কৈ প্ৰসেনক আশীৰ্বাদ দিলে।

দিনৰ ১১ বজাত ত্ৰিনাথ ৰেলষ্টেচন পাবহি ধুবুৰী পেচেঞ্জাৰখন। সেইখনতে গুৱাহাটীলৈ যাব প্ৰসেন। পিতাক ৰজত মেম্বৰে দক্ষ দোকানীৰ তাত মাটি এবিঘা বন্ধকত থৈ তাক দিয়া বাৰ কুৰি টকাকে একমাত্ৰ সম্বল হিচাপে লৈ প্ৰসেনে গুৱাহাটীলৈ যাবলৈ সাজু হ'ল। বিছনাৰ বাবে কিছু কাপোৰ-কানি, লংপেণ্ট চাৰ্ট, গেঞ্জি লুঙি আদি অহীন্দ্ৰই ভালকৈ হোলডোল এটাত ঠিক-ঠাক কৰি দিলে। সৰু বস্তা এটাত এটা ষ্টোভ, এযোৰ কাহৰ কাঁহী-বাটি, চাহকৰা চচপেন এটাকে ধৰি আন আন প্ৰয়োজনীয় সামগ্ৰীখিনি ভৰাই ল'লে। ককায়েকৰ পুৰণা টিনৰ বাকচ এটাত তাৰ লাগতিয়াল কিতাপ-কাগজবোৰো সোমাই ল'লে। অহীন্দ্ৰ আৰু হৰেন্দ্ৰই চাইকেলত বস্তুবোৰ উঠাই ত্ৰিনাথ ৰেল ষ্টেচনলৈ গ'ল। প্ৰসেনে পিতাক, মাক আৰু খুড়াক-খুড়ীয়েকহঁতক সেৱা জনাই মহেনৰ চাইকেলৰ কেৰিয়াৰত বহি ত্ৰিনাথ ৰেলষ্টেচনলৈ যাত্ৰা কৰিলে। মাক মায়াৱতীয়ে চকুপানী মচা দেখি প্ৰসেনৰো চকুপানী ওলাল। ১০.৩০ বজাত সিহঁত আটায়ে ত্ৰিনাথ ৰেলষ্টেচন পালে। ৰেলখন লেট আছে আধা ঘণ্টা। ইতিমধ্যে অহীন্দ্ৰ আৰু হৰেন্দ্ৰই তাৰ বস্তু-বাহানিবিলাক ষ্টেচনৰ ওৱেটিং ৰুমটোত থৈ ৰেলখন অহালৈ বাট চাই আছিল। লেট থকা বুলি শুনি সিহঁত ষ্টেচনৰ পিছ পিনে থকা চাহদোকানখনলৈ চাহ খাবলৈ গ'ল। চাহ খাই আহি প্ৰসেন, মহেন, অহীন্দ্ৰ আৰু হৰেন্দ্ৰই কিছু সময় ষ্টেচনৰ বেঞ্চ এখনত বহি গাগেলিৰ কথাকে পাতিলে। এনেতে ৰেলৰ ঘণ্টা বাজিল। প্ৰসেনে টিকট কাউণ্টাৰলৈ গৈ টিকটটো কাটিলে। চিৰ পৰিচিত উকিটো মাৰি মাৰি ধুবুৰী পেচেঞ্জাৰখন আহি ত্ৰিনাথ ষ্টেচনত ৰ'ল।

ধুবুৰী পেচেঞ্জাৰ। সকলোৰে পৰিচিত এখন পেচেঞ্জাৰ ট্ৰেইন। সমগ্ৰ অঞ্চলটোৰ মানুহৰ প্ৰিয় ট্ৰেইন। ভালেমান সৰু-সুৰা বেপাৰীৰ পৈতৃক ট্ৰেইন এইখন। খৰি, শাক-পাচলি, ধান-চাউল, হাঁহ, পাৰ, মূৰ্গী আদি এই ট্ৰেইনখনতে বিভিন্ন ঠাইলৈ সেই সৰু

বেপাৰীসকলে আনে আৰু সকলো ষ্টেচনতে বৈ যোৱা ট্ৰেইনখনৰ পৰা নমাই নিজ নিজ লক্ষ্যস্থানলৈ লৈ যায়। কেতিয়াবা গাৰ্ড আৰু চালকৰ লগত বুজাবুজি কৰি বেপাৰীসকলে য'তে ত'তে ট্ৰেইনখন ৰখাই নিজৰ বস্তু-বাহানি নমাই যদিও কোনো পেচেঞ্জাৰে বিশেষ আপত্তি নকৰে। এনে ঘটনা সদায়ে ট্ৰেইনখনত চলি থাকে বাবে কোনেও অস্বস্তি অনুভৱো নকৰে।

অহীন্দ্ৰ, হৰেন্দ্ৰ, মহেনহঁত ট্ৰেইনখনত প্ৰসেনৰ বস্তু-বাহানিবোৰ ডবা এটাত উঠাই দিলে। প্ৰসেনো উঠিল। ১০ মিনিটমান পাছত ট্ৰেইনখনে দীঘলীয়া উকি এটা মাৰি নিজ পথত গতি কৰিলে। মাজতে প্ৰসেনে ট্ৰেইনৰ ভিতৰতে ফেৰিবালা এজনৰ পৰা ৰুটি দুখন আৰু তৰকাৰী অলপ কিনি খাই ল'লে। ট্ৰেইনখনত সিদিনা ভিৰ নাছিল। ৰুটি খাই প্ৰসেনে ট্ৰেইনখনৰ ওপৰৰ বাৰ্থত উঠি শুই পৰিল। ট্ৰেইনখন যদিও আবেলি তিনিমান বজাত গুৱাহাটী ষ্টেচন পাব লাগিছিল আমিনগাঁও ষ্টেচন পাওঁতেই প্ৰায় ৬.৩০ টা বাজিল। বহুত লেট মাৰিছে ট্ৰেইনখনে আজি। প্ৰায় ৭-৩০ টা মানতহে ট্ৰেইনখনে গুৱাহাটী ৰেল ষ্টেচন পালে। প্ৰসেনে দ্বিতীয়বাৰৰ বাবে গুৱাহাটীলৈ গৈছে। এবাৰ অষ্টম শ্ৰেণীত পঢ়ি থাকোতে সৰু খুড়াকৰ লগত চিৰিয়াখানা চাবলৈ গৈছিল। সেইবাৰো ধুবুৰী পেচেঞ্জাৰখনতে গৈছিল। তেতিয়াও গুৱাহাটীৰ একো চিনি পাব নোৱাৰিলে। এইবাৰ দ্বিতীয়বাৰৰ বাবে গৈছে যদিও সি গুৱাহাটীৰ ৰাস্তা-ঘাট একো চিনি নাপায়। বলীন কম্পাউণ্ডাৰ নামৰ মাজু খুড়াক পৰশুৰ এজন বন্ধু গুৱাহাটীৰ পুলিচ হাস্পতালত কাম কৰে। খুড়াক পৰশুৱে প্ৰসেনক ষ্টেচনৰ পৰা বলীন কম্পাউণ্ডাৰৰ ঘৰলৈ যাবলৈ কৈছিল। কেনেকৈ কোনপিনে যাব লাগিব তাৰ এখন মেপো আঁকি দিছিল। এখন চিঠিও দিছিল বলীনলৈ। কিন্তু ৰাতি হোৱাত প্ৰসেনে বলীন কম্পাউণ্ডাৰৰ ঘৰ উলিয়াব যে নোৱাৰিব তাত সি খাটাং হ'ল। সেয়ে ৰাতিটো সি ষ্টেচনতে কটাবলৈ ঠিক কৰিলে। গৰমৰ দিন। লুঙিখন আৰু বিচনাৰ চাদৰখন তাৰ টোপোলাৰ পৰা উলিয়াই ষ্টেচনৰ এটা কোণত শোৱাৰ ব্যৱস্থা কৰি ল'লে সি। লংপেন্ট আৰু চাৰ্টটো খুলি মূৰ শিতানতে ভালকৈ জাপি থৈ সি বহি পৰিল। ওচৰতে থকা পানীৰ টেপত মুখ-হাত ধুই আহি সি তাৰ লগত নিয়া হিতেশ ডেকাৰ 'এয়েতো জীৱন' নামৰ উপন্যাসখনকে চুটকেচটোৰ পৰা উলিয়াই পঢ়িবলৈ ল'লে। অলপ পিছত এজন ফেৰিবালাই শুকান ৰুটি আৰু চবজি অলপ কাগজ এখনত দি গ'ল। ৰুটি দুখন খোৱাৰ পিছত খোৱাপানীৰ টেপৰ পৰা পানী কেই ঘুটমান খালে সি। তাৰ পাছত সি শুই শুই 'উপন্যাস'খন পঢ়ি টোপনিলৈ বাট চাই থাকিল। তেতিয়া ৰাতি প্ৰায় দহটামান বাজিছিল।

ঃ ঐ, ঐ ল'ৰা, ক'ৰ পৰা আহিছ ? ইয়াত কিয় শুইছ ? টিকট আছেনে চাওঁ-বুলি অসমীয়াতে এজন পুলিচে প্ৰসেনক ধমক দি সুধিলে।

ঃ মোৰ ঘৰ ত্ৰিনাথ নগৰৰ ওচৰত। ধুবুৰী পেচেঞ্জাৰখনত আহিছিলো। ৰাতি হ'ল। যাবলৈ ঠাই নাই বাবে ৰাতিটো ইয়াতে কটাম বুলি শুবলৈ ঠিক কৰিছো— প্ৰসেনে ক'লে।

ঃ গুৱাহাটীলৈ কিয় আহিছ ? ইয়াত কোনো চিনাকি মানুহ নাই নেকি ?

ঃ অহাকালি কটন কলেজত মোৰ এডমিচন আছে। চিনাকি মানুহ আছে। ৰাতি হোৱা বাবে ঘৰ উলিয়াব নোৱাৰিম বুলি ভাবি ইয়াতে থকাটো ঠিক কৰিছো। প্ৰসেনৰ কথাখিনি শুনি পুলিচজনৰ মন কুমলিল।

ঃ গুৱাহাটীত কোন চিনাকি মানুহ আছে ? ক'ত থাকে ?

ঃ তেওঁ থাকে পাণবজাৰৰ পুলিচ হাস্পতালত। তাৰ কম্পাউণ্ডাৰ। নাম বলীন মেধি যদিও সকলোৱে তেওঁক বলীন কম্পাউণ্ডাৰ বুলি মাতে। বলীন কম্পাউণ্ডাৰৰ নাম শুনি পুলিচজনৰ মনত কিবা এটা প্ৰতিক্ৰিয়া হ'ল। গুৱাহাটীৰ পুলিচবিলাকৰ ভিতৰত বলীন কম্পাউণ্ডাৰক নজনা পুলিচ কমহে ওলাব। পুলিচৰ বেমাৰ হ'লে বা বেমাৰ বুলি ফাঁকি দি ছুটী ল'বলৈ চাৰ্টিফিকেট লাগিলে, পাণবজাৰৰ পুলিচ হাস্পতাললৈ যাবই লাগিব। তাতহে চিকিৎসা কৰিলে— তাৰ পৰাহে চাৰ্টিফিকেট ল'লে ছুটী মঞ্জুৰ হোৱাটো নিয়ম। এই পুলিচজনেও বলীন কম্পাউণ্ডাৰক ভালকৈ চিনি পায়। পুলিচজনৰ প্ৰসেনৰ প্ৰতি মৰম উপজিল। তাৰ পৰা সবিশেষ জানি প্ৰসেনক সহায় কৰিবলৈ মন গ'ল।

ঃ কি নাম ক'লা তোমাৰ ?

ঃ প্ৰসেনজিৎ কলিতা। ঘৰত প্ৰসেন বুলি মাতে।

ঃতোমাৰ কথা-বতৰা শুনি ভাল লাগিল। বলীন কম্পাউণ্ডাৰক মই ভালকৈ চিনি পাও। মোৰো ঘৰ তোমালোকৰ সেইপিনে। তুমি ইয়াত আৰামত শুই থাকা। মোৰ ৰাতিপুৱালৈ ডিউটি আছে। ভয় খাব নালাগে। মই মাজে মাজে তোমাক চাই যামহি। ৰাতিপুৱা ৭ বজাত মোৰ ডিউটি শেষ হ'ব। তোমাক মই বলীন কম্পাউণ্ডাৰৰ ঘৰলৈ লৈ যাম— বুলি কৈ পুলিচজন গ'ল। প্ৰসেনেও কিছুসময় উপন্যাসখন পঢ়ি শুই পৰিল।

শুই পৰাৰ লগে লগে প্ৰসেনৰ টোপনি আহিল। ষ্টেচনৰ কোলাহলে তাৰ নিদ্ৰাত বাধা দিব নোৱাৰিলে। পুলিচজনে মাজে মাজে আহি তাক চাই যায়হি। পুৱা পোহৰ হোৱাৰ লগে লগে প্ৰসেনে সাৰ পালে। উঠিয়েই সি মুখ ধুলে আৰু ওচৰতে থকা ফেৰিৱালা এজনৰ পৰা চাহ একাপ খাই বিছনাৰ কাপোৰখিনি আগৰ দৰে হোলদলটোত আৰু কাপোৰৰ টোপোলাত ভৰালে। ষ্টেচনত পুৱতি নিশাৰ পৰাই মানুহৰ ভিৰ। কেবাখনো ট্ৰেইন পুৱাই ষ্টেচন এৰি দিল্লী, মাদ্ৰাছ, বোম্বে আদিলৈ যায়। ৰাতিপুৱা সাত বাজিবলৈ কেইমিনিটমান বাকী থাকোতে পুলিচজন প্ৰসেনৰ ওচৰলৈ আহিল। তেওঁৰ

নাম শশাংক তালুকদাৰ। ঘৰ ত্ৰিনাথ মৌজাৰ কাষতে থকা নলনা মৌজাৰ কলকুছি গাঁৱত। নিজৰ পৰিচয় দি শশাংকই ফেৰিৱালা এজনক মাতি দুপাক চাহ দিবলৈ ক'লে। ফেৰিৱালাজনে দুকাপ চাহ আৰু দুটা কেক প্ৰসেন আৰু শশাংকক দি শশাংকৰ পৰা পইচা লৈ তাৰ পৰা আঁতৰি গ'ল। দুয়ো চাহ খাই থাকোতে শশাংকই প্ৰসেনৰ ঘৰ ক'ত, ঘৰত কোন কোন আছে, পিতাকে কি কৰে ইত্যাদি কথা সুধি জানি ল'লে। চাহ খাই উঠি দুয়ো ষ্টেচনৰ পৰা ওলাই ৰিক্সা ষ্টেণ্ডৰ পৰা ৰিক্সা দুখন ল'লে। এখনত প্ৰসেন আৰু তেওঁৰ বস্তু-বাহানি, আনখনত শশাংক উঠিল। অলপ সময় পিছতে দুয়ো পাণবজাৰত থকা পুলিচ হাস্পতালখন পালে। প্ৰসেনে ৰিক্সাৰ পৰা বস্তু-বাহানি নমাই মানে শশাংকই প্ৰস্ৰাৱখানালৈ গ'ল।

ধুতী আৰু হাতচুটি কামিজ পিন্ধা হৃষ্ট-পুষ্ট মানুহ এজন বৰ বেগাই প্ৰসেনৰ পিনে আহি থকা প্ৰসেনে দেখিলে। প্ৰসেনে তেতিয়া তাৰ হোলডোলটোৰ চেইন এডাল টানকৈ বান্ধি আছিল। মানুহজন তাৰ ওচৰ পোৱাত প্ৰসেনে মানুহজনক নমস্কাৰ দি বিনয়েৰে সুধিলে।

ঃ হেৰি অলপ ৰ'বচোন। আপুনি ইয়াত কাম কৰে নেকি?

ঃ অ' মই ইয়াতে কাম কৰো।

ঃ আপুনি বলীন কম্পাউণ্ডাৰক চিনি পায়নে?

ঃ ক'ৰ পৰা আহিছাহে তুমি? একেবাৰে টালি-টোপোলা লৈ আহিছাযে?

মোৰেই নাম বলীন কম্পাউণ্ডাৰ। কোৱা, কিয় আহিছা?

প্ৰসেনে তাৰ লংপেণ্টৰ মোনাত থকা খুৰাক পৰশুৱে দিয়া চিঠিখন তৎক্ষণাৎ উলিয়াই বলীনৰ হাতত দিলে। সেইখন পঢ়ি চাই— "অ' পৰশুৱে পঠাইছে। কটনত এডমিচন ল'বলৈ আহিছা। ইয়াতে অলপ বহা। মোৰ ডিউটিৰ টাইম হৈছে। মই এজন ল'ৰা পঠাই দিছো। সি তোমাক মোৰ কোৱাৰ্টাৰলৈ লৈ যাব"— বুলি কৈ বলীন কম্পাউণ্ডাৰ তাৰ পৰা বেগাই গুচি গ'ল। ক্ষন্তেক পিছতে প্ৰসেনতকৈ অলপ ডাঙৰ ল'ৰা এজন আহি প্ৰসেনৰ কাষত থিয় হ'ল। ব'লা তোমাক কম্পাউণ্ডাৰৰ কোৱাৰ্টাৰত থৈ আহো। প্ৰসেন, ল'ৰাজন আৰু শশাংকই তিনিও মিলি প্ৰসেনৰ টালি-টোপোলাকেইটা লৈ বলীন কম্পাউণ্ডাৰৰ কোৱাৰ্টাৰ পালে আৰু বস্তুবোৰ তেওঁৰ সৰু বাৰাণ্ডাতে থলে। ল'ৰাজনে কলিংবেলটো বজালে। অলপ পিছতে মহিলা এগৰাকী ওলাই আহিল। প্ৰসেনে চমুকৈ কথাখিনি ক'লে। পৰশুৱে পঠাৱা বুলি জানি প্ৰসেন আৰু শশাংকক বাৰাণ্ডাতে থকা চকী দুখনত বহিবলৈ দি ভিতৰলৈ গ'ল।

পুনৰ ওলাই আহি ক'লে—

তোমাৰ এডমিচন ১০ বজাতে আৰম্ভ হ'ব। ইয়াৰ পৰা কটন কলেজলৈ একেবাৰে

ওচৰ। চাহ খাই গা-পা ধুই লোৱা বুলি মহিলাগৰাকীয়ে প্ৰসেন আৰু শশাংকক চাহ দিলে, চাহৰ লগত বিস্কুটো আছিল। দুয়ো চাহ খালে। শশাংকই "মই তেনেহ'লে যাওঁ অলপ শুব লাগিব ৰাতি আকৌ ডিউটি আছে। কালি এবাৰ তোমাৰ খবৰ লম" বুলি শশাংকই চাহ খাই তাৰ পৰা ৰেল ষ্টেচনলৈ গ'ল। তাত সিহঁতৰ থকা-খোৱাৰ ব্যৱস্থা আছে। প্ৰসেনেও চাহ খাই উঠি ঘৰৰ ভিতৰলৈ গ'ল। এজনী সৰু ছোৱালীয়ে প্ৰসেনক বাথৰুম দেখুৱাই দিয়াৰ লগতে গা ধুবলৈ এখন ডাঙৰ গামোচা আৰু এখন সৰু গামোচা দি গ'লহি। প্ৰসেনে এটা ৰুমত তাৰ কাপোৰ-কানি সলাই গা ধুলে। তাক ইমান আপদাৰ কৰা মহিলাগৰাকী হ'ল বলীন কম্পাউণ্ডাৰৰ পত্নী সৰলা।

বলীন কম্পাউণ্ডাৰ। আচলতে তেওঁৰ নাম বলীন মেধি। জনকপুৰ অঞ্চলতে ঘৰ। তেওঁ কম্পাউণ্ডাৰ নহয়। কম্পাউণ্ডাৰৰ সহায়কাৰী পোষ্ট এটাতহে কাম কৰে। তেওঁ কামবোৰ বৰ ভালকৈ জানে। ব্যৱহাৰো বৰ ভাল। ৰোগীক বেজি দিয়া, সময় মতে ঔষধ খুওৱা, কোনটো ঔষধ কোন সময়ত খাব লাগিব ইত্যাদি কথা তেওঁৰ নখ দৰ্পণত থাকে। চেভেন নে এইটলৈ পঢ়িছিল বলীনে। ডিউটিত তেওঁ যে খুব ভাল এই কথা সকলোৰে জানে। সকলো মানুহকে পাৰ্যমানে সহায় কৰে। সেইবাবে ৰোগী, ৰোগীৰ লগত হাস্পতাললৈ অহা মানুহ বিলাকে বলীনকহে বিচাৰে। সকলোৰে তেওঁকেই কম্পাউণ্ডাৰ বুলি ভাবি বলীন কম্পাউণ্ডাৰ বুলি মাতে। বলীন কম্পাউণ্ডাৰ বুলি ক'লেহে মানুহে তেওঁক চিনি পায়। বলীন মেধি বুলি ক'লে কোনেও চিনি নেপায় তেওঁক।

গা-ধুই উঠি প্ৰসেনে ৰুমটোত বহি এডমিচনৰ বাবে লাগতিয়াল চাৰ্টিফিকেট, মাৰ্কশ্বিট আৰু আন আন কাগজ-পত্ৰ ঠিক-ঠাক কৰি অনা ফাইলটো পুনৰ এবাৰ চালে। এনেতে বলীনৰ পত্নী সেই সাদৰী মহিলাগৰাকীয়ে কেইখনমান ভজা গৰম লুচি, আলু ভাজি, এগিলাচ পানী আনি টেবুলখনত থৈ- "তুমি সোনকালে খোৱা"- ৯ বাজি গ'লেই। অলপ পিছতে কটন কলেজলৈ যাব লাগিব। বোধন অ' বোধন।

ঃ গৈছো বাইদেউ

ঃ অ', যা প্ৰসেনক লৈ যা। কটন কলেজৰ য'ত এডমিচন হয় একেবাৰে তাত থৈ আহিবি।

বোধন নামৰ ল'ৰাটোক প্ৰসেনক সহায় কৰি দিবলৈ বলীন কম্পাউণ্ডাৰেই পঠাইছে তেওঁৰ কোৱাৰ্টাৰলৈ। বোধন কেইমাহমান আগতে হাস্পতালখনত চকীদাৰ হিচাপে সোমাইছেহি। ঘৰৰ অৱস্থা বেয়া। বলীন কম্পাউণ্ডাৰে চুপাৰিটেনডেণ্টক কৈ মিলি হাস্পতালত খালী হৈ থকা চকীদাৰ পোষ্ট এটাত সোমাই দিছে।

প্ৰসেনৰ ইতিমধ্যে চাহ খোৱা শেষ হ'ল। সি পেণ্ট-চাৰ্ট পিন্ধিলে। বলীন

কম্পাউণ্ডাৰৰ ঘৈণীয়েকক সেৱা এটা জনাই কটন কলেজলৈ যাম বুলি বাৰাণ্ডা পালে। বোধন তাক তাৰ লগত কটন কলেজলৈ লৈ গ'ল। প্রসেনে বোধনৰ পিছে পিছে পাণবজাৰৰ দোকানবোৰ চাই চাই গৈ থাকিল। চ'কটো পাৰ হৈয়েই কটন কলেজৰ কেম্পাচ আৰম্ভ হৈছে। সিহঁত কিছু আগবাঢ়ি গৈ এজন মানুহক এডমিচন ক'ত হ'ব সুধিলে। মানুহজন বোধহয় কটন কলেজৰে প্রফেচাৰ বা কর্মচাৰী আছিল। তেওঁ প্রসেনহঁতক অলপ আগলৈ গৈ ইউনিয়ন হ'ল এটা দেখিব বুলি ক'লে আৰু তাতেই এডমিচন হ'ব বুলি কৈ গ'ল। বোধনে আৰু প্রসেনে অলপ আগলৈ গৈ ছাত্র-ছাত্রীৰে ভীৰ হৈ থকা ইউনিয়ন হলটো দেখা পালে। এজন ছাত্রক সোধাত ছাত্রজনে তাতেই আজি পি. ইউ. আর্টচৰ এডমিচন হ'ব বুলি ক'লে।

ঃ তুমি হলটোৰ ভিতৰলৈ গৈ বহা। ১০ বাজিবলৈ কেইমিনিটমানহে বাকী। এডমিচনৰ সময় হ'লেই, মই যাও, ডিউটি চলি আছে- বুলি প্রসেনক মাত লগাই বোধন তাৰ পৰা হাস্পতাললৈ ঘূৰি গ'ল। প্রসেনেও গৈ ইউনিয়ন হলত সোমাল। ছাত্র-ছাত্রী অভিভাৱকেৰে হলত মানুহ ঠাহ খাই পৰিছে। হলৰ ষ্টেজত টেবুল শাৰী শাৰীকৈ কিছুমান মানুহ বহি আছে। প্রসেনে হ'লটোৰ আগলৈ গৈ ভাগ্যক্রমে এখন খালি চকী পালে। চকীখনত বহি লৈ সি এডমিচনৰ সময়লৈ বৈ থাকিল।

এনেতে এগৰাকী কম বয়সীয়া মহিলাই ইংৰাজীতে "Now we are going to start the admission process" বুলি কোৱা কথাখিনি প্রসেনে শুনিলে। এই ঘোষণাৰ পিছতে কলেজৰ অধ্যক্ষই ছাত্র-ছাত্রী আৰু অভিভাৱকসকলক উদ্দেশ্য কৰি দুআষাৰ মান কথাৰে এটা চমু ভাষণ দিলে। ভাষণত কটন কলেজৰ ঐহিত্যৰ বিষয়েও অলপ কথা ক'লে। তাৰ পাছতে এডমিচন আৰম্ভ হ'ল। মাইকত মেট্রিক পৰীক্ষাত লাভ কৰা নম্বৰ অনুসৰি এজন এজনকৈ ছাত্র-ছাত্রীসকলক ষ্টেজলৈ মাতিলে এডমিচনৰ বাবে। ছাত্র-ছাত্রীসকলেও সাজু কৰি ৰখা নিজৰ নিজৰ প্রয়োজনীয় কাগজ-পত্র আৰু এডমিচনৰ বাবে প্রয়োজনীয় পইচা-পাতি দি এপিনৰ পৰা এডমিচনৰ কাম কৰি গ'ল। চাৰি নম্বৰতে প্রসেনৰ নামটো মাতিলে ঘোষিকাগৰাকীয়ে। প্রসেনে উঠি গৈ আন আন ছাত্র-ছাত্রীসকলৰ দৰে প্রয়োজনীয় কাগজ-পত্র দেখুৱাই পইচা জমা দিলে। প্রসেনৰ এডমিচন হৈ গ'ল। সি ষ্টেজৰ পৰা নামি ইউনিয়ন হ'লৰ বাহিৰলৈ ওলাই আহিল। ওচৰতে এজন মানুহে চাহ বিক্রী কৰি থকা দেখি সি একাপ চাহ খাবলৈ মানুহজনৰ ওচৰ পোৱাৰ আগতে কলেজৰ গেটৰ কৰিডৰত আগৰে পৰা বহি থকা তিনিজন ল'ৰাৰ দল এটাই তাক মাতিলে। সি ওচৰলৈ গ'ল।

ঃ অ'ই ভূত কোনখন হাবিৰ পৰা আহিছা?

ঃ প্রসেনে থতমত খালে। সি একো বুজি নাপাই ক্ষন্তেক ল'ৰা কেইজনৰ পিনে

চাই থাকিল।

ঃ ঐ ভূত চাব নালাগে কোনখন হাবিৰ পৰা আহিছ্ নকব কিয় ?

প্ৰত্যুৎপন্নমতি প্ৰসেনেও 'আপোনালোক যিখন হাবিৰ পৰা আহিছে মেয়ো সেইখন হাবিৰ পৰাই আহিছো' বুলি ক'লে। ল'ৰাকেইজনে হাঁহি দিলে।

ঃ 'ই বেটা দ পানীৰ মাছ ৰে' বুলি এজনে মন্তব্য কৰিলে। এনেতে আন এজন ল'ৰা আহি সেইখিনি পোৱাত তাৰে এজন ল'ৰাই তাক কানে কানে কিবা ক'লে। তেতিয়া সেই ল'ৰাজনে হাঁহি হাঁহি ভাইটী তোমাৰ ঘৰ ক'ত? এডমিচন হ'ল নে নাই বুলি সোধাত প্ৰসেনে নম্ৰভাৱে উত্তৰ দি তাৰ পৰা চাহ বিক্ৰী কৰি থকা মানুহজনৰ ওচৰলৈ গৈ চাহ একাপ খাবলৈ ল'লে। চাহ খাই প্ৰসেনে বলীন কম্পাউণ্ডাৰৰ কোৱাৰ্টাৰলৈ যোৱাটোকে ঠিক কৰিলে। লাহে লাহে সি পুলিচ হাস্পতাললৈ খোজ ল'লে। অলপ গৈয়েই সি বোধনক পালে। সি কিবা এটা বস্তু নিবলৈ মহামায়া কেবিনৰ ওচৰলৈ আহিছিল। দুয়ো লগ হৈ পুলিচ হাস্পতাললৈ গ'ল। এনেতে পাণবজাৰৰ মাজভাগতে এটা সমদলৰ লগত সিহঁতৰ ভেটা-ভেটি হ'ল। প্ৰায় পাঁচশমান মানুহৰ এটা ডাঙৰ সমদল। ছাত্ৰ-ছাত্ৰীও আছিল সমদলটোত। আগত কেইজনমান বয়সস্থ লোক। সমদলকাৰীসকলৰ মাজৰ পৰা 'তেজ দিম তেল নিদিও', 'অসমৰ তেল অসমতে শোধন কৰক', আমাৰ ন্যায্য দাবী মানিবই লাগিব, 'কেন্দ্ৰীয় চৰকাৰ হুচিয়াৰ', ইনক্লাব জিন্দাবাদ আদি শ্লোগানেৰে পাণবজাৰৰ আকাশ-বতাহ মুখৰিত কৰি আহিছে। সেই সময়ত সেই ঠাইৰ গাড়ী মটৰ বন্ধ। দোকানী-পোহাৰী বিলাকেও নিজ নিজ দোকান-পোহাৰৰ সমুখত থিয় হৈ সমদলটো প্ৰত্যক্ষ কৰিছে। কিছুমানে হাত জোকাৰি সমদলকাৰীসকলক উৎসাহ দিছে। প্লেকাৰ্ড, বেনাৰ আদিৰে সমদলটো দেখিবলৈ আকৰ্ষণীয় হৈ পৰিছিল। প্ৰসেন আৰু বোধনেও পাণবজাৰৰ ফুটপাথৰ পৰা সমদলটো চাই থাকিল। প্ৰসেনে কিছু সময় সমদলটো চাই উত্তেজনা অনুভৱ কৰিলে। বোধনক হাস্পতাললৈ যাবলৈ কৈ সিও সমদলটিত সোমাই পৰিল। সমদলটো কটন কলেজৰ সমুখেদি গৈ জিলা চেচন আদালত হৈ ডি. চি. অফিচ পালে। ইতিমধ্যে সমদলটোত প্ৰায় এহাজাৰতকৈ বেছি মানুহৰ সমাগম হৈছিল। তাত সমদলকাৰীসকলে ক্ষন্তেক বৈ ৰাইজক তেওঁলোকৰ এই সমদল যাত্ৰাৰ বিষয়ে নেতা এজনে মাইকত ক'লে— "ৰাইজসকল, যোৱা বছৰৰে পৰা 'অসম তেল শোধনাগাৰ স্থাপন কৰ্ম পৰিষদে' অসমত তৃতীয়টো তেল শোধনাগাৰ স্থাপন কৰিবলৈ আৰু অসমৰ খাৰুৱা তেল অসমতে শোধন কৰাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাই আহিছে। আজিলৈ অসমবাসীৰ এই ন্যায্য দাবীৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে কানসাৰ দিয়া নাই। কেন্দ্ৰীয় চৰকাৰক আমাৰ এই ন্যায়সংগত দাবী মনাবলৈ আমি যোৱা বছৰ অৰ্থাৎ ১৯৬৮ চনৰে পৰা আন্দোলন কৰি আহিছো। ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী

হিচাপে আজি এই সমদল যাত্রা কৰা হৈছে। এতিয়া আমি আমাৰ দাবীৰ সমৰ্থনত আৰু আমাৰ দাবী মানি লোৱাৰ বাবে ভাৰতৰ প্ৰধান মন্ত্ৰীলৈ ডি. চি. মহাশয়ৰ জৰিয়তে স্মাৰকপত্ৰ পঠাম।

নেতাজনে আৰু ক'লে— "ব্ৰিটিছসকলৰ দিনতে অসমৰ ডিগবৈত ১৯০১ চনত সৰু তেল শোধনাগাৰ এটা স্থাপন কৰা হৈছিল। এই শোধনাগাৰটোৰ শোধন ক্ষমতা বছৰি মাত্ৰ ০.৭৫ মিলিয়ন টন। তাৰ পাছত ১৯৫৬ চনৰ পৰাই অসমৰ ৰাইজে আন্দোলন কৰাৰ ফলত ১৯৬২ চনত গুৱাহাটীৰ নুনমাটিত ৰাজ্যখনৰ দ্বিতীয়টো তেল শোধনাগাৰ স্থাপিত হৈছিল। এই শোধনাগাৰটোৰো শোধন ক্ষমতা মাত্ৰ বছৰি ১.৫ মিলিয়ন টনতে সীমাবদ্ধ কৰি ৰখাৰ ফলত ৰাজ্যখনত উৎপাদিত খাৰুৱা তেলৰ সামান্য অংশহে অসমত শোধন কৰাৰ ব্যৱস্থা কৰা হৈছে।" এনেতে ডি. চি. আহি সমদলকাৰীসকলৰ সমুখত থিয় হোৱাত তেল শোধনাগাৰ আন্দোলন কৰ্ম পৰিষদৰ নেতা শৰত চন্দ্ৰ সিংহ, ফণী বৰা, বিশ্ব গোস্বামী, অজিত শৰ্মা, হেমেন দাস আদিয়ে তেওঁৰ হাতত ৰাইজৰ দাবী সম্বলিত স্মাৰক পত্ৰখন অৰ্পণ কৰিলে। ডি. চি.য়েও সেইখন প্ৰধান মন্ত্ৰীলৈ পঠোৱাৰ আশ্বাস দি সমদল যাত্ৰা ইমানতে শেষ কৰিবলৈ সমদলকাৰীসকলক অনুৰোধ জনালে। আন্দোলনটোৰ অন্যতম নেতা শৰৎ চন্দ্ৰ সিংহই "সমদল যাত্ৰা আজিলৈ ইমানতে শেষ হ'ল"- বুলি ঘোষণা কৰিলে। পৰৱৰ্তী কাৰ্যসূচী পিছত ঘোষণা কৰা হ'ব বুলি কৈ তাৰ পৰা আঁতৰি গ'ল। সমদলকাৰীসকলো তাৰ পৰা আঁতৰি গ'ল। প্ৰসেনেও উত্তেজিত মন এটা লৈ পুলিচ হাস্পতালৰ পিনে খোজ ল'লে। বোধনৰ মুখে বলীন কম্পাউণ্ডাৰে প্ৰসেনে সমদলত যোগদান কৰা বুলি শুনি ভয় খালে আৰু গুৱাহাটীৰ একো ঠাই চিনি নোপোৱা প্ৰসেনক অকলে এৰি অহাৰ বাবে বোধনক গালি পাৰিলে।

ঃ ব'ল, ব'ল, তৎক্ষণাৎ ব'ল। প্ৰসেনক বিচাৰি আহো। নহ'লে ৰাস্তা ভুল কৰি কৰবালৈ গ'লে বিপদ হ'ব বুলি বোধনক লৈ বলীন কম্পাউণ্ডাৰে প্ৰসেনক বিচাৰি গ'ল। প্ৰসেনক লয়াৰ্চ বুক ষ্টলৰ সমুখত লগ পালে তেওঁলোক। প্ৰসেন বলীন কম্পাউণ্ডাৰ আৰু বোধনৰ লগত পুলিচ হাস্পতাললৈ গ'ল। তেতিয়া দিনৰ প্ৰায় দুই বাজিছে। বলীন কম্পাউণ্ডাৰৰ ঘৈণীয়েক সৰলাই প্ৰসেনক ইতিমধ্যে টেবুলত সাজি থোৱা ভাত খাবলৈ ক'লে। প্ৰসেনে ভাত-পানী খাই উঠি অলপ জিৰণি লৈ বলীন কম্পাউণ্ডাৰহঁতৰ সৰু চোতালখনতে মুঢা এটাত বহিলহি। তেতিয়া সন্ধিয়া হওঁ হওঁ হৈছে। প্ৰসেনে সন্ধিয়াৰ আকাশখনৰ পিনে ৰ' লাগি চাই থাকিল। কিবা এক অবুজ ভাৱত তন্ময় হৈ পৰিল সি। মহানগৰৰ আকাশতো যে বগলীৰ জাক উৰে ভাবি সি আচৰিত হ'ল। তাৰ কাকতল আৰু গাগেলিলৈ মনত পৰিল। মুহূৰ্ততে কাকতল আৰু গাগেলিৰ আকাশলৈ উৰি গ'ল

তাৰ মনটো। উৰি যাওঁতে সি গুণগুণাই গাই গ'ল—

"সন্ধিয়াৰ আকাশত বগলি উৰে
আইৰে ঘৰলৈ মনতে পৰে।"

ঃ বাৰু এডমিচনটো হৈয়েই গ'ল। এতিয়া ক্লাচ আৰম্ভ হ'ব। ক'ত থাকিম বুলি ভাবিছা প্ৰসেন— মুঢ়া এটা বাৰাণ্ডাৰ পৰা আনি প্ৰসেনৰ ওচৰতে বহি লৈ বলীন কম্পাউণ্ডাৰে প্ৰসেনক সুধিলে।

কল্পনাৰ দেউকাত উঠি গুৱাহাটীৰ পৰা কাকতলৰ সন্ধিয়াৰ আকাশত ৰংমনে গীত গাই গাই বিচৰণ কৰি ফুৰা প্ৰসেনে বলীন কম্পাউণ্ডাৰৰ কথাত থতমত খাই উঠিল। সি লাজতে তৎক্ষণাৎ থিয় হ'ল।

ঃ বহা, বহা। সৰলা অ' সৰলা পাটীখনকে পাৰি দিয়াহে'ইয়াত। আমি পাটীতে বহো, ভাল লাগিব— বুলি ঘৈণীয়েক সৰলাক পাটী এখন চোতালত পাৰি দিবলৈ ক'লে, বলীন কম্পাউণ্ডাৰে। সৰলাইও কোনো কথাৰ অৱতাৰণা নকৰাকৈ পাটী এখন চোতালত পাৰি দিলে। লগতে বিচনীও দুখনমান আনি তেওঁলোকৰ ল'ৰা দুটাক তাত বহিবলৈ কৈ নিজেও বহি পৰিল। এনেতে ডিউটি শেষ কৰি বোধনো আহি সেইখিনি পালে।

ঃ নহয়, মানে মই সুধিছো অলপতে তোমাৰ ক্লাছটো আৰম্ভ হ'বই, ক'তনো থাকিম বুলি ভাবিছা?

ঃ নাই খুৰা, এতিয়ালৈ মই থকা ঠাই ঠিক কৰা নাই। কৰিবহে লাগিব। মইটো গুৱাহাটীৰ একো ঠাইয়ে চিনি নাপাও। আপুনিয়েই কিবা এটা কৰক— বুলি প্ৰসেনে ক'লে।

ঃ মই বোধনৰ লগত কথা পাতিছোঁ। সি উলুবাৰীত ৰুম এটা ভাড়া লৈ আছে। উলুবাৰী অৱশ্যে কটন কলেজৰ পৰা অলপ দূৰ হয়। তথাপি কিছুদিনৰ বাবে বোধনৰ লগতে থকাটো ভাল হ'ব নেকি? নে কি কোৱা অ' বোধন— বুলি কথাখিনি ক'লে বলীন কম্পাউণ্ডাৰে।

ঃ অ', আপুনি কৈছে যেতিয়া হ'ব। ৰুমটো পিছে সিমান ভাল নহয়। প্ৰসেনে বা থাকিব পাৰে নে নাই— বোধনে ক'লে।

ঃ কিছুদিন কষ্ট কৰি হ'লেও থাককচোন। ঘপহকৈ গুৱাহাটীত ভাড়া ঘৰ পোৱা টান। পালেও কটন কলেজৰ আশে-পাশে থকা ঠাইসমূহত ঘৰ ভাড়া বৰ বেছি। তোৰ ৰুমটোতো ভাড়া মাহে ২৫ টকাহে। প্ৰসেনেও কিবা অলপ দিব বাৰু— বুলি ক'লে বলীন কম্পাউণ্ডাৰে। নে কি কোৱা প্ৰসেন?

ঃ হ'ব, খুড়াদেউ বোধন ককাইৰ লগত থাকিবলৈ মই ভালেই পাম। তেওঁ

গুৱাহাটীৰ কিছু কথা জানে। তাৰ পৰা যেহেতু চিটি বাছ পোৱা যায় অসুবিধা নহ'ব যেন পাও— বুলি প্ৰসেনে ক'লে।

বোধন। বোধন ৰয় পুৰা নাম। ল'ৰাজনৰ গুৱাহাটীৰ পৰা ২৫ কিলোমিটাৰ মান দূৰৰ বেজেৰা নামৰ ভিতৰুৱা গাঁও এখনত ঘৰ। তাৰ সৰু ভনীয়েকজনী জন্মাৰ তিনিদিন পাছতে সাদৰী মাকজনীয়ে তাক তাৰ সৰু ভায়েকজন আৰু দুজনী ভনীয়েকক এৰি ইহসংসাৰৰ পৰা আঁতৰি গৈছে। পিতাক পূৰ্ণকান্ত ও ঘৈণীয়েকজনী মৰাৰ ছয়মাহ পাছতে শোক বেজাৰ আৰু দাৰিদ্ৰ্যতাই কোঙা কৰি পেলোৱাত মস্তিষ্কৰ বিকৃতি ঘটি ঘৰৰ পৰা এদিন নিশা মনে মনে ওলাই গ'ল। যি গ'ল গ'লেই, প্ৰায় দহ বছৰে হ'ল, মানুহজনৰ কোনো খবৰ নাই। বোধনৰ তেতিয়া বয়স দহ বছৰ মানেই আছিল। বেজেৰা প্ৰাইমাৰী স্কুলৰ তৃতীয় শ্ৰেণীত পঢ়ি আছিল সি তেতিয়া। পিতাক নিৰুদ্দেশ হোৱাৰ পাছত প্ৰাইমাৰী পাছ কৰি বোধনৰ আৰু স্কুললৈ যোৱা নহ'ল। গাঁৱতে ইঘৰ সিঘৰৰ কাম কৰি সি তাৰ ভায়েক আৰু ভনীয়েক দুজনীক কিবাকৈ পোহপাল দি থাকিল। কিন্তু তেনেকৈ আৰু কিমান দিন? সেয়ে মনৰ দুখতে এদিন ১৮ বছৰ বয়সতে বোধনে গুৱাহাটীলৈ আহি ৰিক্সা চলাবলৈ আৰম্ভ কৰে ভায়েকজন আৰু ভনীয়েক দুজনীৰ পেট পুহিবলৈ। হঠাতে এদিন এজন গুৱাহাটীৰ পুলিচ হাস্পতালৰ চুপাৰিণটেনডেণ্টজনে তাৰ ৰিক্সাত উঠি আহি থাকোতে তাৰ দুখৰ কাহিনী শুনি হাস্পতালত খালি হৈ থকা চকিদাৰৰ পোষ্টটোত প্ৰাইমাৰী পাছ বোধনক অস্থায়ী হিচাপে নিযুক্তি দিলে। যোৱা এবছৰে বোধনে পুলিচ হাস্পতালত সকলোৰে প্ৰিয়পাত্ৰ হৈ চকিদাৰৰ কাম কৰি আছে।

সেই বোধনেই উলুবাৰীৰ ধানকল এটাৰ ওচৰত বীৰেন বড়ো নামৰ মানুহ এজনৰ সৰু ৰুম এটা ভাড়া লৈ ভাড়া ঘৰতে আছে। তাৰ পৰাই ৰাতিপুৱা ৮ বজাতে সি পুলিচ হাস্পতাললৈ আহি তাৰ ডিউটি নিয়াৰিকৈ কৰে। তাতেই কিছুদিনৰ বাবে প্ৰসেনকে থকাৰ কথা কৈছে বলীন কম্পাউণ্ডাৰে। বলীন কম্পাউণ্ডাৰে বোধনক বৰ মৰম আৰু বিশ্বাস কৰে। বোধনেও কম্পাউণ্ডাৰক বৰ শ্ৰদ্ধা আৰু ভক্তি কৰে। তেওঁক নোসোধাকৈ একো কাম নকৰে।

পিছদিনা আবেলি প্ৰসেনে বোধনৰ লগত তাৰ বস্তু-বাহানি এখন ৰিক্সাত লৈ উলুবাৰীত থকা বোধনৰ ভাড়া ঘৰলৈ গ'ল। ভাড়া ৰুমটো নতুনকৈ বন্ধা। চালত টিন যদিও বেৰবোৰ তৰ্জাৰ। মজিয়াখন কেঁচা। একেবাৰে কাষৰ ৰুমটোত এজনী জাৰ্চি গাই ৰাখিছে। সেই ৰুমটোৰ পৰা অনবৰতে গাইজনীৰ গু-মূতৰ গোন্ধ আহি বোধনৰ ৰুমটো দুৰ্গোন্ধময় কৰি ৰাখে। প্ৰসেনে দেখিলে যে ৰুমটোত পঢ়িবলৈ কোনো সুবিধাও নাই, পৰিৱেশো নাই। একেৰাহে দুই-তিনিঘণ্টা ৰুমটোত থকা প্ৰসেনৰ বাবে সাধ্যাতীত। বোধন কোৱামতে দুই-এদিনতে গাইজনী সেই ৰুমটোৰ পৰা দূৰৰ আন এটা ৰুমলৈ

নিব বুলি মালিকে কৈছে বোলে। নিজৰ আৰ্থিক দুৰৱস্থা, বোধনৰ মৰম আৰু আশ্বাস বলীন কম্পাউণ্ডাৰৰ ইচ্ছা ইত্যাদি কথা ভাবি প্ৰসেনে কিছুদিনৰ বাবে তাতেই থকাটো ঠিক কৰিলে। কিছুদিনৰ বাবে সি বিছনাৰ বাবে খাট নিকিনি বোধনৰ লগত একেখন বিছনাতে শুব, কিতাপ-পত্ৰবোৰ বাকচটোতে ৰাখিব বুলি মনতে থিৰাং কৰিলে। খোৱা-বোৱাৰ বাবে বোধনৰ ব্যৱস্থা আছেই। দুয়ো একেলগে ৰন্ধা-বঢ়া কৰি খাব। "তুমি একো কৰিব নালাগে। ৰন্ধা-বঢ়া ময়েই কৰিম। তুমি খটি নকৰাকৈ ক্লাছ কৰিবা আৰু পঢ়িবা। বৰ্তমান খোৱা-বোৱাৰ বাবে পাৰিলে অলপ-চলপ পইচা দিবা, নোৱাৰিলে নাই। তোমাক মোৰ নিজৰ ভাই হিচাপে ল'লো। তোমাৰ পঢ়া-শুনাৰ প্ৰতি মোৰো এটা দায়িত্ব আছে"- বুলি বোধনে গভীৰ প্ৰত্যয় আৰু দায়িত্ববোধেৰে কথাখিনি কৈ প্ৰসেনক আশ্বস্ত কৰিবলৈ চেষ্টা কৰিলে। বোধনৰ কথাত প্ৰসেনৰ বোধনৰ প্ৰতি গভীৰ শ্ৰদ্ধা উপজিল।

প্ৰতিকূল পৰিৱেশ এটা মূৰত লৈয়ে প্ৰসেনজিৎ কলিতাই তাৰ কলেজীয়া জীৱনৰ পাতনি মেলিলে। এটা নতুন জীৱনৰ নতুন সপোনে তাক হাত বাউল দি মাতিলে। বেজাৰ আৰু আনন্দ দুয়োটাকে সমানে দুই কান্ধত লৈ প্ৰসেনে খোজ দিছে জীৱনৰ এক অন্তহীন দীঘল বাটত।

জুলাই মাহৰ ১৯ তাৰিখ। পুৱাৰে পৰা থৌকি-বাথৌ মন এটা লৈ প্ৰসেন সাজু হ'ল কলেজলৈ যাবলৈ। আজি তাৰ কলেজত প্ৰথম দিন। প্ৰথম ক্লাছ হ'ব ৯-৪৫ বজাত। বোধনে ভাত ৰান্ধি প্ৰসেনক খুৱাই-বোৱাই ৯ বজাত লাচিত নগৰ ষ্টপেজত চিটি বাছ এখনত উঠাই দিলে। প্ৰসেন আহি কটন কলেজৰ ইউনিয়ন হ'লৰ কাষত থকা নিৰ্দিষ্ট ক্লাচ ৰুমটো পালে। বুৰঞ্জীৰ ক্লাছ। ছাত্ৰ-ছাত্ৰী প্ৰায় ২৮ জনমান ৰুমটোত সোমাল। ৯-৪৫ বজাত এজন টাইট লংপেণ্ট পিন্ধা একেবাৰে ডেকা প্ৰফেচাৰে জোতাৰ লেফ্ট-ৰাইট শব্দ কৰি ক্লাছ ৰুমটোত সোমাল। ৰোল-কল কৰি ছাত্ৰ-ছাত্ৰীসকলৰ পৰিচয় ল'লে। বৰ স্মাৰ্ট মানুহজন। বুৰঞ্জীৰ কোৰ্চত কি কি থাকিব তাৰ এটা চমু আভাস দিলে তেওঁ। কটন কলেজৰ বিষয়েও কেইআষাৰ মান ক'লে। তাৰ পাছত প্ৰফেচাৰজন গ'ল। ছাত্ৰ-ছাত্ৰীবোৰে ইজনে-সিজনৰ লগত চিনাকি হ'ল। এনেকৈ প্ৰথম দিনা বুৰঞ্জীৰ পিছত লজিক, অসমীয়া আৰু ইংৰাজীৰ ক্লাচ হ'ল। ৩-১৫ বজাত ক্লাছ শেষ হ'ল। প্ৰসেনৰ ভাল লাগিল ক্লাছ কৰি। ক্লাছ শেষ হোৱাৰ পাছত প্ৰসেনে পুলিচ হাস্পতাললৈ গ'ল। বলীন কম্পাউণ্ডাৰ তেতিয়া আবেলিৰ ডিউটিলৈ যোৱাৰ বাবে সাজু হৈ বাৰাণ্ডাতে বটাটো লৈ তামোল এখন খাই আছিল। প্ৰসেনক দেখি 'আহা আহা ক্লাছ আছিল নহয় আজি কৰিলা বোধহয়'— বুলি প্ৰসেনক আদিৰ-সাদৰ কৰি বাৰাণ্ডাতে বহিবলৈ দিলে।

ঃ 'সৰলা, অ' সৰলা প্ৰসেন আহিছে হে' বুলি চিঞৰি ঘৈণীয়েক সৰলাক মাতিলে বলীন কম্পাউণ্ডাৰে। সৰলা ঘৰৰ ভিতৰৰ পৰা ওলাই আহি 'অ' প্ৰসেন বুলি কোৱাত

বলীন কম্পাউণ্ডাৰে ভাত-আঞ্জা আছে নে নাই, যদি আছে তেওঁক ভাত খাবলৈ দিয়া' বুলি ক'লে বলীনে।

ঃ হ'ব, হ'ব আহা প্ৰসেন— বুলি প্ৰসেনক ভিতৰলৈ মাতি নি মজিয়াতে বহিবলৈ দিলে। এজন মানুহে খাব পৰাকৈ ভাত-আঞ্জা আছিল। সেইখিনি সাজি প্ৰসেনক খাবলৈ দিলে। ভোকত পেট কলমলাই থকা প্ৰসেনে পৰম তৃপ্তিৰে ভাত খালে।

ভাত খাই উঠি প্ৰসেন উলুবাৰীৰ মেচলৈ যাবলৈ সাজু হ'ল। ইতিমধ্যে প্ৰসেনৰ ঘৰলৈ, কাকতললৈ আৰু গাগেলিলৈ মনত পৰি ঘৰলৈ যাবলৈ মনটো উদ্বাউল হৈ আছিল। তাক কিছু বিমৰ্ষ দেখা গ'ল। বলীন কম্পাউণ্ডাৰে কথাটো লক্ষ্য কৰিলে। তাতকৈ বেছি লক্ষ্য কৰিলে তেওঁৰ ঘৈণীয়েক সৰলাই।

ঃ তুমি বেজাৰ মনে থকা যেন লাগিছে প্ৰসেন— বেজাৰ নকৰিবা। নিজৰ কামত মনপুতি লাগি যোৱা। সকলো ঠিক হৈ যাব সময়ত। সুবিধা-অসুবিধা থাকেই জীৱনত। সেইবোৰ অতিক্ৰম কৰি যাব পৰাটোৱেই আচল কথা। তুমি জীৱনত এদিন সফল হ'বাই— মোৰ বিশ্বাস আছে,— সৰলাই ক'লে। নহয় খুড়ীদেউ মোৰ ঘৰলৈ, গাঁওখনলৈ বৰকৈ মনত পৰিছে, এবাৰ যাবলৈ মন গৈছে— প্ৰসেনে ক'লে।

ঃ 'মাজে মাজে ঘৰলৈ যাবা, সেই বুলি ক্লাছ খতি কৰি, পঢ়া খতি কৰি ঘৰ ঘৰকৈ নাথাকিবা— সৰলাই ক'লে।

ঃ হ'ব খুড়ীদেউ- বুলি কৈ প্ৰসেনে উলুবাৰীলৈ বুলি খোজ ল'লে। পাণবজাৰৰ বাছ ষ্টপেজত চিটি বাছ এখনত উঠিলে। চিন্তাৰ চাকনৈয়াত ঘূৰি থাকোতে কেতিয়া সি লাচিত নগৰ পালে ক'বই নোৱাৰিলে। লাচিত নগৰত চিটি বাছৰ পৰা নামি সি তাৰ মেচলৈ গ'ল। মেছ পাই ভৰি-হাত ধুই সি বিছনাত পৰিল। কেতিয়া টোপনি গ'ল ক'বই নোৱাৰিলে। ৭.৩০ মান বজাত বোধনে আহি মতাত হে সি সাৰ পাই উঠি মুখ-হাত ধুলে।

ঃ কিয় শুই আছা প্ৰসেন, গা বেয়া নেকি?

ঃ নাই, নাই বোধনকাই গা বেয়া নহয় মনটোহে কিবা ভাল লগা নাই ।

ঃ কিয়?

ঃ ঘৰলৈ মনত পৰিছে, ঘৰলৈ যাবলৈ বৰ মন গৈছে।

ঃ হয় নেকি, যাবা। অহাকালি শনিবাৰ। ক্লাছ কৰি বাহিৰে বাহিৰে ট্ৰেইনত উঠি ঘৰলৈ যাবা। সোমবাৰে পুৱা গুচি আহিবা। বচ, সেইলৈ ইমান চিন্তা কৰিবলগা কি আছে।

বোধনে ঘৰলৈ যাবলৈ কোৱাত প্ৰসেনে বৰ ভাল পালে। অহাকালি শনিবাৰ ঘৰলৈ যাম বুলি প্ৰসেনে মনতে ঠিক কৰি থৈছিল। কিন্তু বোধনে হাক দিব বুলি ভয়

খাই আছিল। সেই ভয় এতিয়া তাৰ নোহোৱা হ'ল। তাৰ মনটো কিছু ফৰকাল ফৰকাল লাগিল। বোধনৰ প্ৰতি সি ক'ব নোৱৰাকৈয়ে কৃতজ্ঞ হৈ পৰিল। প্ৰথম দিনাৰ ক্লাছৰ পিছত পিছদিনা কলেজ বন্ধ আছিল। তাৰ পছদিনা অৰ্থাৎ ২১ জুলাই শনিবাৰে পুনৰ ক্লাছ হ'ল। প্ৰসেনে ক্লাছলৈ আহিল। ঘৰলৈ যাম বুলি সি একেবাৰে ওলাই আহিল। ক্লাছ কৰি ২.৩০ বজাত ধুবুৰী পেচেঞ্জাৰখনত সি ঘৰলৈ যাব। ক্লাচ ৯-৪৫ বজাত আৰম্ভ হ'ল। সিদিনাও প্ৰথম ক্লাছটো বুৰঞ্জীৰে ক্লাছ। বুৰঞ্জীৰ প্ৰফেচাৰ অদিত ভৰালীয়ে চিগাৰেত এটা হুপি হুপি মিলিটাৰী অহা দি আহি থকা প্ৰসেনে দেখিলে। হাতত ৰেজিষ্টাৰ বহীটো। প্ৰফেচাৰ ভৰালীয়ে ক্লাছত সোমোৱাৰ আগতে হাতৰ চিগাৰেটটো মাটিত পেলাই জোতাৰে গচকি নুমালে আৰু ধুমুহাৰ দৰে ক্লাছত সোমাল। ৰোলকল কৰি উঠি প্ৰফেচাৰজনে কিছু সময় ল'ৰা-ছোৱালীসকলৰ পিনে চাই দুই-এজনৰ নাম-ধাম সুধিলে। মেট্ৰিক পৰীক্ষাত কোনে কোনে প্ৰথম বিভাগ পাইছে থিয় হ'বলৈ ক'লে। প্ৰথম বিভাগ পোৱা ছাত্ৰ-ছাত্ৰীসকলে থিয় হ'ল। বহিবলৈ কৈ ক্ষন্তেক সময় তভক মাৰি নাটকীয় ভঙ্গীত প্ৰফেচাৰ ভৰালীয়ে ক'লে—

'This twentyfirst day of 1969 is a Red Letter Day in the history of human race, Neil Alden Armstrong, Edwin Eugene Aldrin and Michael Allen Collins of America have become the first human beings to land on the Moon by Apollo-11.

In honour of this Red Letter Day, the Cotton College authority has declared half holiday today.' বুলি কৈ প্ৰফেচাৰ ভৰালী ক্লাচৰ পৰা ওলাই গ'ল। ছাত্ৰ-ছাত্ৰীসকলেও ভাল পালে। সকলো ঘৰাঘৰি গ'ল।

প্ৰসেনেও বৰ ভাল পালে, যদিও তাৰ ট্ৰেইনখন ৪ বজাত হে ইমান সময় ৰেল ষ্টেচনত কি কৰি থাকিব ভাবি অলপ চিন্তিত হ'ল। তথাপি সি গুৱাহাটী ৰেল ষ্টেচনলৈ গ'ল। ষ্টেচন পাই তাৰ মনটো কিবা এক ভাল লগাৰে ভৰি পৰিল। কেবাদিনৰ মূৰত সি তাৰ মৰমৰ কাকতলৈ যাব, গাগেলিখন পুনৰ দেখিবলৈ পাব, পাৰিলে এবাৰ পেহীয়েকহঁতৰ পিনে গৈ নীৰাৰ খবৰ কৰিব ইত্যাদি কথা ভাবি ভাবি সি ৰোমাঞ্চিত হৈ পৰিল।

ঃ কিহে ডেকা ল'ৰা, তুমি আকৌ ইয়াত কিয়- বুলি অপ্ৰত্যাশিতভাৱে কোনোবাই প্ৰসেনক তাৰ কাষত থিয় হৈ কিবা কোবা শুনিলে। সি মূৰ ঘূৰাই চাই—'অ', অজান দা আপুনি।'

ঃ অ' মই ঘৰলৈ যাম বুলি আহিছো। তুমি কটন কলেজত এডমিচন লোৱা খবৰটো পাইছো- অজান শৰ্মাই অলপ আচৰিত হৈ তেওঁলৈ চাই থকা প্ৰসেনক ক'লে।

ঃ আপুনিও গুৱাহাটীত কিবা এটা চাকৰিত সোমোৱা বুলি মোক আপোনালোকৰ গাঁৱৰে দিগন্তই কৈছে, পিছে চাকৰি ক'ত, থাকে ক'ত সিও নাজানে।

ঃ এনেয়ে থকাত কৈ এটা সৰু চাকৰিত মূৰটো সুমুৱাই দিছো ৰবা। দৰমহা পিছে কম। অফিচটোৰ কাষতে সৰু ৰুম এটা ভাড়া লৈ অফিচৰে পিয়ন এজন আৰু মই আছো। অফিচটো এটা ট্ৰেড ইউনিয়ন অফিচ। চাকৰিটোত জইন কৰা আজি প্ৰায় দুমাহে হ'ল। ঘৰলৈ এদিনো যোৱা নাই। আজি যাম বুলি আহিছো। কালিৰ দিনটো ঘৰত থাকি পৰহি ঘূৰিম— অজান শৰ্মাই ক'লে।

মোৰো আজি সাত দিনমান হ'ল গুৱাহাটীত। কটন কলেজত পি. ইউ. (আৰ্টচ) এডমিচন লৈছো। উলুবাৰীতে এজন চিনাকি মানুহৰ ভাড়া ৰুম এটাত আছো। ঘৰলৈ বৰকৈ মনত পৰিছে। সেয়ে ঘৰলৈ যাম বুলি আহিছো— প্ৰসেনে ক'লে।

ঃ ভালেই হ'ল দিয়া একেলগে যাব পাৰিম— অজানে ক'লে।

অজান শৰ্মা আৰু প্ৰসেনে চাহ খাবলৈ ষ্টেচনৰ ওচৰৰ দোকান এখনলৈ গ'ল। আজি ধুবুৰী পেচেঞ্জাৰখনৰ ৰাইট টাইম আছে। দুয়ো চাহ খাই উঠি টিকট কাটি ৪ নং প্লেটফৰ্মত গৈ বেঞ্চ এখনত বহিল। ত্ৰিনাথ-বৰলা চেমনীয়া ক'লা পৰিষদেকে ধৰি অঞ্চলটোৰ নানা সমস্যাৰ কথা পাতিলে দুয়ো। এনেতে ধুবুৰী পেচেঞ্জাৰখন ৪নং লাইনত আহি যাবলৈ সাজু হ'ল। দুয়ো এটা দবাত উঠি ভালকৈ বহি ল'লে।

ট্ৰেইনখনে ডাঙৰকৈ কেইটামান উকি মাৰি ধুবুৰী অভিমুখে যাবলৈ ধৰিলে। সময়মতে ট্ৰেইনখনৰ চকা ঘূৰাত প্ৰসেন আৰু অজান শৰ্মাই বৰ ভাল পালে। সময়মতে গ'লে ট্ৰেইনখনে প্ৰায় ৬ বজাত ত্ৰিনাথ ষ্টেচন পাব। তেতিয়া সিহঁতৰ নিজ নিজ ঘৰলৈ যোৱাত সুবিধা নহ'ব। ৬-৩০ মান বজাত ত্ৰিনাথৰ পৰা কাকতল গৈ শৰতপুৰলৈ লাইন বাছ এখন প্ৰতিদিনে যায়। ট্ৰেইনখনে গুৱাহাটী এৰি জালুকবাৰী পালে। জালুকবাৰী পাই ট্ৰেইনখন নাযায় হে নাযায়। পেচেঞ্জাৰসকল অধৈৰ্য হ'ল।

ঃ কি হ'ল হে, ট্ৰেইনখনৰ চকা দেখোন নুঘুৰাই হ'ল। এঘণ্টা দেখোন ইয়াতেই ৰ'ল। ৰ'বাচোন মই ষ্টেচনলৈ গৈ খবৰ এটা কৰি আহো— বুলি অজান শৰ্মা ট্ৰেইনৰ পৰা নামি গ'ল। কিছু সময় পিছত ঘূৰি আহি ক'লে, আমিনগাঁৱৰ আগত এখন মালগাড়ী ট্ৰেইন এখনৰ ইঞ্জিনত কিবা গোলমাল হৈছে বোলে। ভাল কৰোতে আৰু এঘণ্টামান লাগিব। আজি আমাৰ ত্ৰিনাথ পাওতে ৰাতি ১২ মান বাজিব যেন পাও— অজান শৰ্মাই হতাশাৰ সুৰত কথাষাৰ ক'লে। প্ৰসেনৰ মনটো মৰি গ'ল কথাখিনি শুনি। ইমান ৰাতি সিটো কাকতললৈ যোৱাটো সম্ভৱ নহ'ব। 'এ্যই চায়, চায়' বুলি অদ্ভুত মাত এটা নাকেৰে উলিয়াই এজন ফেৰিৱালাই এটা চাহৰ কেটলি আৰু কেইটামান গিলাচ লৈ প্ৰসেনহঁতৰ কাষ পালে। অজান শৰ্মাই 'অ'ই দো কাপ চায় ইধৰ দিজিয়ে'— বুলি অজান শৰ্মাই ফেৰিৱালাটোক অৰ্ডাৰ দিলে। ফেৰীৱালাটোৱে দুটা সৰু গিলাচত দুকাপ চাহ অজান আৰু প্ৰসেনক দি 'এ্যই চায় চায়'- বুলি আগলৈ গুচি গ'ল।

ঃ 'বুজিছা প্ৰসেন, হিন্দী মই একেবাৰে ক'ব নোৱাৰো, বুজি অৱশ্যে পাওঁ। তাক চাহ খুজি কোৱা হিন্দীখিনি শুদ্ধ হ'ল নে নাই নাজানো। কিন্তু সিও বুজি পালে, মোৰো কাম হ'ল বুলি অজান শৰ্মাই ৰগৰ কৰি কথাখিনি কৈ চাহ খাবলৈ ধৰিলে। প্ৰসেনেও অজান শৰ্মাৰ কথাত হয়ভৰ দি চাহ খোৱাত লাগিল।

ঃ বুজিচা প্ৰসেন, আমি অসমীয়াবোৰ সঁচাকৈয়ে বৰ আবেগিক। মুখত অস্তিত্বৰ কথা কওঁ আৰু নিজৰ সকলো কামৰ বাবে আনৰ ওপৰত ভৰসা কৰি— আনে আমাৰ মুখত ভাত-চাহ তুলি দিব বুলি বৈ থাকো। এই যে ট্ৰেইনবোৰ, কত ফেৰিৱালা আছে, তুমি এজন আমাৰ থলুৱা লোক ইয়াৰ মাজত দেখিছানে? নাই, নেদেখা। এই ফেৰিৱালাবোৰে এনেকৈয়ে একোখন পৰিয়াল পোহপাল দি আছে। আমাৰ গাঁৱৰ ভাগ্যক ধিয়াই কাম-বন নকৰি বহি থকা ডেকা ল'ৰাবোৰেওটো এইবোৰ কাম কৰিব পাৰে। নকৰে। সন্মান যাব। কোনোবাই খাব নোপোৱাৰ জাত বুলি ক'ব! অথচ ঘৰত লঘোণে থাকি মাক-বাপেকক গালি-গালাজ কৰি আছে। এইটো আমাৰ থলুৱা অসমীয়াসকলৰ মাৰাত্মক দোষ নহয় নে? তদুপৰি ৰেলৰ চাকৰিবোৰলৈ চোৱা, কাচিৎহে কৰবাত এজন থলুৱা অসমীয়াৰ মুখ দেখিবা। অথচ প্ৰতি বছৰে শ শ আমাৰ ল'ৰাই চাকৰিৰ বাবে ৰেলত সাক্ষাতকাৰ দিয়ে। চাকৰি হ'লে নাপায়। ১৮৮১ চনতে অসমত ৰেল লাইন স্থাপন হৈছিল। তেতিয়াৰ পৰাই থলুৱা অসমীয়াৰ বিৰুদ্ধে এই ষড়যন্ত্ৰ চলি আছে। তাৰ বাবে কতবাৰ আন্দোলন হ'ল। কেন্দ্ৰীয় চৰকাৰ বা ৰেল কৰ্তৃপক্ষৰ গা লৰিছেনে? নাই, লৰা নাই। সেইবুলি যে আমি আমাৰ প্ৰাপ্য আদায়ৰ বাবে আন্দোলন নকৰিম সেইটোও নহয়, কৰিম। কিন্তু আমাৰ আন্দোলনবোৰ ধানখেৰৰ জুইৰ দৰে তৎক্ষণাৎ নুমাই যায়। বেছি সময় নিটিকে। আমি আমাৰ প্ৰাপ্য আদায়ৰ ক্ষেত্ৰত সুসংগঠিত নহয়, সুপৰিকল্পনা আমাৰ নাই, নাই আমাৰ ঐক্যবদ্ধ জাতীয় প্ৰচেষ্টা।

তাৰ উপৰি আজি আমাৰ নিজৰ এজন ধোবা নাপাবা, মুচি, নাপিত, ৰাজমিস্ত্ৰী, লেপ-তুলি চিলাই কৰা মিস্ত্ৰী নাই, অথচ এইবোৰতো এসময়ত আমাৰ আছিল। ক'লৈ গ'ল? চাৰিওপিনে ধানৰ মিল, তেলৰ মিল, কিন্তু তাৰো কাম কৰিছে অসমৰ বাহিৰৰ পৰা অহা হাজাৰ হাজাৰ লোকে, তাতো নাপাবা থলুৱা অসমীয়া এজন। মাংসৰ বেপাৰী, ঠেলা, ৰিক্সা চলোৱা লোকৰ মাজতো তুমি এজনো থলুৱা অসমীয়াৰ মুখ দেখিবলৈ নোপোৱা। কিয়, আমাৰ নগৰ-চহৰ গাঁৱে-ভূয়ে হাজাৰ হাজাৰ ল'ৰাই এনেয়ে লঘোণীয়া পেটেৰে ঘৰত বহি আছে। পৰিশ্ৰম কৰি জীৱিকা নিৰ্বাহ কৰাটো লাজৰ কথা নেকি? তেতিয়াহ'লে বাহিৰা মানুহে আহি এইবোৰ কাম কৰাত আমি আপত্তি কৰো কিয়? অথচ এইবোৰ কাম কোনোবাই নকৰিলে আমিতো এঘণ্টাও চলিব নোৱাৰো। বুজিছা প্ৰসেন, এইবোৰ সৰু সুৰা কথা বুলি আমি তাক উৰুৱাই দিওঁ, অথচ এইবোৰৰ বাবেইতো

আজি বহিৰাগত মানুহেৰে অসমখন ভৰি পৰিছে। ডাঙৰ ডাঙৰ চাকৰি কৰা, ব্যৱসায় কৰা, আমাৰতো ক্ষমতা আৰু অৰ্হতাই নাই। এনেকৈয়ে আমি জাতিটো লাহে লাহে পতনৰ মুখে গতি কৰি আছো"— বুলি অজান শৰ্মাই আক্ষেপ কৰি কথাখিনি ক'লে।

"ভাষা আন্দোলন হৈ যোৱা আজি প্ৰায় ন বছৰে হ'ল। অসমৰ অফিচ-কাছাৰীত অসমীয়া ভাষা ব্যৱহাৰ কৰা হৈছে নে? নাই হোৱা, কিয়? কিয় তেনেহ'লে আমি ভাষাৰ বাবে আন্দোলন কৰি সূৰ্য বৰা, ৰঞ্জিৎ বৰপূজাৰীক ছহিদ কৰিলো? এনেবাৰ বহু কথাই আজি অসমখনৰ অস্তিত্ব বিপদাপন্ন কৰি তুলিছে। ইয়াৰ বাবে বহু পৰিমাণে কেন্দ্ৰীয় চৰকাৰ আৰু চৰকাৰৰ নীতি দায়ী যদিও আমি থলুৱা অসমীয়া সকলো কম দায়ী নহয় কিন্তু। আমি লাহে লাহে এটা কৰ্মবিমুখ জাতি হৈ পৰিছো। পৰনিৰ্ভৰশীল হৈ পৰি আমি নিজৰ সৰ্বনাশ নিজেই মাতি আনিছো।

আনহাতে ধৰ্ম, বৰ্ণ, ভাষাৰ ভিত্তিত থলুৱা অসমীয়াসকল আজি এনেভাৱে বিভক্ত হৈ পৰিছে যে ৰাজ্যখনত অসমীয়া মখাৰ মাজতে অবিশ্বাস আৰু অসূয়া-অপ্ৰীতিয়ে তীব্ৰৰূপ ধাৰণ কৰিছে। ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসমূহ স্বাধিকাৰৰ দাবীত, নিজ জাতিসত্তাক জীয়াই ৰখাৰ দাবীত উঠিপৰি লাগিছে। আন্দোলনেৰে নিজ নিজ অঞ্চল কঁপাই তুলিছে। নগা পাহাৰৰ নগাসকলে নাগালেণ্ড পালে। অসমৰ ১৬, ৫৭৯ বৰ্গকিলোমিটাৰ এলেকা অসমৰ পৰা গ'ল। খাচিয়া, জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰে মিলি 'মেঘালয়' ৰাজ্যৰ দাবীত আন্দোলন কৰি আছে। হয়তো এদিন 'মেঘালয়' ৰাজ্য হ'ব। অসমে প্ৰায় ২২,৪২৯ বৰ্গ কিলোমিটাৰ মাটিৰ লগতে প্ৰায় ৫ লাখ থলুৱা অসমীয়া হেৰুৱাব। মিজো পাহাৰতো সেই একেই বিদ্ৰোহৰ জুই যোৱা প্ৰায় ৫ বছৰে জ্বলি আছে 'মিজোৰাম' নামৰ ৰাজ্যৰ দাবীত। সিও যে এদিন হ'ব তাক আজিয়েই খাটাংকৈ কৈ দিব পাৰি। তেতিয়া প্ৰায় ২১,০৮১ বৰ্গকিলোমিটাৰ এলেকা অসমে অসমৰ মানচিত্ৰৰ পৰা বাদ দিব লাগিব। তেনেহ'লেনো থাকিল কি— বুলি বেজাৰৰ হুমুনিয়াহ এটা কাঢ়িলে অজান শৰ্মাই।

ঃ এৰা এৰা প্ৰসেন, অসমখনৰ কথা ভাবিলে মনটো দুখত মলঙি যায়। আমি সৰু মানুহ। ভাবিনো কি পাৰ পাম? কৰিমেই বা কি? কোনোবাই এইবোৰ কথাক লৈ আন্দোলন কৰিলে খুব বেছি সমদলত সোমাই দুটা মান শ্লোগান দিব পাৰিম অজান শৰ্মাই ক'লে। সৌ তাহানিতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই লিখা—

আমি অসমীয়া নহও দুখীয়া
কিহৰ দুখীয়া হম,
সকলো আছিল সকলো আছে
নুবুজো নলও গম।

শংকৰে দিলে বিশুদ্ধ ধৰম
লাচিতে দিলে বল,
সতী জয়মতীৰ সতীত্ব তেজেৰে
অসম অতি প্ৰবল।”...........

— এই কথাবোৰত গুৰুত্ব দিয়া মানুহৰ সংখ্যা আজি তেনেই কমি আহিল।

ঃ ট্ৰেইনখন আজি যিগতিত চলিছে ত্ৰিনাথ পাওতে ৰাতি ১২ মান বাজিব যেন পাও— বুলি এজন পেচেঞ্জাৰৰ মন্তব্য শুনি প্ৰসেন আৰু অজান শৰ্মা সচকিত হৈ পৰিল।

ঃ হয় হে, ট্ৰেইনখনৰ আজি স্পীড নায়েই। গৰু গাড়ীৰ দৰে গৈ আছে। ১২ বজাত ত্ৰিনাথ পালে মোৰটো ঘৰলৈ যোৱাত বৰ মস্কিল হ'ব— প্ৰসেনে ক'লে। কথাটো ভাবি প্ৰসেন বিমৰ্ষ হৈ পৰিল।

ঃ বৰকৈ চিন্তা নকৰিবা, মোৰ পেহীহঁতৰ ঘৰ ত্ৰিনাথ নগৰতে। তোমাৰো পেহীৰ ঘৰ আছে হৰিপুৰ গামত। তুমি হৰিপুৰ গামলৈ যাবা— মই অলপ আগবঢ়াই থৈ আহিম— মই মোৰ পেহীহঁতৰ ঘৰলৈ যাম। বাকী ৰাতিখিনি পাৰ কৰি পুৱাই ঘৰলৈ যাম— অজান শৰ্মাই নিৰ্বিকাৰ চিত্তে মন্তব্য কৰিলে।

তেতিয়া ৰাতি প্ৰায় ১২.৩০ টা মানেই বাজিছিল। ধুবুৰী পেচেঞ্জাৰখন ত্ৰিনাথ ষ্টেচন পালে। গৰমৰ দিন। দুই-এজন মানুহ তেতিয়াও শোৱা নাই। ষ্টেচনৰ ইফালে-সিফালে খোজকাঢ়ি পায়চাৰী ফুৰিছে। প্ৰসেনহঁতক নমাই থৈ ট্ৰেইনখনে নিজৰ পথত গতি কৰিলে। কাকতললৈ ত্ৰিনাথ ষ্টেচনৰ পৰা প্ৰায় সাত কিলোমিটাৰৰ পথ। খোজকাঢ়ি গ'লে এঘণ্টাতকৈ বেছি সময় লাগে।

ঃ প্ৰসেন, মই আমাৰ পেহীহঁতৰ তাতেই গৈ শুই থাকিম বুলি ঠিক কৰিছো। ইয়াৰ পৰা মাত্ৰ পাঁচ মিনিটৰ ৰাস্তা।

ঃ ময়ো ইমান ৰাতি অকলে ঘৰলৈ নাযাও বুলি ভাবিছো। হৰিপুৰ গামত থকা পেহীহঁতৰ তালৈয়ে যাও নেকি?

ঃ ইমান ৰাতি অকলে গাঁৱলৈ যাব নালাগে। ব'লা— তোমাক মই হৰিপুৰ গামলৈ কিছুদূৰ আগবঢ়াই থৈ আহো। শুনিছো, হৰিপুৰ গামলৈ যোৱা ৰাস্তাটোৰ অলপ আঁতৰতে থকা শ্মশানখনৰ পৰা ৰাতি বোলে কোনোবাই চাকি লৈ ঘূৰি ফুৰে— কিবা উকা ভূত নে কি? তুমি ভয় খাব পাৰা। মই সেইখিনি ঠাই তোমাক পাৰ কৰি থৈ আহো ব'লা— অজান শৰ্মাই ক'লে।

ঃ বলক তেনেহ'লে— বুলি কৈ প্ৰসেন আৰু অজানে ষ্টেচন পাৰ হৈ দক্ষিণ মুখে থকা হৰিপুৰ গামলৈ যোৱা ৰাস্তাটোত উঠি হৰিপুৰ গামৰ পিনে খোজ দিলে।

ৰাস্তাৰ কিছু আঁতৰত থকা শ্মশানখন পাৰ কৰি দি অজান শৰ্মা তাৰ পৰা ঘূৰি

ত্ৰিনাথ নগৰৰ পিনে আহিল। 'ভূত-প্ৰেত কিয় পৃথিৱীৰ কোনো শক্তিয়ে তাক বলে নোৱাৰে' এনে এটা দুৰ্দমনীয় ভাব লৈ প্ৰসেনে পেহীয়েকহঁতৰ ঘৰলৈ বেগাই খোজ কাঢ়ি গৈ থাকিল। বহু কথাৰ মাজত তাৰ হঠাৎ মনত পৰিল বিখ্যাত নীতিজ্ঞ লয়দ ডগলাচৰ কথা এষাৰ। ডগলাছে কৈছিল— 'If a man harbours any sort of fear, it makes him landlord of a ghost.' তেতিয়া ৰাতি প্ৰায় এক বাজিছিল।

ঃ পেহী অ' পেহী বুলি পেহীয়েকহঁতৰ চোতালত ভাত ঘুমটিত পৰা পেহীয়েকক প্ৰসেনে কেবাবাৰে চিঞৰি চিঞৰি মাতিলে। গভীৰ নিদ্ৰাত নিমগ্ন ঘৰৰ কোনোৰে সাৰ নোপোৱাত প্ৰসেন হতাশ হৈ বাৰাণ্ডাতে অলপ বহিবলৈ ঠিক কৰোতে পেহাকে 'অ প্ৰসেন নেকি হে' বুলি ঘৰৰ ভিতৰৰ পৰাই মাত লগাই দুৱাৰৰ ডাংডাল খুলি বাৰাণ্ডালৈ ওলাই আহিল।

ঃ ইমান ৰাতি গুৱাহাটীৰ পৰা আহিলা যেন পাও।

ঃ হয় পেহা ঘৰলৈ আহিছিলো। ধুবুৰী পেচেঞ্জাৰখন আজি বহুত লেট। বহুত ৰাতি কৰি দিলে।

ঃ আহা, আহা, ভিতৰলৈ আহা। বেগবোৰো আনা বুলি পেহাক গৌৰীকান্ত কলিতাই প্ৰসেনৰ লগত কথা পাতি থাকোতে পেহীয়েক গৰিমাবালাই আহি প্ৰসেনক ঘৰৰ ভিতৰলৈ লৈ গ'ল।

ঃ ইমান ৰাতি অকলে আহিব নালাগে। ঠাইখিনি সিমান ভাল নহয়। কেবাটাও উকাভূতে এইখিনি সময়ত হৰিপুৰ পামখনত ঘূৰি ফুৰে- বুলি পেহীয়েকে মন্তব্য কৰি কৰি পাকঘৰত কিবা খুটুং খাটাং কৰা প্ৰসেনে শুনিলে।

ঃ যা, যা, বাহিৰতে পানী এবাল্টি আছে। ভৰি-হাত-মুখ ধুই আহ। ভাত আৰু দালি তৰকাৰী অলপ আছে। মই সাজি দিও। খাই শুই থাক নিৰেনৰ লগত। এনেতে বায়েক ৰহিলা আৰু ভনীয়েক ৰুমায়ো প্ৰসেনে ভাত খাই থকাৰ সময়তে পীৰা পাৰি তাৰ কাষতে মজিয়াত চকু মোহাৰি মোহাৰি বহিল।

ভাত খাই উঠি প্ৰসেনে ভায়েক নিৰেনৰ লগতে তাৰ কাষত শুই থাকিল।

ৰাতিপুৱাই প্ৰসেনে মুখ-হাত ধুই ৰহিলা বায়েকে দিয়া চাহ একাপ খালে। চাহ খাই সি ঘৰলৈ যাবলৈ ওলাল। প্ৰসেনে কাপোৰ পিন্ধি থাকোতে বায়েক ৰহিলাই

'ৰ চোন, ৰ, ইমান দৌৰা-দৌৰি কৰিব নালাগে, ভাত অলপ ৰান্ধো, খাই যাবি।'— বুলি প্ৰসেনক ক'লে।

ঃ মই নীৰাক মাতিবলৈ ৰুমাক পঠাইছো। তাইক এবাৰ মাত লগাই যা। আজি কেবাদিনো তাই তই কেতিয়া আহিবি তাকে সুধি সুধি মোক তত দিয়া নাই। নীৰাৰ নামটো শুনাৰ লগে লগে প্ৰসেনৰ ভাল লাগি গ'ল। নীৰাক এবাৰ দেখা পালেটো ভালেই

আছিল। বহু দিন দেখা নাই- মনে মনে কথাটো ভাবিলে আৰু ক'ব নোৱাৰাকৈয়ে অজান পুলকত পুলকিত হৈ পৰিল। এনেতে পেহীয়েক আহি নিৰেনৰ ৰুমত সোমাল। ৰুমাও আহিল।

ঃ বায়েৰাৰ বিয়াখন আঘোণ মাহতে হ'ব যেন পাও। অলপতে দৰাৰ ভায়েক এজন আহিছিল। বৰদা নাম। তোক বোলে চিনি পায়। বৰলাত কিবা কলা পৰিষদ নে কি তাৰে মিটিঙত বোলে তোক লগ পাইছিল।

ঃ পেহীয়েক গৰিমাবালাই কথাষাৰ কৈ কিবা এটা বেজাৰ ভাৱত ৰুমটোৰ পৰা ওলাই গ'ল।

ঃ আমাৰো যে আই— মানুহজন দেখিবলৈ সিমান ধুনীয়া নহয়— তাতে কি হ'ল— সকলোৱে কৈছে মানুহজন বোলে বৰ ভাল। আমাৰ আইক কেৱল বগা চালৰ মানুহ লাগে— ময়ো দেখোন ক'লা। মোক কোনোৱে কি বিয়া নকৰাব নেকি? মোৰ ক্ষেত্রত আইয়ে কি ক'ব? — বুলি ৰুমাই ক'লে।

এনেতে ৰহিলা আৰু নীৰা ৰুমটোত সোমাল। নীৰাক দেখি প্ৰসেন কিবা এটা লাজ লাজ ভাৱত ৰুমটোৰ পৰা ওলাই আহিব ধৰোতে 'বহচোন প্ৰসেন বহ, নীৰাৰ লগত কথা পাত। মই ভাতৰ কেৰাহীটো নমাই থৈ আহো বুলি ৰহিলা ৰুমটোৰ পৰা ওলাই গ'ল। প্ৰসেনে নিৰেনৰ টেবুলৰ এখন কিতাপ লিৰিকি-বিদাৰি আছে। নীৰাই তলমূৰ কৰি দুৱাৰখনৰ কাষতে থিয় হৈ আছে। ক্ষন্তেক সময় ৰুমটোত নীৰৱতাই বিৰাজ কৰিলে।

নীৰৱতা ভাঙি প্ৰসেনেই — "তোমাৰ ভাল পঢ়া-পাতি কেনে— ক্লাছ হৈ আছেনে?" — বুলি কোনোপিনে নোচোৱাকৈ কথাখিনি স্বগতোক্তি কৰাৰ দৰে ক'লে।

ঃ আছো— ভালেই— ক্লাছ ঠিক মতে হৈ আছে। যোৱাকালি স্কুললৈ যোৱা নাই। আজিও যোৱা নহয় নেকি? আইৰ অসুবিধা ভাত ৰান্ধিব লাগিব। গুৱাহাটীত থাকি কেনে লাগিছে? নীৰাইও তলমূৰা হৈ কথাখিনি সেপ ঢুকি ঢুকি ক'লে।

ঃ বেয়া লগা নাই, ঘৰলৈহে বৰকৈ মনত পৰে।

ঃ ঘৰত বাহিৰে বোধহয় আন কালৈকেও মনত নপৰে।

ঃ পৰে, আইলৈ মনত পৰে, পিতা, ভাই-ভনীহঁত, গাঁৱৰ মানুহ, গাগেলি আৰু বহুতলৈ।

ঃ সেই বহুতৰ ভিতৰত বা আমি পৰো নে নাই?

ঃ আমি মানে— এনেতে ৰহিলা আহিল। বুজিছ প্ৰসেন নীৰাই মোক অনবৰতে তোৰ কথা সুধি সুধি বিৰক্ত কৰি থাকে। 'অ'ই নীৰা এতিয়া সোধ নিজেই সোধ কি কথা আছে। ইয়াৰ পিছত মোক কিন্তু পেনপেনাই নাথাকিবি'- বুলি পুনৰ ৰহিলা ৰুমটোৰ

পৰা ওলাই গ'ল।

কি কথা থাকিব পাৰেহে তোমাৰ মোৰ লগত মোৰ হ'লে একো কথা নাই— বুলি প্ৰসেনে কোৱাৰ লগে লগে 'মই যাও' বুলি খং কৰি নীৰা ৰুমটোৰ পৰা ওলাই ৰহিলাইঁতৰ ডাঙৰ ঘৰলৈ গ'ল।

ঃ প্ৰসেন-অ' প্ৰসেন-আহ-ভাত দিছো—খাহি —বুলি ৰহিলা বায়েকে মতাৰ লগে লগে প্ৰসেনে গৈ ভাত খাবলৈ বহিল।

ঃ নাই, নাই, মইতো একো কোৱা নাই।

ঃ বুজিছা—ছোৱালীজনীয়ে তোক বৰ ভাল পায় ৰুক্মিণীয়ে কৃষ্ণক ভাল পোৱাদি। তই দুঃখ লগা কথা নক'বি। তোৰ দৰে পঢ়াত ভাল কৰিবলৈ আজি কালি সময় পালেই তাই কিতাপৰ ওচৰত বহে —ৰহিলাই প্ৰসেনক ক'লে।

ইতিমধ্যে প্ৰসেনৰ ভাত খোৱা হ'ল।

ঃ মই যাও বাই, দেৰি হৈছে—কালি পুৱা যাবই লাগিব গুৱাহাটীলৈ।

ঃ যা- তেনেহ'লে—

প্ৰসেনে পেহীয়েক, ৰুমা, নিভাইঁতক মাত দি বেগটো কান্ধত পেলাই গাঁৱলৈ বুলি খোজ ল'লে। কিছু সময় পিছতেই গাঁৱৰে নগিন্দ্ৰই ত্ৰিনাথৰ পৰা চাইকেলেৰে কাকতললৈ গৈ আছিল। প্ৰসেনক দেখি সি চাইকেলৰ পৰা নামিল। প্ৰসেনকো কেৰিয়াৰত উঠাই লৈ কাকতললৈ লৈ গ'ল। প্ৰায় দহমান বজাত প্ৰসেনে ঘৰ পালে।

সেই সময়ত প্ৰসেনৰ পিতাক ৰজত মেম্বৰ ঘৰত নাছিল। ক'ৰবাৰ পৰা কঠীয়াৰ বিধান অলপ যোগাৰ কৰি কঠীয়া পাৰিবলৈ পথাৰলৈ গৈছিল। ঘৰ পাই প্ৰসেনৰ মন-প্ৰাণ প্ৰফুল্লিত হৈ পৰিল। গাগেলিৰ ওচৰতে সিহঁতৰ খেতিপথাৰ। সি খৰধৰকৈ কাপোৰ সলাই মাকে কৰা চাহ একাপ খাই গাগেলিৰ পিনে হাউমাৰি লৰ দিলে। ৰজত মেম্বৰে হঠাৎ প্ৰসেনক দেখি আচৰিত হ'ল যদিও আনন্দিতও হ'ল। হালখন ৰাখি প্ৰসেনে কেতিয়া কেনেকৈ আহিল বুলি সুধি সুধি চিলিমত এচিলিম তামাখু জ্বলাই চিলিম হুপি থাকোতে ক'ৰবাৰ পৰা গাঁৱৰে নন্দকিশোৰ আহিল ৰজত মেম্বৰৰ ওচৰলৈ। তেওঁলৈ ৰজত মেম্বৰে চিলিমটো আগবঢ়াই দিয়াত নন্দকিশোৰে কেইটামান হোপা দি ক'লে— তোক কথা এটা কৈ যাম বুলিহে আহিলো ৰজত কা?

ঃ কি কথা অ'।

ঃ আমি গোটেই গাঁওখনেই যুঁজি যুঁজি আজি অত বছৰে হাৰাশাস্তি হৈ আছো। জেলৰ ভাত পৰ্যন্ত খাব লগা হৈছে। সিপিনে ৰসেশ্বৰ আৰু বীৰাই গাগেলিৰ প্ৰায় পাঁচ বিঘামান মাটি দখল কৰি হাল বাইছে।

ঃ কি কোৱা হে তই, যি পাব তাকে কোৱা?

ঃ মই নিজ চকুৰে চাই আহিছে কৈছো। মোৰ কথা যদি বিশ্বাস নকৰ, নিজে চাই আহ— কেইদিনমান আগতে ভোলা গুৱালে কথাটো মোক কৈছিল। ময়ো বিশ্বাস কৰা নাছিলো। আজি নিজ চকুৰে চাইহে কথাটো যে সঁচা গম পালো?

ঃ হয় নেকি, তই যা এতিয়া —মই আজি এইখিনি মাটি ঠিক ঠাক কৰি কালি কঠীয়াখিনি পাৰিব পাৰিব লাগিব। হাল মেলাৰ পিছত মই নিজে ৰসেশ্বৰ আৰু বীৰাইনো সিহঁতৰ মাটিৰ পৰা কিমানখিনি গাগেলিৰ ভিতৰলৈ হাল বাইছে চাই যাম।

হঠাতে হালৰ বগা হালোৱাটোৱে জঁাপ মৰাৰ দৰে পিছ ঠেং দুখন জোৰকৈ জোকাৰি দিয়াত ইচ্ ইচ্ গৰুটোক ফালে কাটিলে—ছে ছে বুলি ৰজত মেম্বৰ দৌৰি গৈ প্ৰসেনহঁতৰ হাতৰ পৰা এৰুৱাই হালখনৰ মুঠিত ধৰি গৰুহালক হালখন ৰখাবলৈ ৰবলৈ ইঙ্গিত দিলে।

গৰুহাল ৰ'ল। হয়- বোকাত অলপ অলপ তেজৰ চেকুৰা দেখা গৈছে। ফালে ভৰি কাটিলে চাগে।

ঃ হ'ব যা, তই ঘৰলৈ যা। বেলাও গৈছে। মই অলপ পিছত হাল এৰি দিম। হ, এই গৰৈ মাছ দুটা লৈ যা, বলহুৱে গাগেলিত মাছ মাৰি যাওতে এই দুটা মোক পুৰি খাবলৈ দি থৈ গৈছে। মায়েৰক দিবি। প্ৰসেনে মাছ দুটা লৈ ঘৰলৈ গ'ল।

সন্ধিয়া বৰপুখুৰী পাৰত ৰসেশ্বৰ আৰু বীৰাই গাগেলিৰ মাটিত হালবাই গাগেলিৰ মাটি দখল কৰা কথাটোকলৈ সৰুকৈ মিটিং এখন বহিল। নন্দ কিশোৰে কথাখিনি উপস্থিত ৰাইজক ক'লে। ৰজত মেম্বৰেও ৰসেশ্বৰ আৰু বীৰাই প্ৰায় তিনি বিঘামান গাগেলিৰ মাটি দখল কৰা কথাটো সচা বুলি ক'লে। লগতে ইয়াৰ এটা বিচাৰ কৰি ব্যৱস্থা সোনকালে নল'লে গাগেলিৰ গাতে লাগি থকা মাটিৰ আন আন মালিকসকলেও গাগেলিৰ মাটি দখল কৰি খেতি কৰিব। সভাত উপস্থিত সকলোৱে কথাটোত গুৰুত্ব দিলে আৰু সোনকালে গাঁৱৰ সকলো মানুহক মাতি এখন ডাঙৰকৈ মিটিং পাতি ৰসেশ্বৰ আৰু বীৰাৰ ওপৰত ব্যৱস্থা ল'ব লাগে বুলি মন্তব্য কৰিলে।

ৰসেশ্বৰ আৰু বীৰায়ে নহয়, কাকতলৰ কেবাজনো লোকে নিজ খেতিৰ মাটিৰ গাতে লাগি থকা গাগেলিৰ মাটি দখল কৰিছে। এই কথাটো মাজে মাজে গাঁৱৰ দুই-একে উলিয়াইছিল যদিও কোনেও বিশেষ গুৰুত্ব দিয়া নাছিল। পিছত বেদখলকাৰীৰ সংখ্যা বেছি হোৱাত আৰু গৰু চৰোৱা বাম মাটি নোহোৱা হোৱাতহে কথাটো সকলোৰে চকুত পৰিল। গাঁৱৰ সভাপতি সিন্ধুৰা ডেকাৰ সভাপতিত্বত পিছদিনা মিটিং এখন বহিল বৰপুখুৰীৰ পাৰত সন্ধিয়া প্ৰায় ছয়মান বজাত। গাঁৱৰ সম্পাদক ৰজত মেম্বৰে গাগেলিৰ মাটি বেদখল কৰি গাঁৱৰ কিছুমান লোকে খেতি কৰা কথাটো ক'লে। বিভিন্নজনে নিজ নিজ মতামত দিলে। বেদখলী মাটিৰ খেতি

গৰুক খুৱাব লাগে বুলি মন্তব্য কৰিলে কিছুমানে। কোনো কোনোৱে বেদখল কৰাসকলক জৰিমনা বিহি শাস্তি দিয়াৰ কথাও ক'লে।

ঃ ৰাইজসকল, এইবাৰ আমাক খেতিখিনি উঠাবলৈ দিয়ক। প্ৰতি বিঘা মাটিৰ বাবদ তিনি মোনকৈ ধান ঠিকা হিচাপে দিম। অহাবাৰৰ পৰা আমি আৰু সেই মাটিত খেতি নকৰো বুলি ৰসেশ্বৰ তাৰ মতামত দিলে। সভাত ৰসেশ্বৰৰ প্ৰস্তাৱক লৈ বু-বা উঠিল। দুই-এজনে কথাটো বেয়া নহ'ব বুলি ক'লে।

ঃ ৰাইজসকল, শুনক শুনক। এইবাৰ ৰসেশ্বৰকে ধৰি যিসকলে ইতিমধ্যে গাগেলিৰ মাটি বেদখল কৰি খেতি কৰিছে, সেইসকলে খেতিখন কৰক। খেতি উঠাৰ পিছত আৱদ কৰা মাটি জুখি প্ৰতিবিঘা মাটিৰ বাবদ তিনি মোনকৈ ধান ঠিকা হিচাপে লম। আমাৰ গাঁৱৰো ৰাজহুৱা ভঁৰাললৈ কিছু টকা আহিব আৰু এই মাটিহীন খেতিয়কসকলো কিছু উপকৃত হ'ব। এইবাৰৰ পাছত আৰু কাকোৱে গাগেলিৰ মাটি বেদখল কৰি খেতি কৰিবলৈ দিয়া নহ'ব। ৰাইজে এই কথাটোৰ ওপৰত মন্তব্য দিব লাগে'—বুলি মিটিঙৰ সভাপতি সিন্ধুৰা ডেকাই সভাপতিৰ ফালৰ পৰা মতামত দিলে। সভাত উপস্থিত থকা লোকসকলে ইটোৱে সিটোৰ লগত গুণগুণাই কথা পাতিলে। সম্পাদক ৰজত মেম্বৰেও সভাপতিৰ কথাটোত হয়ভৰ দিয়াত কোনোৱে আপত্তি নকৰিলে।

তেনেকৈয়ে এইবাৰৰ বাবে বিষয়টো মীমাংসা কৰা হ'ল। মিটিঙৰ অলপ আঁতৰত বহি প্ৰসেনেও মিটিং শুনি আছিল। মিটিং শেষ হোৱাত মানুহবোৰ ঘৰাঘৰি গ'ল। মঙলুৱে প্ৰসেন অহা কথাটো গম পাইছিল যদিও তাক লগ পোৱা নাছিল।

ঃ কি-অ' পৰসেন- গুৱাহাটীৰ পৰা আহি ক'তনো ঘুৰি ফুৰিছ, লগেই পোৱা নাই। —মঙলুৱে ক'লে।

ঃ যোৱাকালি ১১ মান বজাতহে ঘৰ পালো। আহিয়েই পথাৰলৈ গৈ কঠীয়া পৰাত সহায় কৰিব লগা হ'ল পিতাক। আবেলি জলহু, নিয়াখা, উমানন্দ, সনাতনৰ লগত জলহুহঁতৰ ঘৰত বহু সময় খোল-তাল বজাই বৰগীত আৰু লোকগীতৰ তালিমত বহোতে বহুত ৰাতি হ'ল। তোক লগ ধৰিম বুলিও লগ ধৰিব নোৱাৰিলো। আজিয়েই গুৱাহাটীলৈ ঘূৰি যোৱাৰ কথা আছিল। কিন্তু যোৱা নহ'ল। গাঁওখন এৰি যাবলৈ দেখোন সত নাযায়। দিনত বীৰেনৰ লগত এবাৰ গাগেলি, এবাৰ তৃষ্ণ নদীৰ ৰিজাৰ্ভলৈ গৈ সেইবোৰ চাই আহিলো। অহাকালি ৰাতিপুৱাই যাম। অহাকালিও ক্লাচ খতি হ'ব। ধুবুৰী পেচেঞ্জাৰখনৰ কথা জানই নহয়, ত্ৰিনাথত পুৱা উঠিলে গুৱাহাটী পাওঁতে ৰাতিয়েই হয়।

ঃ পিছে বানপানীয়ে গাঁৱৰ ৰাস্তা-ঘাটবোৰৰ কি অৱস্থা কৰিছে দেখিছাই নহয়। তই থকা হ'লে ল'ৰাবিলাকৰ লগ লাগি কিছু মেৰামতি কৰিব পাৰিলি হয়। তই কালি যাবি যেতিয়া কোনে নো ল'ৰাবোৰক গোট খুৱাই এইবোৰ কৰাব। তই যোৱাৰ পৰা

গাঁওখনৰ ল'ৰাবোৰৰ মাজত কিবা গাঁৱৰ কামৰ প্ৰতি মন নোহোৱা হৈছে যেন পাও। তই কবিচোন সিহঁতক— মণ্ডলুৱে ক'লে।

ঃ মই কৈছোয়েই মণ্ডলুকা। ফণীন, নগীন্দ্ৰ, হৰেন, অহীন্দ্ৰ, প্ৰিয়বন্ধু, মনেশ্বৰ, কৰুণাকে ধৰি প্ৰায়বোৰ ল'ৰাকে এদিন সংঘৰ তৰফৰ পৰা ৰাজহ কৰি গাঁৱৰ ভগা-চিগা ৰাস্তাবোৰ কিছু মেৰামতি কৰিবলৈ কৈছো। সিহঁতে দুই-চাৰিদিনৰ ভিতৰত কৰিম বুলি কৈছে— প্ৰসেনে ক'লে।

ঃ অ' তই ক'লেহে সিহতে কৰিব— নহ'লে আশা নাই— মণ্ডলুৱে ক'লে।

এইদৰে কথা পাতি পাতি মণ্ডলু আৰু প্ৰসেনে ধনজিৎহঁতৰ ঘৰৰ ওচৰ পালে। মণ্ডলুৱে ক'লে— "ধনজিৎৰ বাপেক অতিৰামৰ যোৱা কিছুদিন ধৰি বেমাৰ। বিচনাতে আছে। এই খেতিৰ সময়ত কি বেমাৰে যে পালে এই কৰ্মী মানুহজনক— বেয়াই লাগে। ডাক্তৰ, কবিৰাজ, ওজা একোৱেই বাদ দিয়া নাই। ভালহে পোৱা নাই" মণ্ডলুৱে বেজাৰেৰে কথাখিনি ক'লে।

ঃ ব'ল মণ্ডলুকাই, অতিৰাম আতাৰ এবাৰ খবৰ কৰি আহো ব'ল।

ঃ ব'ল তেনেহ'লে— প্ৰসেন আৰু মণ্ডলুৱে অতিৰামৰ ঘৰলৈ গ'ল। পোনে পোনে ঘৰৰ ভিতৰত সোমাই একেবাৰে অতিৰামৰ বিছনাত বহিল প্ৰসেন। মণ্ডলু থিয় হৈয়ে থাকিল। প্ৰসেনক ওচৰতে পাই অতিৰামে বিছনাত বহিবলৈ চেষ্টা কৰিলে যদিও নোৱাৰিলে। বহিলে ৰাজহাড়ডালত তীব্ৰ বিষ উঠে। শুই শুইয়ে অতিৰামে প্ৰসেনক তাৰ পঢ়া সম্পৰ্কে কিছুমান কথা সুধিলে।

ঃ তই যোৱাৰে পৰা গাঁওখনত গীত-মাত নুশুনা হ'লো। ল'ৰাবিলাকৰ কিবা উদ্যম নাইকিয়া যেন হৈছে। তোৰনো গুৱাহাটীত পঢ়োতে কেইবছৰ লাগিব? আগতে তই ভাল হৈ ল আতা— গাঁৱৰ সকলো কথা ঠিকে-ঠাকে আছে। গুৱাহাটীত পঢ়োতে কিমান বছৰ লাগে এতিয়াই কোৱা টান- প্ৰসেনে ক'লে।

এনেতে প্ৰসেনক অতিৰামৰ ছোৱালীজনীয়ে মজিয়ালৈ মাতিলে চাহ খাবলৈ। প্ৰসেন মজিয়াতে পীৰা এখনত বহিল। কাষত মণ্ডলুও বহিল। দুয়ো চাহ খালে। আমি আৰু দেৰি নকৰো আতা— মই পুৱাই গুৱাহাটীলৈ যাম। আৰু কেইঘৰমান মানুহৰ ঘৰলৈ যাব লাগিব? বুলি অতিৰামৰ ভৰিত সেৱা এটা কৰি প্ৰসেন অতিৰামহঁতৰ ঘৰৰ পৰা ওলাই আহিল। পিছে পিছে মণ্ডলু। তাৰ পাছত প্ৰসেনে নিজ চুপাৰ নলিনী দদায়েক, ভোগেশ্বৰ আতৈক, পদৰাম, দশৰথ, চন্দন, থানুৰাম আদি বয়সস্থ লোকসকলক তেওঁলোকৰ ঘৰলৈ গৈ মাত লগালে। ভাল-বেয়া খবৰ ল'লে সকলোৰে। তেতিয়া ৰাতি প্ৰায় ন-মান বাজিল। প্ৰসেন ঘৰলৈ আহিল। মণ্ডলুও নিজ ঘৰলৈ গ'ল। হাত-ভৰি ধুই প্ৰসেনে তাৰ ৰুমটোত সোমাই বিছনাত বাগৰ দি আকাশ-পাতাল ভাবিব ধৰিলে।

মাক মায়াৱতীয়ে তাক কেবাবাৰো ভাত খাবলৈ মাতিলে। সি যোৱা নাই। কিবা ভাবত বিভোৰ হৈ বিছনাতে পৰি আছে। হঠাৎ প্রসেনে সিহঁতৰ চোতালত খৰমৰ শব্দ শুনিবলৈ পালে। দুৱাৰৰ ফাকেৰে চোতালত লেমৰ পোহৰ দেখিলে।

ঃ প্রসেন— অ' প্রসেন— বুলি পৰশ প্রসেনৰ ৰুমলৈ সোমাই আহিল।

ঃ পৰশ— ইমান ৰাতি ?

ঃ তইতো খবৰেই নকৰা হ'লি। কালি পুৱাই যাবি বুলি শুনি মইয়ে তোৰ খবৰ এটাকে লওঁ বুলি আহিলো।

ঃ নাই, নাই, আজি এবাৰ মই যোৱাৰ কথা আছিল তহঁতৰ ঘৰলৈ। কিন্তু গাঁৱৰ মিটিংখন শুনি থাকোতে বহুত পলম হ'ল। সেয়ে যাম বুলিও যাব নোৱাৰিলো।

পৰশ সিদ্ধুৰা ডেকাৰ ল'ৰা। কেবাবাৰো ফেল কৰি এইবাৰ প্রসেনহঁতৰ লগত মেট্রিক দিছিল, পাছ কৰিব নোৱাৰিলে। হ'লেও চেষ্টা এৰি দিয়া নাই। অহাবাৰ আকৌ দিব। প্রসেনতকৈ প্রায় তিনি বছৰমান ডাঙৰ যদিও প্রসেনৰ অন্তৰংগ বন্ধু। প্রসেনে তাৰ লগত ভাল-বেয়া সকলো কথা পাতে। মাজে মাজে প্রসেনৰ লগত ত্রিনাথ বৰলা চেমনীয়া কলা পৰিষদৰ সভা-সমিতিলৈও যায় পৰশ। ত্রিনাথ নগৰলৈ দিনে এবাৰ যোৱাটো তাৰ নিচা। সেই সূত্রে ত্রিনাথ নগৰত তাৰ চিনাকি বন্ধু-বান্ধৱৰ সংখ্যা বহুত। কোনোবা এজনী ছোৱালীৰ লগতো চিঠিৰ আদান-প্রদান চলি আছে বুলি প্রসেনে জানে। সি প্রসেনক সকলো কথা কয়। পৰশে প্রসেনৰ ৰুমৰ দুৱাৰখন জপাই দুৱাৰৰ হেঙাৰডাল লাহেকৈ লগাই সি পিন্ধা লুঙীখনৰ খোচনাৰ পৰা কাগজ এখন উলিয়ালে।

ঃ এইখন পঢ় আৰু এইখনৰ উত্তৰ এটা মোক লিখি দে- বুলি পৰশে ত্রিনাথ নগৰৰ ওচৰৰ মথনপুৰৰ বীভা নামৰ ছোৱালীজনীয়ে তালৈ দিয়া চিঠিখন প্রসেনক পঢ়িবলৈ দিলে। প্রসেনে চিঠিখন পঢ়িবলৈ ধৰিলে।

ঃ প্রসেন, অ' প্রসেন, কোন আহিছে অ' এই ৰাতি ? মায়েৰাই ভাত সাজি মজিয়াত কেতিয়াবাই থলে। ভাত-আঞ্জা ঠাণ্ডা হৈ গ'ল- ভাত খাই শুই পৰা প্রসেনৰ পিতাক ৰজত মেম্বৰে বিছনাৰ পৰাই চিঞৰি কথাখিনি প্রসেনক সুধিলে।

ঃ পৰশ আহিছে, পৰশ— বুলি কৈ প্রসেনে পৰশক অলপ বহিবলৈ কৈ ডাঙৰ ঘৰলৈ গ'ল আৰু মজিয়াত সাজি ঢাকি থোৱা ভাতখিনি উধাই মুধাই খাবলৈ ধৰিলে। মজিয়াৰ কোনা এটাত মহুৰা বতি থকা প্রসেনৰ মাক মায়াবতীয়ে ক'লে— অলপ লাহে লাহে খা-চোন ভাতকেইটা, যেনেকৈ খাইছ গাঁঠি নালাগিলে হে ৰক্ষা—বুলি প্রসেনক লাহে লাহে ভাত খাবলৈ কৈ মাকে মহুৰা বটিয়েই থাকিল। প্রসেনে ভাত খাই শেষ কৰি ৰুমলৈ আহি পৰশক বীভাই দিয়া চিঠিখন পুনৰ এবাৰ পঢ়িলে।

ঃ ৰাতি বহুত হ'ল—পুৱাই মই গুৱাহাটীলৈ যাব লাগিব। আজি নিলিখিলে

নহয় নে? —প্ৰসেনে পৰশক ক'লে।

ঃ নাই,-নাই, এতিয়াই লিখিব লাগিব। কালি মই বীভাক চিঠিখনৰ উত্তৰ দিবই লাগিব। কথা দিছো—পৰশে ক'লে।

অকল পৰশৰে নহয়—গাঁৱৰ কেবাজনো বন্ধুৰ প্ৰেমপত্ৰ লিখি দিয়াটো প্ৰসেনৰ এটা এৰাব নোৱৰা কাম। প্ৰসেনে প্ৰেমপত্ৰবোৰ পঢ়ি প্ৰেমিকাসকলৰ মনৰ হা-হুতাশ হুবহু প্ৰকাশ কৰি প্ৰাঞ্জল আৰু শুৱলা ভাষাত বন্ধুসকলক প্ৰেমপত্ৰ লিখি দি সিহঁতক সহায় কৰি আহিছে। উপায়ান্তৰ হৈ প্ৰসেনে পৰশক বীভালৈ এখন প্ৰেমপত্ৰ লিখি দিলে।

ঃ অ, প্ৰসেন তহঁতৰ হ'ল নে নাই অ'—বুলি ডাঙৰ ঘৰৰ মজিয়াত মহুৰা বটি থকা প্ৰসেনৰ মাকে টোপনিয়াই টোপনিয়াই চিঞৰি প্ৰসেনহঁতক সুধিলে। আগৰে পৰা প্ৰসেনে অলপ ৰাতিলৈকে পঢ়ে—প্ৰসেনে পঢ়া শেষ কৰি বিছনাত নপৰে মানে মাকেও চাকিখৰ জ্বলাই মজিয়াতে কিবা কিবি কৰি থাকে। প্ৰসেন শোৱাৰ পাছত হে মাক মায়াৱতীয়ে শুই পৰে।

চিঠিখনৰ উত্তৰ প্ৰসেনৰ হতুৱাই লিখাই লৈ পৰশ যাবলৈ ওলাল। পুৱা ৯ বজাতেই ধুবুৰী পেচেঞ্জাৰখন ত্ৰিনাথ ৰেলষ্টেচন পাবহি। পৰশে তাৰ চাইকেলখনেৰে প্ৰসেনক ত্ৰিনাথলৈ নিম বুলি কৈ ঘৰলৈ গ'ল। পিছদিনা পুৱা সাত বজাতেই বিছনাৰ পৰা উঠি প্ৰসেন গা-পা ধুই গুৱাহাটীলৈ যাবলৈ ওলাল। পিতাক ৰজত মেম্বৰে ইতিমধ্যে হাল লৈ পথাৰলৈ গৈছে। মাক মায়াৱতীয়ে ভাতকেইটামান ৰান্ধি আলু পিটিকাৰে প্ৰসেনক ভাত দিলে। পানীত তেল-নিমখ সানি আলু পিটিকাৰে কেইটামান ভাত খাই প্ৰসেন গুৱাহাটীলৈ যাবলৈ ওলাল। পৰশ আহি সিহঁতৰ চোতাল পালে। প্ৰসেনে ঘৰৰ সকলোকে মাত লগাই বেগটো চাইকেলৰ আগত আৰি দি চাইকেলৰ কেৰিয়াৰত উঠিল। পৰশে চকুৰ পচাৰতে চাইকেলখন ত্ৰিনাথ অভিমুখে চলাই দিলে। প্ৰসেন যোৱালৈ পদুলিমুখৰ পৰা চাই থাকি প্ৰসেনৰ মাক মায়াৱতীয়ে হাতত থকা গামোচাখনেৰে চকু পানী মচিলে।

চাইকেলেৰে প্ৰসেন আৰু পৰশ ত্ৰিনাথলৈ গৈ থাকোতে সিহঁতে নানা কথা পাতি গল।

ঃ এইবাৰ তই পূজাৰ বন্ধত আহোতে আমাৰ সংঘৰ অধিৱেশনখন পাতিব লাগিব। কেইদিনমান আগতে ফুলেন, মই আৰু হৰধনে কথাটো পাতিছিলো—চাইকেল চলাই চলাই পৰশে কৈ গ'ল।

ঃ হ'বদে, তহঁত সকলোৱে মিলি অধিৱেশনৰ তাৰিখ, কাক মুখ্য অতিথি, বিশিষ্ট অতিথি হিচাপে মাতিবি সকলো ঠিক ঠাক কৰি থ'বি। মই পূজাৰ বন্ধ দিয়াৰ দিনাই আহিম। পিছে তহঁতে বানপানীয়ে ভঙা আৰু খলা-বমা কৰা গাঁৱৰ ৰাস্তাকেইটা ঠিক

নকৰাকৈ নাথাকিবি কিন্তু। বেচেৰা বৰেণ ককাইৰ ঘটনাটোৱে মোৰ মনত এতিয়াও দুঃখ দি আছে। সেইদিনাৰ সিহঁতৰ ঘৰৰ কান্দোনৰ ৰোল মোৰ কাণত এতিয়াও ৰিণি ৰিণি বাজি আছে। আমাতকৈ প্ৰায় ছয়-সাত বছৰমানৰহে ডাঙৰ হ'ব কিজানি— প্ৰসেনে ক'লে।

ঃ অ', মোৰো বৰ দুখ লাগি আছে। যোৱা বছৰ বাপেকৰ টান নৰিয়া হোৱাত মাকৰ খেচখেচনিত সি বিয়া কৰালে। ল'ৰাটো জন্মাৰ এমাহ মান হে হৈছিল বোধহয়। কিবা ভূত নে কিহে পাইছিল। ওচৰৰে ৰজনী ডাক্তৰৰ পৰা কিবা কবিৰাজী বড়ি কেইটামান আনি খুৱাইছিলও বোলে। দুদিমান জৰাফুকাও কৰিছিল। একোৱে কাম নিদিলে। আমি ত্ৰিনাথৰ ডিচপিনচাৰীলৈ নি ডাক্তৰজনক দেখুৱাবলৈ কৈছিলো। নিম বুলিও কৈছিল বৰেনে। ইপিনে তাৰ ঘৰত চাউলপাত নাই। বৰভালাত থকা শহুৰেকৰ ঘৰলৈ গৈ তেওঁৰ পৰা পইচা অলপ আনিবলৈ সেইদিনা ৰাতিপুৱাই বৰভালালৈ গৈছিল। শহুৰেক ঘৰত নাছিল। সেইদিনা ৰাতিটো বৰেনে শহুৰেকহঁতৰ ঘৰতে থাকিল। ৰাতি বৰেনৰ ল'ৰাটোৰ টান হ'ল। আমি কেইজনমান ল'ৰা আৰু কেইবাগৰাকী তিৰোতা মানুহে বৰেনৰ ঘৰত গোটেই নিশাটো পৰ দি থাকিলো। নাই ৰাতিপুৱাৰ অলপ আগতে ল'ৰাটোৰ উশাহ-নিশাহৰ কোনো শব্দ নাই। ৰজনী ডাক্তৰে আহি হাতখন চাই মৰিল বুলি কোৱাত বৰেনৰ ঘৈণীয়েকে কান্দোনত গছৰ পাত সৰুৱালে। কেইজনীমান তিৰোতাই মৃত সন্তানটোক বৰেনৰ ঘৈণীয়েকৰ কোলাৰ পৰা এক প্ৰকাৰ জোৰ কৰি আনি ঘৰটোৰ কাঁথি ৰ মূৰত সৰু ঢাৰি এখন পাৰি উত্তৰমুৱাকৈ থলে। এখন বগা লেতেৰা কাপোৰেৰে মৃতদেহটো ঢাকি দি দিলে। ৰনেন আৰু হৰেন চাইকেল এখনেৰে বৰভালালৈ গৈ বৰেনক খবৰ দিলে। ন মান বজাত বৰেন আহিল। কান্দি কাতি সিও হুলস্থূল লগালে। সকলোৱে বুজালে। পিছত কেইজনমান বয়সস্থ লোকে মৃত শিশুটোক লৈ গৈ গাগেলিৰ সৰু ঘুলি এটাৰ ওখ ঠাইখিনিতে পুতি থৈ আহিল। বৰ বেজাৰেৰে ঘটনাটোৰ আদ্যপান্ত পৰশে চাইকেল চলায় চলাইয়ে প্ৰসেনক কথাখিনি কৈ গ'ল। এনেতে সিহঁত ত্ৰিনাথ ষ্টেচনৰ ওচৰ পালে। চাইকেলৰ পৰা নামি দুয়ো ষ্টেচনত বহিল। আজি ধুবুৰী পেচেঞ্জাৰখনৰ ৰাইট টাইম আছে। অলপ পিছতে ঘণ্টা পৰিল। প্ৰসেনে তাৰ টিকটটো কাটিলে। কিছু সময় পিছত ট্ৰেইনখন আহি ষ্টেচন পালে। প্ৰসেনে ট্ৰেইনখনত উঠিল।

ঃ তেনেহ'লে তই যা পৰশ, মই পূজাৰ বন্ধত আহিম। কামবোৰ আলোচনা কৰা মতেই কৰিবি।

ঃ চলন্ত ৰেলখনৰ পৰা কথা কথাকেইষাৰ প্ৰসেনে ক'লে। .

ৰেলখনে তাৰ গতিত আগলৈ চলি গ'ল।

(ন)

গুৱাহাটী। লাহে লাহে প্ৰসেনে গুৱাহাটীৰ পৰিবেশৰ লগত নিজকে খাপ খুৱাই ল'বলৈ ধৰিলে। উলুবাৰীৰ কেবাজনো সমনীয়া ল'ৰাৰ লগত তাৰ চিনাকি হ'ল। বীৰেশ্বৰ বড়ো, ফুকন ৰাভা, জ্যোতিষ শৰ্মা, নকুল গগৈ আদি ল'ৰা কেইজনমান তাৰ বন্ধু হৈ পৰিল। বীৰেশ্বৰ আৰু ফুকন উলুবাৰীৰ স্থায়ী ল'ৰা। জ্যোতিষে বি. বৰুৱা কলেজত আৰু নকুল আৰ্য বিদ্যাপীঠ কলেজত পঢ়ে। প্ৰসেনৰ ওচৰতে মেচ কৰি আছে। সিহঁত কানাইলাল দাস নামৰ বঙালী ভদ্ৰলোক এজনৰ দোকানৰ সমুখত সদায়ে সন্ধিয়া লগ হয়। পঢ়া-শুনাকে ধৰি নানা কথা পাতে সিহঁতে। কানাইলাল দাস মানুহজন আগৰ দিনৰ আই. এ. পাছ। চাকৰি নকৰিলে। বিয়া-বাৰুও কৰোৱা নাই। এসোপা ফুল ডাড়ি মুখখনত। ক্ষীণ যদিও কাপোৰ-কানিত বৰ পৰিপাটি। কথা-বতৰাত মাৰ্জিত আৰু ৰুচিসম্পন্ন। সাম্যবাদী আদৰ্শত বিশ্বাসী লোক। তেওঁৰে দোকানত প্ৰসেন, জ্যোতিষ, নকুলহঁতে সিহঁতৰ চাউল-দালি আদি খোৱা বস্তুবোৰ কিনে। কানাইলালে মাজে মাজে প্ৰসেনক দোকানলৈ মাতি কমিউনিজম, কাৰ্ল মাৰ্ক্স, এঞ্জেলচ, লেনিন, ষ্টেলিন, মাও চে টুং, হো-চি মিন আদিৰ কথা কয়। দুই-এখন সৰু-সুৰা কিতাপো দিয়ে পঢ়িবলৈ। সেয়ে কানাইলালৰ লগত প্ৰসেনৰ আনবিলাকৰ তুলনাত ঘনিষ্ঠতা অলপ বেছি। কথা-বতৰাৰ পৰা তেওঁৰ যে বঙালী আৰু অসমীয়া সাহিত্যত বেছ কিছু দখল আছে তাকো প্ৰসেনে ধৰিব পাৰিলে। কানাইলালৰ প্ৰতি ক'ব নোৱৰাকৈয়ে প্ৰসেনৰ মনত শ্ৰদ্ধা আৰু ভক্তিয়ে স্থান ল'লে।

এনে কিছুমান পৰিবৰ্তনে প্ৰসেনৰ মন চুবলৈ আৰম্ভ কৰিলে। সি কলেজত ক্লাছবোৰ ঠিক মতে কৰি থাকিল। কিন্তু সি উলুবাৰীৰ যিটো ৰুমত আছে সেই ৰুমটোৱে তাক অতিষ্ঠ কৰি তুলিছে। অৱশ্যে পূজাৰ পাছত ৰুমটো চেঞ্জ কৰিম বুলি তাক বোধনে কৈ থৈছে। পুৱা ৮ মান বজাতে প্ৰসেনে কলেজলৈ যায়, ক্লাছবোৰ কৰে আৰু আবেলি ৫মান বজাত সি মেচ পায়গৈ। এনেকৈয়ে তাৰ কলেজীয়া জীৱনৰ দিনবোৰ পাৰ হৈ আছে। এদিন কলেজলৈ আহি হঠাৎ কলেজৰ বহু ছাত্ৰ-ছাত্ৰী এড্‌মিনিষ্ট্ৰেটিভ বিল্ডিঙৰ সমুখত থিয় হৈ থকা দেখিলে প্ৰসেনে। কোনোবা এজনে ডাঙৰ ডাঙৰকৈ কিবা কৈ থকাও শুনিলে। তৎক্ষণাৎ প্ৰসেন তালৈ গ'ল। কটন কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক অজয় বৰদলৈয়ে ছাত্ৰ-ছাত্ৰীসকলক বুজাই থকা দেখি প্ৰসেনে অলপ ভিতৰলৈ হেঁচি সোমাই গ'ল।

ঃ আন্দোলনটোত আমি অংশ গ্ৰহণ কৰাটো উচিত। ৰিফাইনাৰীৰ দাবী অসমবাসীৰ ন্যায্য দাবী। এই দাবী আমাৰো দাবী। গতিকে আজি আন্দোলন পৰিচালনা কৰা কৰ্মপৰিষদে ঘোষণা কৰা ডি. চি অফিচ ঘেৰাও কাৰ্যসূচীত অংশ লোৱাটো কটন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব আৰু কৰ্তব্য। আচলতে আন্দোলনটো আমিয়েই কৰিব লাগিছিল। আমিয়েই অৰ্থাৎ কটন কলেজেই ইয়াৰ নেতৃত্ব দিব লাগিছিল। কিবা-কিবি কাৰণত সেয়া হৈ নুঠিল। ৰাজ্যখনৰ বিশিষ্ট ৰাজনৈতিক নেতা কেইজনমানে ইয়াৰ নেতৃত্ব দিছে। ই আমাৰ বাবে শুভদায়ক হৈছে। অলপ পিছতে ঘেৰাও কাৰ্যসূচী আৰম্ভ হ'ব। আজি আমি ক্লাছ নকৰো। সকলো ছাত্ৰ-ছাত্ৰীক ঘেৰাও কাৰ্যসূচীত অংশ ল'বলৈ অনুৰোধ কৰিলো"- বৰদলৈয়ে ক'লে। তাত থকা বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে অজয়ৰ কথাত হয়ভৰ দি 'ইনকিলাব-জিন্দাবাদ', অসমৰ তেল অসমতে শোধন কৰক, আমাৰ তেলৰ অধিকাৰ আমাক লাগিবই আদি শ্লোগান দিয়াত কটন কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰ দৌৰি আহি এড্‌মিনিষ্ট্ৰেটিভ বিল্ডিঙৰ ওচৰে-পাজৰে উপস্থিত হ'ল। অজয় বৰদলৈহঁতে আগতে কিছুমান প্লেকাৰ্ড, ফেষ্টুন আদি বনাই থৈছিলেই। এজন ছাত্ৰই সেইবোৰ আনি কিছুমান ছাত্ৰ-ছাত্ৰীৰ হাতে হাতে দিলে। তাৰ পাছত সকলোৱে সমদল কৰি ডি. চি অফিচৰ পিনে শ্লোগান দি দি আগবাঢ়িল। আগত থাকিল অজয়, অতনু, নন্দকিশোৰ, জয়ন্ত। প্ৰসেনেও শ্লোগান দি ছাত্ৰ-ছাত্ৰীসকলৰ মনোযোগ আকৰ্ষণ কৰি সমদলৰ আগত গৈ অজয়হঁতৰ শাৰীত থিয় দিলে। সিও আগশাৰীত স্থান ল'লে। ছাত্ৰ-ছাত্ৰী সমদল ডি. চি. অফিচ পাও পাও হওতে আন আন পিনৰ পৰাও শ্লোগান দি দি আন আন সমদলকাৰীৰ কেবাটাও দল ডি. চি. অফিচৰ ওচৰ পালে। অলপ পিছতে ডি. চি. অফিচ লোকে লোকাৰণ্য হৈ পৰিল। তাত থকা উকীল, মুক্তিয়াৰ, মহৰী আৰু ডি. চি অফিচৰ কৰ্মচাৰীসকলেও নিজ নিজ কৰ্মস্থানৰ পৰা ওলাই আহি ৰাইজৰ পক্ষত থিয় দিলে। শ্লোগান আৰু মানুহৰ সমাগমেৰে ডি. চি. অফিচ ভৰি পৰিল। কাম-কাজ সকলো বন্ধ হ'ল কেইজনমান বয়সস্থ নেতাই ডি. চি. অফিচৰ কৰিডৰত বহি পৰিল আৰু শ্লোগান দি থাকিল। এনেতে ডি. চি. আহি নেতাকেইজনৰ লগত কৰমৰ্দন কৰি আলোচনা কৰাত নেতা কেইজনে অসমত তৃতীয়টো তেল শোধনাগাৰ পতাৰ দাবীত ভাৰতৰ প্ৰধান মন্ত্ৰী, ভাৰতৰ পেট্ৰোলিয়াম মন্ত্ৰী আদিলৈ এখন স্মাৰকপত্ৰ দিলে। ডি. চি.য়ে সেইবোৰ লৈ "আপোনালোকে ১৪৪ ধাৰা ভঙ্গ কৰিছে। সেয়ে মই আপোনালোকক গ্ৰেপ্তাৰ কৰিলো"– বুলি কৈ ডি. চি তেওঁৰ কাৰ্যালয়লৈ গ'ল। কেবাশ পুলিচে চাৰিওপিনে সমদলকাৰীসকলক ইতিমধ্যে বেৰি ৰাখিছিল। তেল শোধনাগাৰ আন্দোলন কৰ্ম পৰিষদৰ নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই মাইকত- ৰাইজ, ১৪৪ ধাৰা ভঙ্গ কৰাৰ বাবে ডি. চি.য়ে আমাক গ্ৰেপ্তাৰ কৰিছে। আমাক নেহৰু পাৰ্কত থকা অস্থায়ী কাৰাগাৰলৈ নিব। আমি

যিহেতু গান্ধীজীৰ আদৰ্শত বিশ্বাস কৰি এই গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ আন্দোলন কৰিছো, সেয়ে আমি শান্তিপূৰ্ণভাৱে চৰকাৰৰ আদেশ মানি লৈছো। ব'লক, আমি সমদল কৰি নেহৰু পাৰ্কলৈ যাও। তাতেই আমি বহলায় আমাৰ কথাবোৰ পাতিম"— বুলি কোৱাত কেইজনমান স্বেচ্ছাসেৱক আৰু নেতাই উপস্থিত আন্দোলনকাৰীসকলক লাইন পাতি নেহৰু পাৰ্কলৈ যাবলৈ ঠিক ঠাক কৰি দিলে। সমদলকাৰীসকলেও বিভিন্ন শ্লোগান দি নেহৰু পাৰ্কলৈ বুলি খোজ ল'লে। আন্দোলনকাৰী সকলক চৰকাৰে অস্থায়ীভাৱে সজা কাৰাগাৰত সুমুৱাই দিলে পুলিচ বাহিনীয়ে। আন্দোলনকাৰী সকলে কিছু সময় শ্লোগান দি নেহৰু পাৰ্ক মুখৰিত কৰি থাকিল। তাৰ পাছত আন্দোলনৰ এজন বয়োজ্যেষ্ঠ নেতাই আন্দোলনকাৰীসকলক যিয়ে যেনেকৈ পাৰে বহিবলৈ অনুৰোধ কৰিলে। কিছুমানে অ'ত-ত'ত বহিল। কিছুমান থিয় হৈয়েই থাকিল। নেতাজনে পাৰ্কত থকা এখন বেঞ্চত থিয় হৈ আন্দোলনটোৰ উদ্দেশ্য, যোৱা এবছৰে লোৱা বিভিন্ন কাৰ্যসূচী আৰু আগন্তুক দিনত ল'ব লগা কাৰ্যসূচীৰ বিষয়ে এটা থূলমূল আভাস দিলে। আন এজন নেতাই অসমৰ তেল, ইয়াৰ খনন কাৰ্যৰ ইতিহাস আৰু এই তেল কেনেকৈ কেন্দ্ৰীয় চৰকাৰে লুণ্ঠন কৰি অসমবাসীক ইয়াৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে তাক সবিস্তাৰে ব্যাখ্যা কৰি এটা দীঘলীয়া বক্তৃতা দিলে। এজন নেতাই ছাত্ৰসকলৰ মাজৰ পৰা বক্তব্য ৰাখিবলৈ কোৱাত প্ৰথমে অজয় বৰদলৈয়ে বক্তৃতা দি— 'এই বিষয়ে আমাৰ নতুন কটনিয়ান প্ৰসেনজিত কলিতা ওৰফে প্ৰসেনে কেইআষাৰমান কব' বুলি কৈ তেওঁৰ বক্তৃতা সামৰিলে। প্ৰসেনে অজয়ৰ ঘোষণাত আচৰিত হ'ল যদিও মৰসাহ কৰি সি এক উত্তেজনাপূৰ্ণ আৰু উদ্দীপক ভাষণ দি সকলোকে আচৰিত কৰি তুলিলে। সি দাঙি ধৰা তথ্যপূৰ্ণ বক্তৃতা সকলোৰে আলোচনাৰ বিষয় হৈ পৰিল। প্ৰসেনৰ পাছত গুৱাহাটীৰ বি, বৰুৱা কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক, আৰ্য বিদ্যাপীঠ কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু প্ৰাগজ্যোতিষ কলেজৰ এজন ছাত্ৰই বক্তৃতা দিলে। ইতিমধ্যে চাৰিটা বাজিল। এজন পুলিচ বিষয়া আহি আন্দোলনকাৰীসকলক মুকলি কৰি দিয়া হ'ল বুলি ঘোষণা কৰিলে। পিছত আন্দোলনকাৰীসকল নিজ নিজ স্থানলৈ দিহা-দিহি গুচি গ'ল।

প্ৰসেনহঁতে মেচ পাওঁতে সিদিনা প্ৰায় সাতটা মানেই বাজিল। বোধনে ইতিমধ্যে ষ্টোভটো জ্বলাই ডেকচিটোত পানী বহাই চাউল ধুই আছিল। মেচত সোমাই প্ৰসেনে কাপোৰ সলাই হাত-ভৰি ধুই ভাত ৰন্ধা কামত বোধনক সহায় কৰি দিবলৈ বোধনৰ ওচৰত থিয় হ'ল।

ঃ হ'ব, হ'ব, প্ৰসেন তুমি তোমাৰ পঢ়া টেবুলত বহা। মই এবাপ চাহকে বনাই দিও।

ঃ নাই নাই বোধনকা আজি আৰু পঢ়িবলৈ মন নাই। দিনটো অলৌ-তলৌকৈ

ঘূৰি বৰ ভাগৰ লাগিছে। ভাত কেইটামান খাই বিছনাত হে পৰিবলৈ মন গৈছে।

ঃ হয় নেকি, যোৱা অলপ জিৰণি লোৱা তেনেহ'লে। ভাত হওঁতে বেছি সময় নালাগে। হ লোৱা চাহকাপ, খাই বিছনালৈ যোৱা বুলি বোধনে প্ৰসেনক বিছনাত অলপ জিৰণি ল'বলৈ কৈ ভাত ৰন্ধাত লাগিল।

প্ৰসেন বিছনাত পৰিল। বোধনৰ প্ৰতি কৃতজ্ঞতাত তাৰ মন ভৰি পৰিল। চকু দটা মুদি সি বোধনৰ কথাকে ভাবিবলৈ ধৰিলে।

ঃ প্ৰসেন, অ' প্ৰসেন, টোপনি গ'লা নেকি?

ঃ নাই যোৱা, কোৱা বোধনকাই, মই শুনি আছো।

ঃ আমি দুখীয়া মানুহ। হ'লেও যত্ন আৰু কষ্টেৰে আমি আমাৰ দাৰিদ্ৰতা গুচাব লাগিব। তাৰ বাবে আমাক লাগিব সাহস, সততা, নিষ্ঠা, ধৈৰ্য আৰু দৃঢ়তা। পৰিশ্ৰমী হৈ আমি সকলো দুঃখ আৰু বেদনাক জয় কৰিব লাগিব। কৰবাত পঢ়া মনত পৰে—

'শিকা সবে পৰিশ্ৰম শিকাহে নীতি ধৰম
নেভাবিবা সুখ-দুখ কিনো কপালত;
কৰ্তব্যৰ পাছে লৰা ক্ৰমাগত কাম কৰা
ফলাফল ফলদাতা বিভুৰ হাতত।'

ঃ অ' সেইফাকি কবিতা 'জীৱন সংগীত' নামৰ কবিতাটোৰ। কবি আনন্দচন্দ্ৰ আগৰৱালাই লিখা কবিতা— প্ৰসেনে ক'লে।

ঃ তোমাৰ মনত আছে— থাকিবই— চোকা ল'ৰাই কথাবোৰ মনত ৰাখিব পাৰে। এই ধৰা তোমাৰ কথাটোৱেই, ইমান ভালকৈ মেট্ৰিক পাছ কৰিলা ক'ত থাকি পঢ়িব লাগিছিল ক'ত আছাহি আজি। আমাৰ পিতাই মোক সদায়ে কৈছিল বোলে মানুহে কৰো বুলি একো কাম কৰিব নোৱাৰে। ভগৱানৰ সহায় লাগে। অৱশ্যে কাম-বন নকৰি বহি থকা মানুহক হেনো ভগৱানে সহায় নকৰে। ডি. এচ. পি. চাহাবে পিয়নৰ কামটোত সুমুৱাই দিয়াৰ সময়ত কিবা এটা ইংৰাজী বাক্য কৈছিল কিবা— Heaven help নে কি? প্ৰসেনে মাত লগাই ক'লে— 'Heaven helps those who help themselves' অৰ্থাৎ যিয়ে নিজকে সহায় কৰে মানে যিয়ে নিজে জীৱনত অহোপুৰুষাৰ্থ কৰে তেওঁকহে ভগৱানে সহায় কৰে।

ঃ অ', অ', সেই কথাষাৰকে কৈছিল ডি. এচ. পি. চাহাবে। তেওঁতো কম দুখীয়া নাছিল। একেবাৰে লাউ লোটা লোৱা অৱস্থা আছিল বাপেকৰ। সেয়ে বুজিছা, আমি দুখ-কষ্টক জিনিব লাগিব— কৰ্তব্য কৰিব লাগিব ফল দিয়াৰ মালিক একমাত্ৰ ভগৱানহে।"

ঃ এইবোৰ ঠিক কথাকেই কৈছা তুমি পিছে বোধনকাই তোমাৰ বিয়াখনৰ কথাটো কি হ'ল হে, মাজে মাজে কথাটো কৈ হুমুনিয়াহ কঢ়া আজি বহুত দিন হ'ল, আজি-কালি

সেই বিষয়ে দেখোন একোৱেই নোকোৱা হ'লা, নিজে আগবাঢ়িলেহে ভগৱানে সহায় কৰিব। মুখৰ ভিতৰতে হাঁহি এটা মাৰি প্ৰসেনে বোধনক সুধিলে।

বোধনে প্ৰায়ে ৰাতি কেতিয়াবা অলপ নিচা খাই আহি ভাল বেয়া বিভিন্ন কথাৰে ৰুমটো সৰস কৰি তোলে। প্ৰসেনৰ আগতে সুখ-দুখৰ কথাবোৰ কৈ মনটো কিছু পাতল কৰে। বিয়াৰ কথা ক'লে সি বৰ ভাল পায়। বিয়া বাৰুলৈ তাৰ বৰ হেপাহ। কিন্তু ঘৰৰ অসুবিধাৰ বাবে সি আগবাঢ়িব পৰা নাই। প্ৰসেনে বিয়াৰ কথা কোৱাৰ লগে লগে তাৰ মুখখনত আনন্দৰ জোৱাৰ উঠিল। সি বৰ ভাল পালে।

ঃ এ কিমান আৰু এনেকৈ ভাত ৰান্ধি, ঘৰ সাৰি, বাচন ধুই, বিছনা পাৰি থাকিম হে? কেতিয়াবা খং উঠিলে একেবাৰে গেন্ধে ফুলৰ মালা এডাল পিন্ধাই লৈ আনিম বাপেকে- বুলি কৈ বোধনে বকুলিৰ বিষয়ে এখন সৰু-সুৰা ৰামায়ণ আৰম্ভ কৰিলে।

ঃ কথাখিনি চুটিকৈ কোৱা বোধনকাই ৰাতি বহুত হ'ল। ওচৰৰ মানুহে ইমান ৰাতি এনেকৈ কথা পাতি থাকিলে বেয়া পাব। তদুপৰি ৰাতিপুৱাই মোৰ ক্লাছও আছে।

ঃ হ'ব, হ'ব, এই শেষ হ'লেই ধৰা। কিছুমান কথা কৈও ভাল লাগেহে। বয়সত তুমি মোতকৈ সৰু হ'লেও তোমাক বন্ধু এজন হিচাপেই লৈছো মই। তোমাৰ আগত নকৈ নো কথাবোৰ কাৰ আগত কম হে। সেই ভীমকান্ত মিস্ত্ৰি। তেওঁৰেই একমাত্ৰ জীয়েক বকুলি। মানে বকুলি আৰু মোৰ মাজত যে কিবা এটা আছে তেওঁ জানিছে। এইবাৰ ঘৰলৈ যাওতে বকুলিৰ মাকে মোক তেওঁলোকৰ ঘৰলৈ মাতি নি বৰ আদৰ-সাদৰকৈ চাহ-পানীও দিছে। হঠাত মজিয়াত থিয় হৈ ভীমকান্তই কথা নাই বতৰা নাই ভীমৰ দৰে বচন মাতি— "মই বকুলিৰ লগত তোমাক এনেকৈ চুপতি মাৰি থাকিব দিব নোৱাৰো। কিবা এটা কৰা যদি কৰা, নহ'লে কাঞ্চনপুৰৰ ল'ৰা এজন আহিব খুজিছে বকুলিক চাবলৈ। মইহে হা-না একো ক'ব পৰা নাই— বুলি সাউৎকৰে মজিয়াৰ পৰা পিছপিনৰ দুৱাৰখনেৰে ঘৰৰ পৰা ওলাই গ'ল। ভীমকান্ত মিস্ত্ৰিৰ লগত মই কেইদিনমান কাম কৰিছিলো। বৰ ভাল মানুহ। অন্তৰখন বৰ চাফা। ফাকি-ফুকা নাই। এজন সৎ মানুহ বুলি নাম আছে। তেওঁৰ লগত কাম কৰা সূত্ৰেই তেওঁলোকৰ ঘৰলৈ অহা-যোৱা কৰোতে বকুলিক মই দেখা পাইছিলো। প্ৰথম দিনা দেখিয়েই মোৰ গা-মনত ভূতে লম্ভিলে। তাৰ পাছত বকুলিক নেদেখিলে, বকুলিৰ লগত দুআষাৰ কথা পাতিব নোৱাৰিলে পেটলৈ ভাত নোযোৱা অৱস্থা মোৰ। এতিয়া বিয়াত বহিবলৈ তাই সন্মত হোৱাতহে মোৰ পেটলৈ ভাত যোৱা হৈছে, চকুলে টোপনি অহা হৈছে। ভীমকান্ত মিস্ত্ৰিৰ কথাই এতিয়া মোৰ মূৰটো গৰম কৰি দিছে। ইপিনে আয়ে কৈছে হৰবালাক এঘৰলৈ উলিয়াই দিব নোৱৰালৈকে হেনো মোৰ বিয়া হ'বই নোৱাৰে। দুই নাৱত দুই ভৰি মোৰ। তুমিয়ে কোৱাচোন প্ৰসেন এনে অৱস্থাত মই কি কৰা উচিত?

ঃ হ’ব হ’ব তোমাৰ কথাবোৰ শুনিলো। কালি এই বিষয়ে ভালকৈ আলোচনা কৰি কিবা এটা কৰিব লাগিব। এতিয়া প্ৰায় ১-৩০ বাজিল। মই শুও, তুমিও শোৱা বুলি প্ৰসেনে লেমটো নুমাই দি শুই থাকিল।

ৰাতিপুৱাই বিছনা এৰি প্ৰসেনে বাচন-বৰ্তনবোৰ ধুই ঠিক-ঠাক কৰিলে। গা-ধুই উঠি কিছু সময় পঢ়ি ৮-৩০ বজাত কলেজলৈ যাবলৈ সাজু হ’ল। বোধন তেতিয়াও বিছনাতে আছে। “বোধনকাই মই আহো, ক্লাছ আছে”— বুলি প্ৰসেনে বোধনক মাত লগাই কলেজলৈ গ’ল। চিটি বাছেৰে আহি ক্লাছৰুমত সোমাল। সংস্কৃতৰ ক্লাছ। কটন কলেজৰ সংস্কৃতৰ মুৰব্বী অধ্যাপক বিমলানন্দ বৰ্মনৰ ক্লাছ। অধ্যাপক বৰ্মন আহিল ক্লাছলৈ। ধুতী পিৰণ পিন্ধা, ওখ-পাখ লোক। দেখিলেই পণ্ডিতমন্য লোক বুলি গম পোৱা যায়। ক্লাছত সোমাই ৰোল কল কৰি উঠি ছাত্ৰ-ছাত্ৰীসকলৰ পৰিচয় ল’লে। এপিনৰ পৰা পৰিচয় লৈ আহি প্ৰসেনৰ ওচৰ পালে।

ঃ কি নাম তোমাৰ?

ঃ প্ৰসেনজিত কলিতা ছাৰ—

ঃ ক’ত ঘৰ?

ঃ ত্ৰিনাথ নগৰৰ ওচৰৰ কাকতল গাঁৱত।

ঃ ত্ৰিনাথ নগৰ সৰু হ’লেও অসমৰ এখন বিখ্যাত ঠাই। ভাৰতৰ স্বাধীনতা আন্দোলনত তাৰ মানুহে বৰকৈ লাগিছিল। সেই অঞ্চলৰ সত্যকাম ডেকা, প্ৰতাপ পাঠক, হৰৰাম কলিতা, ধনপতি শৰ্মা, ৰাঘৱ কবিৰাজ, হৰবল্লভ চৌধুৰী, গগন মেম্বৰ, ৰজত কলিতা আদি স্বাধীনতা আন্দোলনত লগা বহু সক্ৰিয় কৰ্মীক মই ভালদৰে জানো। আমি স্বাধীনতা আন্দোলনত একেলগে কাম কৰিছিলো। সেইবোৰ বহু বছৰ আগৰ কথা। এতিয়া কোনে ক’ত কি কৰিছে নাজানো।

ঃ ছাৰ, আপুনি কোৱা কাকতলৰ ৰজত কলিতাৰে ল’ৰা মই। অ’ হয় নেকি ৰজত কলিতাৰ ল’ৰা! তেওঁক অৱশ্যে এতিয়া ৰজন মেম্বৰ বুলিহে মাতে। এবাৰ পঞ্চায়তৰ মেম্বৰ হৈছিল নহয়। “বাৰু, বাৰু, সেইবোৰ কথা পিছতো পাতিব পাৰিম বুলি কৈ অধ্যাপক বৰ্মনে চমুকৈ কটন কলেজৰ ইতিহাস, ইয়াৰ ঐতিহ্য আদিৰ বিষয়ে ক’লে। তাৰ পাছত সংস্কৃত বিষয়টোৰ কোৰ্চ সম্পৰ্কে থূলমূল আভাস এটা দি বেল পৰাৰ লগে লগে ক্লাচৰ পৰা গ’ল। যোৱাৰ আগে আগে প্ৰসেনক অধ্যাপক বৰ্মনে তেওঁৰ ডিপাৰ্টমেণ্টৰ অফিচত এবাৰ লগ ধৰিবলৈ কৈ গ’ল।

১১-১৫ বজাৰ পৰা প্ৰসেনৰ ক্লাছ নাছিল। অফ আছিল। সি সেইখিনি সময়তে অধ্যাপক বৰ্মন ছাৰক লগ ধৰিবলৈ সংস্কৃত বিভাগলৈ গ’ল। অধ্যাপক বৰ্মনে তেওঁৰ ৰুমত বহি কিবা কিতাপ এখন পঢ়ি আছিল। অনুমতি লৈ প্ৰসেনে অধ্যাপক বৰ্মনৰ

ৰুমত সোমাল। বৰ্মনে প্ৰসেনক বহিবলৈ দি মেট্ৰিক পৰীক্ষাত তেওঁ কেনে ৰিজাল্ট কৰিলে, ত্ৰিনাথ নগৰৰ কলেজখন কেনে চলিছে ইত্যাদি দুই এটা কথা সুধিলে।

ঃ তোমালোকৰ সেই অঞ্চলৰ মানুহবোৰ প্ৰায়েই চিনাকি আছিল এসময়ত। স্বাধীনতা আন্দোলনত মৃত্যু বাহিনীৰ এজন কৰ্মী হিচাপে মই সেই অঞ্চলতে কাম কৰিছিলো। তোমালোকৰ দক্ষিণে ৮ কিলোমিটাৰ আঁতৰৰ সমকুছি নামৰ গাঁৱখনতে মোৰ ঘৰ আছিল। মেট্ৰিক পাছ কৰাৰ পাছতে গুৱাহাটীলৈ পঢ়িবলৈ আহি ইয়াতে ৰৈ গলো। তোমালোকৰ সেই অঞ্চলতো কেবাখনো হাইস্কুল হৈছে বুলি শুনিছো। ভালকৈ পঢ়িবা কিবা অসুবিধা হ'লে মোক কবা। অসমৰ বহুত দুখীয়া খেতিয়ক পৰিয়ালৰ ল'ৰাই কটন কলেজত পঢ়ি ডাঙৰ ডাঙৰ মানুহ হৈ নিজ অঞ্চলৰ লগতে ৰাজ্যৰো নাম উজলাইছে। তুমিও তেনে এজন লোক হ'ব লাগিব"—অধ্যাপক বৰ্মনে ক'লে।

প্ৰসেনে অধ্যাপক বৰ্মনৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ ৰুমৰ পৰা ওলাই আহিল। প্ৰথম লগ পায়েই অধ্যাপক বৰ্মনৰ নিচিনা এজন ডাঙৰ লোকে নিজৰ বিভাগীয় ৰুমলৈ মাতি দি ইমানবোৰ কথা কোৱাত সি আচৰিত হোৱাৰ লগতে পৰম আনন্দিতও হ'ল। বহু প্ৰশ্নই প্ৰসেনৰ মনত উত্থাপিত হ'ল। ত্ৰিনাথ হাইস্কুলৰ শিক্ষক ভাৰতৰ স্বাধীনতা আন্দোলনৰ এজন সক্ৰিয় নেতা সত্যকাম ডেকাই তেওঁৰ ঘৰত এদিন লগৰে এজন সতীৰ্থক কোৱা কথা কেইটামান প্ৰসেনৰ মনত পৰিল— 'বুজিছে চৌধুৰী আমিবোৰেটো মন্ত্ৰী, এম. এল. এ. হম বুলি আন্দোলনত যোগ দিয়া নাছিলো। আন্দোলন শেষ হ'ল ঘৰৰ ল'ৰা ঘৰলৈ আহিলো। আপুনিও মাষ্টৰ হ'ল মইও মাষ্টৰ হ'লো। পিছে বেয়া লাগে এটা কথাতেই, আমাৰে যিসকল সতীৰ্থই আজি মন্ত্ৰী, এম. এল. এ. হৈ দেশখন চলাইছে তেওঁলোকে আমাৰ দৰে স্বাধীনতা আন্দোলনৰ নিষ্ঠাবান কৰ্মীসকলক পাহৰিলে। দেখা কৰিলে বহু বুলি ক'বলৈও বেছিভাগে ইচ্ছা নকৰে। তদুপৰি দেখা গৈছে যে যাৰ টকা-পইচা আছে তেওঁলোকহে নেতা হৈ টিকি থাকিল। টকা-পইচা যিসকলৰ নাছিল বা নাই তেওঁলোকৰ কোনোবাই আমাৰ দৰে হয় মাষ্টৰ হৈছে নহয় পৈত্ৰিক ধৰ্ম মানি হাল-কোৰ বাই জীৱন নিৰ্বাহ কৰিছে।

ঃ হয় হয় ডেকা, আমি স্বাধীনতা আন্দোলনৰ সেই এৰি অহা দিনবোৰৰ মধুৰ স্মৃতি সোপাকে জীৱনৰ পৰম সম্পদ বুলি ভাবি সুখ লভাত বাহিৰে আন কথা নভবাই ভাল। আজিকালি ধন নাথাকিলে মান পোৱা টান হৈ পৰিছে। মন্ত্ৰী, এম. এল. এ. হোৱাটোতো দূৰৰে কথা। দেশে স্বাধীনতা পোৱাৰ প্ৰায় এবৈশ বছৰ পাৰ হ'বৰ হ'লেই। ৰাস্তা-ঘাট, স্কুল-কলেজ, বজাৰ-সমাৰ য'ত যেনেকৈ আছিল তাতেই থাকিল। আশা কৰা কথা আশা হৈয়েই থাকিল। শুনিছো বহুকেইজন মন্ত্ৰী, এম. এল. এ.য়ে বোলে ধন-সম্পত্তিৰ একোখন পাহাৰ সাজিছে। দেশ আৰু দহৰ কথা বহুতেই বোলে পাহৰিলেই।

সেইদিনা দুজন মুক্তি যোদ্ধাৰ মনৰ খং, ক্ষোভ আৰু হতাশাৰ ছবিখন আজি অধ্যাপক বৰ্মনক দেখি বৰ্মনৰ কথা শুনি প্ৰসেনৰ মন কিবা এক নামহীন হতাশাই বেৰি ধৰিলে। হতাশ মন এটা লৈয়েই প্ৰসেনে আৰু এটা ক্লাছ কৰি মেচলৈ গ'ল।

মেচ পাওঁতে প্ৰসেনৰ প্ৰায় চাৰিটামান বাজিছিল। বোধনে ৰান্ধি থৈ যোৱা ভাত কেইটামান খাই অলপ বিছনাত বাগৰ দিলে প্ৰসেনে। 'নীলাচল' নামৰ সাপ্তাহিক কাকতখন বিছনাতে শুই শুই চকু ফুৰালে প্ৰসেনে। বৰ জনপ্ৰিয় আৰু বহুল প্ৰচাৰিত কাকত নীলাচলখন। অৱশ্যে বাতৰি কাকতৰ সংখ্যাও কম ৰাজ্যখনত। নতুন অসমীয়া, ইংৰাজী ভাষাত প্ৰকাশিত আসাম ট্ৰিবিউন, দৈনিক অসম, অসম বাণী, সাপ্তাহিক জনমভূমি আদি কেইখনমান বাতৰি কাকতহে আছিল ৰাজ্যখনত। আসাম ট্ৰিবিউনখন ১৯৪৬ চনতে প্ৰকাশিত হোৱা ইংৰাজী ভাষাৰ বাতৰি কাকত। অসমবাণীখন প্ৰকাশিত হৈছিল ১৯৫৫ চনত। নতুন অসমীয়া কাকতখনে প্ৰকাশৰ মুখ দেখিছিল ১৯৫৯ চনত। ১৯৬৫ চনত প্ৰকাশিত হৈছিল 'দৈনিক অসম' নামৰ কাকতখন। ১৯৬৮ চনত প্ৰকাশিত হৈছিল 'নীলাচল'খন শ্ৰীগুৰু প্ৰেছৰ পৰা। সম্পাদকৰ দায়িত্বত আছিল উদীয়মান, তেজোদ্দীপ্ত লেখক হোমেন বৰগোহাঞিও। হটকেকৰ দৰে বিক্ৰী হৈছিল কাকতখন। সেই নীলাচলখনেই বিছনাত বাগৰ দি পঢ়ি থাকোতে সিহঁতৰ ঘৰৰ মালিক ধেবৰ বড়োৱে দুৱাৰ মুখৰ পৰা প্ৰসেনক সুধিলে—

ঃ ঐ ল'ৰা— কি নাম তোৰ? তই ইয়াত বোধনৰ আলহী হৈ আছ নে তাৰ লগত মেচ কৰি আছ?

ঃ মোৰ নাম প্ৰসেন, মই বোধনকাইৰ লগত মেচ কৰি আছো।

ঃ তাৰ মানে তই ভাড়া দিয়, ভাড়া কাক দিয়, কিমান দিয়?

ঃ বোধনকাইক দিওঁ, মাহে পোন্ধৰ টকা।

ঃ বোধন ঘৰৰ মালিক নেকি— তাক যে ভাড়া দিয়?

ঃ মই সেইবোৰ কথা নাজানো। আপুনি বোধনকাইৰ লগত কথা পাতিব বুলি প্ৰসেনে কোৱাত ধেবৰ বড়োৱে প্ৰচণ্ড খঙৰ ভাব এটা দেখুৱাই তাৰ পৰা আঁতৰি গ'ল।

ৰাতি সাতমান বজাত বোধন আহি মেচ পালে। প্ৰসেনে ইতিমধ্যে ভাত ৰন্ধা বাচন-বৰ্তনবোৰ ধুই পখালি ঠিক-ঠাক কৰি পঢ়াৰ বাবে সাজু হৈ বিছনাত বহিছিল। ৰুমত সোমায়েই বোধনে কাপোৰ সলাই ভৰি-হাত ধুবলৈ কুঁৱাটোৰ ওচৰলৈ গ'ল। ইতিমধ্যে নিজৰ ঘৰৰ বাৰাণ্ডাত বহি আছিল ধেবৰ বড়ো।

ঃ ঐ বোধন, বোধন, শুনচোন শুন। ধেবৰে মতা শুনি বোধন তেওঁৰ ওচৰলৈ গ'ল।

ঃ কি হে ধেবৰকা বৰ জোৰে মাতিছা দেখোন কি হ'ল?

ঃ ঐ, তই মোৰ ঘৰ লোকক ভাড়া দিয়াৰ অধিকাৰ ক'ত পালি?

ঃ কি তোৰ ঘৰ ভাড়া দিয়াৰ কথা কৈছ হে— বুজাই ক আকৌ।

ঃ তোৰ আধা অংশ এজন ল'ৰাক তই ভাড়া দিছ বোলে?

ঃ নাই, নাই, বোধনকা। সি আমাৰ ওচৰৰে ল'ৰা। কটন কলেজত পঢ়িবলৈ লৈছে। দুখীয়া ঘৰৰ ল'ৰা। মোৰ লগতে কিছুদিনৰ বাবে আছেহি- বোধনে ক'লে।

ঃ সি বোলে তোক মাহে পোন্ধৰ টকাকৈ ভাড়া দিয়ে, হয়নে?

ঃ অ' দিম বুলিহে কৈছে, মই নালাগে বুলি কৈছো নহয়। পিছে তই কথাটো কিয় সুধিলি ধেবৰকা। মোৰ ভাড়াঘৰ। আলহি অতিথি ৰাখিমেই মই।

ঃ এ ক'লে হ'বনে, এই ৰুমটো তোক হে ভাড়া দিছে আৰু এজন আলহী সদায় থাকিলে পানীৰ খৰচ নহ'বনে? প্ৰস্ৰাব-পায়খানাৰ কথাও আছে, সেইজনৰ বাবে সেইবোৰ স্বৰ্গৰ'পৰা নাহে নহয়— ধেবৰে খঙেৰে কথাখিনি ক'লে।

ঃ বৰ ডাঙৰ ডাঙৰ কথা কৈছা হে ধেবৰকা? মই বাৰু বন্দৱস্ত মতে কাম কৰা নাই তই বন্দৱস্ত মতে কিমান কৰিছাহে? ৰুমটো ভাড়া দিয়াৰ সময়ত কাষৰ ৰুমটোৰ পৰা গাইজনী আঁতৰাই নিয়াৰ কথা আছিল, কৰিছ নে সেইটো? গাইজনীৰ গু-মূতৰ গোন্ধত যোৱা তিনিমাহে মই কেনেকৈ আছো তই কি বুজিবি। বৰ মালিকটো ওলাইছে যেন দহটামান তিনিতলা বিল্ডিঙৰহে মালিক। শুন, তিনিদিনৰ ভিতৰত যদি গাইজনী সিটো ৰুমৰ পৰা আঁতৰাই নিনিয়, মই ৰুমটো এৰি দিম। নালাগে, নাথাকো তোৰ এই বিল্ডিংটোত। খং আৰু ক্ষোভ প্ৰকাশ কৰি- বোধনে ধেবৰক ক'লে কথাখিনি।

কিছু সময় বোধন আৰু ধেবৰৰ তৰ্কাতৰ্কি চলি থাকিল। প্ৰসেনেও উঠি সিহঁতৰ ওচৰ পালে। প্ৰসেনে বোধনক 'বলা বোধনকা কাজিয়া কৰি লাভ নাই' বুলি সিহঁতৰ ৰুমলৈ যাবলৈ হাতত ধৰি টানিলে। নাথাকোহে ইয়াৰ ঘৰত। কাম নাই, কাজ নাই কি বাহাদুৰি। দুটা তৰ্জাৰ বেৰৰ চালি ৰুম বনাই বৰ মালিকটো দেখুৱাই গঙাটোপটো যেন হৈ পৰিছে। দিন নাই ৰাতি নাই গেলা মদসোপা খাই মুখত যি আহে তাকে বকিব। ইয়াতো থাকেনে মানুহ। কালিয়েই যাম আমি ইয়াৰ পৰা- বুলি খঙত একো নাই হৈ বোধন ওচৰৰে পাণ-দোকানখনলৈ গৈ চিগাৰেট এটা জ্বলাই কেইহোপামান মাৰিলে। প্ৰসেনে পিছে পিছে গ'ল। 'যোৱা প্ৰসেন, তুমি পঢ়ি থাকা বেধৰ মদাহীৰ কথাত গুৰুত্ব দিব নালাগে'।

প্ৰসেনৰ পঢ়া আৰু নহ'ল। সি ভাত ৰন্ধাত লাগিল। ডেক্সিটোত দালিৰ লগতে কেইটামান আলুও দিলে। দাইল আৰু আলু পিটিকাৰে ৰাতিৰ খোৱা পৰ্ব সামৰণি মাৰিব। কিছু সময় পিছত বোধন আহি ৰুমত সোমাল।

ঃ প্ৰসেন— তুমি পঢ়া এৰি এইবোৰ কি কৰিছাহে? যোৱা পঢ়াগৈ, মই এইবোৰ কৰিম নহয়।

বোধনে কিবাকিবি ৰান্ধিলে। প্ৰায় এঘাৰটা মান বজাত ভাত খাই দুয়ো শুই থাকিল।

ৰাতিপুৱা ছয় মান বজাতেই বোধন ওলাই গ'ল। ভাত ৰান্ধি খাই প্ৰসেন ৮-৩০ বজাত কলেজলৈ গ'ল। কলেজত আটাইকেইটা ক্লাছ কৰি ৩-৩০ মান বজাত প্ৰসেনে আহি মেচ পালে। ৰুমত সোমাই সি বোধনে সিহঁতৰ কাপোৰ-কানি বাচন-বৰ্তনবোৰ বান্ধি-কুন্ধি ঠিক-ঠাক কৰি থকা দেখিলে। চাৰমিনাৰ চিগাৰেট এটা জ্বলাই লৈ বোধনে প্ৰসেনক ক'লে— 'প্ৰসেন সোনকালে ভাত কেইটা খোৱা। আমি বেলেগ এটা ঘৰলৈ যাম। ঘৰটো চেনীকুঠিত। আমাৰ গাঁৱৰে ল'ৰাকেইজনমানে তাত ঘৰটোত মেচ কৰি আছে। তাত এটা ৰুম খালি আছে। মই বন্দবস্ত কৰি আহিছো। ভাড়াও বেছি নহয়। মাত্ৰ ৩৫ টকাকে মাহে। পানী পাইখানা সকলো ভাল। তোমাৰো কলেজলৈ ওচৰ হ'ব। খোজকাঢ়িয়েই যাব পাৰিবা। কেবাজনো ছাত্ৰ আছে। আমি এতিয়া তালৈ যাম। মই ঠেলা দুখন ঠিক কৰি আহিছো। আহিব এতিয়া।'

ঃ হ'ব বোধনকাই; তুমি যি ভাল দেখা তাকেই কৰা— প্ৰসেনে ক'লে।

অলপ পিছতে দুখন ঠেলা আহিল। প্ৰসেনৰ ভাত খোৱা হ'ল। ঠেলা দুখনত সিহঁতৰ বয়বস্তুবোৰ বোজাই দি সিহঁত চেনীকুঠিৰ নতুনকৈ ভাড়া লোৱা ঘৰটোলৈ আহিল। ঘৰটো এটা দীঘল হ'ল ঘৰৰ নিচিনা। কেবাটাও কোঠা আছে। তাৰে এটা কোঠাত বি. বৰুৱা কলেজত পঢ়া ছাত্ৰ দুজন থাকে। এজন হৰিচৰণ কলিতা— বি. এ. প্ৰথম বাৰ্ষিকত পঢ়ে। আনজন শিৱনাথ শৰ্মা। তেওঁ বি. এ. প্ৰথম বাৰ্ষিকতে পঢ়ে। হৰিচৰণৰ ফিল'চ'ফীত অনাৰ্চ আছে। হৰিচৰণ আৰু শিৱনাথে প্ৰসেনহঁতৰ ৰুমলৈ আহি প্ৰসেন আৰু বোধনৰ লগত চিনাকি হ'ল। প্ৰসেনক তেওঁলোকে উৎসাহ দিলে। প্ৰসেনেও তেওঁলোকক পাই বৰ ভাল পালে।

চেনীকুঠিৰ পৰা কটন কলেজলৈ বেছি দূৰ নহয়। প্ৰসেনে খোজকাঢ়ি ক্লাছলৈ অহা-যোৱা কৰাত খৰচো কিছু কমিল। বোধনৰো আগতকৈ সুবিধাই হ'ল। সিও খোজকাঢ়িয়েই তাৰ হাস্পতাললৈ অহা-যোৱা কৰিবলৈ ল'লে। পূজাৰ বন্ধত প্ৰসেনক বোধনে বোধনহঁতৰ ঘৰলৈ যাবৰ বাবে বৰকৈ ধৰিছে। প্ৰসেনে পূজাৰ বন্ধত এদিনৰ কাৰণে হ'লেও বোধনহঁতৰ ঘৰলৈ যাম বুলি বোধনক কথা দি থৈছে।

পঁচিশ অক্টোবৰৰ পৰা কলেজত পূজাৰ বন্ধ আৰম্ভ হ'ল। সেইদিনাই দুই বজাৰ ধুবুৰী পেচেঞ্জাৰখনত প্ৰসেনে গাঁৱলৈ গ'ল। সন্ধিয়া সাতমান বজাতহে সি ত্ৰিনাথ ষ্টেচন পালে। ট্ৰেইনৰ পৰা নামিয়েই ষ্টেচনৰ পিছপিনে থকা শিৱমন্দিৰটোৰ সমুখত প্ৰসেনে মনোহৰক লগ পালে। মনোহৰে কিবা সকামত ত্ৰিনাথলৈ আহিছিল।

ঃ প্ৰসেন আহিলি?

ঃ অ' মনোহৰ, আহিলো। আজিৰ পৰা কলেজত পূজাৰ বন্ধ আৰম্ভ হ'ল।

ঃ ব'ল, ব'ল— মোৰ চাইকেলতে ডাবলিং কৰি যাও ব'ল। চাও বেগটো দে বুলি প্ৰসেনৰ বেগটো মনোহৰে তাৰ চাইকেলৰ কেৰিয়াৰত ভালকৈ বান্ধি প্ৰসেনক চাইকেলৰ আগত উঠাই ল'লে। মনোহৰ প্ৰসেনতকৈ দুবছৰমানৰ ডাঙৰ। মেট্ৰিক পৰীক্ষাত দুবাৰো বেয়া কৰিছে। এইবাৰো দিব। প্ৰসেনক বন্ধু জ্ঞান কৰে।

মনোহৰে চাইকেল চলাই দিলে কাকতল গাঁৱলৈ। দুয়ো চাইকেলেৰে কাকতলৰ লগতে গাগেলিৰ বিষয়ে নানা কথা পাতি গৈ থাকিল। তাৰ মাজতে মনোহৰে সিহঁতৰ গাঁৱৰ ছাত্ৰ সংঘৰ অধিৱেশনৰ কথাটোও উলিয়ালে।

ঃ সকলোৱে তই অহালৈ বাট চাই আছে। তই আহিলি যেতিয়া দুই-এদিনতে বহি তাৰিখটো ঠিক কৰিব লাগিব। মনোহৰে প্ৰসেনক ক'লে। কাকতল পাই বৰপুখুৰী পাৰত প্ৰসেন চাইকেলৰ পৰা নামিল।

ঃ অহাকালি পুৱা ন মান বজাত আমাৰ ঘৰলৈ এবাৰ যাবি, আয়ে বোলে তোক বহু দিন দেখা নাই। চাব খুজিছে। মনোহৰে প্ৰসেনক সিহঁতৰ ঘৰলৈ মাতি গ'ল । প্ৰসেনেও বেগটো কান্ধত লৈ ব্ৰজপাণিৰ দোকানৰ পৰা ভায়েক-ভনীয়েকহঁতৰ বাবে কেইটামান চকলেট কিনি ঘৰলৈ গ'ল।

মনোহৰৰ বাপেক স্বৰ্গগামী হোৱা কেবাবছৰো হ'ল। মাক ভবানীবালায়ে বাপেক-মাক হৈ বৰ কষ্টৰে মনোহৰ আৰু তাৰ ককায়েক চক্ৰপালক ডাঙৰ-দীঘল কৰিছে। ভবানীবালাক প্ৰসেনে আবু বুলি মাতে। বুঢ়ীয়ে প্ৰসেনক বৰ মৰম কৰে। প্ৰসেন গ'লেই বাৰীৰ মধুৰিআমটো, ঘৰতে বনোৱা মাখন অলপ, জাকৈ মাৰি অনা সৰু মাছ ভজা আদিৰে ভাত খাবলৈ দি মৰম প্ৰকাশ কৰে। প্ৰসেনেও বুঢ়ীক বৰ মৰম আৰু শ্ৰদ্ধা কৰে। সেই মনোহৰহঁতৰ ঘৰত পুৱা ন মান বজাতেই প্ৰসেন হাজিৰ হ'ল। প্ৰসেনে মনোহৰহঁতৰ ঘৰ পোৱাৰ পিছতে তাত ফুলেন, পৰশ, মহেন, হৰি আদিও গৈ উপস্থিত হ'ল। সিহঁতে নানা কথাৰ লগতে কাকতল ছাত্ৰ সংঘৰ অধিৱেশনখনৰ কথা পাতিলে। তাতেই সিহঁতে দহ নৱেম্বৰত কাকতল ছাত্ৰ সংঘৰ বাৰ্ষিক অধিৱেশনখন পতাৰ কথাটো ঠিক কৰিলে। স্থানীয় বি. ডি. অ. জনক মুখ্য অতিথি আৰু ত্ৰিনাথ কলেজৰ অধ্যাপক প্ৰবাল দাসক নিৰ্দিষ্ট বক্তা হিচাপে আমন্ত্ৰণ কৰাটো ঠিক হ'ল।

অধিৱেশনখনৰ প্ৰস্তুতি চলিল। চিঠি পত্ৰ ছপোৱা হ'ল। কাকতলকে ধৰি ত্ৰিনাথ নগৰ, জনকপুৰ অঞ্চল, মোক্ষপুৰ আদিৰ বিশিষ্ট ব্যক্তি কিছুমানকে ধৰি বৃহত্তৰ ত্ৰিনাথ মৌজাৰ হাইস্কুলকেইখনৰ প্ৰধান শিক্ষকসকলক অধিৱেশনলৈ নিমন্ত্ৰণ কৰা হ'ল। ছাত্ৰ সংঘৰ সদস্যসকলক ভাগে ভাগে কামৰ দায়িত্ব দিলে সংঘৰ সাধাৰণ সম্পাদক প্ৰসেনে। সকলোৱে অধিৱেশনখন সফল কৰি তোলাৰ বাবে উঠিপৰি লাগিল। অধিৱেশন উপলক্ষে খেল ধেমালি প্ৰতিযোগিতা, গীত-মাত প্ৰতিযোগিতা, গল্প-কবিতা প্ৰতিযোগিতা,

আকস্মিক বক্তৃতা আৰু তৰ্ক প্ৰতিযোগিতাকে ধৰি নানা প্ৰতিযোগিতাৰ ব্যৱস্থা কৰা হ'ল। তাৰ বাবে কেবাখনো উপসমিতি গঠন কৰিও দিয়া হ'ল। মুকলি সভাৰ সমবেত সংগীত আৰু আন আন গীতৰ বাবে প্ৰসেনে দায়িত্ব ল'লে প্ৰসেনে।

দহ নৱেম্বৰ দিনটো আহিল। কাকতলৰ বুঢ়ানামঘৰৰ আহল-বহল চোতালখনতে অধিৱেশনৰ ৰভা সাজি ঠিক-ঠাক কৰা হ'ল। দুপৰীয়া দুই বজাৰ পৰা আধিৱেশনৰ মুকলি সভা আৰম্ভ হ'ব। ইতিমধ্যে নানা ধৰণৰ প্ৰতিযোগিতাবিলাক সমাপ্ত হৈছে। মুকলি সভাত প্ৰতিযোগিতাবিলাকত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰাও হ'ব।

সংঘৰ সভাপতি ফুলেন আৰু সাধাৰণ সম্পাদক প্ৰসেনে মুকলি সভাত ল'ব লগা ৰাজহুৱা স্বাৰ্থ জড়িত কেইটামান প্ৰস্তাৱো প্ৰস্তুত কৰিলে।

আধাঘণ্টা পলমকৈ অৰ্থাৎ দিনৰ ২-৩০ বজাত কাকতল ছাত্ৰ সংঘৰ অধিৱেশন আৰম্ভ হ'ল। জনকপুৰ হাইস্কুলৰ হেডমাষ্টৰ কুশলৰাম কলিতাই অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰিলে। সভাপতিয়ে আসন লোৱাৰ পাছতে প্ৰসেনৰ পৰিচালনাত আৰম্ভণি গীত আৰম্ভ হ'ল। কাকতল গাঁৱৰে এঘাৰজন ল'ৰা-ছোৱালীয়ে আৰম্ভণী গীতত ভাগ ল'লে। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা ৰচিত গীত এটাৰে প্ৰসেনে হাৰমনিয়াম বজাই গীতটো আৰম্ভ কৰিলে।

"অ' অসমীয়া ডেকা দল
অ' অসমীয়া ডেকা দল
আজি তোৰ তেজাল বদন
মলিন কিয় হ'ল?
দুৰ্গম নদ পাহাৰগিৰি
লংঘিছিলে ডেকাগিৰি
সুন্দৰ শংকৰে লৰি
কৰিছিল তল
অসীম বাহুৰ বল
সিও যে তোৰ নাইকিয়া হ'ল?
কীৰ্ত্তন, দশম, নামঘোষা
হওক আমাৰ শৌৰ্য্য
নাট, গীত, নাম, বৰগীত
হওক ৰণৰ তুৰ্য
আহিঁ তেওঁৰ এই অসমৰ

হওক অসীম বীৰ্য্য
অসমীয়া! সমনীয়া!!
আগবাঢ়ি যাও বল অ'
আগবাঢ়ি যাও বল।।"

গীতটোৱে উপস্থিত ৰাইজক উদ্বেলিত কৰি তোলাত ৰাইজে বহু সময় হাত চাপৰি বজাই সন্তুষ্টি প্ৰকাশ কৰিলে।

'মানুহজন আৰু কেইবছৰ মান থকা হ'লে অসমীয়া জাতিটোক আৰু বহুত কিবাকিবি দি থৈ গ'লহেতেন। বয়োবৃদ্ধ শিল্পী, অভিনেতা শৈবাল শৰ্মাই বিষ্ণু ৰাভা সম্পৰ্কে মন্তব্য কৰি কথাষাৰ ক'লে। বিষ্ণু ৰাভাই অসমবাসীক কন্দুৱাই ইহসংসাৰ এৰি যোৱা কেইবছৰমানহে হৈছে।' আৰম্ভণি গীতৰ পিছতে সভাৰ উদ্দেশ্য ব্যাখ্যা, আমন্ত্ৰিত অতিথিসকলক সম্বৰ্ধনা, সম্পাদকীয় প্ৰতিবেদন পাঠ আদি কাৰ্যসূচী শেষ হ'ল। মুকলি সভাখনত কাকতলৰ কেইজনমান বয়োবৃদ্ধ সমাজকৰ্মীক সমাজৰ প্ৰতি তেওঁলোকে আগবঢ়োৱা অৱদানৰ বাবে সম্বৰ্ধনাও জনোৱা হ'ল।

ৰামচৰণ কলিতা, সৰ্বেশ্বৰ ডেকা, ৰবিৰাম মেধি, ৰত্নেশ্বৰ কলিতা, থানেশ্বৰ লহকৰ, ভাৰত লহকৰ, গৰ্গৰাম কুমাৰ, গঙ্গাৰাম কলিতা আদি সমাজকৰ্মীসকলক একোখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই একোখন মানপত্ৰ দিয়া হ'ল।

ঃ সংঘই অধিৱেশন উপলক্ষে খেল-ধেমালি প্ৰতিযোগিতা পতাত মই বৰ আনন্দিত হৈছো। খেলা-ধূলা মানৱ সভ্যতা জোখাৰ যে অন্যতম প্ৰধান মাপকাঠি সেই কথা নতুনকৈ দোহৰাৰ প্ৰয়োজন নাই। স্বাধীনতাৰ পাছত কিন্তু আমাৰ ৰাজ্যখনত খেলা-ধূলাৰ উন্নয়ন আৰু উত্তৰণ যি ধৰণে হ'ব বুলি আশা কৰা হৈছিল— সেয়া হৈ উঠা নাই। বৰং আমাৰ গাঁৱ-ভূইত আবহমান কালৰ পৰাই প্ৰচলিত হৈ থকা থলুৱা খেলবোৰ দিনে দিনে লুপ্ত হৈ হ'বলৈ ধৰা দেখা গৈছে। দাৰিয়া খেল, বন্ধা হাউ, গাটাগুটি বা কচুগুটি খেল, মঙ্গলাপাঠা খেল, ধৰা হাউ, ঘাটা খেল, ঘিলাখেল, চকাচলে খেল, বস্তাদৌৰ, তেল গছ খেল আদি আমাৰ গ্ৰাম্য জীৱনৰ চিৰ চিনাকি থলুৱা খেলবোৰ পাহৰণিৰ গৰ্ভত বিলীন হ'বলৈ আৰম্ভ কৰিছে। পৃথিৱীৰ আন আন দেশ তথা আমাৰ দেশতো আন আন প্ৰদেশৰ থলুৱা খেলবোৰ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে কিছু পৰিবৰ্ধন কৰি উন্নত খেললৈ ৰূপান্তৰ কৰা হৈছে। আমিও আমাৰ চহা জীৱনৰ কোঁহে কোঁহে সোমাই থকা আদৰৰ এই খেলবোৰ ন সাজত, ন ৰূপত সাজি জীয়াই ৰখাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'ব লাগিব। এনে কামত কাকতল ছাত্ৰ সংঘইও গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব বুলি ৰাজ্যখনৰ খেল-ধেমালি সম্পৰ্কে এটা চমু অথচ মনোগ্ৰাহী ভাষণ দিলে সভাৰ মুখ্য অতিথি স্থানীয় বি. ডি. অ'. বিক্ৰম শৰ্মাই।

ত্ৰিনাথ কলেজৰ অধ্যাপক প্ৰবালপ্ৰতীম দাসে বিশিষ্ট অতিথিৰ ভাষণত অসমৰ নিবনুৱা সমস্যা, বানপানীৰ সমস্যা, যাতায়তৰ সমস্যা আদি সমস্যাবিলাকৰ ওপৰত এটা তথ্যপূৰ্ণ ভাষণ দিলে।

ঃ কেন্দ্ৰীয় চৰকাৰে যে অসম তথা উত্তৰ পূৰ্বাঞ্চলক মাহীআইৰ চকুৰে চাই আহিছে স্বাধীনতা লাভৰ বিগত ২৩ টা বছৰে তাক উদঙাই দিছে। অসমৰ চাহ, কয়লা, কাঠ আদি সম্পদসমূহৰ পৰা হাজাৰ হাজাৰ কোটি টকা প্ৰতি বছৰে নিয়ে কেন্দ্ৰীয় চৰকাৰে কিন্তু অঞ্চলটোৰ উন্নয়নৰ বাবে কোনো বিশেষ মনোযোগ নিদিয়ে। আনহাতে কেন্দ্ৰীয় চৰকাৰৰ এনে বৈষম্যমূলক আচৰণৰ বিৰোধিতা কৰি এই কথাও ক'ব লাগিব যে আজি অসম চৰকাৰেও ৰাজ্যখনৰ সকলোবিলাক জিলাক সমান চকুৰে চোৱা নাই। ৰাজ্যখনৰ গোৱালপাৰা, লক্ষীমপুৰ কামৰূপ জিলাৰ এটা অংশক অসম চৰকাৰেও মাহী আইৰ দৃষ্টিৰে চাই আহিছে বুলি অভিযোগ উত্থাপিত হৈ আহিছে। এনে অভিযোগৰ সত্যতা এশ শতাংশই আছে। গতিকে দিল্লীৰ বৈষম্যমূলক আচৰণৰ লগত শ্বিলঙৰ বৈষম্যমূলক আচৰণৰো আমি প্ৰতিবাদ কৰিব লাগিব"— বুলি অধ্যাপক দাসে ৰাইজক আহ্বান জনালে। অধ্যাপক দাসে তেওঁৰ ভাষণত উল্লেখ কৰিলে যে আমাৰ ৰাজ্যখনৰ শতকৰা ৯৯ শতাংশ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ কৰে কিন্তু কেইজন খেতিয়কৰ খেতি কৰিবলৈ নিজাকৈ এখন হালৰ মাটি আছে। শতকৰা ৬২ শতাংশ কৃষক পৰিয়ালেই আজি ভূমিহীন। ভূমিগিৰিসকলৰ ভূমিত আধি, চুকানীত খেতি কৰি আছে। আমাৰ কোনোবা কবিয়ে লিখিছে—

"শুৱনি আমাৰ গাঁওখন অতি
শুৱনি গছেৰে ভৰা,
ডাল ডাল ভৰি ভৰি ফল-ফুল লাগে
ক'ত পাও তল সৰা।
চালত কোমোৰ লাও জিকা ভোল
ভঁৰালত জহা ধান,
গোহালিত গৰু পুখুৰীত মাছ
বাৰীত তামোল পাণ। ...."

কিন্তু কেইটা পৰিয়ালৰ ভঁৰালত জহাধান, গোহালিত গৰু আৰু চালত লাউ জিকা ভোল আছে? ৰাজ্যখনৰ ১ কোটি ৫০ লাখ মানুহৰ শতকৰা প্ৰায় ৭৫ শতাংশ লোকেই দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰে। সেই বাবে স্বাধীনতাৰ পিছৰে পৰা অসমত কি ভাষা, কি তেল শোধনাগাৰ, কি ভূমিহীনক মাটি দিয়া আদি সমস্যাবোৰৰ ওপৰত ভাৰতৰ ভিতৰতে অসমত অধিক গণতান্ত্ৰিক আন্দোলন হৈ আহিছে।

অধ্যাপক দাসে ভাষণ সামৰিলে। সভাপতিয়ে পৰৱৰ্তী কাৰ্যসূচীতে ঝুমুৰ নৃত্য এটা পৰিৱেশন কৰিবলৈ আহ্বান জনালে। কাকতলৰে কেইটামান ল'ৰা-ছোৱালীয়ে ঝুমুৰ নৃত্য এটি মঞ্চত পৰিৱেশন কৰিলে। নেপথ্যত প্ৰসেনৰ পৰিচালনাত লক্ষ্মণ, উমেশ, লাবণ্য আদিয়ে গীতটো গালে—

“কেইচানা মধুপুৰ
কেইছা ৰাজা হাৰিয়াৰে
ৰামপুৰ মে গেলিয়া কেইচ্ছা
ৰাজা কেইচা ....
পাতা তোলা যেমন তেমন
কোদালমাৰা টানগো
বৰ বাবুৰ পথাৰে
কাটিব আমি ধান গো
বৰ ঘৰেৰ বহু বেটি
পিঠে পৰে ছুল'গ'
আয়না দেখে খোলা বান্ধে
ওৰে গেন্ধা ফুল 'গ' ......
আইৰ সবে বগলী
পাথাৰ সঙ্গে ধান গো
মায়েৰ কোলাই সেইলা সঙ্গে
যেমন নয়া চান্দ গো।”........

নৃত্যটোৰ পিছতেই কাকতলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উন্নয়নৰ বাবে কেইটামান প্ৰস্তাৱ ল'লে। সভাপতিয়ে তাৰ পাছত ৰাজ্যখনৰ সাম্প্ৰতিক শিক্ষা ব্যৱস্থাৰ ওপৰত এটা চমু ভাষণ দিলে। তেওঁ কলে যে আমাৰ ৰাজ্যখনৰ প্ৰায় ১ কোটি ৫০ লাখ মানুহৰ ভিতৰত এতিয়ালৈ মাত্ৰ ৩৮.২ শতাংশ লোকহে শিক্ষিত। যি জাতি শিক্ষা-দীক্ষাত আগবাঢ়িব নোৱাৰে সেই জাতিক উন্নত আৰু সুসভ্য জাতি হিচাপে ইতিহাসে স্বীকৃতি নিদিয়ে। আজি ১৯৬৯ চনৰ ১০ নবেম্বৰ। স্বাধীনতা লাভ কৰাৰ প্ৰায় ২৩ বছৰ হ'ল। এই ২৩ টা বছৰত ভাৰতৰ অন্যান্য ৰাজ্য শিক্ষাৰ ক্ষেত্ৰ ইতিমধ্যে বহু আগবাঢ়ি গৈছে। আমি কিন্তু আশা কৰা ধৰণে আগবাঢ়িব পৰা নাই। ভাষণৰ শেষত সভাপতিয়ে কাকতল জনকপুৰ অঞ্চলকে ধৰি ত্ৰিনাথ মৌজাৰ শিক্ষাৰ অতীত আৰু বৰ্তমান সম্পৰ্কেও এটা চমু সমীক্ষা দাঙি ধৰিলে।

ঃ প্ৰসেন, অ' প্ৰসেন আমাৰ গাগেলিখনৰ বিষয়েও এটা প্ৰস্তাৱ ল'ব নোৱাৰিনে?

গগন মেম্বৰে প্ৰসেনক ওচৰলৈ মাতি আনি ক'লে—

ঃ হয়, হয় আতা, তুমি ঠিক সময়তে কথাটো কৈছা। আমি পাহৰিছিলোৱেই বুলি- কৈ প্ৰসেনে সংঘৰ সভাপতি ফুলেনৰ লগত বহি গাগেলিৰ ওপৰত চমুকৈ এটা প্ৰস্তাৱ লিখি ৰাইজৰ জ্ঞাতাৰ্থে মঞ্চত পঢ়ি দিলে। প্ৰস্তাৱটোত কোৱা হ'ল যে শৰতপুৰৰ যিসকল লোকে গাগেলি গো ৰিজাৰ্ভৰ ১৬৫ বিঘা মাটি অবৈধভাৱে নিজৰ নামত নামজাৰি কৰি লৈছে সেই নামজাৰি চৰকাৰে ততালিকে বাতিল কৰিব লাগে। প্ৰস্তাৱটো সকলোৱে জাউৰিয়ে জাউৰিয়ে হাত চাপৰি দি সমৰ্থন জনালে।

তাৰ পাছত কাকতলৰে বগীতৰাই বিহুসুৰীয়া গীত এটি গালে। ফুলেনে শলাগৰ শৰাই দি সকলোকে শলাগ জনোৱাৰ পাছতে সভাপতিয়ে সভা ভঙ্গ হোৱা বুলি ঘোষণা কৰিলে।

ঃ কিহে প্ৰসেন, তোৰ মনটো এইবাৰ মৰা মৰা যেন লাগিছে। কিবা যেন এক গধুৰ চিন্তাই তোক হেঁচি ধৰি মুখৰ হাঁহি-মাত কাঢ়ি নিছে- এনে লাগিছে— কাকতলৰে অৱসৰপ্ৰাপ্ত শিক্ষক চন্দ্ৰধৰ কলিতাই প্ৰসেনক এই কেইদিন বৰ বিমৰ্ষ যেন দেখি কথাখিনি সুধিলে।

ঃ নাই খুড়া, তেনে একো বিশেষ নাই। প্ৰসেনে ক'লে।

চন্দ্ৰধৰ কলিতাৰ দৰে কাকতলৰ আন মানুহেও প্ৰসেনৰ বিমৰ্ষতা লক্ষ্য কৰিছে। প্ৰসেনৰ পিতাক ৰজত মেম্বৰৰ আৰ্থিক অৱস্থা বৰ্তমান পানীত হাঁহ নচৰা। বানপানীয়ে কঠীয়া নষ্ট কৰি থৈ যোৱাৰ বাবে খেতিখনো ঠিক মতে কৰিব নোৱাৰিলে। ভঁৰালত ধান নাই। পৰিয়ালটোৰ খোৱাৰ জোৰা মৰাটোৱে অসম্ভৱ হৈ পৰিছে ৰজন মেম্বৰৰ। প্ৰসেন পূজাত ঘৰলৈ অহাৰ দিনাই ৰাতি সিহঁতৰ ঘৰত চৰুত বহাবলৈ চাউল নাই। নন্দ ঠিকাদাৰৰ মাকৰ পৰা প্ৰসেন অহাৰ কথা কৈ প্ৰসেনৰ মাকে দুসাজ মানৰ চাউল ধাৰলৈ আনিলে। এইবোৰ দেখি শুনি প্ৰসেনৰ মনটো বিমৰ্ষ হৈ পৰিছে। আনন্দ-স্ফূৰ্তিবোৰ অন্য চিন্তাই কৰ্পূৰৰ দৰে উৰুৱাই নিছে। মনৰ উদ্যম মনতে মাৰ গৈছে. নকৰিলে নহয় বাবে সংঘৰ কামবোৰ সভাৰ কামবোৰ কচৰৎ মাফিক কৰি গৈছে কৰ্তব্যৰ খাতিৰত। পূজাৰ বন্ধ শেষ হ'বলৈ আৰু মাত্ৰ কেইটামান দিনহে বাকী। কলেজ খোলাৰ পিছতেই টেষ্ট পৰীক্ষা। টেষ্ট পৰীক্ষাৰ পিছতেই ফাইনেল পৰীক্ষাৰ বাবে নাম পঠাব লাগিব। নাম কেনেকৈ পঠাব- টকা ক'ত ? এনেবোৰ চিন্তাৰ চাকনৈয়াত পৰি হাবু-ডাবু খাই থকা সময়তে ৰজত মেম্বৰ কৰবাৰ পৰা আহি ঘৰত সোমাল। কাপোৰ সলাই প্ৰসেনৰ মাক মায়াৱতীক উদ্দেশ্য কৰি ৰজত মেম্বৰে ক'লে—

ঃ নাই, নিদিলেহে, কিমান বুজালো মামাৰ পুতেক চক্ৰপাণিক। ৫ মোন ধানহে। মাঘ মাহত মই নিজেই গৈ ঘূৰাই দিম বুলি ক'লো। সিহঁতৰে বোলে বহুত অসুবিধা।

নতুনকৈ গৰু এহালো কিনিব লাগে নানা কথা ক'লে। খণ্ডতে ভাত নোখোৱাকৈয়ে গুচি আহিলো।

ঃ প্ৰসেনৰ যাবৰ হ'লেই। গৈয়েই হেনো পৰীক্ষাৰ নাম পঠাব লাগিব। ক'ত পায় এতিয়া ইমানগাল টকা- মায়াৱতীয়ে ক'লে।

ঃ প্ৰসেনৰ নাম পঠোৱা কথাটো ভাবিব নালাগে। তাৰ নাম পঠোৱা, মাচুল দিয়া আদিৰ বাবে গাগেলিৰ কাষৰ মাটি এবিঘা ধনকান্ত মাষ্টৰৰ তাত বন্ধকত থম বুলি ঠিক কৰিছো। চৈধ্যকুৰি টকা দিব দুই-চাৰি দিনৰ ভিতৰতে। অৱশ্যে সেই চৈধ্যকুৰি টকাৰ আটাইখিনি প্ৰসেনক দিব নোৱাৰিম। তাৰে সাত কুৰি মান প্ৰসেনক দি বাকী সাতকুৰিৰে কেইমোন মান ধান কিনিব লাগিব।" পিতাকৰ কথাবোৰ বাৰান্দাৰ বেঞ্চখনত বহি থকা প্ৰসেনেও শুনি আছিল। তাৰ নিজকে দোষী দোষী লাগিল। তাৰ উচ্চাকাংক্ষাৰ জুইত তাৰ মাক, বাপেক, ভায়েক, ভনীয়েকহঁত পুৰি চাই হৈ নাযায়তো? এনেবোৰ প্ৰশ্নই তাক অস্থিৰ কৰি তুলিলে।

ঃ আপুনি যি ভাল দেখে কৰক, মুঠতে ল'ৰা-ছোৱালীকেইটা মানুহ হ'ব লাগে। পঢ়া শেষ হ'লেই চাকৰি কৰি সিহঁতে মাটিবোৰ বন্ধকৰ পৰা উলিয়াই ল'ব।"

মাক মায়াৱতীৰ কথাকেইষাৰ শুনি প্ৰসেনৰ মনৰ বেজাৰ অলপ পাতলিল। মাকৰ মনোবল, 'সিহঁত মানুহ হ'ব লাগিব' বোলা কথা আৰু শিক্ষাৰ প্ৰতি থকা মাক পিতাকৰ ধাউতিয়ে প্ৰসেনৰ মনৰ পৰা দোধোৰ মোধোৰ ভাব আঁতৰাই পেলালে। সকলো দুখ, দৈন্য অতিক্ৰম কৰি জীৱনৰ বাটত সাহসেৰে খোজ দিবলৈ সি দৃঢ় প্ৰতিজ্ঞ হ'ল।

ঃ আই অ' আই, মই তিনিটা মান বজাত ত্ৰিনাথ নগৰলৈ যাম। তাত লগৰ ল'ৰা কেইজনমান লগ পাব লগা আছে। লক্ষ্মীপূজাও নহয় আজি- পূজাও অলপ চাম সোনকালে ভাত ৰান্ধ- বুলি তাৰ পঢ়া ৰুমটোৰ পৰা চিঞৰি চিঞৰি প্ৰসেনে মাকক ভাত ৰান্ধিবলৈ কলে। কথাখিনি কৈয়েই প্ৰসেনে ভাবিলে চাউল বা ঘৰত আছে নে নাই! খৰি-খেৰ বাৰু মযেই অলপ যোগাৰ কৰি দিব পাৰিম। বাৰীত শুকান জেং, শুকান বাহ দুই-এডাল হয়তো পাম। কিন্তু চাউল?

ঃ ভাত হৈছেই ৰ। পিতেৰাক গাগেলিৰ ইজাদ্দাৰ এজনে বিচাৰি আহিছিল। আহোতে তেওঁ কেইটামান পুঠি-খলিহনা আৰু গৰৈ মাছ দি গৈছে। সেইবোৰ মই বাছি আছো। তই গা-পা ধুই আহ মানে ভাত হ'বই বুলি মাকেও চিঞৰি চিঞৰি প্ৰসেনক ভাত ৰান্ধি থকা কথাটো জনালে।

তেনেহ'লে মই অলপ ধনকান্তহঁতৰ ঘৰৰ পৰা আহো ৰ। যোৱা কালিয়েই মাতি থৈ গৈছে। তাক বোলে ইংৰাজীৰ কিবা এটা বুজাই দিব লাগে— বুলি প্ৰসেনে

সিহঁতৰ চুপাৰ মূৰত থকা ধনকান্তহঁতৰ ঘৰলৈ গ'ল। ধনকান্ত প্ৰসেনতকৈ তিনি বছৰ মানে বয়সত ডাঙৰ। কেবাবাৰো ফেল কৰাৰ বাবে এইবাৰহে মেট্ৰিক পৰীক্ষা দিব। পঢ়াত অৱশ্যে সি চিৰিয়াচ। তেতিয়া দিনৰ প্ৰায় ১২-৩০ মান বাজিছিল। প্ৰসেনে ধনকান্তহঁতৰ চোতাল পাই জেঠী অ' জেঠী বুলি ধনকান্তৰ মাকক মাতি মাতি সিহঁতৰ ডাঙৰ ঘৰটোৰ বাৰান্দাত উঠিল। বাৰাণ্ডাত থকা কাপলিবেৰাখনৰ আৰ লৈ থিয় হৈ আছিল ধনকান্তৰ ভনীয়েক অনিমা। অনিমা প্ৰসেনতকৈ এবছৰে ডাঙৰ বয়সত।

ঃ আই নাই, জেঠাইহঁতৰ ঘৰলৈ গৈছে। বহ এই তুলখনতে- বুলি অনিমাই প্ৰসেনক কাপলিবেৰাখনৰ কাষতে থকা তুলখনত বহিবলৈ কৈ ভিতৰলৈ গ'ল। অলপ পিছতে তাই প্ৰসেনৰ ওচৰলৈ আহি 'তই কেতিয়া আহিলি, ভালে কুশলে আছ নে' বুলি সুধিলে।

ঃ ধনকান্তকা বাৰীত কিবা কাম কৰি আছে। অলপ বহ, মই চাহ অলপ কৰো বুলি অণিমা ঘৰৰ ভিতৰলৈ গৈ চাহ কৰাত লাগিল। কিবা এটা অস্বস্তিকৰভাৱে প্ৰসেনৰ মনটো জোকাৰি থাকিল। চাহ একাপ লৈ অণিমা আহিল। প্ৰসেনৰ হাতত চাহ কাপ দি তাই প্ৰসেনৰ কাষতে থিয় হৈ থাকিল। প্ৰসেনে ফুৱাই ফুৱাই চাহ খাবলৈ আৰম্ভ কৰিলে।

ঃ গুৱাহাটীত থাকি কেনে লাগিছে— গুৱাহাটীখন বোলে ধুনীয়া ছোৱালীৰে ভৰ্তি হৈ আছে। কাৰোবাৰ লগত লাইন দিছ নে নাই?

অণিমাৰ কথা শুনি প্ৰসেন আচৰিত হ'ল। সৰুৰে পৰা লগ পাইছে তাইক। কোনো দিনে এনে পাতল কথা তাই তাৰ লগত পতা নাই। আজি বাৰু কি হ'ল তাইৰ? চাহ কাপ খাই শেষ হ'লেই ৰক্ষা, এনে এটা ভাব লৈ অণিমাৰ কথা যেন সি শুনাহে নাই এনে ভাব দেখুৱাই সি চাহকাপ খোৱাত ব্যস্ত হৈ পৰিল। চাহ খোৱা শেষ হোৱাৰ লগে লগেই সি ধনকান্তহঁতৰ ঘৰ এৰিব বুলি মনতে থিৰাং কৰিলে। প্ৰসেনৰ চাহ খোৱা শেষ হ'ল। হঠাৎ কথা নাই বতৰা নাই অণিমাই চকুৰ পচাৰতে প্ৰসেনক সাবট মাৰি ধৰি গালে-মুখে কেবাটাও চুমা খালে। অপ্ৰস্তুত প্ৰসেনে থিয় হৈ 'কি কৰ, কি কৰ অণিমা বাই' বুলি বাৰাণ্ডাৰ পৰা চোতাললৈ আহিবলৈ সাজু হ'ল। অণিমাই তাক পুনৰ জোৰ কৰি সাবটি ধৰিলে। তোক মোৰ বৰ মৰম লাগে। "তোক চুমা এটা খাবলৈ বহুদিনৰ পৰাই মই বৰ আশা এটা কৰি আছিলো। খং নকৰিবি, বহচোন বুলি- আৰু জোৰে সাবটি ধৰাত প্ৰসেনে আঁজোৰ মাৰি তাইৰ দুবাহুৰ মাজৰ পৰা ওলাই কাঁথিৰ সিমূৰলৈ গ'ল।

ঃ ৰ, জেঠীক মই এতিয়াই কৈ দিম, ধনকান্তক কৈ তোক ভাল শিক্ষা দিয়াম— প্ৰসেনে ক'লে।

ঃ তোক কাবৌ কৰিছো প্ৰসেন, যি হ'ল হ'ল কাকো কথাটো নক'বি। তোক বৰ

মৰম লাগে বাবেহে বুলি- কৈ অনিমাই কান্দিবলৈ ধৰিলে।

ঃ হ'ব দে হ'ব, কাকো নকওঁ যা, আজিৰ পৰা তেনে নকৰিবি, যদি কৰ মই কেতিয়াও তইঁতৰ ঘৰলৈ নাহোঁ।

ঃ পিছে ধনকান্ত ক'ত ইমান পৰে নাহিল যে। মই যাওঁ সি মোক মাতিছিল ইংৰাজীৰ কিবা অলপ বুজাই দিবলৈ। মই অহা বুলি কবি।

ঃ তোক মই মিছা কৈছিলো আচলতে ধনকান্তকা অলপ আগতে নামদঙালৈ গৈছে। আবেলিহে আহিব। তই আবেলি কিন্তু আহিবি। মোৰে শপত।

ঃ নাই, নাই, মই অলপ পিছতে ত্ৰিনাথ নগৰলৈ যাম। আজি ৰাতি পেহীহঁতৰ ঘৰত থাকিম। লক্ষ্মীপূজাও চাম ত্ৰিনাথ নগৰত, অহাকালি আবেলিহে ঘৰলৈ আহিম। পৰহি গুৱাহাটীলৈ যাম। ইয়াত মুঠেই পঢ়া নহয়- বুলি কৈ প্ৰসেন ঘৰলৈ গ'ল।

প্ৰসেনৰ চাইকেল নাই। মহেনক লগ ধৰিছে ত্ৰিনাথ নগৰলৈ যোৱাৰ বাবে। মহেনেও তাৰ ত্ৰিনাথ নগৰৰ ওচৰতে থকা লহৰা গাঁৱৰ বায়েকহঁতৰ তালৈ যোৱাৰ কথা। ঘৰ পাই প্ৰসেনে তাৰাতাৰি ভাত খাবলৈ বহিল। ভাত খাই থাকোতে মাকে পঢ়া-শুনাৰ দুই-এটা কথা সুধি থাকিল। ঘৰৰ দুৰৱস্থাৰ কথাও ক'বলৈ নাপাহৰিলে। সোনকালে পাছ কৰি চাকৰি এটা পালেই ঘৰখন ৰক্ষা পৰে। এনেতে চোতালত চাইকেলৰ বেল বাজি উঠিল। মহেন আহিছে বোধহয় বুলি কৈ প্ৰসেনে মুখ-হাত ধুলে।

ঃ মোৰ ৰুমতে বহা মহেন মই গৈ আছো।

প্ৰসেনে তাৰ ৰুমলৈ আহি পেণ্ট-চাৰ্ট পিন্ধি 'আই অ' আই আমি আহিছো ৰাতি মই পেহীহঁতৰ ঘৰত থাকিব পাৰো'- বুলি কৈ মহেনৰ চাইকেলৰ কেৰিয়াৰত বহি ল'লে। মহেনে ত্ৰিনাথ অভিমুখে চাইকেলখন চলাই দিলে।

ত্ৰিনাথ নগৰ। মহেন আৰু প্ৰসেনে 'কলিতা কেবিন' এৰি পোনে পোনে 'আনন্দ কেবিন' পালে। তাত ৰ'ল। তাতেই প্ৰসেনৰ বন্ধু নৰনাৰায়ণ, দীপ, তাৰক, পৱন, শশধৰ তাৰ বাবে ৰৈ থকাৰ কথা। মহেনে প্ৰসেনক এৰি লহৰা গাঁৱলৈ গ'ল বায়েকৰ ঘৰলৈ। কিন্তু তেতিয়া আনন্দ কেবিনৰ সমুখত প্ৰসেনৰ বন্ধু কেইজনৰ এজনো নাই। বোধহয় প্ৰসেনৰ সেইখিনি পাওতে পলম হোৱা দেখি সিহঁত গ'ল গৈ তাৰ পৰা। কি কৰিব কি নকৰিব ভাবি ভাবি প্ৰসেনে একাপ চাহকে খোৱা যাওক বুলি আনন্দ কেবিনত সোমাল। চাহকাপ খাই থকাৰ সময়তে হৰহৰকৈ বায়েক ৰহিলা, ভনীয়েক ৰুমা, নিভা তাৰ সমুখত হাজিৰ হ'ল।

ঃ ঐ প্ৰসেন তোক বিচাৰি গোটেই নগৰখন চলাথ কৰিলো। ক'ত ঘূৰি ফুৰিছ?— ৰহিলাই খং দেখুৱাই প্ৰসেনক সুধিলে।

ঃ নাই, নাই, বাই, মই এইমাত্ৰহে এইখিনি পাইছো। পিছে বন্ধু কেইজনমানে

ইয়াতে থকাৰ কথা আছিল। কোনো নাই। সেয়ে চাহ একাপকে খাম বুলি ইয়াত সোমাইছো।" কিন্তু তইঁতে মই অহা কথাটো কেনেকৈ জানিলি?

ঃ অহীন্দ্ৰক অলপ আগতে লগ পাইছিলো। তাৰ পৰাই জানিছো তই যে লক্ষ্মীপূজা চাবলৈ আহিছ।

ঃ হ'বদে খং নকৰিবিচোন— বহ চাহকে খা তইঁতেও। ঐ ভাইটী, শুনাচোন বুলি প্ৰসেনে কেবিনত চাহ দিয়া ল'ৰা এজনক মাতি আৰু তিনিকাপ চাহ দিবলৈ ক'লে।

ঃ তিনিকাপৰে কেনেকৈ হ'ব মানুহ আছো চাৰিজনী- ৰহিলাই ক'লে।

ঃ আৰু কোনোবা আছে নেকি?

ঃ আছেতো, ৰুমা যা, নীৰাক মাতি আন। তাই লাজতে সেই পাণ দোকানখনৰ আঁৰত আছে।

বায়েক ৰহিলাৰ কথামতে ৰুমাই গৈ নীৰা অৰ্থাৎ নৈৰঞ্জনাক মাতি আনিলে। আৰু প্ৰসেনৰ কাষতে থকা চকীখনত বহিবলৈ দিলে। নীৰাই বহো-নবহোকৈ বহিল।

চাহ খাই উঠি প্ৰসেনে, ৰহিলা, ৰুমা, নিভা আৰু নীৰাৰ লগত পূজা মণ্ডপলৈ গ'ল। তাত কিছু সময় বৈ সিহঁত ঘূৰি আহিল।

ঃ ঘৰত ঠগি দিব লাগিব নহয়— যোগাৰ কৰি থৈয়ে আহিছো। সন্ধিয়া হ'লৈই। আমি যাও ব'ল। প্ৰসেন তই আমাৰ লগত যাবি নে পিছত যাবি। যদি পিছত যাব নীৰাক তোৰ লগত থৈ যাও। নে কি কোৱা নীৰা?" নীৰাই একো নকলে। হয়তো তাইৰ প্ৰসেনৰ লগতে যোৱাৰ মন আছিল।

ঃ এ ব'ল, ব'ল মই তইঁতৰ লগত যাও। অকলেনো ইয়াত কি কৰিম। নীৰাইতো আৰু মোৰ লগত যাবলৈ ঘৰত পাৰ্মিচন লৈ অহা নাই।

ঃ ব'ল, তেনেহ'লে ঘৰতে ভালকৈ কথা-বতৰা পাতিম- বুলি ৰহিলাই কোৱাত সিহঁত সকলোৱে হৰিপুৰ গামৰ পিনে খোজ ল'লে।

ৰুমা আৰু নীভা সৰু ছোৱালী। হ'লেও প্ৰসেনে যে নীৰাক ভালপায় আৰু নীৰাইও যে প্ৰসেনক ভাল পায়- এই কথা বুজি পোৱাৰ বয়স হৈছে। ৰেলষ্টেচনটো পাৰ হৈ ৰহিলাই ৰুমা আৰু নীৰাক অলপ বেগ দি যাবলৈ ক'লে। ৰহিলাইও বেগ দিলে। আচলতে ৰহিলাই বুধি কৰি প্ৰসেন আৰু নীৰাক কথা পতাৰ সুবিধা কৰি দিবলৈহে এই নাটক।

ঃ কেনে আছা নীৰা?

ঃ ভালেই।

ঃ কথা এটা সুধিম সুধিম বুলি বহুদিনৰ পৰাই ভাবি আছো। পিছে লগ পালেহে কথাটো পাহৰি যাওঁ।

ঃ আপুনি সিদিনা আমাৰ আইৰ আগতে মোক কোন ক্লাছত পঢ়ো, ডাঙৰ হ'লে কি কৰিবা, কেনে কিতাপ পঢ়ি তোমাৰ বেছি ভাল লাগে, এইবোৰ কথা সোধাত মই বৰ লাজ পাইছো- সৰু সৰুকৈ নীৰাই অভিযোগৰ সুৰত কথাখিনি ক'লে।

ঃ কিয় তাতনো বাৰু সেইবোৰ কথা নুসুধি কি কথা সোধো?

ঃ মই কোন ক্লাছত পঢ়ো তাক আপুনি এতিয়াও নজনা বুলি আয়ে ভাবি আচৰিত হৈছে। ময়ো ভাবিছো আপুনি মোক গুৰুত্ব নিদিয়া কাৰণে হয়টো সেই কথাটো সুধিছিল। মই যেন কিবা এক ভ্ৰান্তিৰ মৰুভূমিত মৰীচিকা বিচাৰি ফুৰিছো এনে লাগিছিল সিদিনা নীৰাৰ কথাত প্ৰসেনে হাঁহিলে। হাঁহি হাঁহিয়েই সি ক'লে তাৰ মানে তুমি সেই কবিতাফাকি পঢ়িছা—

"চ'গাৰ ভোগেই অকাল মৰণ
নুবুজে দাহিকা কান্তি।
প্ৰেমৰূপ আশা হায় তাৰ বৃথা
কেৱল মৰুৰ ভ্ৰান্তি।"

ঃ মৰুভূমিত অৱশ্যে তুমি খোজ দিছা। মৰিচিকাও দেখিছা- প্ৰসেনে হাঁহি হাঁহিয়েই ক'লে।

ঃ বাৰু, বাৰু, তোমাক এটা কথা সোধো উত্তৰ দিবানে?

ঃ কি কথা সোধে সোধক, পাৰিলে দিম।

ঃ মোৰ কথাবোৰ শুনি তোমাৰ ভাল লাগেনে?

ঃ লাগে। বৰ ভাল লাগে। ইমান ভাষা লগাই ইমান সুন্দৰ কথাবোৰ আপুনি কেনেকৈ কয়?

ঃ ঘৰ পালোৱেই।

ঃ নীৰা, অ' নীৰা তই ঘৰ পালিয়েই। আমাৰ ঘৰলৈ যাবি নেকি?

ঃ এতিয়া নাযাও বাই। পুৱা এবাৰ যাম যা।

ঃ আহ প্ৰসেন, আমিও যাও বুলি- ৰহিলা, ৰুমাইঁতে অলপ আঁতৰত থকা সিহঁতৰ ঘৰলৈ গ'ল। পিছে পিছে প্ৰসেনও গ'ল।

ৰাতি পেহীয়েকহঁতৰ ঘৰত থাকি পুৱা আঠমান বজাত প্ৰসেন ঘৰলৈ যাবলৈ ওলাল। পেহীয়েকহঁতৰ বাৰান্দাতে কাপোৰ পিন্ধি চাহ একাপ খাই আছিল সি। এনেতে নীৰা গৈ পেহীয়েকহঁতৰ ঘৰ পালে। নীৰাক দেখি প্ৰসেনৰ বৰ ভাল লাগিল। নীৰাই ক্ষন্তেক সময় প্ৰসেনৰ ওচৰতে থিয় দি থাকি কিবা কথা এটা কম বুলি ভাবিছিল যদিও প্ৰসেনৰ পেহীয়েকৰ ল'ৰা নিৰেন অহাত কোৱা নহ'ল। প্ৰসেনৰো দৌৰাদৌৰি। আজি ৯ মান বজাতে গাগেলিলৈ যোৱাৰ কথা লগৰ ল'ৰা বিলাকৰ লগত মাছ মাৰিবলৈ।

পেহী, ৰহিলা বাই মই যাও, দেৰিয়েই হ'ল। পেহীয়েক পাকঘৰত আছিল। তাৰ পৰাই ক'লে 'যা বাৰু'। প্ৰসেনে যাবলৈ আহি ৰহিলাহঁতৰ পদুলিমুখ পালে। তাৰ পাছে পাছে আহিল ৰহিলা বায়েক আৰু নীৰা।

ঃ বুজিছা প্ৰসেন, মোৰটো বিয়ালৈ আৰু বেছিদিন নাই। আঘোনতে হ'ব। তই কিন্তু নীৰাৰ কথা মনত ৰাখিবি। তাই তোক গোসাঁই পূজা দি পূজি থাকে। সিদিনা আমাৰ আয়েও কৈছে তহঁত দুটাৰ বোলে সুন্দৰ জোৰা হ'ব। ৰহিলাই আবেগিকভাৱে কথাখিনি ক'লে।

ঃ এ, সেইবোৰ কথা লৈ বহু বছৰ আছে।

ঃ তেতিয়ালৈ নীৰাৰ বা কি পৰিবৰ্তন হয়। মানুহ পৰিস্থিতিৰ হে দাস। পৰিস্থিতিয়ে সময়ত কাক ক'লৈ লৈ যায় তাক কোৱাটো বৰ টান"- কথাখিনি কৈ প্ৰসেনে নীৰাৰ মুখলৈ চালে। নীৰাৰ চকু দুটা তেতিয়া চলচলীয়া হৈ পৰিছিল। "আৰু শুন, জন্ম, মৃত্যু আৰু বিবাহ এই তিনিটা বোলে বিধিৰ হে বিধান। মানুহৰ তাত হাত নাই বুলি কেইদিনমান আগতে আমাৰ সত্যৱতীক চাবলৈ আহোতে আমাৰ আবুৱে কৈছিল। কথাখিনি মোৰ মনত আছে— বুলি কৈ প্ৰসেনে সিহঁতৰ পৰা বিদায় লৈ গাঁৱলৈ গ'ল।

ন মান বজাতেই প্ৰসেনে গাঁও পালে। ইতিমধ্যে নগেন, ফুলেন, মহেন, অহীন্দ্ৰ, জগদীশহঁতে দুখন আচৰাজাল, ডাঙৰ চালনী দুখন আৰু এটা পলহু লৈ বৰপুখুৰী পাৰতে বৈ আছিল। প্ৰসেনে সিহঁতক দেখি, দৌৰি গৈ ঘৰ পালে আৰু কাপোৰ সলাই 'আই, অ' আই মই গাগেলিলৈ যাও মাছ মাৰিবলৈ' বুলি মাকক মাত লগাই ডাঙৰ কোক এটা হাতত লৈ বৰপুখুৰী পাৰলৈ আহি মহেনহঁতৰ লগ হ'ল প্ৰসেন।

ঃ ব'ল, ব'ল, দেৰি হৈছে আৰু দেৰি কৰিব নালাগে বুলি ফুলেনে কোৱাৰ লগে লগে আটাইকেইজনে হোলাৰ জান হৈ গাগেলিলৈ গ'ল।

খোজকাঢ়ি যাওতে সিহঁতে লহপহকৈ বাঢ়ি অহা শালি ধানৰ গোছাবোৰ দেখি পুলকিত হ'ল। সেউজীয়া ৰূপ লৈ মই- বৰ ভাৰত ধানৰ গোছাবোৰে নীলা আকাশখনহে যেন চুব এনে ভাৱত সিহঁত লহপহকৈ বাঢ়ি আহিছে। সেউজীয়া ধানৰ গোছাবোৰে ডাঙৰ পথাৰখন অপৰূপ ৰূপেৰে সুন্দৰৰ আকাৰভূমিত পৰিণত কৰিছে। ধাননি পথাৰখনৰ এনে মোহময়ী আৰু হিয়ামন জুৰোৱা ৰূপ তন্ময় হৈ চাইছে প্ৰসেনে । এনে তন্ময়তাত তাৰ মনলৈ ক'ব নোৱৰাকৈয়ে আনিলে জ্যোতিপ্ৰসাদৰ সেই গীতটো। গুণগুণাই গীতটো গাই গাই সি ধাননিৰ মাজেৰে খোজ দি গৈ থাকিল—

"সেউজী সেউজী সেউজী অ'
সেউজী ধৰণী ধুনীয়া
সোণোৱালী শইচৰ

পথাৰ কোলাত শোভে
ৰ'দালিৰে ফুল ফল সেন্দূৰীয়া
আমাৰ চকুলোৰে
পানী দি জীয়ালো
মাণিকী মধুৰী ধান
তোমালৈ আনিছো জগতৰে শইচ
এৰা অ' নিমাতা মা।" ....

প্ৰসেন, মহেন, নগিন্দ্ৰ কৰুণাহঁত গাগেলিৰ বুকুত নামিল। মেটেকাৰ এটা ডাঙৰ টিপ সাজি প্ৰথমে সিহঁতে মেটেকা টনাত লাগিল। নবেম্বৰ মাহ ঠাণ্ডা কম। মাছবিলাক মেটেকাৰ শিয়াত বৰকৈ সোমোৱা নাই। ডিচেম্বৰ-জানুৱাৰী মাহতহে মেটেকাৰ শিয়াত মাছবিলাকে ঠাণ্ডাৰ পৰা হাত সাৰিবলৈ জাক জাকে আশ্ৰয় লয়। তথাপিও প্ৰসেনহঁতে কেবাচুপ মেটেকা টানিলে। দুই-চাৰিটা গৰৈ, কাৱৈ, খলিহনা মাছ পালে। মহেন আৰু নগিন্দ্ৰই একউৰু মান পানী থকা মেটেকাৰ মাজলৈ গৈ ডাঙৰ চালনী এখনেৰে সৰু সৰু মেটেকা চালনীখনৰে তুলিবলৈ ধৰিলে। ঠাইতে চালনীখন দাঙি ধৰি মেটেকাবোৰ এডাল-দুডালকৈ গুচাবলৈ ধৰিলে। তাতো সিহঁতে গৰৈ, কাৱৈ, মাগুৰ মাছ দুই-চাৰিটা পালে। এনেকৈ মাছ মাৰি থাকোতে কৰুণাহঁতৰ মেটেকাৰ টিপটোত হুলস্থূল লাগিল। কৰুণা, হৰিহৰ, মণিৰাম টিপটোৰ পৰা প্ৰায় এবুকু পানী ভাঙি বামলৈ আহিল।

ঃ কি হ'ল অ' কৰুণা কি হ'ল মাছ মৰা হ'লৈই নে? প্ৰসেনে ইটো টিপৰ পৰা সুধিলে।

ঃ ঐ প্ৰসেন, তৎক্ষণাৎ আহ। সৰ্বনাশ হৈছে সৰ্বনাশ- হৰিহৰে গেৰিয়াই গেৰিয়াই প্ৰসেনহঁতক মাতিলে। প্ৰসেন, নগিন্দ্ৰ, মহেনহঁতেও বামলৈ আহিল।

ঃ কি হ'ল, হ'ল কি? কৰুণাই দেখোন কান্দিছে— মহেনে সুধিলে কৰুণাক পকাই খালে- ভয়ত মুখ ক'লা পৰি মাত হেৰোৱা হৰিহৰে লাহেকৈ কথাষাৰ ক'লে।

কি কৈছ, পকাই খালে, সৰ্বনাশ— প্ৰসেনে ক'লে।

আটাইকেইজন বজ্ৰাহত হ'ল।

ঃ ঐ নগিন্দ্ৰ, হৰিহৰ ব'ল, ব'ল ঘৰলৈ ব'ল। দেৰি কৰিব নালাগে। কৰুণা তই খোজ কাঢ়িব পাৰিবি নে? প্ৰসেনে সুধিলে। ভয়ত আধামৰা হোৱা কৰুণাই পাৰিম বুলি কোৱাত সিহঁত আটাইকেইজনে মাছমৰা কাম আধাতে এৰি গাঁৱলৈ আহিল। তাৰ আগতে অহীন্দ্ৰই কৰুণাৰ উৰুত তাৰ গামোচাখনৰে বৰ টানকৈ বান্ধ এটা বান্ধি দিলে। পকাই মানে সাপে ভৰিৰ গোৰাত খুঁটিছে। বিষ যাতে উৰুৰ ওপৰলৈ শীঘ্ৰে যাব নোৱাৰে তাৰ বাবে উৰুত বান্ধটো বান্ধিলে। সিহঁত আহি গাঁও পালে। কৰুণাক ঘৰলৈ নি চোতালতে

চেয়াৰ এখনত বহাই দিলে। খবৰটো বনজুইৰ দৰে কাকতল বিয়পি পৰিল। যিয়ে য'ত যেনেকৈ আছে কৰুণাহঁতৰ ঘৰলৈ লৰ দিলে। মহেন আৰু অহীন্দ্ৰই তৎক্ষণাৎ নিজ নিজ ঘৰলৈ আহি গা-ধুই চাইকেলেৰে পাটসোতা গাঁৱলৈ গ'ল। তাত এজন সাপৰ ওজা আছে। নাম সৰ্বে ওজা। দুই- এজনে অৱশ্যে ত্ৰিনাথ নগৰলৈ গৈ ডাক্তৰ অনাৰ কথা ক'লে। বয়বৃদ্ধ জয়মল বুঢ়াই ডাক্তৰে সাপে খোৱা মানুহ ভাল কৰিব নোৱাৰেহে, তৎক্ষণাৎ আমাৰ পাটসোতাৰ সৰ্বে ওজাক খবৰ দিয়া। সিহে ভাল কৰিব পাৰিব— বুলি মন্তব্য কৰিলে।

ঃ কোনো তিৰোতা মানুহে কৰুণাক নুচুবি। তিৰোতা মানুহে চুলে সাপৰ বিষ বেছি হয়— মাজতে হৰগোবিন্দ বুঢ়াই গলগলীয়া মাতেৰে কথাখিনি কৈ কৰুণাৰ ওচৰলৈ গ'ল। সাপে কামোৰা ঠাইখিনি চালে।

ঃ আতা, অ' আতা তই দেখোন আগতে হাতচালন দিছিলি। বিষনো কিমান পাইছে এবাৰ হাত চালান দি চাচোন— গাঁৱৰে অধৰে হৰগোবিন্দ বুঢ়াক ক'লে।

ঃ এ, বহুত দিন হ'ল এইবোৰ কৰাই নাই নহয়, এতিয়া হাতচালান বা উঠে নে নুঠে।

ঃ চাচোন তথাপি এবাৰ কিজানি মন্ত্ৰই কাম দিয়েই।

হৰগোবিন্দ বুঢ়াই ভৰি-হাত ধুই বাৰীৰ পৰা দুটা মান কাথান্দা ফুল আনি কৰুণাৰ ওচৰত থৈ সোঁহাতখন মাটিত থলে। চকু মুদি মুখেৰে কিবা কিবি গাবলৈ ধৰিলে মুখৰ ভিতৰতে। মাজে মাজে দুটা-এটা ফু মাৰে। কৰুণাহঁতৰ চোতালত কাঁহপৰি জীণ যোৱা অৱস্থা। সকলোৰে চকু হৰগোবিন্দ বুঢ়াত। হঠাৎ হৰগোবিন্দ বুঢ়াৰ হাতখন কঁপি কঁপি কৰুণাৰ ভৰিৰ পিনে যাবলৈ ধৰিলে। কৰুণাৰ সাপে খুটা ঠাইখিনিৰ পৰা হাতখন লাহে লাহে কৰুণাৰ আঁঠুলৈ গ'ল আৰু তাতেই হাতখন ৰৈ গ'ল। কিছু সময় পিছত হৰগোবিন্দ বুঢ়াই চকু মেলিলে। বুঢ়াৰ লগতে আন কেইজনমানেও 'ৰক্ষা কোনোমতে ৰক্ষা বিষ আঁঠু পাৰ হ'ব পৰা নাই' বুলি মন্তব্য কৰিলে। কৰুণাৰ ঘৰৰ মানুহে কিবা এটা সকাহ পোৱা দি পালে।

বেলি ভাটি দিবৰে হ'ল। পাটসোতালৈ প্ৰায় তিনি কিলোমিটাৰ মানহে দুৰ হব। মহেন আৰু অহীন্দ্ৰ আহি নোপোৱাত মানুহবোৰ বৰ উদ্বিগ্ন হৈ পৰিছে। দুই-এজনে বাটলৈ চাই চাই পুনৰ চোতাললৈ ঘূৰি আহিছে। দুই-এজন ল'ৰাই গাঁৱৰ মুৰলৈ চাইকেল মাৰি গৈ পুনৰ ঘূৰি আহি 'নাই আহি পোৱা নাই' বুলি বেজাৰেৰে কৈ-পৰিস্থিতিটো বৰ ভয়াল কৰি তুলিছে। ইপিনে কৰুণাই ওজা আহি পোৱাত পলম হোৱাত মাজে মাজে চকুপানী মচিবলৈ ধৰিলে। বাপেক মাকৰটো অৱস্থা নাই। কান্দি-কাটি বিছনাত পৰি আছে। এক এক পল এক এক দিন যেন লাগিছে সকলোৰে।

ঃ আহিছে আহিছে মহেন আৰু অহীন্দ্ৰ আহিছে। মহেনে চাইকেলৰ কেৰিয়াৰত সৰ্বে ওজাক তুলি আনিছে- সৰু ল'ৰা কেইটামানে দৌৰি দৌৰি আহি কৰুণাহঁতৰ চোতালত ওজা আহি পোৱাৰ খবৰটো দিলে। চোতালত থকা মানুহবিলাকে স্বস্তিৰ নিশ্বাস এটা পেলালে। মহেন, অহীন্দ্ৰ আৰু সৰ্বে ওজা আহি কৰুণাহঁতৰ চোতাল পালে।

সৰ্বে ওজাৰ আচল নাম সৰ্বেশ্বৰ শৰ্মা। সৰুতে বাপেকৰ লগত কাজিয়া কৰি ঘৰৰ পৰা পলাই গৈ বহুত বছৰ কোচবিহাৰত আছিল। তাতেই কোনোবা সাপৰ ওজা এজনৰ লগত চিনাকি হৈ সাপৰ বিষ জৰা মন্ত্ৰ শিকিছিল। উত্তৰ বঙ্গত বিশেষ সুবিধা কৰিব নোৱাৰিলে। বাপেক মৰা খবৰ পাই পাটসোতালৈ আহি পুনৰ উত্তৰ বঙ্গলৈ ঘূৰি নগ'ল। বিয়া বাৰু কৰাই গাঁৱতে থাকিল। বেজালি কৰি কোনোমতে পাঁচজনীয়া পৰিয়ালটোৰে এসাজ খাই এসাজ লঘোণে থাকি জীৱন যুঁজত লাগি আছে। সেই সৰ্বে ওজাৰ বাবেই মানুহবিলাকে ইমান পৰে গভীৰ উদ্বিগ্নতাৰে বৈ আছে। সৰ্বে ওজাইও গপতে কাৰো ফালে নোচোৱাকৈ ওচৰতে থকা দমকলটোৰ পৰা কৰুণাৰ ভনীয়েক চেনীমাই আনি থোৱা পানী বাল্টিৰ পৰা দুঘটীমান পানী আনি সেই পানীৰে হাত-ভৰি ধুই কৰুণাৰ ওচৰত পাৰি থোৱা ঢাৰিখনত ক্ষন্তেক বহিল। কৰুণাহতৰ চোতালত ভৰি দিয়াৰ লগে লগেই মহেন আৰু অহীন্দ্ৰই কৰুণাহঁতৰ বাৰীৰ পৰা বিহঢেঁকীয়া দুইমুঠিমান আনি কৰুণাৰ কাষত থৈছিলেই। সৰ্বে ওজাই চোলাটো খুলি ঢাৰিখনত থ'লে। হাত এখন মাটিত থৈ মুখৰ ভিতৰতে চকু মুদি কিবা মন্ত্ৰ মাৰিবলৈ ধৰিলে। কেইমিনিতমান মন্ত্ৰ মতাৰ পাছত হাতখন লৰিবলৈ ধৰিলে। ল'ৰা হাতখন লাহে লাহে কৰুণাৰ সাপে খোঁটা ভৰিখনৰ পিনে গৈ লাহে লাহে হাতখন প্ৰথমে ডিমা তাৰ পাছত আঁঠু, আঁঠুৰ পাছত উৰু, উৰু পাৰ হৈ কঁকাললৈ গৈ বৈ গ'ল। তাৰ মানে ইতিমধ্যে বিষ গৈ কঁকাল পাইছে বুলি উপস্থিত সকলোৱে বুজি পালে। সৰ্বে ওজাই বিষ কঁকাল পাইছে বুলি কৈ অলপ সময় চকু মুদি মুখেৰে কিবাকিবি মুখৰ ভিতৰতে কৈ খণ্ডত টিঙিৰা তুলা যেন হ'ল। চোতালত থকা মানুহবিলাকে ভয় খালে। তাৰ পিছত প্ৰকৃতিস্থ হৈ- "ৰাইজ ভয় খাব নালাগে। মই মন্ত্ৰ মাতি জৰা কাম আৰম্ভ কৰো। ধ্যান কৰি সাপডালক মই দেখিলো। প্ৰয়োজন হ'লে তাক আনি বিষবোৰ উলিয়াই নিয়াম"— এই বুলি কৈ সৰ্বে ওজাই জৰা-ফুকা আৰম্ভ কৰিলে। মাজে মাজে হাতচালান দি বিষ কিমান নামিল চাই লয়। চাওতে চাওতে ৰাতি বহুত হ'ল। সৰু ল'ৰা-ছোৱালী আৰু তিৰোতা মানুহবিলাক নিজ নিজ ঘৰলৈ গ'ল। প্ৰসেন, মহেন, অহীন্দ্ৰ আদি ডেকা ল'ৰা কেইজনমান আৰু কেইজনমান বয়সস্থ লোকহে থাকিল চোতালত। ৰাতি প্ৰায় তিনিটামান বজাত বিষ সম্পূৰ্ণ নমালে সৰ্বে ওজাই। ককিলা মাছৰ দাৰ এডালেৰে সাপে খোঁটা ঠাইখিনিত দাৰ মাৰি কিছু তেজ বাহিৰ কৰি দিলে আৰু ঘা লগা ঠাইইখনিত কিবা এবিধ শাকদাৰু লগাই দি

ওজাই হাত ধুলে।

ঃ আজি একো খাবলৈ দিব নালাগে ৰোগীক। অহাকালি পুৱা সিদ্ধভাত খাব পাৰিব। তিনিদিন মান সিদ্ধ ভাত খাব লাগিব'- বুলি কৈ সৰ্বে ওজা যাবলৈ ওলাল। আগতে ওজাই কৈ থোৱা মতে পাঁচটা সিকি আৰু এযোৰ ক'লা পাৰ চৰাই ঠিক কৰি থোৱাই আছিল। সিকি পাঁচটা জেপত ভৰাই পাৰ চৰাই যোৰ হাতত ল'লে সৰ্বে ওজাই। মহেন, অহীন্দ্ৰ, নগিন্দ্ৰ, হৰিহৰ আদিয়ে চাইকেল কেইখনমান যোগাৰ কৰি থৈছিলেই। সিহঁতে সৰ্বে ওজাক পাটসোতাত ৰাতিয়েই থৈ আহিল। কৰুণাইঁতৰ ঘৰৰ মানুহখিনিৰ লগতে গাঁৱৰ মানুহৰো মুখত হাঁহি বিৰিঙিল। এক বিশেষ উত্তেজনা এক বিশেষ বিপদৰ পৰাহে যেন গাঁৱখন ৰক্ষা পালে- এনে এটা ভাবে সকলোৰে মন চুই গ'ল। কাকতলৰ কথাই তেনেকুৱা। গাঁওখনৰ যিকোনো এজন মানুহৰ বিপদ-আপদক গাঁৱখনৰে বিপদ-আপদ বুলি গণ্য কৰে। প্ৰতিজন লোকে প্ৰতিজনৰ দুখৰ সমভাগী হয়। ইজনে-সিজনৰ সুখ-দুখ ভগাই লয়। এনেকৈয়ে একতাৰ এনাজৰীয়ে গাঁওখনৰ সকলো মানুহকে বান্ধি ৰাখিছে। কাকতলৰ কাৰোবাৰ ঘৰত বিয়া বা আন কিবা অনুষ্ঠান পাতিলে সেই বিয়া বা অনুষ্ঠান অকল গৃহস্থৰে হৈ নাথাকে, সি গাঁৱখনৰে অনুষ্ঠান হৈ পৰে। সকলোৱে তাক সফল কৰি তোলাৰ বাবে যতপৰোনাস্তি চেষ্টা কৰে। তাৰ বাবে কাকো মাতি আনিব লগা নহয় নিজে নিজেই আহি নিজৰ নিজৰ ভাগৰ কামৰ দায়িত্ব লৈ কাম কৰি যায়হি। বিয়া বা তেনে অনুষ্ঠানত ধানবন্ধা, খৰি ফলা, চায়না দিয়া, গাখীৰ অনা, বজাৰ কৰা আদি কামৰ বাবে কাকোৱে মতাৰ প্ৰয়োজন কোনোৱে বোধ নকৰে। কেৱল খবৰটো দিলেই হ'ল— কি বয়সস্থ, কি পুৰুষ, কি মহিলা, কি ডেকা, কি গাভৰু সকলোৱে আহি উবুৰি খাই পৰি কামবোৰ সম্পন্ন কৰি যায় হাঁহি-তামচাৰে। গাঁৱখনৰ মানুহৰ মতে গাঁৱৰ যিকোনো মানুহৰ অনুষ্ঠান গাঁৱৰ অনুষ্ঠান। ইয়াৰ সফলতা-বিফলতাত গাঁৱখনৰ সন্মান জড়িত। গাঁওখনৰ মান-সন্মান ৰখাটো গাঁওখনৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য। এনে হেন লাগে—

"অ' আমাৰ গাঁও
আমাৰ গাঁৱৰ মান ৰাখি
মৰিবলৈ যাও আমি
মৰিবলৈ যাও।"........

— গীতটোৱে যেন কাকতলবাসীক সদা সৰ্বদাই অনুপ্ৰাণিত কৰি থাকে।

(দহ)

পূজাৰ বন্ধকেইদিন ঘৰতে কটাই প্ৰসেন গুৱাহাটীলৈ গ'ল। পিতাক ৰজত মেম্বৰে প্ৰসেনক ট্ৰেইনৰ ভাড়াত বাহিৰে এপইচাও দিব নোৱাৰিলে। গাগেলি ৰিজাৰ্ভৰ কাষৰ মাটি এবিঘা বন্ধকত থোৱাৰ কথা আছিল, সিও নহ'ল। সুদা হাতেৰেই প্ৰসেন গুৱাহাটীৰ চেনীকুঠিত থকা মেচ পালে। পিছদিনা ক্লাছ কৰি আহি প্ৰসেনে বোধনক তাৰ বাবে দুটামান টিউচন যোগাৰ কৰাৰ বাবে অনুৰোধ কৰিলে।

ঃ বোধনকাই ঘৰত টকা-পইচাৰ বৰ অভাৱ। পিতাই পইচা দিব নোৱাৰিলে। টেষ্ট পৰীক্ষাও আহিল। মাচুল পাতি দিয়াই নাই। টেষ্ট পৰীক্ষাৰ পিছতে ফাইনেলৰ বাবে নাম পঠাব লাগিব। তুমি যিকোনো প্ৰকাৰে দুটামান টিউচন মোক যোগাৰ কৰি দিয়া।

ঃ হয় নেকি? পিছে এই লাইনততো মোৰ অভিজ্ঞতা নাই। মই কথাটো হৰিচৰণ আৰু শিৱনাথৰ লগত আলোচনা কৰিব লাগিব। বলীন কম্পাউণ্ডাৰকো সুধি চাম- বুলি বোধনে প্ৰসেনক আশা এটা দিলে।

ঃ কিহে প্ৰসেন। কালিয়েই আহিলা অথচ আমাক মাত দিয়াই নাই। কথাটো কি, কিবা বেয়া পাইচা নেকিহে?— হৰিচৰণ প্ৰসেনহঁতৰ ৰুমলৈ হঠাত সোমাই আহি সুধিলে।

এনেতে বোধনে হৰিচৰণক ইঙ্গিত এটা দি সিহঁতৰ ৰুমৰ পৰা হৰিচৰণৰ ৰুমলৈ লৈ আহিল। প্ৰসেনে সেই সময়ত ষ্টোভত ডাইলৰ ডেক্সিটো তুলি দি দাইল ধুই আছিল। বোধনে হৰিচৰণক প্ৰসেনৰ আৰ্থিক সংকটৰ কথা, এইবাৰ যে সি ঘৰৰ পৰা আহোতে পিতাকে এপইচাও দিব নোৱাৰিলে ইত্যাদি কথাবোৰ ক'লে। সেয়ে সি টিউচন দুটামানকে কৰিবলৈ মন কৰিছে। হৰিচৰণৰ মনটো বেয়া লাগিল। তাৰ ঘৰৰ অৱস্থা বেয়া নহয়। হৰিচৰণৰ পিতাক যোগেন কলিতা এল. পি. স্কুলৰ শিক্ষক। খেতিৰ মাটিও আছে। মানুহ ৰাখি খেতিখনো ভালকৈ কৰে। গাখীৰৰ বাবে গাই দুজনীও ৰাখিছে। মাছৰো অভাৱ নাই। ঘৰৰ পিছপনে এটা পুখুৰী আছে। তাত প্ৰতি বছৰে মাছৰ পোনা দিয়ে। লাগ বুলিয়েই আচৰা জাল মাৰিলে হয় ৰৌ, নহয় ভকুৱা মাছ হ'লেও জালত আহেয়েই। হৰিচৰণ ডাঙৰ ল'ৰা। দ্বিতীয় ল'ৰাটো নাইনত পঢ়ে। ছোৱালী এজনীও আছে। এইবৰ মেট্ৰিক দিব।

বোধনৰ পৰা প্ৰসেনৰ কথাবোৰ শুনি হৰিচৰণৰ মনটো বেয়া লাগিল।

বোধনৰ লগত সাউৎকৰে হৰিচৰণ পুনৰ বোধনহঁতৰ ৰুমলৈ আহিল। প্ৰসেনে তেতিয়াও নিবিষ্ট মনে ভাত ৰান্ধি থকাৰ লগতে কানাইলাল দাসে দিয়া 'লেলিন' নামৰ লেলিনৰ আত্মজীৱনীমূলক কিতাপখন পঢ়ি আছিল।

ঃ প্ৰসেন, অ' প্ৰসেন, তুমি টিউচন-চিউচন কৰাৰ কথা বাদ দিয়া। বহুত সময় এনেয়ে যাব। পৰীক্ষাও আহিলেই। আমি তোমাক যিমান পাৰো সহায় কৰিম। এই মাহৰ পৰা আমি চাৰিও একেলগে খাম। ভাত ৰন্ধা ৰুম এটা আছেই। এনেয়ে পৰি আছে। তুমি মেচৰ খৰচ একো দিব নালাগে। আমিয়েই মেনেজ কৰিম। পইচাৰ বাবে চিন্তা কৰি তুমি পঢ়া খতি নকৰিবা। তদুপৰি তুমি পঢ়াত ভাল। পি ইউটো ভালকৈ পাছ কৰি ঘৰৰ লগতে গাঁৱৰো মান ৰাখিব লাগিব— বুলি কৈ হৰিচৰণে প্ৰসেনক উৎসাহ আৰু মনোবল দি কলেজলৈ গ'ল। বোধনেও হৰিচৰণৰ কথাত হয়ভৰ দি প্ৰসেনক সাহস দিলে। ভাতকেইটামান খাই সিও তাৰ ডিউটিলৈ গ'ল। প্ৰসেনো কলেজলৈ গ'ল। ১২-৪৫ বজাত ক্লাছ এটা অফ আছে তাৰ। অফ পিৰিয়ডতে মেচলৈ আহি ভাত কেইটামান খাই যাবহি।

কলেজলৈ আহি প্ৰসেনে কলেজৰ ছাত্ৰ-ছাত্ৰী কিছুমানক চুডমাৰ্চন হ'ল আৰু ইয়াৰ আশে আশে থিয় হৈ থকা দেখিলে। সিও হলটোৰ ওচৰলৈ গ'ল। হলটোৰ ভিতৰত কোনোবাই বক্তৃতা দি থকা সি শুনিলে। লগে লগে প্ৰসেনে অলপ ঠেলা-হেঁচা কৰি হলৰ ভিতৰত সোমাল।

ঃ আমাৰ দাবী চৰকাৰে মানি নোলোৱা পৰ্যন্ত আমি আন্দোলন নেৰো। অসমৰ তেলেৰে দিল্লীৰ পথ-প্ৰান্তৰ মসৃণ কৰিলেই নহ'ব। অসমৰো পথত মানুহে অন্তত খোজ কাঢ়িবলৈ সুবিধা পাব লাগিব। আমাক তৃতীয় ৰিফাইনাৰী লাগিবই"— কটন কলেজৰ সাধাৰণ সম্পাদক মঃ আব্দুল আলিয়ে উদাত্তকণ্ঠে দি থকা ভাষণ প্ৰসেনে শুনিলে।

ভাষণ দি থকা অৱস্থাত মঃ আবুল আলিয়ে প্ৰসেনক দেখা পালে। প্ৰসেন যে এজন ভাল বক্তা সেই কথা আলিয়ে জানে। তেওঁ বক্তৃতা শেষ কৰি এজন ল'ৰাৰ হতুৱাই প্ৰসেনক মঞ্চলৈ মতাই লৈ গ'ল। প্ৰসেন গ'ল। মঞ্চ পালে। ইতিমধ্যে আলিৰ পিছতে অভয় গগৈয়ে বক্তৃতা দি আছিল। আলিয়ে প্ৰসেনক গগৈৰ পিছতে বক্তৃতা দিব লাগিব বুলি ক'লে। প্ৰসেন অপ্ৰস্তুত হৈ পৰিল, যদিও বুকুত সাহস বান্ধিলে।

ঃ এইবাৰ বক্তৃতা দিব পি ইউ (আৰ্টচ)ৰ ছাত্ৰ প্ৰসেনজিত কলিতাই- বুলি মঃ আবুল আলিয়ে ঘোষণা দিলে।

প্ৰসেনে মাইকৰ সমুখলৈ আহি এক বিশেষ নাটকীয় ভঙ্গীত বক্তৃতা আৰম্ভ কৰিলে। তাৰ সকলো ভয় নিমিষতে নাইকিয়া হ'ল। সি অসমৰ খাৰুৱা তেলকে ধৰি প্ৰাকৃতিক সম্পদৰ ওপৰত এটা তথ্য পূৰ্ণ বক্তৃতা দি ৰিফাইনাৰীৰ বাবে চলি থকা

আন্দোলনৰ ন্যায্যতা প্ৰতিপন্ন কৰিলে। ছাত্ৰ-ছাত্ৰীসকলে হাত তালি দি প্ৰসেনৰ কথাবোৰক আদৰণি জনালে।

তাৰ পাছতেই মঃ আব্দুল আলিয়ে "আজিৰ শ্ৰেণী বৰ্জন কাৰ্যসূচীত অংশ লোৱাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জনালো" বুলি কৈ সভা ভঙ্গ হোৱা বুলি ক'লে। সভাৰ পিছত ছাত্ৰ একতা সভাৰ অফিচত কটন কলেজ ছাত্ৰ একতা সভাৰ নেতাসকল মিলিত হ'ল। প্ৰসেনকো সাধাৰণ সম্পাদক আলিয়ে মাতিলে। সিও ছাত্ৰ একতা সভাৰ কাৰ্যালয়ত উপস্থিত হ'ল। ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে প্ৰসেনক তাৰ বক্তৃতাৰ বাবে ধন্যবাদ জনালে। ভৱিষ্যতে ছাত্ৰ সমাজৰ নেতৃত্ব ল'ব লাগিব বুলি দুই-চাৰিজন বিষয়ববীয়াই প্ৰসেনক আহ্বানো জনালে।

ঃ মই আহিলো আলিদা, মেচলৈ যাও বুলি প্ৰসেনে ছাত্ৰ একতা সভাৰ অফিচৰ পৰা ওলাই আহিল। গেটত তাৰ ক্লাছমেট বিকাশ মহন্তক লগ পালে।

ঃ হেৰি-নহয় কলিতা, আমাৰ টেষ্ট পৰীক্ষাৰ তাৰিখ দিছে। এইমাত্ৰ মই নটিচ বোৰ্ডত দেখি আহিলো।

ঃ কোন তাৰিখৰ পৰা হ'ব?

জানুৱাৰী মাহৰ তিনি তাৰিখৰ পৰা। ১২ তাৰিখে পৰীক্ষা শেষ হ'ব। ২১ জানুৱাৰীৰ ভিতৰত নাম পঠাব লাগিব। ফাইনেল পৰীক্ষাৰ ৰুটিন দিলেই।

ঃ বলকচোন বলক নটিচখন এবাৰ চাই আহো— বুলি প্ৰসেনে বিকাশ মহন্তৰ লগত এডমিনিষ্ট্ৰেটিভ বিল্ডিঙলৈ গ'ল। দুয়ো পৰীক্ষাৰ ৰুটিনখন চালে আৰু নিজৰ নিজৰ ক্লাছ কৰা বহীত লিখিও ল'লে।

ঃ সৰ্বনাশ, মইতো একো পঢ়াই নাই— প্ৰসেনে ক'লে।

ঃ এ আপোনাৰনো কি পঢ়িব লগা আছে— প্ৰায়বোৰ কথা জানেই দেখোন— বিকাশে মন্তব্য কৰিলে।

প্ৰসেনৰ নলেগলে লগা বন্ধু বিকাশ। ক্লাছটোত বিকাশেই প্ৰসেনৰ সুখ-দুখৰ একমাত্ৰ লগৰী। দুয়ো লগ হ'লেই পঢ়াৰ কথা, পৰীক্ষাৰ কথা, নোটচৰ কথা পাতে। ইউনিয়ন হলৰ কৰিডৰত বহি দুয়ো টেষ্ট পৰীক্ষাৰ কথা পাতিলে। মাজতে বিকাশে প্ৰসেনক ক'লে— 'আপুনি কিন্তু কলেজখনত বেচ পপুলাৰ হৈছে দে' এই পপুলাৰিটি ৰাখিব লাগিব। পৰীক্ষাত ভাল কৰিলেহে পপুলাৰিটি থাকিব।

ঃ চাওচোন কি হয়, টকা-পইচাৰ প্ৰব্লেমটোৱে মোক অহৰহ টেনচনত ডুবাই ৰাখে— টেষ্টৰ পিছতেই ফাইনেল পৰীক্ষাৰ বাবে নাম পঠাব লাগিব। কমেও ৮০। ৯০ টকাৰ প্ৰয়োজন হ'ব। ক'ত যে পাম ইমানবোৰ টকা। "হ'ব, হ'ব, আপুনি ইমান টেনচন লৈ থাকিব নালাগে, আগতে পৰীক্ষাটো হৈ যাওক। তাৰ পাছত আমি মানে মই, অৰূপ

আৰু দিলোৱাৰে কিবা এটা ব্যৱস্থা কৰিম' বুলি বিকাশে প্ৰসেনক সান্ত্বনা দিলে।

ঃ যাওঁ বলক মই আজি ভাত খাই অহা নাই। ক্লাছটো আৰু নহয়েই। মেচলৈ গৈ ভাত খাই অলপ পঢ়া-পাতিকে কৰোঁগৈ— প্ৰসেনে ক'লে।

বিকাশ আৰু প্ৰসেন কৰিডৰৰ পৰা উঠি নিজ নিজ মেচলৈ গ'ল। বিকাশ লাচিত নগৰত থাকে। ঘৰৰ অৱস্থা সিমান বেয়া নহয়। লগত ডাঙৰ ভায়েকজনো থাকে- আৰ্যবিদ্যাপীঠ কলেজত বি. এছ. চি. দ্বিতীয় বাৰ্ষিকত পঢ়ে।

ঃ কি হে প্ৰসেন— আজি দেখোন সোনকালে আহিলাহে — অলপ আগতে ক্লাছৰ পৰা অহা হৰিচৰণে বাল্টিটো লৈ দমকললৈ বুলি গৈ থকা অৱস্থাৰ পৰাই প্ৰসেনক সুধিলে।

ঃ আজি আমাৰ ক্লাছ নহ'ল। ছাত্ৰ-ছাত্ৰীসকলে অসমত দ্বিতীয়টো তেল শোধনাগাৰ পতাৰ দাবীত শ্ৰেণী বৰ্জন কৰিছে। মিটিং এখনো হৈছিল চুডমাৰ্চন হ'লত"- প্ৰসেনে ক'লে।

ঃ পিছে তুমি বক্তৃতা দিলা নে নাই?

ঃ মোৰ বক্তৃতা দিয়াৰ মন নাছিল। আলিদাই জোৰ কৰাতহে দুআষাৰমান ক'লো।

ঃ ভালেই হৈছে, তোমাৰ বক্তৃতা শুনি বোলে ছাত্ৰ-ছাত্ৰীসকলে বৰ ভাল পায়। কটনত পঢ়া মোৰ লগৰ ল'ৰা এজনে কৈছে— বুলি কৈ হৰিচৰণে এবাল্টি পানী তুলি মূৰত ঢালি দিলে। গা-ধুৱা শেষ কৰি হৰিচৰণ আৰু প্ৰসেনে একে লগে ভাত খালে। ভাত খাওতে দুয়ো তেল শোধনাগাৰ আন্দোলনৰ কথা পাতিলে। এনেবোৰ কথাত হৰিচৰণৰো ইণ্টাৰেষ্ট আছে। ভাত খাই উঠি দুয়ো নিজ নিজ ৰুমলৈ গ'ল।

কেইদিনমান পাছত টেষ্ট পৰীক্ষা শেষ হ'ল প্ৰসেনৰ। ৰিজাল্টও দিলে। ফাইনেল পৰীক্ষাৰ নাম পঠোৱাৰ কথাটো সি বিকাশৰ লগত আলোচনা কৰিলে।

ঃ অ' প্ৰসেন দেখোন, কি কৰিছা ইয়াত, নাম পঠালানে নাই- সংস্কৃত বিভাগৰ মূৰব্বী অধ্যাপক বিমলানন্দ বৰ্মনে প্ৰিন্সিপালৰ ৰুমলৈ আহি থাকোতে কলেজৰ গেটতে প্ৰসেনক দেখি সুধিলে।

ঃ এনেয়ে আছো ছাৰ, নাম পঠাব পৰা নাই। লাষ্ট ডেট আহিলেই।

ঃ তোমাৰ কথা মই গম পাইছো, তুমি অলপ পিছত মোক মোৰ ৰুমত লগ ধৰিবাচোন?

কথাখিনি কৈ অধ্যাপক বৰ্মন প্ৰিন্সিপালৰ ৰুমত সোমাল। প্ৰসেনেও এডমিনিষ্ট্ৰেটিভ বিল্ডিঙলৈ গ'ল। নটিচ বোৰ্ডখন চালে। নটিচ বোৰ্ডখন চাই প্ৰসে ছাত্ৰ একতা সভাৰ অফিচলৈ আহিল। অফিচত কোনো নাই। প্ৰসেনে কিছু সময় তাতেই বহিল। তাৰ মুৰটো আচন্দ্ৰাই কৰিলে। সি বৰ অসুস্থ অনুভৱ কৰিলে। তেনে অৱস্থাতেই

সি অধ্যাপক বর্মনৰ অফিচলৈ গ'ল। অধ্যাপক বর্মনে তাক মাতি দি বহিবলৈ ক'লে আৰু তাৰ অসুবিধাৰ কথা সুধিলে। প্রসেনে লাজ নকৰাকৈ তাৰ আর্থিক দুৰৱস্থাৰ কথা অকপটে অধ্যাপক বর্মনক ক'লে।

ঃ ভোগেন, অ' ভোগেন। কার্যালয়ৰ ডিপার্টমেণ্টেল পিয়ন ভোগেনক মাতিলে অধ্যাপক বর্মনে।

ঃ ছাৰ বুলি ৰুমলৈ সোমাই আহিল ভোগেন পিয়ন—

ঃ ঐ, যাচোন বৰবাবু আলিক মোক লাগে বুলি কৈ 'ষ্টুডেণ্টচ এইড্ ফাণ্ড'ৰ ফর্ম এখন লৈ আহ— দেৰি নকৰিবি মই অলপ পিছতে ঘৰলৈ যাম।

ঃ ছাৰ, মই যাম আৰু আহিম বুলি কৈ ভোগেন গ'ল।

অলপ পিছতে 'ষ্টুডেণ্টচ এইড ফাণ্ড'ৰ ফর্ম এখন লৈ ভোগেন আহিল। অধ্যাপক বর্মনে ফর্মখন প্রসেনক দি ফিলআপ কৰিবলৈ ক'লে। প্রসেনে ফর্মখন ফিল আপ কৰিলে।

ঃ ব'লা আমি প্রিন্সিপালক লগ ধৰো। তেখেতক কৈ ষ্টুডেণ্টচ এইড ফাণ্ডৰ পৰা তোমাক টকা অলপ লৈ দিওঁ। অৱশ্যে খুব বেচি ৫০। ৬০ টকা মানহে দিব— বুলি বাটে বাটে কথাখিনি কৈ গৈ অধ্যাপক বর্মন প্রিন্সিপালৰ ৰুম পালে। তুমি ইয়াতে থাকা মই মাতিলে ভিতৰলৈ যাবা বুলি কৈ অধ্যাপক বর্মন প্রিন্সিপালৰ ৰুমত সোমাল। প্রসেনে বাৰাণ্ডাতে থিয় হৈ থাকিল। কেইমিনিটমান পাছত প্রসেনক পিয়নটোৱে ভিতৰলৈ মাতিছে বুলি ক'লে। প্রসেন গ'ল।

ঃ তুমিয়েই নেকি প্রসেন। দেউতাৰাই কি কাম কৰে— প্রিন্সিপালে সুধিলে।

ঃ খেতি কৰে ছাৰ।

ঃ অ' হয় নেকি?

ঃ বুজিছে বর্মন, এওঁ বোলে সিদিনা ডি. চি. অফিচৰ সন্মুখত ৰিফাইনেৰী মুভমেণ্টৰ নেতাসকলে পতা মিটিংত বৰ ভাল লেকচাৰ দিছে। মোক আমাৰ কেবাজনো অধ্যাপকে কথাটো কৈছে— বুলি কৈ প্রিন্সিপালে প্রসেনৰ ফর্মখনত চহী কৰি ফর্মখন অধ্যাপক বর্মনৰ হাতত দিলে আৰু কলিং বেলটো টিপি দিলে। লগে লগে পিয়নজন আহি প্রিন্সিপালৰ সমুখত হাজিৰ হ'ল।

ঃ যাচোন বৰবাবু আলিক মই মাতিছো বুলি ক?

পিয়নজন সাউৎকৰে ৰুমৰ পৰা ওলাই গ'ল।

অলপ পিছতে বৰবাবু আলি প্রিন্সিপালৰ ৰুমত সোমাল। "আলি, এই ল'ৰাজনক ষ্টুডেণ্টচ এইড ফাণ্ডৰ পৰা টকা ৬০ টা আজিয়েই দিব। পিছত আমি কমিটীত ৰেগুলাৰ কৰি ল'ম" বুলি আলিক প্রিন্সিপালে ক'লে।

ঃ হ'ব ছাৰ, মই অলপ পিছতে অর্ডাৰটো উলিয়াই একাউণ্টেণ্টক দিম বুলি

বৰবাবু আলি ফৰ্মখন লৈ প্ৰিঞ্চিপালৰ কমৰ পৰা ওলাই গ'ল।

ঃ তুমিও যোৱা, এই ২০ টকা মোৰ ফালৰ পৰা দিলো। কালিয়েই নামটো পঠাবা বুলি অধ্যাপক বৰ্মনে প্ৰসেনক যাবলৈ ক'লে। প্ৰসেনে প্ৰিঞ্চিপালৰ কমৰ পৰা ওলাই আহি স্বস্তিৰ নিশ্বাস পেলালে। আবেলি বৰবাবুৱে প্ৰসেনক টকাখিনি দিলে।

পিছদিনা ষ্টুডেণ্টচ এইড ফাণ্ড আৰু অধ্যাপক বৰ্মনৰ পৰা পোৱা টকাৰে প্ৰসেনে পি. ইউ. (আৰ্টচ)ৰ ফাইনেল পৰীক্ষাৰ নাম পঠালে। আবেলি মেচত কথাটো হৰিচৰণ, শিৱনাথ আৰু বোধনক ক'লে। সকলোৱে কথাটো শুনি আনন্দ পালে। প্ৰসেনে মনে মনে অধ্যাপক বৰ্মনে আৰু প্ৰিন্সিপালৰ ওচৰত পৰম কৃতজ্ঞতা প্ৰকাশ কৰিলে। কিবা এটা মিৰাকেলৰ ফলতহে যেন ই সম্ভৱ হ'ল— এনেভাৱ হ'ল প্ৰসেনৰ। মুহূৰ্ততে প্ৰসেনৰ এলবাৰ্ট আইনষ্টাইনৰ কথা এষাৰলৈ মনত পৰিল। আইনষ্টাইনে কৈছিল— "There are two ways to live your life, one is as though nothing is a miracle, the other is as though everything is a miracle."

ইতিমধ্যে টেষ্ট পৰীক্ষা শেষ হ'ল প্ৰসেনৰ। ফাইনেল পৰীক্ষালৈ বেছি দিন নাই। মাৰ্চ মাহৰ ১৬ তাৰিখৰ পৰা পৰীক্ষা আৰম্ভ হ'ব। প্ৰসেনে যে গাঁৱৰ বিভিন্ন সামাজিক কামত জড়িত সেই কথা গম পাইছে হৰিচৰণ, শিৱনাথ আৰু বোধনে। তাৰ যে গাঁৱলৈ গ'লে পঢ়া-শুনা ভাল নহয় সিহঁতে কথাটো বুজি পালে। গতিকে সিহঁতৰ মতে প্ৰসেন এতিয়া আৰু ঘৰলৈ যাব নালাগে। মেচ্তে থাকি ভালকৈ পঢ়া-শুনা কৰক। প্ৰসেনৰ কিন্তু ঘৰলৈ যাবলৈহে মন। টেষ্ট পৰীক্ষা শেষ হোৱাৰ লগে লগে প্ৰসেনৰ গাঁওখনৰ সমস্যা, গাগেলিৰ সমস্যা বিলাকৰ কথা মনত পৰিল। তাৰ মৰমৰ গাঁও কাকতলে তাক হাতবাউলি দি মতা সি সপোনত দেখিলে। নৈৰঞ্জনাৰ কথাও তাৰ মনলৈ আহিল। কিন্তু হৰিচৰণ শিৱনাথ আৰু বোধনে ইতিমধ্যে নটিচ জাৰি কৰিছে, যে প্ৰসেনে মেচতে থাকিব লাগিব ফাইনেল পৰীক্ষা শেষ নহয় মানে। শেষত হৰিচৰণহঁতৰে জয় হ'ল। প্ৰসেনে ঘৰলৈ যোৱাটো বাদ দিলে। মেচতে থাকি পঢ়িব। হৰিচৰণৰ স্বাৰ্থ এটাও নোহোৱা নহয়। সি গাঁৱৰে শৰ্মিলা নামৰ ছোৱালী এজনীক ভাল পায়। প্ৰসেনে গল্প, কবিতা লিখে। তাৰ লিখনিৰ ভাষা নিমজ আৰু সুন্দৰ। হৰিচৰণে আজিকালি শৰ্মিলালৈ লিখা গোপন চিঠিবোৰ প্ৰসেনৰ হতুৱাই লিখাই লয়। প্ৰসেনেও লিখি দিয়ে। তেনে চিঠি লিখি তাৰো ভাল লাগে। ফাইনেল পৰীক্ষাৰ নাম পঠাই প্ৰসেনে মেচত থাকি পঢ়া-শুনা কৰিবলৈ ল'লে। ক্লাছ নাই যদিও লজিকৰ প্ৰফেচাৰ্ অৰিজিৎ মেধিয়ে প্ৰতি দেওবাৰে দিনৰ ১১ বজাৰ পৰা এঘণ্টাৰ বাবে বিশেষ ক্লাছ এটা কৰে। এদিন দেওবাৰে লজিকৰ বিশেষ ক্লাছ কৰি প্ৰসেনে পাণবজাৰ চিটি বাছ ষ্টপেজত হঠাৎ গাঁৱৰে কাষৰ নামদোঙাৰ সন্তোষ নামৰ ল'ৰজনক লগ পালে। সন্তোষ প্ৰসেনতকৈ তিনি বছৰ

মানে ডাঙৰ। এবছৰ মান হ'ল পুলিচ বেটেলিয়ানত চাকৰি পাইছে। গুৱাহাটীতে আছে। তিনিদিনৰ চুটি লৈ ঘৰলৈ গৈছিল। আজি আহি পাণবজাৰ পুলিচ থানাত কোনোবা এজন বন্ধুক লগ ধৰি আহি পাণবজাৰ চিটি বাছ ষ্টপেজত ৰৈ আছে কাহিলিপাৰালৈ যোবাৰ বাবে। প্ৰসেন আৰু সন্তোষে বাছ ষ্টপেজৰ পৰা অলপ আঁতৰলৈ গৈ কথা পাতিবলৈ ধৰিলে।

ঃ বুজিছা প্ৰসেন, তহঁতৰ গাঁৱখনক কিবা ভূতে লম্ভিছে যেন পাওঁ। এই গাগেলিখন-হৰিণাৰ মাংসই বৈৰী হোৱাৰ দৰে হ'ল।

ঃ কিয় কৈছ তেনেকৈ— আৰু কিবা গণ্ডোগোল হৈছে নেকি? জানো যোৱা পৰহি এক বাছ পুলিচ সোমাইছিল তহঁতৰ গাঁৱত, কিবা বোলে গাগেলিৰ কেছৰ আচামী বিচাৰি আহিছিল”- সন্তোষে ক'লে।

ঃ পিছে কি হ'ল?

ঃ গাঁৱৰ কেবাজনো মানুহক বোলে পুলিচে এৰেষ্ট কৰি মহকুমা সদৰলৈ লৈ গৈছে।

এনেতে কাহিলিপাৰাৰ পিনৰ বাছ এখন আহি ষ্টপেজত ৰ'ল।

ঃ মই যাওঁ প্ৰসেন, এদিন আমাৰ বেটেলিয়ান কেম্পলৈ আহিবি— বুলি কৈ সন্তোষ চিটি বাছখনত উঠি কাহিলিপাৰালৈ গ'ল. প্ৰসেনেও বেজাৰত মৰ্মাহত হৈ চিটি বাছ এখনত উঠি মেচলৈ গ'ল।

গাঁৱখনৰ চিন্তা— গাগেলিৰ চিন্তা— ঘৰৰ আৰ্থিক দুৰাবস্থা আদিয়ে প্ৰসেনৰ মনত বাৰুকৈয়ে আঘাত দি তাক দুৰ্বল কৰি তুলিলে। খোৱা-বোৱা পঢ়া-শুনা একোতে তাৰ মন নবহা হ'ল। বিছনাত পৰি চকু দুটা মুদি চিন্তাৰ অথাই সাগৰত সি ককবকাই থকা কথাটো বোধনৰ চকুত পৰিল।

ঃ হেৰি নহয় হৰিচৰণ, আজি কেবাদিনো প্ৰসেনে পঢ়া-শুনা কৰাতো নাইয়েই কেৱল শুই শুই হুমুনিয়াহ কাঢ়ি কাঢ়ি আমাৰ ৰুমটোৰ বতাহ গৰম কৰি পেলাইছে।”

ঃ অ' হয় নেকি, ক'ৰবাত কোনোবা গাভৰুৰ চকুৰ চমক লাগিল নেকি? ব'লাচোন ব'লা বোধন, কোন সেই বিয়েট্ৰিছ আমিও জানি লওঁ— বুলি হৰিচৰণ আৰু বোধন প্ৰসেনহঁতৰ ৰুমলৈ আহিল। প্ৰসেন কাণে-মূৰে কম্বলখন লৈ শুই আছিল তেতিয়া।

ঃ প্ৰসেন, অ' প্ৰসেন, কি হ'ল হে? ভাত-পানী, পঢ়া-শুনা এৰিলা বোলে? ইপিনে পৰীক্ষালৈ আৰু মাত্ৰ দুই সপ্তাহমানহে আছে- বুলি হৰিচৰণে প্ৰসেনৰ মূৰৰ পৰা কম্বলখন গুচাই দিলে।

ঃ ইকি তোমাৰ চকুত চকুপানী? কি হৈছে- হৰিচৰণে সুধিলে।

ঃ নাই, একো হোৱা নাই, বুলি প্ৰসেন শুৱাৰ পৰা উঠি বিছনাতে বহিল।

ঃ ঘৰৰ আৰ্থিক সংকট, গাঁৱখনত ঘটা অসুয়া অপ্ৰীতি, গাগেলিৰ মাটিৰ গণ্ডগোল এইবোৰ লৈ প্ৰসেন বাৰুকৈয়ে চিন্তিত আৰু ব্যথিত বুলি যোৱা ৰাতি মোক কৈ কৈ সি কান্দিছিল। মই বুজনি দি কৈছিলো বোলে এতিয়া পৰীক্ষাৰ সময়, সেইবোৰ কথা চিন্তা কৰি মনটো ভাঙিব নালাগে। পঢ়া-শুনা কৰাটোহে এতিয়া প্ৰধান কথা— বোধনে ক'লে।

প্ৰসেনৰ মনৰ কথা হৰিচৰণে বুজি পালে। কুৰুক্ষেত্ৰ যুদ্ধত, জ্ঞাতি কুটুমসকলক দেখি অৰ্জুনে হাতৰ গাণ্ডীৱ পেলাই দি যুদ্ধ নকৰাৰ কথা ঘোষণা কৰাৰ দৰে অৱস্থা এটা হৈছে, প্ৰসেনৰ। হৰিচৰণে কৃষ্ণৰ লেখীয়াকৈ নাটকীয় ভঙ্গীত নাটকৰ বচন মতা দি মাতিলে 'গীতা'ৰ শ্লোক এফাঁকি—

সংকটৰ মাজ চোতালত এই দোধোৰ-মোধোৰ ভাবে
ক'ৰ পৰা আহি কপালে ইদৰে বাৰু তোমাৰ মনৰ কোঠা
ইযে মাথো মোহ একেবাৰে অনাৰ্যসুলভ কথা
পৰলোক মাথোঁ বিপন্ন কৰা, ইহলোক অপযশে ভৰা
হৃদয়ৰ ক্লীৱতাক তুমি নজনাবা এই অভ্যৰ্থনা
জোকাৰি পেলোৱা ধূলি কঁপা কঁপা বতাহে উৰাই অনা
শুনা মোৰ অনুযোগ হেৰা সব্যসাচী
উঠা, জাগা আৰু অস্ত্ৰ ধৰা।"

শ্লোকটি আওৰাই হৰিচৰণ প্ৰসেনৰ কাষত বহিল। হাঁহি হাঁহি প্ৰসেনক হাত-মুখ ধুই পঢ়া টেবুলত বহি নিজৰ কৰ্তব্য কাম কৰিবলৈ ক'লে।

প্ৰসেনেও হৰিচৰণ আৰু বোধনৰ কথাত মনত সাহস পালে। সি বিচনাৰ পৰা উঠি হাত-মুখ ধুই হৰিচৰণৰ লগত অলপ গুৱাহাটী ক্লাবৰ পিনে ফুৰিবলৈ গ'ল। হৰিচৰণে ৰাস্তাত খোজকাঢ়ি যাওতে প্ৰসেনক বুজালে।

ঃ বুজিছা প্ৰসেন— গাঁৱৰ কথা, তোমাৰ গাগেলিৰ কথা ভাবিবলৈ বহুত সময় পাবা। সেইবোৰৰ কথা ভাবিবলৈ— তাৰ বাবে কাম কৰিবলৈ গোটেই জীৱনটো তোমাৰ আগত পৰি আছে। কিন্তু পঢ়া-শুনাৰ এটা নিৰ্দিষ্ট সময় আছে। সেই সময় উকলি গ'লে— তাক ঘূৰাই নাপাবা। এতিয়া পঢ়া-শুনা শেষ কৰি লোৱা। পঢ়া-শুনা শেষ হ'লে বাকী কামবোৰ কৰিবা ঃ প্ৰসেনে হৰিচৰণৰ কথাবোৰ মূৰ দুপিয়াই সমৰ্থন কৰিলে। দুয়ো গুৱাহাটী ক্লাব হৈ আমবাৰীৰ মাজেদি আহি উজান বজাৰত সোমাল। তাত অলপ বজাৰ কৰি মেচলৈ আহিল।

চকুৰ পচাৰতে দুটা সপ্তাহ পাৰ হ'ল। প্ৰসেনৰ পি ইউ ফাইনেল পৰীক্ষা। প্ৰসেন পঢ়াত নিমগ্ন। হৰিচৰণ, শিৱনাথ আৰু বোধনে প্ৰসেনক নানা ধৰণে উৎসাহ দি তাক পৰীক্ষাৰ বাবে প্ৰস্তুত কৰি তুলিলে। প্ৰথম দিনাৰ পৰীক্ষাত হৰিচৰণ আৰু শিৱনাথে

প্রসেনক কটন কলেজত বিস্লাবে থৈ আহিল। এদিন-দুদিনকৈ পৰীক্ষা শেষ হ'ল। বুৰঞ্জীত বাহিৰে বাকী বিষয়কেইটাত প্ৰসেনৰ পৰীক্ষা আশা বৰা ধৰণেই হৈছে। বুৰঞ্জীত কমন নপৰিল বাবে সিমান ভাল নহ'ল।

ঃ প্ৰসেন, পৰীক্ষা শেষ হ'ল যদিও তুমি ঘৰলৈ গৈ এনেয়ে সময়বোৰ নষ্ট কৰিব নালাগে। আমি তোমাৰ বাবে টিউচন দুটা ঠিক কৰিছো। তুমি ইয়াতে থাকি টিউচনো কৰা আৰু তোমাৰ আধৰুৱা কবিতাৰ পুথিখনো সম্পূৰ্ণ কৰা— হৰিচৰণে ক'লে। হৰিচৰণৰ কথাত শিৱনাথ আৰু বোধনেও হয়ভৰ দিলে।

ঃ হ'ব বাৰু, মাত্ৰ দহদিনমানৰ বাবে ঘৰলৈ যাব লাগিব। আমাৰ গাঁৱৰ সংঘৰ এইবাৰ নতুন সম্পাদক হৈছে, চাৰ্জ দিয়াই নাই। চাৰ্জটো দি আহিব লাগিব। তদুপৰি ৰঙালী বিহুৰ কথাটো আছেই। আনহাতে ৰহিলা বাইৰো ব'হাগ মাহৰ পাঁচ তাৰিখে বিয়া। বিয়াখনতো থাকিব লাগিব। এইখিনি কাম শেষ কৰি মই আহিম'— প্ৰসেনে ক'লে।

ঃ হয় নেকি?— হ'ব বাৰু— টিউচন দুটা কিন্তু এপ্ৰিলৰ পঁচিশ তাৰিখৰ পৰা আৰম্ভ কৰিব লাগিব। আমি কথা দিছো গৃহস্থক'— বুলি ক'লে হৰিচৰণে।

হ'ব, হ'ব, মই বিহুৰ আগদিনা গৈ সাত বিহুৰ দিনা গুচি আহিম। সাত বিহুৰ দিনা ইংৰাজীৰ একৈশ কি বাইশ তাৰিখমান হ'ব— প্ৰসেনে ক'লে।

ব'হাগ বিহুৰ আগদিনা প্ৰসেন মৰমৰ গাঁও কাকতললৈ গ'ল। ঘৰ পোৱাৰ আগতে নিজ ঘৰৰ চোতালত পঘা বতি থকা মণ্ডলুক দেখি প্ৰসেন মণ্ডলুৰ ঘৰত সোমাল। প্ৰসেনক দেখি চঁক খোৱাৰ দৰে মণ্ডলুৱে পঘা বতা বন্ধ কৰি কাঠিৰ পৰা মূঢ়া এটা আনি প্ৰসেনক বহিবলৈ দিলে। ভালে আছা প্ৰসেন'- মণ্ডলুৰ ঘৈণীয়েকে প্ৰসেনৰ ওচৰত থিয় দি সুধিলে।

ঃ আছো আৰু— তহঁতৰ ভাল নে?

ঃ আছো দে— বহচোন মই অলপ চাহকে কৰো।

ঃ কি কৰিও প্ৰসেন— কাকতলক ভূতে পাইছে। শান্তি বোলা বস্তুটো নাইকিয়া হ'ল। দহদিনমান আগতে শৰতপুৰৰ সেই দগাবাজহঁত আকৌ আহিছিল নহয় গাগেলিৰ মাটিত তাৰ মাৰিবলৈ। আমি গাঁৱৰ মানুহ মখাই গৈ হুদু খেদা দি খেদিলো। সেই দুন্দুভি নে কি— বোলাজনক দুকোবমান ভালকৈ দিছো। বেটাৰ ভৰি এখন ভাগিছে বোধহয়। লেকচাই লেকচাই গৈ পি ডব্লিউ ডি ৰাস্তাত উঠি শৰতপুৰৰ পিনে গৈছে।

ঃ তাৰ পাছত— তাৰ পাছত কি হ'ল—

ঃ কি হ'ব আৰু তাৰ পাছত ৰাতি আমাৰ গাঁৱত পুলিচে পুলিচ। নন্দকা, পদুম কুমাৰ, ৰজত কাকা, থানে বেপাৰী, ৰবি মহাজন, ৰমেচকা আদি পোন্ধৰজনক ৰাতিয়েই

বিছনাৰ পৰা উঠাই পুলিচে বৰপেটা মহকুমা সদৰলৈ লৈ গৈছে। গগন মেম্বৰহঁতে পোন্ধৰ দিনমান মহকুমা সদৰলৈ তাঁত-বাটি কাঢ়ি কোনো মতে কোনোবা এজন পুলিচ অফিচাৰ এজনক ভেটি দিহে বোলে মানুহকেইজনক খালাচ কৰি আনিছে। এতিয়া গাঁওখন কিবা মৰিশালিহেন হৈছে। মানুহবিলাকৰ মুখত ভয় আৰু শংকাৰ ভাব।

ঃ হ'ব দে- মই ঘৰলৈ যাও। পিছত তোৰ পৰা কথাবোৰ শুনিম— বুলি কৈ প্ৰসেন মণ্ডলুহঁতৰ ঘৰৰ পৰা আহি নিজৰ ঘৰত সোমাল। পিতাক ৰজত মেম্বৰ সেই সময়ত ঘৰত নাছিল। মাক মায়াৱতীয়ে প্ৰসেনক দেখি ঃ আগতে নিজৰ ঘৰত সোমাব লাগে— তাৰ পাছতহে আনৰ ঘৰলৈ যাব লাগে— বুলি প্ৰসেনক কৈ পাক ঘৰত বহাই দিয়া ভাতৰ কেৰাহিটোত চাউলকেইটা বহাই দিলে। প্ৰসেনেও কিবা এক চিন্তাৰ চাকনৈয়াত সোমাই থকাত মাকে কি ক'লে ভালকৈ নুশুনিলে। কাপোৰ সলাই থাকোতে সি নিজৰ লগতে কথা পাতি ক'লে— 'গাগেলিখনক লৈ যোৱা প্ৰায় বাৰ বছৰে কিমান যে হাহাকাৰ এই কাকতলত— কিমান মামলা-মোকৰ্দমা, কিমান পইচাৰ শৰাধ। গাঁওখনত সুখ-শান্তি নোহোৱা হৈ পৰিল। পঢ়া-শুনাৰ পৰিৱেশেও মেলানি মাগিবৰ উপক্ৰম। অথচ ৰাইজেও এৰিব নোৱাৰে। জীৱন-মৰণ সমস্যা। গাঁওখনৰ মান-সন্মানৰ কথাও জড়িত হৈ আছে।

প্ৰসেন— অ' প্ৰসেন- আহ- ভাত বাঢ়িছো— খাহি— প্ৰসেনৰ মাকে প্ৰসেনক ভাত খাবলৈ মতাতহে সি যেন সাৰ পালে— ইমান পৰে সি আন এখন ৰাজ্যত বিচৰণ কৰি আছিল।

ৰুমৰ পৰা ওলাই সিহঁতৰ দুৱাৰ মুখতে থকা ৰাজহুৱা দমকলটোত খৰখেদাকৈ গা ধুই প্ৰসেন আহি মজিয়াত ইতিমধ্যে বাঢ়ি থোৱা ভাতৰ পাতত বহিল। পিতাক ৰজত মেম্বৰে ভাত খাবলৈ আৰম্ভই কৰিছিল।

ঃ পৰীক্ষা ভাল হ'ল নে প্ৰসেন— পিতাকে ভাত খাই খাই সুধিলে।

ঃ অ' পিতা পৰীক্ষা ভালেই হৈছে।

অ'— পঢ়া কামটোতহে জোৰ দি থাক। কাকতলৰ কথা, গাগেলিৰ কথা ভাবি ভাবি সময়বোৰ আৰু নষ্ট কৰিব নালাগে। গাঁওখনৰ মানুহবোৰেই সেইবোৰ কৰি থাকিব। তদুপৰি গাঁওখনো আগৰ গাঁও হৈ থকা নাই। ইতিমধ্যে কেইবাজনো গাগেলিৰ বিৰুদ্ধে, গাঁৱৰ বিৰুদ্ধে হৈ শৰতপুৰৰ দুন্দুভিহঁতৰ ভৰিত পৰিছে। গাগেলিৰ মাটি বেদখল কৰা সেই বদমাছহঁতে ভালেমান মানুহক সিহঁতৰ ফলীয়া কৰি লৈছে। দুন্দুভিৰ টকা-পইচা খোৱা সেই বদমাচহঁতে গাঁওখন ভাঙিব যেনহে পাওঁ। গাঁৱৰ একতা ভাঙো ভাঙো হৈছে, গাগেলিও যাব যেন পাওঁ— ভাত খাই থকা অৱস্থাতে দুখেৰে কথাখিনি ক'লে ৰজত মেম্বৰে আৰু প্ৰসেনক ভালকৈ পঢ়িবলৈ উপদেশ দিলে। ভাত খাই থকা প্ৰসেনৰ

মনত বৰ বেজাৰ লাগিল। কোনো মতে মাকে ৰন্ধা একমাত্ৰ শাকৰ আঞ্জাখনেৰে ভাত কেইটা খাই সি তাৰ নিজৰ ৰুমটোলৈ আহি বেজাৰতে বিছনাখনত দীঘল দি পৰিল। কেতিয়া তাৰ টোপনি আহিল— সি গমকেই নাপালে। সন্ধিয়া মাকে মতাতহে সি সাৰ পালে।

ঃ আই, অ' আই, মই অহাকালি পুৱাই পেহীহঁতৰ ঘৰলৈ যাম। চৌথা দিনা ৰহিলা বাইৰ বিয়া। এইকেইদিন তাতেই থাকি বিয়াৰ পিছদিনা গুৱাহাটীলৈ যাম। গুৱাহাটীতে থাকিম। দুটা টিউচন ঠিক কৰি থৈছো। মোৰ খৰচৰ কথা তহঁতে ভাবিব নালাগে। মই কিবাকৈ যোগাৰ কৰি চলিম। প্ৰসেনৰ কথাখিনি ভাত খাই উঠি হোকাটো হুপি থকা প্ৰসেনৰ পিতাক ৰজত মেম্বৰেও শুনিলে।

ঃ কিয়— মই তোৰ খৰচৰ বাবে গাগেলিৰ কাষৰ মাটি এবিঘা প্ৰভাত মহৰীৰ তাত বন্ধকত থ'বলৈ ঠিকে কৰি থৈছো নহয়?

ঃ নালাগে, নালাগে পিতা, মাটি আৰু বন্ধকত থ'ব নালাগে। কিবাকৈ খেতিখন কৰি তহঁতে ভাতমুঠিৰ যোগাৰ কৰিবলৈ যত্ন কৰ। আৰুনো কিমান লঘোণে থাকিব দেবু, ধন, খৰ্গহঁত। আইয়ে আৰু কিমান দিন এনেকৈ হাড়ভগা পৰিশ্ৰম কৰি থাকিব— কথাখিনি কৈ *ঠেলি-হেঁচি* ভাতকেইটামান পেটত সোমাই কাঁহীতে হাতখন ধুই প্ৰসেন ভাত খোৱাৰ পৰা উঠিল আৰু তাৰ ৰুমলৈ গ'ল।

ৰুমত সোমাই বিছনাত বাগৰি দি প্ৰসেনে কলেজৰ বন্ধু এজনৰ পৰা অনা মেক্সিম গৰ্কিৰ 'মা' উপন্যাসখন পঢ়াত লাগিল। গাঁওখনৰ বৰ্তমান পৰিস্থিতিৰ বিষয়ে পিতাকৰ পৰা শুনা কথাখিনিৰ পাছত প্ৰসেনৰ গাঁওলৈ বিশেষকৈ বৰপুখুৰী পাৰলৈ ওলাই গৈ বন্ধু-বান্ধৱক লগ ধৰাৰ ইচ্ছা নোহোৱা হ'ল। মনে মনে সি কিছু বছৰৰ বাবে গাগেলিৰ কথাবোৰৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ স্থিৰ কৰিলে। এম. ই. স্কুলত পঢ়ি থাকোতেই তাৰ শিক্ষাগুৰু দয়াল শৰ্মাই পাঠ এটা পঢ়াওতে কোৱা— "ভীমৰ গদা ঘূৰাবলৈ হ'লে ভীমৰ বল অৰ্জন কৰিব লাগিব" কথাষাৰৰ তাৎপৰ্য এতিয়াহে সি বুজি পাবলৈ সক্ষম হ'ল। পঢ়া-শুনা, ক্ষমতা আদিত নিজকে প্ৰস্তুত নকৰালৈকে সি আৰু গাগেলিৰ কথা নাভাবে। কিন্তু গাগেলিক উদ্ধাৰ কৰা, গাগেলিক অক্ষত অৱস্থাত ৰখাৰ বাবে, গাগেলিৰ গৰখীয়া হিচাপে সি যি দৃঢ় সংকল্প লৈ থৈছে— সেই সংকল্প সি নেৰে— সেই সংকল্প এদিন সি বাস্তৱত পৰিণত কৰি গাগেলিৰ গৰখীয়াৰ দায়িত্ব পালন কৰিব।

ঃ তই দেখোন এই বোৱাৰী পুৱাতে কাপোৰ-কানি পিন্ধিলি? ক'লৈনো যাৱ ইমান পুৱাতে?— ডাঙৰ ঘৰৰ কাঠিখন মচি মচি লংপেণ্ট আৰু চাৰ্টটো পিন্ধি চোতালতে চাৰ্টৰ হাত এখন কোচাই থকা প্ৰসেনক মাক মায়াৱতীয়ে সুধিলে।

ঃ পেহীহঁতৰ ঘৰলৈ যাওঁ— আজি আৰু কাকোৱে চাইকেল নোখোজো। পৰহি

ৰোহিলা বাইৰ বিয়া। বিয়াৰ পিছদিনা গুৱাহাটীলৈ যাম। খোজকাঢ়ি যাম বাবে সোনকালেই ওলালো। ত্ৰিনাথ নগৰতো দুজনমান বন্ধুক লগ পাব লগা আছে। কেটলিত চাহ আছে যদি আৰু একাপ দে— প্ৰসেনে ক'লে।

ঃ যা তেনেহ'লে, পেহীয়েৰক কবি আমি অহাকালি আবেলি যাম। পিতেৰাও যাব। কেটলিটোত চাহ আছে। খা গৈ। গুৱাহাটীত ভালকৈ চলা-ফুৰা কৰিবি। দিন-কাল যেনেহে হৈছে।

প্ৰসেনে জুহালত থকা কেট্‌লিটোৰ পৰা কাহৰ বাটি এটাত এবাটি চাহ লৈ খালে আৰু মাক আৰু পিতাকক সেৱা কৰি পেহীয়েকহঁতৰ ঘৰলৈ গ'ল। যাওঁতে মণ্ডলুহঁতৰ ঘৰত সোমাই মণ্ডলুহঁতক মাত লগাই গ'ল। সি হঠাৎ যাবলৈ ওলোৱাত মণ্ডলু আচৰিত হ'ল।

"বয়সত বহুত সৰু হ'লেও একেলগে ইমান দিনে গাগেলিত গৰু চৰাই, মাছ মাৰি সমান বয়সৰ হৈ পৰিছিলো- তয়ে-ময়ে। গাঁৱৰ মানুহে তোক বোলে গাগেলিৰ গৰখীয়া আৰু মোক বোলে গাগেলিৰ ঘোৰাপাক। গাগেলিৰ গৰখীয়া নাম পালেও এই এদিন গাগেলিৰ গৰু ৰখীয়াৰ দৰে দেশৰো ৰখীয়া হ'ব লাগিব। ভালকৈ পঢ়িবি। তই পাৰিবি। তোক দিবলৈ ঘৰত একো নাই যদিও এইখিনি লাৰু গুড়া, খুড়ীয়েৰেই তোৰ বাবে কৰিছে। লৈ যা। চাহৰ লগত খাবি"— বুলি চকুৰ পানীখিনি মচি মণ্ডলুৱে লাৰু-গুড়াৰ সৰু টোপোলাটো প্ৰসেনৰ হাতত দিলে। প্ৰসেনে সেইটো বেগত ভড়াই লৈ মণ্ডলুহঁতৰ ঘৰৰ পৰা ওলাই ত্ৰিনাথ নগৰলৈ বুলি খোজ ল'লে।

দুপৰ বেলা, প্ৰসেনে ত্ৰিনাথ নগৰৰ পৰা গৈ পেহীয়েকহঁতৰ ঘৰ পালে। ৰহিলা বায়েকৰ বিয়া— গোটেই ঘৰখন উদুলি-মুদুলি, উদুলি-মুদুলি গোটেই গাঁওখন। চায়না দিয়াই চায়না দিছে— বজাৰ কৰাই বজাৰ কৰিছে। কেইজনমানে গোহালি ঘৰটো ভাঙি বিয়াৰ মানুহ বহিব পৰাকৈ চাফ-চিকুণ কৰিছে। প্ৰসেনেও কাপোৰ সলাই চায়না দিয়া কামত লাগি গ'ল। মাজতে ৰহিলা বায়েকে হাতেৰে ইংগিত দি প্ৰসেনক মাতিলে।

ঃ কি হ'ল বাই

ঃ বলচোন প্ৰসেন— নীৰাহঁতৰ ঘৰৰ পৰা আহো।

ঃ মই নাযাও— লাজ লাগে।

ঃ যা, যা লাজ কৰিব নালাগে— লংপেণ্ট আৰু চাৰ্টটো পিন্ধি আহ।

বায়েকৰ কথা এৰাব নোৱাৰি প্ৰসেন ৰহিলা বায়েকৰ লগত নীৰাহঁতৰ ঘৰলৈ গ'ল। নীৰাৰ বাহিৰে ঘৰত কোনো নাই। নীৰাৰ মাক-পিতাক ৰহিলাহঁতৰ ঘৰতে কাম কৰি আছে।

ঃ অ' ৰহিলা বাই— আহ ঘৰৰ ভিতৰলৈ আহ।

ঃ চাহিচোন মোৰ লগ কোন আহিছে।

নীৰা কাঁথিলৈ ওলাই আহিল। ৰহিলাৰ লগত প্ৰসেনক দেখি নীৰা অপ্ৰস্তুত হোৱাৰ দৰে হ'ল। ইতিমধ্যে ৰহিলা আৰু প্ৰসেনে নীৰাহঁতৰ ডাঙৰ ঘৰৰ মজিয়া পালে। দুয়ো মজিয়াৰ বিছনাখনতে বহিল।

ঃ অলপ বহ বাই— মই চাহ কৰো— নীৰাই ক'লে— নাই, নাই চাহ কৰিব নালাগে— আমি চাহ খায়েই আহিছো।

ঃ অ' নীৰা- পৰহিটো মোৰ বিয়া হৈ যাব। তহঁতক এনেকৈ লগ লগাই দিয়া মানুহতো আৰু নোলাব। আজিয়েই মনৰ কথাবোৰ পাতি ল' ভালকৈ। মই হ'লে তহঁত দুটাৰ মিলন হোৱাটো বিচাৰো। অৱশ্যে তহঁতৰ বিয়া পাতিবৰ সময় হোৱা নাই। আজি কিন্তু দুয়ো মোৰ আগত কথা দিব লাগিব।

ঃ কি কথা বাই— প্ৰসেনে সুধিলে।

ঃ তহঁত দুটাই ভৱিষ্যতে ইজনে-সিজনক নেৰাৰ কথা— বিয়া হোৱাৰ কথা।

নীৰাই তলমুৰ হৈ ৰহিলাৰ কথাখিনি শুনি আছিল। প্ৰসেনে কি ক'ব কি নক'ব— ভাবি লাজত ৰঙা-চিঙা পৰিল।

ঃ ঘৰত কোনো নাই— ময়েই চাহ কৰো দে। তহঁত দুটাই মনৰ কথাবোৰ খোলা-খুলিকৈ পাত— বুলি কৈ ৰহিলাই পাকঘৰলৈ গ'ল।

প্ৰসেন আৰু নীৰা। দুয়ো কিছু সময় শিল পৰা কপৌৰ দৰে বহি ৰ'ল। প্ৰসেনেও কি ক'ব ভাবি নাপাই নীৰাক তাৰ ওচৰলৈ মাতিলে। নীৰা প্ৰসেনৰ ওচৰলৈ আহিল। নীৰাক আচৰিত কৰি প্ৰসেনে নীৰাক সাবটি ধৰি মৰম কৰিলে। নীৰাই চকু মুদি প্ৰসেনৰ বুকুৰ মাজত সোমাই পৰিল। দুয়ো কিছু সময় তেনেকৈয়ে থাকিল।

অই নীৰা— চাহপাত ক'ত অ'— বিচাৰি পোৱা নাই- বুলি কোৱাতহে সিহঁতৰ সম্বিৎ ঘুৰি আহিল। ৰহিলা বায়েকে সিহঁতৰ প্ৰেম নিবেদন দেখিলে— এনে ভাবলৈ লাজত মৰা যেন হ'ল নীৰা— তথাপি তাই ৰহিলা বায়েকৰ ওচৰলৈ গৈ চাহপাতৰ টেমাটো বিচাৰি দিলে। ৰহিলাই হাঁহি হাঁহি নীৰা 'মইতো কেইদিনমান পাছত গাঁও এৰি শহুৰৰ ঘৰ পাম— তহঁতে কিন্তু ইয়াতকৈ বেছি আগ নাবাঢ়িবি' বুলি টিপ্পনী এটা দি চাহ তিনিকাপ আনি পুনৰ মজিয়াৰ বিছনাখনত বহি চাহ খালে। চাহ খাই থাকোতে নীৰাৰ মাক গৈ ঘৰ পালে। ৰহিলা আৰু প্ৰসেনেও ৰহিলাহঁতৰ ঘৰলৈ আহিবলৈ থিয় হ'ল।

ঃ প্ৰসেন বাপা, ৰহিলা নহলেও মাজে মাজে আমাৰ ইয়ালৈ আহি থাকিবা— নীৰাৰ মাকে প্ৰসেনক ক'লে।

ঃ হ'ব- হ'ব পেহী— বুলি কৈ প্ৰসেন ৰহিলা বায়েকৰ লগত ৰহিলাহঁতৰ ঘৰলৈ আহিল।

ৰহিলাৰ বিয়াখন ভালে ভালে হৈ গ'ল। বিয়াখন যোৱা আঘোণ মাহতে হোৱাৰ

কথা আছিল যদিও দৰা ঘৰৰ বিশেষ এটা অসুবিধাৰ বাবে বহাগ পালে। প্ৰসেনক সকলো সময় আৰু সকলো বিষয়ত উৎসাহ উদ্দীপনা দি থকা শুভাকাংক্ষীসকলৰ অন্যতম ৰহিলা বায়েক। দৰা ঘৰৰ মানুহৰ লগত কান্দি কান্দি গছৰ পাত সৰুবাই দৰা ঘৰলৈ যোৱাৰ সময়ত প্ৰসেনকো শোকে খুন্দা মাৰি ধৰিলে। গোটেই বিয়াঘৰত কান্দোনৰ ৰ'ল উঠিল। নীৰায়ো কান্দোনত ভাগি পৰি অসহনীয় বেদনাৰে ঘৰলৈ গ'ল। গাঁওখনৰ সকলোৰে দুঃখ-সুখত মাত এষাৰ দি সকলোৰে সুখ-দুঃখৰ সমভাগী হোৱা ৰহিলাৰ পতিগৃহলৈ যোৱাৰ দৃশ্যই সকলোকে কন্দুৱালে। দৰাঘৰৰ বাছখনতে কইনা ৰহিলা পতিগৃহলৈ গ'ল। প্ৰসেনেও প্ৰায় আঠমান বজাত বিয়াঘৰৰ পৰা বেগটো কান্ধত ওলোমাই লৈ ত্ৰিনাথ ৰেল ষ্টেচনলৈ গ'ল। দুখে-বেজাৰে খোজ কাঢ়ি যাওঁতে কেতিয়া সি ষ্টেচন পালে ক'বকে নোৱাৰিলে। ধুবুৰী পেচেঞ্জাৰখনত সি গুৱাহাটীলৈ যাব। পেচেঞ্জাৰ ট্ৰেইনখন দহ বজাতহে ষ্টেচন পাব। ত্ৰিনাথ নগৰৰ সাপ্তাহিক বজাৰ বাৰ আছিল সেইদিনা। সি এনেয়ে এপাক বজাৰৰ পিনে বজাৰ চাবলৈ গ'ল। ষ্টেচনটোৰ পিছৰ পৰাই বজাৰখন বহিছে। ত্ৰিনাথ নগৰৰ ওচৰ-পাজৰৰ গাঁৱৰ খেতিয়কসকলে নিজৰে ঘৰত কৰা নানা তৰহৰ শাক-পাচলি, নানাবিধ অত্যাৱশ্যকীয় সামগ্ৰী, তামোল-পাণ নাৰিকল আদি আগত লৈ কোনোবাই থিয় হৈ কোনোবাই বস্তুবোৰ লগত লৈ থকা সৰু টুলত বহি গ্ৰাহকলৈ অপেক্ষা কৰি আছে। এই দৃশ্য প্ৰসেনৰ বৰ ভাল লাগে। বজাৰখনৰ এমূৰৰ পৰা এই দৃশ্য চাই চাই প্ৰসেন অভিভূত হৈ পৰিল। ষ্টেচনলৈ ঘূৰি আহি সি তাৰ পকেটত থকা এখিলা আঠা ফটা কাগজত 'জীৱনৰ ৰং' নামৰ কবিতা এটা লিখি পেলালে। কবিতাটো লিখি থাকোতেই ট্ৰেইনৰ ঘণ্টি বাজিল। প্ৰসেনে টিকট এটা কাটি আনিলে। কিছু সময় পিছত ট্ৰেইনখন আহিল। ট্ৰেইনখনত উঠি প্ৰসেনে গুৱাহাটীলৈ বুলি যাত্ৰা কৰিলে। চিন্তাৰ সাগৰত ডুবি থকা প্ৰসেনৰ ট্ৰেইনতে টোপনি আহিল। গুৱাহাটী ৰেল ষ্টেচন পোৱাতহে তাৰ টোপনি ভাগিল। লৰা-লৰিকৈ বেগটো হাতত লৈ সি ট্ৰেইনৰ পৰা নামি মেচলৈ খোজ কাঢ়ি গ'ল। তেতিয়া দুপৰীয়া প্ৰায় দুটামান বাজিছিল। প্ৰসেনে মেচ পাই ষ্টোভটো জ্বলাই ভাত অলপ বহাই দিলে। আলু পিটিকাৰে কেইটমান ভাত খাই প্ৰসেন বিছনাত পৰিল। গভীৰ নিদ্ৰাই প্ৰসেনক তৎক্ষণাৎ নিদ্ৰামগ্ন কৰিলে।

ঃ প্ৰসেন— অ' প্ৰসেন কেতিয়া আহিলা— প্ৰায় চাৰিটামান বজাত ক্লাছ কৰি আহি শিৱনাথে প্ৰসেনহঁতৰ ৰুমটোৰ দুৱাৰখন খোলা দেখি ৰুমটোলৈ ভুমুকিয়াই চাই প্ৰসেনক দেখি সুধিলে। শিৱ নাথৰ মাতত থতমত খাই প্ৰসেন বিছনাত বহি পৰিল আৰু 'অলপ আগতে আহি পালো'- বুলি ক'লে।

ঃ কথা এটা কওঁ— শিৱনাথে ক'লে।

ঃ কওক।

ঃ আমাৰ মেচটোৰ পিছপিনে থকা বৰুৱা ছাৰে মোক কেইবাদিনো ধৰি তেওঁৰ ছোৱালী দুজনীক টিউচন কৰাৰ বাবে তোমাক ঠিক কৰি দিবলৈ কৈ আছে। মইয়ো হ'ব বুলি এক প্ৰকাৰ কথা দি দিছো। তুমি কিন্তু না কৰিব নোৱাৰো। মোৰ সন্মানৰ কথা আছে—

কোন ক্লাছত পঢ়ে

ঃ এজনী অষ্টম শ্ৰেণীত আৰু আনজনী পঞ্চমানত। অকল ইংৰাজী শিকালেই হ'ব বোলে।

ঃ বাৰু চাওচোন— দুটা টিউচনটো আছেই। কেনেকৈ মিলাব পাৰো চাও— বৰুৱা ছাৰক কাইলৈ জনাম বুলি ক'ব।

এনেকৈয়ে প্ৰসেনৰ জীৱন-যুঁজৰ নতুন দিশ এটা আৰম্ভ হ'ল। সি এতিয়া চাৰিটা টিউচন কৰে। চাৰিটা টিউচনৰ পৰা পোৱা টকাখিনিয়েই তাৰ এতিয়া গুৱাহাটীত থকাৰ প্ৰধান সম্বল। হৰিচৰণ, শিৱনাথ আৰু বোধনে ইতিমধ্যে তাৰ খোৱা-বোৱাৰ দায়িত্বটো লৈছেই। খোৱা-বোৱাৰ চিন্তাৰ পৰা সি মুক্ত।

জুলাই মাহ। হঠাৎ হৰিচৰণ একপ্ৰকাৰ দৌৰি আহি মেচত সোমাল। তেওঁ চিঞৰ-বাখৰ লগাই হুলস্থুল লগালে। প্ৰসেনে আৰু শিৱ নাথ ভাত খাই আছিল। জুলাই মাহৰ তিনি তাৰিখ আছিল সেইদিনা। হৰিচৰণৰ আনন্দ ভৰা চিঞৰ-বাখৰ সিহঁতে বুজি পোৱা নাই।

ঃ মুৰ্গীৰ মাংসৰে খানা এটা যদি খুওৱা তেনেহ'লে মই ভাল খবৰ এটা দিব পাৰে— হৰিচৰণে প্ৰসেন আৰু শিৱনাথে ভাত খাই থকা অৱস্থাতে ৰান্ধনি ৰুমত সোমাই কথাষাৰ ক'লে।

ঃ কি ভাল খবৰ দে— খানা এটা কিয়, দুটা খুৱাম— শিৱনাথে ক'লে।

ঃ তই ক'লে নহ'ব— প্ৰসেনে ক'ব লাগিব- খবৰটো প্ৰসেনৰহে। হ'ব, হ'ব- আগতে খবৰটো কোৱা- খুৱাম বাৰু মুৰ্গীৰে খানা— প্ৰসেনে ক'লে।

ঃ তোমালোকৰ পৰীক্ষাৰ ৰিজাল্ট দিছে। তুমি প্ৰথম বিভাগত পাছ কৰিছা। লজিক, সংস্কৃত আৰু বুৰঞ্জীত লেটাৰো পাইছা— বুলি হৰিচৰণে কোৱাৰ লগে লগে শিৱনাথে আনন্দত চিঞৰি উঠিল। প্ৰসেনৰ সৰ্ব শৰীৰৰ এক নামহীন আনন্দই পুলকিত কৰি তুলিলে। সি ভাতৰ হাতেৰে হৰিচৰণক সাবটি ধৰিলে, শিৱনাথকো। বোধনে গধুলিহে মেচলৈ আহি খবৰটো পালে। ৰাতি সিহঁত আটায়ে লগ ভাত খাই স্ফুৰ্তি কৰিলে। পিছদিনা পুৱাই বোধনে বিশটা গোল্লা কিনি আনিলে। প্ৰসেন আৰু বোধন বলীন কম্পাউণ্ডাৰৰ ঘৰলৈ গ'ল। বলীন কম্পাউণ্ডাৰ আৰু তেওঁৰ পত্নীয়ে প্ৰসেনৰ ৰিজাল্ট পাই খুবেই আনন্দিত হ'ল।

ঃ বুজিছা প্ৰসেন লক্ষ্য স্থিৰ থাকিলে প্ৰতিকূল অৱস্থাটো মানুহে ইপ্সিত আকাংক্ষা পূৰণ কৰিব পাৰে। মই বেছি পঢ়া-শুনা কৰা নাই। হাইস্কুলৰ সপ্তম শ্ৰেণীত পঢোতে মাষ্টৰ এজনে ক্লাছত এদিন কৈছিল— "A man of gallant can never be daunted by the obstacles of nature". প্ৰতিভা জন্মগত। সাধনা আৰু অনুশীলন থাকিলে প্ৰতিভা বিকশিত হ'বই। কোনো শক্তিয়ে বাধা দি ৰাখিব নোৱাৰে। এতিয়া বি.এ.টো ভালকৈ পঢ়া। মোৰ দৃঢ় বিশ্বাস আছে তুমি এদিন নিজৰ লগতে দেশ আৰু দহৰ উপকাৰ কৰি নিজ নামে উত্তম হ'বাই— বলীন কম্পাউণ্ডাৰে ক'লে। প্ৰসেনে চাহ-পানী খাই বলীন কম্পাউণ্ডাৰ আৰু তেওঁৰ পত্নীৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰি বোধনৰ লগত মেচলৈ আহিল।

কেইদিনমান পাছত কটন কলেজৰ বি, এ মহলাৰ এডমিচন আৰম্ভ হ'ল। প্ৰসেনে ফিল'চফীত অনাৰ্চ লৈ বি. এ.ত এডমিচন ল'লে। টিউচন কৰি পোৱা কেইটামান টকা লগতে হৰিচৰণ, শিৱনাথ আৰু বোধনে দিয়া টকাৰেই তাৰ এডমিচনৰ কাম হৈ গ'ল। সি এইবাৰ পঢ়াত অধিক মনপুতি লাগিব, আন কোনো কথাত বেছি গুৰুত্ব নিদিয়ে বুলি মনতে দৃঢ়তা অৱলম্বন কৰিলে।

তিনি বছৰীয়া বি. এ.ৰ প্ৰথম বছৰৰ ক্লাছ আৰম্ভ হ'ল। প্ৰসেনে নিয়মিতভাৱে ক্লাছ কৰিবলৈ ধৰিলে। টিউচন দুটাও সি নিয়মিতভাৱে কৰি থাকিল। তাৰ কেবাজনো লগৰ ল'ৰাই তাক কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হ'বলৈ খাটনি ধৰিলে। কেইদিনমান পাছতে ইলেকচন হ'ব। ইলেকচনত উঠিব লাগে। প্ৰসেনে সেই প্ৰস্তাৱ নাকচ কৰিলে।

ঃ সময়-সুযোগ বুজি মই কলেজখনৰ বাবে, দেশ আৰু দহৰ বাবে যি পাৰো কৰি যাম, কোনো বিষয়বাব লৈ মই এতিয়া কাম কৰিব নোৱাৰো, নকৰো- বুলি তাৰ বন্ধু কেইজনক সি স্পষ্টকৈ তাৰ মতামত জনাই দিলে। কলেজত ইলেকচনৰ বতাহ। নিৰ্বাচনী প্ৰচাৰ আৰম্ভই হৈছে। ক্লাছো চলি আছে। প্ৰসেন নিৰ্বিকাৰ। কেবাজনো প্ৰাৰ্থীয়ে অনুৰোধ কৰা সত্বেও কোনো প্ৰাৰ্থীৰ হৈ সি নিৰ্বাচনী প্ৰচাৰত নানামে বুলি তাক অনুৰোধ কৰা প্ৰাৰ্থীসকলক খাটাংকৈ জনাই দিছে। নিৰ্বাচন শেষ হ'ল। অনল বৰুৱা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হ'ল। ছাত্ৰ একতা সভাৰ কাৰ্যালয়লৈ গৈ প্ৰসেনে অনল বৰুৱাক অভিনন্দন জনালে। কলেজখনত ইতিমধ্যেই এজন জনপ্ৰিয় ছাত্ৰ হিচাপে সকলোৰে প্ৰিয়পাত্ৰ হোৱা প্ৰসেনৰ অভিনন্দন পাই অনল বৰুৱা কৃতাৰ্থ হ'ল।

চকুৰ নিমিষতে বছৰটো পাৰ হ'ল। প্ৰসেনে বি. এ. প্ৰথম বাৰ্ষিকৰ পৰীক্ষা দিলে। বহুত দিন ঘৰলৈ যোৱা নাই সি। পৰীক্ষা দি উঠি তাৰ মৰমৰ কাকতললৈ দুদিনমান

থকাকৈ গ'ল প্ৰসেন।

ঃ কোন অ' সেইটো, প্ৰসেন নেকি অ'— বুলি ৰাস্তাৰ কাষতে থকা নন্দনহঁতৰ বাঁহ চুপাত বাঁহ এটা কাটি বাঁহটো টানি টানি বাঁহ চুপাৰ পৰা উলিয়াই থকা মণ্ডলুৱে ৰাস্তাৰে গৈ থকা প্ৰসেনক সুধিলে।

ঃ অ' মণ্ডলুকা, মই প্ৰসেন।

ঃ এ তই ঘৰলৈ, গাঁওখনলৈ আহিবলৈয়ে এৰিলি।

ঃ নাই, নাই, এৰিম কিয় ? পঢ়াত কিছু জোৰ দিব লগা হোৱাত হে ঘনাই আহিব পৰা নাই— প্ৰসেনে ক'লে।

ঃ ৰহচোন ৰহ, অলপ ৰহ, মই গৈ আছো দুআষাৰ কথাকে পাতো- বুলি জোৰেৰে টান মাৰি বাঁহডাল বাঁহচুপাৰ পৰা উলিয়াই ৰাস্তাৰ কাষতে থৈ মণ্ডলুৱে ভাগৰত ৰাস্তাৰ কাষতে বহি পৰিল।

ঃ কিনো আহিবি অ' প্ৰসেন, কাকতল আৰু আগৰ কাকতল হৈ থকা নাই। গাগেলিখনে কাকতলৰ মানুহক ভাগ ভাগ কৰিলে। মানুহবোৰ বৰ স্বাৰ্থপৰ হ'ল। কেইজনমানে শৰতপুৰৰ দুন্দুভিহঁতৰ লগ লৈ গাঁওখনত দলাদলি সৃষ্টি কৰিলে। গাঁৱখনৰ এই সহজ-সৰল মানুহখিনি দুটা ভাগত ভাগ হ'ল। যি খিয়লা-খিয়লি, হিংসা-হিংসি কাকতলত পাবলৈ নাছিল সেইবোৰে এতিয়া কাকতলক বেৰি ধৰিলে। কোনোৱে কাকো নমনা হ'ল। গাঁৱখনৰ একতা বুলি বস্তু আৰু নাই। তই নাহি ভালেই কৰিছা দে। পঢ়ি ডাঙৰ মানুহ হৈ কিবা যদি কৰিব পাৰ কৰিবি”- বৰ আক্ষেপ আৰু বেজাৰত কথাখিনি কৈ মণ্ডলুৱে দীঘলকৈ হুমুনিয়াহ এটা কাঢ়িলে।

ঃ দুঃখ নকৰিবি মণ্ডলুকাই, সময়, পৰিবেশ আৰু পৰিস্থিতিৰ সলনি হৈয়েই থাকে। কাকতলত আগৰ ভাল পৰিবেশ আৰু পৰিস্থিতি বৰ্তমান নাই সঁচা, ই আকৌ সলনি হৈ আগৰ পৰিস্থিতি আৰু পৰিৱেশ ঘূৰি আহিব। তাৰ বাবে ধৈৰ্যৰে অপেক্ষা কৰিব লাগিব বুলি প্ৰসেনে মণ্ডলুক সান্ত্বনা দি ‘মই যাওঁ দে পিছত লগ পাম’- বুলি ঘৰলৈ গ'ল। ঘৰত ৰাতিটো থাকিল প্ৰসেন। পিতাক ৰজত মেম্বৰৰো আগৰ সেই উৎসাহী মন আৰু কৰ্মশক্তি যে নাই তাৰ বুজিবলৈ বাকী নাথাকিল। মাক মায়াৱতীয়ে প্ৰসেনেনো কেনেকৈ মেচত থকাৰ দিহা-মেলা কৰিছে তাক প্ৰসেনৰ পৰা জানি হুমুনিয়াহ কেইটামান কাঢ়িলে। পিতাকে অৱশ্যে একো নুসুধিলে। সহায় কৰাৰ সামৰ্থ্যতা নাই বাবেই হয়তো পিতাকে সেইবোৰ কথা সুধি নিজৰ দুঃখ-বেদনা বঢ়াই ল'ব নুখুজিলে। দুদিনমান থকাকৈ ঘৰলৈ আহিছিল যদিও ঘৰৰ দাৰিদ্ৰতাৰ ছবিখন দেখি ভায়েক-ভনীয়েকহঁতৰ লঘোণীয়া পেটৰ জ্বালাৰ উমান পাই প্ৰসেনে পিছদিনা পুৱাই গুৱাহাটীলৈ যোৱাটো ঠিক কৰিলে। ৰাতি উজাগৰী নিশাটোত ঘৰখনৰ কথা ভাবি ভাবি সি একপ্ৰকাৰ অতিষ্ঠ হৈ পৰিল।

ৰাতিপুৱাই এবাটি পানী খাই বেগটো কান্ধত ওলোমাই লৈ সি গাঁৱখনৰ কোনো বন্ধু বান্ধৱৰে খবৰ নকৰাকৈ কাহিলি পুৱাতে খোজ কাঢ়ি ত্রিনাথ নগৰলৈ গ'ল। সি যোৱাৰ সময়ত দুঃখ-যন্ত্রণাত ভাৰাক্রান্ত পিতাক ৰজত মেম্বৰ বিছনাত আৰু মাক মায়াৱতীয়ে গাৰ কাপোৰখনেৰ চকুপানী মচি চোতালৰ একোনত থিয়হৈ তালৈ সতৃষ্ণ নয়নে চাই আছিল। ঘূৰি চাই মাকৰ চকুপানী মচা দৃশ্যটো দেখি তাৰ চকুৰেও চকুপানী ওলাই আহিছিল।

ঃ কি হে, পুৱাই পুৱাই কৰ পৰা ওলালা- ধুবুৰী পেচেঞ্জাৰখনৰ অপেক্ষাত ত্রিনাথ ষ্টেচনৰ বেঞ্চ এখনত বহি থকা প্রসেনক কোনোবাই পিছপিনৰ পৰা হঠাৎ মাত দিয়াতঘূৰি চাই নৰনাৰায়ণক দেখি সি আচৰিত হ'ল।

ঃ তুমিনো কৰ পৰা কলৈ যাবলৈ আহিলা প্রসেনে ওলোতাই সুধিলে নৰনাৰায়ণক।

ঃ মই যোৱাকালি ঘৰলৈ আহিছিলো। বিশেষ কাম এটা আছে কলেজত। সেয়ে কলেজলৈ যাম বুলি আহিছো।

ঃ মইও যোৱাকালি বিশেষ কাম এটাত ঘৰলৈ আহিছিলো। এতিয়া গুৱাহাটীলৈ যাম বুলি ট্রেইনখনৰ বাবে বৈ আছো।

তোমাৰ ৰিজাল্ট পাইছো। বৰ ভাল লাগিছে। মোৰহে পিছে ভাল নহ'ল। সেয়ে বজালী কলেজতে বি. এছ. চি.ত এডমিচন লৈছো। — নৰনাৰায়ণে ক'লে।

ঃ মই অলপতে গুৱাহাটীত দীপক লগ পাইছিলো। তেওঁৰ পৰা সকলো খবৰ পাইছো আমাৰ বন্ধুবর্গৰ। তোমাৰ খবৰো পাইছো।

ঃ মোৰ বাছখন আহিবৰ হৈছেই। এখনে বাছ পাঠশালালৈ। মই যাও পিছত লগ পাম। এদিন আমাৰ ঘৰলৈ বন্ধত থকাকৈ আহিবা— বুলি কৈ নৰনাৰায়ণে ষ্টেচনৰ পৰা লাইন বাছ ষ্টপেজলৈ গ'ল।

নৰনাৰায়ণ যোৱাৰ পাছত প্রসেন ষ্টেচনৰ বেঞ্চখনত আকাশ-পাতাল ভাবি অকলে বহি থাকিল। ট্রেইনখন দহ বজাতহে আহিব। দহ বাজিবলৈ এতিয়াও প্রায় ডেৰঘণ্টা বাকী। প্রসেনে তাৰ বেগত থকা কাঞ্চন বৰুৱাৰ 'অসীমত যাৰ হেৰাল সীমা' উপন্যাসখন উলিয়াই লৈ পঢ়িবলৈ ধৰিলে।

ঃ নীৰা, অ' নীৰা, সৌ বেঞ্চখনত বহি কিতাপ পঢ়ি থকাজন আমাৰ প্রসেনকা নহয়নে? চাচোন চা,— ত্রিনাথ ছোৱালী হাইস্কুলৰ ছাত্রী প্রসেনৰ পেহীয়েকৰ জীয়েক নিভাই প্রসেনৰ পিনে আঙুলি দেখুৱাই নীৰা মানে নৈৰঞ্জনাক সুধিলে।

ঃ অ' আই, হয়তো ব'লচোন ব'ল ওচৰলৈ যাওঁ বুলি- নীৰা আৰু নীভাই প্রসেনৰ ওচৰলৈ গ'ল।

প্রসেনে সেই সময়ত কিতাপখন হাতত লৈ চকু দুটা জপাই ঘৰখনৰ দাৰিদ্রতা,গাঁওখনৰ অধঃপতন, গাগেলিৰ দুৰবস্থাৰ কথা ভাবি দুখ আৰু বেদনাত বিধ্বস্ত

হৈ আছিল। সেই সময়ত সিহঁতৰ ক্লাছত এদিন সংস্কৃতৰ অধ্যাপক ড° বৰ্মনে পঢ়ি শুনোৱা গীতাৰ শ্লোক এটা তাৰ মনত পৰিছিল আৰু সেইটো সি মুখৰ ভিতৰতে গুণ্‌গুণাই আওৰাইছিল—

"সুখ-দুখে সমে কৃত্বা
লাভালাভৌ জয়াজয়ৌ
ততো যুদ্ধায় যুজ্যস্ব
নৈবং পাপমৱাপ্স্যসি"

(অৰ্থাৎ সুখ-দুঃখ, লাভ-ক্ষতি, জয়-পৰাজয় বিচাৰ কৰা উচিত নহয় কিয়নো জোখত সকলোটি সমান- সেয়ে গাণ্ডীৱ হাতত লৈ যুদ্ধ কৰা বুলি কৃষ্ণই অৰ্জুনক কৈছে।)

প্ৰসেনকা প্ৰসেনকা বুলি কোনোবাই তাক মতা শুনি চিলমিলীয়া টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে থতমত খাই সমুখলৈ চাই সি নিভা আৰু নীৰাক দেখিলে।

ঃ অ' তোমালোক স্কুললৈ আহিলা।

ঃ অ' স্কুললৈ যাবলৈ আহিলো।

ঃ পিছে তুমি হঠাৎ ইয়াত যে— নিভাই ক'লে।

ঃ অ' মই যোৱাকালি ঘৰলৈ আহিছিলো বিশেষ কাম এটাত। কাম হ'ল এতিয়া গুৱাহাটীলৈ যাম। ট্ৰেইনখনলৈ অপেক্ষা কৰি আছো— নিৰ্বিকাৰভাৱে কথাষাৰ ক'লে প্ৰসেনে।

ঃ আপোনাক বৰ দুৰ্বল যেন দেখা হৈছে, গা ভাল নহয় নেকি?— নীৰাই সুধিলে।

ঃ গা ভালেই, মনটো হে সিমান ভাল নহয়। পিছে তোমালোকৰ পঢ়া-শুনা কেনে চলিছে।

ঃ নীৰাৰ ভালেই মোৰ হে সিমান ভাল নহয় বুলি নিভাই তপৰাই উত্তৰ দি নীৰাক প্ৰসেনৰ লগত কথা পতাৰ সুবিধা দি প্ৰসেন আৰু নীৰাৰ কাষৰ পৰা অলপ আঁতৰি গ'ল। চিন্তাক্লিষ্ট প্ৰসেনৰ লগত কথা পাতিবলৈ নীৰাই ভয় কৰিলে। ভয়ে ভয়ে ভাল-বেয়া দুআষাৰমান কথা সুধি নীৰা গ'লগৈ। নীভাইও প্ৰসেনক মাত লগাই স্কুললৈ গ'ল। উকিয়াই উকিয়াই ধুবুৰী পেচেঞ্জাৰখনো আহি ষ্টেচন পালে। প্ৰসেনে ততাতৈয়াকৈ ট্ৰেইনখনত উঠিল। পাঁচ মিনিটমান পাছতে গগন ফলা উকি এটা মাৰি ট্ৰেইনখন গুৱাহাটী অভিমুখে গ'ল।

নিৰ্দিষ্ট সময়তকৈ প্ৰায় দুঘণ্টামান পলমকৈ ট্ৰেইনখন গুৱাহাটী ৰেল ষ্টেচন পালে। ট্ৰেইনতে প্ৰসেনে এজন চিনাকী ফেৰিৱালাৰ পৰা অলপ তৰকাৰীৰে দুখন শুকান ৰুটি খাইছিল। ট্ৰেইনৰ পৰা নামি সি এপাক কলেজলৈ গ'ল। 'কটনিয়ান'খনত প্ৰবন্ধ এটা দিয়াৰ কথা আছিল। 'কটনিয়ান'ৰ সম্পাদক প্ৰজ্ঞান দাসক প্ৰবন্ধটো দিবলৈ কটন কলেজ ছাত্ৰ একতা সভাৰ কাৰ্যালয়ত সোমাল।

ঃ কিহেআৰ্টিকুলটো দেখোন এতিয়াও নিদিলা। মেগাজিনখন ওলাবৰ হ'লেই। পগুলাৰ লেখকতো দিবলৈ চাগে টান পাইছা— বুলি ঠাট্টাৰ সুৰত ক'লে প্ৰজ্ঞান দাসে প্ৰসেনক।

নাই, নাই, হঠাৎ ঘৰলৈ যাব লগা হোৱাত পলম হ'ল। এই লওক বুলি 'অসমীয়া সাহিত্যৰ বিকাশত কটনিয়ানৰ ভূমিকা' শীৰ্ষক প্ৰবন্ধটো প্ৰজ্ঞান দাসক দিলে। প্ৰজ্ঞানেও ধন্যবাদ Better late then never. বুলি কৈ প্ৰবন্ধটো তেওঁৰ ফাইল এটাত সোমাই থলে।

আবেলি পাঁচমান বজাত প্ৰসেনে মেচ পালে। ইতিমধ্যে হৰিচৰণ আৰু শিৱনাথে মেচৰ বাৰাণ্ডাত বহি কথা পাতি আছিল। প্ৰসেনক দেখি দুয়ো আচৰিত হ'ল। প্ৰসেনে দুই-চাৰিদিন থাকিব বুলি ঘৰলৈ গৈছিল হঠাৎ দেখোন এদিন থাকিয়েই গুচি আহিল। শিৱনাথে মন্তব্য কৰি ক'লে—

ঃ কি হে প্ৰসেন দুই-চাৰিদিনমান থাকিম বুলি ঘৰলৈ গৈ হঠাৎ এদিন থাকিয়েই গুচি আহিলা কি হ'ল- হৰিচৰণে আচৰিত হোৱাদি হৈ প্ৰসেনক সুধিলে।

ঃ নাই, ভাল নালাগিল ঘৰত। সেয়ে ৰাতিটো থাকিয়েই গুছি আহিলো।

ঃ কিন্তু কিয় ভাল নালাগিল? তুমিতো ঘৰখনক, কাকতলক আৰু তোমাৰ গাগেলিক প্ৰাণতকৈ বেছি ভাল পোৱা। কি এনে ঘটনা ঘটিল যে প্ৰাণতকৈও ভাল পোৱা ঘৰখনক, কাকতলখনক তোমাৰ ভাল নলগা হ'ল— হৰিচৰণে ক'লে।

সেইবোৰ বহুত কথা। সেইবোৰ আলোচনা কৰি মই আৰু হৃদয়খন দুখৰ পানীত তিয়াই থাকিব নোখোজো।

ঃ হওতে হয়, কেতিয়াবা বৰ প্ৰিয় বস্তুটোও, বৰ প্ৰিয়লোকও ভাল নলগা হয়, অপ্ৰিয় হৈ পৰে। পৰিৱেশ আৰু পৰিস্থিতিয়ে মানুহৰ মন সলনি কৰে। কথাটো কয় বোলে—'Man is the slave of environment' শিৱনাথে মন্তব্য কৰিলে।

ঃ সেইবুলি তুমি দুখ-বেজাৰ কৰি নাথাকিবা। সকলো কথা, সকলো সুখ-দুখ, সকলো পৰিৱেশ পৰিস্থিতি হজম কৰি নিজৰ কৰ্তব্য কাম কৰি যোৱা। কোনো কামৰে ফল আশা নকৰিবা। তুমি কবি মানুহ। তুমিটো পঢ়িছাই কবি আনন্দ চন্দ্ৰ আগৰৱালাই 'জীৱন-সংগীত' কবিতাটোৰ শেষত কি লিখিছে— তেওঁ লিখিছে—

"শিকা সবে পৰিশ্ৰম শিকাহে নীতি ধৰম
নেভাবিবা সুখ-দুখ কিনো কপালত
কৰ্তব্যৰ পাছে ল'ৰা ক্ৰমাগত কাম কৰা
ফলাফল ফল দাতা বিভুৰ হাতত"

গীতাটো ভগৱান শ্ৰীকৃষ্ণই কৈছে—

"পৰিত্যজি ফলৰ আসক্তি, কৰা তুমি কৃত্য কৰ্ম
মানুহৰ সাধনাৰ লক্ষ্য সিযে জয় কৰা চূড়ান্ত শিখৰ,

সফলতা মাথোঁ সিজনৰ কপালতে লেখা
চালিত হয় যিজন প্ৰেৰণাৰে নিৰ্মোহ কৰ্মৰ।”

হৰিচৰণ আৰু শিৱনাথে প্ৰসেনক আধ্যাত্মিক কথাবোৰ কৈ প্ৰসেনৰ মনটো কিছু প্ৰফুল্লিত কৰিলে। সন্ধিয়া সিহঁত আটাইকেইজন গুৱাহাটী ক্লাবৰ পিনে ফুৰিবলৈ গ'ল। অলপ বজাৰো কৰি লৈ আহিল। বোধনো ইতিমধ্যে আহি পালে। স্ফুৰ্তিবাজ হৰিচৰণে তাৰ কমলৈ শিৱনাথ প্ৰসেন বোধন আটাইকে মাতিলে। হৰিচৰণে বাঁহীটো, শিৱনাথে দদৰাটো, প্ৰসেনে জুৰিযোৰ লৈ গীতৰ শৰাই পাতিলে। প্ৰথমতে প্ৰসেনে লোকগীত এটা গাবলৈ কোৱাত গালে। তাৰ পাছত বোধনক আটাইয়ে লোকগীত এটা গাবলৈ ধৰাত বোধনে হিয়া উজাৰি লোকগীত এটা গাব ধৰিলে—

“অ' সদাশিৱ এ, অ' বিবাহ কৰিবাৰ মন
অ' আনিলা ব্ৰহ্মাক মাতি কৰিলা বিয়াৰ খাটি
হৰ গৌৰীৰ হৰষিত মন”

তেনেকৈ হৰিচৰণেও ড° ভূপেন হাজৰিকাৰ বুকু হম হম কৰে মোৰ আই/ কোনে নিদ্ৰা হৰে মোৰ আই— গীতটো গালে। আটাইকেইজনে মেচটোত এক স্বৰ্গীয় পৰিবেশ সৃষ্টি কৰিলে। সকলো দুখ-যন্ত্ৰণা পাহৰি আটাইকেইজনে ক্ষন্তেকৰ কাৰণে হ'লেও সুখৰ ক্ষীৰোদ সাৰগত অৱগাহন কৰিলে।

(এঘাৰ)

অনিৰুদ্ধ গতিত দিনবোৰ পাৰ হ'বলৈ ধৰিলে। প্ৰসেন একান্তমনে পঢ়াত লাগিল। সামাজিক কামবোৰৰ পৰা নিজকে কিছু বছৰ আঁতৰত ৰাখিবলৈ সি দৃঢ় প্ৰতিজ্ঞ হ'ল। তাৰ মৰমৰ কাকতল, কৈশোৰ আৰু শৈশৱৰ পূতভূমি গাগেলি আৰু অসমৰ বিভিন্ন সমস্যাৰ কথাই তাক প্ৰায়ে ব্যতিব্যস্ত কৰে যদিও এক প্ৰকাৰ জোৰ কৰিয়েই সেইবোৰত নালাগিবলৈ মনটো বান্ধি লৈছে সি। মাজে মাজে ঘৰৰ দাৰিদ্ৰতা আৰু ভায়েক-ভনীয়েকহঁতৰ কাৰুণ্যভৰা মুখবোৰ তাৰ চকুৰ আগত ভাঁহি উঠে যদিও ধৈৰ্যৰ কষটি শীলত সি সেইবোৰ থৈ দিলে। আৰু নৈৰঞ্জনা— নৈৰঞ্জনাইও তাৰ মনৰ মণিকোঠত সোমাই তাক বেদনা-বিধৌত অথচ পুলকভৰা সুখৰ নিজান নন্দন কাননলৈ লৈ যায় মাজে সময়ে। এনে সকলো বেদনা আৰু আনন্দৰে ভৰা বিহ্বলতাক হেলাৰঙে নেওচি জীৱন যুঁজত সি আগবাঢ়িবলৈ সংকল্পবদ্ধ। সি এতিয়া সব্যসাচী অৰ্জুন। গছডালত ওলোমাই

থোৱা মাছটোৰ চকু দুটাহে তাৰ লক্ষ্য এতিয়া। বিষয়-বাসনাৰ সকলো শিকলিৰ পৰা মুক্ত হৈ সি এতিয়া পঢ়াত লাগিব— কেৱল পঢ়াত। স্থিতপ্ৰজ্ঞ পুৰুষ হ'ব সি। কথাবোৰ ভাবোতে ভাবোতে তাৰ গীতাৰ শ্লোক এটালৈ মনত পৰিল—

"নিজকে যিজনে থিৰেৰে ৰাখিব জানে
কামনাৰ পৰশৰ পৰা
আঁতৰাই থ'ব জানে ইন্দ্ৰয়কে ইন্দ্ৰিয়ৰ বিষয়ৰ পৰা
শুনা তুমি মহাবাহু হেৰা ধনঞ্জয়
তেওঁকেই মাথোঁ, তেওঁকেই বোলে স্থিতপ্ৰজ্ঞ
অচল-অটল।

সেইবুলি বাহিৰৰ পৃথিৱীখনৰ খবৰ যে সি নাৰাখিব তেনে নহয়— ৰাখিব। ক্লাছ কৰাৰ লগতে প্ৰসেনে এতিয়া নিয়মিতভাৱে কলেজ লাইব্ৰেৰীলৈ যায়। বাতৰিকাকত-আলোচনী আৰু পাঠ্যকোৰ্চত লগা কিতাপ দুই-এখন পঢ়ে। ৰাজ্য আৰু দেশৰ ৰাজনীতি, অৰ্থনীতি, সাহিত্য বিষয়কে ধৰি খবৰবোৰো নপঢ়াকৈ নাথাকে। সেইবোৰ এটা নোটবুকত নোট কৰি থয়। নিয়মিতভাৱে সি এতিয়া ক্লাছবোৰ কৰে। কলেজৰ ফাংচন, কলেজৰ আন আন বিষয়ত হোৱা প্ৰয়োজনীয় সভাবোৰতহে সি উপস্থিত থাকে। প্ৰয়োজনবোধে নিজৰ মতামত ব্যক্ত কৰি বক্তব্য ৰাখে। কবিতা, গল্প, প্ৰবন্ধ লিখিবলৈ সি এৰা নাই। সেইবোৰ কলেজ-আলোচনীকে ধৰি আন আন আলোচনী আৰু কাকতত প্ৰকাশ কৰে। কলেজৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী বেছিভাগে তাক চিনি পায়। বিশেষ বাব বা পদবী লৈ সি কোনো কাম নকৰিবলৈ ঠিক কৰিছে। কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হ'বলৈ তাক তাৰ লগৰ ল'ৰাবিলাকে বহুবাৰ অনুৰোধ কৰিলে। সেই অনুৰোধ সি প্ৰত্যাখ্যান কৰিলে। সি এতিয়া ভালকৈ পঢ়িব। তাক এতিয়া চাকৰি এটা লাগে। নিজৰ বাবে- ঘৰখনৰ বাবে। বি.এ.টো ভালকৈ পাছ কৰাটোৱেই তাৰ এতিয়া প্ৰধান লক্ষ্য।

নিবিষ্টমনে পঢ়াত লাগিল প্ৰসেন। তাৰ খোৱা-বোৱাৰ দায়িত্ব হৰিচৰণ শিৱনাথ আৰু বোধনে লৈছেই ইতিমধ্যে। টিউচন দুটা কৰি পোৱা পইচাৰে তাৰ হাতখৰচ হৈ যাব। বি. এ. মহলাৰ প্ৰথম বছৰটো ভালেৰেই পাৰ হ'ল প্ৰসেনৰ। অনাৰ্চত ভাল নম্বৰেই পালে সি। দ্বিতীয় বছৰত বি. এ. প্ৰথম খণ্ডৰ পৰীক্ষাও হৈ গ'ল। অনাৰ্চত প্ৰথম শ্ৰেণীৰ নম্বৰ পাই পাছ কৰিলে সি। এই দুটা বছৰত প্ৰসেনে ঘৰৰ বাহিৰে কাকতল বা গালেলিৰ খবৰ একেবাৰে লোৱা নাই। গাগেলিত ঘটা, গাঁওখনত ঘটা নানা ঘটনাৰ খবৰ মুখ বাগৰি তাৰ ওচৰলৈ আহে। সি নিৰ্বিকাৰভাৱে শুনে— প্ৰতিক্ৰিয়া প্ৰকাশৰ পৰা আঁতৰত থাকে। ঘৰলৈও যোৱা নাই যোৱা দুটা বছৰত সি। গুৱাহাটীত থাকি চাকৰি কৰা তাৰ

গাঁৱৰে দুই-এজনৰ পৰা ঘৰৰ খবৰবোৰ লৈ থাকে। মেচতো আগৰ দৰে হৈ হাল্লা কৰি স্ফূৰ্তি -আনন্দ নকৰা হৈছে প্ৰসেনে। হৰিচৰণহঁতে এই লৈ মাজে মাজে তাক খং কৰে যদিও টানকৈ একো নহয়। বোধনো মেচত কিছু অনিয়মীয়া হৈ পৰিছে। ঘৰত তাৰ সমস্যাবোৰ বাঢ়ি গৈছে। বিয়াখন পাতিবলৈ তাক বকুলীৰ মাকে জোৰ আছে। কিন্তু সি সম্মতি দিয়া নাই। সেয়ে সি আজি কালি সপ্তাহটোৰ দুদিনমানহে মেচত থাকে। বাকীকেইদিন ঘৰলৈ যায়।

ইপিনে হৰিচৰণ আৰু শিৱনাথে বি. এ. ফাইনেল দিছে। প্ৰসেন বি. এ. তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। হৰিচৰণ আৰু শিৱনাথ মেচতে আছে।

"মৰমে মজিলো চুমাটি যাচিলো
ৰাধেও তাতে বেয়া পালি মোকহে
হাঁহ হৈ চৰিম এ তোমাৰে পুখুৰীত
ৰাধে অ'ই
পাৰ হৈ পৰিম গৈ চালত হে"

— বোধনক কাট মাৰি এই লোকগীতটো গাই গাই হৰিচৰণে পুৱা আঠ বজামানতেই গা-ধুবলৈ দমকলটোত হেণ্ডেল মাৰি বাল্টিটোত পানী ভৰাই আছে। কাষত শিৱনাথ।

ঃ কি ক'বি অ' হৰি— আমাৰে লগৰে দুই-এজন হাঁহ হ'ল, পাৰ হ'ল- শিৱনাথে ক'লে।

ঃ হ'লে কি হ'ব অ'— হাঁহ হৈ পুখুৰীত চৰতেই যাব এতিয়া। বাহত একেলগে থাকিব পাৰিব নে নাই সন্দেহ। ভাত ৰান্ধি থকা বোধনে তাকেই যে হৰিচৰণ আৰু শিৱনাথে কাট মাৰি কথাবোৰ কৈ আছে বুজিবলৈ তাৰ বাকী নাথাকিল। সিও পাচলিখিনি বাৰাণ্ডাৰ বেঞ্চখনতে কাটিবলৈ ধৰি কাট মাৰি-

হালৰে বেচিমে চেনাই
কজলা দমৰা
গোহালিৰ বেচিমে গাই
তেওঁ যদি ধনেৰে জুৰাব নোৱাৰো
বেচিম সহোদৰ ভাই।

বুলি— গীতটো গাবলৈ ধৰিলে।

ঃ দেখিলেহে লেখিম, অ'ত দিনে গোহালিৰ গাই আৰু সোদৰৰ ভাই বেচা গীত শুনিয়েই আছো নহয়— হৰিচৰণে ক'লে।

ঃ ঐ হৰি, ঐ শিৱনাথ, ঠাট্টা কৰিব নালাগে, চাই থাক, অহা আঘোণত ইয়াতেই,

এই মেচতে তইঁতে বকুলীক বৌ বুলি মাতিব লাগিব— 'বৌ অলপ চাহ্ কৰা, বৌ পলম হৈছে ষ্টোভটোৰ শিহা বেছিকৈ বঢ়াই দি দাইলখিনিৰ চম্ভাৰ মাৰা বুলি যদি তইঁতে বকুলীক ক'ব লগা নহয় তেনেহ'লে মই চাকৰি-বাকৰি বাদ দি বন বৰাগী হ'ম, বুজিছ— বুলি কৈ বোধনে পাচলিৰ সাজটো লৈ ৰুমত সোমাল।

ৰুমত পঢ়ি থকা প্ৰসেনে সিহঁতৰ কথা-বতৰাবোৰ শুনি আছিল। চাৎকৰে তাৰো নৈৰঞ্জনালৈ মনত পৰিল। দেহ-মন পুলকিত কৰা এছাটি জুৰ বতাহে তাক পুলকিত কৰি তুলিলে। মুহূৰ্ততে সিও এটা পাৰ হৈ যেন নীৰাহঁতৰ চালত পৰিল- এনে লাগিল তাৰ। কি যে এক সন্মোহন, কি যে এক চিন্তাকৰ্ষক, কি এক আত্মানুভূতি, কিযে এক প্ৰেৰণাময় দীপ্তি, কি যে এক অশ্ৰু নৈ এই প্ৰেম, এই ভাল পোৱা। তন্ময়ত বিভোৰ প্ৰসেনৰ মনত পৰিল বিহগী কবি ৰঘুনাথ চৌধাৰীৰ কবিতা এফাকি মুখৰ ভিতৰতে গুণ্-গুণালে সি—

"তযু প্ৰেম জ্যোতিকণা ধৰি হৃদয়ত
পাৰ হ'ম ভৱ অন্ধকুপ;
পাম গৈ সদানন্দ নন্দন পুৰত
সত-শিৱ সুন্দৰৰ ৰূপ।"

ঃ প্ৰসেন— অ' প্ৰসেন মই ভাত খালো, ডিউটি লৈ যাও। তোমাৰ ভাত বাঢ়ি থৈছো। সময়মতে খাবা বুলি বোধনে প্ৰসেনক কোৱা কথাত হে প্ৰসেনৰ তন্ময়তা ভাঙিল।

ঃ হ'ব, হ'ব, বোধনকাই তুমি যোৱা। মইও অলপ পিছত কলেজলৈ যাম।

আগষ্ট মাহ্। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বি. এ. পৰীক্ষাৰ ৰিজাল্ট দিলে ১২ আগষ্ট তাৰিখে। হৰিচৰণে অনাৰ্চসহ বি. এ. পাছ্ কৰিলে। শিৱনাথৰ অনাৰ্চ নাছিল। সিও পাছ কৰিলে কোনো বিষয়তে এম. এ. মহলাত এডমিচন পোৱাৰ আশা শিৱনাথৰ নাই। হৰিচৰণ বিশ্ববিদ্যালয়ৰ এম. এ. মহলাৰ এডমিচন সম্পৰ্কে খা-খবৰ ল'বলৈ ১১ মান বজাত বিশ্ববিদ্যালয়লৈ গ'ল। সি ফিলচফিত এম. এ. পঢ়িব। বিশ্ববিদ্যালয়ৰ পৰা ঘুৰি আহি ভাত খাই থকা অৱস্থাতে প্ৰসেনে হৰিচৰণহঁতৰ ৰুমলৈ গৈ হৰিচৰণৰ বিছনাতে বহিল। বিশ্ববিদ্যালয়ৰ এডমিচন সম্পৰ্কে কথা পাতিলে দুয়ো।

ঃ বুজিছা প্ৰসেন, বিশ্ববিদ্যালয়ৰ পৰিস্থিতি তলে তলে অগ্নিগৰ্ভা হৈ আছে। কেণ্টিনত চাহ্ খাওতে কেইজনমান লীডাৰ জাতীয় ছাত্ৰই বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলক গালি-গালাজ কৰি থকা শুনিলো। যোৱা জুন মাহৰ ৬ তাৰিখেই বোলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলে অসমীয়া আৰু ইংৰাজীৰ লগতে বঙালী ভাষাতো বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ উত্তৰ লিখিব পাৰিব বুলি সিদ্ধান্ত লৈছিল। কাউন্সিলৰ

সভাখন ৬-৬-০২ ইং তাৰিখে দিনৰ ১১ বজাত একাডেমিক কাউন্সিলৰ কাৰ্যালয়ত বহিছিল।

ঃ অ' তুমি কথাটো জনা নাছিলা নেকি? আমাৰ কলেজতো এটা সৰু-সুৰা হুলস্থূল যোৱা ৬ জুন তাৰিখৰ সন্ধিয়া হৈ গৈছে। বিশ্ববিদ্যালয় বিদ্যায়তনিক পৰিষদৰ উক্ত সিদ্ধান্তক লৈ। বিশ্ববিদ্যালয় বিদ্যায়তনিক পৰিষদ (একাডেমিক কাউন্সিল)ৰ উক্ত সিদ্ধান্তৰ বিৰুদ্ধে বহু সংখ্যক ছাত্ৰই ১০ নং ছাত্ৰাবাসৰ সমুখৰ পথটোত সমদল উলিয়াই প্ৰতিবাদী আন্দোলনেৰে বিশ্ববিদ্যালয় চৌহদ কঁপাই তুলিছিল। বিশ্ববিদ্যালয়খনৰ চৌদিশে এক চেপা উত্তেজনাই আৱৰি ধৰিছিল। পিছদিনা অৰ্থাৎ ৭ জুন তাৰিখ স্নাতকোত্তৰ ছাত্ৰ সন্থা আৰু বিশ্ববিদ্যালয় আইন কলেজ ছাত্ৰ সন্থাই যৌথভাৱে উক্ত সিদ্ধান্ত সংশোধনৰ দাবীত বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক এখন স্মাৰকপত্ৰ প্ৰদান কৰিছিল। এই লৈ ৮ জুন তাৰিখে আমাৰ কলেজৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়তো আলোচনা এটা হৈছিল আন্দোলনৰ ভৱিষ্যৎ কৰ্মপন্থা সম্পৰ্কে। মোকো সেই সভালৈ মাতিছিল।

ঃ এই বিষয়ে তুমি দেখোন আমাক একোৱেই কোৱা নাছিলা— হৰিচৰণে ক'লে।

ঃ আচলতে সেই সময়ত মই ব্যক্তিগত সমস্যা কেইটামানত বৰকৈ জুৰুলা হৈ আছিলো। উক্ত বিষয়ত সিমান মনোযোগ দিব পৰা নাছিলো। মেচলৈ আহি কথাবোৰ বোধহয় পাহৰি গৈছিলো। সেয়ে হবলা তোমালোকক কোৱা নহ'ল।

ঃ মই কিন্তু সিটো অনুমান কৰিলো বিশ্ববিদ্যালয়কে ধৰি আমাৰ ৰাজ্যখনত এটা ডাঙৰ আন্দোলন হ'ব। অসমৰ ৰাইজে বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলে কৌশলেৰে অসমীয়াৰ লগতে বঙালী ভাষাকো বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম কৰা কথাটোৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰিব। কোনোমতে এনে সিদ্ধান্ত মানি ল'ব বুলি মই নাভাবো। তাৰেই আখৰা এটা আজি বিশ্ববিদ্যালয় চৌহদত দেখি আহিলো— হৰিচৰণে ক'লে।

ঃ নাই নাই আখৰা নহয়, আন্দোলনৰ পদধ্বনিয়ে বিশ্ববিদ্যালয় চৌহদ কঁপাই তুলিছিলেই। যোৱা ৭ জুন তাৰিখেই ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক কাম-কাজ সম্পূৰ্ণ অচল কৰি দি প্ৰতিবাদ সাব্যস্তও কৰিছিল। এনে প্ৰতিবাদত বিশ্ববিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী সকলেও ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। ছাত্ৰ-ছাত্ৰীসকলৰ এই তীব্ৰ প্ৰতিবাদী আন্দোলনৰ প্ৰতি অসমৰ ৰাইজেও সম মৰ্মিতা প্ৰকাশ কৰিছে। ৰাজ্যখনৰ সংবাদ মাধ্যমকে ধৰি বুদ্ধিজীৱীসকলেও গৰজি উঠিছে বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক পৰিষদৰ এই সিদ্ধান্তৰ বিৰুদ্ধে। বিভিন্ন মহলৰ প্ৰতিবাদত সেও মানি বিদ্যায়তনিক পৰিষদে ১২-৬-৭২ ইং তাৰিখে পৰিষদৰ সভা পাতি পৰিষদৰ আগৰ সিদ্ধান্তটো সংশোধন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়াৰ লগতে

ইংৰাজীকো দহ বছৰলৈ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই সিদ্ধান্তৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে সাময়িকভাৱে আন্দোলনৰ কাৰ্যসূচী লোৱাৰ পৰা বিৰত আছিল।

ঃ কি ক'বা হে প্ৰসেন,- আমাৰ অসমখনৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ উপৰি ষড়যন্ত্ৰ। কিতাপত পঢ়ি আহিছো সেই তাহানিতে ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ প্ৰায় ৩৭ বছৰ ধৰি ব্ৰিটিছসকলে অসমীয়া ভাষাতো অসমৰ পৰা উঠাই দি বঙালী ভাষাক অসমৰ স্কুল-কলেজ অফিচ-কাছাৰীত প্ৰবৰ্তন কৰিছিল। আকৌ অসমৰ ৰাইজে অসমৰ পিয়লি ফুকন, মণিৰাম দেৱান, পিয়লি বৰুৱা, কুশল কোঁৱৰ, ভোগেশ্বৰী ফুকননী, কনকলতা, মুকুন্দ কাকতী, মদন বৰ্মন, ৰাউতা কোছকে ধৰি বহু স্বাধীনতা সেনানীয়ে বুকুৰ তেজ দি স্বাধীনতাৰ বেদীত জীৱন আহুতি দিয়া সত্ত্বেও দিল্লীৰ এচাম নেতাই ১৯৪৬ চনত অসমক পূৰ্ববঙ্গৰ লগত সাঙুৰি দিয়াৰ বাবে ব্ৰিটিছ কেবিনেট মিছনে লোৱা সিদ্ধান্তক সমৰ্থন দি অসমক ভাৰতৰ পৰা বাদ দি পূৰ্ববঙ্গত চামিল কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। গোপীনাথ বৰদলৈ, তৈয়বুল্লা, মহেন্দ্ৰ চৌধুৰী, বিজয়চন্দ্ৰ ভাগৱতী, জগদীশ মেধি আদিয়ে নেহৰু, পেটেল আদি নেতাসকলে ব্ৰিটিছ কেবিনেট মিছনৰ এনে সিদ্ধান্তৰ প্ৰতি জনোৱা সন্মতিৰ বিৰুদ্ধে সিংহ গৰ্জন নিদিয়া হ'লে আজি আমি পাকিস্থানৰ নাগৰিক হৈ থাকিব লাগিলহেঁতেন।

ইমান তেজ দিয়া সত্ত্বেও স্বাধীনতাৰ পাছতে অসমৰ বিৰুদ্ধে দিল্লীৰ অমনোযোগিতাৰ ওৰ পৰা নাছিল— আজিও পৰা নাই। অসমৰ ৰাইজৰ ন্যায্য প্ৰাপ্তিৰ বাবে ইটোৰ পিছত সিটো আন্দোলন কৰি আমি আমাৰ শ্বহীদৰ তালিকাখন বঢ়াই থাকিব লগা হৈছে। বৰ দুখ আৰু পৰিতাপৰ কথা। ১৯৬২ চনত চীন দেশে ভাৰত-আক্ৰমণ কৰি চীনা সৈন্যই অসমৰ তেজপুৰ পাওতে আমাৰ তেতিয়াৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে বোলে— 'My heart goes to the people of Assam' বুলি দুখ বাণীৰে অসমক চীনৰ হাতত এৰি দিছিল। এইবোৰ কথা ভাবিলে মনটো বিদ্ৰোহী হৈ উঠে— হৰিচৰণে ক'লে।

ঃ কিহে হৰিচৰণ বৰ চিৰিয়াচ কথা কিবা পতা যেন লাগিছে তহঁতৰ মুখবোৰত দেখোন খঙৰ অঙঠা জ্বলি থকা দেখিছো— হঠাৎ সোমাই শিৱনাথে কথাখিনি হৰিচৰণ আৰু প্ৰসেনক উদ্দেশ্য কৰি কৈ কাপোৰ সলোৱাত লাগিল।

ঃ অ' শিৱনাথ চিৰিয়াচ কথাকে পাতি আছো আমি। আকৌ এচাম তথাকথিত বুদ্ধিজীৱী আৰু পণ্ডিতে এটা বিশেষ সম্প্ৰদায়ক তেল মাৰিবলৈ অসমীয়া ভাষাটোৰ বিৰুদ্ধে ষড়যন্ত্ৰত নামি পৰিছে।

ঃ অ' মইও পঢ়িছো। যোৱা শুকুৰবাৰে 'অসম বাণী'ত এই বিষয়ে তথ্যপূৰ্ণ নিবন্ধ এটা প্ৰকাশ পাইছে। মই ভালকৈ পঢ়িছো। আকৌ এখন শৰাইঘাটে অসমীয়া

জাতিক হাত বাউলি দি মাতিছে। লাচিত নাথাকিল কি হ'ল— আমিয়ে লাচিতৰ ভাৰ ব'ব লাগিব। দেশ গ'ল গ'ল বুলি ক'বলৈ অম্বিকাগিৰি নাই বুলিয়েই আমি হাত সাবটি বহি থাকিলে হ'ব নে? বুজিছা প্ৰসেন তোমাৰ নেতৃত্ব দিব পৰা কেপেচিটি আছে। কটন কলেজত তুমিয়ে নেতৃত্ব লৈ অসমীয়া জাতিৰ এই সংকট কালত ছাত্ৰ-ছাত্ৰীসকলক জগাই তুলিবলৈ চেষ্টা কৰা— শিৱনাথে কথাখিনি কৈ ভৰি-হাত ধুম বুলি দমকলৈলৈ গ'ল।

সদায় নিজৰ ব্যক্তিগত জীৱনটোক লৈয়েই ব্যস্ত থকা শিৱনাথৰ মুখত এনে কথা শুনি প্ৰসেন আৰু হৰিচৰণ আচৰিত হ'ল। দেশৰ কথা, দহৰ কথা ওলালে সাধাৰণতে শিৱনাথে অংশ নলয়, তেনে আলোচনাৰ পৰা আঁতৰি যায়। কেৱল পঢ়া-শুনা, ক্লাছ কৰা, ঘৰুৱা কথা আদিত সোমাই থাকিয়েই শিৱনাথে ভাল পায়। সেইজন শিৱনাথৰ মুখত এনে গহীন-গম্ভীৰ আৰু আবেদনময়ী কথা শুনি প্ৰসেন-হৰিচৰণ আচৰিত হোৱাটো স্বাভাৱিক।

.ঃ এনেকুৱা মানুহক জগোৱা টান, জাগিলে কিন্তু জাগেই- ম'ৰা-জীয়া নাচায়। লক্ষ্যস্থান নোপোৱালৈ নুঘূৰে। লাগিলে প্ৰাণকে দিব— প্ৰসেনে মন্তব্য কৰিলে।

ঃ ব'লা ব'লা অলপ মুকলি আকাশৰ তলতে বহো বুলি হৰিচৰণে তেওঁলোকৰ মেচৰ সমুখত থকা মুকলি ঠাইখিনিলৈ বহি থকা চকীখন দাঙি আনিলে। প্ৰসেনেও মুঢ়া এটা আনি বনৰ ওপৰতে মুকলি ঠাইখিনিত মুঢ়াটো পাৰি বহি ল'লে। ভৰি-হাত ধুই শিৱনাথেও তেওঁলোকৰ ৰুমত থকা টুলখন আনি প্ৰসেনহঁতৰ কাষত বহিল। স্ফূৰ্তিবাজ হৰিচৰণে গাজা এটা ক'বলৈ আৰম্ভ কৰিলে। এনেতে বোধনো আহি মেচ পালে। গাজাটো বেচ হাঁহি উঠা বিধৰ আছিল। শিৱনাথ আৰু বোধনে হাঁহি হাঁহি বাগৰি পৰিবই ধৰিছিল। কিন্তু হৰিচৰণৰ হাঁহি উঠা গাজাটোৱে প্ৰসেনৰ মুখত হাঁহি বিৰিঙাব নোৱাৰিলে। হা হাঁকৈ থাকিল যদিও প্ৰসেন এক গভীৰ ভাবনাত মগ্ন হৈ থকা কথাটো হৰিচৰণহঁতৰ চকুত পৰিল। শিৱনাথে অলপ আগতে প্ৰসেনক অসমত আৰু এখন শৰাইঘাট হোৱাৰ কথা, এই শৰাইঘাটত কটন কলেজত তাকেই নেতৃত্ব লোৱাৰ কথা কৈছিল। সেই কথাখিনিয়ে প্ৰসেনৰ মনত তাৰ অলক্ষিতে এক প্ৰচণ্ড জোকাৰণিৰ সৃষ্টি কৰি আছে। বি. এ. পাছ নকৰালৈকে সি কোনো ৰাজহুৱা কামত বিশেষভাৱে অংশ নল'বলৈ ইতিমধ্যে দৃঢ় সংকল্প লৈ থৈছে। তাৰ মাজতে শিৱনাথে কোৱা কথাখিনিয়ে তাৰ মনত এক অদ্ভুত দোধোৰ-মোধোৰ ভাৱৰ সৃষ্টি কৰিছে। হেমলেটৰ দৰে অৱস্থা এটাই তাৰ মনত দোলনা দিছে- 'To be done or not to be done' সেয়ে হৰিচৰণহঁতৰ লগত দৈহিকভাৱে উপস্থিত আছে যদি মানসিকভাৱে আছে সি আন এখন অন্ত দ্বন্দ্বৰে ভৰা পৃথিৱীত। সেইবাবে বোধহয় হৰিচৰণ, শিৱনাথহঁতে প্ৰসেনৰ মুখত হাঁহি দেখা নাই— দেখিছে

এক অন্তৰ্দাহী দ্বন্দ্বৰে পিষ্ট ৰণক্ষেত্ৰ।

নিদ্ৰাহীন ৰাতিৰ অন্তত এটা কোমল ৰাতিপুৱাই প্ৰসেনক স্বাগতম জনালে। বিছনাত বহি দূৰৰ কোনোবা এঘৰৰ ৰেডিঅ'ৰ পৰা—

"কোন ক'ত আছ
আহ অ' সমনীয়া
তই সমুখত হ থিয়
মাতৃ পূজাৰ ভাগ ল'বলৈ
বেলি কৰ কিয়?" ....

—শীৰ্ষক গীতটোৰ এটা কলি ভাঁহি আহি প্ৰসেনৰ কাণত পৰিল। চকু দুটা মুদি নিবিড় চিত্তে সি গীতটো শুনিলে। তাৰ মন গহনত গীতটোৱে নতুন এক নতুন ভাৱৰ উদ্ৰেক কৰিলে। মনৰ মণিকোঠৰ পৰা দোধোৰ-মোধোৰ ভাৱবোৰ আঁতৰি গ'ল। পঢ়া-শুনাৰ লগতে দেশৰ কথা, দহৰ কথাও ভবাটো কৰ্তব্য আৰু দায়িত্ব। দেশ আৰু দহ থাকিলেহে সিও থাকিব। দেশ আৰু দহক এৰি তাৰেই বা অস্তিত্ব ক'ত? মনৰ মলিনতা আৰু অন্তৰ্দাহী দ্বন্দ্ব পৰিহাৰ কৰি সি শিৱনাথৰ কথামতে কাম কৰিবলৈ চিত্ত স্থিৰ কৰিলে।

ঃ প্ৰসেন, অ' প্ৰসেন, আজি নপঢ় নেকি হে? বেলি ওলালেই। মোৰ ভাত ৰন্ধা হ'বই এতিয়া। ক্লাছ আছে নে নাই- ভাত ৰান্ধি থকা বোধনে পাম্পিং ষ্টোভটোত পাম দি দি প্ৰশ্নকেইটা কৰিলে প্ৰসেনক।

ঃ উঠিছো বোধন কাই। আজি পঢ়াৰ সময় নহ'ব। প্ৰথম ক্লাছটোৱে আছে। সোনকালে যাব লাগিব বুলি কৈ প্ৰসেনে ব্ৰাচডালত টুথপেষ্ট অলপ লগাই দমকলটোৰ ওচৰ পালে। দাঁত মাজি ততাতৈয়াকৈ মুখ-হাত ধুই প্ৰসেনে ৰান্ধনি ঘৰলৈ গ'ল। তাতেই বোধনৰ লগত বহি চাহ একাপ খালে। হৰিচৰণ আৰু শিৱনাথ তেতিয়াও বিছনাত।

ঃ পিছে কি হ'ল বোধনকা বকুলী বৌৰ হাতৰ এসাজ খাবলৈ নাপামনেকি?

ঃ পাবা, পাবা চব ঠিক হৈ গৈছে। এতিয়া ছেপ্টেম্বৰ মাহ। নৱেম্বৰৰ মাজভাগ অৰ্থাৎ আঘোণত এইবাৰ বকুলীৰ হাতেৰে এসাজ কিয় কেবা সাজো খাবলৈ পাবা।

ঃ খুড়ীদেউ সন্মত হৈছে জানো?

ঃ এইবাৰ মই কাৰো সন্মতি অসন্মতিলৈ কান নিদিও। চিধাই বকুলীক আনি গুৱাহাটীৰ ডি. চি. অফিচত কোৰ্ট মেৰেজ কৰি পেলাম বাপেকে।

ঃ হয় নেকি, কোৰ্ট মেৰেজৰ দিনা আমাক খবৰ দিবলৈ পিছে নাপাহৰিবা।

ঃ তুমি, হৰিচৰণ, শিৱনাথ বলীন কম্পাউণ্ডাৰ আৰু সৰলা খুড়ীতো থাকিবই লাগিব।

ঃ মই উঠো বোধনকা, ৮ বাজিবৰ হ'লেই। ৮.৩০ বজাত মই কলেজ পাব লাগিব বুলি কৈ প্ৰসেনে দৌৰাদৌৰিকৈ গা-ধুবলৈ গ'ল। দুই বাল্টিমান পানী দমকলটোৰ পৰা উলিয়াই গায়ে-মূৰে ঢালি প্ৰসেনে গা ধুলে। ইপিনে বোধনৰ ভাতৰন্ধা শেষ হ'ল। হৰিচৰণ আৰু শিৱনাথেও হাতে হাতে টুথব্ৰাছ লৈ বাৰাণ্ডাত থিয় দি এঙামুৰি ভাঙিলে। প্ৰসেনে নাকে-মুখে ভাত কেইটামান পেটত সোমাই লৈ লংপেণ্ট-চাৰ্ট পিন্ধি 'মই আহো বোধনকাই' বুলি কলেজলৈ গ'ল।

ঃ প্ৰসেনদা, অ' প্ৰসেনদা শুনাচোন বুলি— কটন কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক অনল বৰুৱাই ইউনিয়ন হ'লৰ কৰিদৰৰ পৰা চিঞৰি চিঞৰি মতাত প্ৰসেন অনলৰ ওচৰলৈ গ'ল।

ঃ অ' অনল, তুমিহে মাতিছা? কোৱাচোন কেনে আছা?

ঃ নহয়, মানে যোৱাকালি আবেলি মই বিশ্ববিদ্যালয়লৈ গৈছিলো। বিশ্ববিদ্যালয়ত সাংঘাতিক হুলস্থূল। অসম বিধান সভাত গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সম্পৰ্কে যোৱাকালি চৰকাৰে এটা প্ৰস্তাৱ উত্থাপন কৰিছে বোলে। ইপিনে অনুষ্টুপীয়াকৈ আজি ২৩। ৯। ৭২ তাৰিখে ছাত্ৰ সন্থাৰ ৰাজ্যিক অধিৱেশনো পাতিছে জালুকবাৰীস্থ অসম ইঞ্জিনীয়াৰিং কলেজত । যোৱা ১২। ৬। ৭২ ইং তাৰিখে আন্দোলনটো সাময়িকভাৱে স্থগিত ৰখা হৈছিলহে। আকৌ আজিৰ পৰা অসমত জুই জ্বলিব যেন পাও। মই তালৈ যাবলৈ আহিছো। আপুনিও মোৰ লগত কলেজ ছাত্ৰ একতা সভাৰ প্ৰতিনিধি হিচাপে যাব লাগিব— মোৰ অনুৰোধ।

ঃ মই এটা বিশেষ কামত আজি বৰ ব্যস্ত থাকিম। যাব পাৰো নে নাই? কেইবজাতনো আৰম্ভ হ'ব অধিৱেশন। তুমি যোৱা কালিয়েই ক'ব লাগিছিল।

ঃ এই আৰম্ভ হ'বৰ হ'লেই। ৯ বজাতে ছাত্ৰ সন্থাৰ পতাকা উত্তোলন।

প্ৰসেন অনলৰ প্ৰস্তাৱটো পাই অপ্ৰস্তুত হ'ল। নগ'লেও বেয়া হয়। তদুপৰি আজি কেইদিনমান আগতে অনল কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হৈছেহে। অভিজ্ঞতা হোৱাই নাই। ৰাজ্যখনৰ এনে সংকটপূৰ্ণ সময়ত ছাত্ৰ সন্থাৰ অধিশেনখন অতি গুৰুত্বপূৰ্ণ। ক্ষন্তেক ভাবি প্ৰসেনে সকলো ব্যক্তিগত কাম বাদ দি অনলৰ লগত অসম ইঞ্জিনীয়াৰিং কলেজলৈ যোৱাটোকে ঠিক কৰিলে।

ঃ ঠিক আছে অনল, তোমাৰ অনুৰোধ মই ৰাখিম। ব'লা ৯.৩০ বজাৰ ইঞ্জিনীয়াৰিং কলেজৰ বাছখনতে আমি আছুৰ অধিৱেশনলৈ যাও। পান বজাৰ ষ্টপেজতে বাছত উঠিম ব'লা।

অলপ পিছতে কলেজৰ ছাত্ৰ একতা সভাৰ সহকাৰী সম্পাদক শশাংক শৰ্মাও আহি ইউনিয়ন হ'ল পালে। শশাংকইও প্ৰসেনক দেখি বৰ ভাল পালে। বি, এ, তৃতীয়

বাৰ্ষিকৰ ছাত্ৰ প্ৰসেন এজন অভিজ্ঞ আৰু বাকপটু ছাত্ৰ। তদুপৰি ৰাজ্যখনৰ বিভিন্ন সমস্যা সম্পৰ্কে তেওঁৰ বেচ অধ্যয়ন আছে। এজন সুবক্তা হিচাপেও কলেজত প্ৰসেনৰ নাম আছে।

অনল, শশাংক আৰু প্ৰসেন পান বজাৰ বাছ ষ্টপেজত ইঞ্জিনীয়াৰিং কলেজৰ ৯.৩০ বজাৰ বাছখনত উঠিল। ১০ বজাৰ অলপ পিছতে তেওঁলোকে ইঞ্জিনীয়াৰিং কলেজ পালে। ইতিমধ্যে ছাত্ৰ সন্থাৰ পতাকা উত্তোলনেৰে ছাত্ৰ সন্থাৰ অধিৱেশন আৰম্ভ হৈছিল। কলেজৰ প্ৰেক্ষাগৃহত অধিৱেশনৰ প্ৰতিনিধি সভা অলপ পিছতে আৰম্ভ হ'ব বুলি মাইকত উদ্যোক্তা কোনোবাই ঘোষণা কৰিলে। প্ৰতিনিধি হিচাপে নাম পঞ্জীয়ন কৰি হাতে হাতে প্ৰতিনিধি বেজ লৈ প্ৰসেন, অনল আৰু শশাংক প্ৰতিনিধি সভাস্থলীত উপস্থিত হ'ল। তিনিও দ্বিতীয় শাৰীৰ চকী তিনিখনত বহী ল'লে। ছাত্ৰ সন্থাৰ সভাপতি প্ৰদীপ দেৱান, সাধাৰণ সম্পাদক অতুল বৰা প্ৰমুখ্যে ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে মঞ্চত আসন ল'লে। ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলে জ্যোতিপ্ৰসাদৰ—

"লুইতৰ পাৰৰে আমি
ডেকা ল'ৰা
মৰিবলৈ ভয় নাই।
মুকুতি-মেধৰ মহান মেজিৰ
নেজাল ফিৰিঙতি ছাই
পুৰোহিতো যদি থিতাতে আঁতৰি
ত্ৰাসতে মূৰ্চ্ছা যায়
আমি আগে বাঢ়ি ডিঙি পাতি পাতি
তেজৰে বলিশাল যামে গুচায়।" ....

বোলা সমবেত গীতটোৰে অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হ'ল। ছাত্ৰ সন্থাৰ সভাপতি প্ৰদীপ দেৱানে সভাপতিৰ আসন গ্ৰহণ কৰাৰ পিছত সাধাৰণ সম্পাদক অতুল বৰাই অধিৱেশনৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ উপৰিও সম্পাদকীয় প্ৰতিবেদন পাঠ কৰিলে। তাৰ পিছতেই ছাত্ৰ সন্থাৰ সংবিধান সংশোধন সম্পৰ্কে বিতৰ্ক আৰম্ভ হ'ল। বিতৰ্ক দুপৰীয়াৰ আহাৰ বিৰতিলৈকে চলিল। কটন কলেজৰ পৰা প্ৰসেনেও বিতৰ্কত অংশ লৈ সংবিধান সংশোধন সম্পৰ্কে কেবাটাও পৰামৰ্শ আগবঢ়ালে। দুই বজাত আহাৰ বিৰতি ঘোষণা কৰিলে সভাপতি প্ৰদীপ দেৱানে।

প্ৰতিনিধি একাংশই দুপৰীয়াৰ আহাৰ খাই থকা সময়তে ছাত্ৰ সন্থাৰ নেতাসকলে গম পালে যে অসম বিধান সভাত আজি ১২ মান বজাত শিক্ষাৰ মাধ্যম সম্পৰ্কীয় প্ৰস্তাৱটো পাছ হ'ল। ৰেডিঅ'ৰ এক বিশেষ বুলেটিন যোগে বিধান সভাৰ সিদ্ধান্তটো

ঘোষণা কৰিলে চৰকাৰে। বিধান সভাৰ প্ৰস্তাৱটোত কোৱা হৈছে— 'গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া হোৱা উচিত, ইংৰাজীও অৱশ্যে মাধ্যম হিচাবে চলি থাকিব। ১৯৬০ চনৰ অসম ৰাজ্য ভাষা আইনৰ ভিত্তিত কাছাৰ জিলাক এক্টিয়াৰ হিচাপে লৈ কাছাৰ জিলাত এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব আৰু ইয়াৰ বাবে যাবতীয় ব্যৱস্থা ল'বলৈ ভাৰত চৰকাৰৰ ওচৰত আৰ্জি পেচ কৰা হ'ব। ইংৰাজী ভাষাত পাছ কৰা প্ৰস্তাৱটোত কোৱা হৈছে— "This Assembly do now resolve that the medium of instruction at the university stage for the Gauhati and Dibrugarh Universities should be Assamese. English also however be continued as the medium of instruction.

In the spirit of the Official Language Act, this Assembly do further resolve that a separate university be setup with territorial jurisdiction over the district of cachar and that the Government of India be moved in the matter." অল ইণ্ডিয়া ৰেডিঅ'ৰ ১ বজাৰ অসমীয়া বাতৰিত উক্ত বাতৰিটো ৰেডিঅ'ই প্ৰচাৰ কৰিলে। ছাত্ৰ সন্থাৰ অধিৱেশনত উপস্থিত ছাত্ৰ সন্থাৰ নেতাসকলে খবৰটো পাই উত্তেজিত হৈ পৰিল। দুই-এজনে অসম বিধান সভাৰ সদস্যসকলকে ধৰি মন্ত্ৰীসকলক গালি-গালাজ পাৰিলে। অসমীয়া ভাষাক হেয় কৰি এখন জিলাত এখন বিশ্ববিদ্যালয় পতাৰ তীব্ৰ বিৰোধিতাত অধিৱেশন থলী মুখৰ হৈ পৰিল। প্ৰতিনিধিসকলৰ কিছুমানে দুপৰীয়াৰ আহাৰ খাবলৈ বাকী থকা অৱস্থাতে প্ৰতিনিধি সভা পুনৰ আৰম্ভ হ'ল। অধিৱেশনৰ আন আন কাৰ্যসূচীবোৰ বাতিল কৰি শিক্ষাৰ মাধ্যম সম্পৰ্কীয় অসম বিধান সভাৰ প্ৰস্তাৱটোৰ ওপৰত আলোচনা হ'ব লাগে বুলি প্ৰতিনিধিসকলে সভাত দাবী উত্থাপন কৰিলে। সভাপতিয়ে অলপ সময়ৰ বাবে সভা স্থগিত ৰাখি ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলৰ লগত জৰুৰী আলোচনাত বহিল। আলোচনাত অধিবেশনৰ প্ৰথমতে বাকী কাৰ্যসূচী বাদ দি শিক্ষাৰ মাধ্যম সম্পৰ্কীয় বিষয়টোহে আলোচনা কৰাৰ সহমত হ'ল। সভা পুনৰ আৰম্ভ হোৱাত সভাপতি দেৱানে ৰাজ্যখনৰ শিক্ষাৰ মাধ্যম সম্পৰ্কে অসম বিধান সভাই লোৱা প্ৰস্তৱৰ ওপৰত আলোচনা মুকলি কৰিবলৈ সাধাৰণ সম্পাদক অতুল বৰাক আহ্বান জনালে। অতুল বৰাই মাধ্যম সম্পৰ্কীয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিল লোৱা প্ৰস্তাৱৰ পৰা আৰম্ভ কৰি অসম বিধান সভাৰ প্ৰস্তাৱলৈ বহল ব্যাখ্যা এটা দিলে। কেবাজনো প্ৰতিনিধিৰ লগতে সদৌ অসম ছাত্ৰ-সন্থাৰ সাংগাঠনিক সম্পাদক খনিন মহন্তইও এই সম্পৰ্কে বক্তব্য ৰাখি অসম বিধান সভাই কাছাৰ জিলাত সুকীয়াকৈ এখন বিশ্ববিদ্যালয় পতাৰ বাবে লোৱা সিদ্ধান্তৰ তীব্ৰ বিৰোধীতা কৰিলে আৰু এনে হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যখনত তীব্ৰ গণ আন্দোলন গঢ়ি তোলাৰ সপক্ষে মত প্ৰকাশ কৰিলে। দীৰ্ঘ সময় ধৰি চলা বিতৰ্কৰ অন্তত প্ৰতিনিধি সভাই অসম বিধান সভাই

লোৱা মাধ্যম সম্পৰ্কীয় প্ৰস্তাৱটোৰ বিৰুদ্ধে ৰাজ্যখনত এক গণ আন্দোলন গঢ়ি তোলাৰ বাবে সৰ্বসন্মতভাৱে এক প্ৰস্তাৱ গ্ৰহণ কৰিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ কৃষ্ণ গোপাল ভট্টাচাৰ্য, প্ৰদীপ দাস অমৰেন্দ্ৰ শৰ্মা আদিয়ে প্ৰস্তুত কৰা প্ৰস্তাৱটো সভাত পাঠ কৰিলে কৃষ্ণগোপাল ভট্টাচাৰ্যই। প্ৰতিনিধিসকলে বহু সময় ধৰি হাততালি দি প্ৰস্তাৱটো সমৰ্থন কৰি 'সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ' 'অসম বিধান সভা হুচিয়াৰ' আদি শ্লোগানেৰে সভা কক্ষ মুখৰিত কৰি তুলিলে।

ঃ এতিয়া পুৰণা কাৰ্যনিৰ্বাহক কমিটী ৰ পদত্যাগ আৰু নতুন কাৰ্যনিৰ্বাহক কমিটী গঠন বুলি সভাপতি দেৱানে সভাৰ পৰৱৰ্তী কাৰ্যসূচী ঘোষণা কৰিলে। পুৰণা কাৰ্যনিৰ্বাহক কমিটীৰ হৈ সভাপতি প্ৰদীপ দেৱানে পদত্যাগ কৰি নতুন কমিটী গঠনৰ বাবে প্ৰতিনিধিসকলক আহ্বান জনালে। নতুন কাৰ্যনিৰ্বাহক কমিটীখন কেনে হ'ব বা হোৱা উচিত সেই বিষয়ে কেবাজনো প্ৰতিনিধিয়ে নিজ নিজ অভিমত প্ৰকাশ কৰিলে। এটা সময়ত বিষয়টোক লৈ তুমুল বিতৰ্ক হ'ল, নানাজনে নানাধৰণে পৰামৰ্শ দিলে যদিও কোনো এটা ঐক্যমতত উপনীত হ'ব নোৱৰাত সভাপতিয়ে নতুনকৈ গৃহীত সংবিধান অনুসৰি প্ৰতি জিলাৰ দুজনকৈ কাৰ্যনিৰ্বাহক সদস্য সংশ্লিষ্ট জিলাসমূহক বাছি দিবলৈ নিৰ্দেশ দিলে। দুঘণ্টা সময় লৈ জিলাসমূহে নিজ নিজ জিলাৰ পৰা দুজনকৈ কাৰ্যনিৰ্বাহক সদস্য নিৰ্বাচন কৰি দিলে। আটাইকেইখন জিলাৰ সদস্যসকলে সুকীয়াকৈ বহিল। তেতিয়া ৰাতি প্ৰায় এক বাজি গৈছিল। বহু সময় ধৰি জিলাৰ পৰা নিৰ্বাচিত সদস্যসকলে বিষয়ববীয়াসকলক নিৰ্বাচন কৰি এখন পূৰ্ণাঙ্গ কাৰ্যনিৰ্বাহক কমিটী নিৰ্বাচনী বিষয়াৰ হাতত দাখিল কৰিলে। নিৰ্বাচনী বিষয়াজনে ১৯৭২-৭৩ চনৰ বছৰটোৰ বাবে গঠন কৰা কমিটীখন প্ৰতিনিধিসকলৰ জ্ঞাতাৰ্থে পাঠ কৰি দিলে আৰু প্ৰতিনিধিসকলে হৰ্ষোল্লাসে নতুন কমিটীখন গ্ৰহণ কৰিলে। নৱ নিৰ্বাচিত কাৰ্যনিৰ্বাহক কমিটীখন এনে ধৰণৰ—

উপদেষ্টা— অতুল বৰা, অনিল শৰ্মা

সভাপতি— পুলকেশ বৰুৱা

সাধাৰণ সম্পাদক— প্ৰসন্ন নাৰায়ণ চৌধুৰী

উপ-সভাপতি— শিশিৰ ফুকন, অৱনী গগৈ, পৰীক্ষিত ভূঞা

সহকাৰী সাধাৰণ সম্পাদক— অনিল বৰা, দিলীপ দাস, উদয় শইকীয়া, কমল ভৰালী

সাংগঠনিক সম্পাদক- আব্দুল বছিৰ মোল্লা, অমূল্য হাজৰিকা, গোলাম মোৰতাদা আহমেদ, খনিন মহন্ত।

সাংস্কৃতিক সম্পাদক— লুইত বৰা

প্ৰচাৰ আৰু তথ্য সম্পাদক — হৰি প্ৰসন্ন দাস

ক্ৰীড়া সম্পাদক— নৰেন বৰুৱা

কোষাধ্যক্ষ— গিৰীন ঠাকুৰীয়া

কাৰ্যালয় সম্পাদক— থানেশ্বৰ দাস

সদস্য— অজিত বেজ, উমেশ ডেকা, অতুল শইকীয়া, কৃষ্ণ শৰ্মা, গুণগোবিন্দ দাস, কবিতা চৌধুৰী ইত্যাদি।

নতুন কাৰ্যনিৰ্বাহক কমিটীখন গঠন পৰ্ব শেষ হোৱাৰ পাছত নৱ নিৰ্বাচিত সভাপতি পুলকেশ বৰুৱা আৰু সাধাৰণ সম্পাদক প্ৰসন্ন নাৰায়ণ চৌধুৰীয়ে প্ৰতিনিধিসকলকে ধৰি অসমৰ ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সকলো বিষয়ববীয়া আৰু সদস্যৰ সহযোগিতা কামনা কৰিলে লগতে শিক্ষাৰ মাধ্যম সম্পৰ্কে ছাত্ৰ সন্থাই ইতিমধ্যে ২৯।৯।৭২ ইং তাৰিখে গ্ৰহণ কৰা 'প্ৰতিবাদ দিৱস'ৰ প্ৰতি সকলোৰে পূৰ্ণ সহযোগিতা বিচাৰি চমু বক্তব্য দাঙি ধৰিলে। নৱ নিৰ্বাচিত কাৰ্যনিৰ্বাহক কমিটীৰ প্ৰথম বৈঠক ২৫। ৯।৭২ ইং তাৰিখে দিনৰ ১১ বজাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব বুলিও নৱ নিৰ্বাচিত সাধাৰণ সম্পাদক চৌধুৰীয়ে ঘোষণা কৰি কাৰ্যনিৰ্বাহক সদস্যসকলক সভাত উপস্থিত থাকিবলৈ অনুৰোধ জনালে। এনেকৈয়ে পুৱতি নিশা ছাত্ৰ সন্থাৰ অধিৱেশনখন শেষ হ'ল। প্ৰসেনহঁতে পুৱা ৬.৩০ বজাৰ বাছত উঠি জালুকবাৰীৰ পৰা গুৱাহাটীলৈ আহিল।

পিছদিনা দৈনিক অসম, আসাম ট্ৰিবিউন, নতুন অসমীয়া, ৰেডিঅ' আদি সংবাদ মাধ্যমত মাধ্যম সম্পৰ্কীয় অসম বিধান সভাৰ প্ৰস্তাৱৰ বিৰোধিতা কৰি ছাত্ৰ সন্থাৰ অধিৱেশনে গ্ৰহণ কৰা প্ৰস্তাৱৰ কথা হৰফ আখৰেৰে প্ৰকাশ আৰু প্ৰচাৰ হ'ল। ৰাজ্যজুৰি বিধান সভাৰ প্ৰস্তাৱৰ বিৰুদ্ধে উত্তেজনাই গা কৰি উঠিলে। অসমৰ ৰাইজ, সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বৰ পিছত থিয় হ'ল।

ঃ বুজিছা চৌধুৰী— আজি ৩ বজাত মুখ্যমন্ত্ৰীয়ে আমাক এপইনমেণ্ট দিছে স্মাৰকপত্ৰখন দিয়াৰ বাবে। এইমাত্ৰ এজন পুলিচ বিষয়াই চৰকাৰী চিঠিখন দি গৈছে-- ছাত্ৰ সন্থাৰ সভাপতি পুলকেশ বৰুৱাই সাধাৰণ সম্পাদক চৌধুৰীক স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ বাৰাণ্ডাতে কথাখিনি কৈ চিঠিখন পঢ়িবলৈ দিলে। চৌধুৰীয়ে চিঠিখন পঢ়ি চাই কাৰ্যালয়ত বহিল। সেইদিনা গোটেই ৰাজ্যখনত ছাত্ৰ সন্থাৰ 'প্ৰতিবাদ দিৱস' কাৰ্যসূচী চলি আছিল। "মই আমাৰ জিলা কাৰ্যালয়সমূহলৈ ফোন কৰি 'প্ৰতিবাদ দিৱস'ৰ খবৰবোৰ লওঁ তুমি কৃষ্ণগোপাল ভট্টাচাৰ্য, প্ৰদীপ দাস আৰু অমৰেন্দ্ৰ শৰ্মাৰ লগত বহি মুখ্যমন্ত্ৰীক দিব লগা স্মাৰক পত্ৰখন প্ৰস্তুত কৰা"- বুলি চৌধুৰীয়ে বৰুৱাক কথাখিনি কৈ ফোন কৰাত ব্যস্ত হৈ পৰিল। বৰুৱাই ইতিমধ্যে তাত উপস্থিত হোৱা ভট্টাচাৰ্য, দাস আৰু শৰ্মাৰ লগত আইন মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কাৰ্যালয়ত বহি স্মাৰকপত্ৰ প্ৰিপিয়াৰ

কৰাত ব্যস্ত হৈ পৰিল।

তিনি বাজত গুৱাহাটী চাৰ্কিট হাউচত অসম বিধান সভাই ২৩। ৯। ৭২ ইং তাৰিখে অসম বিধান সভাত লোৱা প্ৰস্তাৱটো ৩-১০-৭২ ইং তাৰিখৰ আবেলি ৫ বজাৰ ভিতৰত বাতিল কৰিবলৈ দাবী জনাই আছুৱে স্মাৰক পত্ৰ দিলে মুখ্যমন্ত্ৰীক। মুখ্যমন্ত্ৰীয়ে 'চাম' বুলি কৈ স্মাৰকপত্ৰখন হাতত ল'লে যদিও একো কথা খাটাংকৈ নক'লে।

৩ অক্টোবৰ তাৰিখে স্মাৰকপত্ৰৰ সময় সীমা উকলিল। সেইদিনাই আবেলি ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা বহিল আৰু ৫ অক্টোবৰ তাৰিখে ১২ ঘণ্টীয়া 'অসম বন্ধ' কাৰ্যসূচী ঘোষণা কৰিলে। অসম বন্ধ সৰ্বাত্মকভাৱে ৰাইজে পালন কৰিলে ৫ অক্টোবৰত। "চৌধুৰী দা এই মাত্ৰ খবৰ পালো দৰং জিলাৰ খাৰুপেটীয়াত মঙ্গলদৈ উচ্চতৰ মাধ্যমিক স্কুলৰ অষ্টম শ্ৰেণীৰ মোজাম্মিল হক নামৰ স্কুলীয়া ছাত্ৰ এজন দুৰ্বৃত্তৰ হাতত আক্ৰান্ত হৈ চিকিৎসাধীন হৈছে বোলে। কাৰ্যালয় সম্পাদক থানেশ্বৰ দাসে সাধাৰণ সম্পাদক চৌধুৰীক খবৰটো দিলে। চৌধুৰীয়ে ততালিকে মঙ্গলদৈলৈ ফোন কৰি কথাটো কনফাৰ্ম কৰিলে। অসম বন্ধৰ পিছদিনা অৰ্থাৎ ৬ অক্টোবৰ তাৰিখে ঘটা এই ঘটনাত ছাত্ৰ সন্থাৰ কাৰ্যালয়ত থকা সকলো মৰ্মাহত হ'ল। 'থানেশ্বৰ তৎক্ষণাৎ তুমি গাড়ী এখন ঠিক কৰা'- আমি কেইজনমান এতিয়াই খাৰুপেটীয়ালৈ যাব লাগিব—বুলি কৈ চৌধুৰীয়ে সহকাৰী সাধাৰণ সম্পাদক দিলীপ দাস, সাংগঠনিক সম্পাদক গোলাম মোৰতাদা আহমেদ আদি কেইজনমানক খবৰ দিলে।

সেই সময়ত প্ৰসেন কিবা এটা কামত তাত উপস্থিত হৈছিল। প্ৰসেনক চৌধুৰীয়ে ভালকৈ জানে। তেওঁকো খাৰুপেটীয়ালৈ যাবলৈ চৌধুৰীয়ে লগ ধৰিলে। আবেলি ৩ মান বজাত চৌধুৰী, দাস, আহমেদ, প্ৰসেনকে ধৰি কেইজনমান ছাত্ৰ সন্থাৰ বিষয়ববীয়া খাৰুপেটীয়ালৈ গ'ল। তেওঁলোকে গৈ পোৱাৰ আগতে ছাত্ৰ কৰ্মী মোজামিল হকে মৃত্যুক আঁকোৱালি লৈ ইহ সংসাৰৰ পৰা বিদায় মাগিছিল। খবৰটো বনজুইৰ দৰে দৰং জিলাত বিয়পি পৰাত ৰাইজ মৰ্মাহত হ'ল। শোকৰ ছাৱে জিলাখন ছানি ধৰিলে। মঙ্গলদৈ চহৰৰ নাছিৰ উদ্দিন আহমেদ আৰু হামিদা বেগমৰ পুত্ৰ মোজাম্মিল হকক মাধ্যম আন্দোলনৰ 'শ্বহীদ' হিচাপে ছাত্ৰ সন্থাই ঘোষণা কৰিলে আৰু শ্বহীদ জনাৰ স্মৃতিত ৭ অক্টোবৰৰ পৰা ১৩ অক্টোবৰলৈ গোটেই অসমত 'শোক দিন' হিচাপে পালন কৰিবলৈ সিদ্ধান্ত লৈ ৰাইজক আহ্বান জনালে। সেইদিনা সমূহ অসমবাসীয়ে ক'লা বেজ পৰিধান কৰি শোক প্ৰকাশ কৰিলে।

অসমৰ নগৰ-চহৰ গাঁও-ভূঁই মাধ্যম আন্দোলনে এক ৰণভূমিত পৰিণত কৰিলে। মোজাম্মিল হকৰ জানাজা শেষ নৌহওঁতেই সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক নগাঁও কলেজৰ ছাত্ৰ অনিল বৰা আন্দোলনৰ কামত হোজাইলৈ গৈ

হঠাৎ সাত অক্টোবৰ তাৰিখে নিখোজ হ'ল। অনিল বৰাৰ পিতৃৰ নাম চন্দ্ৰচৰণ বৰা, মাতৃ মানিকা বৰা। নিখোজৰ ঘটনাটো ৰেডিঅ'ত সম্প্ৰচাৰ হোৱাৰ লগে লগে অনিল বৰাৰ পিতৃ চন্দ্ৰচৰণ বৰা আৰু মাতৃ মানিকা বৰা শোকত ভাগি পৰিল। আন্দোলনকাৰী ৰাইজ জকি উঠিল। সমগ্ৰ অসমত চৰম উত্তেজনাই বিৰাজ কৰিলে। পুৱতি নিশা অনিল বৰাৰ মৃতদেহ পুলিচে উদ্ধাৰ কৰিলে। নগাঁও জিলাকে ধৰি ৰাজ্যখনৰ পৰিস্থিতি অগ্নিগৰ্ভা হৈ পৰিল। সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকে অনিল বৰাক 'শ্বহীদ' ঘোষণা কৰি শ্ৰদ্ধা নিবেদন কৰিলে।

এনেকৈয়ে সমগ্ৰ ৰাজ্যজুৰি ১৯৭২ চনৰ ২৩ ছেপ্টেম্বৰ তাৰিখে অসম বিধানসভাই অসমৰ শিক্ষাৰ মাধ্যম সম্পৰ্কত লোৱা প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰি সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি উঠিল। মোজাম্মিল হক আৰু অনিল বৰা শ্বহীদ হোৱাৰ পাছত অসমবাসী অত্যন্ত আবেগিক হৈ পৰিল আৰু জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ৰণোন্মাদ পদধ্বনিৰে অসমৰ মাটি, আকাশ, বতাহ কঁপাই তুলিলে। ৭।১০।৭২ ইং তাৰিখৰ পিছতেই ছাত্ৰ সন্থাই ১১ আৰু ১২ অক্টোবৰ তাৰিখে সমগ্ৰ ৰাজ্যখনৰ চৰকাৰী কাৰ্যালয়ত পিকেটিং কাৰ্যসূচীৰে চৰকাৰী কাৰ্যালয়সমূহ বিকল কৰি পেলালে। তাৰ আগতে আন এক সিদ্ধান্ত যোগে ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকে ৯ অক্টোবৰ তাৰিখৰ পৰা সমগ্ৰ অসমৰ সকলো শিক্ষানুষ্ঠান অনিৰ্দিষ্ট কাললৈ বন্ধ ঘোষণা কৰিলে। তাৰেই গইনা লৈ অসম চৰকাৰে ১১ অক্টোবৰ তাৰিখে গুৱাহাটীত সান্ধ্য আইন জাৰি কৰি জনজীৱন ব্যাহত কৰি পেলালে।

আন্দোলনৰ কাৰ্যসূচীৰ তীব্ৰতা চলি থকা সময়তে ২২ অক্টোবৰ তাৰিখে নামৰূপত নামৰূপৰ ছাত্ৰকৰ্মী প্ৰমোদ বৰা পুলিচৰ হাতত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে। দেশমাতৃৰ পূজাৰ বেদিত আত্ম বলিদান দিয়া ৰূপাই বৰা আৰু প্ৰমীলা বৰাৰ পুত্ৰ প্ৰমোদ বৰাক শ্বহীদ হিচাপে ঘোষণা কৰে ছাত্ৰ সন্থাই। একেই এক দুৰ্ভাগ্যজনক ঘটনা ঘটে সৰু পথাৰত। ২৯ অক্টোবৰ তাৰিখে সৰুপথাৰৰ নিষ্ঠাবান স্বদেশপ্ৰেমী ছাত্ৰ কৰ্মী বলিন ৰাজখোৱাই পুলিচৰ হাতত অকাল মৃত্যুক সাবটি লৈ মাতৃ পূজাত নিজকে উচৰ্গা কৰে।

ঃ বৰুৱা, ইমানটোৰ পিছতো অসম চৰকাৰ নিৰ্বিকাৰ। ইতিমধ্যে এজন এজনকৈ চাৰিজন ছাত্ৰকৰ্মীয়ে অকালতে মাতৃপূজাত জীৱন আহুতি দিলে। এক নৱেম্বৰ তাৰিখে কাৰ্যনিৰ্বাহক সভা পাতি পৰৱৰ্তী কাৰ্যসূচী ঘোষণা কৰাত বাহিৰে গত্যন্তৰ নাই— আছুৰ সহকাৰী সাধাৰণ সম্পাদক দিলীপ দাসে মন্তব্য কৰিলে।

ঃ হয়, হয়, অসম চৰকাৰৰ নিৰ্লিপ্ততাৰ যোগ্য প্ৰত্যুত্তৰ আমি দিব লাগিব। আমাৰ বিশ্বাস অসমৰ ৰাইজে দাবী পূৰণ নোহোৱালৈকে এই আন্দোলন নেৰে।

আন্দোলনটো বানচাল কৰিবলৈ— আন্দোলনটোক বিভ্ৰান্ত কৰি বিপথে নিবলৈ চৰকাৰে ইতিমধ্যে কেইজনমান ভেৰোণীয়া তথাকথিত বুদ্ধিজীৱীক নিয়োগ কৰিছেই। এই বুদ্ধিজীৱীসকলে চালে-বেৰে কোবাই কিছুমান অন্তঃসাৰশূন্য যুক্তিৰে দুই-এখন কাকত-আলোচনীত প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰিছে।— সভাপতি বৰুৱাই ক'লে।

ঃ বৰুৱা, মই এটা কথা ভাবিছো কেনে হয় চাবচোন— যিসকল বুদ্ধিজীৱীয়ে আন্দোলনটোৰ বিপক্ষে লেখা-মেলা কৰি কাৰ্যত ইয়াৰ বিৰোধিতা কৰিবলৈ লৈছে সেইসকলক মাতি আনি এখন সভা পাতি মাধ্যম সম্পৰ্কীয় বিষয়টো আলোচনা নকৰো কিয় ?— প্ৰসেনে পৰামৰ্শ হিচাপে কথাখিনি বৰুৱাক ক'লে।

ঃ প্ৰসেনজিৎ কলিতাই অৱশ্যে ভাল পৰামৰ্শ এটাই দিছে। আমি এক নৱেম্বৰৰ কাৰ্যনিৰ্বাহকত প্ৰসেনৰ পৰামৰ্শটো ভালকৈ আলোচনা কৰিব লাগিব— সাধাৰণ সম্পাদক চৌধুৰীয়ে ক'লে।

ঃ তেনেহ'লে এক নৱেম্বৰৰ সভাখনলৈ প্ৰসেনজিৎ কলিতাকো নিমন্ত্ৰণ কৰা ভাল হ'ব— দিলীপ দাসে ক'লে।

ঃ অ', প্ৰসেন তুমিও এক নৱেম্বৰ তাৰিখৰ আমাৰ কাৰ্যনিৰ্বাহক সভাখনত বিশেষভাৱে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিবা। মই নিমন্ত্ৰণ কৰিলো মুখেৰেই। চিঠি দিয়াৰ সময় নাই।

কথাবোৰ আলোচনা কৰি থাকোতে দিলীপ দাসে ৰাজ্যখনৰ জিলা কাৰ্যালয়বিলাকলৈ ফোন কৰি সেই সেই জিলাৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে বুজ ল'লে।

১।১১।৭২ ইং তাৰিখে ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ল দিনৰ ১১ বজাত। প্ৰসেনজিৎ কলিতাও বিশেষভাৱে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিল সভাত। আছুৰ সভাপতি পুলকেশ বৰুৱাৰ সভাপতিত্বত বহা সভাত আন্দোলনৰ পূৰ্ববৰ্তী কাৰ্যসূচীৰ ৰূপায়ণ আৰু ৰাজ্যখনৰ সামগ্ৰিক পৰিস্থিতিৰ বহল পৰ্যালোচনা চলিল। ৰাজ্যখনৰ পৰিস্থিতিলৈ চাই সভাখন বেছি দীঘলীয়া নকৰিবলৈ দুই-এজন সদস্যই পৰামৰ্শ আগবঢ়ালে। তদুপৰি ৰাতি আঠ বজাৰ পৰা গুৱাহাটীত সান্ধ্য আইন আছেই। সকলো দিশ আলোচনা কৰি সভাই এলানি আন্দোলনৰ কাৰ্যসূচী প্ৰস্তুত কৰিলে। সেই মতে ছয় নৱেম্বৰ তাৰিখৰ পৰা ১৬ নৱেম্বৰলৈ সমগ্ৰ ৰাজ্যৰ উপায়ুক্ত, মহকুমাধিপতি, উপপ্ৰতি সমাহৰ্তাৰ কাৰ্যালয়ত গণ সত্যাগ্ৰহ কাৰ্যসূচী পালন কৰাটো সিদ্ধান্ত হ'ল। প্ৰসেনজিৎ কলিতাই সভাত আগবঢ়োৱা পৰামৰ্শ অনুসৰি ৰাজ্যখনৰ বছা বছা বুদ্ধিজীৱী কিছুমানক আমন্ত্ৰণ কৰি ১০ নৱেম্বৰ তাৰিখে আবেলি তিনি বজাত গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় কাৰ্যালয়ত এখন সভা আহ্বান

কৰাৰ সিদ্ধান্তও ল'লে সভাই। সভাখনৰ সকলো দায়িত্ব প্ৰসেনজিতক দিয়াৰ সিদ্ধান্ত ল'লে। সন্ধিয়া পাঁচমান বজাত সভা শেষ হ'ল।

ঃ প্ৰসেন, তুমি আজি আমাৰ হোষ্টেলতে থাকা— ৰাতি সভাখন সম্পৰ্কে তুমি, মই, বৰুৱা, ভট্টাচাৰ্য, দাস আৰু শৰ্মাই ভালকৈ আলোচনা কৰিম— সাধাৰণ সম্পাদক চৌধুৰীয়ে ক'লে প্ৰসেনক।

ঃ হ'ব বাৰু— প্ৰসেনে ক'লে।

ঃ তুমি এতিয়া মোৰ হোষ্টেলৰ ৰুমলৈ গৈ বুদ্ধিজীৱীসকলৰ এখন তালিকা প্ৰস্তুত কৰা— ভট্টাচাৰ্যৰ লগতো আলোচনা কৰিবা— চৌধুৰীয়ে ক'লে।

ঃ হৰিচৰণ, অ' হৰিচৰণ ৰাতি ন বাজি গ'লেই। প্ৰসেন দেখোন আজিও নাহিল। ইউনিভাৰচিটিতেই থাকিল নে আন ক'ৰবালৈ গ'ল— উদ্বিগ্ন বোধনে ক'লে।

ঃ তাকেইতো, তেওঁতো খবৰ এটাও দিয়া নাই। ক'ত আছে, কি কৰিছে— শিৱনাথে ক'লে।

ঃ ৰাতিটো পাৰ হ'বলৈ দে— অহাকালি পুৱাই ছয় বজাৰ ইউনিভাৰচিটি বাছখনত মই তেওঁক বিচাৰি ইউনিভাৰচিটিলৈ যাম। তেওঁ নিশ্চয় তাতেই আছে। ব্যস্ততাৰ বাবে চাগে আহিব পৰা নাই— হৰিচৰণে ক'লে।

ঃ হ'লেও খবৰ এটাকেটো দিব লাগে। দেশখনৰ যিহে অৱস্থা হৈছে। ঘৰৰ বাহিৰ ওলাবলৈয়ে ভয় লগা হৈছে। কেতিয়া ক'ত কি হয় কোৱা টান। পঢ়া-শুনাত বাহিৰে কোনো ধৰণৰ বাহিৰা কামত জড়িত নহওঁ বুলি সংকল্প লোৱা প্ৰসেনে হঠাৎ দেখোন পঢ়া-শুনাক পাছ দি আন্দোলনত লাগি পৰিল। জীৱনৰ জঞ্জালত অতিষ্ঠ হৈ অন্তত পঢ়াকেইদিন আৰু কোনো জঞ্জালত নোসোমাবলৈ ঠিক কৰিছিলহে মাত্ৰ। আকৌ দুখ-কষ্টৰ মাজত সোমাই বা কিয় পৰিল— তাকেহে বুজিব পৰা নাই— বোধনে ক'লে।

ঃ বোধন কাই এইবোৰ বৰ জটিল কথা— জীৱন মানেইটো জঞ্জাল, দুখ আৰু কষ্টৰ সমষ্টি। ইংৰাজীত এষাৰ নীতি বচন আছে— 'Making life means making troubles'— হৰিচৰণে মন্তব্য কৰিলে।

এনেকৈ সিহঁতে প্ৰসেনৰ কথা আলোচনা কৰি কৰি ভাত ৰান্ধি থাকিল। ৰাতি এঘাৰমান বজাত কিছু সময় তাচ খেলি বাৰটামান বজাত ভাত খাই শুই থাকিল আটাইকেইজন।

ঃ ঐ শিৱনাথ, বোধনকা— মই ইউনিভাৰচিটিৰ পৰা আহো। ৬ বজাৰ বাছখনত যাম বুলি পুৱা ৫ বজাতেই বিছনা এৰা হৰিচৰণে গা-পা ধুই চাহ একাপ নিজে কৰি খাই লটাশিলত থকা ইউনিভাৰচিটিৰ বাছ ষ্টপেজত উপস্থিত হ'ল। ছয় বজাৰ বাছখন ষ্টাৰ্ট দিছিলেই। হৰিচৰণে কোনোমতে বাছখনত উঠি আগৰ চিট এটাত বহি ল'লে। ঘটংকৈ

শব্দ এটা কৰি প্ৰৌঢ় ড্ৰাইভাৰজনে বাছখন চলাই দিলে। সাত বজাত গৈ হৰিচৰণ ইউনিভাৰচিটি পালে। তাত বৈশ্যৰ দোকানখনত তামোল এখন খাই সি ১০ নং ছাত্ৰবাসলৈ গ'ল। সেইটো ছাত্ৰাবাসতে প্ৰসন্ন নাৰায়ণ চৌধুৰী থাকে। ক'বলৈ গ'লে সেইটো ছাত্ৰাবাসৰ পৰাই অসম কঁপোৱা মাধ্যম আন্দোলনটো চলাই থকা হৈছে। প্ৰসেন যে তাত আছে— সেই কথাত হৰিচৰণ একপ্ৰকাৰ নিশ্চিত হৈহে তালৈ গৈছে।

ঃ আৰে, হৰিচৰণ— তুমি ইমান পুৱা ইয়াত— বাথৰুমলৈ গা ধুবলৈ আহি হৰিচৰণৰ লগত বাৰাণ্ডাত ভেটাভেটি হোৱা প্ৰসেনে হৰিচৰণক তেনেকৈ হঠাৎ দেখি আচৰিত হৈ সুধিলে।

ঃ তোমাক বিচাৰি আহিছো— আজি দুদিন হ'ল। তোমাৰ দেখা-দেখি নাই। ক'ত আছা, কি কৰিছা, খবৰ এটাও দিয়া নাই। বোধনকা, শিৱনাথহঁত চিন্তিত।

ঃ মাফ কৰিবা ভাই— অতি ব্যস্ততাৰ বাবে খবৰ দিব পৰা নাই। মোৰ ভুল হৈছে। আজি মেচলৈ যাম সন্ধিয়া। তুমি ১২নং ৰুমটোত বহা। আমি একেলগে চাহ খাম। মই তৎক্ষণাৎ গাটো ধুই আহো— বুলি হৰিচৰণক ১২নং ৰুমটোত বহাই থৈ প্ৰসেন গা ধুবলৈ গ'ল।

দুয়ো একেলগে চাহ খাই কিছু সময় কথা পাতিলে। হৰিচৰণ মেচলৈ গ'ল। প্ৰসেনে ৰুমত সোমাই কামত ব্যস্ত হৈ পৰিল। প্ৰসেনে কেইবাজনো নেতাৰ লগত আলোচনা কৰি বুদ্ধিজীৱীসকলৰ ৫০ জনীয়া তালিকা এখন সাধাৰণ সম্পাদক চৌধুৰীৰ হাতত দিলে। ১০ নৱেম্বৰ তাৰিখে আবেলি তিনি বজাত বিশ্ববিদ্যালয় আইন কলেজ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত বুদ্ধিজীৱীসকলৰ সভা এখন পতাৰ বাবে সকলো ব্যৱস্থা ল'বলৈ সহকাৰী সাধাৰণ সম্পাদক দিলীপ দাসক দায়িত্ব দিলে।

আছুৰ কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত মৰ্মে পাঁচ নৱেম্বৰত অসমৰ জিলা উপায়ুক্ত, মহকুমাধিপতি আৰু উপপ্ৰতি সমাহৰ্তাসমূহৰ কাৰ্যালয়ত 'গণ সত্যাগ্ৰহ' কাৰ্যসূচী আৰম্ভ হ'ল। কাৰ্যসূচী ১৫ নৱেম্বৰলৈ চলিল। সকলোতে হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, কৃষক-শ্ৰমিক, পুৰুষ-মহিলাকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ লোকে 'গণ সত্যাগ্ৰহ'ত অংশ লৈ অসমৰ আকাশ-বতাহ শ্লোগানেৰে কঁপাই তুলিলে।

সত্যাগ্ৰহৰ ডাঁৰৰ বাতৰি ডাঁৰে লৈ আছে পুলকেশ বৰুৱা, প্ৰসন্ন নাৰায়ণ চৌধুৰী, অতুল বৰা, প্ৰদীপ ডেকা, দিলীপ দাস, কৃষ্ণগোপাল ভট্টাচাৰ্য, প্ৰদীপ দাস, অমৰেন্দ্ৰ শৰ্মা, শৈলেন দাস, থানেশ্বৰ দাস, বসন্ত শৰ্মা, প্ৰদীপ ভূঞা আদি আছুৰ নেতাসকলে। লগত আছে প্ৰসেনজিৎ কলিতা। হঠাৎ বিশ্ববিদ্যালয় চৌহদত হুলস্থূল লাগিল। এক উত্তপ্ত পৰিস্থিতিয়ে বিশ্ববিদ্যালয় চৌহদ আৱৰি ধৰিলে। সেই সময়ত চৌধুৰীকে ধৰি আছুৰ নেতাসকলে বিশেষ এক আলোচনাত ব্যস্ত আছিল ১০ নং ছাত্ৰাবাসৰ ১২নং

ৰুমত। স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত আছিল প্ৰসেনজিৎ কলিতা— মানে প্ৰসেন আৰু থানেশ্বৰ দাস। নগাঁৱৰ পৰা লুইত বৰা, শিশিৰ ফুকনইঁতে ফোন কৰিলে।

ঃ হেল্লো, হেল্লো, মই লুইত বৰাই কৈছো নগাঁৱৰ পৰা। অলপ আগতে প্ৰায় ১২ মান বজাত কলিয়াবৰ উপপ্ৰতি সমাহৰ্তাৰ কাৰ্যালয়ত সত্যাগ্ৰহ কৰি থকা লোকৰ ওপৰত পুলিচে অপ্ৰৰোচিতভাৱে গুলীবৰ্ষণ কৰিছে— সত্যাগ্ৰহী নৰেন মহন্ত নামৰ এল পি স্কুলৰ শিক্ষক এজনৰ মৃত্যু হৈছে। আমি অলপ পিছত এটা দল গুৱাহাটীলৈ গৈ আছো— ফোনটো ৰিচিপ কৰা কাৰ্যালয় সম্পাদক থানেশ্বৰ দাসক লুইত বৰাই কথাখিনি চমুকৈ কৈ ফোনটো থ'লে। থানেশ্বৰ দাসে কাৰ্যালয়ত সেই সময়ত উপস্থিত থকা সকলোকে কথাটো জনালে। লগে লগে তাত থকা প্ৰায় ৩০জন ছাত্ৰই চৰকাৰবিৰোধী ধ্বনি দিবলৈ ধৰিলে। ধ্বনি শুনি তালৈ আন আন বহুসংখ্যক ছাত্ৰ-ছাত্ৰী দৌৰি আহিল। সকলোৱে চৰকাৰবিৰোধী শ্লোগান দি বিশ্ববিদ্যালয়ত এটা সমদল বাহিৰ কৰিলে। প্ৰসেনে দৌৰি গৈ ১০নং ছাত্ৰাবাসত থকা চৌধুৰীকে ধৰি ছাত্ৰ নেতাসকলক খবৰটো দিলে। তেওঁলোকেও কাৰ্যালয়ৰ পিনে দৌৰি আহিল। থানেশ্বৰ দাসৰ পৰা সকলো কথা শুনিলে। ইতিমধ্যে কেইবা হেজাৰো ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, শিক্ষকে বিশ্ববিদ্যালয় চৌহদ সমদলেৰে কঁপাই তুলিলে। আছুৰ নেতা সকলো সমদলকাৰীসকলৰ ওচৰলৈ গ'ল। ইউনিয়ন হ্‌ল চৌহদত সমদল কৰি আহি সকলোৱে মিলিত হ'ল। নেতাসকলে ভাষণ ৰাখি সকলোকে ধৈৰ্যৰ বান্ধ নিছিগিবলৈ অনুৰোধ কৰিলে। তাতেই ৰাজহুৱাভাৱে দেৱকান্ত মহন্ত আৰু ৰেৱকান্তি মহন্তৰ পুত্ৰ নৰেন মহন্তক জাতীয় শ্বহীদ হিচাপে ঘোষণা কৰিলে আছুৰ নেতাসকলে। অনুৰূপ সমদল গুৱাহাটীৰ কটন কলেজ, বি বৰুৱা কলেজ, প্ৰাগজ্যোতিষ কলেজ, আৰ্যবিদ্যাপীঠ কলেজকে ধৰি কেইবাখনো শিক্ষানুষ্ঠানত উলিয়ালে ছাত্ৰ-ছাত্ৰীসকলে। 'গণ সত্যাগ্ৰহ' ১৬ নৱেম্বৰলৈ চলিল। অসমৰ সকলো শ্ৰেণীৰ লোকে 'সত্যাগ্ৰহ'ত যোগদান কৰি ইয়াক সফল কৰি তুলিলে।

মাজতে ১০ নৱেম্বৰ তাৰিখে অসমৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ কাষতে থকা ষ্টুডেণ্টছ্ ডে হমত অসমৰ বিশিষ্ট বুদ্ধিজীৱীসকলৰ সভাখন অনুষ্ঠিত হ'ল। আবেলি তিনি বজাত অনুষ্ঠিত সভাখনলৈ আন্দোলনটোক বিৰোধিতা কৰা বুদ্ধিজীৱীসকল সভালৈ নাহিল। উপস্থিত প্ৰায়বোৰ বুদ্ধিজীৱীয়ে আন্দোলনটোৰ ন্যায্যতা স্বীকাৰ কৰিলে আৰু দাবী পূৰণ নহয় মানে আন্দোলনটো চলাই যাবলৈ আছুৰ নেতাসকলক আহ্বান জনাই প্ৰস্তাৱ এটা গ্ৰহণ কৰিলে।

হঠাৎ থানেশ্বৰ দাস সভাখন চলি থকা অৱস্থাতে সভাকক্ষত সোমাই আছুৰ সাধাৰণ সম্পাদক চৌধুৰীক কাণে কাণে কিবা ক'লে। চৌধুৰীয়ে সভাপতিৰ অনুমতি লৈ বাহিৰলৈ গ'ল।

ঃ চৌধুৰীদা, আপোনাক বিচাৰি পুলিচ বিষয়া এজন আহিছে— আমাৰ কাৰ্যালয়তে বহিবলৈ দিছো—ষ্টুডেন্টচ্ দে হ'মৰ বাহিৰত দাসে চৌধুৰীক কথাষাৰ ক'লে।

ঃ হয় নেকি, ব'লাচোন- কোন আহিছে— কিয় আহিছে জানি লওঁ— বুলি প্ৰসন্ন নাৰায়ণ চৌধুৰী স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ গ'ল। চৌধুৰী কাৰ্যালয়ত সোমাই মানুহজনক নমস্কাৰ জনালে।

ঃ মোৰ নাম অসীম দাস— গুৱাহাটীৰ অতিৰিক্ত পুলিচ অধীক্ষক। আপোনালৈ অসমৰ মুখ্য সচিব দাসৰ পৰা অলপ আগতে আমাৰ এচ পি চাহাবলৈ পঠোৱা চিঠি এখন লৈ আহিছো আপোনাক দিবলৈ।

ঃ হয় নেকি— বুলি কৈ চৌধুৰীয়ে দাসৰ পৰা চিঠিখন ল'লে। দাসেও চিঠিখন দি ততাতৈয়াকৈ তাৰ পৰা গ'ল।

চিঠিখন খুলিলে চৌধুৰীয়ে। মুখ্য সচিবে চিঠিখন দিছে। তাত লিখিছে যে মাননীয় মুখ্যমন্ত্ৰীয়ে অহা ১১ নৱেম্বৰ তাৰিখে আবেলি তিনি বজাত সদৌ অসম ছাত্ৰ সন্থাৰ লগত শিক্ষাৰ মাধ্যম সম্পৰ্কীয় বিষয়টো আলোচনা কৰি এটা মীমাংসালৈ আহিব বিচাৰে।

ঃ থানেশ্বৰ অ' থানেশ্বৰ— যোৱাচোন সভাপতি বৰুৱাকে ধৰি আমাৰ কাৰ্যনিৰ্বাহক সদস্য যিসকল বিশ্ববিদ্যালয় চৌহদত আছে ৰাতি সাত বজাত আমাৰ কাৰ্যালয়লৈ মাতি দিয়া। চৰকাৰে আলোচনাৰ বাবে আমাক আমন্ত্ৰণ জনাইছে ১১ নৱেম্বৰ তাৰিখে।

ঃ হ'ব— চৌধুৰী দা— বুলি কৈ দাসে যিসকল আছুৰ কাৰ্যনিৰ্বাহক সদস্য বিশ্ববিদ্যালয় চৌহদত আছিল সকলোকে সাত বজাত স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ মাতিলে। চৰকাৰে আছুক আলোচনাৰ বাবে আমন্ত্ৰণ জনোৱা বাতৰিটো ৰেডিঅ'ত সন্ধিয়াৰ আঞ্চলিক বাতৰিত প্ৰচাৰ হ'ল। আঞ্চলিক বাতৰিত খবৰটো পাই নিজ নিজ জিলাত থকা কাৰ্যনিৰ্বাহক সদস্য আৰু বিষয়ববীয়াসকল ৰাতিয়েই জালুকবাৰীলৈ আহিল।

সন্ধিয়া সাত বজাত বিশ্ববিদ্যালয় চৌহদত বহুকেইজন কাৰ্যনিৰ্বাহক সদস্য আৰু বিষয়ববীয়া মিলিত হ'ল। মুখ্য সচিবে আলোচনাৰ বাবে আমন্ত্ৰণ জনাই পঠোৱা চিঠিখনৰ ওপৰত আলোচনা হ'ল। তাত উপস্থিত থকা সদস্যসকলে আলোচনাৰ সপক্ষে মত দিলে।

ঃ মই খবৰ পাইছো যে বিভিন্ন জিলাত থকা আমাৰ সদস্য আৰু বিষয়ববীয়াসকলে চৰকাৰে আলোচনালৈ আমাক আমন্ত্ৰণ জনোৱা খবৰটো পাইছে। কাৰ্যালয়লৈ বহুকেইজনে ফোন কৰিছে। গতিকে অহাকালি আমি এবাৰ সকলোৱে বহি আলোচনা সম্পৰ্কে ভালকৈ

কথা পাতিব লাগিব— সাধাৰণ সম্পাদক চৌধুৰীয়ে ক'লে। চৌধুৰীৰ কথাত সকলোৱে হয়ভৰ দিলে।

১১ নৱেম্বৰ তাৰিখে পুৱা ১০ বজাত ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা বহিল স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত। প্ৰায় দুঘণ্টা ধৰি চলা সভাখনত চৰকাৰৰ আমন্ত্ৰণ মৰ্মে মুখ্যমন্ত্ৰীৰ লগত আলোচনাত বহাৰ সিদ্ধান্ত হ'ল। কাৰ্যনিৰ্বাহকৰ সমূহ সদস্যই আলোচনাত অংশ লোৱাটোও সিদ্ধান্ত হ'ল।

সেইদিনাই আবেলি তিনি বজাত কাহিলীপাৰাৰ দশম অসম বেটেলিয়নৰ অতিথিশালাত মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰে ছাত্ৰ সন্থাৰ আলোচনা আৰম্ভ হ'ল। ছাত্ৰ সন্থাৰ ফালৰ পৰা সভাপতি পুলকেশ বৰুৱা, সাধাৰণ সম্পাদক প্ৰসন্ন নাৰায়ণ চৌধুৰী, উপদেষ্টা অতুল বৰা, সহকাৰী সাধাৰণ সম্পাদক দিলীপ দাস, গিৰীন ঠাকুৰীয়া, গোলাম মোৰতাদা আহমেদকে ধৰি ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকৰ সমূহ সদস্যই আলোচনাত ভাগ ল'লে। চৰকাৰৰ তৰফৰ পৰা কেৱল মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ থাকিল। প্ৰায় এঘণ্টা ধৰি আলোচনা চলাৰ অন্তত মুখ্যমন্ত্ৰীয়ে চৰকাৰে লোৱা সিদ্ধান্তসমূহৰ কথা শেষত ঘোষণা কৰিলে। সিদ্ধান্ত অনুসৰি— (১) গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিল (Academic Council)ৰ সিদ্ধান্ত চৰকাৰে মানি ল'ব, (২) কাছাৰত সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰাৰ প্ৰস্তাৱ কাৰ্যকৰী কৰা নহ'ব আৰু (৩) ৰাজ্যখনৰ অনা-অসমীয়া মাধ্যমৰ স্কুলসমূহত অসমীয়া ভাষাক বাধ্যতামূলক বিষয় হিচাপে শিকোৱাৰ ব্যৱস্থা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে চৰকাৰৰ হৈ লোৱা এই সিদ্ধান্তসমূহ ছাত্ৰ সন্থাৰ সদস্যসকলে মানি ল'লে আৰু চুক্তি এখনত স্বাক্ষৰ কৰিলে। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ সন্থাক আন্দোলনৰ কাৰ্যসূচী বাতিল কৰিবলৈও অনুৰোধ জনালে।

মুখ্যমন্ত্ৰীৰ লগত আলোচনা শেষ কৰি ছাত্ৰ সন্থাৰ নেতাসকল বিশ্ববিদ্যালয় চৌহদলৈ আহিল। তাত ইতিমধ্যে জিলা ছাত্ৰ সন্থাসমূহৰ নেতাসকল আহি উপস্থিত হৈছিলহি। বৰপেটা জিলা ছাত্ৰ সন্থাৰ নেতা খনিন মহন্ত, নিশিথ দাস, গোৱালপাৰাৰ মণিৰুজ জামান, ৰামকৃষ্ণ মেধি, নলবাৰী জিলাৰ অৰুণমল্ল বৰুৱা, দৰং জিলাৰ বৃন্দাবন গোস্বামী, প্ৰণৱ বৰা, শিৱসাগৰ জিলাৰ প্ৰণৱজিৎ চহিলা আদি জিলা পৰ্যায়ৰ নেতাসকল বৰ উদ্বিগ্নতাৰে ষ্টুডেণ্টছ ডে হোমত চৰকাৰৰ লগত হোৱা আলোচনাৰ বিষয়ে পৰ্যালোচনা কৰি বহি আছিল। আলোচনা শেষ কৰি নেতাসকল আহি পোৱাৰ লগে লগে বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়, আইন মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কাৰ্যালয় ষ্টুডেণ্টছ ডে হোমকে ধৰি বিশ্ববিদ্যালয় চৌহদত কেইবাশ ছাত্ৰ-ছাত্ৰী, শিক্ষক আহি উপস্থিত হ'ল।

ঃ শ্ৰদ্ধেয় শিক্ষাগুৰুকে ধৰি মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, আজি অলপ আগতে অসমৰ

মুখ্যমন্ত্ৰীৰ লগত আমাৰ কাৰ্যনিৰ্বাহকৰ আলোচনা হৈ গ'ল। এতিয়া আমাৰ কাৰ্যনিৰ্বাহক কমিটীৰ সভা বহিব। তাত আমি চৰকাৰে আমাক দিয়া প্ৰস্তাৱকেইটাৰ বিষয়ে আলোচনা কৰি সিদ্ধান্ত ল'ম। মুখ্যমন্ত্ৰীৰ লগত হোৱা আলোচনা সম্পূৰ্ণ ইতিবাচক বুলি সাধাৰণ সম্পাদক প্ৰসন্ন নাৰায়ণ চৌধুৰীয়ে সমবেত ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীসকলক চমুকৈ আলোচনাৰ বিষয়ে অৱগত কৰিলে।

সন্ধিয়া ছয় বজাত ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা বহিল। মুখ্যমন্ত্ৰীৰ লগত হোৱা আলোচনাৰ বিষয়ে পৰ্যালোচনা চলিল। কিছুমানে চৰকাৰৰ প্ৰস্তাৱ ইতিবাচক বুলি যুক্তি দাঙি ধৰিলে। দুই-এজনে প্ৰস্তাৱত অসন্তুষ্টি প্ৰকাশ কৰিলে। নানা বিতৰ্কৰ অন্তত ৰাতি প্ৰায় একমান বজাত মুখ্যমন্ত্ৰীয়ে দিয়া প্ৰস্তাৱ তিনিটা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকত আলোচনা কৰি গ্ৰহণ কৰিলে। আন এক প্ৰস্তাৱ যোগে পিছদিনাৰ পৰাই সভাই আন্দোলনৰ কাৰ্যসূচী অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখাৰ সিদ্ধান্তও ল'লে।

পিছদিনা ৰাতিপুৱা ৬.৩০ বজাতেই আকাশবাণী গুৱাহাটীৰ বিশেষ বুলেটিন যোগে সদৌ অসম ছাত্ৰ সন্থাই আন্দোলন অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰিলে। লগতে মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ লগত হোৱা ছাত্ৰ সন্থাৰ আলোচনাৰ সবিশেষো প্ৰচাৰ কৰিলে। লগে লগে ৰাজ্যখনৰ ব্ৰহ্মপুত্ৰ উপত্যকাক এক সাময়িক শান্তিৰ বতাহে চুই গ'ল। সদৌ অসম ছাত্ৰ সন্থাই সেইদিনা শ্বহীদ মোজামিল হক, অনিল বৰা, প্ৰমোদ বৰা, বলীন ৰাজখোৱা আৰু নৰেন মহন্তৰ বিদেহী আত্মাৰ শান্তিৰ বাবে অসমৰ সকলো পৰিয়ালকে সন্ধিয়া এগচি চাকি জ্বলাই নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ আহ্বান জনালে।

আনহাতে বৰাক উপত্যকাত চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। বৰাক উপত্যকাৰ ছাত্ৰ-ছাত্ৰীসকলে মুখ্যমন্ত্ৰীক কাছাৰবিৰোধী আখ্যা দি তেওঁৰ প্ৰতিমূৰ্তি ৰাজহুৱাভাৱে দাহ কৰিলে। সমগ্ৰ জিলাখনত এক অসমীয়া বিদ্বেষৰ জুই জ্বলোৱা হ'ল। বন্ধ, ধৰ্ণা, অনশন আদিৰে বৰাক উপত্যকা উত্তাল হৈ পৰিল। ইমানতেই ক্ষান্ত নাথাকি এচাম লোকে কাছাৰ জিলাক অসমৰ পৰা ফালি নি এখন সুকীয়া ৰাজ্য গঢ়াৰ দাবীও উত্থাপন কৰিলে। জিলাখনৰ বিভিন্ন ঠাইত আইন-শৃংখলাৰ অৱনতি ঘটিল। শিলচৰকে ধৰি কেইবা ঠাইতো সান্ধ্য আইন জাৰি কৰা হ'ল।

কিন্তু অসম চৰকাৰ নিজা সিদ্ধান্তত অটল হৈ থাকিল। সদৌ অসম ছাত্ৰ সন্থাৰ লগত হোৱা চুক্তি মৰ্মে কাম কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি চৰকাৰীভাৱে ঘোষণা দিয়া হ'ল। শেষত যেনিবা চৰকাৰে আলোচনাৰ মাধ্যমেৰে বৰাক উপত্যকাৰ ছাত্ৰসকলৰ আন্দোলনটো শাম কটালে।

(বাৰ)

"কোনো বিষয়েই মানুহৰ বাবে বাধাৰ সৃষ্টি কৰিব নোৱাৰে। বাধাৰ সৃষ্টি কৰে বিষয়ৰ ক্ষেত্ৰত থকা দৃষ্টিভঙ্গীয়েহে।" — ত্ৰপিক্টিটাছ

আন্দোলন শাম কাটিল। ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহ পুনৰ আৰম্ভ হ'ল। ছাত্ৰ সন্থাৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক পঢ়া-শুনাত মনোনিৱেশ কৰিবলৈ গোহাৰি জনাই বিবৃতি দিলে। প্ৰসেনেও বিশ্ববিদ্যালয়ৰ চৌহদ এৰি কলেজলৈ আহিল। সিও ক্লাচবোৰ নিয়মিতভাৱে কৰিবলৈ ল'লে। জানুৱাৰীত বি. এ. ফাইনেল পৰীক্ষাৰ টেষ্ট হ'ব। কলেজত তাৰ পপুলাৰিটি আগতকৈ বাঢ়িছে। প্ৰফেচাৰসকলেও প্ৰসেনক দেখিলে মাত এষাৰ লগাবলৈ নাপাহৰে।

ঃ ঐ প্ৰসেন— প্ৰসেন বুলি কোনোবাই এডমিনিষ্ট্ৰেটিভ বিল্ডিঙলৈ গৈ থকা প্ৰসেনক পিছপিনৰ পৰা চিঞৰি মতাত প্ৰসেন ক্ষন্তেক ৰৈ পিছপিনলৈ চাই দেৱনাথক দেখিলে। দেৱনাথ তাৰ ক্লাছমেট। তাৰো ফিলচফিত অনাৰ্চ আছে। কাষলৈ আহি পালে দেৱনাথ—

অ'ই— ইমান জোৰে যে চিঞৰি মাতিছ তোক ভূতে ধৰিছে নেকি?

ঃ তোক আজি কেইবাদিনো বিচাৰি আছো। আজিকালি তোক পোৱাতকৈ ভগৱানক পাবলৈহে সহজ হৈছে যেন পাওঁ।

ক'চোন, ক— টেষ্ট পৰীক্ষা আহিলেই। মইটো যোৱা দুমাহ ধৰি কিতাপৰ মুখ দেখাই নাই। আগৰ ক্লাচৰুমটো আছে নে সলনি হৈছে তাকো নাজানো।

ঃ পিছে বেলেগ এটা কথাৰ বাবেহে তোক বিচাৰি ফুৰিছো।

ঃ কি কথা ক'ব আকৌ।

আমাৰ ঘৰৰ ওচৰৰ অৱন্তিকা নামৰ ছোৱালীজনীয়ে মোক তোৰ লগত চিনাকি কৰি দিবলৈ খাটনি ধৰি আছে।

ঃ হয় নেকি— ক'ত পঢ়ে

ঃ পিউত পঢ়ে।

ঃ কাৰণটো নো কি তই জান নেকি?

ঃ ছোৱালীজনী পঢ়া-শুনাত ভাল। কবিতাও লিখে। তোৰ কবিতা পঢ়ি বোলে বৰ ভাল পায়— বৰ স্মাৰ্ট।

ঃ হ'ব দে— এদিন আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়লৈ লৈ আনিবি— তাতেই চিনাকি হ'ম।

অ', আৰু এটা কথা— আমাৰ হেড চক্ৰৱৰ্তী ছাৰে কিছুদিন আগতে মোক তোৰ কথা সুধিছিল। তেখেতৰ ঘৰত এবাৰ তোক লগ ধৰাৰ কথাও কৈছিল।

ঃ হয় নেকি— অহাকালি ছাৰৰ ক্লাছ আছেই দেখোন। মই ক্লাছ কৰিম। ক্লাছতেই ছাৰক লগ পাম দে। গালি পাৰিবলৈহে মাতিছে— পাৰক গালি ক্লাছতে।

ঃ তোৰ আৰু বেছি সময় নলওঁ— ব্যস্ত মানুহ— ক'ত বা আৰু মেল-মিটিং আছে?

ঃ তই ঠিকেই কৈছ— দুই বজাৰ পৰা ইউনিভাৰচিটিত আছুৰ কাৰ্যনিৰ্বাহক সভা আছে। মোকো মাতিছে। অলপ পিছতে মই ইউনিভাৰচিটিলৈ যাম।

ঃ মই আহো তেনেহ'লে— দুই-এদিনতে অৱন্তিকাক তোক লগ ধৰিবলৈ কম।

ঃ হ'ব দে— বুলি কৈ প্ৰসেন এডমিনিষ্ট্ৰেটিভ বিল্ডিঙত সোমাল। দেৱনাথো তাৰ নিজৰ কামত গ'ল।

পাণবজাৰ ষ্টপেজত প্ৰসেনে ১.৩০ বজাৰ ইউনিভাৰচিটি বাছখন ধৰিলে। দুই বজাতে সি স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয় পালে। ইতিমধ্যে আছুৰ কাৰ্যনিৰ্বাহকৰ কেইবাজনো সদস্য আহি পাইছে। প্ৰসেনে তেওঁলোকৰ দুই-চাৰিজনৰ লগত মত বিনিময় কৰিলে। সকলোৱে প্ৰসেনক ভাল পায়— মৰম কৰে। ভাল পায় তাৰ আন্তৰিকতা আৰু নিষ্ঠাক। তিনি বজাৰ আগে আগে পুলকেশ বৰুৱা, প্ৰসন্ন নাৰায়ণ চৌধুৰী, দিলীপ দাস, গোলাম মোৰতাদা আহমেদ প্ৰমুখ্যে বিষয়ববীয়াসকল আহিল। চৌধুৰীয়ে সকলোকে কৰমৰ্দন কৰি কুশল-বাতৰি ল'লে। সদস্যসকলে নিজ নিজ আসনত বহিল। সভা আৰম্ভ হ'ল।

ঃ প্ৰসেন— তুমি থানেশ্বৰৰ কাষতে বহা। দুয়ো প্ৰচিডিংটো লিখিবা।

সভা আৰম্ভ হ'ল। সভাত ছাত্ৰ সন্থাৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা হ'ল। আন্দোলনটো স্থগিত হ'ল যেতিয়া, জিলাই জিলাই একোখন প্ৰতিনিধিমূলক সভা পাতি ছাত্ৰ-ছাত্ৰী আৰু ৰাইজক চৰকাৰৰ লগত হোৱা চুক্তিৰ বিষয়ে খৰচি মাৰি কোৱা উচিত— বুলি কমল ভৰালীয়ে পৰামৰ্শমূলক বক্তব্য ৰাখিলে। ছাত্ৰ সন্থাৰ সাধাৰণ পৰিষদৰ এখন বিশেষ সভা পতাৰ বাবে প্ৰায়ভাগ সদস্যই পৰামৰ্শ দিলে। অন্যতম উপ-সভাপতি শিশিৰ ফুকনে শ্বহীদসকলৰ স্মৃতিত একোটা শ্বহীদ স্মৃতিস্তম্ভ ততালিকে সজাৰ ব্যৱস্থা কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়ালে। পৰামৰ্শটো সকলোৱে মানি ল'লে। জানুৱাৰী

মাহৰ শেষৰ ভাগত জিলাই জিলাই একোখন সভা পতা, শ্বহীদসকলৰ স্মৃতি সংৰক্ষণ কৰা আৰু অহা শিক্ষা বৰ্ষৰ পৰা মাধ্যম সম্পৰ্কীয় বিষয়টো বিশেষকৈ অনা-অসমীয়া শিক্ষানুষ্ঠানসমূহত অসমীয়া ভাষা বাধ্যতামূলক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা সিদ্ধান্তটো কাৰ্যকৰী কৰাৰ বাবে মুখ্যমন্ত্ৰীক এখন স্মাৰকপত্ৰ যোগে সোঁৱৰাই দিয়াৰ সিদ্ধান্তও লোৱা হ'ল।

ৰাতি ৯ মান বজাত প্ৰসেন মেচ পালে। আজিকালি প্ৰসেন মেচলৈ অহা-যোৱাৰ ক্ষেত্ৰত অনিয়মীয়া হৈ পৰিছে। হৰিচৰণ, শিৱনাথ আৰু বোধনে এই লৈ মাজে মাজে অসন্তুষ্টিও প্ৰকাশ নকৰা নহয়— কৰিছে।

ঃ প্ৰসেন— অ' প্ৰসেন— কিহে, ব্যস্ততা বাঢ়িল বুলি তুমি আমাৰ খবৰ এটাকে কৰিব নোৱাৰা হ'লা নে?

ঃ বেচেৰা বোধনটো— তোমাৰ কথাত লাগিল সি। কিবা কৈ জোৰা টোপালি মাৰি বিয়াখন পাতিছে আঘোণৰ সাতাইশ তাৰিখে— ডিচেম্বৰ মাহৰ ১৮ তাৰিখ বোধহয়। কেইদিনমান আগতে শুবাৰ সময়ত বিয়াখনৰ কথা তোমাৰ আগত উলিয়াইছিল বোলে— তুমি হেনো কেৱল কথাবোৰ শুনি হু-হা-হে কৰি থাকিলা—কোনো মতামত বা দিহা-পৰামৰ্শ নিদিলা— হৰিচৰণে অভিযোগৰ সুৰত কথাখিনি ক'লে। এনেতে বোধন মেচ পালে।

ঃ নালাগে, কোনোৱে মোৰ খবৰ ল'ব নালাগে— বিয়াৰ খবৰো ল'ব নালাগে— দেশ ৰক্ষা কৰি থাকিলেই হ'ব— মই বকুলীক আনিম বুলিছো— আনিমেই— বোধনে মেচ পাই কিছু অপ্ৰকৃতিস্থ হৈ মুখত যি আহে তাকে বলকি ৰুমত সোমাল। হৰিচৰণ, শিৱনাথ আৰু প্ৰসেনে তাৰ বিয়াৰ কথাকে পাতি আছিল।

ঃ বুজিছা— প্ৰসেন— আজি আমাৰ ৰক্ষা নাই। বোধনে মনৰ দুখতে গেলা-পানী খাই আহিছে। ৰাতিটো বিছনাত নপৰাকৈয়ে কটাব লাগিব আজি। বোলা আমি গৈ তাক বুজাও। তুমি তাৰ ভৰিত ধৰি বিয়াৰ খবৰ ল'ব নোৱৰাৰ বাবে ক্ষমা খুজিবা— মৰমিয়াল মানুহ— তৎক্ষণাৎ পমি যাব তাৰ খং-দুখ আৰু বেজাৰ— হৰিচৰণে ক'লে।

হৰিচৰণ, শিৱনাথ আৰু প্ৰসেন ৰান্ধনি ৰুমটোলৈ আহিল। বোধনে ষ্টোভটো জ্বলাই ভাত ৰন্ধাৰ বাবে দালিৰ টেমাটোৰ পৰা দালি উলিয়াই বাটি এটাত লৈ ধুবলৈ যো-জা কৰি আছিল।

ঃ বোধন কা— অ' বোধন কা— বুলি হৰিচৰণ, শিৱনাথ আৰু প্ৰসেন ৰুমত সোমাল।

ঃ মোক ক্ষমা কৰা বোধন কা— মোক ক্ষমা কৰা— মই পাতকীয়ে তোমাৰ বিয়াৰ খবৰ নলৈ মহাভুল কৰিছো— এই বুলি কৈ প্ৰসেনে বোধনৰ ভৰিত সাবটি ধৰি থাকিল।

ঃ এই, এই তই কি কৰা প্ৰসেন— কি কৰাহে— এৰা এৰা— নাপায় নহয় ভৰিত ধৰিবলৈ— চিঃ চিঃ— বুলি কৈ বোধনে প্ৰসেনক সাবট মাৰি ধৰি থিয় কৰাই

দিলে। মই এনেয়েহে এইবোৰ বকি আছো। ক'তনো ৰাইজক মাতি ভোজ-ভাত খুৱাই টকা এসোপা খৰচ কৰি বিয়া পাতিমহে। বকুলীক ইয়ালৈ আনি ডিচি অফিচত ৰেজিষ্টাৰহে কৰিম। বলীন কম্পাউণ্ডাৰে অভিভাৱক হ'ম বুলি কথা দিছেই। মই বিয়াখন আঘোনৰ ২৭ তাৰিখে হ'ব বুলি বৰ আশা কৰি ভাল লগাতহে দুগিলাচ গেলা পানী খাই আজি এইবোৰ বকিছো।

ঃ বাপেক ভীমকান্ত মিস্ত্ৰীয়ে পিছে সন্মতি দিছে নে নাই— প্ৰসেনে ভয়ে ভয়ে সুধিলে।

ঃ দিছে দিছে— মিস্ত্ৰীয়েও কৈছে তেওঁৰো বোলে ভাত দুমুঠিৰে অভাৱ। এনে অৱস্থাত বকুলীৰ বিয়া পতা কথাটো তেওঁ বোলে সপোনতো ভাবিব নোৱাৰে। 'সিহঁত দুটাৰ মন খাইছে যেতিয়া যোৰ হওক'— বুলি আশীৰ্বাদ দিছে মোক। পিছে তেওঁ ৰেজিষ্টাৰ কৰি দিবলৈ নাহে।

ঃ বাৰু- বাৰু- ঠিকেই আছে— পিছে বকুলী আহিবতো?

ঃ কি কোৱাহে, শিৱনাথ— বকুলী নাহিব! তাই মোৰ লগত সংসাৰ পাতিবলৈ একেবাৰে হায়ে-বিয়ে কৰি আছে। আগদিনা ককায়েক মহীকান্তই তাইক বলীন কম্পাউণ্ডাৰৰ ঘৰলৈ গাঁৱৰ পৰা লৈ আনিব। ৰাতিটো তাতেই থাকিব।

ঃ ঠিকেই আছে— এৰেঞ্জমেণ্টবোৰ ঠিকেই আছে— বুলি হৰিচৰণে মন্তব্য কৰিলে।

ঃ পিছে— ৰেজিষ্টাৰ কৰাৰ পাছত ক'লৈ নিবা নতুন কইনাক।

ঃ কিয়— মেচলৈ আনিম। মেচতে কেইদিনমান ৰাখিম। সেইকেইদিন প্ৰসেন তোমালোকৰ ৰুমতে থাকিব। মই কৈছিলো নহয়— বকুলীৰ হাতে ৰন্ধা ভাত তোমালোকক খুৱাম বুলি— চাই থাকা— খুৱামেই।

ঃ হ'ব- হ'ব— সব ঠিক আছে— ৰাতি বহুত হ'ল। ভাত খাই শুৱহে লাগে- বুলি আটাইকেইজনে ধৰা ধৰি কৰি ৰন্ধা-বঢ়া শেষ কৰি ৰান্ধনি ৰুমটোতে স্ফূৰ্তিৰে ভাত খালে। খাই-বৈ শুই থাকিল আটাইয়ে।

জীৱনৰ বহু আকাংক্ষিত আঘোণ মাহৰ সেইদিনটো বোধনৰ জীৱনলৈ আহিল। বোধন, প্ৰসেন, হৰিচৰণ, শিৱনাথ, বলীন কম্পাউণ্ডাৰ আৰু তেওঁৰ ঘৈণীয়েক সৰলা সকলোৱে গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰত বৈ আছে। ডিচি অফিচত ৰেজিষ্টাৰ কৰা কথা আছিল যদিও বলীন কম্পাউণ্ডাৰৰ অনুৰোধ মৰ্মে শুক্ৰেশ্বৰ মন্দিৰতে হোম পুৰি বোধন আৰু বকুলীৰ বিয়াখন পতাটো ঠিক হ'ল। প্ৰায় নমান বজাত বকুলীক লৈ বকুলীৰ ককায়েক বদন, খুৰীয়েক আৰু ভনীয়েক তগৰ আহি শুক্ৰেশ্বৰ মন্দিৰ পালে। লাজ লাজকৈ বকুলী খুড়ীয়েকৰ আচলৰ মাজতহে যেন সোমাই পৰিব— এনে ভাব দেখুৱালে

তাই। বৰ মৰম লগা আৰু চালে চকু ৰোৱা বকুলী। বয়স খুব-বেছি ১৮ বছৰমানহে হ'ব। সাইলাখ প্ৰতিমা যেন দেখি। প্ৰাইমাৰী স্কুলৰ তৃতীয় শ্ৰেণীলৈ পঢ়িছিল তাই। ভীমকান্তৰ ঘৰত যেন শামুকৰ পেটত মণিকৰ জন্ম। দেখায়-শুনায়ে যে তাই চালে চকু ৰোৱা এনে নহয়— তাইৰ নাৰী সুলভ চাল-চলনো চকুত লগা। সকলোৱে বোধনক ভাগ্যবান বুলি শলাগিলে। বলীন কম্পাউণ্ডাৰে 'ভাগ্যে তিৰি, ভাগ্যে গিৰি ভাগ্যে পান-তামোলৰ বাৰী' বোলা ডাকৰ বচন ফাকি মাতি বিয়াৰ যোগাৰ কৰাত লাগিল। পূজাৰী ঠিক কৰাই আছিল।

ঃ বোধন কাই— অ' বোধন কাই— যা ব্ৰহ্মপুত্ৰত গাটো ধুই দৰাৰ কাপোৰ যোৰ পিন্ধি আহ। তহঁতৰ খুড়ীকো ক, কইনাক সোনকালে কইনাৰ সাজ পিন্ধাই সাজু কৰি হোমৰ গুৰিলৈ আনিব লাগে— হৰিচৰণে ব্যস্ততাৰ মাজতে বোধনক কথাষাৰ ক'লে। ইপিনে প্ৰসেন শিৱনাথহঁত বিয়াৰ যোগাৰ কৰাত ব্যস্ত। বলীন কম্পাউণ্ডাৰে কইনা সম্প্ৰদান কৰিব বাবে শুক্ৰেশ্বৰ ঘাটত ভৰি-হাত ধুই আহি নতুনকৈ কিনি অনা ধুতীখন পিন্ধি ল'লে। গা তেওঁ ঘৰতে ধুই আহিছিল। বোধনেও ঘাটত গৈ গাটো তিয়াই দৰাৰ পোচাক পিন্ধি হোমৰ গুৰি লৈ আহিল। কইনাও আহিল। যথাবিধি মতে পুৰোহিতে মন্ত্ৰ মাতি বিয়াৰ কাম আৰম্ভ কৰিলে। প্ৰায় ডেৰ ঘণ্টামান পাছত বিয়া শেষ হ'ল। পুৰোহিতক সেৱা জনাই দৰা-কইনাই মাননি দিলে। বলীন কম্পাড়ণ্ডাৰোকো দৰা-কইনাই সেৱা জনাই মান ধৰিলে।

ঃ ব'ল, ব'ল, যাওঁ ব'ল— এম্বেছাদৰ গাড়ী এখন ভাড়া কৰি আনিছো। প্ৰথমতে বলীন খুড়াহঁতৰ ঘৰলৈ গৈ তাত খোৱা-বোৱা কৰিব লাগিব। তাৰ পাছত আমাৰ মেচলৈ যাব লাগিব"— শিৱনাথে কথাখিনি কৈ দৰা-কইনা আৰু কইনাৰ খুড়ীয়েক, ভায়েক আৰু ভনীয়েকক গাড়ীত উঠিবলৈ ক'লে। গাড়ীখনৰ আগৰ চিটত বলীন কম্পাউণ্ডাৰ আৰু তেওঁৰ ঘৈণীয়েক সৰলা উঠিল। হৰিচৰণ, শিৱনাথ আৰু প্ৰসেনে এখন অটো ৰিক্সা ভাড়া কৰি উঠি ল'লে। আটায়ে পাণবজাৰৰ পুলিচ হাস্পতালৰ কোৱাৰ্টাৰলৈ গ'ল। এম্বেছাদৰ আৰু অকোটখনক ভাড়া দি যাবলৈ দিলে। চাহ-পানী খাই আটায়ে স্ফূৰ্তি-তামাচা কৰি দুপৰীয়াৰ ভাত খালে। বোধনক হৰিচৰণ আৰু শিৱনাথে মাজে মাজে দুই-এটা কাট মৰা কথা কৈ জমাই থাকিল। বোধনে মিচিক-মাচাককৈ হাঁহি নিজৰ পৰম সন্তুষ্টিৰ কথা প্ৰকাশ কৰিলে।

আবেলি চাৰিমান বজাত বোধন, হৰিচৰণ, শিৱনাথ আৰু প্ৰসেনে বোধনৰ কইনা বকুলীক লৈ সিহঁতৰ মেচলৈ আহিল। বকুলীৰ ককায়েক বদন বিয়াৰ পিছতে ঘৰলৈ গ'ল। খুড়ীয়েক আৰু ভনীয়েক তগৰ ৰাতিটো বলীন কম্পাউণ্ডাৰৰ ঘৰত থাকি পুৱাই ঘৰলৈ যোৱাৰ কথা। বোধন আৰু বোধনৰ কইনা বকুলী মেচ পাই বোধন আৰু প্ৰসেনৰ

ৰুমত সোমাল। আগৰ কথা মতে দুদিনমান সিহঁত মেচতে থাকিব। তাৰ পাছত বকুলীক ঘৰত থৈ আহি বোধনে হাস্পতালত পোৱা কোৱাৰ্টাৰটো অলপ ঠিক-ঠাক কৰি বকুলীক কোৱাৰ্টাৰলৈ আনি সাংসাৰিক জীৱনৰ সোৱাদ ল'ব। আৰু প্ৰসেন— প্ৰসেনে কইনা থকা কেইদিন হৰিচৰণহঁতৰ ৰুমতে থকাৰ ব্যৱস্থা কৰি ল'লে। ৰন্ধা-বঢ়াত এক্সপাৰ্ট বকুলীয়ে হৰিচৰণ, শিৱনাথ আৰু প্ৰসেনক দুদিন ধৰি জুতি লগাই খুৱালে।

জানুৱাৰী মাহ। বি. এ. ফাইনেল পৰীক্ষাৰ টেষ্ট আৰু কেইদিনমান পাছতে আৰম্ভ হ'ব। বহুদিনৰ মূৰত ফিলচফি অনাৰ্চৰ ক্লাছ এটা আছে প্ৰসেনৰ। অধ্যাপক চক্ৰৱৰ্তীৰ ক্লাছ। ক্লাছত সোমাই ৰোল কল কৰি প্ৰসেনৰ ইয়েছ্ ছাৰ শুনি অধ্যাপক চক্ৰৱৰ্তীয়ে মূৰ দাঙি চালে। ৰোল কল শেষ হ'ল।

ঃ পিছে প্ৰসেন— দেশখনকে উদ্ধাৰ কৰি থাকিবা নে পঢ়া-পাতিৰ পিনেও চকু দিবা?

প্ৰসেনে একো নামাতি তলমূৰাকৈ থিয় হৈ থাকিল।

ঃ শুনা- দেশ উদ্ধাৰ কৰাৰ সময় জীৱনত বহুত পাবা— পঢ়াদিন এটা নিৰ্দিষ্ট সময়ৰহে দিন। বি এ প্ৰথম খণ্ডৰ পৰীক্ষাত ফাৰ্ষ্ট ক্লাছৰ নম্বৰ পাই আছা— দ্বিতীয় খণ্ডটো অলপ কষ্ট কৰিলেই তুমি ফাৰ্ষ্ট ক্লাছ পাবাই। গতিকে বি. এ. ফাইনেল পৰীক্ষা শেষ নোহোৱালৈকে মেল-মিটিং এৰা। পঢ়াত ধৰা— বুলি উষ্ম ভাষাৰে চক্ৰৱৰ্তীয়ে প্ৰসেনক কথাকেইষাৰ কৈ পঢ়োৱা আৰম্ভ কৰিলে। প্ৰসেনে কথাখিনি শুনিলে, হা-না একো নক'লে।

অধ্যাপক চক্ৰৱৰ্তীৰ ক্লাছ শেষ হ'ল। প্ৰসেনৰ এতিয়া ক্লাছ নাই। অফ আছে। কলেজ অফিচলৈ গৈ তাৰ স্কলাৰশ্বিপৰ টকা আহিছে নে নাই বৰ বাবুক সুধিলে। প্ৰসেনে মেৰিট স্কলাৰশ্বিপ পায়— মাহে ৬৫ টকাকৈ। তিনি মাহে তিনি মাহে স্কলাৰশ্বিপৰ পইচাবোৰ দিয়ে। বৰ বাবুৱে তাক 'কালি আহিবা পইচা লৈ যাবা' বুলি ক'লে।

প্ৰসেন- প্ৰসেন— প্ৰসেনক বিচাৰি বৰ বাবুৰ ৰুম' পোৱা দেৱনাথে প্ৰসেনক মাতি আনি অৱন্তিকা আহি বাহিৰতে ৰৈ আছে বুলি ক'লে।

অ' হয় নেকি— দেৱনাথ তই অৱন্তিকাক আমাৰ ছাত্ৰ একতা সভাৰ অফিচলৈ নি তাত বহুৱাগৈ— মই গৈ আছো।

দেৱনাথে অৱন্তিকাক ছাত্ৰ একতা সভাৰ কাৰ্যালয়লৈ লৈ গ'ল। সেই সময়ত কাৰ্যালয়ত কোনো নাছিল। দেৱনাথ আৰু অৱন্তিকা বহিল। অলপ পিছতে প্ৰসেনে কাৰ্যালয় পালে। প্ৰসেনক দেখি অৱন্তিকাই থিয় হৈ নমস্কাৰ জনালে।

ঃ তোমাৰ কথা দেৱনাথে মোক কৈছে— পঢ়া-শুনাত তুমি বৰ ভাল বোলে। গল্প-কবিতাও লিখা।

ঃ হয়— মই আপোনাক দূৰৰ পৰাই দেখি আছো। এইবাৰৰ কটনিয়ানৰ এডিটৰিয়েল ব'ৰ্ডত আপুনিও আছে বুলি মোৰ লগৰ ছোৱালী এজনীয়ে কৈছে। এইটো মোৰ কবিতা। অলপ দীঘলীয়া হৈছে। চাবচোন— এই বছৰৰ কটনিয়ানত প্ৰকাশ কৰিব পাৰিলে ভাল হয়।

ঃ কিন্তু মই জনাত 'কটনিয়ানৰ বাবে আৰ্টিকেল বিচৰা সময়টো কেতিয়াবাই পাৰ হৈছে। মাজতে এডিটৰিয়েল ব'ৰ্ড এবাৰ বহিছিলও বোলে। মই অৱশ্যে নাছিলো।

ঃ হ'লেও আপুনি ইচ্ছা কৰিলে পাৰিব বুলি মোক মোৰ কেইবাজনী বান্ধৱীয়ে কৈছে।

ঃ আৰু কিবা আছে নেকি?

ঃ আজিলৈ নাই— আপোনাক মাজে মাজে ডিষ্টাৰ্ব দি থাকিম কিন্তু।

ঃ হ'ব- হ'ব— বুলি কৈ প্ৰসেন ৰুমৰ পৰা ওলাই যাবলৈ ওলাল। বলচোন দেৱনাথ আমি অসমীয়া বিভাগলৈ যাও। মোক অধ্যাপক ৰমেন ঠাকুৰীয়া ছাৰে মাতিছে। অলপ কথা আছে বোলে'— বুলি দেৱনাথক লৈ প্ৰসেন অসমীয়া বিভাগলৈ গ'ল। অৱন্তিকাও গ'ল।

ঃ বুজিছা- দেৱনাথ ছোৱালীজনী স্মাৰ্ট, ইন্টেলিজেন্ট। অৱশ্যে মধ্যবিত্ত ঢং এটা আছে। বাপেক ডাঙৰ অফিচাৰটো। কথাও অলপ বেছি কয়। কবিতাটো মই ওপৰে ওপৰে পঢ়ি চাইছো। কবিতাটো ভালেই হৈছে।

ঃ অ', মোক তোৰ কথা কৈ থাকে— পাৰিলে সহায় কৰি দিবি। ধুবুৰী টাউনত আমাৰ ওচৰতে থাকে। বাপেক বান নিয়ন্ত্ৰণ বিভাগৰ চুপাৰিন্টেণ্ডিং ইঞ্জিনীয়াৰ। অৰিজিনেল মানুহ পিছে কামৰূপৰ ক'ৰবাৰহে।

প্ৰসেন আৰু দেৱনাথে কথা পাৰ্তি পাতি অসমীয়া বিভাগ পালে। অধ্যাপক ৰমেন ঠাকুৰীয়া ৰুমতে আছিল। প্ৰসেনক একাষৰীয়াকৈ মাতি নি অধ্যাপক ঠাকুৰীয়াই কথা পাতিলে। কথা পাতি ওলাই আহি প্ৰসেনে দেৱনাথক লৈ মহামায়া কেবিনলৈ গ'ল। তাত দুয়ো চাহ-চিংৰা খালে।

ঃ বুজিছা দেৱনাথ— আমাৰো যে উচ্চ শিক্ষিত মানুহবোৰ, ৰাজনৈতিক নেতাসকলক অনবৰতে সমালোচনা কৰে। চোৰ, ঘোচখোৰ বুলি গালি পাৰে। আনহাতে নিজৰ স্বাৰ্থ পূৰণৰ বাবে নিজৰ মান-সম্ভ্ৰম সকলো বাদ দি ৰাজনৈতিক নেতাসকলৰ আশীৰ্বাদৰ বাবে ভৰিত ধৰিবলৈ ভৰি দাণ্ডি থাকে।

ঃ মই বুজা নাই— তই কি ক'ব খুজিছ- বুজাকৈ ক'।

ঃ আমাৰ প্ৰিন্সিপাল ছাৰ ইনচাৰ্জ হে হৈ আছে এতিয়াও। ৰেগুলাৰ হোৱাই নাই। তইতো জান— আমাৰ প্ৰিন্সিপাল ছাৰে সুবিধা পালেই হকে-বিহকে পলিটিকেল

লিডাৰবিলাকৰ বিৰুদ্ধে চৈধ্য গোষ্ঠী উজাৰি কথা কয়। কোনোবাই ছাৰক কৈছে বোলে মোৰ শিক্ষামন্ত্ৰীৰ লগত ভাল। তেওঁ আমাৰ ছাত্ৰ সন্থাৰ নেতা এজনৰ ককায়েক। সেয়ে পাৰিলে মই ছাৰক ৰেগুলাৰ হোৱাত অলপ সহায় কৰি দিব লাগে। তাকেই ক'লে মোক ৰমেন ঠাকুৰীয়া ছাৰে।

ঃ তই পিছে কি ক'লি?

ঃ কম আৰু কি— চেষ্টা কৰি চাম বুলি কৈছো। আচলতে মোৰটো শিক্ষামন্ত্ৰীজনৰ লগত চিনাকি নাই। চিলং মই এতিয়াও দেখা নাই। অৱশ্যে শিক্ষামন্ত্ৰীজনৰ ভায়েক আমাৰ ছাত্ৰ সন্থাৰ এজন নেতা- তেওঁৰ লগত মোৰ ভাল- মই ঠাকুৰীয়া ছাৰক কথা দিলো যেতিয়া এবাৰ মোৰ বন্ধুজনক কথাটো কৈ চাম।

ঃ বল- বল— ইংৰাজীৰ ক্লাছ এটা আছে নহয়— মাত্ৰ পাঁচ মিনিটহে আছে— দেৱনাথ ক্লাছৰ কথা কোৱাৰ লগে লগে প্ৰসেন আৰু দেৱনাথ চাহৰ পইচা দি একপ্ৰকাৰ দৌৰাৰ দৰেই এডমিনিষ্ট্ৰেটিভ বিল্ডিং পালে। ইংৰাজীৰ অধ্যাপক হিৰণ্য দত্ত ইতিমধ্যে ক্লাছত সোমাইছিলেই। পিছপিনৰ দুৱাৰেদি প্ৰসেন আৰু দেৱনাথ ক্লাছত সোমাল।

ক্লাছ শেষ কৰি প্ৰসেন মেচলৈ গ'ল। মেচত বোধন আৰু বকুলী আছেই। গৈ দেখে ৰুমৰ দুৱাৰ বন্ধ। নিমাও মাও পৰিৱেশ গোটেই মেচটোত। বোধন কাই, অ' বোধনকাই— বুলি প্ৰসেনে কেইবাবাৰো মতাতহে বোধনে দুৱাৰ খুলি লাজ লাজকৈ প্ৰসেনৰ পিনে চালে। এটা তৃপ্তিৰ মৃদু হাঁহি মাৰি সি বকুলীক মাতিলে।

ঃ বকুলী— ঐ বকুলী প্ৰসেন আহিছে। ভাত বাঢ়ি দে আকৌ— বুলি বকুলীক বিছনাৰ পৰা জগালে।

বকুলীয়ে একেজাঁপে বিছনাৰ পৰা উঠিল। গাৰ অসংযত কাপোৰ-কানি ঠিক কৰিলে। মুৰটো এবাৰ ফনিয়ালে আৰু ৰুমৰ পৰা ওলাই দমকলটোৰ ওচৰলৈ গ'ল। ভৰি-হাত ধুই ৰান্ধনি ঘৰত সোমাই প্ৰসেনক ভাত সাজি দি মাতিলে। প্ৰসেনেও ভৰি-হাত ধুই ৰান্ধনি ৰুমত ভাত খাবলৈ বহিল।

ঃ কালি পুৱা আমি যাম প্ৰসেন— বকুলীক এমাহমান ঘৰতে থম। ঘৰৰ মানুহখিনিৰ লগতো চা-চিনাকি হ'ব লাগিবতো। মই এইকেইদিন ঘৰৰ পৰাই অফিচলৈ অহা-যোৱা কৰিম। এমাহমান পিছত কোৱাৰ্টাৰলৈ যাম। কোৱাৰ্টাৰটো ঠিক-ঠাক কৰি আছে। তোমাক এৰিব লগা হোৱাত মোৰ বৰ বেজাৰ লাগিছে। অৱশ্যে তোমাৰো পৰীক্ষালৈ বেছি দিন নাই। বি. এ.টো পাছ কৰাৰ পাছত তুমিওতো ইউনিভাৰচিটিলৈ যাবা।

ঃ হয়, বোধন কাই,- হ'লেও যোৱা প্ৰায় চাৰি বছৰে তুমি অভিভাৱকৰ দৰে মোক চাইছিলা। তোমাক লগ নোপোৱা হ'লে মোৰ কটন কলেজত পঢ়া যে সম্ভৱ

নহ’লহেঁতেন সেই কথা আজিও মই মৰ্মে মৰ্মে উপলব্ধি কৰো। জীৱনৰ এই অৱস্থালৈ অহাত তুমি মোক যি সহায় কৰিলা তাৰ ঋণ যে মই পৰিশোধ কৰিব পাৰিম সেই আশা কৰা নাই।

ঃ মইনো কিটো কৰিলো— তোমাৰ প্ৰতিভা আৰু চেষ্টাৰ গুণতহে এইবোৰ হৈছে। আজি তুমি পঢ়া-শুনাত নাম কৰাৰ লগতে অসমখনৰ বাবে সামূহিক কাম কৰি বিখ্যাত হ’ব পাৰিছা— তোমাৰ প্ৰতিভা আৰু চেষ্টাৰ ফলত। তোমাৰ প্ৰতি আমাৰ সদায়ে মৰম আৰু ভাল পোৱা থাকিব। তুমিও আমাক নেৰিবা— আৱেগবিহ্বল হৈ বোধনে কথাখিনি কৈ চকুপানী মচিলে।

ভাত খাই প্ৰসেন হৰিচৰণৰ বিছনাতে অলপ বাগৰ দিলে। বোধনৰ কথাখিনি মুখৰ ভিতৰতে পাগুলিবলৈ ধৰিলে। কেনে সহজ-সৰল আৰু দৰদী হিয়াৰ এই তথা-কথিত সৰু মানুহবোৰ। নাই কৃত্ৰিমতা— নাই জটিলতা। নিজৰ সকলো দিও আনৰ মুখত হাঁহি চাৰ বিচাৰে। অথচ আজিৰ মধ্যবিত্ত সমাজত ইহঁতৰ স্থানেই বা ক’ত? মধ্যবিত্ত সমাজখনেই ইহঁতক মানুহ বুলি গণ্য কৰিবলৈ লাজ পায়। “মইওতো বোধনহঁতৰ সমাজৰে এজন। মইওতো লাউ-লোটা লোৱা পৰিয়াল এটাৰ পৰাই আহিছো। মধ্যবিত্ত সমাজখনে মোক কিয় পাত্তা দিয়ে- কিয়— সমীহ কৰে— শ্ৰদ্ধা কৰে? অ’ মই ছাত্ৰ সমাজৰ নেতা— সেইবাবেই নেকি? তাৰ মানে মধ্যবিত্ত সমাজখনৰ কোনোবা এটা গোটৰ নেতা হ’ব পাৰিলেই সমাজে তাক জাতত তোলে”- এনেবোৰ কথা ভাবি থাকোতে প্ৰসেনৰ চিলমিল টোপনি আহিল।

পিছদিনা বোধন বকুলীক লৈ ঘৰলৈ যাবলৈ ওলাল। হৰিচৰণ আৰু প্ৰসেনে সিহঁত দুটাক মাছখোৱাত বাছত উঠাই দি আহিল। প্ৰসেনৰ হিয়াখন বেদনাই খুন্দা মাৰি ধৰিলে। ৰুমালখনেৰে চকুপানী মচি হাত জোকাৰি বোধনহঁতক বিদায় দিলে প্ৰসেনে।

ঃ বোধন গ’ল। মই অলপতে বিশ্ববিদ্যালয় হোষ্টেলত চিট এটা পাম। শিৱনাথে সিহঁতৰ গাঁৱত নতুনকৈ পতা পানীতোলা হাইস্কুলখনত অলপতে শিক্ষক হিচাপে কামত সোমাব। তোমাৰো পৰীক্ষা বছৰ আগে আগে শেষ হ’ব— মেচলৈ লৈ নতুন মানুহ আহিব। কিছুদিন পিছত মেচটো আমাৰ বাবে হৈ পৰিব অচিনাকি— বেজাৰে হেঁচা মাৰি ধৰা হৰিচৰণে দাৰ্শনিকৰ দৰে কথাখিনি ক’লে।

ঃ মই অৱশ্যে ৰিজাল্ট দিয়ালৈ থাকিব লাগিব। টিউচনকেইটা কৰি থাকিবই লাগিব। সেইকেইটাই এতিয়া ভাত-মুঠি যোগাৰৰ প্ৰধান সম্বল। বি. এ.ৰ ৰিজাল্ট ওলোৱাৰ পাছত দেখা যাব কি হয়— প্ৰসেনে ক’লে।

প্ৰসেন— তুমিটো এতিয়া কলেজতে সোমাবা। মোৰো বিশ্ববিদ্যালয়ত কাম এটা আছে। তাৰ পৰাই এবাৰ আহো, সন্ধিয়া মেচত লগ হ’ম বুলি কৈ হৰিচৰণে

গোৱালপাৰালৈ যোৱা লাইন বাছ এখনত জাপ মাৰি উঠিল। জালুকবাৰীত নামি যাব। প্ৰসেনেও চিটি বাছ এখনত উঠি পাণবজাৰত নামি কটন কলেজলৈ বুলি আহি থাকোতে পাণবজাৰ চ'কত সিহঁতৰ গাঁৱৰে গগন মেম্বৰ আৰু পদুম কুমাৰক দূৰৰ পৰাই ফুটপাথেৰে খোজকাঢ়ি ডি. চি. অফিচৰ পিনে গৈ থকা দেখিলে। প্ৰায় দৌৰাৰ দৰে গৈ প্ৰসেনে গগন মেম্বৰ আৰু পদুম কুমাৰক লগ ধৰিলে।

ঃ অ' মেম্বৰ কা, পৰসেন আহিছে- পৰসেন, পদুম কুমাৰে প্ৰসেনক দেখি চিঞৰি দিলে।

ঃ মেম্বৰ আতা, অ' মেম্বৰ আতা, তোমাক দূৰৰ পৰা দেখি দৌৰি আহিলো। ক'ৰপৰা কেনেকৈ আহিলা।

অ' প্ৰসেন- বৰ ভাল খবৰ এটা আছে। ডি. চি. অফিচত চলি থকা গাগেলিৰ কেচত আমি জিকিলো। আজি পাঁচদিনমান আগতে ডি. চি. যে আমাৰ দৰখাস্তৰ ওপৰত ভিত্তি কৰি গাগেলিৰ দুন্দুভিহঁতে পট্টা কৰি লোৱা পট্টাবোৰ কেনচেল কৰিছে। আমি ডি. চি.ৰ অৰ্ডাৰৰ কপিটো নিম বুলি আহিছো— গগন মেম্বৰে ক'লে।

ঃ বৰ ভাল খবৰ এটা পালো— প্ৰসেন ক'লে।

ঃ পিছে ডি. চি. অফিচৰ অৰ্ডাৰটোৰ কথা শুনি দুন্দুভিহঁত জ্বলি-পকি মৰিছে। শুনিছো নামনি অসমৰ আয়ুক্তৰ ওচৰত বোলে সিহঁতে আপীল কৰিব। দুন্দুভিহঁতৰ উকীলজনে আমাৰ উকীলজনক কৈছে। তই যিহেতু ইয়াতে থাক, মাজে সময়ে তই আয়ুক্তৰ অফিচত খবৰ লৈ থাকিব লাগিব।

ঃ হ'ব, হ'ব আতা— আয়ুক্তজনৰ ভায়েকজন আমাৰ লগতে পঢ়ে। মোৰ ভাল বন্ধু।

ঃ তেনেহ'লেতো আৰু কথাই নাই- পদুমকুমাৰে কথাটো শুনি আধাখোলা হাঁহি এটা মাৰিলে।

ঃ তই এতিয়া যা- বিহুত ঘৰত গ'লে মোক লগ ধৰিবি। ডি. চি.ৰ অৰ্ডাৰৰ কপি এটা তোকো দিম। মোৰ গাটো সিমান ভাল নহয়। ডি. চি. অফিচৰ পৰা সোনকালে আহি এবাৰ ডাঃ দেৱী চৌধুৰীক দেখুৱাম বুলি ভাবিছো। আমাৰ সেই পিনে সন্ধিয়া ৬ টা মান বজাত যোৱা ৰেলগাড়ী এখন আছে বোলে। আমিও সেইখনতে আজিয়েই ঘৰলৈ যাম।

প্ৰসেনে গগণ মেম্বৰ আৰু পদুম কুমাৰক ডি. চি. অফিচৰ গেটলৈ আগবঢ়াই থৈ কলেজলৈ বুলি খোজ দিলে। বহুত দিনৰ মূৰত গাগেলিৰ খবৰ এটা পালে, তাতে আকৌ ভাল খবৰ। প্ৰসেনৰ মনটো আনন্দেৰে ভৰি পৰিল।

প্ৰসেন দা— অ' প্ৰসেন দা- বুলি কোনোবাই পিছফালৰ পৰা মতা শুনি ঘূৰি চাই প্ৰসেনে অৱন্তিকাক দেখিলে। সি আচৰিত হ'ল তেনেকৈ মতা বাবে—লাজো পালে।

ঃ অ' অৱন্তিকা দেখোন- ক'ৰ পৰা আহিলা।

ঃ আপোনাৰ লগত অলপ কথা আছিল—দুই মিনিট দিব পাৰিব নেকি?

ঃ তুমি আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়লৈ আহা—তাতেই কথা পাতিম-বুলি কৈ প্ৰসেনে ছাত্ৰ একতা সভাৰ কাৰ্যালয়লৈ গ'ল। পিছে পিছে অৱন্তিকাও গ'ল।

কোৱাচোন অৱন্তিকা-কি কথা আছে তোমাৰ

ঃ মই এটা গল্প লিখিছো, আপুনি অলপ চাই দিব নেকি?

ঃ অ' হয় নেকি? আছে নেকি লগত? দিয়া চাই দিও এতিয়াই হাতেলিখা গল্পটো হাতত লৈ প্ৰসেনে গল্পটো চাবলৈ ধৰিলে। গল্পটো চাই থাকোতে প্ৰসেনৰ অলক্ষিতে তাৰ মনৰ কুঠৰিত হঠাৎ প্ৰৱেশ কৰিলে অৱন্তিকা। লুকাই-চুৰকৈ প্ৰসেনে অৱন্তিকাৰ মুখলৈ চাব ধৰোতেই অৱন্তিকাৰ চকুত সি ধৰা পৰি গ'ল। ঈষৎ হাঁহি এটা মাৰি অৱন্তিকাই গাৰ কাপোৰ ঠিক ঠাক কৰিলে। মুহূৰ্ততে প্ৰসেন হৈ পৰিল অন্য এখন পৃথিৱীৰ বাসিন্দা। সেই পৃথিৱীখনৰ পৰাই ভালকৈ চাবলৈ ধৰিলে সি অৱন্তিকাক। দেখিবলৈ বেচ ধুনীয়া অৱন্তিকা। বুদ্ধিদীপ্ত চকুহালে যে কাৰোবাৰ মৰম বিচাৰি আকুল হৈ পৰিছে সেই কথা তাইৰ চকুহাল দেখিলেই ধৰিব পাৰি। তাইৰ মুখৰ কমনীয়তা আৰু চকুৰ চাৱনিত ভাঁহি ফুৰে অজস্ৰ কবিতা। অথচ কিবা এক কৃত্ৰিমতাই, কিবা এক স্বাৰ্থপৰতাই তাইৰ কাষে কাষে ছাটোৰ দৰে ঘূৰি ফুৰে। আৰু নৈৰঞ্জনা, অৱন্তিকা আৰু নৈৰঞ্জনাক হৃদয় মন্দিৰৰ মণিকোঠত ভালকৈ বহুৱাই লৈ চকু দুটা মুদি সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলে সি দুয়োকে। সমতলৰ শান্ত-সমাহিত, ধীৰ-স্থিৰ আৰু স্বচ্ছ এটি তটিনী হে যেন নৈৰঞ্জনা। কৃত্ৰিমতাৰ নাই সামান্য প্ৰলেপ-স্বাৰ্থপৰতা তেনেই অচিনাকি তাইৰ বাবে। দৈহিক সৌন্দৰ্যত অৱন্তিকাৰ লগত ফেৰ মাৰিব নোৱাৰে নৈৰঞ্জনাই। কিন্তু মানসিক সৌন্দৰ্য—মানসিক সৌন্দৰ্যত যেন নৈৰঞ্জনা অৱন্তিকাতকৈ বহু আগত, বহু ওপৰত। অযত্নে পালিতা এক সুগন্ধি পখিলীৰ দৰেই নিষ্পাপ, অকৃত্ৰিম আৰু প্ৰাণচঞ্চল নৈৰঞ্জনা নামৰ ছোৱালীজনী। আৰু অৱন্তিকা— ওখ পৰ্বতৰ টিঙৰ পৰা বৈ অহা চঞ্চল নিজৰা এটা যেন তাই। প্ৰগলভ, বুদ্ধিদীপ্ত— অথচ কৃত্ৰিম পৃথিৱী এখনৰহে যেন বাসিন্দা তাই— এনে লাগিল প্ৰসেনৰ।

ঃ প্ৰসেন, অ' প্ৰসেন— বুলি সাগৰ দাস নামৰ ল'ৰা এজন ৰুমলৈ সোমাই অহাত প্ৰসেন থতমত খাই উঠিল। এক দীঘলীয়া টোপনিৰ পৰাহে যেন সি সাৰ পালে— এনে এটা ভাবেৰে অ' সাগৰ তুমি বুলি সাগৰক বহিবলৈ ক'লে।

ঃ অৱন্তিকা— বেয়া নাপাবা— তোমাৰ গল্পটো মই লৈ যাওঁ। ঘৰতে চাম। কাইলৈ তোমাক দিম।

ঃ হ'ব প্ৰসেন দা, মই তেতিয়া হ'লে উঠো?

ঃ অ' তুমি যোৱা— বুলি প্ৰসেনে কোৱাত অৱন্তিকাই মুখৰ ভিতৰত এক সন্তুষ্টিৰ

হাঁহি মাৰি তাৰ পৰা গ'ল।

ঃ প্ৰসেন— তোমাক বৰ বিব্ৰত আৰু চিন্তান্বিত দেখা গৈছে যে, কথা কি? নে কিবা প্ৰেম-চেমৰ বীজাণুৱে দেহত প্ৰৱেশ কৰিছে।

ঃ নাই— নাই— মই বিব্ৰতও হোৱা নাই- নাই হোৱা চিন্তিতও। প্ৰেম-চেমৰ বীজাণুৱেও নতুনকৈ আক্ৰমণ কৰা নাই। তুমিতো জানাই মোৰ সমগ্ৰ সত্তাত নৈৰঞ্জনাই কাহানিবাই দখল লৈ থৈছে।

ঃ বাৰু- বাৰু সেইবোৰ বাদ দিয়া- যোৱাকালি হেড ছাৰে কৈছে আমাৰ ফাইনেল পৰীক্ষা বোলে এপ্ৰিলৰ পাঁচ তাৰিখমানৰ পৰাই আৰম্ভ হ'ব।

ঃ হয় নেকি? মইতো এতিয়াও পাঠ্য কিতাপৰ মুখ দেখাই নাই। দুমাহো দেখোন হাতত নাই। বুজিছা, সাগৰ, মই আৰু এতিয়াৰ পৰা পঢ়াত বাহিৰে আন কামত মনোযোগ নিদিও— এইবুলি কৈ প্ৰসেন সাগৰৰ লগত ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ পৰা আৰ্টছ বিল্ডিঙৰ পিনে গ'ল। দুয়ো গৈ ফিলছফি বিভাগত সোমাল। ফিলছফিৰ হেড অধ্যাপক চক্ৰৱৰ্তীয়ে কিবা লিখাত মগ্ন হৈ আছিল। প্ৰসেন আৰু সাগৰক দেখি কলমটো থ'লে তেওঁ।

ঃ বহা, বহা, বুলি প্ৰসেন আৰু সাগৰক বহিবলৈ কৈ বাথৰুমলৈ গ'ল অধ্যাপক চক্ৰৱৰ্তী। অলপ পিছতে ঘূৰি আহিল তেওঁ। "পৰীক্ষা আহিল, বুজিছা প্ৰসেন- কিছুদিনৰ বাবে দেশৰ কাম বাদ দিয়া। মনপুতি পঢ়াত লাগা। অলপ চেষ্টা কৰিলেই তুমি ফাৰ্ষ্ট ক্লাছটো পাবা বুলি মোৰ দৃঢ় বিশ্বাস আছে"— ক'লে অধ্যাপক চক্ৰৱৰ্তীয়ে।

ঃ হ'ব ছাৰ— মই এই দুমাহ ভালকৈ পঢ়িম। বেলেগ কামত নালাগো— বুলি কৈ প্ৰসেন আৰু সাগৰ অধ্যাপক চক্ৰৱৰ্তীৰ ৰুমৰ পৰা ওলাই আহিল। প্ৰসেন তাৰ মেচলৈ গ'ল।

আজিকালি মেচত তাৰ অলপো ভাল নালাগে। বোধন নাই। ঘৈণীয়েকক লৈ হাস্পতালৰ কোৱাৰ্টাৰলৈ গৈছে। হৰিচৰণ বিশ্ববিদ্যালয়ৰ হোষ্টেল পাইছে গৈ। শিৱনাথে গাঁৱৰ এখন ভেঞ্চাৰ স্কুলত মাষ্টৰী কামত সোমাইছে। প্ৰসেন মেচত তেনেই অকলশৰীয়া। বেলেগ ল'ৰা কেইটামান মেচলৈ আহিছে। তাতকৈ সৰু সিহঁত। বিশেষ আত্মীয়তা গঢ়ি উঠা নাই। সকলো ধৰণৰ বেয়া লগাবোৰক নিলগাই থৈ প্ৰসেন নিবিষ্ট মনে পঢ়াত লাগিল। মাজে মাজে হৰিচৰণ, বোধনহঁতে অৱশ্যে আহি প্ৰসেনক উৎসাহ দি যায়। ব্যস্ততাৰ মাজত থাকিলে দিনবোৰ কেতিয়া, কেনেকৈ যায় ধৰিবই নোৱাৰি। দিন-ৰাতি পঢ়াত ব্যস্ত হৈ থকা প্ৰসেনেও দিনবোৰ কেনেকৈ সৰকি গ'ল ধৰিবই নোৱাৰিলে। বি. এ. ফাইনেল পৰীক্ষা আহি তাৰ দুৱাৰ মুখত হাজিৰ হ'ল। মাজতে এদিন এডমিট কাৰ্ড আনিবলৈ কলেজলৈ গ'ল। ইউনিয়ন হলৰ কাষত অৱন্তিকাৰ লগত ভেটা-ভেটি হ'ল প্ৰসেনৰ। অৱন্তিকাই ইতিমধ্যে তাই যে প্ৰসেনক ভাল পায়- প্ৰসেও তাইক ভাল পায় বুলি

তাইৰ বন্ধু-বান্ধৱীসকলক কৈ ফুৰা কথা কিছুমান প্ৰসেনৰ কাণত পৰিছিল। এই লৈ প্ৰসেনে অৱন্তিকাক পেটে পেটে বৰ বেয়া পাই আছিল। সেয়ে প্ৰসেনে অৱন্তিকাক নামাতি কাষেৰে পাৰ হৈ গ'ল। আচৰিত হৈ অৱন্তিকাই প্ৰসেনৰ পিছে পিছে গৈ— প্ৰসেন দা অলপ ৰ'বচোন- বুলি প্ৰসেনক আগভেটি ধৰিলে।

ঃ মই তোমাক বৰ বেয়া পাইছো অৱন্তিকা— তুমি এইবোৰ কি প্ৰচাৰ কৰি ফুৰিছা?

ক'তা মইতো একো প্ৰচাৰ কৰা নাই? কিনো প্ৰচাৰ কৰিছো?

ঃ তুমি বোলে মোক ভালপোৱা— ময়ো বোলে তোমাক ভালপাও— এইবোৰ কি বাজে কথা কৈ ফুৰি মোক লাজত পেলাইছা?

নাই নাই মই তেনে প্ৰচাৰ কৰি আপোনাক কিয় লাজত পেলাম? অ', মই আপোনাক ভাল পাওঁ। সেইটো সঁচা। মোৰ দুই-এক বন্ধু-বান্ধৱীক কথাটো কোৱাটোও সঁচা। কিন্তু আপুনি মোক ভাল পায় বুলি মই কাকোৱে কোৱা নাই— বিদ্যা শপত।

ঃ যোৱা, যোৱা, মোৰ পৰীক্ষা, এডমিট কাৰ্ড নিবলৈ আহিছো। তোমাক মই ভনীৰ দৰে মৰম কৰো। মৰমবোৰ নষ্ট হ'বলৈ নিদিবা- বুলি কৈ প্ৰসেন তাৰ পৰা কলেজৰ অফিচলৈ গ'ল। কলেজ অফিচত সি বেছি সময় নৰলে। এডমিটখন লৈ ওলাই আহি ঘপহকৈ ৰিক্সা এখনত বহি সি মেচলৈ গ'ল। মেচত ইতিমধ্যে তাৰ ৰুমটোৰ সন্মুখত থকা চকীখনত হৰিচৰণ বহি আছিল। হৰিচৰণে পৰীক্ষাৰ বাবে প্ৰসেনক শুভেচ্ছা দিবলৈ আহিছে. লগত ঘৰৰ পৰা এমোনা চাউল আৰু কিবাকিবি খোৱা বস্তুও আনিছে। প্ৰসেনে তাৰ ৰুমটো খুলি হৰিচৰণক ভিতৰলৈ মাতিলে। দুয়ো বিছনাতে বহি কথা পাতিলে— পৰীক্ষাৰ কথা।

প্ৰসেন আৰু হৰিচৰণ— দুয়ো ধৰাধৰিকৈ দুয়োৰো বাবে ভাত ৰান্ধিবলৈ ধৰোতেই বোধন আৰু বকুলী আহি ওলাল। বোধন আৰু বকুলীয়েও কিবাকিবি খোৱা বস্তু আনিছিল। বোধন আৰু বকুলীক পাই হৰিচৰণ আৰু প্ৰসেন বৰ আনন্দিত হ'ল।

ঃ যা, বকুলী যা, পাক ঘৰলৈ যা। প্ৰথমে চাহ ক'ৰ- তাৰ পাছত ভাত ৰান্ধিব লাগিব। আজি আমি আটায়ে একেলগে খাম— বোধনে বকুলীক ক'লে।

ঃ বোধন কাই— পাকঘৰ আৰু ক'ত পাবা। সেইবোৰ গ'ল। তেতিয়া ৰন্ধা-বঢ়া কাম মই মোৰ ৰুমতে কৰো।

ঃ হয় নেকি— হ'ব হ'ব- কোনো কথা নাই- বকুলীয়ে মুঠতে আজি আমাক এসাজ খুৱাব লাগিব।

আটায়ে চাহ খালে। বোধন আৰু বকুলীয়ে সিহঁতৰ লগত কিছু শাক-পাচলিৰ লগত কেইটুকুৰামান বৌ মাছো আনিছিল। চাহ খাই উঠি বকুলীয়ে ভাত ৰন্ধাত লাগিল।

প্ৰসেনে সহায় কৰি দিলে। সিহঁতৰ ভাত খাওতে প্ৰায় তিনিটামান বাজিল। বোধন, প্ৰসেন আৰু হৰিচৰণে নানা ফুচুৰী কথা কৈ প্ৰসেনৰ ৰুমটোত নতুন প্ৰাণৰ সঞ্চাৰ কৰিলে। বকুলীয়েও মাজে মাজে ভাগ ল'লে। ভাত খাই উঠি অলপ জিৰণি লৈ বোধন-বকুলীহঁত যাবলৈ ওলাল। প্ৰসেনক পৰীক্ষাৰ বাবে শুভেচ্ছা দিলে। হৰিচৰণ ভাতকেইটা খায়েই গ'ল। তাৰ বোলে পাণবজাৰত কিবা জৰুৰী কথা আছে। প্ৰায় চাৰিটামান বজাত বোধন-বকুলীয়েও গ'ল। সিহঁত যোৱাৰ পাছত প্ৰসেনৰ মনটোত কিবা এক অবুজ বেদনাই বাহ ল'লে। সি বিছনাত পৰি মেচৰ অতীতৰ দিনবোৰ সুঁৱৰি চকুপানী টুকিলে। তাৰ কেতিয়া টোপনি আহিল সি ক'বই নোৱাৰিলে।

ঃ প্ৰসেনদা- অ' প্ৰসেন দা- বুলি মেচলৈ নতুনকৈ অহা অচিন্ত্য নামৰ ল'ৰাজনৰ মাতত প্ৰসেনে সাৰ পাই উঠিল।

ঃ কিহে অচিন্ত, কি হ'ল?

ঃ আপোনাক বিচাৰি কোনোবা ছোৱালী এজনী আহিছে?

ঃ ছোৱালী আহিছে— কোন ছোৱালী?

ঃ নাই- মই চিনি নাপাও।

কাপোৰ-কানি ঠিক-ঠাক কৰি চাৰ্টটো গাত সোমাই প্ৰসেনে বাৰাণ্ডালৈ আহিল।

ঃ মই প্ৰসেনদা- আপোনাক পৰীক্ষাৰ বাবে Best of Luck দিবলৈ আহিছো- বুলি ফুলৰ সৰু থোপা এটা প্ৰসেনলৈ আগবঢ়াই 'Best of Luck' বুলি ক'লে অৱন্তিকাই। হতভম্ব প্ৰসেনে ফুলৰ থোপাটো হাতত লৈ সৰুকৈ 'থেংক ইউ' বুলি কৈ অৱন্তিকাক বাৰাণ্ডাত থকা চকীখনত বহিবলৈ কৈ ৰুমৰ ভিতৰলৈ গ'ল। অলপ পিছতে প্ৰসেনে মুঢ়া এটা হাতত লৈ আহি অৱন্তিকাৰ কাষত বহিবলৈ লওঁতেই অৱন্তিকাই— 'মই যাও প্ৰসেন দা- ৰিক্সাখন ৰৈ আছে। আপুনি পৰীক্ষাটো ভালে ভালে দিয়ক। পিছত লগ পাম, কথা পাতিম বুলি কৈ অৱন্তিকা গ'ল। প্ৰসেনে শিল পৰা কপৌৰ দৰে কিছু সময় অৱন্তিকা যোৱাৰ পিনে চাই থাকিল। আচম্বিতে তাৰ মুখৰ পৰা ওলাই আহিল- 'কি আচৰিত ছোৱালী এইজনী।'

আজি এপ্ৰিলৰ পাঁচ তাৰিখ। প্ৰসেনৰ বি. এ. ফাইনেল পৰীক্ষা আৰম্ভ হ'ল। অনাৰ্চৰ ফাৰ্ষ্ট পেপাৰ আছিল আজি। ভালেই হ'ল। এদিন-দুদিনকৈ বিহুৰ আগতে অৰ্থাৎ ২৩ এপ্ৰিলত প্ৰসেনৰ পৰীক্ষা শেষ হ'ল। পৰীক্ষাৰ বাবে প্ৰসেনে বিহুত এইবাৰ মনোযোগ দিয়া নাই। বিহু কেতিয়া আহিল কেতিয়া গ'ল- সি যেন ধৰিবই নোৱাৰিলে। বহুত দিন সি ঘৰলৈ, যোৱা নাই। পৰীক্ষাৰ পিছতে এবাৰ ঘৰলৈ- গাঁওলৈ যোৱাৰ কথাটো সি ঠিক কৰি থৈছে। ঘৰৰ কথা- গাঁৱৰ কথা মনলৈ অহাৰ লগে লগে তাৰ গাগেলিলৈ মনত পৰিল। তাৰ স্মৃতিপটৰ আয়নাত গাগেলিখন সি দেখিবলৈ ধৰিলে। আবেগত অভিভূত

হৈ পৰিল সি। গাগেলিয়ে যেন তাক কাণে কাণে ক'বলৈ ধৰিলে— 'মোৰ বুকুত তুমি বহুদিন গৰু চৰোৱা নাই- মাছ মৰা নাই- চৰাই-চিৰিকটি বিলাকৰ লগত গীত গোৱা নাই- গাগেলিৰ গৰখীয়াই কি গাগেলিক পাহৰিলা নেকি? আহা প্ৰসেন- আহা তোমাৰ পদধ্বনিৰে মোক আগৰ দৰে পুলকিত কৰাহি- ময়ো তোমাক মোৰ শোভাৰে পুলকিত কৰি স্বৰ্গীয় সুখৰ নতুন বতৰা দিম।'

প্ৰসেনে কেইদিনমান পিছতে ঘৰলৈ, গাঁৱলৈ- গাগেলিলৈ যোৱাটো ঠিক কৰিলে। ৰুমটোত তলা লগাই সি ভাৱনাৰ নাৱত উঠি কেতিয়া পাণবজাৰ পালে ক'বকে নোৱাৰিলে। পাণবজাৰত সাগৰক পোৱাৰ পিছতহে ভাৱনাৰ নাওখনৰ পৰা সি নামিল। দুয়ো অশোকাত সোমাল। সাগৰে দুকাপ চাহৰ অৰ্ডাৰ দিলে।

ঃ অ' প্ৰসেন দা- আপুনি ইয়াত- মই আপোনাক বিচাৰি গোটেই কলেজখন দুবাৰো ঘূৰিলো- কটন কলেজৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক অনিৰ্বাণে প্ৰসেনক অশোকাত লগ পাই কথাখিনি ক'লে।

ঃ বহা- ওচৰতে বহা।

ঃ অনিৰ্বাণ হাজৰিকা প্ৰসেনৰ কাষতে বহিল।

ঃ পিছে কিয় বিচাৰিছিলা।

ঃ আপোনাৰ এখন চিঠি আছে? বিশ্ববিদ্যালয়ৰ ল'ৰা এজনে দি গৈছে।

ঃ চাওঁ- দিয়া, চিঠিখন প্ৰসেনে হাতত লৈ খুলি পঢ়িলে। অনিৰ্বান গ'ল।

কি চিঠিহে— কাৰ চিঠি— সাগৰে সুধিলে।

ঃ আছুৰ সাধাৰণ সম্পাদক প্ৰসন্ন নাৰায়ণ চৌধুৰীৰ চিঠি- অহা পৰহি আছুৰ এখন কাৰ্যনিৰ্বাহক সভা আছে। মোকো বিশেষভাৱে নিমন্ত্ৰণ জনাইছে।

ঃ হয় নেকি—

ঃ তুমিও ওলাবাহে সাগৰ- বহুত দিন বিশ্ববিদ্যালয়ৰ পিনে যোৱা নাই। মিটিংখন কৰি অলপ ইঞ্জিনীয়াৰিং কলেজৰ পিনে ফুৰিবলৈ যাম।

ঃ হ'ব বাৰু, তুমি কৈছা যেতিয়া যাবতো লাগিবই।

এনেতে চাহ দুকাপ দি গ'ল হোটেলৰ ল'ৰা এজনে। প্ৰসেন আৰু সাগৰে কথা পাতি পাতি চাহ খাই থাকোতে প্ৰসেনৰ বন্ধু দেৱনাথ হোটেলত সোমাই কিছু আঁতৰৰ চকী এখনত বহিল। কাষত অৱন্তিকা। দেৱনাথ আৰু অৱন্তিকাক দেখি প্ৰসেনে খৰখেদাকৈ চাহ খোৱা শেষ কৰি 'বল বল সাগৰ মোৰ বহুত কাম আছে' বুলি অশোকাৰ পৰা ওলাই আহিব ধৰোতেই দেৱনাথে তাক দেখা পালে। দেৱনাথে ঘপহকৈ উঠি প্ৰসেনৰ ওচৰলৈ আহিল। আহিল অৱন্তিকাও।

প্ৰসেনদ দা- পৰীক্ষা কেনে হ'ল- অৱন্তিকাই প্ৰসেনক সুধিলে।

ঃ হৈছে আৰু একপ্ৰকাৰ- বুলি কৈ প্ৰসেন আৰু সাগৰ ওলাই আহিব ধৰোতেই দেৱনাথে প্ৰসেনক হাতত ধৰি একপ্ৰকাৰ টানি নিয়াৰ দৰে নি তাৰ ওচৰত বহুৱাই ল'লে।

ঃ যাবি দে চোন— কিমান দিনৰ মূৰত লগ পাইছো— দুই-চাৰি আষাৰ কথাকে পাতো, দেৱনাথে ক'লে।

নাই নাই দেৱনাথ মোৰ এটা বৰ জৰুৰী কাম আছে মই যাওঁ। পিছত লগ পাম- বুলি কৈ প্ৰসেনে দেৱনাথৰ অনুৰোধ উপেক্ষা কৰি হোটেলৰ পৰা ওলাই আহিল। প্ৰসেনৰ ব্যৱহাৰত দেৱনাথ আচৰিত হ'ল। তাৰ খঙো উঠিল।

ঃ তুমিও যোৱা সাগৰ। পৰহি দহ বজাত বিশ্ববিদ্যালয়ৰ বাছখনত একেলগে আমি বিশ্ববিদ্যালয়লৈ যাম। তুমি লতাশিল ষ্টপেজলৈ আহিবা। মই ৰৈ থাকিম- বুলি কৈ প্ৰসেন আৰু সাগৰ এৰা-এৰি হ'ল।

প্ৰসেনে অৱন্তিকাক এৰাই চলিবলৈ দেৱনাথক দুখ দিব লগা হোৱাৰ বাবে বৰ বেজাৰ পালে। হাজাৰ হ'লেও দেৱনাথ তাৰ প্ৰিয় বন্ধু— সহপাঠী। সি পাণবজাৰৰ কল্পতৰু নামৰ দোকানখনৰ পৰা দেৱনাথক লক্ষ্য কৰি থাকিল। কিছু সময় পিছত দেৱনাথ আৰু অৱন্তিকা অশোকাৰ পৰা ওলাল। অৱন্তিকাক বিদায় দি দেৱনাথ ফাঁচীবজাৰৰ পিনে যাবলৈ ধৰিলে। প্ৰসেনে বেগাই গৈ দেৱনাথক লগ ধৰিলে।

ঃ প্ৰসেন- তুমি তুমিতো বৰ জৰুৰী কাম থকা বুলি দৌৰাদৌৰিকৈ অশোকাৰ পৰা গৈছিলা?

ঃ তুমি মোৰ প্ৰিয় বন্ধু- তোমাক সঁচা কথা নক'লে মোক দোষে চুব। আচলতে মোৰ একো জৰুৰী কাম নাছিল। অৱন্তিকাক এভয়ড কৰিবলৈহে মই তোমাৰ অনুৰোধ উপেক্ষা কৰি অশোকা এৰিছিলো— প্ৰসেনে ক'লে।

ঃ কিন্তু কিয়?

ঃ বৰ আচৰিত ছোৱালী এই অৱন্তিকা। তাই মোক ভূতে লম্ভা দি লম্ভিছে। তাই বোলে মোক ভাল পায়, তাইৰ বন্ধু-বান্ধৱী সকলক কৈ ফুৰিছে। লাজত মই কিছুমান ছাত্ৰ-ছাত্ৰীৰ আগত মুখ উলিয়াব নোৱৰা হৈছো— প্ৰসেনে ক'লে।

ঃ হয় নেকি? তাই অৱশ্যে বৰ আবেগিক ছোৱালী। হ'লেও এনে কথা কৈ ফুৰাটো উচিত হোৱা নাই। বাৰু, বাৰু— মই তাইক বুজাম- দেৱনাথে ক'লে।

ঃ বুজাবি ভাই, সোনকালে বুজাবি, আৰু এই কথাও বুজাবি যে প্ৰচাৰগন্ধী মধ্যবিত্ত সুলভ প্ৰেম-ভালপোৱাত বিশ্বাস নকৰে প্ৰসেনে। ভালপোৱা দুজনৰ মন আৰু হৃদয়ৰ সূক্ষ্ম অনুভূতিহে- মনৰ সমমৰ্মিতা- ইচ্ছা কৰিলেই কাৰোবাক ভাল পাব নোৱাৰি। ভালপোৱা আদায় কৰি লোৱা বস্তুও নহয়— ই হৃদয়ৰ পৰা স্বভাৱজাতভাৱে প্ৰবাহিত হোৱা এছাটি শ্বাসত বতাহ— কোনোৱে জোৰ কৰি এই বতাহ ব'লাব নোৱাৰে—

প্ৰসেনে ক'লে।

দেৱনাথ তাৰ কাম এটাত ফাঁচি বজাৰলৈ গ'ল আৰু প্ৰসেন তাৰ মেচলৈ আহিল। তাৰ এটা প্ৰবন্ধ আৰু এটা গল্প আধা লিখা হৈ আছিল। সি প্ৰবন্ধ আৰু গল্পটো সম্পূৰ্ণ কৰাৰ বাবে ততাতৈয়াকৈ ভৰি-হাত ধুই হাতত কলম লৈ বিছনাত বহিল। সেইদিনাৰ আবেলিটো আৰু ৰাতিটো তেনেকৈয়ে পাৰ কৰিলে প্ৰসেনে। পিছদিনাও গোটেই দিনটো সি লিখাতেই নিজকে ব্যস্ত ৰাখিলে।

বি. এ. পৰীক্ষা শেষ হোৱাৰ পাছত প্ৰসেন গাঁও লৈ গ'ল, তাৰ মৰমৰ কাকতলত এতিয়া নানা অসূয়া-অপ্ৰীতিয়ে বাহ লৈছে। যিখন কাকতলত এদিন—

"অ' আমাৰ গাঁও
আমাৰ গাঁওৰ মান ৰাখি
মৰিবলৈ যাওঁ।
আমি মৰিবলৈ যাওঁ ....।"

গীতৰ ধ্বনিয়ে কাকতলবাসীক বিয়াকুল কৰি একতাৰ জৰীৰে বান্ধি ৰাখিছিল, সেই গীতৰ ধ্বনি এতিয়া কাকতলত অপৰিচিত হৈ পৰিছে। দলা-দলি, খেয়লা-খেয়লিয়ে গাঁওখনৰ সামূহিক একতাত ডাঙৰ হেঙাৰ এডাল বান্ধিছে। ঘৰ পাই প্ৰসেন নিজৰ ঘৰখনৰ অৱস্থা দেখিও মৰ্মাহত হ'ল। ডাঙৰ ঘৰটোৰ চালত খেৰ নাইয়েই, বেৰকেইখনো উঁৱলি গৈছে। বতাহ-বৰষুণ আহিলে এখনো বিছনাত শুব নোৱাৰি, পানী পৰে।

ঃ প্ৰসেন, অ' প্ৰসেন, প্ৰসেনৰ মাকে প্ৰসেনক বৰঘৰটোৰ পৰা চিঞৰি মতাত চিন্তা-ভাৱনাৰ ভয়ঙ্কৰ অক্টোপাছ এটাই মেৰিয়াই সমগ্ৰ দেহ-মন কাবু কৰি পেলোৱা প্ৰসেনে- 'গৈছোঁ আই, গৈছোঁ'- বুলি শৰীৰ সমস্ত শক্তি প্ৰয়োগ কৰি মাকৰ চিঞৰক সঁহাৰি জনালে।

ঃ ক', কিয় মাতিলি?-'প্ৰসেনে মাকক সুধিলে।

ঃ যাচোন ডাঙৰ দাদেহঁতৰ ঘৰলৈ গৈ চাৰি পাল্লামান ধান ধাৰলৈ দিবলৈ ক'। মই যোৱা কালি কৈছিলো। দিবলৈ ইচ্ছা কৰা নাই। তই ক'লে কিজানি দিয়েই।" বুলি প্ৰসেনৰ মাকে কোৱাত প্ৰসেন ডাঙৰ দদায়েকহঁতৰ ঘৰলৈ গ'ল। ডাঙৰ দদায়েকৰো অৱস্থা সিমান ভাল নহয় যদিও এইবাৰ খেতি ভাল হৈছে। ভালখিনি ধান পাইছে। খোৱাত বাহিৰেও কিছুধান বেচিব পাৰিব। ডাঙৰ দদায়েক বিধুৰে সেই সময়ত গোহালিত কিবা কাম কৰি আছিল। প্ৰসেনে গৈ গোহালিতে দদায়েক বিধুৰ ওচৰত থিয় হ'ল।

ঃ অ', প্ৰসেন, তই বোলে যোৱা-কালিয়েই আহিছ- গজেনে মোক কৈছে।

ঃ অ', দাদা যোৱাকালিয়েই আহিছো।

ঃ পৰীক্ষা-পাতি শেষ হ'লনে? কি পৰীক্ষানো দিলি?

ঃ হ'ল দাদা, পৰীক্ষা শেষ হ'ল। বি. এ. ফাইনেল পৰীক্ষা দিছো।

ঃ যাচোন তই ঘৰতে বহ, মই গোবৰখিনি পেলাই গোহালিটো চাফা কৰি গৈ আছো।

ঃ মই কথা এটা কম বুলিহে আহিছো- ইয়াতেই কওঁ দে।

ঃ কি কথানো, ক' তেনেহ'লে।

ঃ আমাৰ ঘৰত যোৱা ৰাতিও সকলোৱে লঘোনে আছে। ঘৰৰ অৱস্থা ইমান বেয়া হোৱা বুলি মই জনাই নাছিলো। খেতি বোলে এইবাৰ অলপো নহ'ল। পিতাই মাটি এবিঘা বন্ধকত থ'বলৈ যোৱা কেবাদিনো গাঁৱৰ কেবাজনকো ধৰিলে। আজিও পুৱাই বাথানপাৰাৰ খগেশ্বৰ মহাজনৰ ওচৰলৈ গৈছে। ঘূৰি অহা নাই। তই কেইদিনমানৰ বাবে ধান আধামোন ধাৰলৈ দিলে এই মহা বিপদৰ পৰা ঘৰখন বাচে।"

ঃ এ, হওতে তই ঠিকেই কৈছ, খেতি আমাৰ ভাল হোৱা কথাটো এনেয়ে কয় মানুহে। আজি তিনিদিন আগতে খোৱাৰ ধানমুঠি ৰাখি বাকী আটাইখিনি চৌৰা বেপাৰীত বেচি দিলো নহয়। এতিয়া এদোন ধানো কাকো দিব পৰা অৱস্থা এটা নাই, বেয়া নাপাবি। মায়েৰাই যোৱা কালিয়েই কথাটো কৈছিল। মই নোৱাৰোঁ বুলি দেখোন যোৱা কালিয়েই কৈছো, তোক কথাটো নক'লেও হ'লহেঁতেন। হ'বদে- এটা কাম কৰ, তই আজি দুপৰীয়া আমাৰ ঘৰতে ভাত খাবি- ৰাতিও বোধহয় খোৱা নাই। দদায়েকৰ কথাত প্ৰসেনৰ মূৰত সৰগ ভাঙি পৰাৰ দৰে হ'ল। ইচ্ছা কৰিলে দদায়েকে আধামোন কিয়- দুই-তিনিমোন ধান দিব পৰা অৱস্থা আছে।

ঃ হ'ব দে, মই আহো, অলপ পিছত মই ত্ৰিনাথ নগৰলৈ যাম। আজি দুপীৰয়া ভাত নাখাওঁ দে, কেতিয়াবা সুবিধা হ'লে খাম- বুলিকৈ প্ৰসেন গোহালিৰ পৰা নামি ঘৰলৈ আহিল। দদায়েকৰ কথাই তাৰ মনত মুচিব নোৱাৰা বেজাৰৰ সাচ বহুৱালে। দদায়েকহঁতৰ গোহালিটো প্ৰসেনহঁতৰ ডাঙৰ ঘৰটোৰ একেবাৰে ওচৰতে বাবে প্ৰসেনৰ মাক মায়াৱতীয়ে দদায়েক বিধুৱে প্ৰসেনক কোৱা কথাবোৰ শুনি আছিল। প্ৰসেন গোহালিৰ পৰা নামি আহি ঘৰ পোৱাত মাকে কোনো প্ৰতিক্ৰিয়া ব্যক্ত নকৰি ক'লে—

ঃ নিদিয়ে বুলি মই জানোই— তথাপিতো ভাবিছিলো তই ক'লে হয়তো মনটো কিছু কুমলিব পাৰে। অকল তেওঁৰ কথাইনো কি ক'বি, বাকী দদায়েৰহঁতকো মই কিমান কৈ আছো কালিৰে পৰা- কোনোৱে ধান আধামোন দিবলৈ ইচ্ছা নকৰিলে। 'কেৱল নাই, নাই' বুলিহে কৈ আছে। বাপেটোও যে মানুহ— খালি সমাজৰ কাম, গাঁৱৰ কাম। যোৱা কেবাদিনৰে পৰা ঘৰত ধান-চাউল নোহোৱা কথাটো কৈয়েই আছো মই— মন-কান নিদিয়ে। এতিয়া ল'ৰা-ছোৱালীকেইটাৰ মুখৰ পিনে চাই মইহে দহিব লাগিছো- বুলি প্ৰসেনৰ মাকে খং, ক্ষোভ আৰু বেজাৰত বকি বকি বাৰীৰ পিনে থকা দমক'লটোৰ

ওচৰলৈ গ'ল। এনেতে প্ৰসেনৰ পিতাক ৰজত মেম্বৰে এখন মোনাত এমোনা কিবা লৈ ঘৰত সোমোৱা দেখিলে প্ৰসেনে তাৰ ভঁৰালঘৰৰ লগত সংলগ্ন ৰুমটোৰ পৰা।

ঃ হেৰ, ক'ত গ'লি, প্ৰসেন, অ' প্ৰসেন- মাৰ ক'ত মৰিল অ'।

ঃ জানো, অলপ আগতে বাৰীৰ পিনে গৈছিল- বুলি প্ৰসেনে 'আই, অ' আই' বুলি চোতালৰ পৰাই মাকক চিঞৰি চিঞৰি মাতিলে। মাকে সেই সময়ত দমকলৰ কাষতে থকা সৰু পুখুৰীটোত কাপোৰ এখন অতাই আছিল। মাকৰ ওচৰলৈ গৈ প্ৰসেনে 'আই, অ' আই, পিতা আহিছে, তোক মাতিছে- বুলি ক'লে।

ঃ যা, তই যা, মই কাপোৰখন অটাই গৈ আছো।

অলপ পিছতেই প্ৰসেনৰ মাক মায়াৱতী ঘৰলৈ আহিল। শুনিছ, খগেশ্বৰ মহাজনৰ তাত দহকুৰি টকাত আমাৰ বাথানপাৰৰ তিনিবিঘা মাটিৰ এবিঘা বন্ধকত থ'লো। হ, তই টকাখিনি থ। অৱশ্যে খেতি মোকেই কৰিবলৈ দিব- কিন্তু আঢ়ে মোনকৈ ধান বছৰত ঠিকা-হিচাপে দিব লাগিব। আহোতে কান্তেশ্বৰ দোকানীৰ পৰা এই দহ সেৰ চাউল, চেনি এপোৱা, দালি আধা সেৰ, চাহপাত এপোৱা আৰু মিঠাতেল এপোৱা লৈ আহিছো। নিৰ্বিকাৰ বাবে প্ৰসেনৰ মাকে কথাখিনি শুনিলে— কিন্তু কোনো প্ৰতিক্ৰিয়া ব্যক্ত নকৰি গাত থকা দুহতীয়াখনেৰে চকুপানী মচি মোনাৰ বস্তুবোৰ ঠিক-ঠাক কৰিলে। মাকৰ চকুপানী প্ৰসেনেও লক্ষ্য নকৰাকৈ নেথাকিল। সিও নিৰ্ব্বাক আৰু বেদনাসিক্ত মন এটা লৈ তাৰ ৰুমলৈ গ'ল।

ঃ প্ৰসেন, অ' প্ৰসেন, শুনচোন বুলি ৰজত মেম্বৰে পুতেক প্ৰসেনক মতাত প্ৰসেন আহি বাৰাণ্ডাৰ চুকত বাঁহৰ খুঁটিৰে এচতা তক্তাৰে বনোৱা বেঞ্চখনত বহি হোকাটো হুপি থকা পিতাকৰ কাষত থিয় হ'ল।

ঃ কিয় মাতিলি পিতা।

ঃ শুন, আজি গাগেলিৰ বিষয়ে সন্ধিয়া বৰপুখুৰী পাৰত গাঁৱৰ এখন মিটিং হ'ব। গগন মেম্বৰ, সিন্ধুৱা, পদুম কুমাৰকে ধৰি প্ৰায়বোৰ বয়োজ্যেষ্ঠ লোকে তোক মিটিংখনত থাকিবলৈ কৈছে। তইতো গমেই পাইছ- আমাৰ গাগেলিৰ মাটিৰ কেচটো- গুৱাহাটীৰ আয়ুক্তৰ অফিচতে আছে। অলপতে কেচটোৰ শুনানি হ'ব। কামৰূপৰ ডি.চি.য়েতো আমাৰ সপক্ষে ই হুকুম দিছে।

ঃ মই আজি ত্ৰিনাথ নগৰলৈ বিশেষ এটা কামত যোৱাৰ কথা আছিল মহেনৰ লগত। তিনিটামান বজাতে যোৱাৰ কথা।

ঃ হ'ব, হ'ব, মিটিং সন্ধিয়াহে হ'ব— তই আহি পাবি।

ঃ হ'ব দে, মই তেনেহ'লে তিনিটামান বজাত গৈ পাঁচটামান বজাত ঘূৰি আহিম। অহাকালি মই গুৱাহাটীলৈ যাম। টিউচন দুটা আছে নহয়।

প্ৰসেনৰ মাকৰ ভাত ৰন্ধা হ'ল। ইতিমধ্যে আগদিনা ৰাতি লঘোনে থাকিবলগীয়া হোৱাত প্ৰসেনৰ ভায়েক-ভনীয়েকহঁতক নিজ নিজ স্কুলৰ পৰা ইটো-সিটো অজুহাতত ৰজত মেম্বৰে ঘৰলৈ লৈ আনিলে। ভৰি-হাত ধুই সিহঁতে ডাওৰ ঘৰৰ মজিয়াত ভাত খাবলৈ ধৰিলে। কাষতে পীৰা এখনত প্ৰসেনো বহিল ভাত খাবলৈ। ভায়েক-ভনীয়েকহঁতে পেটৰ ভোকত কলমলাই থাকি ভোকত মাকক বাৰে বাৰে ভাত খুজি আমনি দিয়া দৃশ্যটো কিছু সময় লক্ষ্য কৰি প্ৰসেনে তাৰ দুচকুৰ পৰা ওলাই অহা চকুপানীখিনি মাক, ভায়েক-ভনীয়েকহঁতৰ অলক্ষিতে চাৰ্টটোৰ কোণ এটাৰে মচিলে। মাক মায়াৱতীয়ে সেই দৃশ্যটো অৱশ্যে নেদেখাকৈ নাথাকিল।

ভাত খাই উঠি প্ৰসেন মহেনহঁতৰ ঘৰলৈ গ'ল। যাওঁতে বাটত চুবাটোৰ পুৰুষ-মহিলা, ল'ৰা-ছোৱালী যিয়ে দেখিলে বা লগ পালে— প্ৰসেনক মাত লগাই ভাল-বেয়া খবৰ ল'লে। গাঁওখনৰো নহয়, জনকপুৰ অঞ্চলকে ধৰি ত্ৰিনাথ মৌজাৰ সকলো মানুহে প্ৰসেনক জানে, মৰমো কৰে। ডেকা ল'ৰা-ছোৱালীবিলাকে শ্ৰদ্ধাৰ লগতে সমীহো কৰে।

ঃ মহেন, অ' মহেন, ওলালা নে নাই?

ঃ ওলাইছে দে, তই বেঞ্চখনতে অলপ বহ বাপু— বুলি মহেনৰ মাকে প্ৰসেনক বহিবলৈ ক'লে। মহেনে সেই সময়ত ভাত খাই আছিল। লৰালৰিকৈ খাই উঠি কাপোৰ পিন্ধি চাইকেলখন ৰুমৰ পৰা উলিয়াই মহেন চোতালত থিয় হ'ল। প্ৰসেনো বহাৰ পৰা উঠিল। 'আমি যাওঁ আবু। তুমি মহেনৰ বাবে চিন্তা নকৰিবা। সোনকালে ঘূৰি আহিম'- বুলি প্ৰসেনে চোতালত ঘৰৰ ভিতৰত থকা মহেনৰ মাকে শুনা শুনাকৈ কথাকেইষাৰ ক'লে। মহেনৰ মাকে মহেনে সন্ধিয়াৰ পাছত ঘৰত নাথাকিলে বৰ ভয় কৰে বাবে প্ৰসেনে তেনেকৈ কৈ লাহেকৈ মহেনৰ চাইকেলখনৰ কেৰিয়াৰত উঠি ল'লে। মহেনেও ঘপহকৈ চাইকেল চলাই দিলে। আচলতে প্ৰসেনে নীৰাক এবাৰ চাবলৈ, লগ পাবলৈ ব্যাকুল হৈ আছিল। ত্ৰিনাথ নগৰলৈ যোৱাটো আছিল তাৰ বাহানাহে- দৰাচলতে সি পেহীয়েকহঁতৰ ঘৰলৈহে যোৱাৰ বাবে মনে মনে ঠিক কৰিছিল। প্ৰায় তিনিটামান বজাত প্ৰসেন আৰু মহেন ত্ৰিনাথ ষ্টেচনেৰে ত্ৰিনাথ নগৰলৈ বুলি গৈ ত্ৰিনাথ ষ্টেচন পালে। চাইকেল চলাই ভাগৰ লগা মহেনে ষ্টেচনতে অলপ বহিল ষ্টেচনৰ বেঞ্চখনত। দুয়ো কটন কলেজৰ কথা, গুৱাহাটীৰ কথা, কাকতলৰ কথা, গাগেলিৰ কথা পাতিলে। হঠাৎ প্ৰসেনে সমুখলৈ চাই তিনিজনীমান ছোৱালী ষ্টেচনৰ পিনে আহি থকা দেখিলে। ছোৱালীকেইজনী আহি ষ্টেচন পালে—

ঃ আৰে, এইয়া দেখোন আমাৰ নীৰাহঁত- বুলি এক প্ৰকাৰ চিঞৰি উঠাৰ দৰে উঠিলে প্ৰসেন। মহেন তুমি অলপ বহা, আমাৰ পেহীৰ ভণ্টিহঁত আহিছে, মই লগ ধৰি আহো- বুলি প্ৰসেন সিহঁতৰ ওচৰ পালে। প্ৰসেনক দেখি সিহঁতে চঁক্ খাই উঠিল।

ঃ কিহে নীভা, ক'লৈ যোৱা- বুলি মাত লগালে সিহঁতক প্ৰসেনে।

ঃ প্ৰসেন কা, তুমি ইয়াত, ক'ৰ পৰা কেনেকৈ আহিলা? নীভাই ক'লে।

ঃ মই যোৱা পৰহি ঘৰলৈ আহিছোঁ। আজি ত্ৰিনাথ নগৰ হৈ তোমালোকৰ ঘৰলৈ যোৱাৰ কথা আছিল। ভালেই হ'ল দিয়া, তোমালোকক ইয়াতে পালো।

ঃ নীৰা, কেনে আছা?

ঃ ভালেই আছো।

ঃ আপোনাৰ পৰীক্ষা কেনে হ'ল?

ঃ ভালেই হৈছে।

ঃ বলা বজাৰলৈ যাওঁ তেনেহ'লে। আমি অলপ বজাৰ কৰিবলৈ আহিছো। সোনকালে যাব লাগিব- নীভাই ক'লে।

ঃ ৰহিলাবাৰ খবৰ কি? ভালে আছেনে?

ঃ আছে, আছে, ভালেই আছে। আমি গ'লেই তোমাৰ কথা সোধে লগতে তুমি নীৰাৰ খবৰ ৰাখি আছানে নাই তাকো সোধে- নীভাই ক'লে।

ঃ হয় নেকি, এবাৰ বাইৰ ঘৰলৈ যাব লাগিব- বুলি ক'লে প্ৰসেনে।

সিহঁত কথা পাতি পাতি ত্ৰিনাথ নগৰ সোমাল। মহেনে কাম এটা থকা বুলি কৈ কিছু সময়ৰ বাবে প্ৰসেনহঁতক এৰিলে। নীভাই কাপোৰৰ দোকান এখনত সোমাল। প্ৰসেন আৰু নীৰা পথৰ দাঁতিত থিয় হৈ কথা পাতিবলৈ ধৰিলে।

ঃ একেবাৰে কোনো খা-খবৰ নোপোৱাই হ'লো দেখোন?

ঃ পৰীক্ষাৰ কাৰণে যোৱা দুমাহ বৰ ব্যস্ত আছিলো। তদুপৰি ঘৰৰ দুৰাবস্থা, গাঁওখনৰ অসূয়া- অপ্ৰীতি আদিৰ বাবে ঘৰলৈ আহিবলৈ ভালেই নলগা হ'ল। তদুপৰি তাত দুটা টিউচনো লৈছো। ছাত্ৰ সন্থা, কলেজ ছাত্ৰ একতা সভাৰ কামৰ উপৰিও গল্প, কবিতা লেখাৰ কামবোৰতো আছেই, সেয়ে সময়ো কম।

ঃ হ'ব দিয়ক, মাজে মাজে খবৰ পাই থাকিলেই হ'ল। মোৰো পঢ়া-পাতি ভাল হোৱা নাই। অহাবাৰ মেট্ৰিক দিব লাগিব। কি হয় ক'ব নোৱাৰো। গুৱাহাটীলৈ যোৱাৰ আগতে এবাৰ কিন্তু আমাৰ ঘৰলৈ যাব।

ঃ হ'ব, হ'ব, যাম- এনেতে নীভা আহিল। সিহঁতে ৰাস্তাতে কিছু সময় কথা পাতিলে। অলপ পিছতে মহেনো আহিলে।

ঃ প্ৰসেন, অ' প্ৰসেন, আমাৰ কিন্তু ঘৰলৈ যোৱাৰ সময় হৈছে। সন্ধিয়া হওঁ হওঁ। গাঁৱত মিটিং আছেই নহয় ৰাইজৰ, ব'লা যাওঁ।

ঃ তোমালোক যোৱা, মই পাহৰিছিলোৱেই মিটিঙৰ কথা। বুলি প্ৰসেনে নীৰা, নীভাহঁতক বিদায় দিলে। প্ৰসেনে তাৰ আৰু দুজনমান বন্ধুক লগ পোৱাৰ প্ৰয়োজন

আছিল যদিও গাঁৱৰ মিটিংখনৰ বাবে সেইবোৰ বাদ দি মহেনৰ লগত তাৰাতাৰিকৈ গাঁওলৈ ৰাওনা হ'ল।

প্ৰায় আধা ঘণ্টামান পাছত প্ৰসেন আৰু মহেন গাঁও পালে। ইতিমধ্যে হেচেক লাইট এটা জ্বলাই বৰপুখুৰীৰ পাৰত পতা মিটিংখনলৈ গাঁৱৰ মানুহবোৰৰ কিছুমান আহিছে আৰু কিছুমান আহি আছে। গগণ মেম্বৰ, ৰজত মেম্বৰ, সিন্ধুৰা ডেকা, পদুম কুমাৰ, চন্দন ঠাকুৰীয়া, ৰামেশ্বৰ, সৰ্বে, অভিজিত, কেশৱ, গিৰিশ আদি বয়োজ্যেষ্ঠ লোকসকল আহি ভাগে ভাগে বহি আছে। প্ৰসেনহঁতৰ ডেকা ল'ৰাৰ দলটোও আহি সভাস্থলী পোৱাত সভা আৰম্ভ হ'ল। গতিকে নতুন সভাপতি ৰজত মেম্বৰে সভাপতিৰ আসন ল'লে। নতুন সম্পাদক চন্দন ঠাকুৰীয়াই সভাৰ উদ্দেশ্য কোৱাৰ চলতে কাকতল গাঁওৰ বৰ্তমান পৰিস্থিতি বিশেষকৈ গাগেলি ৰিজাৰ্ভৰ কেচৰ শেহতীয়া কথাবোৰ ৰাইজক অৱগত কৰিলে।

ঃ আমি প্ৰায় কেচত জিকিছোয়েই- ডি. চি.য়ে আমাৰ সপক্ষে ৰায় দিছে। এতিয়া দুন্দুভিহঁতে নামনি অসমৰ আয়ুক্তৰ ওচৰত ডি.চি.ৰ হুকুমটো খাৰিজ কৰাৰ বাবে আপীল কৰিছে। আয়ুক্তজন ভাল মানুহ বুলি শুনিছো। গুৱাহাটীত এজন ছাত্ৰ নেতা হিচাপে আমাৰ প্ৰসেনৰ নাম হৈছে। আমিও এই বয়সত সদায় গুৱাহাটীলৈ অহা-যোৱা কৰাটো বৰ মস্কিল। সেয়ে আমাৰ আয়ুক্তৰ ওচৰত থকা কেচটোৰ লগতে গাগেলিৰ সম্পূৰ্ণ দায়িত্ব এতিয়া প্ৰসেনক দিব লাগে। আগতে এই সংক্ৰান্তৰ কিছুমান কাগজ-পত্ৰ মই তাক দিছো, এতিয়া যিবোৰ কাগজ আমাৰ গাঁওৰ কমিটীৰ লগত আছে সেইবোৰো দিব লাগে প্ৰসেনক। সি কেচৰ কথাবোৰ মাজে মাজে আমাক জনাই থাকিব আৰু উকীল-মহৰীক পইচা-পাতি দিব লগা হ'লে আমাক ক'ব বুলি গগণ মেম্বৰে কথাখিনি আঁৰবেৰ নোহোৱাকৈ লাইন লগাই ক'লে। সকলোৱে গগণ মেম্বৰৰ কথাত হাততালি মাৰি পূৰ্ণ সমৰ্থন জনালে।

ঃ নাই, নাই, আপোনালোকেই কামবোৰত লাগি থাকক। মোৰ কিছুমান অসুবিধা আছে। বি. এ. পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ পাছত- ৰিজাল্ট ভাল হ'লে মই গুৱাহাটী বিশ্ববিদ্যালয়ত এম. এ. পঢ়াৰ কথা ভাবি আছো। তদুপৰি মই লেখা-মেলা, ছাত্ৰসকলৰ নানা কাম আদিত জড়িত থাকিব লাগে বাবে অনবৰতে ব্যস্ত হৈ থাকিবলগীয়া হয়।

ঃ নাই, নাই, তুমি ৰাইজৰ বাবে, কাকতলৰ মঙ্গলৰ বাবে, কাকতলৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে কষ্ট হ'লেও এই দায়িত্ব ল'ব লাগিব।

ঃ কিন্তু গাঁওখনত বৰ্তমান যি অসুয়া-অপ্ৰীতি, দলাদলি চলাই এচাম লোকে গাঁওখনত অশান্তিৰ সৃষ্টি কৰি আছে- এনে অশান্তিত প্ৰসেনে ঠিক মতে কাম কৰিব পাৰিব নে? গাঁৱৰ ছাত্ৰ সংঘৰ সভাপতি হৰেনে ক'লে।

ঃ অ'তো, আগতে আজি গাঁৱৰ গণ্ডগোলবোৰ ঠিক কৰক আপোনালোকে— নহ'লে গাঁওখনত মানুহ থকাটোৱেই বৰ টান হৈ পৰিছে-” ফুলেনে ক্ষোভেৰে কথাষাৰ ক'লে।

ঃ হওতে অৱশ্যে কথাটো হয়। কেইজনমান লোকে ব্যক্তি স্বাৰ্থ পূৰণৰ বাবে গাগেলিৰ কথাটো লৈ দুন্দুভিহঁতৰ লগলাগিছে। সিহঁতে নানা চলাহি কথা আৰু ৰাইজৰ পইচা-পাতি কেইজনমানে আত্মসাৎ কৰা বুলি অপপ্ৰচাৰ কৰি গাঁৱৰে কিছু লোকক সিহঁতৰ ফলীয়া কৰিবলৈ সক্ষম হৈছে। কিন্তু কেইজনমানৰ বাহিৰে সকলোৱে ঠিকেই আছে। অৱশ্যে এইটোও ঠিক যে এটা বা দুটা কেৰ্কেটুৱাই বাৰীৰ তামোল কাটি গোটেই বাৰীখন নষ্ট কৰে। নে কি কোৱা বীৰহু, ৰামেশ্বৰ? মই আজি গাঁওখনৰ সকলোকে কাবৌ কৰি আমাৰ যুগ যুগ ধৰি চলি থকা মিলা-প্ৰীতি পুনৰ ঘূৰাই আনিবলৈ ৰাইজৰ সকলোকে মিনতি জনালো— সভাপতিৰ আসনৰ পৰা ক'লে ৰজত মেম্বৰে।

ঃ এৰ, এৰ, এইবোৰ এৰ বীৰহুকা, ৰমেশ্বৰকা, নবীনকা- আমি সকলোৱে গাঁওখনৰ স্বাৰ্থত এইবোৰ সৰু-সুৰা নিজা কথা এৰো দে- বুলি মণ্ডলুৱে দুন্দুভিহঁতৰ পাৰ্টিটোৰ মূল হোতা বীৰহু, ৰমেশ্বৰ, নবীনহঁতক কথাখিনি কোৱাৰ লগে লগে ৰাইজে মণ্ডলুৰ কথাত হয়ভৰ দিলে।

ঃ হ'ব, হ'ব, আজিৰ পৰা আমি সকলোৱে মিলি কাকতল গাঁৱৰ স্বাৰ্থতহে কাম কৰিম। আমাৰ দুই-চাৰিটা ভুল যি হৈছে তাক ৰাইজে নিজ গুণে মৰিষণ কৰিব লাগে- বুলি বীৰহুৱে কোৱাত ৰামেশ্বৰ, নবীন আদিয়েও তাক সমৰ্থন কৰি ৰাইজৰ ওচৰত আঁঠু ল'লে। ৰাইজে হৰি ধ্বনি দি সিহঁতক ক্ষমা কৰিলে। সভাপতি ৰজত মেম্বৰে সভা ভঙ্গ দিলে। বৰপুখুৰীৰ সিটো পাৰৰ পৰা কাৰোবাৰ কণ্ঠত ভাঁহি আহিল—

“অ' আমাৰ গাঁও
আমাৰ গাঁৱৰ মান ৰাখি
মৰিবলৈ যাওঁ——
আমি মৰিবলৈ যাওঁ .... ।”

(তেৰ)

"দুটা বস্তুৰেই জীৱনৰ লক্ষ্য হোৱা উচিত। এটা হ'ল—বিচৰাটো পোৱা আৰু আনটো হ'ল—পোৱাৰ পাছত তাক সদ্ব্যৱহাৰ কৰা। জ্ঞানীজনেহে দ্বিতীয় লক্ষ্যত উপনীত হয়।" — আডাম স্মিথ

কাকতলৰ ৰাইজে ৰাজহুৱা সভা পাতি গাগেলিৰ কেচটো চোৱা-চিতাৰ বাবে দিয়া গধুৰ দায়িত্ব লৈ প্ৰসেনজিৎ গুৱাহাটীলৈ ঘূৰি আহিল। পঢ়াপাতি শেষ নকৰাকৈ বিশেষ দায়িত্ব লৈ কোনো ৰাজহুৱা কামত অংশ নোলোৱাৰ বাবে দৃঢ় সংকল্প লৈছিল যদিও—সেই দৃঢ়তাৰ পৰা কাকতলৰ মৰমে, গাগেলিৰ মৰমে প্ৰসেনক পিছল খুৱালে। গুৱাহাটীলৈ আহি মেচত প্ৰসেনে বৰ অকলশৰীয়া অনুভৱ কৰিলে। অৱশ্যে হৰিচৰণ, শিৱনাথ, বোধনহঁত যোৱাৰ পাছত তাৰ মেচত অলপো মন নহ'বা হ'ল যদিও টিউচন দুটাৰ খাতিৰত সি তাত নাথাকিলে নহয় বাবেহে থাকিবলৈ বাধ্য হ'ল। বি.এ. পৰীক্ষা দি উঠি তাৰ লগৰ আন আন বন্ধু-বান্ধৱ সকলো ঘৰলৈ গৈছে। কলেজো বন্ধ। তদুপৰি ঘৰৰ আৰ্থিক অৱস্থাই তাৰ মন একেবাৰে অস্থিৰ কৰি ৰাখিছে। দুদিনমান পিছত সি এনেয়ে এবাৰ বিশ্ববিদ্যালয়লৈ গ'ল। তাত প্ৰসন্ন নাৰায়ণ চৌধুৰী, পুলকেশ বৰুৱা, কৃষ্ণগোপাল ভট্টাচাৰ্য, শৈলেন দাস আদিক লগ পালে। আচুৰ বিষয়ে নানা কথা পাতিলে। তেওঁলোকৰে ভট্টাচাৰ্যৰ বাহিৰে বাকী কেইজনৰ ল' পৰীক্ষা। পঢ়াত ব্যস্ত। তাৰ মাজতে প্ৰসেনে চৌধুৰীক বিশ্ববিদ্যালয়তে সৰু- সুৰা চাকৰি এটা তাৰ বাবে যোগাৰ কৰিব পাৰে নেকি চেষ্টা কৰি চাবলৈ ক'লে। চৌধুৰীহঁতৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, ৰেজিষ্টাৰ আদিৰ লগত ভাল। চৌধুৰীৰেও প্ৰসেনৰ ঘৰুৱা অসুবিধাৰ কথা জানে বাবে প্ৰসেনৰ কথাটোত গুৰুত্ব দিলে।

চাওতে চাওতে জুন মাহ গ'ল। জুলাই মাহত ৰাজ্যখনৰ চাৰিও পিনে বানপানীৰ তাণ্ডৱ আৰম্ভ হ'ল। ৰাজ্যজুৰি হাহাকাৰ লাগিল। প্ৰসেনহঁতৰ গাঁও-ভূঁই ৰাস্তা-ঘাটো বানপানীয়ে বুৰাই পেলোৱা খবৰবোৰ প্ৰসেনে পালে। মণ্ডলু, কান্দুৰা, হংসকাণীয়া, দোমাহী আদি কেবাজনৰো চালি ঘৰবোৰ বানপানীয়ে উটুৱাই নি সিহঁতক গৃহহীন কৰা খবৰো পালে প্ৰসেনে। বানপানী যিহেতু প্ৰতি বছৰে বিহু অহাদি আহে সেয়ে চৰকাৰৰ লগতে ৰাইজেও বিশেষ মনকাণ নিদিয়ে। কেইদিনমান হাহাকাৰ-হুলস্থূল, পানী শুকোৱাৰ লগে লগে সকলো তল পৰে। মানুহবোৰে আগৰ

দৰে নিজ নিজ কামত লাগি সেইকেইদিনৰ হিয়াভগা দুখ যন্ত্ৰণাবোৰ পাহৰি যায়। চৰকাৰেও কেবাশ কোটি টকা খৰচৰ হিচাপ এটা দি ৰাইজক আঁভুৱা ভাৰে। বানপানী এইবাৰ ৰাজ্যখনত প্ৰায় এমাহৰ অধিক দিন থাকিল। বানপানী ছেৰা-চেগেৰাকৈ চলি থাকোতেই আগষ্ট মাহৰ ১২ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বি.এ. ফাইনেল পৰীক্ষাৰ ৰিজাল্ট দিলে। যোৱা দুদিনমান প্ৰসেন লেখা-মেলা কামত বৰ ব্যস্ত আছিল। সেয়ে সি জগতৰ আন খবৰৰ লগত সম্পৰ্ক প্ৰায় চেদ কৰাৰ দৰে কৰিছিল। ৰাতিপুৱা ৯-১৫ বজাত হঠাৎ তাৰ মেচৰ সিমুৰত থকা ল'ৰা এটাই দৌৰি আহি 'প্ৰসেন মামা, প্ৰসেন মামা' বুলি চিঞৰি মতাত প্ৰসেনে বিছনাতে কাগজ-কলম যেনেকৈ আছে তেনেকৈ থৈ ৰুমৰ পৰা ওলাই আহিল।

ঃ কি হ'ল অজিত, চিঞৰি চিঞৰি মাতিছা যে?

ঃ কিয়, আপুনি জনাই নাই নেকি? আপোনালোকৰ পৰীক্ষাৰ ৰিজাল্ট দিছে। এই মাত্ৰ ৰেডিঅ'ৰ আঞ্চলিক বাতৰিত মই শুনিলো।

ঃ অ', হয় নেকি? দুই-এদিনতে ৰিজাল্ট অৱশ্যে দিয়াৰ কথা আছিল আৰু কিবা কৈছে নেকি ৰেডিঅ'ত?

কটন কলেজত এইবাৰ পিউ (আৰ্টছ)ত এডমিচন লৈছে অজিত নাথ নামৰ ল'ৰাটোৱে। ঘৰ বৰপেটা মহকুমাৰ সৰুভোগত। ঘৰৰ অৱস্থা সিমান ভাল নহয় বাবে প্ৰসেনহঁতে থকা মেচটোতে আন এজন ল'ৰাৰ লগত ৰুম এটা ভাড়া লৈ আছে। পঢ়াত ভাল। অজিতৰ পৰা বি.এ.ৰ ৰিজাল্ট দিয়া খবৰটো পাই প্ৰসেনৰ মনটো উগুল-থুগুল লাগিল। সি বিছনাৰ কাগজ-কলম সামৰি-সুতৰি টেবুলত থ'লে। কি কৰিব কি নকৰিব ক্ষন্তেক বিছনাত বহি ভাবিলে। ১০-৩০ বজা মানত কলেজলৈ গৈ ৰিজাল্টটো লোৱাৰ বাবে প্ৰসেনে কলেজলৈ যাবলৈ ঠিক কৰিলে। পলম নকৰি দেকচিটোত আলু দুটাৰ সৈতে কেইটামান চাউল বহাই দিলে। ভাতকেইটা ষ্টোভত বহাই দি সি দমকলটোৰ পাৰলৈ গৈ পানী এটিঙেৰে গা ধুলে আৰু এটিং পানী তাৰ ৰুমলৈ লৈ আনিলে। ভাতকেইটা আলু পিটিকাৰে কাণে-মুৰে সোমাই প্ৰসেন কটন কলেজলৈ যাবলৈ ওলাল। বাৰাণ্ডালৈ এবাৰ ভুমুকি মাৰি সি দেখিলে এজাক ডাঠ ক'লা মেঘে আকাশখন ছানি ধৰিছে। পৃথিৱীখন আন্ধাৰে গ্ৰাস কৰিছে। প্ৰসেনে ৰুমৰ ভিতৰলৈ গৈ কাপোৰ-কানি পিন্ধি থাকোতেই বৰষুণৰ কাণতাল মৰা শব্দ শুনিলে। বাৰাণ্ডালৈ আহি সি বৰষুণ জাকে যেন এক সুৰ সমলয়ৰহে সৃষ্টি কৰি প্ৰাকৃতিক সুৰৰ মূৰ্ছনাৰে জীৱন্ত কৰি তুলিছে পৃথিৱীখন, এনে লাগিল তাৰ। ক'ব নোৱৰাকৈয়ে নৈৰঞ্জানালৈ মনত পৰিল তাৰ। পৰীক্ষাৰ ৰিজাল্টৰ কথা ক্ষন্তেক পৰৰ বাবে তাৰ মনৰ পৰা আঁতৰি গ'ল। এক কাব্যিক অনুভূতিৰ অজান পুলকত সি অৱগাহন কৰিলে।

কল্পনাৰ কুঁৱলী ফালি তাৰ মন-মগজুৰ কোনোবাখিনিৰ পৰা অজ্ঞেয় সঁফুৰাৰ ঢাকনি খুলি ওলাই আহিল মহাকবি কালিদাসৰ 'মেঘদূত' কাব্যৰ কবিতা এফাকি—

"মেঘালোক ভৱতি সুখিনোৎপ্যন্যথাবৃত্তিচেতঃ
কণ্ঠাশ্লেষ প্রনয়িনী জনে কিংপুনদূৰসংসস্থে।।"

(বাৰিষাৰ মেঘ দেখিলে কাষতে প্ৰিয়জন থকাসকলোৰো মন কেনেবা লাগে; তেনেস্থলত যাৰ প্ৰিয়জন আছে দূৰ-দূৰণিত, সেইসকলৰ আৰু কি কথা)। কিছু সময় পিছত বৰষুণ এৰিল। তেতিয়া দিনৰ ১১টা বাজো বাজো। প্ৰসেনে তাৰ ৰুমৰ দুৱাৰখনত তলাটো লগাবহে ধৰিছে—এনেতে এখন অটৰিক্সা আহি তাৰ মেচৰ সন্মুখত ৰৈ গ'ল। অটোৰিক্সাখনৰ পৰা ঘপহকৈ নামি দৌৰি অহাৰ দৰে আহি 'Congratulation' প্ৰসেনদা 'Congratulation' বুলি কোৱা শব্দকেইটা শুনি তলাটো নমৰাকৈয়ে মূৰ তুলি চালে প্ৰসেনে—

ঃ অৱন্তিকা তুমি—আচৰিত হোৱাদি হ'ল প্ৰসেন।

ঃ অ' প্ৰসেনদা মই, মোৰটো আপুনি খবৰেই নাৰাখে—মই কিন্তু আপোনাৰ সকলো খবৰ ৰাখি আছো। অলপ আগতে কলেজলৈ আহিছিলো, ক্লাছ এটা কৰিম বুলি। আপোনালোকৰ পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ খবৰটো পাইয়েই নোটিচ বোৰ্ডত আপোনাৰ ৰিজাল্টটো চালো। আপুনি অনাৰ্চত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ পাছ কৰিছে। আনন্দত ৰ'ব নোৱাৰি মই কলেজৰ ক'ৰবাত আপোনাক দেখোনেকি চালো—নাই ক'তো নেদেখিলো। সেয়ে অট' এখন লৈ আপোনাৰ এইখিনি পালো—বচ—ইমানেই।

ঃ তাৰ বাবে তোমাক ধন্যবাদ দিলো। ময়ো কলেজলৈ যাম বুলিয়েই ৰৈ আছিলো—বৰষুণৰ বাবে পলম হ'ল।

ঃ কওক, পাৰ্টি দিবনে নাই—মই কিন্তু চিকেন ৰোষ্ট খাম।

ঃ হ'ব—হ'ব যি খোৱা খাবা—তুমি বেঞ্চখনতে অলপ বহা মই তলাটো মাৰি ৰুমটো বন্ধ কৰো। তলাটো বহুত পুৰণি হোৱা বাবে চাবিপাট ভালকৈ নাখায়—সেয়ে তলাতো মাৰোতে বহুত সময় লাগে—বুলি তলাটো মাৰিবলৈ পুনৰ চেষ্টা কৰিবলৈ ধৰিলে প্ৰসেনে। তলাটো মৰা গ'ল।

ঃ পিছে—বেয়া নেপাবা অৱন্তিকা—তোমাৰ ৰিজাল্ট কি হ'ল—কেনে হ'ল, মই ভালদৰে জানিবই পৰা নাই।

ঃ ভালদৰে নহয়—কওক একো জনাই নাই।

ঃ কোৱাচোন কোৱা—

ঃ শুনক, মই পিউত ষ্টাৰ নম্বৰ পাই পাছ কৰিলো। কটনতে ইংৰাজীত অনাৰ্চ লৈ বি.এ. প্ৰথম বাৰ্ষিকত এডমিচন লৈছো। আমাৰ মামাহঁতৰ ঘৰ শান্তিপুৰত।

আপুনিতো জানেই, মই মামাইঁতৰ ঘৰতেই আছো সকলে পৰাই।

ঃ আপোনাৰ খবৰটো শুনি ভাল লাগিল।

ঃ ব'লক এতিয়া,—পিছে আপুনি মোৰ লগত অট'খনতে যাব নে খোজকাঢ়ি যাব?

ঃ কিয় সুধিলা?

ঃ নহয়—বেয়া পোৱা মানুহৰ লগত নাযাবওতো পাৰে, সেয়ে সুধি লৈছো—দিম অনুৰোধ কৰি—আপুনি নাযাব—মই লাজ পাম নহয়—বুলি ক'লে অবন্তিকাই।

অবন্তিকাৰ অভিমান ভৰা অথচ শ্লেষাত্মক কথা কেইষাৰ প্ৰসেনৰ অন্তস্থলীৰ কোনোবাখিনিত আঘাত যে নলগাকৈ থাকিল তেনে নহয়—সি তাক প্ৰকাশ নকৰি মৌন হৈ ৰ'ল।

ঃ ব'লা, ব'লা—একেলগেই যাও—প্ৰসেনেও অবন্তিকাই অনা অট'খনত উঠি কটন কলেজলৈ গ'ল। লাজত সি অবন্তিকাৰ লগত কথাপতাৰ বাবে প্ৰস্তুত হ'ব নোৱাৰিলে। অলপ পিছতে অট'খন গৈ কটন কলেজৰ আৰ্টবিল্ডিঙৰ গেটত ৰ'ল।

ঃ আহো—প্ৰসেনেদা, পাৰ্টিটো দিবলৈ নাপাহৰিব,—চিকেন ৰোষ্ট খাবলৈ আশাৰে বাট চাই থাকিম—অবন্তিকাই মুহূৰ্ত্ততে অট'খনৰ ভাৰা দি তাৰ পৰা আঁতৰি গ'ল। প্ৰসেনে নিৰ্বিকাৰ আৰু নিশ্চল হৈ অবন্তিকা যোৱাৰ পিনে কেৱল চাই থাকিল 'কি আচৰিত আৰু খেয়ালী মনৰ এই ছোৱালীজনী' বুলি মনৰ ভিতৰতে মন্তব্য কৰি সি কলেজৰ অফিচত সোমাল। অফিচৰ বৰ বাবুকে ধৰি সকলো কৰ্মচাৰীয়ে তাৰ ৰিজাল্টটো ইতিমধ্যে পাইছিলেই—সকলোৱে তাক অভিনন্দন জনালে। তাৰ পৰা সি প্ৰিন্সিপালৰ ৰুমলৈ গ'ল। প্ৰিন্সিপালেও তাক অভিনন্দন জনালে। কলেজ কেণ্টিনত ভালেকেইজন বন্ধু-বান্ধবৰ লগত প্ৰসেনে চাহ খালে। চাহৰ পইচা বিকাশে দিলে। বিকাশ প্ৰসেনৰ ক্লাছমেট—তদুপৰি অন্তৰঙ্গ বন্ধু। প্ৰজ্ঞান দাস আহি সিহঁতক চিনেমা চোৱাৰ প্ৰস্তাৱ দিলে। সি ইতিমধ্যে 'কেলভিন'ৰ পৰা পাঁচটা টিকট কিনি আনিছেই। 'কলেজলৈ অহাৰ আগতে কাৰোবাক-কাৰোবাকতো কোনোবাই কোনোবাই একেবাৰে অট' ভাৰা কৰি মেচলৈ গৈ Congratulation দি আহিলেই। আমাৰহে ভাগ্যত বিধাতাই তেনে সুখ নেলেখিলে—প্ৰজ্ঞান দাসে কাট মাৰি কথাষাৰ ক'লে—

ঃ ঐ প্ৰজ্ঞান—কোনে কাৰোবাক— কি Congratulation দিলেহে?

ঃ জনাই জানে নহয়?

প্ৰসেনে প্ৰজ্ঞানৰ কথাটো শুনি আচৰিত হ'ল। কথাটো যে তাকেই উদ্দেশ্য কৰি কৈছে—তাক সি নুবুজাকৈ নাথাকিল। অবন্তিকাৰ প্ৰতি প্ৰজ্ঞানৰ দুৰ্বলতা এটা থকা কথাটো প্ৰসেন আৰু তাৰ বন্ধুমহলে জানে। সেয়ে অবন্তিকাই প্ৰসেনক মাতবোল কৰিলে বা প্ৰসেনৰ কথা ক'লে ভিতৰি ভিতৰি সি খং কৰে। অবন্তিকাই

অৱশ্যে প্ৰজ্ঞানক সমূলি গুৰুত্ব নিদিয়ে—প্ৰজ্ঞানে কথা পাতিবলৈ ইচ্ছা প্ৰকাশ কৰিলেও—ইটো-সিটো অজুহাতত অবন্তিকাই তাক এভয়ড কৰি আঁতৰি যায়। অবন্তিকাৰ কথা ওলাওতে দেৱনাথে এদিন প্ৰসেনক প্ৰজ্ঞানৰ কথাবোৰ কৈছে। সেইবাবে প্ৰজ্ঞানে প্ৰসেনক অলপ প্ৰতিদ্বন্দ্বীৰ চকুৰে চায়—সময়-সুযোগ পালে অবন্তিকাক লৈ দুই-এটা কাটমৰা মন্তব্য কৰে। কিন্তু আজিৰ কথাটো—অবন্তিকা মোৰ মেচলৈ যোৱা কথা—প্ৰজ্ঞানে জানিলে কেনেকৈ—প্ৰসেনৰ মনটো এই প্ৰশ্নটোৱে জোকাৰি গ'ল।

ঃ প্ৰসেন, ঐ প্ৰসেন—কনগ্ৰিউচুলেচন, কনগ্ৰিউচুলেচন।

ধুমুহাৰ দৰে কৰ'বাৰ পৰা কেণ্টিনত উপস্থিত হৈ দেৱনাথে প্ৰসেনক কনগ্ৰিউচুলেচন জনালে।

ঃ বুজিছা প্ৰসেন, মই শান্তিপুৰতে কথাটো গম পালো। অবন্তিকাক শান্তিপুৰ ৰেলক্ৰচিঙত কিছু সময় আগতে মই লগ পাইছিলো। তাইয়েই তোৰ এই সুখবৰটো মোক দিলে তোৰ মেচলৈ অট' ভাৰা কৰি তোক কনগ্ৰিউচলেচন জনাই অহা কথাটোও ক'লে—তাৰ পৰা আহি ফাঁচি বজাৰত প্ৰজ্ঞানক লগ পাই তাক খবৰটো দিলো।

তেতিয়াহে প্ৰসেনে কথাৰ গুৰি শিপা ক'ত গম পালে। দেৱনাথ, প্ৰজ্ঞান, বিকাশ আৰু প্ৰসেনে চাহ খাই খাই ইটোৱে-সিটোৰ পৰীক্ষাৰ ৰিজাল্ট ল'লে। বিকাশে ফাষ্ট ক্লাছ পাইছে ইকনিমিকচ্‌ত, দেৱনাথে সংস্কৃত অনাৰ্চত চেকেণ্ড ক্লাছ আৰু প্ৰজ্ঞানে অসমীয়া অনাৰ্চত চেকেণ্ড ক্লাছ পাইছে। চাহ খাই উঠি সিহঁত ঘৰাঘৰি যাবলৈ কেণ্টিনৰ পৰা ওলাল।

ঃ প্ৰসেন, তোৰ লগত মোৰ বিশেষ কথা এটা আছে—মই বৰবাবুক অফিচত লগ ধৰি আহো মানে তই ইয়াতে অলপ ৰ'হ। আমি ইউনিয়ন হ'লৰ কৰিড'ৰতে বহি কথা পাতিম'—দেৱনাথে ক'লে প্ৰসেনক।

ঃ মইনো অকলে ইয়াত বৈ থাকিব লাগে কিয়—ব'ল তোৰ লগতে মইও অফিচলৈ যাও—প্ৰসেনে ক'লে।

প্ৰসেন আৰু দেৱনাথ কলেজ অফিচলৈ গৈ বৰবাবুৰ ৰুমত বহিল। বৰবাবু সেই সময়ত ৰুমত নাছিল, প্ৰিন্সিপালৰ লগত কিবা বিশেষ কামত ব্যস্ত আছিল। কিছু সময় বৈ দুয়ো তাৰ পৰা ওলাই ইউনিয়ন হ'লৰ কৰিড'ৰত বহিল।

ঃ আচলতে—কথাটো কি জান প্ৰসেন—অবন্তিকা প্ৰকৃততে এজনী ভাল ছোৱালী—সকলো দিশত। কেৱল তাই অলপ বেছি স্মাৰ্টনেচ দেখুৱাই বাবে কিছুমানে কিছু বেয়া ভাব পোষণ কৰে। আমাৰ প্ৰজ্ঞান দাসেতো তাইক খুব ডিষ্টাৰ্ব দি আছে। কিন্তু তাই তাক অলপো আঁসে দিয়া নাই—দেৱনাথে ক'লে।

ঃ কিয়? প্ৰজ্ঞানটো বেচ ভাল ল'ৰা। পঢ়াশুনাত ভাল, সামাজিক কাম কৰাৰ মনও এটা আছে। লেখা-মেলাও কৰে মাজে মাজে। শুনিছো বংশ মৰ্যাদাও বোলে ভাল। ঘৰৰ আৰ্থিক অৱস্থা খুবেই সচ্ছল। সামাজিক মৰ্যাদাও পৰিমৰা বিধৰ নহয়।

—দেৱনাথৰ কথাৰ ওপৰত মন্তব্য কৰিলে প্ৰসেনে।

ঃ সমস্যাটো তাতেই—তয়ে দেখোন কৈ থাক প্ৰেম বা ভাল পোৱা আদায় কৰি লোৱা বস্তু নহয়—ই সহজাতভাৱেই আহে জুৰ বতাহৰ দৰে—দেৱনাথে ক'লে।

ঃ কথাটো অৱশ্যে হয়—প্ৰসেনে ক'লে?

ঃ প্ৰকৃত কথাটো কি জান প্ৰসেন—অৱন্তিকাই তোক ভাল পায়। এই ভালপোৱাক মই সঁচা আৰু নিভাঁজ ভালপোৱা বুলিয়েই ভাবো। কিছুদিন আগতে প্ৰজ্ঞানক তাই স্পষ্টকৈ কৈ দিছে—'প্ৰেম জীৱনত এবাৰ হে হয়—দহবাৰ নহয়। মোক উপেক্ষা কৰিলেও, মোক সামান্যতমো গুৰুত্ব নিদি মোৰ ভালপোৱাক, মোৰ সহজাত প্ৰেমক নেওচা দিলেও মই প্ৰসেনজিতক ভাল পাও—ভাল পাই থাকিম। কোনো প্ৰতিদান মই তেখেতৰ পৰা কোনো দিনে নিবিচাৰো—কিবা এক বেজাৰৰ ভাবত কথাখিনি কৈ দেৱনাথ অন্যমনস্ক হৈ পৰিল।

ঃ তোৰ কথাত মই ধনিষ্ঠামানো অবিশ্বাস কৰা নাই দেৱনাথ। অৱন্তিকা সঁচাই এজনী বুদ্ধিদীপ্তা, প্ৰগলভ আৰু আত্মান্বেষী ছোৱালী। তাইৰ আত্মবিশ্বাস আৰু জ্ঞানান্বেষ খুবেই প্ৰৱল। দেখাই শুনাই তাইৰ লগত ফেৰ মাৰিব পৰা ছোৱালী আমাৰ কলেজত দুই- চাৰি জনীমান হে ওলাব বোধহয়। বংশ-মৰ্যাদাৰ পিনৰ পৰাও তাইৰ এক সবল স্থিতি আছে। কিন্তু তইতো জান দেৱনাথ, মই গাঁৱৰ বোকাপানীত ভূই ৰুই, যঁতৰত মহুৰাৰতী শালত কাপোৰ বোৱা অখ্যাত কৃষক এজনৰ ছোৱালী নৈৰঞ্জনাক যৌৱনৰ দুবাৰডলিত থিয় হৈয়েই ইহজনম আৰু পৰজনমৰ লগৰী বুলি মনেপ্ৰাণে ধৰি লৈ ভালপোৱাৰ বোৱতী সুঁতিত উটি-ভাঁহি আছো। তেনেস্থলত অৱন্তিকাৰ ভালপোৱাৰ প্ৰতি শ্ৰদ্ধা থাকিলেও মই তাক স্বীকৃতি দিবলৈ অক্ষম। মোক ক্ষমা কৰিবি দেৱনাথ। অৱন্তিকাক তই বুজাবি তাইৰ প্ৰতি মোৰ খুবেই মৰম আৰু চেনেহ আছে—তাইক ভালকৈ পঢ়াশুনা কৰি জীৱনটো ভালকৈ গঢ়ি ল'বলৈ ক'—পৰম নিষ্ঠাৰে কথাখিনি ক'লে প্ৰসেনে।

ঃ মইতো তাইক কেতিয়াবাই তোৰ আচল কথাবোৰ জানিবলৈ দিছো। তায়ো তোৰ সকলো বিষয় জানে। আনকি আৰ্থিক অসুবিধাৰ কাৰণে ইমান ব্যস্ততাৰ মাজতো যে কেইটামান পইচাৰ বাবে টিউচন কৰিব লগা হৈছে সেই কথাও অৱন্তিকাই জানে। তথাপি তাই এদিন মোক তোক মাজে মাজে পইচা পাতিৰেও অলপ-অচৰপ সহায় কৰাৰ কথা মোক কৈছিল—যাতে পইচাপাতিৰ অসুবিধাৰ বাবে

তই জীৱনৰ কৰ্মক্ষেত্ৰত পিছ হুঁহকি আহিব নালাগে। তই আচৰিত হবি যে আজি তাই তোৰ মেচলৈ যাওতে টকা দুশ তোক দিবলৈ লৈ গৈছিল। কিন্তু পইচাখিনি তোক দিবলৈ সাহস গোটাব নোৱাৰিলে—জানোচা তই অন্য প্ৰকাৰে ল'ব—দেৱনাথে ক'লে।

ঃ কি হে প্ৰসেন, তোমালোক যোৱাই নাই?

হঠাৎ প্ৰজ্ঞান দাসে সেইপিনেদি এডমিনিষ্ট্ৰেটিভ বিল্ডিঙলৈ যাবলৈ আহি প্ৰসেন আৰু দেৱনাথক তাত তেনেকৈ ইমান পৰে বহি থকা দেখি সুধিলে।

ঃ অ', প্ৰজ্ঞান, আমি যোৱাই নাই, কথাপাতি আছো—প্ৰসেনে ক'লে।

ঃ বাৰু হ'বদে—ভোক লাগিছে—মেচলৈ যাও। মুঠতে তই অবস্তিকাত বুজাই-বঢ়াই তাইৰ চেন্টিমেন্টটো অন্য ফালে পোনাবলৈ যত্ন কৰিবি। ময়ো লগ পালে ভালকৈ বুজাই কথাবোৰ কম—বুলি প্ৰসেন আৰু দেৱনাথ তাৰ পৰা উঠি দুয়ো দুই পিনে নিজ পথত খোজ ল'লে।

আবেলি বৰষুণ দিয়া নাই যদিও আকাশখনত ক'লা মেঘৰ ইমান তাণ্ডৱ চলিছে যেন অলপ পিছতে এজাক দবাপিটা বৰষুণে পৃথিৱীখন চুবহি। প্ৰসেনে একাপ চাহ কৰি তাৰ মেচৰ বাৰাণ্ডাতে মুঢ়া এটাত বহি লৈ প্ৰকৃতিৰ এনে ভয়াল অথচ মোহলগা দৃশ্য চাই কিছু সময়ৰ বাবে হ'লেও অপাৰ্থিব জগত এখনৰ বাসিন্দা হৈ পৰিল। আন্ধাৰ হ'বলৈ তেতিয়া বেছিপৰ নাছিল। হৰ হৰ কৈ হৰিচৰণ আৰু বোধন প্ৰসেনহঁতৰ মেচৰ চোতাললৈ প্ৰায় দৌৰি অহাৰ দৰে আহি 'কনগ্ৰিউচুলেচন' প্ৰসেন কনগ্ৰিউচুলেচন বুলি কৈ প্ৰসেনক হৰিচৰণে সাবট মাৰি ধৰিলে। বোধনেও হৰিচৰণৰ সুৰতেই ক'লে যদিও তাৰ কনগ্ৰিউচলেচনটো উচ্চাৰণ কৰাত ঠিক নহ'ল। অপ্ৰত্যাশিতভাৱে হৰিচৰণ আৰু বোধনক পাই প্ৰসেন বৰ আনন্দিত হৈ পৰিল।

ঃ মই কৈছিলো নহয় প্ৰসেন—তুমি ভাল ৰিজাল্ট কৰি কলেজৰ লগতে আমাৰ মেচৰ নাম ৰাখিবা, দেখিলা, মোৰ কথা কেনেদৰে ফলিল। পাছে আজি মোৰ কোৱাৰ্টাৰত খানা। হৰিচৰণ আহোতে মোৰ তাত সোমাই আহিছিল। তাৰ মুখতেই পৰীক্ষাৰ ৰিজাল্টটো পাই আমি মানে মই, হৰিচৰণ, বলীন কম্পাউণ্ডাৰ-সবে মিলি খানা এটা মোৰ তাত যোগাৰ কৰি আহিছো। তুমি আমাৰ লগত ব'লা। আজি বেচ স্ফূৰ্তি কৰিব লাগিব। হৰিচৰণেও কথাটোত হয়ভৰ দিলে—শিৱনাথ অৱশ্যে থকা হ'লে আৰু ভাল লাগিলিহেঁতেন বুলিও সি ক'লে।

ঃ হ'ব—বোধনকাই—হ'ব পিছে খানা বনাব কোনে?

ঃ বলীন কপাউণ্ডাৰে কৈছে আজিৰ খানা তেওঁ নিজেই বনাব—

ঃ হয় নেকি? বুলি কৈ প্ৰসেনে, হৰিচৰণ আৰু বোধনক অলপ বাহিৰলৈ কৈ

তিনি কাপ চাহ বনাই আনি বেঞ্চখনতে থ'লে। হ—চাহ খা।

তিনিও তৃপ্তি মনে চাহ খালে। চাহ খাই থাকোতে এজাক টান বৰষুণ আহিল। বৰষুণৰ ৰিব, ৰিব শব্দই মেচটোৰ চৌদিশত এক সাংগীতিক আৰু কাব্যিক পৰিবেশৰ সৃষ্টি কৰিলে। প্ৰসেনে সেই পৰিবেশ প্ৰত্যক্ষ কৰি বাৰাণ্ডাৰ একেবাৰে পূব মূৰলৈ আহি নিবিড় চিত্তে প্ৰকৃতিৰ এই মোহময়ী, বৰ্ণময় আৰু চিত্তচঞ্চলকাৰী দৃশ্য নিৰ্বাক নিস্পন্দ হৈ উপভোগ কৰিলে। তাৰ ধাৰণা দৃঢ় হ'ল যে এই প্ৰকৃতিয়েই এটা ৰহস্যময় কবিতা, সৰ্বসুৰৰ মূৰ্চ্ছনাৰে পৃথিৱীক উদ্বাউল কৰা এটা জীৱন্ত আৰু সুখাত্মক সংগীত।

প্ৰসেন—অ' প্ৰসেন বৰষুণ এৰিল। আন্ধাৰো হ'ল, আমি যাও ব'লা—বোধনে প্ৰসেনৰ ওচৰলৈ গৈ কথাখিনি কোৱাতহে প্ৰসেনৰ সম্বিৎ ঘূৰি আহিল।

ঃ অ', অ' এন্ধাৰ হ'ল—ব'ল ব'ল যাও—বুলি প্ৰসেনে কাপোৰ পিন্ধিবলৈ কমত সোমালত হৰিচৰণে 'হ এইখন অলপ চাই দে লিখাত ভাল হ'লনে নাই' বুলি হৰিচৰণে তাৰ প্ৰেয়সীলৈ লিখা প্ৰেমপত্ৰখন প্ৰসেনক চাবলৈ দিলে। প্ৰসেনে মুখত এমোকোৰা হাঁহি লৈ চিঠিখন পঢ়িলে আৰু দুই-এটা শব্দ অদল-বদল কৰি দিলে— "বাঃ হৰিচৰণ তুমি দেখোন চিঠি লেখাত হঠাৎ মোতকৈও এখোপ ওপৰলৈ গ'লা হে"—বুলি প্ৰসেনে মন্তব্য কৰিলে।

প্ৰসেনে কাপোৰ-কানি পিন্ধি কমত তলাটো লগালে। তিনিও খোজ কাঢ়িয়েই পাণবজাৰ পুলিচ হাস্পতালৰ পিনে আগবাঢ়িল। তেতিয়া অৱশ্যে বৰষুণ নাছিল। ইটো-সিটো কথা পাতি সিহঁত গৈ বোধনৰ কোৱাৰ্টাৰ পালে যদিও প্ৰথমতে সিহঁত আটায়ে বলীন কম্পাউণ্ডাৰৰ ঘৰত হে সোমাল। হৰিচৰণে ইতিমধ্যে পাণবজাৰত মিঠাই কেইটামান কিনি লৈছিল। বলীন কম্পাউণ্ডাৰ আৰু তেওঁৰ পত্নী সৰলা ঘৰতে আছিল। প্ৰসেনৰ ৰিজাল্ট তেওঁলোকে ইতিমধ্যে বোধনৰ পৰা পাইছে। প্ৰসেনহঁত যোৱাত বলীন কম্পাউণ্ডাৰহঁতে খুবেই আনন্দিত হ'ল। তেওঁৰ সৰু ল'ৰা দুটাই আহি প্ৰসেনক চকলেট খুৱাবলৈ কোৱাত প্ৰসেনে 'ৰ'বা এক মিনিট' বুলি কৈ বাহিৰলৈ আহি হাস্পতালখনৰ কাষতে থকা পাণ দোকানখনৰ পৰা দহটা চকলেট লৈ গ'ল। চকলেট পাই বলীন কম্পাউণ্ডাৰৰ ল'ৰা মুন আৰু দেবুৱে আনন্দতে কিৰীলি পাৰি গোটেই ঘৰখনত আনন্দৰ নিজৰা বোৱাই দিলে। বৰ স্ফূৰ্তি আৰু আনন্দেৰে বলীন কম্পাউণ্ডাৰে বনোৱা খানা খালে প্ৰসেন, হৰিচৰণ, বোধন আৰু বোধনৰ পত্নী বকুলীয়ে ভাত খাই উঠি সিহঁত চোতালতে বহিল। ৰাতি তেতিয়া দহমানেই বাজিছিল। আবেলি আৰু সন্ধিয়া বৰষুণ আহিছিল যদিও বতৰ এতিয়া ফৰকাল। সিহঁত আটায়ে বলীন কম্পাউণ্ডাৰৰ বাৰাণ্ডাৰ সৰু বেঞ্চখন চোতালতে পাৰি তাতেই বহিল। বলীন কম্পাউণ্ডাৰ আৰু তেওঁৰ পত্নী সৰলাই মুঢ়া দুটা আনি বেঞ্চখনৰ

কাষতে [illegible]! সৰলাই তামোল-পাণৰ বটাটো আনি সৰু কটাৰী এখনেৰে তামোল কটাত লাগিল।

ঃ পিছে প্ৰসেন—ৰিজাল্ট বৰ ভালেই কৰিলা। এতিয়া কি কৰিম বুলি ভাবিছানো? পঢ়িবা নে ক'ৰবাত চাকৰিকে কৰিবা। ৰিজাল্টৰ হিচাপত চাকৰি এটা তুমি যোগাৰ কৰাত অসুবিধা নহ'ব যেন পাও"—বলীন কম্পাউণ্ডাৰে ক'লে।

ঃ এম.এ. পঢ়াৰ কথাটোক ভাবিছো খুড়া। টকা-পইচাৰ ফালৰ পৰা কথাটো ভবাৰেই টান। বন্ধু-বান্ধৱ দুই-এজনে সহায় কৰিব বুলি কৈছে। অৱশ্যে ইয়াৰ মাজতে চাকৰিৰ বাবেও চেষ্টা কৰিম। মোৰ কাৰণে নহ'লেও ঘৰখনৰ বাবে মোৰ চাকৰি এটাৰ খুবেই প্ৰয়োজন হৈছে। পিতাই আৰু নোৱৰা হৈছে,—প্ৰসেনে ক'লে।

ঃ সেইটো ঠিক,—কিন্তু তুমিতো এম.এ. পাছ কৰিবই লাগিব। আমিও সহায় কৰিম। দুটা বছৰহে। চকুৰ পচাৰতে যাব আৰু'—হৰিচৰণে মন্তব্য কৰিলে।

ঃ তোমাৰনো এডমিচনত কিমানমান পইচাৰ দৰকাৰ হ'ব,—বোধনে সুধিলে।

ঃ এই ধৰা তিনিশমান টকা লাগিব এডমিচনত। কিন্তু এডমিচন হ'লেইতো নহ'ব—কিতাপ পত্ৰৰ কথা আছে, আছে থকা-মেলা, খোৱা-লোৱাৰ কথা—মই অৱশ্যে হোষ্টেলত নাথাকি কোনোবা ফোৰ্থগ্ৰেড কোৱাৰ্টাৰ এটাৰ ৰুম এটা ভাড়া লৈ থকাৰ কথাটোহে ভাবি আছো। তেনেকৈ ভাড়ালৈ ৰুম পোৱা যায় বোলে বিশ্ববিদ্যালয় চৌহদত—ভাড়াও কম—মোক মোৰ বন্ধু এজনে কৈছে,- প্ৰসেনে ক'লে।

ঃ সেইবোৰ বাৰু হ'ব—প্ৰথমতে এডমিচনটো লোৱাৰহে ব্যৱস্থা কৰিব লাগিব। মই তোমাক ৫০।৬০ টকামান দিম—শিৱনাথেও বোলে কিবা অলপ দিব,—হৰিচৰণে ক'লে।

ঃ মইও হৰিচৰণৰ সমানেই টকা অলপ দিম—বোধনে ক'লে। বলীন কম্পাউণ্ডাৰেও 'মই এশ টকা দিম বুলি আবেলিৰ পৰাই ভাবি আছো'—বুলি ক'লে।

ঃ মোৰ ছাত্ৰ সন্থাৰ জেষ্ঠ সতীৰ্থ কেইজনমানেও সহায় কৰিম বুলি কৈছে—এজনে ঘৰভাড়াটো এবছৰৰ বাবে দিম বুলি কৈ গৈছে।

ঃ এ, তেনেহ'লেতো কথাই নাই বুলি বোধনে তাৰ স্বভাৱসুলভ খোলা হাঁহিটো মাৰি চোতালখন ৰজনজনাই তুলিলে।

এনেকৈয়ে নানা কথা আলোচনা কৰি ৰাতি প্ৰায় ১২টা মান বজালে সিহঁতে। বলীন কম্পাউণ্ডাৰৰ বাৰাণ্ডাতে থকা সৰু ৰুমটোৰ বিছনাখনতে প্ৰসেন আৰু হৰিচৰণৰ শোৱাৰ ব্যৱস্থা কৰি থৈছে সৰলা খুড়ীয়ে। 'আজিলৈ হ'ব আৰু'—বুলি বলীন কম্পাউণ্ডাৰে বহাৰ পৰা উঠি মুঢ়াটো বাৰাণ্ডাতে থৈ শুবলৈ গ'ল। বাকীসকলেও 'হ'ব, হ'ব' বুলি শুবলৈ গ'ল।

ৰাতিপুৱা সাতমান বজাতহে প্ৰসেন আৰু হৰিচৰণ বিছনাৰ পৰা উঠিল। বোধনে ইতিমধ্যে বিছনাৰ পৰা উঠি চাহ-পানী খাই হাস্পতাললৈ গৈছেই। পেচেণ্ট কেইজনমান আছে। বলীন কম্পাউণ্ডাৰেও হাস্পতাল পাইছে। এচ.পি.য়ে আজি হাস্পতালখন পৰিদৰ্শন কৰিব ৯ বজাত।

ঃ ছি, ছি—মোৰ দেৰিয়েই হ'ল—বুলি হৰিচৰণে কোনোমতে মুখ-হাত ধুই বিশ্ববিদ্যালয়লৈ যাবলৈ ওলালে। গা-পা তাতেই ধুব। প্ৰসেনকো যাবলৈ লগ ধৰিলে। সিহঁত বিছনাৰ পৰা উঠা দেখি খুড়ীয়েক সৰলাই দুকাপ চাহ সিহঁত দুটাক দি গ'ল। হৰিচৰণ আৰু প্ৰসেনে ইউনিভাৰচিটিৰ ৭-৩০ বজাৰ বাছখন পানবজাৰ ষ্টপেজত ধৰাৰ বাবে চাহখিনি ফুৰাই-ফুৰাই খাই 'আমি যাও' খুড়ী বুলি পাণবজাৰলৈ লৰৰি গ'ল।

হৰিচৰণে এম. এ মহলাৰ প্ৰিভিয়াচ পৰীক্ষা দিছে। ৰিজাল্ট দিয়া নাই। এম.এ. ফাইনেলৰ ক্লাছো আৰম্ভ হোৱা নাই যদিও সি হোষ্টেলতে আছে। আৰ.চি.চি. পাঁচ নং হোষ্টেলৰ আবাসী সি। হোষ্টেল পাই দুয়ো গা-পা ধুই ল'লে।

ঃ মই আহিলো যেতিয়া আছুৰ নেতা কেইজনমানকে লগ ধৰি যাও। অহা পৰহিমানে এবাৰ ঘৰলৈও যাব লাগিব। তাৰ আগতে পানবজাৰত থকা নামনি অসমৰ আয়ুক্তৰ অফিচত আমাৰ গাগেলিৰ কেচটোৰ খবৰ এটাও ল'ব লাগিব—প্ৰসেনে ক'লে।

ঃ ঠিক আছে প্ৰসেন—মই ভাত খাই অলপ পিছতে বিশেষ এটা কামত ছয়গাঁৱলৈ যাম বন্ধু এজনৰ ঘৰলৈ। তুমি ভাত-পানী খাই তোমাৰ কামবোৰ কৰিবা। অ' আৰু এটা কথা ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহতে এম.এ.ৰ এডমিচন হ'ব। দুই এদিনতে ফৰ্ম দিব। মই ফৰ্ম এখন বাৰু লৈ থম! তুমি বাকী ব্যৱস্থা কৰিবা। অলপ পিছতে হৰিচৰণ ভাত-পানী খাই ছয়গাঁৱলৈ গ'ল। প্ৰসেনেও দহনং হোষ্টেললৈ প্ৰসন্ন নাৰায়ণ চৌধুৰী, পুলকেশ বৰুৱা, শৈলেন দাস আদিক লগ পাবলৈ গ'ল। সেই সময়ত প্ৰসন্ন নাৰায়ণ চৌধুৰী বাৰাণ্ডাতে আছিল। তেওঁ প্ৰসেনক দেখি কনগ্ৰেচুলেচন, কনগ্ৰেচুলেচন প্ৰসেন—বুলি হুলস্থূল লগাই দিলে। বৰুৱা, দাস প্ৰমুখ্যে ভালেকেইজন ছাত্ৰ নেতা আহি প্ৰসেনক বেৰি ধৰিলে আৰু অভিনন্দন জনালে।

ঃ আন কামত ইমান ব্যস্ত থাকিও যে তুমি ইমান ভাল ৰিজাল্ট কৰিলা তাৰ বাবে তুমি সঁচাই অভিনন্দনৰ যোগ্য। আমি তোমাৰ ৰিজাল্ট যোৱা কালিয়েই পাইছো। তাকেই হোষ্টেলটোত সকলোৱে আলোচনা কৰি আছো। এতিয়া এম.এ.ত এডমিচন লৈ এইবাৰৰ দৰে ৰিজাল্ট কৰিব লাগিব—বুলি প্ৰসন্ন নাৰায়ণ চৌধুৰীকে ধৰি আন আন চিনিয়ৰ ছাত্ৰসকলে প্ৰসেনক উৎসাহিত কৰিলে।

প্ৰসেন প্ৰসন্ন নাৰায়ণ চৌধুৰীৰ বাৰনং ৰুমলৈ গ'ল। লগতে পুলকেশ বৰুৱা, শৈলেন দাসও গ'ল। তিনিও মিলি প্ৰসেনৰ এডমিচন সম্পৰ্কে আলোচনা কৰিলে।

প্ৰসেনৰ যে নিজৰ ফালৰ পৰা এম.এ. পঢ়াৰ সামৰ্থ্য নাই সেই কথা তেওঁলোকে জানে।

ঃ হ'ব, হ'ব—যদি হোষ্টেলত নাথাকা—আমি ওচৰতে ইউনিভাৰচিটিৰ কোৱাৰ্টাৰত একেবাৰে কম পইচাত ৰুম এটা ঠিক কৰি দিম। ভাড়াৰ দায়িত্ব মোৰ। তুমি মাথো ভালকৈ পঢ়াপাতি কৰিলেই হ'ল—চৌধুৰীয়ে ক'লে।

এনেকৈয়ে বৰুৱাই কিছু কিতাপ পাতি দিয়াৰ, দাসে কিছু পইচা দি সহায় কৰাৰ প্ৰতিশ্ৰুতি লৈ গুৱাহাটীলৈ বুলি একবজাৰ ইউনিভাৰচিটি বাছখনত উঠিল প্ৰসেন। পাণবজাৰত নামি প্ৰসেনে পোনে পোনে কটন কলেজৰ ওচৰতে থকা নামনি অসমৰ আয়ুক্তৰ অফিচলৈ গ'ল। তাত গাগেলিৰ কেচটো কি পৰ্যায়ত আছে তাৰ খবৰ কৰিলে। জানিব পাৰিলে অহা ছেপ্টেম্বৰ মাহৰ ৬ তাৰিখে কেচটোৰ শুনানি হ'ব। প্ৰসেনে ডি.চি. কোৰ্টলৈ গৈ উকীল নৰনাৰায়ণ গোস্বামীক খবৰটো দিলে। গোস্বামীয়ে প্ৰসেনক খবৰটো সিহঁতৰ গাঁৱৰ কমিটীক সোনকালে জনাবলৈ পৰামৰ্শ দিলে যাতে শুনানিৰ দিনা কিছু পইচাপাতি লৈ আয়ুক্তৰ অফিচত কমিটীৰ মানুহ হাজিৰ হয়। বি.এ. পৰীক্ষাৰ ৰিজাল্টৰ পাঁচ দিনমান পাছত প্ৰসেন ঘৰলৈ গ'ল। ভাদ মাহ আৰম্ভ হৈছে। গাঁৱৰ মানুহবিলাক শালি খেতি কৰাত ব্যস্ত। মাজে মাজে বৰষুণ দি আছে যদিও পুনৰ বানপানীয়ে ৰাইজক জুৰুলা কৰা নাই। ধুবুৰী পেচেঞ্জাৰখন আবেলি চাৰিমান বজাতেই ত্ৰিনাথ ষ্টেচন পালে। প্ৰসেনে যে বি.এ. অনাৰ্চত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ পাছ কৰিছে সেই কথা ত্ৰিনাথ নগৰৰ বহু মানুহে ইতিমধ্যে গম পাইছে। গম পাইছে কাকতল আৰু জনকপুৰৰ ৰাইজেও। সন্ধিয়া খোজকাঢ়িয়েই প্ৰসেন ঘৰ পালে। প্ৰসেন ঘৰলৈ যোৱা খবৰটো পাই সন্ধিয়াই গগন মেম্বৰ, সিন্ধুৰা ডেকা, চন্দন ঠাকুৰীয়া, কেশৱ লহকৰ, চন্দন কলিতা প্ৰমুখ্যে বয়জেষ্ঠ লোকসকল প্ৰসেনহঁতৰ ঘৰত উপস্থিত হ'ল। সকলোৱে গাগেলিৰ কেচটোৰ বিষয়ে জানিবলৈ উদগ্ৰীৱ হৈ যিয়ে য'তে পাৰে তাতে বহি লৈ প্ৰসেনে কি কয় তালৈ বাট চাই থাকিল। কাপোৰ-কানি সলাই, মুখহাত ধুই সিহঁতৰ চোতালত ইতিমধ্যে ঢাৰিত বহা বয়োজ্যেষ্ঠ লোকসকলৰ লগতে ঢাৰিতে বহি ল'লে সিও। অহা ৬ ছেপ্টেম্বৰ তাৰিখে যে আয়ুক্তৰ অফিচত গাগেলিৰ কেচটোৰ দিন পৰিছে—সেই বিষয়ে আদ্যোপান্ত উপস্থিত লোকসকলক জনালে।

ঃ তোৰ পৰীক্ষাৰ খবৰটো পাইছো—আমি বৰ আনন্দ পাইছো—তই ঘৰখনৰ লগতে গাঁওখনৰো নাম উজ্জ্বল কৰিলি—বুলি ধৰ্ম পাঠকে প্ৰসেনৰ বি.এ.ৰ ৰিজাল্ট সম্পৰ্কে কোৱা কথাখিনিত তাত উপস্থিত সকলোৱে হয় হয় কৰি শলাগিলে।

ঃ মই আগতেই কৈছো নহয়—বোলো সি আমাৰ গাঁৱৰ লগতে দেশৰ মান বঢ়াব। আমি সকলোৱে তাক আশীৰ্বাদ দিয়াৰ হে কথা—বুলি সিন্ধুৰা ডেকাই

প্ৰসেনক আঁঠুকাঢ়ি সেৱা এটা জনাই ৰাইজৰ আশীৰ্বাদ ল'বলৈ ক'লে। এনেতে চোতালত উপস্থিত সকলোকে খালি চাহ একাপ একাপ দিলে ৰজত মেম্বৰে। সকলোৱে হৰিষ মনে চাহ খাই প্ৰসেনক আশীৰ্বাদ দিলে। ৰাতি তেতিয়া প্ৰায় ন-টা মানেই বাজিছিল। আকাশত মেঘৰ গাজনিও দুই-এটা শুনা গৈছিল বাবে পলম নকৰি বয়োজ্যেষ্ঠ মানুহখিনিয়ে নিজ নিজ ঘৰলৈ গ'ল। কিছু সময় পিছত ভাত-পানী খাই প্ৰসেনহঁতেও শুই থাকিল।

পিছদিনা পুৱা নমান বজাত প্ৰসেন পৰশহঁতৰ ঘৰলৈ গ'ল। সিহঁতৰ চোতালৰ পৰাই 'পৰশ' বুলি প্ৰসেনে চিঞৰি গৈ ডাঙৰ ঘৰৰ কাঁথি পালে।

ঃ জেঠী, অ' জেঠী পৰশ নাই নেকি?

কাঁথিৰ কোনতে কাৰৈ মাছ কেইটামান বাছি থকা পৰশৰ মাকে মূৰ তুলি চাই প্ৰসেনক দেখি বহিবলৈ ক'লে। প্ৰসেনে ওচৰতে থকা পীৰাখন আনি পৰশৰ মাকৰ কাষত বহি ল'লে।

ঃ তই বোলে পৰীক্ষাত বৰ ভালকৈ পাছ কৰিছ?

ঃ কোনে ক'লে জেঠী তোক?

ঃ যোৱা কালি ৰাতি জেঠায়েৰই ভাত খাই থাকোতে কৈ থকা শুনিছো। পিছে তই গুৱাহাটীত থাকি আমালৈ পাহৰিলি।

ঃ নাই, নাই জেঠী কিয় পাহৰিম? দুই-তিনিমাহমানহে তহঁতৰ ঘৰলৈ অহা নাই। পিছে পৰশ ঘৰত নাই নেকি?

ঃ এ, নাই ৰ, অলপ আগতে পথাৰলৈ গৈছে। পথাৰত বোলে কিবা গণ্ডগোল লাগিছে। হৰেশ্বৰহঁতৰ পিতাকে বোলে আমাৰ গাগেলিৰ কাষত থকা মাটিখিনিৰ সীমা হেঁচিছে। সেই লৈ কিবা তৰ্কাতৰ্কি হোৱা বুলি আমাৰ দংশীয়ে পথাৰৰ পৰা দৌৰি আহি সুধন আৰু পৰশক খবৰ দিয়াত দুয়ো দৌৰি পথাৰলৈ গৈছে।

ঃ অ' হয় নেকি, মই তেনেহ'লে তালৈ যাও দে। গাগেলিখনো অলপ চাই আহিম আৰু জেঠাহঁতে যাতে কাজিয়া নকৰে তাকো বুজাম—বুলি প্ৰসেনে পৰশহঁতৰ ডাঙৰ ঘৰৰ দোঘৰাৰে বেগাই গাগেলিৰ পৰশহঁতৰ মাটিলৈ খোজ ল'লে। তাৰ পৰা পৰশহঁতৰ মাটিলৈ বেছি দূৰ নহয়—আধা মাইলমানহে হ'ব। প্ৰসেনে হৰেশ্বৰৰ পিতাক নিধন কুমাৰে পৰশহঁতৰ মাটিৰ সীমা ঠেলা কথাটোত বিশেষ গুৰুত্ব দিয়া নাই। মাটিৰ সীমা হেঁচা, ইঘৰৰ গৰুৱে সিঘৰৰ খেতি খাই নষ্ট কৰা কাৰোবাৰ গছৰ নাৰিকল কোনোবাই ৰাতি মনে মনে পাৰি নি খোৱা, পথাৰৰ কাটি থোৱা ধানৰ মুঠি হঠাৎ ৰাতিৰ ভিতৰতে কিছু নোহোৱা হোৱা—এনেবোৰ দুই-চাৰিটা সৰু সৰু ঘটনা কাকতলত ঘটিয়েই থাকে। গাঁৱৰ বয়োজ্যেষ্ঠসকলে মেল মাতি সেইবোৰ

সমস্যা সমাধান কৰি দিয়ে। বেছি জটিল ঘটনা হ'লে গাঁও উন্নয়ন সমিতিত বিচাৰ দিলে সমিতিয়ে বিচাৰ কৰি কাজিয়া-পেচালবোৰ মীমাংসা কৰে—এনেবোৰ কথা মনৰ ভিতৰতে পাগুলি প্ৰসেন গৈ পৰশহঁতৰ মাটি পালে। ভালেমান মানুহ তাত ইতিমধ্যে জমা হৈছে। পৰশৰ পিতাক সিন্ধুৰা আৰু হৰেশ্বৰৰ পিতাক নিধনৰ মাজত তেতিয়াও তৰ্কাতৰ্কি চলিয়েই আছিল। প্ৰসেনে তাত উপস্থিত হোৱাৰ লগে লগে কথাটো অলপ বদলিল। সিন্ধুৰা জেঠায়েকে অলপ লাজ পাই প্ৰসেনে জেঠাক সিন্ধুৰা আৰু দদায়েক নিধনক তৰ্কাতৰ্কি কৰি থাকি সময়বোৰ নষ্ট নকৰিবলৈ অনুৰোধ কৰিলে। সুধন আৰু পৰশেও প্ৰসেনৰ কথাত বল পাই পিতাক আৰু নিধন কুমাৰৰ টনাটনি কৰি হোলাৰ জানৰ ওখ ঠাই এটুকুৰালৈ লৈ গ'ল। তাতে আবেলি গাঁৱৰ মুখিয়াল মানুহ কেইটামান মাতি কথাটো মীমাংসা কৰাৰ কথা কোৱাত দুয়ো মান্তি হ'ল।

ঃ পিছে, প্ৰসেন বোপা কেতিয়া আহিলা—নিধন কুমাৰে সুধিলে।

ঃ যোৱাকালি আহিলো দাদা।

ঃ আমাৰ সেইপিনেও এবাৰ ফুৰিবলৈ যাবা—বুলি কৈ নিজৰ মাটিলৈ গৈ পুনৰ হাল বোৱাত লাগিল। পৰশৰ পিতাকেও সুধনক হালখন অলপ বাবলৈ দি তামাখু এচিলিম জ্বলালে। কেইহোপামান মৰাৰ পাছত নিধনো আহি সিন্ধুৰাৰ পৰা চিলিমটো লৈ কেইহোপামান মাৰি হাল বোৱাত লাগিল। প্ৰসেন আৰু পৰশে কাজিয়াটো শাম কটাত গাগেলিৰ ভিতৰলৈ অলপ সোমাই গ'ল। বাৰিষাৰ কাল। গাগেলিখন পানীৰে উপচি আছে। কিন্তু গাগেলিয়ে যেন আগৰ ৰূপ ৰং হেৰুৱাই পেলাইছে—এনে ভাব এটাই বেজাৰ দিলে প্ৰসেনক। চাৰিওফালে কেৱল মেটেকা, সাগৰ সদৃশ পানীবোৰ মেটেকাই ঢাকি ধৰাত তাৰ মোহময়ী ৰূপে প্ৰসেনৰ হিয়াত আবেগ দৃষ্টি কৰিব নোৱাৰিলে। কিন্তু তাৰ চৰাই-চিৰিকটিৰ কলৰৱে অৱশ্যে তেতিয়াও গাগেলিৰ বুকু মুখৰিত কৰি ৰখাটো প্ৰসেনৰ চকু আৰু কাণত পৰিল।

ব'ল, ব'ল যাও—মই ত্ৰিনাথ নগৰলৈ যাব লাগিব। কেবাটাও জৰুৰী কাম আছে—আমাৰ পাৰ্টিৰ মিটিং এখনো আছে। —পৰশে ক'লে।

ঃ তহঁতৰ পাৰ্টিৰ মিটিং আছে মানে—তই কিবা দলত সোমাইছ নেকি? প্ৰসেনে পৰশক সুধিলে।

ঃ অ', আজি প্ৰায় তিনি মাহমানেই হ'ল—কমিউনিষ্ট পাৰ্টিত সোমাইছো। আজিকালি ত্ৰিনাথ মৌজা, নামবৰ মৌজা বৰলা আদিত হোৱা আমাৰ পাৰ্টিৰ মিটিংবোৰত মই থাকিবই লাগে। তদুপৰি মাজে মাজে পাৰ্টি অফিচৰ কামো চাব লাগে পৰশে বৰ সন্তুষ্টিৰ ভাব এটাত কথাষাৰ ক'লে।

ঃ ভালেই হৈছে দে—পিছে বীভাৰ কথাটো কি হ'ল?

ঃ নাই ভাই, যোৱা ফাগুনত হৰপুৰৰ ল'ৰা এজনৰ লগত তাইৰ বিয়া হৈ গ'ল। মোৰ মনৰ আশা মনতে মাৰ গ'ল—বীভাৰ নামটো কোৱাৰ লগে লগে কিবা এক বেজাৰত খুন্দা খোৱা ভাৱত পৰশে কথাখিনি কৈ বাকৰুদ্ধ হোৱাৰ দৰে হ'ল। কথাটো বুজি পাই প্ৰসেনে বীভাৰ প্ৰসঙ্গটো এৰি সিহঁতৰ পাৰ্টিৰ কথা উলিয়ালে। দুয়ো আহি পৰশহঁতৰ ঘৰ পালে।

ঃ জেঠী, অ জেঠী কাজিয়া-পেচাল মিতমাত কৰি আহিলো—এতিয়া কি আছে খাবলৈ দে—বুলি প্ৰসেনে পৰশৰ মাকক ক'লে—

ঃ হ'ব দে, অলপ বহ, মই চাহ কৰো। যোৱাকালি গধূলি লাৰু গুড়া কৰি থৈছো—বুলি কৈ পৰশৰ মাকে চাহ কৰিবলৈ গ'ল। পৰশৰ ৰুমত বহি পৰশ আৰু প্ৰসেনে কথা পাতি পাতি পৰশৰ মাকে দুটা বাটিত দিয়া দুবাটি লাৰু গুড়া খাই শেষ কৰি সিহঁত ত্ৰিনাথ নগৰলৈ যাবলৈ ওলাল। প্ৰসেনে ইতিমধ্যে ঘৰত ত্ৰিনাথ নগৰলৈ যোৱাৰ কথা, পেহীয়েকহঁতৰ ঘৰত এপাক সোমোৱা কথা মাক মায়াবতীক কৈ গৈছিলেই। পৰশৰ চাইকেলখনত উঠি পৰশ আৰু প্ৰসেন ত্ৰিনাথ নগৰ অভিমুখে গ'ল।

প্ৰায় ১২টা মান বজাত পৰশ আৰু প্ৰসেন গৈ ত্ৰিনাথ নগৰ পালে। প্ৰসেনক চাইকেলেৰে পৰশে পেহীয়েকহঁতৰ ঘৰত থৈ আহিল। পৰশৰ বোলে সিহঁতৰ পাৰ্টি অফিচত এখন মিটিং আছে—সেয়ে সি প্ৰসেনক চাইকেলৰ পৰা নমাই থৈয়েই ত্ৰিনাথলৈ আহিল। প্ৰসেন পেহীয়েকহঁতৰ চোতাল পাই 'পেহী, অ পেহী' বুলি মাতিলে। গোটেই ঘৰখন নিমাও মাও। পেহীয়েক—তেতিয়া পাকঘৰত ভাত ৰান্ধি আছিল। কাৰোবাৰ মাত শুনি কাঁথিলৈ ওলাই আহি প্ৰসেনক দেখি 'অ' প্ৰসেন'—আহ, আহ ঘৰৰ ভিতৰলৈ আহ বুলি প্ৰসেনক ঘৰৰ ভিতৰলৈ মাতিলে।

ঃ বুজিছ প্ৰসেন—ৰহিলা বায়েৰ যোৱাৰ পৰা ঘৰখন কিবা সুদা-সুদা যেন লগা হৈছে। নীভা, নিৰেনহঁত স্কুললৈ গৈছে। পেহাৰ পথাৰৰ পৰা অহাই নাই। ময়ো কেই আখিমান কঠীয়া ৰুই অলপ আগতে আহিছো। তই ঘৰৰ পৰা আহিছ হ'বলা?

ঃ হয় পেহী, মই পৰহিয়েই গুৱাহাটীৰ পৰা আহিছো। পৰহি যাম। ৰহিলা বাইহঁত ভালে আছে নে?

ঃ আছে, আছে—ছোৱালী এজনী জন্ম পাইছে নহয়। দুমাহমান হ'ল।

ঃ হয়নেকি—আজিকালি একো খবৰেই নোপোৱা হ'লো।

ঃ তই অলপ বহ, পেহাৰক কালিয়েই কৈছিলো ঘৰত মিঠাতেল নাই বুলি,—আনিবলৈ পাহৰিলে। মই তৎক্ষণাৎ নীৰাহঁতৰ পৰা দুআঙুলমান তেল ধাৰ কৰি লৈ আনো। যাম আৰু আহিম বুলি প্ৰায় দৌৰাৰ দৰে পেহীয়েক নীৰাহঁতৰ ঘৰলৈ গ'ল।

সেইদিনা শনিবাৰ আছিল। স্কুলবোৰ সোনকালে ছুটী হোৱাত নীভা আৰু

নিৰেন ৰদত ৰঙা-ছিঙা পৰি আহি ঘৰ পালে প্ৰায় দেৰটামান বজাত। সিহঁত স্কুলৰ পৰা অহা দেখি প্ৰসেনৰ নীৰালৈ চাৎ কৰে মনত পৰিল। নীৰাও নিশ্চয় আহিছে স্কুলৰ পৰা। এইবাৰ ক্লাছ টেনত পঢ়ি আছে। অহা মাৰ্চত মেট্ৰিক দিব। প্ৰসেনক দেখি নীভাইঁতৰ ভাল লাগিল।

ঃ ৰহিলা বাই নাই বাবে তুমি আজিকালি গুৱাহাটী নেৰাই হ'লা—নীভাই অভিমানৰ সুৰত ক'লে কথাষাৰ। নীভাৰ কথাত প্ৰসেনে একা হা-না ক'বলৈ নৌপাওতেই পেহীয়েকে নীৰাহঁতৰ পৰা তেল লৈ আহি পালে। ইতিমধ্যে পেহাকে—হালমেলি আহি গৰুহাল গোহালিত থৈ লৰুডাল বাৰাণ্ডাৰ চালপৈচাত খুহা মাৰি সোমাই ঘৰৰ সমুখত থকা ৰাজহুৱা দমকলটোলৈ গা ধুবলৈ গ'ল। দমকলটোত খেতিপথাৰৰ পৰা অহা কেবাজনো লোকে ইতিমধ্যে গা-ধুবলৈ আৰম্ভ কৰিছিলেই। পেহাকেও পানী এবাল্টি আনি গাটো ধুই চোতালৰ কোণত ভঁৰালঘৰটোৰ সমুখত থকা তুলসীডালৰ কাষত বহি অলপ সময় ভগবানক প্ৰাৰ্থনা কৰিলে। প্ৰসেনে বাৰাণ্ডাৰ পৰা এই সকলো কাম লক্ষ্য কৰি আছিল।

পেহীয়েকৰ ভাত ৰন্ধা হ'ল। পেহাকে প্ৰসেনৰ পৰীক্ষাৰ খবৰকে ধৰি দুই-এটা খবৰ ভাতৰ পাতৰ পৰাই লৈ ভাত খোৱা শেষ কৰি মজিয়াত থকা বিছনাখনত অলপ বাগৰ দিলে। ভাত খাই উঠি নীভা আৰু নিৰেনহঁত সিহঁতৰ পঢ়াৰুমলৈ গ'ল।

ঃ যা-চোন নিৰেন, যা-তই নীৰাহঁতৰ ঘৰলৈ গৈ মই নীৰাক এতিয়াই মাতিছো বুলি কৈ মাতি আন—নীভাই ক'লে।

ঃ হ'ব দে বুলি কৈ হাউমাৰি নিৰেনে নীৰাহঁতৰ ঘৰলৈ গ'ল।

ঃ তোমাৰ বি.এ. পৰীক্ষাৰ ৰিজাল্টৰ কথা আমাৰ স্কুলত সকলোৱে গম পাইছে। তোমাৰ বিষয়ে ইমানবোৰ ভাল কথা কৈছে—শুনি আমাৰ বৰ ভাল লাগি আছে। হয় নেকি কোনেনো ক'লে?

ঃ সেই ধ্ৰুবজেন বোলা আমাৰ চাৰজন যে, তেখেত বোলে তোমাৰ বন্ধু। তেখেতে আজি আমাৰ স্কুলত কৈ আছিল তোমাৰ ৰিজাল্টৰ বিষয়ে,—নীভাই ক'লে।

এনেতে ধীৰ-গম্ভীৰ খোজেৰে আহি নীৰা নীভাইঁতৰ ৰুমত সোমাল। প্ৰসেনক দেখি তাই আচৰিত হ'ল। বুজিবলৈ বাকী নাথাকিল তাইক নীভাই মতাৰ উদ্দেশ্য কি আছিল। প্ৰসেনক দেখি নীৰাৰ অন্তৰত এক সুখানুভূতি আৰু আনন্দই অহা-যোৱা কৰিলে।

ঃ কেনে আছা নীৰা পঢ়াশুনা ঠিক মতে চলি আছেনে?.

ঃ আপোনাক অভিনন্দন জনালো ৰিজাল্টৰ ভাবে।

ঃ ধন্যবাদ—পিছে ক'ত গম পালা ৰিজাল্টৰ কথা।

ঃ ক'ত গম পাম আৰু বাতৰি কাকতত? এনেতে নীভা আৰু নিৰেন ৰুমৰ

পৰা কাম আছে বুলি ওলাই গ'ল। প্ৰসেনৰ মুখত মাত নাই—নাই নীৰাৰ মুখতো।

ঃ মেট্ৰিক পৰীক্ষা আহিলেই। প্ৰথম বিভাগ কিন্তু পাব লাগিব। পঢ়া-শুনাত হেলা নকৰিবা কিন্তু—নীৰাক উদ্দেশ্যি প্ৰসেনে ক'লে।

ঃ চেষ্টা কৰি আছো—কৰি থাকিম বুলি কৈ নীৰাই কমৰ পৰা যাবলৈ ওলাল।

ঃ ৰ'বাচোন, ৰ'বা, অলপ ওচৰলৈ আহাচোন বুলি প্ৰসেনে নীৰাক ওচৰলৈ মতাত 'যাও ইয়াত আপোনাৰ লগত এনেকৈ অকলে থাকিলে জেঠীয়ে বেয়া পাব' বুলি কৈ নীৰা প্ৰসেনৰ একেবাৰে ওচৰত থিয় হ'ল। বহাৰ পৰা উঠি প্ৰসেনে নীৰাক সাবটি ধৰিলে। নীৰায়ো প্ৰসেনৰ বুকুৰ মাজত মূৰটো গুজি প্ৰসেনৰ মৰমৰ প্ৰতি সঁহাৰি জনালে।

ঃ ৰহিলা বায়ে কোৱা কথাবোৰ তোমাৰ মনত আছেনে নীৰা?

ঃ আছে— মোৰ থাকিলেতো নহ'ব— আপোনাৰ হে থাকিব লাগিব?

ঃ মোৰ মনত আছে—ভালকৈয়ে আছে বুলি কোৱাৰ লগে লগে কিবা এটা গীত গুন গুনাই নীভা আহি সেইখিনি পালে। শব্দ শুনিয়েই নীৰাই প্ৰসেনৰ বুকুৰ মাজৰ পৰা সাউৎকৰে ওলাই আহিল যদিও নীভাৰ চকুত নপৰাকৈ নাথাকিলে দৃশ্যটো। প্ৰসেনেও বৰ লাজ পালে। প্ৰসঙ্গটো সলনি কৰি নীৰাই প্ৰসেনক তেওঁলোকৰ ঘৰলৈ এবাৰ যাবলৈ অনুৰোধ কৰিলে।

ঃ বেয়া নাপাবা নীৰা—আজি মই যাব নোৱাৰিম। ইয়াৰ পিছত আহিলে যামেই—বুলি ক'লে প্ৰসেনে।

ঃ ৰহিলা বাই নাইতো—সেয়ে আপুনি যাবলৈ টান পাইছে। পিছে এম.এ.ৰ এডমিচন কেতিয়া?

ঃ ছেপ্টেম্বৰৰ ১৫ তাৰিখৰ আগতে হ'ব। ফৰ্ম দিছেই। কালি গাঁৱৰ ছাত্ৰ সংঘৰ এখন সভা আছে পৰহি পুৱা গুৱাহাটীলৈ যাম বুলি ক'লে প্ৰসেনে। ইতিমধ্যে প্ৰায় ৩টা মান বাজিলেই।

ঃ পেহী, অ' পেহী—মই যাও, ত্ৰিনাথ নগৰত অলপ কাম আছে।

ঃ কিয় আজি নাথাক নেকি? থাক, কালি পুৱাই যাবিদে।

ঃ নাই নালাগে দে, গাঁৱতো মোৰ বহুত কাম আছে।

ঃ যা—তেনেহ'লে।

প্ৰসেনে পেহীয়েক, পেহাক, নীভা, নীৰা সকলোকে মাত লগাই যাও বুলি চোতাল পাওঁতেই চাইকেলেৰে পৰশ আহি সেইখিনি পালে। এক মুহূৰ্তও পলম নকৰি প্ৰসেন পৰশৰ চাইকেলৰ কেৰিয়াত বহিল। দুয়ো গৈ অলপ পিছতে ত্ৰিনাথ নগৰ পালে। ত্ৰিনাথ নগৰত প্ৰসেনে অধ্যাপক দয়ানন্দ পাঠকক লগ পাব লগা

আছিল। ঘৰলৈ গৈ জানিলে অধ্যাপক পাঠক পুৰাই গুৱাহাটীলৈ গৈছে, ঘুৰি আহোতে দেৰি হ'ব। প্ৰসেনে ত্ৰিনাথত তাৰ কোনো বন্ধুকে লগ নাপালে—অৱশ্যে সময়ো ঠিক নাছিল—গৰমৰ দিনত সাধাৰণতে আবেলি পাঁচ বজাৰ আগতে নগৰখনলৈ বিশেষ জৰুৰী কাম নাথাকিলে মানুহবোৰ নাহে। তদুপৰি সেইদিনা আছিল উৎকট গৰম। গতিকে প্ৰসেন আৰু পৰশ গাঁৱলৈ আহিল। ঘৰলৈ আহি থাকোতে ৰাস্তাত প্ৰসেনে কেবাজনো তাৰ হাইস্কুলৰ শিক্ষাগুৰুক লগ পালে। তেওঁলোক স্কুল ছুটীৰ পিছত প্ৰখৰ ৰ'দ আৰু গৰমৰ বাবে কিছু পলমকৈ ঘৰ অভিমুখে আহি আছিল। লগ পোৱা শিক্ষাগুৰু কেইজনে প্ৰসেনক তাৰ বি.এ. পৰীক্ষাৰ ৰিজাল্টৰ বাবে অভিনন্দন জনালে। খোজকাঢ়ি আহি থকা সংস্কৃত মাষ্টৰ ৰত্নকান্ত শৰ্মায়ো প্ৰসেনক লগ পাই গছ এডালৰ ছাঁত বহুত সময় কথাপাতি তাক অভিনন্দন জনালে—উপনিষদৰ এটা শ্লোক মাতি প্ৰসেনক উপদেশ দিলে—

"আস্তে ভগ আসীনস্যোৰ্দ্ধস্তিষ্ঠতি তিষ্ঠতঃ
শেতে নিপদ্যমানস্য চৰতো ভগঃ

"অৰ্থাৎ যিলোক বহি থাকে তাৰ ভাগ্যও বহি থাকে; যি উঠি ঠিয় হয় তাৰ ভাগ্যও থিয় হয়; যি শুই থাকে তাৰ ভাগ্যও শুই থাকে আৰু যি চলি থাকে তাৰ ভাগ্যও চলি থাকে।" তুমি বহুত প্ৰতিকূল অৱস্থাৰ মাজেৰে ভাগ্যক জয় কৰিবলৈ চেষ্টা কৰি ইতিমধ্যে বহুখিনি সফলো হৈছা আৰু সফল হ'বা—উপনিষদৰ এই কথাখিনি মনত ৰাখি প্ৰগতিশীল হৈ চলি থাকা—মই তোমাক হিয়াভৰা আশীৰ্বাদ দিছো"—বুলি কৈ ৰত্নকান্ত শৰ্মা গ'লগৈ। প্ৰসেন-পৰশহঁতেও গাঁও পালে। প্ৰসেনৰ ইতিমধ্যেই ঘৰখনৰ দুখ লগা অৱস্থাই মনটো গধুৰ কৰি ৰাখিছিল। পুনৰ ঘৰ পাই তাৰ মনটো দুঃখত বেছি গধুৰ হৈ পৰিল। ভৰি-হাত-মুখ ধুই সি তাৰ ৰুমৰ বিছনাখনত এনেয়ে বাগৰ দিলে। কোন মুহূৰ্তত টোপনিয়ে তাক আহি হেঁচা মাৰি ধৰিলে সি গমকেই নাপালে। ৰাতি নমান বজাত মাক মায়াবতীয়ে ভাত খাবলৈ মতাত হে সি সাৰ পাই নিমখ তেলেৰে কেই গৰাহমান ভাত খাই পুনৰ শুই থাকিল মাক বা পিতাকৰ লগত একো কথা নপতাকৈয়ে।

পিছদিনা কাকতল ছাত্ৰ সংঘৰ সমূহ সদস্যই মিলি প্ৰসেনক তাৰ বি.এ.ৰ ৰিজাল্টৰ বাবে সংঘৰ অফিচত সম্বৰ্ধনা জনালে। প্ৰসেনে সংঘৰ অনুষ্ঠুপীয়া সভাখনত মাধ্যম আন্দোলনকে ধৰি ৰাজ্যখনৰ আন আন দুই-এটা সমস্যাৰ ওপৰত চমু ভাষণ এটা দিলে। গাগেলিৰ কেচৰ বিষয়েও অৱশ্যে ক'বলৈ নাপাহৰিলে। গাগেলিক লৈ গাঁওখনত যাতে পুনৰ দ্বন্দ্ব-খৰিয়াল, দলা-দলি নহয়; তাৰ প্ৰতি চকু ৰাখিবলৈও সংঘৰ সদস্যসকলক অনুৰোধ জনালে। আবেলি তিনিমান বজাত আৰম্ভ হোৱা

সভাখন ছমান বজাত শেষ হ'ল। সভাখন শেষ হোৱাৰ পাছত প্ৰসেন, মহেন আৰু পৰশৰ লগত হোলাৰ জানলৈ গ'ল। হোলাৰ জানৰ বাহৰ দলংখনত তিনিও বহি ল'লে। বাৰিষাৰ বতৰ হ'লেও সেইদিনা আকাশত মেঘ নাছিল। শুক্লপক্ষৰ জোনটোৱে স্নিগ্ধ পোহৰেৰে হোলাৰ পানীত এক কাব্যিক আৰু ৰহস্যময় পৰিবেশ সৃষ্টি কৰিছিল। তেনে স্নিগ্ধ পোহৰে যেন হোলা আৰু হোলাৰ জানৰ মাছ বিলাককো পোহৰ-বলীয়া কৰি তুলিছিল। সিহঁতে মাজে মাজে ডাওৰ ডাওৰ শব্দ কৰি পানীত জঁপিয়াই জঁপিয়াই চন্দ্ৰাবলী নিশাক স্বাগতম জনাই যেন নৃত্যহে কৰিছিল—এনে লাগিছিল সেই দৃশ্য চাই প্ৰসেনৰ। মহেন আৰু পৰশে জোনাকী পোহৰৰ এনে মোহময়ী পৰিবেশত সিহঁতৰ নিজ নিজ প্ৰেমৰ কাহিনী ব্যক্ত কৰি বিশেষ আমোদৰ সৃষ্টি কৰিছিল। সেই আমোদে প্ৰসেনকে ধৰি সিহঁত তিনিওজনক কিছু সময়ৰ বাবে হ'লেও ঘৰুৱা দুখ-দৈন্যৰ পৰা আঁতৰাই ৰাখিছিল।

ঃ ব'ল; ব'ল ৰাতি বহুত হ'ল—দহমানেই বাজিল কিজানি—বুলি পৰশে কোবাতহে সিহঁত কল্পনা ৰাজ্যৰ পৰা বাস্তব ৰাজ্যলৈ ঘুৰি আহিল।

ঃ প্ৰসেন, তুমিতো কালি যাবাই—এম.এ.টো যিকোনো প্ৰকাৰে পঢ়া। আমি পইচা-পাতিৰে সহায় কৰিব নোৱাৰিলেও আন্তৰিক শুভেচ্ছা সদায়ে দি থাকিম"—মহেনে ক'লে।

এনেকৈয়ে কিছু সময়ৰ বাবে জগতৰ পংকিলতাৰে ভৰা দুখ-যন্ত্ৰণাৰ পৰা নিজকে নিলগত ৰখাৰ পিছত তিনিও বন্ধু নিজ নিজ ঘৰলৈ আহিল।

প্ৰসেন, অ' প্ৰসেন—উঠ, মই পথাৰলৈ যাও—প্ৰসেনৰ পিতাক ৰজত মেম্বৰে প্ৰসেনক মাতি জগালে। ৰাতিপুৱাইছে যদিও ভালকৈ পোহৰ পৰাই নাই পৃথিৱীত। ৰজত মেম্বৰে আনদিনাখনৰ দৰে পুৱতি নিশাতেই হাল লৈ পথাৰলৈ যাবলৈ বিছনাৰ পৰা উঠি নিজেই দুকাপ চাহ কৰি তাৰে একাপ প্ৰসেনৰ বাবে ৰাখি চাহ কাপ খাবলৈ প্ৰসেনক বিছনাৰ পৰা জগালে। প্ৰসেন আহি পিতাকৰ কাষত পীৰা এখনত বহিল।

ঃ তই যাবি নহয় আজি?

ঃ অ', পিতা, যাম—সাত বজাৰ বাছখনত যাম। ধুবুৰীৰ ষ্টেইনখনৰ সময় আজিকালি একেবাৰে ঠিক নাথাকে।

ঃ পিছে পঢ়াটো কি কৰিবি? পইচাৰটো বৰ টান।

ঃ চাকৰি এটাই বিচৰা ভাল আছিল নেকি? ময়ো ঘৰখন চলাব নোৱৰা হৈ আহিছো।

ঃ মোৰ বন্ধুকেইজনমানে পইচা দি সহায় কৰিব বুলি কৈছে। গুৱাহাটী বিশ্ববিদ্যালয়তে এম.এ.ত এডমিচনটো ল'ম বুলি ঠিক কৰিছো। তাৰ মাজতে পাৰিলে প্ৰাইভেট কোম্পানীত চাকৰি এটা বিচাৰিম বুলিও ভাবিছো। চাওচোন কি হয়।

ঃ অ', তই যি ভাল দেখ কৰিবি—মই যাওঁ। আজি কিছু মাটিত পেক দিব

লাগিব। ৰুবা অৰন্ত কৰাত পলমেই হৈছে—বুলি কৈ ৰজত মেম্বৰে চাহকাপ খাই গোহালিৰ পৰা গৰুহাল উলিয়াই পথাৰলৈ গ'ল। প্ৰসেনে বহুত সময় জুহালৰ গুৰিতে পীৰাখনত বহি থাকিল।

ঃ হ'বদে, ভাগ্যত যি আছে সেয়েই হ'ব—ইমান ভাবি চিন্তি থাকি মনটো বেয়া কৰিব নালাগে—যা, গা-পা ধুই আহ। বাছখন আহিবৰ হ'বই—বুলি মাক মায়াবতীয়ে প্ৰসেনক বুজনি দিয়াৰ দৰে কথাষাৰ কৈ গুৱাহাটীলৈ যোৱাৰ বাবে কাপোৰ-কানি পিন্ধি ৰেডি হ'বলৈ ক'লে। প্ৰসেনেও সিহঁতৰ বাটৰ কাষতে থকা দমকলটোত ল'ৰা-ঢপৰাকৈ গাটো ধুই মাকে ইতিমধ্যে মজিয়াত সাজি দিয়া পইতা ভাত কেইটামান খাবলিৰে খালে। কাপোৰ পিন্ধি হুৰাহুৰিকৈ 'আই, অ' আই মই যাওঁ'— বুলি কৈ বেগটো কান্ধত ওলোমাই ঘোপকুছি চ'কলৈ প্ৰায় দৌৰাৰ দৰে গ'ল গৈ। সময়মতে ত্ৰিনাথ নগৰৰ পৰা বাছখন আহি ঘোপকুছি পালে। প্ৰসেনে বাছখনত উঠি গুৱাহাটীলৈ গ'ল।

প্ৰায় এঘাৰটামান বজাত প্ৰসেনে জালুকবাৰী পালে। জালুকবাৰীতে নামি সি বিশ্ববিদ্যালয়লৈ গ'ল। ইতিমধ্যে এম.এ. মহলাৰ এডমিচনৰ বাবে ফৰ্ম দিয়া কথাটো সি গম পাইছিল। আৰ্টছ বিল্ডিঙলৈ গৈ যি এম.এ.ৰ এখন ফৰ্ম লৈ পোনে পোনে ১০ নং হোষ্টলৰ ১২ নং ৰুমলৈ গ'ল। গৈয়েই প্ৰসন্ন নাৰায়ণ চৌধুৰীক লগ ধৰিলে। তাত ইতিমধ্যে চৌধুৰীৰ বাহিৰে আৰু কেইজনমান ছাত্ৰ নেতা উপস্থিত আছিল।

ঃ অ' প্ৰসেন, আহা বহা, এম.এ.ৰ এডমিচনৰ ফৰ্ম ল'লা নে?

ঃ হয় ল'লো।

ঃ সেইখন ফিলআফ কৰি দুই চাৰি দিনৰ ভিতৰতে দিবা। দহ ছেপ্টেম্বৰ তাৰিখে এডমিচন হ'ব। মই এডমিচনৰ সময়ত ষ্টুডেন্টচ্ দে হ'মত থাকিম। আমি এডমিচনৰ পইচা কিছু যোগাৰ কৰি ৰাখিম। তুমিও যি পাৰা যোগাৰ কৰি আনিবা। আমি অলপ পিছত নলবাৰীলৈ যাম। এখন মিটিং আছে বুলি প্ৰসেনক যাৱতীয় দিহা পৰামৰ্শ দিলে চৌধুৰীহঁতে। প্ৰসেনেও আটাইকে মাত লগাই তাৰ পৰা তাৰ মেচলৈ বুলি ইউনিভাৰচিটি বাছত উঠিল।

ঃ কিহে প্ৰসেন—ক'তনো ঘূৰি ফুৰিছা—আমি প্ৰায় এঘণ্টা ধৰি তোমালৈ বৈ আছো—হৰিচৰণ আৰু শিৱনাথে প্ৰসেনৰ ৰুমটোৰ বাৰান্দাত থকা সৰু বেঞ্চখনত প্ৰসেনৰ বাবে প্ৰায় এঘণ্টা ধৰি অপেক্ষা কৰি থাকি আমনি যে পাইছিল সেই কথা হৰিচৰণ আৰু শিৱনাথৰ মুখত ফুটি ওলাইছিল।

ঃ এ ভাই নক'বা, মই ঘৰলৈ গৈছিলো। আজিহে আহিলো। আহোতে ইউনিভাৰচিটিত সোমাই এম.এ.ৰ ফৰ্ম এখনো আনিলো বাবে দেৰি হ'ল মেচ

পাওঁতে। বেয়া নাপাবা তোমালোকৰ বৰ কষ্ট হ'ল বুলি কৈ প্ৰসেনে তাৰ ৰুমটোৰ তলা খুলিলত তিনিও ৰুমত সোমাল।

ঃ আমাৰ অলপ দৌৰা-দৌৰি, শিৱনাথৰ দুটামান জৰুৰী কাম আছে। মেয়ো ইউনিভাৰচিটি হৈ আজি ঘৰলৈ যাম,—হ—লোৱা এইখিনি—বুলি হৰিচৰণে তাৰ আৰু শিৱনাথৰ ফালৰ পৰা এশ টকা প্ৰসেনক দিলে এডমিচনৰ বাবে।

ঃ ৰ'বাচোন—ৰ'বা, চাহ অলপকে কৰো।

ঃ নাই নালাগে আজি—কেইদিনমান পাছত আহি একেলগে ভাত এসাজকে খাম, বোধনকাকো মাতিব লাগিব—বুলি কৈ হৰিচৰণ আৰু শিৱনাথ লৰা-ঢপৰাকৈ গ'ল। সিহঁত দুটাক মেচৰ গেটলৈ প্ৰসেনে আগবঢ়াই থ'লে। এনেতে অদ্ভুত শব্দ কৰি এখন পুৰণা অট' গেটৰ মুখত প্ৰসেনৰ একেবাৰে ওচৰত ৰ'ল। প্ৰসেনক আচৰিত কৰি দেৱনাথ আৰু এজন অলপ বয়সস্থ মানুহ অট'খনৰ পৰা নামিল।

ঃ দেৱনাথ তই, হঠাৎ এনেকৈ—এখেত কোন—প্ৰসেনে আচৰিত হৈ ক'লে।

ঃ এখেত অবন্তিকাৰ দেউতাক। সুমন্ত হাজৰিকা। তোক অভিনন্দন জনাবলৈ আহিছে—দেৱনাথে ক'লে?

ঃ নমস্কাৰ—মোৰ নাম প্ৰসেন, এই মেচতে থাকো—আহক বহক হি বুলি প্ৰসেনে সুমন্ত হাজৰিকা আৰু দেৱনাথক ভিতৰলৈ মাতি নি তাৰ বিছনাতে বহিবলৈ ক'লে। তেওঁলোক বহিল।

ঃ তোমাৰ কথা মোক মাজনীয়ে কৈ থাকে। সুবিধা পাই তোমাক এবাৰ লগ পাই যাবলৈ আহিলো। অবন্তিকা মোৰ একমাত্ৰ সন্তান। অলপ চেণ্টিমেণ্টেল যদিও তাইৰ মনটো ভাল। লেখা-মেলাও কৰে।

ঃ মই জানো—মাজতে কেইটামান গল্প মই চকু ফুৰাইও দিছো বুলি কৈ প্ৰসেনে ষ্টোভটো জ্বলাই চাহ তিনিকাপ কৰিলে। তিনিও মিলি চাহ খালে।

ঃ চাও—প্ৰসেন অলপ শুনচোন, বুলি দেৱনাথে প্ৰসেনক ৰুমৰ পৰা বাৰান্দালৈ মাতি আনিলে।

ঃ অবন্তিকাৰ দেউতাক—অৰ্থাৎ সুমন্ত হাজৰিকাই তোক এডমিচনৰ বাবে অলপ আৰ্থিক সহায় কৰিব বিচাৰিছে—কথাটো নিজে তোক ক'বলৈ বেয়া পাইছে মোকেই ক'বলৈ কৈছে—দেৱনাথে ক'লে।

ঃ নাই, নালাগে, মোৰ পইচা যোগাৰ হৈছে এডমিচনৰ বাবে। তেখেতে মোৰ প্ৰতি দেখুওৱা মৰমৰ বাবে ধন্যবাদ দিছো, তেখেতক জনাবি।

ঃ তই কিন্তু মোক ভুল নুবুজিবি। কথাটো অবন্তিকায়ো নাজানে বোধহয়—খোলা মনৰ ছোৱালী মোক ক'লেহেঁতেন কিবা জানিলে।

দেৱনাথে প্ৰসেন বাৰন্দাত থকা সময়তে সুমন্ত হাজৰিকাক কথাখিনি কাণে কাণে ক'লে। সুমন্ত হাজৰিকাই কোনো প্ৰতিক্ৰিয়া ব্যক্ত নকৰিলে। অলপ পিছত দেৱনাথ আৰু সুমন্ত হাজৰিকা ৰুমৰ পৰা আহি ৰখাই থোৱা অট'খনত উঠিল। আমাৰ তালৈ এদিন দেৱনাথৰ লগত যাবা বুলি প্ৰসেনক তেওঁলোকৰ ঘৰলৈ নিমন্ত্ৰণ কৰি সুমন্ত হাজৰিকা দেৱনাথৰ লগত গ'ল। প্ৰসেনে সুমন্ত হাজৰিকাই দেৱনাথৰ জৰিয়তে দিয়া প্ৰস্তাৱটোৰ বিষয়ে চিন্তা কৰি কোনো মতামতত উপনীত হ'ব নোৱাৰিলে।

১০ ছেপ্টেম্বৰ। আজি প্ৰসেনহঁতৰ এম.এ.ৰ এডমিচন। প্ৰসেনে পুৱাই বিছনাৰ পৰা উঠি গা-পা ধুই ইউনিভাৰচিটিলৈ যাবলৈ সাজু হৈ ফাইল এটাত লাগতিয়াল কাগজপত্ৰবোৰ ঠিকঠাক কৰিলে। ৯ মান বজাৰ ইউনিভাৰচিটিৰ বাছখনত যাবলৈ প্ৰসেনে চেনীকুঠিৰ পৰা লতাশিললৈ খোজকাঢ়ি গ'ল। কিছু সময় অপেক্ষা কৰাৰ পাছত বাছখন আহিল। বাছখনত উঠি আগৰ চিট এটাত বহি ল'লে প্ৰসেনে। শান্তিপুৰ ষ্টপেজত দেৱনাথো বাছখনত উঠিল। সিও ফিল'ছফিত এম.এ. পঢ়িব। তাৰো আজি এডমিচনৰ দিন। দেৱনাথে গৈ প্ৰসেনৰ কাষৰ চিত এটাতে বহিল। ৯-৩০ বজাত বাছখন ইউনিভাৰচিটি মাৰ্কেট পোৱাত প্ৰসেন তাত নামিল। 'তই যা দেৱনাথ ষ্টুডেণ্টচ্ দে হোমত থাকিবি। মই দহ নং হোষ্টেলত অলপ সোমাই যাওঁ'—বুলি প্ৰসেনে দহ নং হোষ্টেললৈ গ'ল। প্ৰসন্ন নাৰায়ণ চৌধুৰীৰ বাৰ নম্বৰ ৰুমত সোমাই তেওঁৰ লগত প্ৰয়োজনীয় কথা কিছু পাতিলে প্ৰসেনে।

ঃ আচলতে চৌধুৰীদা, পঢ়িবলৈ মোৰ মানসিক প্ৰস্তুতি নোহোৱা হৈ পৰিছে। ঘৰৰ অৱস্থাৰ চূড়ান্ত অৱনতি ঘটিছে। এডমিচনটো ল'ব হে পাৰিম আপোনালোকৰ সহায়ত—সঁচা কথা ক'বলৈ গ'লে মোক এই মুহূৰ্তত চাকৰি এটাৰ হে অতি প্ৰয়োজন—বৰ বেজাৰ আৰু আবেগ বিহ্বল হৈ কথাখিনি ক'লে প্ৰসেনে।

ঃ তুমি চিন্তা নকৰিবা প্ৰসেন—আজি এডমিচনটো হৈ যাওক—আমি ইতিমধ্যে আমাৰ বন্ধু এজনৰ লগত তোমাৰ চাকৰি এটাৰ বাবে কথা পাতিছো। কোম্পানী এটাৰ এক্সিকিউটিভ তেওঁ। এমাহমানৰ ভিতৰত কিবা এটা কৰি দিয়াৰ বাবে কথা দিছে। তুমি হতাশ নহ'বাচোন। বি.এ. অনাৰ্চত ফাৰ্ষ্টক্লাছ ফাৰ্ষ্ট হোৱা ছাত্ৰ জনে এডমিচন নল'লে মানুহে কি ক'ব—পইচা-পাতিৰ অসুবিধাটো থাকেই সকলোৰে। ব'লা ব'লা সময় হৈছে। দহ বাজিবলৈ কেইমিনিটমানহে আছে। ১০-৩০ বজাত এডমিচন আৰম্ভ হ'বই বুলি প্ৰসেনক লৈ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তথা সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকে প্ৰসন্ন নাৰায়ণ চৌধুৰী হোষ্টেলৰ পৰা স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ গ'ল।

যথা সময়ত এডমিচন আৰম্ভ হ'ল। প্ৰসেনক দুই-চাৰিজন প্ৰফেচাৰে আগৰে পৰাই চিনি পায়। দুই-এজন বন্ধু বান্ধৱে প্ৰসেনক অভিনন্দনো জনালে। প্ৰসেনক আচৰিত কৰি কনগ্ৰিউচুলেচন প্ৰসেনদা কনগ্ৰিউচুলেচন বুলি প্ৰসেনৰ সমুখত থিয় হৈ প্ৰসেনক কনগ্ৰিউচুলেচন জনালে অবন্তিকাই। 'ধন্যবাদ' বুলি কৈ প্ৰসেন নিজ চকীখনতে বহি থাকিল। কিছু সময় পিছত প্ৰসেনৰ এডমিচন আৰম্ভ হ'ল। অধ্যাপক প্ৰশান্ত হাজৰিকাই প্ৰসেনৰ মাৰ্কচিট, চাৰ্টিফিকেট আদি চালে। প্ৰশান্ত হাজৰিকাক প্ৰসেনে ভালকৈ চিনি পায়। ফিল'ছফি বিভাগত নতুনকৈ অধ্যাপক হিচাপে জইন কৰিছে। হাজৰিকাইও প্ৰসেনক এজন ছাত্ৰ নেতা হিচাপে জানে—লগো পাইছে। এডমিচন শেষ হোৱাৰ পাছত প্ৰসেন স্নাতোকত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত সোমাল। তাত দিলীপ দাস, থানেশ্বৰ দাস, গোলাম মোৰতাদা আহমেদ (মিচবা) প্ৰমুখ্যে আছুৰ নেতা কেইজনমান আগৰে পৰাই বহি আছিল। সকলোৱে প্ৰসেনক অভিনন্দন জনালে। দিলীপ দাসেও অসমীয়া বিভাগত এম.এ.ত এডমিচন ল'লে। পি.এন.চি. (প্ৰসন্ন নাৰায়ণ চৌধুৰীক সকলোৱে পি.এন.চি বুলিয়েই জানে)। চাহ চিঙৰাৰ অৰ্ডাৰ দিছিলেই। সকলোৱে মিলি চাহ খালে। চাহ খোৱাৰ মাজতে সিহঁতে নানা কথা পাতিলে। নানা বিষয়ৰ ওপৰত নিজ নিজ মন্তব্য দি গোটেই ৰুমটো সৰস আৰু প্ৰাণৱন্ত কৰি তুলিলে।

(চৈধ্য)

'মানুহৰ গোটেই জীৱন সামৰি লয় তিনিটা কথাই। সেইকেইটা হ'ল—ইচ্ছা, পৰিশ্ৰম আৰু কৃতকাৰ্যতা। ইচ্ছাই এটা উজ্জ্বল আৰু সুখী কেৰিয়াৰৰ দুৱাৰ মুকলি কৰি দিয়ে; পৰিশ্ৰমে দুৱাৰদলি পাৰ হৈ আগবাঢ়ি যায়; যাত্ৰাৰ শেষত আছে কৃতকাৰ্যতা—যি আমাৰ জীৱনৰ সমস্ত সাধনাৰ শিৰত কিৰীতি পিন্ধাই দি তাক পুৰস্কৃত কৰে।' —লুই পেষ্টিউৰ

চৰম আৰ্থিক অনাটন আৰু ঘৰখনৰ দেউলীয়া অবস্থা সত্ত্বেও প্ৰবল ইচ্ছা শক্তি আৰু একান্ত সাধনাৰে জীৱন যুঁজত কৃতকাৰ্য হোৱাৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ প্ৰসেনজিতক লুই পেষ্টিউৰৰ ওপৰৰ কথাখিনিয়ে গভীৰভাৱে উৎসাহিত কৰিলে। তেওঁ কৃতকাৰ্যতাৰ বাবে এতিয়াৰ পৰা আৰু অধিক পৰিশ্ৰম কৰিব। গভীৰ

অধ্যৱসায়ত তেওঁ একান্ত মনে নিবিষ্ট হ'ব। বিগত দিনবোৰত আৰ্থিক অনাটনক হেলাৰঙে জয় কৰি অহাৰ দৰে এতিয়াও তেওঁ এনে অনাটক বন্ধু হিচাপে গণ্য কৰি এম.এ.ত যাতে আশাকৰা ৰিজাল্ট কৰিব পাৰে—দেশৰ আৰু দহৰ যাতে সামান্যতম হ'লেও উপকাৰ কৰিব পাৰে, দুৰ্যোগৰ অমানিশাই বেৰি ধৰা অসমখনৰ পৰা অমানিশাৰ এন্ধাৰ অলপ হ'লেও আঁতৰাই অসমীয়া মানুহখিনিক পোহৰৰ লেখ অকণ দিব পাৰে তাৰ বাবে সি—কঠোৰ পৰিশ্ৰম কৰিব, কৰিব কঠোৰ সাধনা। মেচৰ বিছনাখনত নিবিড় মনে শুই শুই অন্তহীন ভাৱনাৰ পালতৰী নাও এখনত উঠি অপাৰ সাগৰত নাওখন এৰি দি প্ৰসেনে এনেবোৰ কথাৰে মনটো ভৰাই তুলিছে। এনেকৈ নিজকে অপাৰ সাগৰৰ যাত্ৰী কৰি দি অন্তহীন যাত্ৰাত কেতিয়া তাৰ টোপনি গ'ল সি ক'বই নোৱাৰিলে। পুৱতি নিশাহে সাৰ পালে সি। এম.এ.ৰ এডমিচন হৈ গ'ল। ইতিমধ্যে কিছুদিনৰ বাবে পিএনচিইঁতে তাৰ বাবে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী এজনৰ সৰু কম ঠিক ঠাক কৰিছে। প্ৰসেনে বিছনাতে বহি 'অসমৰ সাম্প্ৰতিক সংকট' নামৰ নিবন্ধ এটা লিখিলে। 'কটনিয়ান'ৰ সম্পাদকজনে নিবন্ধ এটা বিচাৰি কেবাদিনো তাক অনুৰোধ কৰি আছে। আজি সি নিবন্ধটো দিয়াৰ কথা। তদুপৰি আজি ১৭ ছেপ্টেম্বৰ। কটন কলেজৰ কাষতে থকা নামনি অসম আয়ুক্তৰ কাৰ্যালয়ত 'গাগেলি'ৰ কেচটোৰ শুনানি আছে। লেখা-মেলা ৯ মান বজাতে সামৰি প্ৰসেনে খুব তাৰাতাৰিকৈ ভাত কেইটামান ৰান্ধিলে। গা-পা ধুই ভাত কেইটামান খাই প্ৰসেন 'কটনিয়ান'ৰ বাবে লিখা নিবন্ধটো খাম এটাত ভৰাই আৰু গাঁৱৰ ৰাইজে গাগেলি সম্পৰ্কে দিয়া কাগজপত্ৰখিনি ফাইল এটাত লৈ প্ৰসেন কটন কলেজলৈ গ'ল।

ঃ সেইটো অনল নেকি হে—অনল, হেৰা অনল—বুলি প্ৰসেনে পিছফালৰ পৰাই কটন কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক অনল বৰুৱাক দেখি মাতিলে।

ঃ অ' প্ৰসেনদা, আপুনি। অনলে প্ৰসেনৰ ওচৰলৈ আহি মাত লগালে।

ঃ শুনাচোন, কটনিয়ানৰ এডিটৰজনে নিবন্ধ এটা বিচাৰিছিল মোৰ পৰা। মই বৰ ব্যস্ত এতিয়া, তেওঁক বিচাৰি ফুৰাৰ সময় নাই। তুমি এইটো তেওঁক দিবা—বুলি কৈ প্ৰসেনে নিবন্ধটো অনলৰ হাতত দিলে।

ঃ হ'ব প্ৰসেনদা, মই অলপ পিছতে এডিটৰজনক দিম।

ঃ হ'ব দিয়া, তুমি যোৱা, মইও যাও—বুলি প্ৰসেনে নামনি অসমৰ আয়ুক্তৰ অফিচলৈ গ'ল। ইফালে-সিফালে চাই উকীল নাৰায়ণ গোস্বামীক নেদেখি সি বিমোৰত পৰিল। গাঁৱৰ পৰাও কোনো অহা তাৰ চকুত পৰা নাই। ইফালে-সিফালে চাই থাকোতে আয়ুক্তজন এখন ৰঙা লাইট লগোৱা গাড়ীত পুলিচ এচকৰ্টসহ আহি নিজ অফিচত সোমাল। কি কৰিব, কি নকৰিব ভাবি প্ৰসেনে অফিচত সোমাই অফিচৰে কেৰাণী এজনক গাগেলিৰ কেচটোৰ বিষয়ে সুধিলে। কেৰানিজনে 'আপুনি

সৌ কমটোত থকা অফিচাৰজনক সোধক তেওঁহে জানিব', বুলি প্ৰসেনক অফিচাৰজনৰ কমটোৰ কাষতে বহি থকা পিয়নজনক দেখুৱাই দিবলৈ ক'লে। পিয়নজনে প্ৰসেনক অফিচাৰজনৰ কমটোৰ সমুখতে থৈ গ'ল।

ঃ ভিতৰত সোমাব পাৰো নে প্ৰসেনে ক'লে—কিন্তু অফিচাৰজনৰ পৰা কোনো উত্তৰ নহাত প্ৰসেন কিছুসময় ৰ'ল। প্ৰায় আধা ঘণ্টামান অপেক্ষা কৰাৰ পাছত প্ৰসেনৰ খং উঠিল আৰু অফিচাৰজনৰ কমত অনুমতি নোলোৱাকৈয়ে সোমাই গ'ল।

ঃ কি লাগে?

ঃ আপোনাক লাগে?

ঃ কিয়—কিবা কাম আছে নেকি?

ঃ হয়, আজি আমাৰ গাগেলিৰ ৩২০।১৮।১৯৭৩ নং কেচটোৰ শুনানি হোৱাৰ কথা আছিল। শুনানি হ'বনে নহয়, যদি হয়—কেতিয়া হ'ব—তাকেই জানিব খুজিছো।

ঃ মই কেনেকৈ জানিম—সেইটো আয়ুক্তই হে জানিব।

ঃ কিয় আপুনি জানে—ক'ব খোজা নাই বুলি প্ৰসেনে খঙতে জ্বলিপকি অফিচাৰজনক গালি-গালাজ কৰিবলৈ ধৰিলে। অফিচত তৎক্ষণাৎ হুলস্থূল লাগিল। কেবাজনো কেৰাণী-মহৰি নিজ নিজ ঠাইৰ পৰা দৌৰি অহাৰ দৰে তালৈ আহিল। আয়ুক্তজনো উঠি আহি প্ৰসেনক দেখি 'তুমি, চাও আহা মোৰ কমলৈ আহা'—বুলি প্ৰসেনক তেওঁৰ কমলৈ মাতি লৈ গ'ল। তাত উপস্থিত থকা সকলোৱে বুজিব পাৰিলে যে ল'ৰাজনক আয়ুক্ত ছাৰে চিনি পায়। সকলোবে নিজ নিজ চকীলৈ গৈ বহাত পৰিস্থিতিটোৰ শাম কাটিল।

ঃ তুমি কিয় আহিছিলা—কি হৈছে—বুলি আয়ুক্ত মোহন বৰুৱাই প্ৰসেনক সোধাত প্ৰসেনে সকলো কথা ক'লে।

ঃ অ' আজি কেচটো আছে—তিনি বজাত শুনানি হ'ব। কেচটো মই পঢ়ি চাইছো—তলৰ পৰা দিয়া সকলো ৰিপোৰ্ট আৰু অৰ্ডাৰতো ৰাইজৰ সপক্ষেই আছে। তোমালোকৰ উকীলক লগ ধৰি তিনি বজাত ইয়াত উপস্থি হ'বলৈ ক'বা।

ঃ হ'ব ছাৰ, বুলি প্ৰসেনে আয়ুক্তৰ কমৰ পৰা ওলাই আহিল। আহিয়েই বাৰাণ্ডাত থিয় হৈ থকা দেখিলে সিহঁতৰ গাঁও উন্নয়ন সমিতিৰ সম্পাদক মহানন্দক। প্ৰসেনে মহানন্দৰ ওচৰলৈ আহি 'ব'লা অলপ কথা পাতো' বুলি কৈ মহানন্দক আয়ুক্তৰ অফিচৰ বাহিৰলৈ লৈ আহিল। অলপ আগতে অফিচত ঘটা ঘটনাৰ কথা তাক ক'লে প্ৰসেনে। এনেতে প্ৰসেনক চিনি পোৱ কেৰাণী এজন তাৰ ওচৰলৈ আহি বনজিত নাথ নামৰ সেই অফিচাৰজনৰ বিষয়ে প্ৰসেনক ক'লে।

ঃ বৰ কৰাপ্টেটেড বেটা, ভাল শিক্ষা দিলা তুমি, বিনা পইচাই মানুহৰ লগত

কথাই নাপাতে। অফিচৰ কেৰাণী-মহৰী সকলোকে অভদ্ৰ ব্যবহাৰ কৰে। সকলোৱে আজি বেচ ভাল পাইছে" —বুলি প্ৰসেনক শলাগিলে। প্ৰসেন আৰু মহানন্দই চাহ একোকাপ খাই পুনৰ আয়ুক্তৰ অফিচলৈ আহিল। তেতিয়া তিনি বজিবলৈ পোন্ধৰ মিনিটমান আছে। এনেতে তেওঁলোকৰ উকীল নাৰায়ণ গোস্বামী আহি আয়ুক্তৰ অফিচ পালে। প্ৰসেনক দেখি 'অ' তুমি আহিছা'—গাঁৱৰ পৰা কোনোবা আহিছে নে নাই'—বুলি সোধাত এওঁ আহিছে বুলি মহানন্দক দেখুৱাই দিলে। উকীল গোস্বামী আয়ুক্তৰ ৰুমত সোমাল। দুন্দুভিহঁতকো আয়ুক্তৰ অফিচত দেখিলে প্ৰসেনহঁতে। প্ৰসেনহঁত বাৰাণ্ডাত বহি থাকোতে এজন পিয়নে আহি সিহঁতক অফিচৰ ভিতৰলৈ নি কেৰাণী এজনৰ সমুখত থকা চকী দুখনত বহিবলৈ দিলে। প্ৰায় এঘণ্টা পিছত শুনানি শেষ হ'ল। উকীল নাৰায়ণ গোস্বামীৰ লগত প্ৰসেন আৰু মহানন্দ অফিচৰ বাহিৰলৈ আহিল।

ঃ বুজিছা প্ৰসেন—আয়ুক্ত ছাৰে যিধৰণে কথাবোৰ ক'লে—সিহঁতৰ উকীলক যিধৰণে প্ৰশ্নাদি কৰি জেৰা কৰিলে—আমি খাটাং হ'ব পাৰো যে আমি কেচত জিকিম মানে জিকিলায়েই বুলি ধৰা। এসপ্তাহ পিছত হুকুমটো দিব'—যুদ্ধ জিনি অহা বীৰৰ দৰে কথাখিনি ক'লে উকীল গোস্বামীয়ে। প্ৰসেন আৰু মহানন্দই বৰ স্ফূৰ্তি পালে।

ঃ তাৰ পাছত মহানন্দই গাঁৱৰ সমিতিৰ পৰা অনা টকা এহেজাৰ উকীল গোস্বামীক দিলে। গোস্বামীয়ে টকাখিনি হাতৰ টিপতে গণি চাই পকেটত সোমাই থ'লে।

ঃ বুজিছা প্ৰসেন—তোমাৰ ওপৰত আমাৰ গাঁৱৰ মানুহখিনিয়ে গাগেলিৰ কথাটোৰ লগতে গাঁৱৰ সকলো কথাত বৰ ভৰসা কৰি আছে। বুঢ়া মানুহখিনিতো তোমাৰ নামত এক প্ৰকাৰ পাগল, গতিকে তুমি কেচটোৰ ওপৰত গুৰুত্ব দিব। গাঁওখনৰ মান সন্মান জড়িত হৈ আছে এই কেচটোৰ লগত । মই ঘৰলৈ যাওঁ। প্ৰয়োজন হ'লেই খবৰ দিবা, আমি লগে লগে আহি যাম—বুলি কৈ মহানন্দ গুৱাহাটী ৰেল ষ্টেচনৰ পিনে গ'ল আৰু প্ৰসেন তাৰ মেচলৈ বুলি ডিচি অফিচৰ বাছষ্টপেজত চিটি বাছত উঠিল।

প্ৰসেনৰ বাবে পিএনচিহঁতে ইউনিভাৰচিটি কেম্পাচত ঠিক কৰা ভাড়া ৰুমটোলৈ ১৯ ছেপ্টেম্বৰ তাৰিখে প্ৰসেন গ'ল। তাৰ মেচত থকা ষ্টোভ, দেক্সি, লেম্প আন আন বাচন বৰ্ত্তন সকলো নি নতুন ভাড়া ৰুমটোত মজুত কৰিলে। কামবোৰ কৰোতে হৰিচৰণেও আহি সহায় কৰি দিলে। যোৱাৰ আগদিনা সন্ধিয়া প্ৰসেনে পুলিচ হাস্পতাললৈ গৈ বলীন কম্পাউণ্ডাৰ, খুড়ীয়েক সৰলা, বোধন বকুলী আদিক মাত লগাই গ'ল। ইউনিভাৰচিটিত প্ৰসেনে অন্য এক নতুন জীৱনৰ পাতনি মেলিলে। যদিও এম.এ.ত এডমিচন লৈ নিজকে এক বহল ভৱিষ্যতৰ বাবে প্ৰস্তুত

কৰিবলৈ মন মেলিছে, তাৰ কিন্তু ঘৰখনৰ আৰ্থিক অনাটনৰ জোৰা মাৰিবলৈ সৰু হ'লেও চাকৰি এটা কৰাৰ হে মন। তথাপি লক্ষ্য স্থিৰ কৰি লৈ সকলো প্ৰতিকূলতাক জয় কৰাৰ বাবে সি মনত বল বান্ধিলে যদিও এটা অনিশ্চয়তাই তাক প্ৰায়ে বিব্ৰত কৰি তোলে। এনে অনিশ্চয়তা আৰু নিৰাপত্তাহীনতাই তাক বিব্ৰত কৰিলেই সি জন এলেন পলোজৰ আপ্তবাক্য এষাৰি মনত পেলাই শক্তি আৰু সাহস সঞ্চয় কৰে। জন এলেন পলোজে কৈছিল—"Uncertainity is the only certainity there is, and knowing how to live with insecurity is the only Security." (অৰ্থাৎ অনিশ্চয়তাই হৈছে নিশ্চয়তাৰ মূল চালিকা শক্তি আৰু নিৰাপত্তাহীনতাৰ সৈতে জীয়াই থাকিবলৈ জনাটোৱেই প্ৰকৃত নিৰাপত্তা)। এনেবোৰ নানা ভাব-চিন্তাই মনটোত দোলনা দি থাকোতেই প্ৰসেনৰ কমলৈ সোমাই আহিল পিএনচি, শৈলেন দাস, কৃষ্ণগোপাল ভট্টাচাৰ্য আদি জেষ্ঠ সহকৰ্মীসকল।

ঃ কমটো এজন ল'বাৰ কাৰণে বেচ আহল বহলেই হৈছে। অকলে অকলে পঢ়ি থাকিবলৈও সুবিধাই হ'ব—পিএনচিয়ে মন্তব্য কৰিলে। পিএনচিৰ মন্তব্যত আন কেইজনেও সহমত প্ৰকাশ কৰিলো। প্ৰসেনে তেওঁলোকক বিছনা আৰু কমটোত থকা চকীখনত বহিবলৈ দি ষ্টোভটোত চাহ অলপ তুলি দিলে। চাহ হোৱাত আটাইকেইজনে প্ৰসেনে কৰা চাহ একো গিলাচ তৃপ্তিৰে খালে।

ঃ আপোনাৰ কিতাপৰ ষ্টক যথেষ্ট আছে। ইমানবোৰ কিতাপ কেতিয়া কিনিলেহে—ভট্টাচাৰ্যই কিতাপবোৰ চাই সুধিলে।

ঃ বেছি ভাগ কিতাপ মোৰ বন্ধু কিছুমানে প্ৰেজেন্ট দিয়া—কিছু ময়ো নিজে কিনিছো—প্ৰসেনে ক'লে।

ঃ লেখা-মেলা কৰা মানুহটো—কিতাপৰ ষ্টক লাগিবই'—শৈলেন দাসে মন্তব্য কৰিলে।

ঃ বলক ভট্ট, বল শৈলেন যাও ব'ল—পিছে এটা কথা নহয় প্ৰসেন আছুৰ এখন কাৰ্যনিৰ্বাহক সভা বহিব ২৫ ছেপ্টেম্বৰ তাৰিখে। সভাত আছুৰ পৰৱৰ্ত্তী অধিবেশন আনুষ্ঠিত কৰা সম্পৰ্কে আলোচনা কৰা হ'ব। তুমি কিন্তু সভাখনত থাকিব লাগিব। ডায়েৰীত লিখি থ'বা—পিএনচিয়ে ক'লে প্ৰসেনক।

ঃ হ'ব, হ'ব নিশ্চয় থাকিম—প্ৰসেনে ক'লে।

পিএনচি, ভট্টাচাৰ্য, শৈলেন দাস—এওঁলোক বাতি আঠমান বজাত প্ৰসেনৰ কমৰ পৰা গ'ল।

ঃ কলিতা, অ' কলিতা, বুলি ভাড়া কমটোৰ মালিক দয়াল মজুমদাৰ প্ৰসেনৰ কমলৈ সোমাই আহিল। দয়াল মজুমদাৰে 'আজি আপুনি ভাত ৰান্ধিব নালাগে',

আমাৰ ঘৰতে ৰান্ধিছে আপোনাৰ ভাতও। অলপ পিছত একেলগে খাম'—বুলি প্ৰসেনক দয়াল মজুমদাৰে ভাত নাৰান্ধিবলৈ কৈ তাৰ বিছনাতে বহি ইটো-সিটো কথা আলোচনা কৰিলে। দয়াল মজুমদাৰ ইউনিভাৰচিটিৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সন্থাৰ সম্পাদক। ইউনিভাৰচিটি সম্পৰ্কে ভালেমান কথা তেওঁ প্ৰসেনক ক'লে।

ঃ শুনিছেনে—ভাত বাঢ়িছো আহক"—বুলি মজুমদাৰৰ ঘৈণীয়েকে মজুমদাৰ আৰু প্ৰসেনক ভাত খাবলৈ তেওঁলোকৰ ৰুমলৈ মাতিলে। তেওঁলোকৰো দুটাই ৰুম—প্ৰসেনৰটোক ধৰি ঘৰটোৰ মুঠ ৰুম তিনিটাই। প্ৰসেনে মজুমদাৰহঁতৰ পাকঘৰলৈ গ'ল। তাতেই পীৰাত বহি দুয়ো ভাত খালে। ভাত খাই উঠি প্ৰসেনে নিজৰ ৰুমলৈ আহিল। তেতিয়া ৰাতি প্ৰায় দহটামান বাজিছিল। সি দিনৰ দিনটো ইটো-সিটো কামত ব্যস্ত থাকি ভাগৰি পৰাৰ কাৰণে বিছনাখন ঠিক কৰি শুই পৰিল।

আজি ২০ ছেপ্টেম্বৰ। প্ৰসেনৰ এম.এ. মহলাৰ প্ৰথম ক্লাছ, প্ৰথম দিন। ন-বজাতেই নিত্যকৰ্মবোৰ সমাপন কৰি ষ্টোভত বনোৱা ভাত কেইটামান খাই প্ৰসেন আৰ্টচ্ বিল্ডিঙলৈ গ'ল। আৰ্টচ্ বিল্ডিঙৰ ৬ নং কোঠাত সিহঁতৰ ফিল'চফী বিভাগৰ ক্লাছ হ'ব। সময় থকা বাবে প্ৰসেনে এনেয়ে এবাৰ কেণ্টিনৰ পিনে গ'ল। প্ৰসেনক ইউনিভাৰচিটিৰ কেণ্টিনকে ধৰি তাত কাম কৰা বহুলোকে চিনি পায়। কেণ্টিনৰ শৰ্মা, পান দোকানী বৈশ্য দাস আদিয়ে মাত লগাই শুভেচ্ছা জনালে। দহ বজাৰ অলপ আগতে প্ৰসেন গৈ ক্লাছৰুমত বহিল। অধ্যাপক এজন ঠিক দহ বজাতে ক্লাছত সোমাই ৰোল ক'ল কৰি who is Prasenjit Kalita বুলি ইংৰাজীতে সোধাত থিয় হৈ প্ৰসেনে 'I am Prasenjit', Sir, 'বুলি ক'লে প্ৰসেনে'। 'Congratulation to you for having secured first class first position in Philosophy Honours in B.A.' বুলি কৈ প্ৰসেনক বহিবলৈ ক'লে। অধ্যাপকজনে ফিল'চফীৰ কোৰ্চৰ বিষয়ে থূল-মূল ধাৰণা এটা দিলে আৰু ফিল'চফী সম্পৰ্কে এটা চমু বক্তব্য আগবঢ়ালে। লগতে সকলো ছাত্ৰ-ছাত্ৰীকে মনোযোগ দি পঢ়িবলৈ আহ্বান জনালে। এনেকে আৰু দুটা ক্লাছ হ'ল। ক্লাছ কেইটা শেষ কৰি প্ৰসেন এবাৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ গ'ল। তাত গৈ দিলীপ দাসক লগ পালে।

ঃ কলিতা, অ' কলিতা—আপুনি এওঁলোকক চিনি পাইছেনে? —দিলীপ দাসে সুধিলে?

ঃ নাই পোৱা!

ঃ অ', এখেত বৃন্দাবন গোস্বামী, তেজপুৰত ঘৰ, এখেত প্ৰণৱ বৰা তেখেতৰো ঘৰ তেজপুৰত, এখেত হৰ্ষ দাস, বৰপেটাত ঘৰ, এখেত উমেশ ডেকা, জালুকবাৰীৰ কাষতে থকা গাড়ী গাঁৱত ঘৰ বুলি দাসে তাত থকা আটাইকেইজনক প্ৰসেনক চিনাকি কৰি দিলে। প্ৰসেনেও নিজৰ চিনাকি নিজে দিলে।

ঃ আমি আগৰ পৰাই আপোনাক জানো, দেখিছোঁও এই অফিচতে—বুলি গোস্বামী আৰু বৰাই ক'লে। ইতিমধ্যে কেন্টিনৰ পৰা চাহ-চিঙৰা আনি সকলোৱে মিলি চাহ খাই ৰাজ্যখনত মাধ্যম আন্দোলনৰ পিছত উদ্ভৱ হোৱা কিছুমান সমস্যাৰ কথা পাতিলে।

ঃ অহা ২৫ ছেপ্টেম্বৰ তাৰিখেটো আছুৰ কাৰ্যনিৰ্বাহক আছে। আপুনি আহিব কলিতা। পৰৱৰ্তী অধিবেশনখন ক'ত, কেনেকৈ অনুষ্ঠিত কৰা হয় সেই বিষয়ে আলোচনা কৰা হ'ব—দাসে ক'লে।

ঃ মোক ইতিমধ্যে পি.এন.চিয়ে কৈছেই। হ'ব, থাকিম বাৰু সভাখনত বুলি কৈ প্ৰসেন তাৰ ৰুমলৈ গ'ল।

চতুৰ্থ শ্ৰেণীৰ কোৱাৰ্টাৰটোৰ ভাৰাতীয়া ৰুমত থাকি প্ৰসেনে তাৰ ইউনিভাৰচিটি লাইফ আৰম্ভ কৰিলে। ক্লাছবোৰ ৰেগুলাৰলি কৰি থাকিল। মাজে মাজে ঘৰৰ দাৰিদ্ৰ্যতাৰ কথাটোৱে তাক শংকিত আৰু ব্যথিত কৰি তোলে। যিকোনো চাকৰি এটা কৰি ঘৰখনক কিছু সকাহ দিয়াটো বৰ্তমান পৰিস্থিতিত তাৰ দায়িত্ব বুলি বিবেচনা কৰি গুৱাহাটীৰ অ'ত-ত'ত চাকৰি বিচাৰি ফুৰে মাজে মাজে।

ঃ প্ৰসেন, অ' প্ৰসেন—তই বোলে আমাৰ দয়াল মজুমদাৰৰ কোৱাৰ্টাৰত আছ? প্ৰসেনৰ এসময়ৰ কটন কলেজৰ সহপাঠী বন্ধু হেমন্ত বৰ্মনে ক্লাছ কৰিবলৈ আৰ্টচ বিল্ডিঙৰ পিনে গৈ থকা প্ৰসেনক সুধিলে?

ঃ হয়, পিছে তই ক'ত কি কৰিছ, বহুত দিন হ'ল, দেখাই নাই?

ঃ ময়ো ল'ত এডমিচন লৈছো। ইউনিভাৰচিটি ল' কলেজত ক্লাছ ৰাতি হয়। দিনত ইউনিভাৰচিটিতে সৰু চাকৰি এটা কৰো—হেমন্তই ক'লে।

ঃ অ' হয় নেকি—তই আহিবিচোন মোৰ ৰুমলৈ বহুত কথা আছে—প্ৰসেনে ক'লে।

ঃ মই তোৰ ওচৰতে আছো। মজুমদাৰৰ কোৱাৰ্টাৰৰ পৰা চাৰিটা কোৱাৰ্টাৰ এৰিলেই নাওধন কলিতাৰ কোৱাৰ্টাৰ। তেওঁৰ কোৱাৰ্টাৰৰে সৰু ৰুম এটা ভাড়া লৈ আছো। হ'ব—যা, আজি ক্লাছ হোৱাৰ পাছত ন-মান বজাত এবাৰ তোৰ ৰুমলৈ যাম'—বুলি কৈ হেমন্ত তাৰ কামত গ'ল। প্ৰসেনেও ক্লাছলৈ গ'ল।

ৰাতি ন-মান বজাত সঁচাই হেমন্ত প্ৰসেনৰ ৰুমলৈ আহিল। বহুত দিনৰ মূৰত লগ হৈ দুয়ো বন্ধুৱে নানাধৰণৰ কথা পাতি কিছু সময়ৰ বাবে হ'লেও দুখ-দৈন্যৰ পৰা নিজকে আঁতৰাই ৰাখিলে। কথা প্ৰসঙ্গত প্ৰসেনে তাৰো যে চাকৰি এটাৰ খুবেই প্ৰয়োজন হৈছে সেই কথা হেমন্তক ক'লে।

ঃ মোৰ বন্ধু এজন বিহাবাৰীত থকা ডাঙৰ কোম্পানী এটাত কাম কৰে। তাৰ লগত আলোচনা কৰি তোক তাত কিবা এটা ব্যৱস্থা কৰি দিব পাৰে নেকি তাক সুধিম বাৰু মই। কিন্তু তোৰ পি.জি.ৰ ক্লাছটো দিনতেই—কেনেকৈ ক্লাছ মিচ কৰি চাকৰি

কৰিবি? —হেমন্তই ক'লে।

ঃ ক্লাছ কৰাৰ কথাটো হ'ব—সেইটো কিবাকৈ মেনেজ কৰিম। —প্ৰসেনে ক'লে।

ঃ বাৰু, মই পৰহি তোক জনাম বুলি কৈ এতিয়া বহু ৰাতি হ'ল প্ৰায় এঘাৰটাই বাজিল, উঠো দে'— বুলি হেমন্ত প্ৰসেনৰ ৰুমৰ পৰা গ'ল। প্ৰসেনে হেমন্তক অলপ আগবঢ়াই থৈ ৰুমলৈ ঘূৰি আহি ভাত ৰান্ধিবলৈ আৰম্ভ কৰোতেই দয়াল মজুমদাৰৰ পত্নী দময়ন্তীয়ে প্ৰসেনক তেওঁলোকৰ পাকঘৰলৈ মাতিলে। প্ৰসেনে গৈ দেখিলে দয়াল মজুমদাৰে ভাত খাবলৈ বহি ৰৈ আছে—তেওঁৰ কাষতে ভাত এসাজ সাজি পীৰাৰে সৈতে থৈছে প্ৰসেনৰ বাবে।

ঃ বহক, বহক কলিতা, আপুনি বৰ্মনৰ লগত কথাপাতি থাকোতেই আমি আলোচনা কৰি আপোনাৰ ভাতো ৰান্ধি ৰেডি কৰি থৈছো। খাওক-খাওক'—বুলি কৈ দয়াল মজুমদাৰে ভাত খাবলৈ আৰম্ভ কৰিলে। প্ৰসেনেও কি ক'ব একো ভাবি নাপাই ভাত খোৱাত ব্যস্ত হৈ পৰিল। ভাত খাই থাকোতে প্ৰসেনৰ দয়াল মজুমদাৰ আৰু শ্ৰীমতী মজুমদাৰৰ প্ৰতি কৃতজ্ঞতা আৰু শ্ৰদ্ধাত মনটো ভৰি পৰিল। জীৱনত এৰি অহা দিনবোৰত বহু সৰু বৰ মানুহৰ মৰম ভালপোৱাই তাক আগবঢ়াই লৈ আনিছে। বোধন, বলীন কম্পাউণ্ডাৰ, সৰলা, হৰিচৰণ, শিৱনাথ, দয়ালকে আৰম্ভ কৰি অধ্যাপক বিমলানন্দ বৰ্মন, পিএনচিকে ধৰি বহু মানুহৰ সহায়-সহযোগিতা আৰু মৰম-ভালপোৱাই তাক জীৱনৰ আজিৰ এই স্তৰলৈ লৈ আনিছে। এইসকল লোকৰ এনে মৰম-ভালপোৱাৰ ঋণ সি কেতিয়াবা শুজিব পাৰিব নে?—এনে কিছুমান কথা ভাবি ভাবি প্ৰসেনে ভাত খোৱা শেষ কৰিলে। ভাত খাই উঠি দয়াল মজুমদাৰৰ লগত দুই-চাৰি আষাৰ কথা পাতি প্ৰসেনে তাৰ ৰুমলৈ আহি শুই থাকিল।

২৫ ছেপ্টেম্বৰ। পুৱা এঘাৰ বাজিবলৈ কেইমিনিটমান বাকী। স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত আছুৱৰ কাৰ্যানিৰ্বাহক সভা বহিল। পুলকেশ বৰুৱা, প্ৰসন্ন নাৰায়ণ চৌধুৰী, অতুল বৰা, অনিল শৰ্মা, দিলীপ দাস, গোলাম মোৰতাদা আহমেদ, হৰিপ্ৰসন্ন দাস, শিশিৰ ফুকন, থানেশ্বৰ দাস, কমল ভৰালী প্ৰমুখ্যে বিষয়ববীয়াসকল সভা থলীত উপস্থিত হ'ল। প্ৰসেনজিত কলিতাও গৈ থানেশ্বৰ দাসৰ কাষতে বহিল। বিশেষ ভাৱে নিমন্ত্ৰণ কৰিছে প্ৰসেনজিত মানে প্ৰসেনক। সভাত আছুৱ পৰৱৰ্তী অধিবেশন অনুষ্ঠিত কৰা সম্পৰ্কে আলোচনা হ'ল। বৰ্তমানৰ কাৰ্যানিৰ্বাহক কমিটীখনে এবছৰ পূৰ্ণ কৰিবলৈ কেইদিনমান হে বাকী। কিছুমানে নবেম্বৰত আৰু কিছুমানে অহা ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহতে অধিবেশনখন অনুষ্ঠিত কৰাৰ বাবে মতামত দিলে। শেষত ডিচেম্বৰ মাহৰ শেষ সপ্তাহত ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থা আৰু ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ যৌথ আমন্ত্ৰণত তিনিচুকীয়া কলেজত অধিবেশনখন

পতাৰ সিদ্ধান্ত লোৱা হ'ল।

সভাই শিক্ষাৰ মাধ্যম সম্পৰ্কীয় বিষয়টোও আলোচনা কৰি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সম্পৰ্কীয় চুক্তিখন ক্ষিপ্ৰভাৱে ৰূপায়ণ কৰাৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক এখন স্মাৰকপত্ৰ দিয়াৰ সিদ্ধান্তও গ্ৰহণ কৰিলে। আন এক আলোচনাত সভাই মাধ্যম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতি যুগমীয়া কৰিবলৈ শ্বহীদসকলৰ নামত শ্বহীদ বেদী স্থাপন কৰাৰ বাবে আগতে লোৱা সিদ্ধান্তবোৰ কাৰ্যকৰী কৰাত লেহেম হোৱাৰ বাবে দুই-এক সদস্যই প্ৰধান নেতাসকলক সমালোচনা কৰে আৰু উক্ত সিদ্ধান্তবোৰ কাৰ্যকৰী কৰাৰ বাবে তৎপৰতাৰে ব্যৱস্থা ল'বলৈ দাবী উত্থাপন কৰে। মিটিং শেষ হোৱাৰ পাছত প্ৰসেন পিজি ইউনিয়নৰ পৰা ওলাই আহোতে আৰ্টচ বিল্ডিঙৰ ওচৰতে হেমন্ত বৰ্মনে তাক লগ পালে।

ঃ প্ৰসেন, অ' প্ৰসেন তোক লগ পালো ভালেই হ'লদে। মই বন্ধুজনৰ লগত তোৰ চাকৰিটোৰ বিষয়ে কথা পাতিছো। সি তোক মাতিছে। কাইলৈ সন্ধিয়া তোক মই তাৰ ওচৰলৈ লৈ যাম। সিও আমাৰ ইয়াত ল' পঢ়ে। বাৰ নং হোষ্টেলত থাকে—হেমন্তই ক'লে?

ঃ অ' হয়নেকি হ'বদে,—বুলি কৈ প্ৰসেন যাব খোজাত হেমন্তই 'ব'ল কেণ্টিনত চাহ একোকাপকে খাও' বুলি দুয়ো কেণ্টিনলৈ গ'ল। চাহ খাই দুয়ো নিজ নিজ কামলৈ গ'ল। প্ৰসেনৰ সিদিনা ক্লাছ কৰা নহ'ল। ৰুমলৈ গৈ সি অলপ ফ্ৰেছ হৈ আহি গুৱাহাটীলৈ গ'ল। ১৭ ছেপ্টেম্বৰ তাৰিখে গাগেলিৰ কেচটোৰ শুনানি হৈ গৈছে সাতদিনমানৰ ভিতৰত আয়ুক্তই তেওঁৰ হুকুমটো দিয়াৰ কথা আছিল। তাৰেই খবৰটো লোৱাৰ বাবে প্ৰসেন তিনি বজাৰ ইউনিভাৰচিটি বাছখনত নামনি অসমৰ আয়ুক্তৰ অফিচলৈ গ'ল। অফিচ পাই ইপিনে-সিপিনে চালে। কোনো মানুহ সি অফিচত দেখা নাপালে। তেতিয়া সময় ৩-৪৫ টা হে বাজিছিল। পিয়ন এজন অলপ পিছতে আহিল। তাক বাৰাণ্ডাতে লগ পাই প্ৰসেনে অফিচৰ মানুহবোৰ কলৈ গ'ল জানিব বিচৰাত "ছাৰ নাথাকিলে মানুহবোৰ অফিচলৈ আহে যদিও সোনকালে গুচি যায়" বুলি ক'লে। নাথ ছাৰ আছে, কিবা আছে যদি তেওঁৰ লগত কথা পাতিব পাৰে' বুলি পিয়নজনে কোৱাত 'নাই নেলাগে' বুলি কৈ প্ৰসেনে তাৰ পৰা পানবজাৰলৈ আহিল।

পাণবজাৰৰ লয়াৰ্চ বুক ষ্টলত সোমাই দুখনমান কিতাপৰ খবৰ কৰিলে আৰু চেলফৰ কিতাপ কিছুমান এনেয়ে চালে।

ঃ প্ৰসেনদা—প্ৰসেনদা বুলি কোনোবাই মতাত ঘূৰি চাই প্ৰসেনে অৱন্তিকাক দেখি হতবাক হ'ল।

ঃ অৱন্তিকা, তুমি, একেবাৰে পাটৰ মেখেলা-চাদৰ, শিৰত সেন্দূৰ ঘটনা কি? —প্ৰসেনে আচৰিত হৈ সুধিলে।

ঃ অ' প্ৰসেনদা, ৰব ৰব, হেৰি শুনকচোন, এইপিনে আহক বুলি কোনোবা এজনক অবন্তিকাই মতাত আন এটা কিতাপৰ চেলফত কিতাপ কেইখনমান লিৰিকি-বিদাৰি থকা প্ৰসেনৰ সম বয়সৰে ল'ৰা এজন আহি প্ৰসেনৰ ওচৰত থিয় হ'ল। এখেত প্ৰসেন—প্ৰসেনজিত কলিতা। মই কটনত পঢ়োতে লগ পাইছিলো। বৰ বিখ্যাত মানুহ। ছাত্ৰ নেতা, সুলেখকো বুলি অবন্তিকাই প্ৰসেনক তেওঁৰ স্বামী অৰিন্দমৰ লগত চিনাকি কৰি দিলে।

ঃ নমস্কাৰ, মোৰ নাম অৰিন্দম। ঘৰ যোৰহাটতত যদিও চাকৰি সূত্ৰে ধুবুৰীতে থাকো। বান নিয়ন্ত্ৰণ বিভাগত এচিষ্টেণ্ট ইঞ্জিনীয়াৰ হিচাপে কাম কৰি আছো। বিশেষ এটা কামত গুৱাহাটীলৈ আহিছিলো।

ঃ বলক প্ৰসেনদা, আমি অশোকাতে অলপ বহি চাহ একোকাপকে খাও। নে কি কোৱা অৰিন্দম—অবন্তিকাই ক'লে।

ঃ ব'লা, ব'লা বুলি প্ৰসেন আৰু অৰিন্দমে অবন্তিকাৰ কথাত হয়ভৰ দি লয়াৰ্চৰ ওচৰতে থকা অশোকা ৰেষ্টুৰেণ্টত সোমাল।

ঃ অবন্তিকা, তোমালোক অলপ বহা, কথা পাতা, মই অলপ বাণী প্ৰকাশলৈ গৈ কিতাপ এখন বিচাৰি আহো, পাওঁৱেই কিজানি'—বুলি কৈ অৰিন্দমে বাণী প্ৰকাশলৈ গ'ল।

ঃ পিছে—তোমাৰ বিয়া হ'ল কেতিয়া, আমাক বিয়ালৈ নামাতিলাই দেখোন।

ঃ নাই, নাই, হঠাৎ হ'লটো বিয়াখন—কাকো খবৰেই দিব নোৱাৰিলো। তদুপৰি কাছাৰীত পতা বিয়া, কিনো মাতিম বন্ধু-বান্ধৱক—অবন্তিকাই বেজাৰেৰে ক'লে।

ঃ কি কোৱা, মই একো বুজা নাই। তোমাৰ কথাবোৰ সাঁথৰ সাঁথৰ যেন লাগিছে। ভালকৈ বুজাই কোৱাচোন?

আচলতে ঘনিষ্ঠভাৱে লগ পালেও—আপুনি মোৰ বিষয়ে বিশেষ একো কথা জনা নাছিল—তদুপৰি যিহেতু আপুনি মোক ভালভাৱে ল'ব নোৱাৰিলে—মোৰ বিষয়ে জানিবলৈ আপোনাৰ আগ্ৰহো ওপজা নাছিল। আচলতে মই বৰ দুৰ্ভগীয়া। পাঁচ বছৰ বয়সতে মোৰ মা ইহসংসাৰৰ পৰা বিদায় মাগিছিল। দেউতাই মোৰ অসুবিধা হ'ব বুলি ভাবি আৰু মাৰ প্ৰতি থকা অগাধ ভালপোৱাৰ বাবে বয়স থকা সত্ত্বেও দ্বিতীয় বিবাহ নকৰালে। দেউতাৰ আকুণ্ঠ মৰম আৰু মাৰ মৰম-চেনেহৰ অভাৱে মোক কিছু জেদী, খেয়ালী আৰু মৰম আকলুৱা কৰি তুলিছিল। পঢ়া-পাতি অৱশ্যে মই ভালকৈয়ে কৰিছিলো। ৰিজাল্টবোৰো একেবাৰে আশাকৰা মতে নহ'লেও বেয়াও হোৱা নাই। মেট্ৰিক পাছ কৰি আহি কটনত আপোনাক দেখি, আপোনাৰ গল্প, কবিতা পঢ়ি, বক্তৃতা শুনি মই আপোনাৰ ব্যক্তিত্বত বাৰুকৈয়ে আকৰ্ষণ অনুভৱ

কৰিছিলো। সেই আকৰ্ষণে যে প্ৰেমৰ অনন্য ৰূপ লৈছিল তাক মই অস্বীকাৰ নকৰো। পি. ইউ. পাছ কৰি ইংৰাজীত অনাৰ্চ লৈ কটনতে বি.এ. পঢ়িবলৈ লোৱা কথাটো আপোনাক এদিন কৈছিলো। আপোনাক লগ পোৱাৰ কিছুদিন পাছত ব্ৰেইন হিমোৰেজ হৈ তিনিদিন হাস্পতালত থাকি দেউতাই ইহসংসাৰত মোক একেবাৰে নিসঙ্গ কৰি থৈ সৰগলৈ গুচি গৈছিল। গুৱাহাটীৰ শান্তিপুৰত থকা মামাইঁতৰ ঘৰতে থাকি পঢ়িছিলো যদিও দেউতাৰ অকাল মৃত্যুত মই ধুবুৰী পালোগৈ। দেউতাৰ কাজকৰ্ম শেষ হোৱাৰ পাছত জীয়াই থকাৰ প্ৰতি মোৰ অলপো মোহ নোহোৱা হৈ গ'ল জীৱনৰ ৰংবোৰ হেৰাই যোৱাৰ বাবে। মই একপ্ৰকাৰ বলিয়াৰ দৰে হ'লো। পঢ়াপাতিৰ প্ৰতিও কোনো ইচ্ছা নোহোৱা হ'ল। মামাইঁতে আলোচনা কৰি দেউতাৰ অফিচতে কাম কৰা দেউতাৰ অতি বিশ্বাসী সহকাৰী ইঞ্জিনীয়াৰ অৰিন্দমৰ লগত মোৰ বিয়াৰ বন্দবস্ত কৰিলে। মই প্ৰথমতে সন্মতি দিবলৈ অস্বীকাৰ কৰিছিলো। তেতিয়াও মোৰ মানসপটত আৰু মোৰ হৃদয়ৰ গোপন কোনত আপুনি বহি আছিল—কেৱল আপুনি। কিন্তু আপোনাক জীৱনসঙ্গী হিচাপে পোৱাটো মোৰ বাবে অবাস্তৱ কথা বুলিয়েই ভাবিছিলো মই। সকলো কথা ভাবি-চিন্তি জীৱনৰ নিৰাপত্তাহীনতা আৰু নিসঙ্গতাৰ পৰা নিজকে মুক্ত কৰাৰ বাসনাত অৰিন্দম কাকতিৰ লগত মই বিয়াত বহিলো। দেউতাৰ দুখৰ স্মৃতিয়ে আমনি কৰি থকাত বিয়াখন জাকজমককৈ নাপাতি কাছাৰী ঘৰতে পাতিলো। অৱশ্যে পঢ়া বাদ দিয়া নাই—কটনৰ পৰা ধুবুৰীৰ বি.অন. কলেজলৈ ট্ৰেন্সফাৰ হৈ বি.এ.টো কৰি আছো।

ঃ তাতে এতিয়া পঢ়িও আছো সংসাৰো চলাই আছো—অৱন্তিকাই ক'লে।

ঃ ইতিমধ্যে অৰিন্দম আহি সেইখিনি পাই সুধিলে—চাহ দিলেনে? দিলে—আমি খালোৱেই—তোমাৰ চাহ ঠাণ্ডাই হ'ল যেন পাও—প্লেট এখনেৰে ঢাকি থোৱা চাহকাপ অৰিন্দমলৈ আগুৱাই দি ক'লে অৱন্তিকাই।

চাহ-পানী খাই উঠি প্ৰসেন, অৰিন্দম আৰু অৱন্তিকাই অশোকাৰ পৰা ওলাই আহিল। অৱন্তিকাৰ কথবোৰ শুনি প্ৰসেনৰ মনটো বেদনাক্লিষ্ট হৈ পৰিল।

ঃ তোমালোক তেন্তে যোৱা—মইও ইউনিভাৰচিটিলৈ যাও—প্ৰসেনে ক'লে।

ঃ যাওক তেন্তে—কেতিয়াবা ধুবুৰীৰ পিনে গ'লে আমাৰ ঘৰলৈ যাব। ভাল লাগিব—অৰিন্দমে ক'লে।

ঃ 'জৰুৰ যাম' বুলি কৈ তেওঁলোক এৰাএৰি হ'ল আৰু নিজ নিজ গন্তব্যস্থানত খোজ ল'লে।

প্ৰসেনৰ ইউনিভাৰচিটি লাইফ ব্যস্ততাৰে পাৰ হ'বলৈ ধৰিলে। অনিচ্ছাসত্ত্বেও সি আছুৰ আৰু পিজি ইউনিয়নৰ কামত প্ৰয়োজনতকৈ বেছি সময় খৰচ কৰিবলৈ

বাধ্য হৈ পৰিল। মাজে মাজে গাঁওখনলৈ ঘৰখনলৈ, গাগেলিখনলৈ তাৰ বৰকৈ মনত পৰে। পিএনচিকে ধৰি আন আন কেবাজনো বন্ধুৱে তাক পইচা-পাতিৰ অভাৱটো বেছি অনুভৱ কৰিবলৈ দিয়া নাই। ক্লাছবোৰ অৱশ্যে নিয়মিতভাৱে কৰি আছে সি। মাজে মাজে গাগেলিৰ কেচটোৰ খবৰ লৈ আছে—আয়ুক্ত বৰুৱা কিছুদিন ছুটীত আছিল কাৰণে কেচৰ ৰায়টো এতিয়াও দিয়া নাই। ডিচেম্বৰৰ শেষমানত দিয়াৰ কথা। আছুৰ অধিবেশন ডিচেম্বৰ মাহৰ ৩০, ৩১ আৰু ১ জানুৱাৰীত তিনিচুকীয়া কলেজত অনুষ্ঠিত কৰাটো ঠিক হৈছে। প্ৰসেনে অধিবেশনলৈ নোযোৱাটোৱেই মনে মনে ঠিক কৰি থৈছে। হেমন্তই জানুৱাৰীৰ প্ৰথম সপ্তাহতে হিন্দুস্তান ষ্টিল নামৰ কোম্পানীটোত চাকৰি এটা হ'ব বুলি আশ্বাস দিছে। হেমন্তৰ বন্ধু শ্ৰীকান্ত শইকীয়া প্ৰসেনৰো চিনাকি। শ্ৰীকান্তইঁতে, প্ৰসেনৰ হিন্দুস্তান ষ্টিলত চাকৰিটোৰ বাবে লাগি আছে। ২৮ ডিচেম্বৰৰ দিনা ৰাতি হঠাৎ ১০ মানত কোনোবাই নামধৰি প্ৰসেনক মাতিলে—

প্ৰসেন—অ' প্ৰসেন—শুলাই নেকি হে?

ঃ কোন, বুলি দুৱাৰ খুলি প্ৰসেনে সমুখত পি.এন.চি., শৈলেন দাস, যতীন্দ্ৰ চৌধুৰী আৰু থানেশ্বৰক দেখি 'আহক-বহক'—বুলি কৈ ৰুমৰ ভিতৰলৈ নি বহিবলৈ দিলে।

ঃ কি হ'ল—তুমি বোলে তিনিচুকীয়ালৈ নোযোৱা—মোক থানেশ্বৰে কৈছে।

ঃ ৰ'বচোন, ৰ'ব, বহকচোন বৰ ঠাণ্ডা পৰিছে।

ঃ বহিম বাৰু, কথাটো কি? থানেশ্বৰে কোৱা কথাটো সঁচানে? —পিএনচিয়ে সুধিলে।

ঃ হয়—থানেশ্বৰ দাসে আপোনাক ঠিকেই কৈছে—মই বিশেষ কাম এটাত গাঁৱলৈ যাম কাইলৈয়ে। সেয়ে মই তিনিচুকীয়ালৈ যাব নোৱাৰিম—কথাটো কালি দাসক কোৱাটো হয়—প্ৰসেনে ক'লে।

ঃ নাই—নাই—সেইটো নহ'ব—তুমি যাবই লাগিব। গাঁৱৰ জৰুৰী কামটোত কৈ এইটো বেছি জৰুৰী আৰু প্ৰয়োজনীয়– পি এন চি আৰু শৈলেন দাসে একমুখে কথাখিনি ক'লে—আমি তোমাৰ একো কথাই নামানো। কাপোৰ-কানিবোৰ অলপ বেগত ঠিক ঠাক কৰা। কাইলৈ অৰ্থাৎ ২৯ ডিম্বেচৰ তাৰিখে দুপৰীয়া ১ বজাত ডিব্ৰুগড়লৈ যোৱা ট্ৰেইন এখন আমি যাম। তোমাক ১১-৩০ বজাতেই অট' এখনত থানেশ্বৰে আহি লৈ যাব—তুমি ৰেডি হৈ থাকিবা বুলি কৈ তেওঁলোক হৰহৰাই ৰুমৰ পৰা ওলাই গ'ল। দয়াল মজুমদাৰেও ইতিমধ্যে প্ৰসেনৰ ৰুমলৈ আহি তেওঁলোকৰ কথাবোৰ শুনি আছিল। দয়ালেও ক'লে—আপুনি কিয় নাযাবহে—যাবই লাগিব।

ঃ আপুনি কওকচোন মজুমদাৰ—হাতত এটাও পইচা নোহোৱাকৈ লোকৰ ওপৰত আশা কৰি ইমান দূৰলৈ যোৱাটো ঠিক কথা হ'বনে? প্ৰসেনে দয়াল মজুমদাৰক প্ৰশ্ন কৰিলে।

ঃ পইচাৰ চিন্তা নকৰিব—মই দিম এশ টকা—'দময়ন্তী, অ' দময়ন্তী, চাওঁ তোমাৰ তাত থকা টকাখিনি লৈ আনাচোন—বুলি কোৱাত দময়ন্তীয়ে পইচাৰ বেগটো আনি প্ৰসেনৰ বিছনাত থৈ বিছনাৰ কাষতে থিয় হৈ থাকিল। দয়াল মজুমদাৰে বেগটোত থকা গোটেইখিনি পইচা প্ৰসেনৰ বিছনাত ঢালি দি হিচাপ কৰিলে। ১১০ টকা হ'ল। তাৰে ১০০ টকা প্ৰসেনক দি বাকী দহ টকা ভেনিটি বেগটোত সোমাই দি দময়ন্তীৰ হাতত বেগটো দি দিলে। তেতিয়া ৰাতি প্ৰায় ১২টামান বাজিছিল।

ঃ হ'ব,—এতিয়া আৰামত শুই থাকক—ইমান ডাঙৰ মিটিং—তাতে আছুৰ মেইন লিডাৰবোৰ আহিছে—অনুৰোধ কৰিছে—নগ'লে হ'বনে? পইচা-পাতিৰ বাবে জীৱনৰ মূল কামবোৰ বৈ নাথাকে—মনত মনোবল আৰু সাহসহে লাগিব—মনোবল সাহস আৰু ইচ্ছাশক্তি থাকিলে জীৱনত কোনো কাম পৰি নাথাকে বুলি কৈ দয়াল মজুমদাৰ নিজ ৰুমলৈ গৈ শুই পৰিল। প্ৰসেনেও পি.এন.চিহঁতৰ অনুৰোধ, দয়াল মজুমদাৰৰ আদেশ আৰু সহযোগিতা নেওচা দিব নোৱাৰি ৰাতিপুৱাই তিনিচুকীয়ালৈ যোৱাটোকে ঠিক কৰিলে।

দিনৰ ১১-৩০ বজাত থানেশ্বৰ দাস অট' এখনেৰে আহি প্ৰসেনৰ ৰুম পালে। প্ৰসেন আগৰে পৰাই সাজু হৈয়েই আছিল। হোল্ডডোলটো আৰু কাপোৰৰ বেগ এটা লৈ প্ৰসেন অট'খনত উঠিল। দয়াল মজুমদাৰ আৰু তেওঁৰ পত্নী দময়ন্তীয়ে সিহঁতক হাত জোকাৰি বিদায় দিলে। কিছুসময় পিছতেই সিহঁত গুৱাহাটী ৰেল ষ্টেচন পালে। পি.এন.চি., শৈলেন দাস, হৰ্ষ দাস, যতীন্দ্ৰ চৌধুৰীহঁত অলপ আগতে ষ্টেচন পাই ১নং প্লেটফৰ্মত বৈ থকা ট্ৰেইনখনৰ নিৰ্দিষ্ট দবাটোত উঠি নিজৰ নিজৰ বস্তু-বাহানি ঠিক কৰি আছিল। প্ৰসেন আৰু থানেশ্বৰও দবাটোত নিজৰ বেডিংপত্ৰ সোমাই লৈ ঠিক ঠাক কৰিলে। ট্ৰেইনখন আধাঘণ্টা লেট। ১-৩০ বজাৰ লগে লগে উকি মাৰি ট্ৰেইন খনে ৰেল ষ্টেচন এৰিলে। ট্ৰেইনত নানাধৰণৰ কথা-বতৰা পাতি ৰাতি ১ মান বজাত ট্ৰেইনখন গৈ ডিব্ৰুগড় পালে। তাত ইতিমধ্যে তেওঁলোকৰ বাবে সৰু বাছ এখন অধিবেশনৰ অভ্যৰ্থনা সমিতিয়ে ঠিক কৰিয়েই থৈছিল। অধিবেশনৰ কেইজনমান ভলণ্টিয়াৰে তেওঁলোকৰ বেডিং, বেগ আদি বাছখনত ভৰালে। বাছখন তাৰ পাছত চলাই দিলে ড্ৰাইভাৰে ২-৩০ টা মান বজাত পি.এন.চিহঁতৰ দলটো গৈ তিনিচুকীয়া কলেজ পালে। তাতে এটা সৰু ৰুমত আছুৰ বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সদস্যসকলৰ থকাৰ ব্যৱস্থা কৰিছিল অভ্যৰ্থনা সমিতিয়ে। পি.এন.চিকে ধৰি ইতিমধ্যে উপস্থিত হোৱা বিষয়ববীয়াসকলে নিজ নিজ বিচনা পত্ৰ ঠিক কৰি শুই থাকিল। প্ৰসেনেও বিষয়ববীয়াসকলৰ লগতে থাকিল। আবেলি ৪ বজাত

অধিবেশনৰ প্ৰতিনিধি শিবিৰ আনুষ্ঠানিকভাৱে মুকলি কৰিলে। তিনিচুকীয়া মহকুমাৰ মহকুমাধিপতিয়ে। তাৰ পাছতেই আছুৰ কাৰ্যনিৰ্বাহক সভা বহিল। সভাত অধিবেশনত ল'বলগীয়া প্ৰস্তাৱ, বিষয় বাছনি সভা, মুকলি সভাত সাধাৰণ সম্পাদকে পাঠ কৰিবলগীয়া সম্পাদকীয় প্ৰতিবেদন, সভাপতিৰ ভাষণ আদি ঠিক-ঠাক কৰা হ'ল। তিনিদিন ধৰি অধিবেশন চলিল। ৩১ তাৰিখৰ বিষয় বাচনি সভাৰ দিনা ৰাতি আছুৰ সভাপতি পদৰ প্ৰাৰ্থী এজনে কিছুমান ল'ৰাক উচটাই অধিবেশন থলীত ভীষণ গণ্ডগোল কৰিলে। অৱশ্যে পিছত সেইজনেই একপ্ৰকাৰ বলপূৰ্বক কিছুমান ভুৱা প্ৰতিনিধিৰ ভোটেৰে আছুৰ নতুন সভাপতি নিৰ্বাচিত হ'ল। প্ৰতিনিধিসকলৰ ৯৫ শতাংশই মৰ্মাহত হ'ল আৰু আছুৰ দৰে এটা পবিত্ৰ ছাত্ৰ সংগঠনত এনে অগণতান্ত্ৰিক কাৰ্যকলাপ চলাই আছুৰ ভাবমূৰ্তি ম্লান কৰিলে বুলি মন্তব্য কৰিলে। বহুতে ৰাজহুৱাভাৱে প্ৰতিনিধি সভাত এনে কাৰ্যক ধিক্কাৰো দিলে। এনেদৰে সভাপতি নিৰ্বাচিত হোৱাজনেই হ'ল লালন প্ৰসাদ সিং নামৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতিজন। যতীন্দ্ৰ চৌধুৰী বিনা প্ৰতিদ্বন্দ্বিতাৰেই সাধাৰণ সম্পাদক নিৰ্বাচিত হ'ল। প্ৰসেনজিতৰ তীব্ৰ আপত্তি সত্ত্বেও প্ৰতিনিধিসকলে তাক উপসভাপতি হিচাপে নিৰ্বাচিত কৰিলে। ১ জানুৱাৰী তাৰিখে বহা মুকলি সভাত তিনিচুকীয়া কলেজৰ অধ্যক্ষ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, তিনিচুকীয়া কলেজ আৰু শিৱসাগৰ কলেজৰ অধ্যক্ষকে ধৰি কেবাজনো শিক্ষাবিদ আৰু সাহিত্যিক মূল্যবান ভাষণেৰে সভাত উপস্থিত কেবা সহস্ৰ ছাত্ৰ-ছাত্ৰী আৰু ৰাইজক আকৰ্ষিত আৰু আপ্লুত কৰিলে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যগৰাকীয়ে অসমৰ ছাত্ৰ আন্দোলনৰ পটভূমি, স্বৰাজোত্তৰ কালৰে পৰা চলি অহা অসমৰ বিভিন্ন ছাত্ৰ আন্দোলন, বিয়াল্লিছৰ ভাৰত ত্যাগ আন্দোলনত অসমৰ ছাত্ৰৰ ভূমিকাকে ধৰি বৰ্তমান সময়লৈ অসমৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত কৰি অহা আন্দোলন আৰু ভূমিকাৰ বিষয়ে এটা দীতিদীৰ্ঘ বক্তৃতা দি উপস্থিত ৰাইজক আনন্দিত কৰিলে। ছাত্ৰই ৰাজনীতিত অংশ লোৱা উচিত নে অনুচিত এই বিষয়ে স্বাধীনতা আন্দোলনৰ সময়তো বহু বিতৰ্ক দেশখনৰ ছাত্ৰ সমাজকে ধৰি বিদ্যুত সমাজৰ মাজত চলিছিল। আজিও চলি আছে । সেই সম্পৰ্কে সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে কোৱা কথাএষাৰ উপাচাৰ্যগৰাকীয়ে উদ্ধৃতি দি কৈছিল—
"The unwisedom of excluding students from the discusson of Political Question is being recongnised. Some Sort of Politics, good or bad, they are bound to have, and if you will not teach them the right sort of politics, and by discussion with them lead to it, you must make up your mind for the widest vagaries among them, in a matter of vital Concern to the Student Community" (অৰ্থঃ ৰাজনৈতিক সমস্যাৱলীৰ আলোচনাৰ পৰা

ছাত্ৰসকলক আঁতৰাই ৰখা কাৰ্যটো বিবেচনাহীন বুলি স্বীকৃত হৈ আহিব ধৰিছে। ভালেই হওক বা বেয়াই হওক, কোনো নহয় কোনো এবিধ ৰাজনীতি তেওঁলোকক দিব লাগিব। তেওঁলোকক যদি শুদ্ধ ৰাজনীতি শিকোৱা নহয় আৰু তেনে শুদ্ধ ৰাজনীতিলৈ অনা নহয় তেনেহ'লে ছাত্ৰ সমাজক গুৰুত্বপূৰ্ণ বিষয়টোৰ পৰা আঁতৰত ৰাখি তেওঁলোকক বাহুল্য পৰিমাণৰ অপ্ৰয়োজনীয় কথাৰ বাবেহে প্ৰস্তুত কৰি লোৱাৰ দৰে হ'ব।)

অধিবেশনৰ শেষৰ দিনা ৰাতি ৯ বজাৰ ট্ৰেইন যোগে প্ৰসেনহঁত তিনিচুকীয়াৰ পৰা গুৱাহাটীলৈ আহিল। পুনৰ নিয়মিতভাৱে ক্লাছ কৰিবলৈ ল'লে প্ৰসেনে। ইতিমধ্যে পি এন চি আৰু হেমন্তই আলোচনা কৰি হেমন্তই তাৰ বন্ধু শ্ৰীকান্ত শইকীয়াৰ হতুৱাই হিন্দুস্থান ষ্টীলত চাকৰি এটা যোগাৰ কৰিলে প্ৰসেনৰ বাবে। জানুৱাৰীৰ ১০ তাৰিখে হেমন্তৰ লগত গৈ প্ৰসেনে চাকৰিটোত জইন কৰিলে। মেনেজাৰজনে তাক নতুনকৈ আৰম্ভ কৰা লেবাৰ চেলটোৰ কাম-কাজ চাবলৈ দিলে। বিশেষ কাম নথকাৰ বাবে প্ৰসেনে প্ৰতিদিনে অফিচলৈ নগ'লেও হ'ব বুলি কৈ মেনেজাৰজনে তাক বিশ্ববিদ্যালয়ৰ ক্লাছবোৰো মাজে মাজে কৰি থাকিবলৈ ক'লে। প্ৰসেনে ভালেই পালে। হিন্দুস্থান ষ্টীল এটা ভাৰত চৰকাৰৰ নিয়ন্ত্ৰিত নিকায়। সেয়ে তাত কৰ্মচাৰীসকলৰ সা-সুবিধা, দা-দৰমহা কেন্দ্ৰীয় চৰকাৰৰ অন্য কৰ্মচাৰীতকৈ ভাল। প্ৰসেনৰ চাকৰি হোৱাৰ খবৰটো পাই ৰজত মেজস্বৰকে ধৰি ঘৰখনৰ সকলোৰে মুখত পানী আহিল। দুখ আৰু বেজাৰৰ ক'লা ডাৱৰে অনবৰতে আৱৰি থকা ঘৰৰ চৌপাশৰ পৰা ক'লা ডাৱৰবোৰ লাহে লাহে আঁতৰিবলৈ ধৰিলে।

জানুৱাৰী মাহৰ ২৫ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ষ্টুডেন্টচদে হোমত সদৌ অসম ছাত্ৰ সন্থাৰ নতুন কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠক। প্ৰসেন সাধাৰণ সম্পাদক যতীন্দ্ৰ চৌধুৰীৰ লগত বৈঠকখনৰ কামত ব্যস্ত যদি নিজৰ দৈনন্দিন কামবোৰো কৰি আছে। পি.এন.চিকে ধৰি কেবাজনো বন্ধুৱে তাক বিশ্ববিদ্যালয়ৰ হোষ্টেলত চীত এটা ল'বলৈ কৈ আছে।

ঃ বুজিছা প্ৰসেন—তুমি নিজে ভাত ৰান্ধি খাই ভাড়া ঘৰত থকাটো এতিয়া বৰ কষ্টকৰ হ'ব। ক্লাছ, চাকৰি, আছুৰ কাম—সকলো মিলি তোমাৰ ব্যস্ততা বাঢ়িল। সেয়ে তুমি হোষ্টেলত চিট এটা লোৱা—প্ৰসন্ন চৌধুৰীয়ে ক'লে প্ৰসেনক।

ঃ ময়ো কথাটো ভাবিছো—মাৰ্চ মাহমানত কিবা এটা কৰিব লাগিব—প্ৰসেনে ক'লে। ২১ জানুৱাৰী তাৰিখে বহা আছুৰ কাৰ্যনিৰ্বাহকত তিনিচুকীয়া অধিবেশনত আছুৰ সভাপতি লালন প্ৰসাদ সিঙে সৃষ্টি কৰা অশুভ পৰিস্থিতিৰ বাবে সিঙৰ ওপৰত সদস্যসকল খড়্গহস্ত হৈ পৰিল। অতি কঠোৰভাৱে সমালোচনা কৰিলে সিঙক সকলো সদস্যই। সদস্যসকলে উত্থাপন কৰা অভিযোগৰ কোনো সদুত্তৰ দিব নোৱাৰি

তেওঁ সভাপতি পদৰ পৰা পদত্যাগ কৰিলে আৰু সভাকক্ষ ত্যাগ কৰি গুচি গ'ল। কাৰ্যনিৰ্বাহকে সিঙৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰি উপসভাপতি প্ৰসেনজিৎ কলিতাক সাময়িকভাৱে সভাপতিৰ দায়িত্ব দিলে। ফেব্ৰুৱাৰী মাহৰ ভিতৰত আছুৰ সাধাৰণ পৰিষদৰ সভা আহ্বান কৰি আছুৰ সংবিধান অনুসৰি স্থায়ী সভাপতি এজন নিৰ্বাচন কৰাৰ সিদ্ধান্তও সেই সভাতে লোৱা হ'ল।

প্ৰসেনজিতৰ আপত্তি সত্বেও তাক আছুৰ সভাপতিৰ গুৰু দায়িত্ব দিয়াত সি বিমোৰত পৰিল। আৰ্থিক অনাটনৰ জোৰা-মাৰিবলৈ সি ইতিমধ্যে অস্থায়ী চাকৰি এটাত জইন কৰিছে, ইপিনে এম.এ. মহলাৰ ক্লাছবোৰ আছেই—কোনটো এৰে—কোনটো ধৰে- ভাবি সি বৰ বিমোৰত পৰিছে।

ঃ মই এনেকৈ চলাটো সম্ভৱ নহয় চৌধুৰীদা। চাকিৰটো নকৰিলেও নহয়—আপোনালোকে জোৰ কৰি আছুৰ মূল দায়িত্ব মোক দিলে—মই এতিয়া মহা বিপাঙত পৰিছো- প্ৰসেনে কেণ্টিনত লগ পাই পি.এন.চিক ক'লে।

ঃ তুমি কিছুদিন ধৈৰ্য্য ধৰাচোন। আছুৰ সভাপতিৰ দায়িত্ব দিব পৰা তোমাতকৈ যোগ্যবান দ্বিতীয়জন বৰ্তমান নাই। সেয়ে সকলোৱে একমুখে তোমাৰ নামটোকে প্ৰস্তাৱ কৰিছে। প্ৰয়োজন হ'লে তুমি চাকৰিটোকে বাদ দিব লাগিব। ফেব্ৰুৱাৰী মাহটো চোৱা যাওক। তদুপৰি আমি অতি শীঘ্ৰে ৰাজ্যখনত এক অৰ্থনৈতিক আন্দোলন গঢ়ি তোলাটো বৰ প্ৰয়োজন হৈছে। ৰাজ্যখনত অতবোৰ মৌলিক আৰু জ্বলন্ত সমস্যাই ৰাজ্যখনৰ জনসাধাৰণক কোঙা কৰি পেলাইছে—আছুৱে হাত সাবটি বহি থাকিলে নহ'ব। ৰাজনৈতিক দলবিলাকে ৰাজ্যখনৰ সমস্যাবোৰ সমাধানৰ বাবে ঐক্যবদ্ধ সংগ্ৰাম বা আন্দোলন গঢ়ি তোলাত ব্যৰ্থ হৈছে—সেই দলসমূহ দিল্লীকেন্দ্ৰিক হোৱা বাবে দিল্লীৰ আঙুলিৰ ঠাচতহে উঠ-বহ কৰিব লগা হয়। সেয়ে দিল্লীৰ বিৰুদ্ধে থিয় হ'বলৈ ভয় কৰে—পি.এন.চিয়ে চাহ খাই খাই কথাখিনি আবেগিকভাৱে ক'লে।

পি.এন.চিয়ে কোৱা কথাখিনিৰ উত্তৰত প্ৰসেনে কোনো কথা ওলোটাই ক'ব নোৱাৰিলে। চাহ খাই তোমাৰ ৰুমলৈ যাওঁ ব'লা—ঐ শৈলেন আহ—প্ৰসেনৰ ৰুমলৈ যাও—বুলি কৈ পি.এন.চি, শৈলেন দাস প্ৰসেনৰ লগত প্ৰসেনৰ ভাড়াতীয়া ৰুমটোলৈ গ'ল। দুয়ো অসমৰ কেইটামান জ্বলন্ত সমস্যাৰ কথা পাতিলে আৰু আছুৰ ফালৰ পৰা এখন দাবী চনদ প্ৰস্তুত কৰি তাৰ ভিত্তিত এক গণ আন্দোলন গঢ়ি তোলাৰ সম্ভাৱনীয়তাৰ বিষয়ে খৰচি মাৰি আলোচনা কৰিলে।

ফেব্ৰুৱাৰী মাহৰ ১৭ তাৰিখ। সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ সাধাৰণ পৰিষদৰ সভা বহিল বিশ্ববিদ্যালয়ৰ ইউনিয়ন হলত। সূৰ্য দাসৰ পৰিচালনাত

বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ এটা দলে বিষ্ণু ৰাভাৰ—

"কোন কোন আহিছা আইক পূজিবলৈ
আইৰ পূজাৰ বেলি হ'ল,
সাজু হ'বৰে হ'ল ডেকা ল'ৰা
সাজু হ'বৰে হ'ল .... ।"

—এই গীতটোৰে সভাৰ শুভাৰম্ভ কৰিলে। আৰম্ভণি গীতটোৰ পাছত ৰাজ্যখনৰ উন্নয়নৰ বাবে এখন দাবী চনদ প্ৰস্তুত কৰি তাৰ ভিত্তিত ৰাজ্যখনত এক গণ আন্দোলন গঢ়ি তোলাৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰিলে। দাবী চনদখন প্ৰস্তুত কৰাৰ বাবে প্ৰসন্ন নাৰায়ণ চৌধুৰী, পুলকেশ বৰুৱা, কৃষ্ণগোপাল ভট্টাচাৰ্য, বসন্ত ডেকা, দিলীপ দাস আৰু প্ৰসেনজিত কলিতাক দায়িত্ব দিলে। আন এক প্ৰস্তাৱ যোগে সাধাৰণ পৰিষদৰ সভাই লালন প্ৰসাদ সিঙৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰি প্ৰসেনজিত কলিতাক সদৌ অসম ছাত্ৰ সন্থাৰ স্থায়ী সভাপতি হিচাপে নিৰ্বাচিত কৰিলে। সভাৰ শেষত সকলোৱে প্ৰসেনজিত কলিতাক অভিনন্দন জনালে যদিও প্ৰসেনজিত কলিতাই এনে এক গভীৰ দায়িত্ব লৈ মুঠেই সুখ বা আনন্দ অনুভৱ নকৰিলে। তেতিয়া ৰাতি প্ৰায় ৩ বাজি গৈছিল। প্ৰতিনিধিসকল নিজ নিজ স্থানলৈ গ'ল।

ঃ বুজিছে কলিতা—আপুনি সোনকালে হোষ্টেলত চিট থকা লওক। তদুপৰি আপোনাৰ অস্থায়ী চাকৰিটোৰ পৰাও দুই-এদিনতে ইস্তফা দিয়ক। আপোনাৰ চলা-মেলাৰ দায়িত্ব আমি ল'ম—পুলকেশ বৰুৱাই হ'লৰ পৰা ওলাই অহাৰ আগতে হ'লৰ একাষলৈ মাতি নি প্ৰসেনক কথাখিনি ক'লে।

প্ৰসেনে কি ক'ব—কি নক'ব—একো সিদ্ধান্ত ল'ব নোৱাৰি—'চাওচোন কি হয়'—বুলি বৰুৱাৰ কথাৰ উত্তৰত ক'লে। অৱশ্যে সিও ভাবিলে আচুৰ দৰে জাতীয় অনুষ্ঠান এটাৰ সভাপতিজন এজন চাকৰি কৰা লোক হ'ব নোৱাৰে—হোৱাটো উচিত নহয়।

কথাবোৰ ভাবি ভাবি প্ৰসেনজিত হেমন্ত বৰ্মনৰ লগত তাৰ ভাড়া ৰুমটোলৈ গ'ল।

ঃ তই অৱশ্যে ৰিজাইন দিব লাগিব—কেবাজনো প্ৰতিনিধিয়ে সভাৰ মাজত তই চাকৰি কৰা কথাটো লৈ আলোচনা কৰা মই শুনিছো—হেমন্তই ক'লে।

ঃ ময়ো তেনেকৈয়ে ভাবিছো—এতিয়া যা—ৰাতিপুৱা অফিচলৈ যোৱাৰ আগতে এবাৰ মোৰ ৰুমলৈ আহিবি। আমি কথাটো ভালকৈ আলোচনা কৰিম—প্ৰসেনে ক'লে।

ঃ হ'ব দে—বুলি কৈ হেমন্ত তাৰ ৰুমলৈ গ'ল। প্ৰসেনেও ৰুমৰ তলা খুলি ভৰি-হাত ধুই শুই পৰিল। বিছনাত পৰাৰ পাছতো গোটেই নিশা প্ৰসেনৰ টোপনি নাহিল। নানা চিন্তাই তাক বেৰি ধৰিলে। চাকৰিটো এৰি দিলে ঘৰৰ মানুহকেইটাৰ

অৱস্থা কি হ'ব পাৰে তাক সি তন্ন-তন্নকৈ জুকিয়াই চাবলৈ ধৰিলে—এনেতে ৰাতিপুৱাৰ সংকেট দি চৰাই কেইটামানে তাৰ ৰুমৰ কাষত কিৰিলি পৰা তাৰ কাণত পৰিল।

ৰাতিপুৱা ৯-৩০ বজাত হেমন্ত প্ৰসেনৰ ৰুমলৈ আহিল। দুয়ো যোৱা কালিৰ আছুৰ সাধাৰণ পৰিষদত ঘটা কিছুমান পাৰ্শ্ব ঘটনাৰ বিষয়ে কথা পাতিলে।

ঃ ব'লচোন হেমন্ত—দুয়ো পি.এন.চিক অলপ লগ ধৰি আহোঁ—মোৰ চাকৰিটো ৰিজাইন দিয়া সম্পৰ্কে কথা অলপ পাতো—প্ৰসেনে ক'লে।

ঃ ব'ল—সোনকালে ব'ল—মোৰ অফিচ আছে— ওলায়েই আহিছো—বুলি কৈ হেমন্ত আৰু প্ৰসেন পি.এন.চিৰ হোষ্টেললৈ গ'ল। পি. এন. চিয়ে শুই উঠিছিল হে মাত্ৰ।

ঃ তোমালোক অলপ বহা—মই মুখ ধুই আহোঁ—বুলি টুথব্ৰাছ্‌ডালত অলপ টুথপেষ্ট লগাই পি.এন.চি বাথৰুমলৈ গ'ল। মুখ ধুই কিছু সময়তে আহি তিনিও চাহ খাবলৈ কিটচেনলৈ গ'ল।

ঃ শুনা—প্ৰসেন, তুমি চাকৰিটোৰ পৰা আজি বা কালিয়েই ৰিজাইন দিয়া। কথাটো বেছিকৈ জনাজনি হ'লে বেয়া হ'ব। তোমাৰ থকা-মেলা, খোৱা-বোৱাৰ ব্যৱস্থা আমি যিকোনো হোষ্টেল এটাত কৰিম। যোৱাকালি ৰাতিয়েই আমি কেইজনমান বন্ধুৱে কথাটো পাতিছো।

ঃ কিন্তু—চাকৰিটো মই কেৱল মোৰ বাবে কৰা নাই—আপুনিতো জানেই মোৰ ঘৰখনৰ কথা—চাকৰিত জইন কৰা বুলি শুনি আই আৰু পিতাৰ মুখত আনন্দৰ এচেৰেঙা ৰ'দ পৰিছিল—ৰিজাইন দিয়া বুলি শুনিলে নিমিষতে সেই ৰ'দ নাইকিয়া হৈ পৰিব—সেই কথা ভাবিহে মই উৰা-দিহ নোপোৱা হৈছো— প্ৰসেনে ক'লে।

ঃ তুমি লেখা-মেলা কৰা—মই নীলাচল, নতুন অসমীয়া, অসম বাণী আদি কেইখনমান পেপাৰত তোমাৰ লেখা প্ৰকাশ কৰোৱাৰ বাবে চেষ্টা চলাম—তেনেকৈয়ে কিছু পইচা তোমাৰ হাতলৈ আহিব—সেই পইচাখিনি ঘৰলৈ পঠাব পাৰিবা—পি.এন.চিয়ে ক'লে।

পি.এন.চিৰ ৰুমত আলোচনা কৰি প্ৰসেন আৰু হেমন্ত ১০ নং হোষ্টেলৰ পৰা ওলাই আহিল। হেমন্ত তাৰ অফিচলৈ গ'ল। প্ৰসেনেও ৰুম লৈ গৈ গা-পা ধুই বিশ্ববিদ্যালয়ৰ হোষ্টেল কেইটাৰ অ'ত-ত'ত থকা আছুৰ সাধাৰণ পৰিষদৰ সভালৈ অহা প্ৰতিনিধি কেইজনমানক মাত লগাই গুৱাহাটীলৈ গ'ল। পোনে পোনে প্ৰসেন হিন্দুস্থান ষ্টীলৰ অফিচলৈ গ'ল। অফিচৰ কেবাজনো সহকৰ্মীয়ে ইতিমধ্যে শইকীয়াৰ পৰা প্ৰসেনৰ আছুৰ সভাপতি নিৰ্বাচিত হোৱা খবৰটো পাইছিল তেওঁলোকে প্ৰসেনক অভিনন্দন জনালে। প্ৰসেনে সহকৰ্মীসকলক মাত লগাই মেনেজাৰৰ ৰুমলৈ গ'ল আৰু তাৰ পদত্যাগ পত্ৰখন মেনেজাৰৰ হাতত গ'ল। মেনেজাৰ আচৰিত হ'ল।

প্ৰসেনে সকলো কথা বিৱৰি কোৱাত মেনেজাৰেও প্ৰসেনক কনগ্ৰেচুলেচন জনালে। কলিংবেলটো টিপি পিয়নজনক দুকাপ চাহ দিবলৈ কোৱাত পিয়নজনে অলপ পিছতে দুকাপ চাহ দিলে। মেনেজাৰ আৰু প্ৰসেনে চাহ খাই থাকোতে মেনেজাৰ "আপুনি সময় পালে অফিচলৈ আহি থাকিব"– বুলি প্ৰসেনক ক'লে।

চাহ খাই প্ৰসেন ওলাই আহি অফিচৰ কৰ্মচাৰীসকলক মাত লগাই কিবা এক উগুল-থুগুল মন লৈ জালুকবাৰীলৈ আহিল প্ৰসেন।

প্ৰসেনে এতিয়া আচুৰ কামত বৰ ব্যস্ত হৈ পৰিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰণৱ বৰা আৰু বিশ্ববিদ্যালয় আইন কলেজ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হৰ্ষ দাস— দুয়োজনেই প্ৰসেনৰ লগত পূৰ্ণ সহযোগিতা কৰি বিশ্ববিদ্যালয়ৰ লগতে আচুৰ কামবোৰ নিয়াৰিকৈ কৰিবলৈ ল'লে। ফেব্ৰুৱাৰী মাহৰ ২৭ তাৰিখে বহা আচুৰ সাধাৰণ পৰিষদৰ সভাই অসমৰ সাম্প্ৰতিক সমস্যাৱলীৰ ওপৰত দাবী চনদ এখন প্ৰস্তুত কৰি দিয়া উপ সমিতিখনে কেবাখনো বৈঠকত মিলিত হৈ এখন খোচৰা দাবী চনদ প্ৰসেনৰ হাতত দাখিল কৰিলে। ইপিনে আচুৰ কামত ব্যস্ত হৈ প্ৰসেনে ঠিকমতে তাৰ ক্লাছবোৰ কৰিব নোৱৰাত মাজে মাজে বেজাৰ কৰে যদিও 'হ'ব—চলি যাব' এই ভাবেৰে আগবাঢ়ি থাকিল।

দিনবোৰ বাগৰিল। গাঁৱৰ গাগেলিৰ কেচটোৰ হুকুম অক্টোবৰ মাহতে আয়ুক্তই দিছিল যদিও প্ৰসেনে হুকুমটোৰ বিষয়ে— জানুৱাৰী মাহৰ প্ৰথম সপ্তাহতহে জানিব পাৰিলে। আয়ুক্ত মোহন বৰুৱাই হুকুমটো দিয়াৰ কেইদিনমানৰ পাছতে বদলি হৈ যাব লগা হোৱাত নাথ নামৰ বিষয়াজনে ফাইলটো বহুদিন ধৰি নিজৰ লগত ৰাখি হুকুমটোৰ বিষয়ে একো জানিবলৈ দিয়া নাছিল। নাথৰ জানুৱাৰী মাহৰ ৩ তাৰিখে বদলি হোৱাৰ পাছতহে গাগেলি সম্পৰ্কে আয়ুক্তই দিয়া হুকুমটোৰ বিষয়ে ১০ জানুৱাৰী তাৰিখেহে প্ৰসেনে জানিব পাৰিলে। আয়ুক্তই কামৰূপ জিলাৰ ডি. চি.য়ে দিয়া হুকুমটো বাহাল ৰাখিছে আৰু অসম চৰকাৰৰ ৰাজহ বিভাগক ইতিমধ্যে অবৈধভাৱে কৰা ম্যাদী পট্টা নাকচ কৰিবলৈ আদেশ দিছে। হুকুমটোৰ চাৰ্টিফাইড কপি এটা উলিয়াই প্ৰসেনে গাঁৱৰ মানুহক খবৰটো জনালে। খবৰটো পাই কাকতলবাসী আনন্দত মতলীয়া হ'ল। হুকুমৰ কপি লৈ মাঘ বিহুৰ আগদিনা প্ৰসেন গৈ গাঁৱত উপস্থিত হ'ল। প্ৰসেনে পুনৰ গাগেলি ৰাইজৰ হ'ল—এই খবৰ লৈ গাঁৱত উপস্থিত হোৱাৰ লগে লগে গাঁৱত হুলস্থূল লাগিল। ডেকা-বুঢ়া সকলোৱে বৰপুখুৰী পাৰত উপস্থিত হ'ল। বৰপুখুৰীৰ পাৰত বৰসবাহ বহিল। নাম গোৱাই নাম গালে, গান গোৱাই গান গালে। শেষত সভা এখন বহিল। সভাত বিহুৰ উৰুকাৰ খানাটো বৰপুখুৰীৰ পাৰতে সমূহ ৰাইজে মিলি খোৱাৰ সিদ্ধান্ত হ'ল। বুঢ়া কেইজনমানে

প্ৰসেনক ভূয়সী প্ৰসংশা কৰাৰ লগতে হিয়া উজাৰি আশীৰ্বাদ দিলে।

ঃ সভাত উপস্থিত সকলোৱে মিলি হৰিধ্বনি দি প্ৰসেনক আশীৰ্বাদহে দিব লাগে যাতে আগন্তুক দিনতো সি গাঁৱৰ কাম কৰি থাকিব পাৰে"– বুলি মণ্ডলুৱে কথাষাৰ কোৱাত সকলোৱে 'হয় হয়' বুলি কৈ হৰিধ্বনি দি প্ৰসেনক আশীৰ্বাদ দিলে। প্ৰসেনেও আঁঠুকাঢ়ি সেৱা জনাই আশীৰ্বাদ ল'লে। বৰপুখুৰীৰ সিটো পাৰৰ পৰা কোনোবাই গালে।

অ' আমাৰ গাঁও
আমাৰ গাঁৱৰ মান ৰাখি
মৰিবলৈ যাও আমি
মৰিবলৈ যাও।

ফেব্ৰুৱাৰী মাহ। ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখে আছুৰ কাৰ্যনিৰ্বাহক সভা বহিল নগাঁও কলেজত। তাতেই কাৰ্যনিৰ্বাহকে ইতিমধ্যে গঠন কৰি দিয়া উপ-সমিতিখনে এখন একৈশ দফীয়া দাবী চনদ কাৰ্যনিৰ্বাহকৰ সভাত দাখিল কৰিলে। দাবী চনদখন কৃষ্ণগোপাল ভট্টাচাৰ্যই পাঠ কৰি দিলে। বহুসময় ধৰি চলা বিতৰ্কৰ পাছত দাবী চনদখন সৰ্বসন্মতভাৱে গ্ৰহণ কৰা হ'ল। দাবী চনদখনত অন্তৰ্ভুক্ত দাবীবোৰ নীতি নিৰ্ধাৰক মূল দাবী, দীৰ্ঘকালীন প্ৰধান দাবী আৰু হ্ৰস্বকালীন বিশেষ দাবী—বুলি তিনিটা ভাগত ভাগ কৰা হ'ল।

নীতি নিৰ্ধাৰক মূল দাবী ঃ (১) দেশৰ মিশ্ৰ অৰ্থনীতি পৰিহাৰ কৰি প্ৰকৃত অৰ্থৰ সমাজবাদী পদ্ধতিৰে অৰ্থনীতিৰ সাধাৰণ সমতা স্থাপন কৰক।

দীৰ্ঘকালীন প্ৰধান দাবী ঃ (২) ভূমি সংস্কাৰ আইন প্ৰকৃতপক্ষে বাস্তৱত ৰূপায়ণ কৰি প্ৰকৃত কৃষকৰ হাতলৈ মাটি অহাৰ ব্যৱস্থা কৰক। কৃষি কাৰ্যত সকলো কৃষকক বৈজ্ঞানিক সা-সুবিধা দি দেশৰ উৎপাদন বৃদ্ধি কৰক; (৩) বানপানী নিয়ন্ত্ৰণ কৰি জলবিদ্যুৎ উৎপাদন বঢ়োৱাৰ লগতে জলসিঞ্চনৰ ব্যৱস্থা কৰক, (৪) ৰাজ্যত ৰাজহুৱা খণ্ডত অধিক শিল্পোদ্যোগ গঢ়ি তোলক; (৫) বৃহৎ পুঁজিপতিৰ শিল্প-উদ্যোগসমূহ ৰাষ্ট্ৰীয় কৰণ কৰক; (৬) বিদেশী শিল্পোদ্যোগসমূহ ক্ষতিপূৰণ নিদিয়াকৈ ৰাষ্ট্ৰীয়কৰণ কৰক; (৭) শিল্প-উদ্যোগ আৰু কেঁচা সামগ্ৰীৰ বাবে চৰকাৰে লাইচেন্স দিয়া প্ৰচলিত প্ৰথাত থকা আঁসোৱাহসমূহ দূৰ কৰক; (৮) বৈষম্যহীন, প্ৰয়োজনমূলক, কৰ্মভিত্তিক শিক্ষাব্যৱস্থা প্ৰয়োগ কৰক; (৯) সহজভিত্তিত ৰাষ্ট্ৰীয়কৃত বেঙ্কৰ পৰা ঋণ দিয়াৰ ব্যৱস্থা কৰক; (১০) সকলো অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ সংগ্ৰহ আৰু বিতৰণ ব্যৱস্থা চৰকাৰে লওক; (১১) দৈনন্দিন প্ৰয়োজনীয় সকলো অত্যাৱশকীয় সামগ্ৰী সংগ্ৰহ আৰু বিতৰণৰ ব্যৱস্থা চৰকাৰে লওক আৰু এইবোৰ সামগ্ৰীৰ বজাৰমূল্য

জনতাৰ ক্ৰয় ক্ষমতালৈ লক্ষ্য ৰাখি চৰকাৰে বাদ্ধি দিয়ক; (১২) অনুন্নত অঞ্চলৰ আৰু অনুন্নত শ্ৰেণীৰ উন্নতিৰ বাবে চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰক; (১৩) আভ্যন্তৰীণ জলপৰিবহন ব্যৱস্থা শক্তিশালী কৰি জলসংযোগ আৰু স্থলসংযোগৰ মাজত বিজ্ঞানসন্মত সমন্বয় গঢ়ি তোলক; (১৪) দৈয়াং, কাকী, ৰেংমা, মিংমা, মৃদংপাৰা, ফিলবাৰী প্ৰভৃতি সকলো অঞ্চলৰ পৰা কৃষক উচ্ছেদ বন্ধ কৰক; (১৫) অসম-নাগালেণ্ড অন্তৰ্বৰ্তী সীমান্ত চুক্তিৰ দৰে যিবোৰ চুক্তি সীমান্ত অঞ্চলৰ জনতাৰ স্বাৰ্থৰ পৰিপন্থী তেনে চুক্তি কৰাৰ পৰা চৰকাৰ বিৰত থাকক।

হ্ৰস্বকালীন বিশেষ দাবী ঃ (১৬) ৫০০ টকাৰ দৰমহাৰ তলৰ সকলো চৰকাৰী চাকৰিত থলুৱা লোকক নিযুক্তি দিয়ক; (১৭) ৰাজ্যলৈ বহিৰাগতৰ সোঁত বন্ধ কৰক; (১৮) ব্ৰডগজ ৰেল লাইন স্থাপন আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত পঞ্চৰত্ন যোগীঘোপা শিলঘাট ভেমোৰাগুৰিত দলং নিৰ্মাণ কৰি যাতায়াত ব্যৱস্থা শক্তিশালী কৰক; (খ) শিলচৰৰ পৰা জিৰিবামলৈ মিটাৰগজ ৰেল সম্প্ৰসাৰণ কৰক; (গ) ৰঙিয়াত উত্তৰ-পূৰ সীমান্ত ৰেলৱেৰ ডিভিজন শীঘ্ৰে স্থাপন কৰক; (১৯) অসমত উৎপন্ন হোৱা গোটেইখিনি খাৰুৱা তেল অসমতে শোধন কৰাৰ বাবে তেল পথাৰৰ সমীপৱৰ্তী অঞ্চলত শোধনাগাৰ স্থাপন কৰা হওক; (২০) দৈয়াং হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰী নীলিমা বৰাৰ উচ্ছেদকাৰ্যৰ ফলত হোৱা নিৰ্মম মৃত্যুৰ ন্যায়িক তদন্ত হওক আৰু দোষীক উপযুক্ত শাস্তি দিয়াৰ ব্যৱস্থা কৰক; (২১-ক) জনমূৰি সপ্তাহত প্ৰতি কিলোগ্ৰাম ১.২০ টকা হিচাপে দুই কিলোগ্ৰাম আটা-ময়দা গ্ৰাহক সমবায় অথবা সুলভ মূল্যৰ দোকানৰ যোগেদি বিতৰণৰ ব্যৱস্থা কৰক; (খ) নিয়ন্ত্ৰিত দৰত গাঁও আৰু চহৰ উভয় অঞ্চলতে চেনিৰ সমবিতৰণৰ ব্যৱস্থা কৰক; (গ) খোৱাৰ অনুপযোগী নিম্নমান বিশিষ্ট সামগ্ৰীৰ বিতৰণ তৎকালীনভাৱে বন্ধ কৰি এনে সামগ্ৰী ৰাজহুৱাভাৱে ধ্বংস কৰাৰ নিয়ম কৰক; (ঘ) বিশেষ পৰিস্থিতিৰ সন্মুখীন হ'বৰ বাবে ৰাজ্যৰ সকলো জিলাতে একোটাকৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ অক্ষয় ভঁৰাল "বাফাৰষ্টক" স্থাপন কৰক; (ঙ) অসম ৰাজ্যলৈ খাদ্যবস্তু আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ কেন্দ্ৰীয় কোটা বঢ়োৱাৰ ব্যৱস্থা কৰক।"

দাবী চনদখন গ্ৰহণ কৰাৰ পাছত ২১ ফেব্ৰুৱাৰী তাৰিখে দাবী চনদখনৰ ভিত্তিত অসমৰ মুখ্যমন্ত্ৰীক এখন স্মাৰকপত্ৰ দিয়াৰ সিদ্ধান্ত কৰা হয়। অসমৰ মুখ্যমন্ত্ৰীক কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত মৰ্মে ২১।২।১৯৭৪ ইং তাৰিখে তেখেতৰ দিশপুৰস্থ কাৰ্যালয়ত সদৌ অসম ছাত্ৰ সন্থাই একৈশদফীয়া দাবী চনদখন স্মাৰক পত্ৰ যোগে অৰ্পণ কৰে আৰু শীঘ্ৰে দাবী চনদখনৰ ওপৰত ব্যৱস্থা ল'বলৈ দাবী জনায়। দাবী চনদখন মুখ্যমন্ত্ৰীক দিয়াৰ পাছত অসম চৰকাৰে আছুৰ লগত দাবী চনদখন

সম্পৰ্কে এবাৰ আলোচনা কৰে যদিও আলোচনাত চৰকাৰে ফলপ্ৰসূ ব্যৱস্থা লোৱাৰ সামান্যতমো আন্তৰিকতা প্ৰদৰ্শন নকৰিলে। ফলত আছুৱে মে মাহৰ পৰা ৰাজ্যজুৰি আন্দোলনৰ কাৰ্যসূচী হাতত লৈ ৰাজ্যখনত এক গণ-আন্দোলনৰ সূচনা কৰে। আন্দোলনটো 'খাদ্য আন্দোলন' হিচাপে ৰাইজে চিহ্নিত কৰি সমগ্ৰ ৰাজ্য আন্দোলনৰ পদধ্বনিৰে কঁপাই তোলে। আছুৰ ফালৰ পৰা আন্দোলনটোত বিভিন্ন ৰাজনৈতিক দলৰ অন্তৰ্গত যুৱ-ছাত্ৰ সংগঠনসমূহকো সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হয়। আছুৰ অনুৰোধ মৰ্মে ভাৰতৰ ছাত্ৰ ফেডাৰেচন (এচ. এফ. আই.) নিখিল ভাৰত ছাত্ৰ সন্মিলন (এ.আই.এচ.এফ.) আদি বামপন্থী ছাত্ৰ সংগঠনকেইটাই এই আন্দোলনত বিশেষ ভূমিকা গ্ৰহণ কৰি আন্দোলনটো গণ আন্দোলনত পৰিণত কৰাত সহায় কৰে। সমগ্ৰ ৰাজ্যখন আন্দোলনৰ কাৰ্যসূচীয়ে কঁপাই তুলিলে। ৰাইজ দলে দলে ৰাজপথলৈ ওলাই আহি নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিলে যদিও চৰকাৰে সম্পূৰ্ণ নিৰ্লিপ্ততা অৱলম্বন কৰিলে। আনকি আছুৱে উত্থাপন কৰা দাবীবোৰ আলোচনাৰ মাজেৰে মীমাংসা কৰাৰ বাবে কোনো আগ্ৰহ নেদেখুৱালে।

জুন মাহ। ১৯৭৪ চন। আছুৰ নেতৃত্বত চলা খাদ্য আন্দোলনটো গুৰুত্বপূৰ্ণ স্তৰত উপনীত হয়। প্ৰসেনহঁতে বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত বাহৰ পাতি তাৰ পৰাই আন্দোলনটোৰ সমূহ কাৰ্যসূচী নিয়ন্ত্ৰণ কৰিবলৈ ধৰিলে। আছুৱে বিশেষকৈ খাদ্য সংক্ৰান্তীয় দাবীকেইটা মানি ল'বলৈ ৰাজ্যজুৰি 'সত্যাগ্ৰহ' কাৰ্যসূচী গ্ৰহণ কৰিলে। এই সত্যাগ্ৰহ কাৰ্যসূচীতে ১০ জুন তাৰিখে নগাঁও জিলাৰ ভূৰবন্ধাত গজেন ইংতি আৰু পুতুল শইকীয়া নামৰ দুজন চেমনীয়া সত্যাগ্ৰহীৰ প্ৰাণ ল'লে অসম চৰকাৰৰ পুলিচ বাহিনীয়ে। তদুপৰি পলাশবাৰী, মিৰ্জা, বৰপেটা, ধুবুৰী, শিৱসাগৰকে ধৰি ৰাজ্যখনৰ বিভিন্ন ঠাইত আন্দোলনকাৰী ৰাইজ পুলিচৰ পাশৱিক নিৰ্যাতনৰ বলি হৈ পৰিল। সমগ্ৰ ৰাজ্যখনতে ৰাইজৰ নিৰাপত্তা নোহোৱা হ'ল। ৰাতিটোৰ ভিতৰতে অসম চৰকাৰৰ পৃষ্ঠপোষকতাত মন্ত্ৰীৰ বাসভৱনত নতুন নতুন ছাত্ৰ সংগঠনৰ জন্ম দিয়া হ'ল, কেৱল বাতৰি কাকতত বিবৃতি দি ছাত্ৰ সন্থাৰ কাৰ্যব্যৱস্থাৰ বিৰোধিতা কৰিবলৈ।

ঃ প্ৰসেন, অ' প্ৰসেন—অসম চৰকাৰৰ পুলিচ বাহিনীয়ে ১০ জুন তাৰিখে গজেন ইংতি আৰু পুতুল শইকীয়াক কৰা নিৰ্মম হত্যাকাণ্ডৰ তীব্ৰ প্ৰতিবাদ কৰিব লাগিব—স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত উত্তেজিতভাৱে ইফাল-সিফাল কৰি থকা পি.এন.চিয়ে ক'লে। তেতিয়া তাত প্ৰণৱ বৰা, হৰ্ষ দাস, গৌতম বৰা, গোলাম মোৰতাদা আহমেদ, শৈলেন দাস, খনীন্দ্ৰৰঞ্জন বৰ্মন, ৰিপুণ বৰা আদি বহু কেইজন ছাত্ৰনেতা উপস্থিত আছিল।

ঃ ৰাজ্যখনৰ সৰ্বত্ৰ হাহাকাৰ। পুলিচী নিৰ্যাতনে সীমা চেৰাই গৈছে। কেবাজনো আছুৰ বিষয়ববীয়াক গ্ৰেপ্তাৰ কৰি জেলত ভৰাই থৈছে। গতিকে কাৰ্যনিৰ্বাহক সভা পতাও কঠিন হৈ পৰিছে"—প্ৰসেনে মন্তব্য কৰিলে। হঠাৎ কাৰ্যালয়ত প্ৰৱেশ কৰা অতুল বৰাই 'নাই নাই' কাৰ্যনিৰ্বাহক সভালৈ অপেক্ষা কৰিলে নহ'ব। আমি যিসকল ইয়াত উপস্থিত আছো সেইসকলেই সিদ্ধান্ত এটা ল'ব লাগিব। 'কলিতা আপুনিয়েই বাতৰি কাকতত বিবৃতি এটা দি কাৰ্যনিৰ্বাহকৰ সভা এখন ২০ জুন তাৰিখে বিশ্ববিদ্যালয়তে দিয়ক'—বুলি ক'লে অতুল বৰাই। আটাইৰে দিহা-পৰামৰ্শ মতে আছুৰ সভাপতি প্ৰসেনজিৎ কলিতাই ২০ জুন তাৰিখে আবেলি ৩ বজাত আছুৰ কাৰ্যনিৰ্বাহক সভা এখন আহ্বান কৰিলে।

২০ জুন তাৰিখে ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক বহিল বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত। সভাত সদস্যৰ উপস্থিতিৰ সংখ্যা কম যদিও ক'ৰাম হৈছে। সভাত ৰাজ্যজুৰি চলা আন্দোলনটোৰ বিভিন্ন দিশ পৰ্যালোচনা কৰা হ'ল। ১০ জুন তাৰিখে ভুৰবন্ধাত গজেন আৰু পুতুলৰ হত্যাকাণ্ডক তীব্ৰ নিন্দা কৰা হ'ল। দুয়োজনকে শ্বহীদ হিচাপে ঘোষণা কৰাৰ সিদ্ধান্ত এটা লোৱা হ'ল। দুয়োজনৰ নিৰ্মম হত্যাকাণ্ডৰ প্ৰতিবাদত ২৫ জুন তাৰিখে ১২ ঘণ্টীয়া 'অসম বন্ধ' কাৰ্যসূচী পালন কৰাৰ সিদ্ধান্তও লোৱা হ'ল। ২৫ জুনৰ বন্ধ সফল কৰাৰ বাবে আছুৰ জিলা কমিটীসমূহলৈ নিৰ্দেশ দিয়া হ'ল।

২৫ জুন। 'অসম বন্ধ'ৰ কাৰ্য্যসূচী। ৰাতিপুৱাৰ পৰাই প্ৰসেন, প্ৰণব বৰা, হৰ্ষ দাস, শৈলেন দাস আদি ভালেমান ছাত্ৰনেতা স্নাতকোত্তৰ ছাত্ৰ সন্থা আৰু আইন মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কাৰ্যালয়ত বহি অসম বন্ধৰ আলেখ লেখ লৈ আছে। ঠিক এঘাৰটামান বজাত কেবা ট্ৰাক চি.আৰ.পি. বিশ্ববিদ্যালয় চৌহদত সোমাল। বিশ্ববিদ্যালয়ত হুলস্থুল লাগিল। বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ বিনা অনুমতিত বিশ্ববিদ্যালয়ত পুলিচ সোমাব নোৱাৰে। বিশ্ববিদ্যালয়ৰ ছাত্ৰ, শিক্ষক, কৰ্মচাৰী সকলো বিশ্ববিদ্যালয় চৌহদলৈ আহি পৰিস্থিতি চাই উত্তেজিত হৈ পৰিল। কিছুমানে চি.আৰ.পি. গো বেক' ধ্বনি দিলে, কিছুমানে চৰকাৰীবিৰোধী শ্লোগান দি গোটেই চৌহদ কঁপাই তুলিলে। চি.আৰ.পি.সকলক বিশ্ববিদ্যালয় চৌহদ এৰিবলৈ উপস্থিত ৰাইজে দাবী জনালে। কিন্তু অলপ পিছতে চি.আৰ.পি.ৰ এটা দলে আৰ.চি.চি ৪ নং হোষ্টেলকে ধৰি কেইবাটাও হোষ্টেলত সোমাই তাত থকা ছাত্ৰসকলক জধেমধে মাৰপিট কৰিবলৈ ধৰাত সমবেত ৰাইজ সেইপিনে ঢাপলি মেলিলে। বহু কেইজন ছাত্ৰ আহত হ'ল। বহু সময় পিছত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, ৰেজিষ্টাৰ, কামৰূপ জিলাৰ ডি,চি., এচ.পি. আহি ছাত্ৰ শিক্ষক কৰ্মচাৰীৰ নেতাসকলৰ লগত আলোচনা

কৰি সেই ৰণোন্মাদ পৰিস্থিৰ কিছু শাম কটালে। সেই একেই পৰিস্থিতি বিৰাজ কৰিলে বিশ্বনাথ চাৰিআলিত। বিশ্বনাথ চাৰিআলিৰ ছাত্ৰ স্বেচ্ছাসেৱকৰ ওপৰত পুলিচ, চি.আৰ.পি.ৰ নৃশংস আক্ৰমণ চলিল, আনকি ৰাতি ঘৰৰ ভিতৰত সোমাই থকা সাধাৰণ মানুহে পুলিচী অত্যাচাৰৰ হাত নাসাৰিল। গোটেই ৰাজ্যখন ৰক্তাক্ত হৈ পৰিল। এই ৰক্তাক্ত জুন মাহটোত সমগ্ৰ ৰাজ্যখনৰ কেবাশ ছাত্ৰ আৰু সাধাৰণ ৰাইজক চৰকাৰে জেলত ভৰালে। নানা চল চক্ৰান্ত কৰি এই গণ আন্দোলনটো নস্যাৎ কৰিবলৈ লোৱা অসাধু আৰু অগতান্ত্ৰিক কাৰ্যত চৰকাৰ বহু পৰিমাণে সফল হ'ল।

আন্দোলনটো চলি থকাৰ এমাহমান পিছতে ৰাজ্যখনত ভয়াবহ বানপানীৰ তাণ্ডৱ চলিল। সৰ্বগ্ৰাসী বানপানীয়ে সমগ্ৰ ৰাজ্যখনৰ ৰাইজৰ খেতিবাতি, ঘৰ-দুৱাৰ গৰু ছাগলী বিধ্বংস কৰি গ'ল। কেবাজনো লোকে প্ৰাণো হেৰুৱালে। বানপানী শুকোৱাৰ পাছত ৰাজ্যখনত ভয়ঙ্কৰ খাদ্য সংকটে দেখা দিলে। কেবা ঠাইতো খাদ্যৰ অভাৱত মানুহৰ প্ৰাণহানি হ'ল। এনে পৰিস্থিতিত খাদ্য-আন্দোলনটোও স্তিমিত হৈ পৰিল। ভাতমুঠিৰ বাবে হাহাকাৰ কৰিব লগা হোৱা ৰাইজৰ আন্দোলন কৰিবলৈ মনোবল নোহোৱা হ'ল। তেনেকৈয়ে ১৯৭৪ চনৰ খাদ্য-আন্দোলনটোৰ স্বাভাৱিক মৃত্যু ঘটিল।

ঃ বুজিছে বৰা—বেজাৰ কৰি লাভ নাই, বানপানীয়ে ৰাজ্যখনৰ যিটো অৱস্থা কৰিলে—আন্দোলনটো স্থগিত ৰখাৰ বাহিৰে আন কোনো উপায় আমাৰ হাতত নাছিল। ৰাজ্যখনৰ কেবা ঠাইতো দুৰ্ভিক্ষই দেখা দিছে। বাতৰি কাকতত প্ৰকাশ পাইছে ধুবুৰীত বোলে কোনো এজন অনাহাৰী লোকে কোনোবা এজন লোকে কৰা বমিকে খাই পেলালে। এনে মৰ্মান্তিক ঘটনা পৃথিৱীৰ ক'ৰবাত ঘটিছেনে? তথাপি চৰকাৰ নিৰ্বিকাৰ, স্পন্দনহীন। ৰাইজেও ভাত-কাপোৰৰ বাবে আন্দোলন কৰি থাকিবলৈ প্ৰস্তুত নহয়—কিয়নো তাত আৱেগ নাই—অথচ ভাত কাপোৰৰ কথাটোহে মানুহৰ বাবে হ'ব লাগিছিল আবেগৰ প্ৰধান বিষয়—কিন্তু মানুহৰ বাবে আৱেগৰ প্ৰধান বিষয় হৈ পৰে ধৰ্ম, ভাষা, গোষ্ঠীবাদ আদি। ইয়াত কৈ চৰম দুৰ্ভাগ্যৰ কথা আৰু কি হ'ব পাৰে মানুহৰ বাবে—আৱেগ-বিহ্বল হৈ প্ৰসেনে কথাখিনি ক'লে প্ৰণৱ বৰাৰ আগত।

খাদ্য আন্দোলনটো স্তিমিত হৈ পৰাৰ পাছত, জুন মাহত হ'ব লগা এম.এ. পৰীক্ষা আগষ্ট মাহৰ প্ৰথম সপ্তাহত অনুষ্ঠিত হ'ল। আন্দোলনৰ কামত ব্যস্ত থাকিব লগা হেতুকে প্ৰসেনে পাঠ্য কিতাপত হাতেই দিব পৰা নাছিল। পৰীক্ষাৰ তাৰিখ ঘোষণা হোৱাৰ কেইদিনমান পাছৰ পৰা পৰীক্ষাৰ বাবে প্ৰিপাৰেচন কৰাত লাগিল যদিও মনটো অনবৰতে অন্যফালে ঢাল খাই থাকে। সেয়ে পঢ়া-শুনাত দিব লগা মনোযোগ দিব পৰা নাই প্ৰসেনে। মাজে মাজে পিজি ইউনিয়নৰ অফিচলৈ গৈ তাত

বহে আৰু সতীৰ্থসকলৰ লগত আন্দোলনটো বিষয়ে আলোচনা কৰি দুখ প্ৰকাশ কৰে। সকলো ধৰণৰ দুখ-বেদনা বুকুত সামৰি-সুতৰি ৩ আগষ্টৰ পৰা আৰম্ভ হোৱা এম.এ. প্ৰিভিয়াচ পৰীক্ষাত প্ৰসেন অৱতীৰ্ণ হ'ল। পৰীক্ষা আশা কৰা ধৰণে নহ'ল। আনপিনে ঘৰুৱা সমস্যাইও মাজে মাজে বিহ্বল কৰি কৰি থাকে তাক। কেইদিনমান পাছতে পৰীক্ষা শেষ হ'ল।

পৰীক্ষা শেষ হোৱাৰ দুদিন পাছত পি.এন.চি., পুলকেশ বৰুৱা, দিলীপ দাস, শৈলেন দাস, কৃষ্ণগোপাল ভট্টাচাৰ্যকে ধৰি কেইজনমান সতীৰ্থ সহকৰ্মীৰ লগত বহি প্ৰসেনে খাদ্য আন্দোলনটোৰ বিষয়ে কথা পাতিলে।

ঃ আমি যিয়েই নকৰো কিয়—আন্দোলনটো পুনৰ সক্ৰিয় ৰূপত থিয় কৰোৱা সম্ভৱ হ'ব বুলি মই নাভাবো। ৰাইজৰ মন ভাঙি গৈছে—কৃষ্ণগোপাল ভট্টাচাৰ্যই গম্ভীৰভাৱে তেওঁৰ মন্তব্য আগবঢ়ালে। অনুৰূপ মন্তব্য কেবাজনেও আগবঢ়োৱাত গোটেই বিষয়টো আলোচনা কৰি কিবা এটা সিদ্ধান্ত লোৱাৰ বাবে আচুৰ কাৰ্যনিৰ্বাহক সভা এখন দিয়াৰ ব্যৱস্থা কৰিবলৈ প্ৰসেনক উপস্থিত আটায়ে পৰামৰ্শ দিলে।

ঃ মই দুই-তিনি দিনমানৰ বাবে গাঁৱলৈ যাম। তাৰ পৰাই ঘূৰি আহি কাৰ্যনিৰ্বাহক সভা এখন পাতিম। এই বিষয়ে যাবতীয় ব্যৱস্থা ল'বলৈ সাধাৰণ সম্পাদক দ্বিপেন দত্তক মই কৈ থৈ যাম। ছেপ্টেম্বৰৰ মাজ ভাগতে সভাখন দিলে ভাল হ'ব—প্ৰসেনে ক'লে।

ঃ মানুহে যিয়েই নকওক কিয়—যিধৰণেই সমালোচনা নকৰক কিয়, আমি এটা সৎ উদ্দেশ্য আগত ৰাখি ৰাজ্যখনে সমুখীন হোৱা সংকটবোৰ দূৰ কৰাৰ বাবে ৰাইজক সচেতন কৰি গণ-আন্দোলনটো আৰম্ভ কৰিছিলো। আমাৰ সৎ চিন্তা আৰু ভাল কামে আজি হয়তো স্বীকৃতি নাপালে, কিন্তু এদিন যে ই স্বীকৃতি পাব আৰু ইতিহাসে যে ইয়াক এদিন সুঁৱৰিব—সেই কথাত মোৰ অলপো সন্দেহ নাই। ভাল কাম ভাল কামেই—ইয়াৰ শাশ্বত মূল্য কোনো শক্তিয়ে ধ্বংস কৰিব নোৱাৰে। সেয়ে বোধহয় বৌদ্ধদৰ্শনে কৈছে—"Neither fire nor wind, birth nor death can erase our good things." —"অৰ্থাৎ জুইয়েই হওক বা বতাহেই হওক, জন্মই হওক বা মৃত্যুই হওক—আমাৰ ভাল বস্তুবোৰ ধ্বংস কৰিব নোৱাৰে"— গহীন-গম্ভীৰভাৱে কথাখিনি কৈ পি.এন.চি.য়ে বিশেষ কাম এটা আছে বুলি কৈ অফিচটোৰ পৰা গ'ল। তেওঁ যোৱাৰ পাছত বাকীসকলো ঘৰাঘৰি গ'ল। প্ৰসেনে সাধাৰণ সম্পাদক দ্বিপেন দত্তক ছেপ্টেম্বৰৰ ১৫ তাৰিখৰ ভিতৰত আচুৰ কাৰ্যনিৰ্বাহক কমিটীৰ সভা এখন দিবলৈ কৈ তেওঁ ইতিমধ্যে থাকিবলৈ লোৱা বি.টি. হোষ্টেললৈ গ'ল।

দুদিন পিছত প্ৰসেন গাঁৱলৈ গ'ল। যোৱা তিনিমাহ মানেই সি গাঁৱলৈ যোৱা

নাই। গাগেলিৰ কেচটো ভাল হোৱাৰ পাছত গাঁৱৰ মানুহখিনিৰ মনত সদায়ে আনন্দৰ ভাব এটা লাগি থাকে। আবেলি প্ৰসেন যোৱা খবৰটো পাই প্ৰসেনহঁতৰ চোতালত গাঁৱৰ বয়সস্থ লোকসকলৰ উপৰিও বহুকেইজন তাৰ বন্ধু উপস্থিত হ'ল। প্ৰসেনহঁতৰ ঘৰৰ অৱস্থা আগতকৈও কিছু বেয়াৰ ফালে গৈছে। মানুহখিনিক বহিবলৈ সিহঁতৰ ওচৰৰে দদায়েকহঁতৰ পৰা দুই চাৰিখন বেঞ্চ কেইটামান ডেকা ল'ৰাই আনি প্ৰসেনহঁতৰ চোতাল পোৱালে। এইবোৰ দেখি শুনি উপস্থিত গাঁৱৰ মানুহখিনিৰ মুখত বিৰিঙি থকা হাঁহিয়ে প্ৰসেনৰ মুখত হাঁহি বিৰিঙাব পৰা নাই। প্ৰসেনৰ মুখখন বেজাৰৰ ক'লা ডাৱৰ আবৰি থকাটো অৱশ্যে দুই এজনে লক্ষ্য নকৰাকৈ নাথাকিল। গাঁৱৰ মানুহখিনিৰ লগত প্ৰসেনে নানা কথা পাতিলে। গাঁৱৰ মানুহখিনিয়েও প্ৰসেনক নানা কথা সুধিলে। প্ৰসেনে খাদ্য আন্দোলনটোৰ কথা, শ্বহীদ গজেন ইংতি, পুতুল শইকীয়াৰ কথাকে ধৰি তাৰ এম.এ. পৰীক্ষাৰ কথাও ক'লে বাইজক।

ঃ কিহে হৰিধন—বৰকৈ ৰেডিঅ'টো পকাই আছা দেখোন—কিবা ভাল গান দিয়া যেন পাওঁ—বুলি হাতত সদায়ে সন্ধিয়া গাঁৱত ফুৰোতে ৰেডিঅ'টো হাতত লৈ ফুৰা হৰিধনক সুধিলে প্ৰসেনে।

ঃ এ কিবা এটা ইংৰাজী গান দিছে—মইআৰু ইংৰাজী কতবুজি পাওঁ—হৰিধনে ক'লে।

ঃ চাও, চাও হৰিধন ৰেডিঅ'ৰ ভলিউমটো অলপ বঢ়াই দিয়াচোন—বুলি প্ৰসেনে হৰিধনক কোৱাত হৰিধনে ৰেডিঅ'টোৰ ভলিউম বঢ়াই দিলে। প্ৰসেনে গানটোত ইণ্টাৰেষ্ট দিয়া বাবে তাত উপস্থিত সকলোৱে গানটোৰ প্ৰতি মনোযোগ দিলে। প্ৰসেনে গানটো গভীৰ মনোযোগেৰে শুনিলে। গানটো শেষ হ'ল।

ঃ ইমান মনোযোগ দি কি গান শুনিলাহে পৰসেন বোপা। ভাষাটো আমি বুজিয়ে নাপালো—সিন্ধুৰা ডেকাই ক'লে।

ঃ পৃথিৱীবিখ্যাত গায়ক পল ৰ'বচনৰ গান জেঠা, গানটোও পৃথিৱীবিখ্যাত গান—প্ৰসেনে ক'লে।

ঃ আমাকো অলপ বুজাই দিয়াচোন কিনো এনে পৃথিৱীবিখ্যাত গান—

ঃ গানটো হ'ল—ইংৰাজী ভাষাত গোৱা—তেওঁ গাইছে—"I Keep laughing instead of crying, I will keep on fighting untill I am dying" অৰ্থাৎ জীৱনটোত নাকান্দিবা, হাঁহা আৰু মৃত্যুপৰ্য্যন্ত যুঁজি যোৱা, তাতেই জীৱন সাৰ্থক হ'ব।

গানটোৰ অৰ্থটো পাই সকলোৱে বৰ ভাল পালে। ঠিকেই কৈছে গায়কজনে বুলি সকলোৱে শলাগিলে। কিছু সময় পিছত মানুহবোৰ নিজ নিজ ঘৰলৈ গ'ল। ৰাতিও বহুত হ'ল। প্ৰসেনেও ভাত কেইটামান খাই শুই থাকিল।

পিছদিনা প্ৰসেন ত্ৰিনাথ নগৰ হৈ পেহীয়েকহঁতৰ ঘৰলৈ গ'ল। এইবাৰ নীৰাই

মেট্ৰিক পৰীক্ষা দিছিল। ৰিজাল্টও দিছে। প্ৰথম বিভাগত পাছ কৰিছে তাই। ৰিজাল্ট দিয়াৰ খবৰটো প্ৰসেনে দুদিনমান পাছতেই পাইছিল যদিও নিজে নীৰাক লগ ধৰি শুভেচ্ছাহে জনাব পৰা নাছিল। সেয়ে ত্ৰিনাথ নগৰত কিছু সময় ৰৈ প্ৰসেন পেহীয়েকহঁতৰ ঘৰলৈ বুলি খোজ ল'লে। বাটতে অকলে অকলে নীৰাক খোজকাঢ়ি ঘৰমুখে গৈ থকা সি দূৰৰ পৰাই দেখিলে। কিছু বেগাই আহি সি নীৰাৰ ওচৰ পালে।

ঃ নীৰা, অ' নীৰা—প্ৰসেনে পিচৰ পৰা নাম কাঢ়ি মতাত ঘূৰি চাই প্ৰসেনক দেখি-আচৰিত হৈ ' আপুনি এনেকৈ খোজকাঢ়ি ইয়াত— বুলি আশ্চাৰ্য প্ৰকাশ কৰিলে নীৰাই।

ঃ তুমি কলেজৰ পৰা আহিলা বোধহয়—তোমাক পলমকৈ হ'লেও কনগ্ৰিউচুলেচন' দিলো। ৰিজাল্টটো যদিও দুদিন পিছতেই পাইছিলো আন্দোলন আৰু পৰীক্ষাত ব্যস্ত থাকিব লগা হেতুকে তোমাক লগ ধৰি শুভেচ্ছা জনাব নোৱৰাৰ বাবে দুখিত—প্ৰসেন ক'লে।

ঃ পলমকৈ হ'লেও যে শুভেচ্ছা দিলে, অভিনন্দন জনালে সেয়াই যথেষ্ট। এইবাৰ আন্দোলনত আমিও বৰকৈ লাগিছিলো। এনেয়ে মানুহবোৰ মৰিল, একো লাভ নহ'ল ৰাইজৰ— নীৰাই ক'লে।

এনেকৈ কথা-পাতি পাতি দুয়ো আহি নীৰাহঁতৰ ঘৰ পালে। নীৰাৰ মাক তেতিয়া ঘৰত নাছিল। পিতাকো নাছিল। সৰু ভনীয়েকজনী স্কুলতেই আছিল।

ঃ আপুনি বহক—মই অলপ চাহ কৰো—বুলি প্ৰসেনক বাটঘৰটোতে বহিবলৈ দি নীৰাই চাহ একাপ কৰি আনি প্ৰসেনক দিলে। প্ৰসেনে চাহ খাই ইটো-সিটো কথা পাতিলে নীৰাৰ লগত। নীৰাই যে কিবা এক অভিমানত, খং আৰু ক্ষোভত আছে—প্ৰসেনৰ বুজিবলৈ বাকী নাথাকিল। প্ৰসেনৰ মনটো গধুৰ হৈ পৰিল। সিও চাহ খাই 'মই তেনেহ'লে যাও নীৰা—পেহীহঁতৰ ঘৰ হৈ ঘৰলৈ যাম' বুলি কৈ প্ৰসেন নীৰাহঁতৰ ঘৰৰ পৰা পেহীয়েকহঁতৰ ঘৰলৈ গ'ল। যাওতে বাটত নীৰাই তাৰ প্ৰতি দেখুওৱা উদাসীনতা আৰু অমনোযোগিতাত প্ৰসেনে বৰ দুখ পালে। পেহীয়েকহঁতৰ ঘৰতো কেৱল পেহীয়েকহঁতক মাত লগাই সি ঘৰলৈ গ'ল।

ঘৰলৈ গৈ সি ৰাতিটো বৰ অশান্তিত কটালে। ঘৰৰ অৱস্থা দেখি সি চিন্তান্বিত হৈ পৰিল। নীৰাই তাৰ প্ৰতি আজি কৰা ব্যৱহাৰেও তাক বৰ আঘাত দিলে। ফলত ৰাতি তাৰ ভাল টোপনি নাহিল। ৰাতিপুৱাই উঠি সি গুৱাহাটীলৈ যোৱাৰ বাবে ৰেডি হ'ল।

ঃ পিতা—মই যাও—তহঁতে আৰু দুমাহমান ধৈৰ্য্য ধৰ। দুমাহ পাছত মই আগৰ চাকৰিটোত জইন কৰিম। ছাত্ৰ সন্থাৰ দায়িত্বটো এৰি দিবলৈ আৰু দুমাহ সময় লাগিব—প্ৰসেনে পিতাকক সান্ত্বনা দিয়াৰ সুৰত কথাখিনি ক'লে।

মাক আৰু পিতাকক মাত দি ৰাতিপুৱাৰ বাছখনত উঠিলে প্ৰসেনে ঘোপকুছি

চ'কত। দিনৰ ১১ টামান বজাত বিশ্ববিদ্যালয় চৌহদ পাই হোষ্টেলত সোমাল।

২৭ ছেপ্টেম্বৰত আছুৰ কাৰ্যনিৰ্বাহক সভা স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়ত বহিল। উপস্থিত সদস্যৰ সংখ্যা তেনেই সেৰেঙা। ইতিমধ্যে—যিসকল কাৰ্যনিৰ্বাহক সদস্য আৰু বিষয়ববীয়াই জেল খাটিবলগীয়া হৈছিল, সেইসকলৰ আছুৰ প্ৰতি সম্ভাব নোহোৱা হৈ পৰিছিল। তাৰ কাৰণ অৱশ্যে জানিব পৰা হোৱা নাছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এচাম ছাত্ৰনেতাৰ নেতৃত্বত উজনি অসম ছাত্ৰ সন্থা গঠন হোৱাত উজনি অসমত আছুৰ প্ৰভাৱ কিছু স্তিমিত হৈছিল। দুই-চাৰিজন নেতাক চৰকাৰে হাত কৰি আছুৰ পৰা আঁতৰায়ো নিছিল। এনেবোৰ কথা কাৰ্যনিৰ্বাহত আলোচনা হ'ল। আছুৰ এনে দুখ লগা অৱস্থাৰ পৰা উদ্ধাৰ কৰাৰ বাবে অতি সোনকালে আছুক অধিবেশনখন পতাৰ পৰামৰ্শ দিলে কেবাজনো সদস্যই। খাদ্য আন্দোলনৰ নতুন কাৰ্যসূচী লোৱাৰ পৰা বিৰত থাকি আছুৰ কাৰ্যনিৰ্বাহকে জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত বৰপেটা জিলা ছাত্ৰ সন্থাৰ আমন্ত্ৰণত বৰপেটা চহৰত আছুৰ অধিবেশন পতাৰ সিদ্ধান্ত কৰিলে। আছুৰ সংবিধানখন সংশোধন কৰাৰ বাবে এখন সংবিধান সংশোধনী উপ-সমিতিও গঠন কৰা হ'ল। কৃষ্ণগোপাল ভট্টাচাৰ্য, নিলয় দত্ত, বসন্ত শৰ্মা, দিলিপ দাস আৰু সভাপতি প্ৰসেনজিতক লৈ উপ-সমিতিখন গঠন কৰা হ'ল। ডিচেম্বৰ মাহলৈ সভাই আছুৰ সংগঠন শক্তিশালী কৰাৰ বাবে জিলাই জিলাই আছুৰ সভাপাতিবলৈ সিদ্ধান্ত ল'লে।

প্ৰসেনৰ এম.এ. প্ৰিভিয়াচ পৰীক্ষাৰ ৰিজাল্টও দিলে নৱেম্বৰ মাহৰ প্ৰথম সপ্তাহত। তাৰ পৰীক্ষা সিমান ভাল নহ'ল। প্ৰথম শ্ৰেণী নাপালে। ৰিজাল্ট পাই সি মৰ্মাহত হ'ল। কেইদিনমান হোষ্টেলতে সি অজ্ঞাতবাস খাটিলে। দুই-এক বন্ধুৱে তাক দুখ নকৰি ফাইনেলত ভাল কৰাৰ বাবে চেষ্টা কৰিবলৈ পৰামৰ্শ দিলে। কাৰো কথাই তাৰ কাণত নোসোমোৱা হ'ল। লাজ, অপমান আৰু গভীৰ দুঃখত সি আহত হৈ পৰিল। নিজকে সি ধিক্কাৰ দিলে পঢ়া-পাতি ভালদৰে নকৰাৰ বাবে। কি আশা কৰিছিল—কি হ'ল—তাকে ভাবি ভাবি প্ৰসেন মানসিক আৰু শাৰীৰিকভাৱে দুৰ্বল হৈ পৰিল।

১৯৭৫ চনৰ জানুৱাৰী মাহ। আছুৰ বৰপেটা অধিবেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ৪, ৫ আৰু ৬ জানুৱাৰী তাৰিখে বৰপেটাৰ এম.চি. কলেজ প্ৰাঙ্গণত আছুৰ অধিবেশন বহিব। অভ্যৰ্থনা সমিতিৰ সভাপতি খনিন মহন্তই লগৰে সতীৰ্থ কেইজনমানৰ লগত আহি প্ৰসেনক অধিবেশনৰ বাবে লোৱা ব্যৱস্থাৰ বিষয়ে জনালে। অধিবেশনৰ মুখ্য অতিথি, নিৰ্দিষ্ট বক্তা, বিশিষ্ট আলহী হিচাপে কোন কোন বিশিষ্ট লোকক নিমন্ত্ৰণ কৰা হ'ব তাৰ বিষয়েও ৰাজ্যিক কাৰ্যনিৰ্বাহকক সোনকালে তালিকাখন দিবলৈ অনুৰোধ জনালে মহন্তই। লগতে অধিবেশনৰ কাৰ্যসূচীখনো সোনকালে প্ৰস্তুত কৰি হৰ্ষ দাসৰ হাতত দি পঠাবলৈ প্ৰসেনক অনুৰোধ কৰি গ'ল।

৪ জানুৱাৰী তাৰিখে সদৌ অসম ছাত্ৰ সন্থাৰ বৰপেটা অধিবেশন শংকৰী কলা কৃষ্টিৰ পুতভূমি বৰপেটাৰ এম.চি. কলেজত আৰম্ভ হ'ল। প্ৰসেনে ৩ জানুৱাৰী তাৰিখেই গৈ বৰপেটাত হাজিৰ হ'ল। অধিবেশনৰ প্ৰস্তুতিৰ সকলো দিশৰ বিষয়ে অভ্যৰ্থনা সমিতিৰ লগত আলোচনা কৰিলে। ৪ জানুৱাৰী তাৰিখে আবেলি ৪ বজাত প্ৰতিনিধি শিবিৰ মুকলি কৰা হ'ল। তাৰ পাছত শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰি শ্বহীদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱা হ'ল। ইতিমধ্যে অধিবেশনথলীত আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়া আৰু সদস্যসকলৰ উপৰিও প্ৰসন্ন নাৰায়ণ চৌধুৰী, পুলকেশ বৰুৱা, জ্ঞানেন্দ্ৰ চৌধুৰী, শৈলেন দাস, বৈকণ্ঠ গোস্বামী, নিলয় দত্ত, কৃষ্ণগোপাল ভট্টাচাৰ্য, কৃষ্ণ প্ৰসাদ দত্ত, কমল ভৰালী প্ৰমুখ্যে নেতাসকল উপস্থিত হ'ল। অভ্যৰ্থনা সমিতিয়ে আৰ্থিক দিশত মুঠেই টনকিয়াল হ'ব নোৱৰা বাবে অধিবেশনখন বিশেষ আড়ম্বৰপূৰ্ণ কৰা নাই। অধিবেশনত খাদ্য আন্দোলনকে ধৰি ৰাজ্যখনে সন্মুখীন হোৱা বহু জ্বলন্ত সমস্যা সম্পৰ্কে আলোচনা হ'ল। আছুৰ সংবিধানখনৰ খোচৰা সংশোধনীৰ ওপৰত দীঘলীয়া আলোচনা হ'ল। বিশেষকৈ খোচৰা সংবিধানত 'বৈজ্ঞানিক সমাজবাদ' এই শব্দ দুটা অন্তৰ্ভুক্ত কৰা লৈ বহু বাক-বিতণ্ডা চলিল। অৱশেষত প্ৰতিনিধি সভাই 'বৈজ্ঞানিক সমাজবাদ' বিষয়টো আছুৰ সংবিধানত মূল নীতি হিচাপে অন্তৰ্ভুক্ত কৰিলে। ৫ জানুৱাৰী তাৰিখে আছুৰ নতুন কাৰ্যনিৰ্বাহক গঠন হ'ল বহু বিতৰ্কৰ পাছত। সভাপতি হিচাপে নিৰ্বাচিত হ'ল বৃন্দাবন গোস্বামী, সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হ'ল দ্বিপেন দত্ত, সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হ'ল ৰিপুণ বৰা। আন আন বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সদস্যসকলকো নিৰ্বাচিত কৰিলে প্ৰতিনিধি সভাই।

৬ জানুৱাৰী তাৰিখে কলেজ প্ৰাঙ্গণত মুকলি সভা বহিল। মুকলি সভা আৰম্ভ হ'ল অম্বিকাগিৰি ৰায়চৌধুৰীৰ গীত এটাৰে—

"আজি বন্দো কি চন্দেৰে
সমাগত বিৰাট
নৰনাৰায়ণ ৰূপ, নৰনাৰায়ণ ৰূপ
লাঞ্ছিত—পৰাধীন কুণ্ঠিত চিত-মন নাই
ফুল-চন্দন, ধূপ,—নাই ফুল চন্দন ধূপ—
দূৰ দ্বাপৰত শুনিছো পাণ্ডৱে জয়
কৰি সপ্ত ধৰিত্ৰী,
যজ্ঞ ৰাজসূয় কৰিলে সম্পাদন সম্পউ
হে একচ্ছত্ৰী, ..."

সভাৰ সভাপতি প্ৰসেনজিত কলিতাই সভাপতিৰ অভিভাষণ পাঠ কৰাৰ পাছতে মুখ্য অতিথি, নিৰ্দিষ্ট বক্তা বিশিষ্ট আলহী আদিয়ে ভাষণ দি ছাত্ৰ সন্থাই ৰাজ্যখনৰ বাবে অতীতত আগবঢ়াই আহা সেৱা আৰু ভূমিকাৰ প্ৰশংসা কৰি ভৱিষ্যতেও ৰাজ্যখনৰ জনসাধাৰণৰ অতন্দ্ৰ প্ৰহৰী হিচাপে কাম কৰি থাকিবলৈ আহ্বান জনালে। শেষত—

অ' মোৰ আপোনাৰ দেশ..........
অ' মোৰ চিকুণী দেশ
এনেখন শুৱলা, এনেখন সুফলা
এনেখন মৰমৰ দেশ। ....।"

জাতীয় সংগীতেৰে অধিবেশনখনৰ সামৰণি মৰা হ'ল।

(পোন্ধৰ)

"নিজকে জন্ম দিয়াটোৱেই হ'ল মানুহৰ জীৱনৰ আটাইতকৈ ডাঙৰ কাম। নিজকে জন্ম দিয়াৰ অৰ্থ হ'ল এজন মানুহে যিবোৰ সম্ভাৱনা লৈ জন্ম গ্ৰহণ কৰে, সেইবোৰক নিজৰ জীৱনত বাস্তৱত ৰূপ দিয়া। নিজৰ ব্যক্তিত্বই হ'ল মানুহৰ জীৱনত আটাইতকৈ মূল্যবান ফচল" — এৰিক ফ্ৰময়

বৰপেটা অধিৱেশনত ছাত্ৰ সন্থাৰ সভাপতিৰ দায়িত্ব বৃন্দাবন গোস্বামীৰ হাতত দি প্ৰসেনজিতে এক স্বস্তি অনুভৱ কৰিলে। বিশ্ববিদ্যালয়লৈ ঘূৰি আহি নিজৰ ভাড়াতীয়া ৰুমটোত সোমাই কিছু সময় এনেয়ে বিছনাখনত বাগৰ দি এক স্বস্তিৰ নিশ্বাস পেলালে সি। লগে লগে এম.এ. প্ৰিভিয়াচ পৰীক্ষাৰ ৰিজাল্টৰ কথাটো তাৰ মনলৈ আহিল। মুহূৰ্ততে প্ৰসেনৰ সমগ্ৰ মন আৰু মগজুত কিছুমান দুশ্চিন্তাই বাহ লৈ তাক ব্যতিব্যস্ত কৰি তুলিলে। এনে ভাব হ'ল তাৰ সি যেন নিজকে জন্ম দিয়াৰ প্ৰকৃত অৰ্থ পাহৰি নিজ কক্ষপথৰ পৰা বিচ্যুত হৈছে। কিছুমান মহান লোকৰ মহৎবাণীৰে জীৱনক পৰিচালনা কৰাৰ দুৰ্বাৰ আকাংক্ষা আৰু দৃঢ়তাৰ পৰা যেন সি বহু দূৰলৈ পিছুৱাই আহিল—এনে ভাব হ'ল তাৰ। এৰিক ফ্ৰময়ে ওপৰত কোৱা কথাখিনি মনৰ মাজতে বাৰে বাৰে পাগুলিয়াই সি তাৰ জীৱনটোক বাস্তৱ ৰূপ দিয়াৰ পৰা বিচ্যুত হৈছে নেকি, তাক জুকিয়াই চালে সন্তৰ্পণে। নাই, নাই ছাত্ৰ সন্থাৰ গধুৰ দায়িত্বলৈ,

ৰাজ্যখনৰ জনসাধাৰণৰ মৌলিক সমস্যাবোৰ সমাধানৰ দাবীত এক গণ-আন্দোলন গঢ়ি তুলি ৰাইজক ৰাজপথক থিয় কৰোৱাটো তাৰ মুঠেই ভুল হোৱা নাই। নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ ৰাইজ সদা-সৰ্বদা জাগ্ৰত হৈ চৰকাৰৰ অন্যায়-অনীতিৰ বিৰুদ্ধে মাত মাতিবই লাগিব—নিজৰ প্ৰাপ্য আদায় কৰিবলৈ অতন্দ্ৰ প্ৰহৰী হৈ থাকিব লাগিব ৰাইজ—নহ'লে গণতন্ত্ৰৰ মূল্য হৈ পৰিব ডাষ্টবিনৰ পেলনীয়া বস্তুৰ দৰে। ৰাইজে বুজিব লাগিব—ৰাইজক বুজাব লাগিব—'Eternal vigilance is the Price of Liberty'। মুক্ত হ'লেই নহ'ব—সেই মুক্ততাক ৰক্ষা কৰিবলৈ সৰ্বদা হৈ থাকিব লাগিব সচেতন। এনেবোৰ দ্বন্দ্বাত্মক চিন্তা আৰু ভাবনাই প্ৰসেনক এবাৰ ইফালে; এবাৰ সিফালে টনাটনি কৰি থাকোতে হঠাত তাৰ ৰুমত উপস্থিত হ'ল হেমন্ত—হেমন্ত বৰ্মন।

ঃ কি অ' প্ৰসেন, কেতিয়া আহি পালি—হেমন্তই সুধিলে।

ঃ এই এঘণ্টাও হোৱা নাই—বৰ ভাগৰ লাগিছে—আহিয়েই অলপ বাগৰ দিছো—প্ৰসেনে ক'লে।

ঃ অধিবেশন ভালেই হোৱা বুলি শুনিছো—মই যাব নোৱাৰিলো যদিও—হেমন্তই ক'লে।

ঃ ভালে ভালেই পাৰ হৈছে—ময়ো এটা গধুৰ দায়িত্বৰ পৰা কিছু মুক্ত হৈ পৰিলো। পিছে এটা কথা হেমন্ত কাইলৈ আমি শ্ৰীকান্তক লগ ধৰি হিন্দুস্থান ষ্টীললৈ যাব লাগিব। মই সোনকালে চাকৰিটোত জইন কৰিব লাগিব। মেনেজাৰজনে মোৰ যেতিয়াই ইচ্ছা তেতিয়াই চাকৰিটোত জইন কৰিব পাৰিম বুলি কৈছিল নহয়—প্ৰসেনে ক'লে।

ঃ অ' কৈছিল—পিছে শ্ৰীকান্ত বৰ্তমান নাই। কলিকতালৈ টুৰত গৈছে। পৰহি মানে আহি পাবহি। সি আহি পোৱাৰ পাছতেই তাৰ লগত যাম দে কথাটো পি এন চিহ্নতকো কৈ থবি—বুলি কৈ হেমন্তই তাৰ গুৱাহাটীত বিশেষ কাম এটা থকা বুলি কৈ প্ৰসেনৰ ৰুমৰ পৰা ওলাই আহি ইউনিভাৰচিটি বাছত উঠিল।

তেতিয়া দিনৰ প্ৰায় ১২-৩০ টা মান বাজিছিল। প্ৰসেনেও গা-পা ধুই ষ্টোভটো জ্বলাই ভাত কেইটামানকে ৰান্ধিবলৈ ঠিক কৰিবলৈ ল'লে। এনেতে দয়াল মজুমদাৰৰ পত্নীয়ে আহি প্ৰসেনক ভাত খাবলৈ মাতিলে। আপুনি বৰ কষ্ট কৰি আহিছে—সেয়ে ময়েই আমাৰ ইয়াত আপোনাৰ বাবেও ভাত ৰান্ধিছো। আহক খাওক হি—তেখেতৰ আজি আহোতে কিছু পলম হ'ব। ইউনিয়নৰ বোলে কিবা মিটিং আছে—বুলি দময়ন্তীয়ে প্ৰসেনক তেওঁলোকৰ ৰান্ধনি ঘৰটোলৈ লৈ গ'ল। ভাত সাজি থোৱাই আছিল। প্ৰসেনে পীৰা এখনত বহি ভাত খাবলৈ ধৰিলে। মাজে মাজে দময়ন্তীয়ে বৰপেটা মিটিংৰ দুই-এটা কথা সুধি থাকিল আৰু প্ৰসেনেও চমু চমু কৈ উত্তৰ দি থাকি ভাত খোৱা শেষ কৰিলে। ভাত খাই উঠি প্ৰসেন শুলে। যোৱা তিনিদিন ধৰি

তাৰ ভাল টোপনি হোৱা নাই। সন্ধিয়াহে টোপনিৰ পৰা সাৰ পাই প্ৰসেন ইউনিভাৰচিটি মাৰ্কেটৰ পিনে এবাৰ ঘূৰিবলৈ আহি মাৰ্কেটতে পি এন চি, পুলকেশ বৰুৱা, হৰ্ষ দাস, প্ৰণৱ বৰা, শৈলেন দাস আদি কেবাজনো জেষ্ঠ সহকৰ্মীক লগ পালে। তেওঁলোকে অধৰ দাসৰ চাহ দোকানখনত বহি কিছু সময় আড্ডা মাৰিলে আৰু নানা কথাৰে অধৰৰ দোকান সাংস্কৃতিক মঞ্চলৈ ৰূপান্তৰ কৰিলে। সন্ধিয়াটো বন্ধু-বান্ধৱৰ লগত পাৰ কৰি প্ৰসেন ৰুমলৈ আহিল।

এম.এ. প্ৰিভিয়াচ পৰীক্ষাৰ মাৰ্কচিটখন চাই প্ৰসেন এক ভয়ংকৰ হতাশাত ভুগিবলৈ ধৰিলে। কি ৰিজাল্ট আছিল বি.এ.ত—কি ৰিজাল্টখন হ'ল এম.এ. প্ৰিভিয়াচত। সি মনটোক কোনোপধ্যে বুজাই ঠিক কৰিব পৰা নাই।

ঃ কলিতা—অ' কলিতা—বুলি দয়াল মজুমদাৰ তাৰ ৰুমলৈ সোমাই আছিল।

ঃ অ' মজুমদাৰ, বহক বিচনাতে—প্ৰসেনে ক'লে।

নাই—নবহোঁ—আপোনাক বিচাৰি ল'ৰা এজন আহিছিল গধুলি আপুনি ওলাই যোৱাৰ পাছতে। চিঠিৰ খাম এটা দি গৈছে। আপোনাৰ কিবা সম্পৰ্কীয় হয় বোলে। পাণ্ডুঘাটতে পানীজাহাজত কাম কৰে। —মজুমদাৰে কথাখিনি কৈ চিঠিখন প্ৰসেনক দি গ'লগৈ।

প্ৰসেনে খামটো খুলি চালে। এখন চিঠিৰ লগতে এখন সৰু কাগজৰ টুকুৰা এটাও আছে খামটোত। সি ততালিকে চিঠিৰ তলৰ নামটো চালে। ৰহিলা বায়েকে লিখা চিঠি। সি আচৰিত হ'ল। চিঠিখন পঢ়িলে সি—

মৰমৰ প্ৰসেন,

মৰম লবি। ৰহিলাবা বুলি এজনী যে বায়েৰ আছিল লিডাৰ হৈ পাহৰিয়েই গলি। তোৰ খবৰবোৰ অৱশ্যে পাই আছো। খবৰবোৰ পাই, ৰিজাল্ট পাই বৰ ভাল পাইছো—গাঁৱৰ লগৰ তিৰোতাবিলাকক কৈ গৌৰবো কৰো। আমাৰ এখেতে পেপাৰ এখন, দৈনিক অসম নে কি লয়। তাত মাজে মাজে তোৰ নাম থকা কিবিকিবি মোক পঢ়ি শুনায়—মই গপত ওফন্দি উঠো। তই বোলে হৰিপুৰ পামলৈ কেবামাহো যোৱা নাই। মই চাৰিদিনমান আগতে আইহঁতৰ ঘৰলৈ আহি ইয়াতে আছো। দুই-এদিনতে যাম। নীৰাৰো বোলে খবৰকে নকৰ। মেট্ৰিক পাছ কৰাৰ পাছত তাই পি. ইউ.ও পাছ কৰিলে। ত্ৰিনাথ কলেজত বি.এ.ত এডমিচন লৈছে। তই পৰীক্ষাৰ ৰিজাল্টৰ এবাৰো খবৰ নকৰাত তাই বৰ বেজাৰ পাইছে। হ'লেও মই কোৱা কথাবোৰ তোৰ নিশ্চয় মনত আছে। তই যিমানেই ডাঙৰ মানুহ নহৱ কিয়—আমাৰ মনত প্ৰসেনেই হৈ আছ—হৈ থাকিবি। ভিনীহিয়েৰেই তোৰ কথা কৈয়েই থাকে। সময় পালে এবাৰ আমাৰ পিনে যাবি। বেছি লিখি আমনি নিদিও দে, তোৰ বা পঢ়াৰ সময় আছে নে নাই? ইয়াৰ লগত দিয়া কাগজৰ টুকুৰাটো ও পঢ়িবি। ইতি তোৰ—

— ৰহিলাবা।

প্ৰসেনে চিঠিখন খোলোতে চিঠিখনৰ লগত থকা কাগজৰ টুকুৰাটো ইতিমধ্যে মাটিত পৰিছিল। বুটলি আনি পঢ়ি চালে—নাম নাই কাৰো। হ'লেও আখৰকেইটা নীৰাৰ বুলি চিনিবলৈ তাৰ অসুবিধা নহ'ল—তাই লিখিছে—'মই পি.ইউ. পাছ কৰিলো। আমাৰ ভাল। আপোনাৰ কেনে? তিনিটা বাক্যৰ কাগজৰ টুকুৰাটোৱে প্ৰসেনৰ মনত লগে লগে এক অদ্ভুত ভাবাবেগৰ দৃষ্টি কৰিলে। ৰহিলাবা আৰু নীৰাহঁতৰ খবৰ নৰখাৰ বাবে তাৰ নিজকে অকৃতজ্ঞ অকৃতজ্ঞ যেন লাগিল। অনুশোচনাই তাক পুৰিবলৈ ধৰিলে। সি সোনকালে—মানে দুই-এদিনতে হৰিপুৰ পামলৈ যাবলৈ ঠিক কৰিলে। কিন্তু শ্ৰীকান্ত শইকীয়া কলিকতাৰ পৰা আহি পাব দুই-এদিনতে। তেওঁৰ লগত চাকৰিটোৰ বাবে যাব লাগিব। চাকৰিটো কৰিবলৈ উদগ্ৰীব হৈ থকা প্ৰসেনে মনত এনেবোৰ কথা জুকিয়াই থাকোতে হেমন্ত পুনৰ হাজিৰ হ'ল তাৰ ৰুমত। তেতিয়া ৰাতি ১০ মানেই বাজিছিল।

ঃ হেমন্তই প্ৰসেনক দুৱাৰখনত টুকুৰিয়াই মাতিলে- "প্ৰসেন অ' প্ৰসেন"।

ঃ অ' হেঁমন্ত আহ—বহ, প্ৰসেনে ক'লে।

ঃ নাই নবহো দে—শ্ৰীকান্ত আজি আবেলিয়েই আহি পাইছে কলিকতাৰ পৰা। কাম নহ'ল বাবে গুচি আহিল। তোৰ কথাটো পাতিলো। কাইলৈ পুৱা তোক অফিচলৈ লৈ যাব কৈছে। মই নিম বুলি কৈছো তাক। ৰাতিপুৱা ৯ বজাৰ বাছখনতে যাব লাগিব। ১০ বজাত অফিচ পোৱাকৈ যাবলৈ কৈছে শ্ৰীকান্তই। তই ৰেডি হৈ থাকিবি—মই যাও এতিয়া—বুলি কৈ হেমন্ত গ'ল।

নানা চিন্তা-দুশ্চিন্তাৰ মাজতে হেমন্তৰ খবৰটোৱে প্ৰসেনৰ মনটো কিছু পাতল কৰি তুলিলে। হেমন্ত তাৰ পুৰণি বন্ধু—অতি প্ৰিয় আৰু স'ততে আনন্দ স্ফূৰ্তিৰে তাক দুখ বেদনাৰ পৰা আতৰত ৰাখে। হেমন্ত যোৱাৰ পাছত প্ৰসেনৰ বিশ্ববিখ্যাত লেখক লিওনাৰ্দ ৰাইটৰ কথাকেইষাৰমানলৈ মনত পৰিল। ৰাইটে কৈছিল—

"কাঠ যিমানেই পুৰণি হয়,
পুৰিবলৈ সিমানেই ভাল;
ঘোঁৰা যিমানেই পুৰণি হয়,
উঠিবলৈ যিমানেই ভাল,
পুৰণি মদ পিবলৈ ভাল,
পুৰণি কিতাপ পঢ়িবলৈ ভাল।
সেইদৰে পুৰণি বন্ধুত্বও
সদায়েই অধিক বিশ্বাসযোগ্য হয়।"

পিছদিনা ৯ বজাৰ ইউনিভাৰচিটি বাছত প্ৰসেন হেমন্তৰ লগত ৰিহাবাৰীত থকা

হিন্দুস্থান ষ্টীল কোম্পানীটোৰ অফিচলৈ গ'ল। ১০ বজাৰ আগে গৈ সিহঁত অফিচ পালে। গৈয়েই শ্ৰীকান্ত শইকীয়াক লগ ধৰিলে। শ্ৰীকান্তই ইতিমধ্যে ৯ মান বজাতেই মেনেজাৰজনৰ লগত প্ৰসেনৰ চাকৰিটোৰ বিষয়ে কথা পাতিছিল। হিন্দুস্থান ষ্টীল অফিচ পুৱা ৮-৩০ বজাতে আৰম্ভ হয়। মেনেজাৰে শ্ৰীকান্তৰ হতুৱাই প্ৰসেনক মতালে। বহিবলৈ দি চাহ-পানী দিলে। চাকৰি বিচাৰি গ'লেও প্ৰসেন এজন বিখ্যাত ছাত্ৰ নেতা—সেই কথা মেনেজাৰজনে জানে—সেই হিচাপেই প্ৰসেনৰ প্ৰতি সৌজন্যমূলক আচৰণ কৰিবলৈ নেপাহৰিলে।

ঃ মিঃ কলিতা—বৰ্তমান আমাৰ অফিচত খালি পোষ্ট নাই। ৩ মাহৰ ছুটীত এজন ক্লাৰ্ক যাব অহা পৰহি। আপুনি সদ্যহতে সেই ছুটীৰ পোষ্টটোতেই জইন কৰক। ইতিমধ্যে মই হেড অফিচৰ লগত যোগাযোগ কৰি পোষ্ট এটা চেংচন কৰাবলৈ যত্ন কৰো—বুলি অনা-অসমীয়া অফিচাৰজনে সুন্দৰকৈ অসমীয়াতে কথাখিনি ক'লে প্ৰসেনক।

ঃ হ'ব ছাৰ—আপুনি যিধৰণে ক'ব—মই তেনেকৈয়ে কৰিম—প্ৰসেনে ক'লে।

ঃ আপুনি পৰহি আহি জইন কৰিব– মেনেজাৰজনে ক'লে।

ঃ হ'ব ছাৰ– বুলি কৈ প্ৰসেনে ওলাই আহি শ্ৰীকান্ত আৰু হেমন্তক কথাখিনি ক'লে। "মানুহজন বৰ ভাল। তদুপৰি আপোনাৰ প্ৰতি মানুহজনৰ বৰ ভাল ভাব এটা আছে—সেয়ে না কৰা নাই বুলি শ্ৰীকান্তই মন্তব্য কৰিলে। হেমন্তৰ অফিচ আছে বাবে বেছি পলম নকৰি হেমন্ত আৰু প্ৰসেন তাৰ পৰা ইউনিভাৰচিটিলৈ আহিল।

মেনেজাৰজনে কোৱা মতেই প্ৰসেনে হিন্দুস্থান ষ্টীলেত সাময়িকভাৱে চাকৰিত জইন কৰিলে। তাৰ মুখলৈ পানী আহিল। এতিয়া ভালকৈ পঢ়ি এম.এ.টো ভালকৈ পাছ কৰাৰ বাবে সি আপ্ৰাণ চেষ্টা চলাব। কিছুদিন ৰাজহুৱা কামৰ পৰা পৰাপক্ষত সি আঁতৰি থাকিব। বহুত দিন বন্ধ হৈ থকা লেখা-মেলাৰ কামবোৰো এতিয়া সুস্থিৰভাৱে কৰিব পৰা হ'ব বুলি মনতে সি ভাবিলে।

প্ৰসেনে চাকৰিটোত পুনৰ জইন কৰাৰ খবৰটো পাই প্ৰসেনৰ পিতাক ৰজত মেম্বৰকে ধৰি মাক, ভায়েক-ভনীয়েকহঁতে বৰ আনন্দ পালে। দা-দৰমহাও ভাল। দয়াল মজুমদাৰৰ ভাড়াতীয়া ৰুমটোত থাকি সি মাজে মাজে দুই এটা ক্লাছ কৰা, লেখা-মেলা কৰা আদি কামত মনপুতি লাগি পৰিল। অফিচত মেনেজাৰজনে তাৰ পঢ়াশুনাৰ প্ৰতি লক্ষ্য ৰাখি তাক বিশেষ ব্যস্ততাপূৰ্ণ কাম দিয়া নাই। চাওতে চাওতে জুন মাহ পালে। জুন মাহত তাৰ এম.এ. ফাইনেল পৰীক্ষা। ইতিমধ্যে ঘৰলৈ সি নিয়মিতভাৱে দৰমহাৰ পইচা পঠাই ঘৰৰ প্ৰাণীকেইটাৰ ভাত মুঠিৰ অভাৱ নাইকিয়া কৰিছে। ঘৰলৈ সি যোৱা নাই—এম.এ. পৰীক্ষাটো ভালকৈ দিয়াৰ বাবে—ৰিজাল্টটো ভাল কৰাৰ বাবে সি আপ্ৰাণ চেষ্টা কৰিছে। পঢ়া-শুনাও কৰিছে দিন-ৰাতি

চেদ-ভেদ নোহোৱাকৈ। মাজতে ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সভা এখন স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ কাৰ্যালয়তে বহি গ'ল। সিও তাত উপস্থিত থাকি কিছু পৰামৰ্শ দিলে।

১৯৭৪ চনৰ পৰাই বিশিষ্ট গান্ধীবাদী নেতা ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্যতম হোতা জয়প্ৰকাশ নাৰায়ণে সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ একনায়কত্ববাদী শাসনৰ বিৰুদ্ধে দেশত এক সৰ্বাত্মক আন্দোলন আৰম্ভ কৰিছিল। প্ৰথমে বিহাৰত আৰম্ভ কৰা এই আন্দোলন সমগ্ৰ ভাৰতবৰ্ষত বিয়পি পৰিছিল। দেশখনত এক বৈপ্লৱিক পৰিবৰ্তনৰ আশাত বিশেষকৈ ছাত্ৰ-যুৱকসকলে আশাতীত সঁহাৰি জনাই এই আন্দোলনত একো একোজন বিপ্লৱী সৈনিক হৈ পৰিছিল। জয়প্ৰকাঁশে কৈছিল—"আমাৰ আন্দোলনৰ মূল লক্ষ্য হৈছে পূৰ্ণ বিপ্লৱ সাধন। আন কথাত ক'বলৈ গ'লে এই আন্দোলনৰ লক্ষ্য হৈছে সৰ্বসাধাৰণ ৰাইজৰ সমজুৱা আৰু ব্যক্তিগত জীৱনৰ উভয় ক্ষেত্ৰতে বৈপ্লৱিক পৰিবৰ্তন সাধন কৰা। এই আন্দোলনৰ উদ্দেশ্য কেৱল চৰকাৰ সলনি কৰাই নহয়—বৰং সমাজ আৰু প্ৰতিজন ব্যক্তিৰো উন্নতিমুখী পৰিবৰ্তন সাধন কৰা। আমি ইয়াক আংশিক বিপ্লৱ আখ্যা দিব পাৰো। হয়তো পূৰ্ণ আৰু আংশিক বিপ্লৱৰ মাজত বহু পাৰ্থক্য থাকিব পাৰে, কিন্তু মোৰ বাবে দুয়োটাৰে অৰ্থ একেই। এই লক্ষ্যত একেদিনাই অথবা এটা বা দুটা বছৰত উপনীত হোৱা নাযায়। এই লক্ষ্যত উপনীত হ'বৰ বাবে আমি দীৰ্ঘদিন সংগ্ৰাম চলাই যাব লাগিব।" জয়প্ৰকাশে বিহাৰকে ধৰি সমগ্ৰ দেশবাসীক এনে উদ্দেশ্যেৰে আন্দোলন সুসংগঠিত কৰি ভাৰতৰ প্ৰচলিত ৰাজনৈতিক অৰ্থনৈতিক আৰু সামাজিক কাঠামো ভাঙি নতুন জনমুখী কাঠামো গঢ়ি তোলাৰ বাবে আহ্বান জনাই দেশৰ সৰ্বত্ৰতে আন্দোলনৰ ধ্বনি প্ৰতিধ্বনিত কৰিবলৈ সমৰ্থ হৈছিল। আনকি তেওঁ দেশখনৰ চৰকাৰৰ জনবিৰোধী আইন আৰু আদেশ অমান্য কৰিবলৈ দেশৰ ৰাইজক আহ্বান জনাইছিল। দেশৰ কৰ্মচাৰী, পুলিচ বাহিনীকে ধৰি সামৰিক বাহিনীৰ লোককো চৰকাৰৰ অন্যায় আৰু জনবিৰোধী কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ অনুৰোধ জনাই আহ্বান দিছিল। জয়প্ৰকাশ নাৰায়ণৰ এনে আহ্বান আৰু দেশজুৰি চলা আন্দোলনত শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বৰ কংগ্ৰেছ চৰকাৰ বাৰুকৈয়ে শংকিত হৈ পৰি ত্ৰাহি মধুসুধন সুঁৱৰিব লগা হৈছিল। এনে শংকা আৰু আতংকৰ মাজতে ১৯৭২ ইং চনত হৈ যোৱা লোকসভাৰ নিৰ্বাচনত শ্ৰীমতী গান্ধীয়ে ব্যাপক ৰিগিং কৰা বুলি দাবী কৰি ৰায়বেৰেলিৰ আন এজন প্ৰাৰ্থী ৰাজনাৰায়ণে ইতিমধ্যে এলাহাবাদ হাইকোৰ্টত শ্ৰীমতী গান্ধীৰ নিৰ্বাচন প্ৰত্যাহ্বান জনাই মোকৰ্দমা এটাও ৰজু কৰিছিল।

প্ৰসেনইতৰ লগতে অসমৰ ছাত্ৰ সমাজৰ মাজতো জয়প্ৰকাশৰ আন্দোলনে গভীৰ প্ৰভাৱ পেলালে। স্বতঃস্ফূৰ্তভাৱে ছাত্ৰ-যুৱককে ধৰি জনসাধাৰণে

আন্দোলনটোৰ প্ৰতি সমৰ্থন জনালে। অসমতো জেপিৰ আন্দোলনৰ দুই-চাৰিটা কাৰ্যসূচী পালন কৰা হ'ল। তাৰ মাজতে জুন মাহৰ ১৫ তাৰিখে শেষ হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ এম.এ., এম.এচ.চি. পৰীক্ষা। পৰীক্ষা শেষ হোৱাৰ পাছত সদৌ অসম ছাত্ৰ সন্থায়ো জয়প্ৰকাশৰ আন্দোলনক পূৰ্ণ সমৰ্থন জনালে।

সেই চনৰে জুনত মহামান্য এলাহাবাদ হাইকোৰ্ট শ্ৰীমতী ইন্দিৰা গান্ধীৰ নিৰ্বাচন নাকচ কৰি ঐতিহাসিক ৰায় এটা দিলে। কেন্দ্ৰৰ কংগ্ৰেছ চৰকাৰ আৰু কংগ্ৰেছ দলৰ মাজত হাহাকাৰ লাগিল। ইপিনে জয়প্ৰকাশৰ দেশজোৰা গণ আন্দোলন— আনপিনে এলাহাবাদ হাইকোৰ্টৰ ৰায়—দুয়োটাই প্ৰধানমন্ত্ৰী গান্ধীৰ ৰাজনৈতিক জীৱনলৈ আৰু প্ৰধানমন্ত্ৰিত্বৰ প্ৰতি ভয়ংকৰ দুৰ্যোগ নমাই আনিলে। কংগ্ৰেছ চৰকাৰ আৰু নিজক নিশ্চিত পতনৰ পৰা ৰক্ষা কৰাৰ বাবে শ্ৰীমতী গান্ধীয়ে ১৯৭৫ চনৰ ২৬ জুন তাৰিখে ভাৰতীয় সংবিধানৰ ৩৫২ নং অনুচ্ছেদৰ গইনা লৈ ভাৰতত আভ্যন্তৰীণ জৰুৰী অৱস্থা (Internal Emergency) ঘোষণা কৰিলে। শ্ৰীমতী গান্ধীৰ এনে দেশদ্ৰোহী কাৰ্যৰ প্ৰতিবাদত দেশজুৰি প্ৰবল প্ৰতিবাদৰ ঢৌ উঠিল। এনে প্ৰবল প্ৰতিবাদক দমন কৰাৰ অৰ্থে আৰু জনতাৰ কণ্ঠৰোধ কৰাৰ বাবে শ্ৰীমতী গান্ধীয়ে জয়প্ৰকাশ নাৰায়ণকে ধৰি দেশৰ বিৰোধী ৰাজনৈতিক দলৰ নেতাসকলক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত নিক্ষেপ কৰিলে।

এনে প্ৰতিবাদ অসমতো সৰ্বত্ৰ বিয়পি পৰাত অসমতো বিৰোধী ৰাজনৈতিক দলৰ নেতা কিছুমানক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত প্ৰক্ষেপ কৰিলে। গোলাপ বৰবৰা, দুলাল বৰুৱা, বিশ্ব গোস্বামী, নিবাৰণ বৰা, ৰেণুকা দেৱী বৰকটকী, অজিত শৰ্মা, হৰেন্দ্ৰদেৱ গোস্বামী, বিজনলাল চৌধুৰীকে ধৰি বহু নেতা চৰকাৰৰ আক্ৰোশৰ বলি হৈ কাৰাগাৰত জীৱন কটাবলগীয়া হ'ল। বহু যুৱ-ছাত্ৰ নেতাকো চৰকাৰে চৰকাৰীবিৰোধী কাৰ্যকলাপত লিপ্ত হোৱাৰ মিছা অভিযোগত গ্ৰেপ্তাৰ কৰি কাৰাগাৰত থলে। সেইসকলৰ ভিতৰত খনিন মহন্ত, গকুল শইকীয়া, জ্ঞানেন্দ্ৰ চৌধুৰী, হৰেন গোস্বামী, লোহিত মহন্ত, পবিত্ৰ মজুমদাৰ আদিও আছিল। ছাত্ৰ নেতা প্ৰসেনজিতকে বন্দী কৰি ধুবুৰী জেলত আবদ্ধ কৰি ৰখা হ'ল।

জৰুৰী অৱস্থা জাৰি কৰি ৰাইজৰ বাক্-স্বাধীনতা চৰকাৰে সম্পূৰ্ণ হৰণ কৰিলে। বাতৰিকাকতবোৰ চেন্সৰ কৰি কেৱল চৰকাৰৰ জয়গুণ গোৱা বাতৰিহে পৰিবেশন কৰিবলৈ দিয়া হ'ল। সভা-সমিতি কৰা কাৰ্য বন্ধ কৰি দেশৰ জনসাধাৰণৰ মৌলিক অধিকাৰবোৰ খৰ্ব কৰা হ'ল। আনকি দোকান-পোহাৰতো মানুহে চৰকাৰবিৰোধী কথা পাতিব নোৱাৰা হ'ল পুলিচৰ ভয়ত। মুঠতে দেশত গণতান্ত্ৰিক ব্যৱস্থাটো ভৰিৰে মোহাৰি শ্ৰীমতী গান্ধীয়ে হিটলাৰৰ দৰে একনায়কত্ববাদী শাসন চলাই দেশৰ জনসাধাৰণৰ পানীত হাঁহ নচৰা অৱস্থা কৰিলে।

প্রসেনক বন্দী কৰি জেলত থোৱা খবৰটো পাই তাৰ ঘৰত হুৱাদুৱা লাগিল। চাকৰিটো কৰি কোনোমতে ঘৰখন অলপ থানথিত লগাইছিলহে মাত্ৰ—আকৌ কাল ৰাহুৱে ঘৰখন গ্ৰাস কৰিলে। কি কাকতল, কি জনকপুৰ, কি ত্ৰিনাথ সকলোতে চৰকাৰে প্ৰসেনক বন্দী কৰি জেলত থোৱা খবৰটো বিয়পি পৰিল। প্ৰসেনহঁতৰ ঘৰত প্ৰসেনৰ খবৰ লোৱা মানুহৰ ভিৰ হ'ল।

ঃ কি ক'বা হে বনমালীকা, চাকৰিটোত সোমাই কোনোমতে পৰিয়ালটোৰ পেটৰ ভাত মুঠিৰ অভাৱটো দূৰ কৰিছিল হে, তিনি বিঘা মাটিত বন্ধকৰ পৰা মোকোলাই কোনোমতে খেতিখন আগৰ দৰে কৰিব পৰা হৈছিলোহে—সকলো পানীত পৰিল—সকলো পানীত পৰিল—বুলি চৰম বেদনাত আহত ৰজত মেম্বৰে তেওঁৰ চোতালত প্ৰসেনৰ খবৰ ল'বলৈ উপস্থিত হোৱা বনমালী ডেকাকে ধৰি আন আন লোকসকলৰ ওচৰত নিজৰ হিয়াভৰা বেদনাৰ কথা ব্যক্ত কৰিলে।

ঃ তই বেজাৰ কৰিব নালাগে দে ৰজত—সিতো দেশৰ বাবেহে জেলৰ ভাত খাব লগা হৈছে—চোৰ-ডকাইতি কৰিতো নহয়— তই দেখোন জানই স্বাধীনতা আন্দোলনত মোৰ পিতা গজি মেম্বৰ আৰু মই দুয়ো জেল খাটিব লগা হৈছিল। কিমান দিননো ৰাখিব জেলত—দেশত যিহে অৱস্থা হৈছে—বেছিদিন এই চৰকাৰ তিকি নাথাকে, বুজিছ—বুলি মুক্তিযোদ্ধা বনমালী ডেকাই ৰজত মেম্বৰক সান্ত্বনা আৰু সাহস দিলে।

বনমালী ডেকাৰ কথাৰ আঁত ধৰি মণ্ডলুৱেও ক'লে—"বোলো আমাৰ পৰসেনক চৰকাৰে বেছিদিন জেলত ৰাখি থ'ব নোৱাৰে। সি ওলাই আহিব আৰু সি বৰ ভালকৈ ৰাইজক নেতৃত্ব দিব—সি ঘৰখন, গাঁওখনৰ লগতে দেশখনৰো নাম উজলাব বুলি মোৰ মনে কৈছে।"

এনেকৈ নানা জনে নিজ নিজ চিন্তা আৰু ধাৰণাৰে মন্তব্য দি ৰজত মেম্বৰৰ পৰিয়ালটোৰ দুখৰ সমভাগী হ'ল।

ইপিনে প্ৰসেনক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত থোৱা খবৰটো প্ৰসেনৰ অফিচৰ মেনেজাৰকে ধৰি আন আন সহকৰ্মীসকলে শুনিলে। মেনেজাৰজনে তেওঁৰ গ্ৰেপ্তাৰ আৰু কাৰাগাৰত থকা কথাটো হিন্দুস্থান ষ্টীলৰ হেড অফিচত জনাই দিলে। লগতে কি কাৰণে প্ৰসেনক মিছা (Maintainanace of Internal Security Act–MISA) আইনত গ্ৰেপ্তাৰ কৰি জেলত থোৱা হৈছে তাকো জনালে। হেড অফিচৰ পৰা ততালিকে প্ৰসেনক চাকৰিৰ পৰা নিমম্বিত কৰি কাৰণ দৰ্শোৱাৰ জাননী দিবলৈ ব্ৰাঞ্চ মেনেজাৰজনক নিৰ্দেশ দিলে। ব্ৰাঞ্চ মেনেজাৰজনে হেড অফিচৰ নিৰ্দেশ মৰ্মে প্ৰসেনক কাৰণ দৰ্শোৱাৰ জাননীখন দিলে ধুবুৰী জেলৰ জেইলাৰৰ জৰিয়তে। প্ৰসেনে কাৰণ দৰ্শোৱা জাননীখনৰ উত্তৰ দিলে যদিও উত্তৰত সন্তুষ্ট নহৈ হেড অফিচৰ এক

অৰ্ডাৰ যোগে তাক চাকৰিৰ পৰা বৰ্খাস্ত কৰিলে। জেলতে বৰ্খাস্তকৰণৰ আদেশটো পাই প্ৰসেন হতবাক হৈ পৰিল। লগে লগে তাৰ ঘৰখনৰ কথা মনত পৰিল আৰু দুৰ্ঘোৰ সংকটৰ সমুখীন হ'ব লগা হোৱাত হতাশ হৈ পৰিল। জেলৰ আন আন কাৰাবন্দী কেইজনমানে তাক হতাশ নহৈ সাহসেৰে জীৱনৰ মুখামুখি হ'বলৈ সাহস আৰু উদগনি দিলে।

ঃ তুমি হতাশ হৈ ভাঙি নপৰিবা। এই চৰকাৰ আৰু ক্ষমতাত বেছিদিন থাকিব নোৱাৰে। দেশৰ ৰাইজ তুঁহ জুই জ্বলা দি জ্বলি আছে। শ্ৰীমতী গান্ধীৰ একনায়কত্ববাদ উফৰি পৰিবলৈ আৰু বেছি দিন নাই"—বুলি জেলৰ অন্য এজন মিছা আইনত কাৰবাস খাটি থকা নেতাই প্ৰসেনক সান্ত্বনা দিলে।

চাকৰিৰ পৰা বৰ্খাস্তকৰণ কৰা কাৰ্যত প্ৰসেনৰ সহকৰ্মীসকলে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি হিন্দুস্থান ষ্টীলৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে আন্দোলনৰ কাৰ্য্যসূচী লোৱাৰ ভাবুকি দিলে যদিও জৰুৰীকালীন অৱস্থাৰ বাবে সেয়া হৈ নুঠিল। কৰ্তৃপক্ষই কৰ্মচাৰীসকলৰ আটাইকেইটা ইউনিয়নকে প্ৰসেনৰ বিষয়টোক লৈ কোনো আন্দোলন নকৰিবলৈ সকীয়াই দিলে। ইউনিয়নৰ নেতাসকলেও জৰুৰীকালীন অৱস্থাৰ ভয়ত বিশেষ একো ব্যৱস্থা ল'ব নোৱাৰিলে যদি প্ৰসেনক আৰ্থিকভাৱে সহায় কৰিবলৈ মিটিং পাতি সিদ্ধান্ত ল'লে। সেই মৰ্মে প্ৰসেনৰ পৰিয়ালক মাহে মাহে দুশকৈ টকা দিয়াৰ ব্যৱস্থা কৰিলে ইউনিয়নে।

হঠাত এদিন প্ৰসেনক জেলত দেখা কৰিবলৈ পিতাক ৰজত মেম্বৰ, পদুম কুমাৰ আৰু প্ৰসেনৰ দদায়েক যদুনন্দন ধুবুৰী জেল ওলাল। জেইলৰৰ হুকুম মতে এজন জেইল ৱাৰ্ডাৰে প্ৰসেনক খবৰটো দিলে। যদুনন্দনৰ ধুবুৰীত থকা বন্ধু এজনে ধুবুৰীৰৰ ডি. চি. অফিচৰ পৰা প্ৰসেনক দেখা কৰাৰ অনুমতি পত্ৰ এখন উলিয়াই দিছিল ৰজত মেম্বৰহঁতক। সেইখন দেখুৱাইহে ৰজত মেম্বৰহঁতে প্ৰসেনক ১৫ মিনিট সময়ৰ বাবে দেখা কৰিব পাৰিলে।

ঃ অ' বোপা প্ৰসেন—দুখ-বেজাৰ কৰি নাথাকিবি। আমি কাকতল আৰু জনকপুৰৰ ৰাইজখনে তোৰ মুক্তিৰ বাবে নামঘৰে নামঘৰে নাম ধৰি ভগৱানক খাটিছো। পিতাৰাকো দুখ কৰি থাকিবলৈ হাক দিছো। আমি ৰাইজখন তহঁতৰ পিছত আছো নহয়—বুলি পদুমকুমাৰে প্ৰসেনক সান্ত্বনা দিলে।

ঃ মই দুখ বেজাৰ কৰি থকা নাই—দদাই—কিমান দিননো ৰাখিব চৰকাৰে জেলত। কিছুদিন পিছতে এৰি দিবলৈ বাধ্য হ'ব—। পিছে গাগেলিৰ কেচটো দিশপুৰৰ ৰাজহ বিভাগত আছিল নহয়—সেইটোৰ খবৰ কিবা পালা নে নাই—তাকহে জানিব পৰা নাই—প্ৰসেনে ক'লে।

ঃ পালো—পালো—প্ৰসেন—। ৰাজহ বিভাগৰ চেক্ৰেটাৰীয়ে আমাৰ সপক্ষেই ৰায় দিছে বোলে কেচ্‌টোত। নামনি অসমৰ আয়ুক্তই দিয়া আদেশ মৰ্মে সিহঁতৰ

ম্যাদী পট্টা কেনচেল কৰিছে বোলে, দিশপুৰত কাম কৰা ভবেন কেৰাণীয়ে খবৰটো আমাক দিছে। তেওঁ সেই বিভাগতে কাম কৰে। পিছে অৰ্ডাৰটোহে এতিয়ালৈ আমাৰ হাতত পৰা নাই। দুই-চাৰি দিনৰ ভিতৰত অৰ্ডাৰটো ৰাইজক দিব বুলি কৈছে ভবেনে”— পৰম সন্তুষ্টিৰে কথাষাৰ ক'লে প্ৰসেনৰ পিতাক ৰজত মেম্বৰে।

ঃ যি নহওক—ভাল খবৰটো পালো—। পৃথিৱীত যে ন্যায় বুলি কথা এটা আছে—অন্যায়ৰ পথ যে পিছল—এই কেচটোৱে তাৰ এটা প্ৰমাণ—বুলি মন্তব্য কৰিলে প্ৰসেনে।

ঃ আপোনালোকৰ সময় শেষ হৈছে—১০ মিনিট বেছি সময় ল'লেই—বুলি জেইলৰজনে নিজে আহি ৰজত মেম্বৰহঁতক বহা কমটোৰ পৰা যাবলৈ অনুৰোধ কৰিলে।

ঃ হৈছে, হৈছে— আমি যাওঁৱেই— বুলি ৰজত মেম্বৰ, পদুম কুমাৰ আৰু যদুনন্দনে পুনৰ প্ৰসেনক দুখ-বেজাৰ নকৰি চাইচিতি চলিবলৈ কৈ জেলৰ পৰা ওলাই আহিল। তেওঁলোকক বিদায় দি প্ৰসেনেও তাৰ ৱাৰ্ডলৈ গ'ল। জেলৰ পৰা ওলাই অহাৰ সময়ত গেটৰ মুখতে ৰজত মেম্বৰে কান্ধত থকা গামোচাখনেৰে চকুৰ পৰা ওলাই অহা চকুপানীখিনি কোনেও নেদেখাকৈ মচি পেলালে। যদুনন্দনে ককায়েকে চকুপানী মোচা দৃশ্যটো নেদেখাকৈ নাথাকিল। পিতাক ৰজত মেম্বৰ, পদুম কুমাৰ আৰু যদুনন্দন যোৱাৰ পাছত প্ৰসেনৰ মনটো ফৰকাল ফৰকাল লাগিল। বহুত দিনৰ মূৰত তেওঁলোকক লগ পাই আৰু গাগেলিৰ কেচটো সম্পৰ্কে ৰাজহ সচিবেও ৰাইজৰ অনুকূলে ৰায় দিয়া কথাটো শুনি দীৰ্ঘদিনীয়া যুদ্ধ এখন শেষ হ'ল বুলি প্ৰসেনে বৰ আনন্দ লাভ কৰিলে। কাকতলৰ দুখীয়া খেতিয়ক ৰাইজৰ এই জয়ে যে সততা আৰু একতাৰ জয়কে সূচাইছে সেই কথাত প্ৰসেনৰ তিলমানো সন্দেহ নাই। জেলৰ তাৰ ৱাৰ্ডটোত সোমোৱাৰ আগে আগে সুদূৰৰ পৰা যেন বতাহত ভাঁহি আহিল সেই গীতটো—

“অ' আমাৰ গাঁও
আমাৰ গাঁৱৰ মান ৰাখি
মৰিবলৈ যাওঁ
আমি মৰিবলৈ যাওঁ ....।”

গীতটোৱে প্ৰসেনক ৰোমাঞ্চিত কৰি অপাৰ আনন্দ দিলে।

এদিন-দুদিনকৈ বন্দী জীৱনৰ দিনবোৰ পাৰ হ'বলৈ ধৰিলে প্ৰসেনৰ। মাজতে তাৰ বন্ধু দেৱনাথ আহি তাক জেলত লগ ধৰিলে। নেহৰুৰ Discovery of India, লৰি কলিনচ আৰু ডমিনিক লপিয়াৰিৰ Freedom at Midnight আৰু কে. সাগৰৰ 'The Naked Faquir' নামৰ কিতাপ কেইখন দি গ'ল প্ৰসেনক পঢ়িবলৈ।

ঃ হেৰি নহয় প্ৰসেন—আমাৰ এম.এ.ৰ ৰিজাল্ট দিলে— পাঁচদিনমানেই হ'ল—কওঁ-নকওঁকৈ দেৱনাথে কথাষাৰ ক'লে—

ঃ অ' হয় নেকি, তোৰ ৰিজাল্ট কেনে হ'ল—প্ৰসেনে সুধিলে।

ঃ মোৰ সিমান ভাল হোৱা নাই—চেকেণ্ড ক্লাছ চেকেণ্ড হৈহে পাছ কৰিলো—দেৱনাথে ক'লে।

ঃ মোৰ কেনে হৈছে ? তলমূৰ কৰিলি যে, ক' আকৌ।

ঃ তইও ফাৰ্ষ্ট ক্লাছ পোৱা নাই। চেকেণ্ড ক্লাছ ফৰ্থহে হৈছ—বুলি কও নকও কৈ ক'লে দেৱনাথে।

ঃ কথাটো ক'বলৈ তোৰ ইমান শংকা কিয়? মোৰটো পঢ়া-পাতি ভাল হোৱা নাছিল—পঢ়া অনুযায়ী ৰিজাল্ট ভালেই হৈছে—প্ৰসেনে হাঁহি হাঁহি ক'লে দেৱনাথক।

ঃ কলিতা বাবু—আপোনাক কোনোবা দুজন মানুহে দেখা কৰিবলৈ আহিছে—জেলৰ ৱাৰ্ডাৰ এজনে প্ৰসেনে দেৱনাথৰ লগত কথা পাতি থকা অৱস্থাতে আহি ক'লে প্ৰসেনক।

ঃ হয় নেকি? কোনবা আহিল—

ঃ বাৰু, বাৰু, প্ৰসেন আজিলৈ মই উঠো—কিবা কিতাপ পাতিৰ প্ৰয়োজন হ'লে মোক জনাবি। জেইলৰ অমল দাসক ক'লেই হ'ব—তেখেতৰ লগত মোৰ ভাল চিনা-জনা আছে—বুলি কৈ দেৱনাথ যাবলৈ উঠিল। সাক্ষাৎ কৰা ৰুমটোৰ পৰা ওলাই আহি দেৱনাথে অবন্তিকা আৰু অৰিন্দমক দেখা পালে কাষৰে আন এটা ৰুমত বহি থকা। ৰুমটোৰে পাৰহৈ যাবলৈ বুলি ৰুমটোত সোমোৱাত অবন্তিকা আৰু অৰিন্দমে থিয় হৈ দেৱনাথৰ লগত ভাল-বেয়া ভাব বিনিময় কৰিলে আৰু দেৱনাথ ওলাই গ'ল।

ঃ অ' অবন্তিকা—অৰিন্দম—তোমালোকে কেনেকৈ গম পালা হে মই এই জেলৰ কয়দী হৈ আছোহি? প্ৰসেনে সুধিলে।

ঃ বাতৰিকাকতত আপুনি ধুবুৰী জেলত থকা খবৰটো যোৱা পৰহি পাইছো। ডি. চি. মহোদয়ক আপোনাক দেখা কৰাৰ বাবে পৰহিয়েই আবেদন এখন দিয়াত আজি দেখা কৰিবলৈ দিলে—অৰিন্দম চৌধুৰীয়ে ক'লে।

ঃ ভালেই হ'ল দিয়া—ইয়াত থাকি কোনো আত্মীয়ক দেখা পোৱাটো বৰ টান। আজি পিছে দেৱনাথকো লগ পালো। যোৱাকালি গাঁৱৰ পৰা পিতাহঁত আহি গ'ল গৈ। তোমালোকৰ ভালতো? —প্ৰসেনে অবন্তিকা আৰু অৰিন্দমৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি কথাখিনি ক'লে।

ঃ ভালেই—মই বি. এ. ফাইনেল দিম। এখেতৰ প্ৰমোচন এটাও হোৱাৰ কথা। কণমানটো মানে দেবু আঁঠু কাঢ়িব পৰা হৈছে—অবন্তিকাই ক'লে কথাখিনি কোনো আঁৰবেৰ নৰখাকৈ।

ঃ বৰ ভাল খবৰবোৰ দিলা—অবন্তিকা।

ঃ অ'— আপোনাৰ বাবে এইখিনি খোৱা বস্তু আনিছো—খাব—ইয়াত চাব

নালাগে কমতে চাব। এইখন মোৰ কবিতাপুথি অলপতে প্ৰকাশ কৰিলো। পঢ়িব—পঢ়ি কেনে লাগিল জনাব—বুলি অবন্তিকাই 'স্মৃতিৰ পাপৰি' নামৰ তাইৰ কবিতাপুথিখন আৰু খোবাবস্তুৰ টোপোলাটো প্ৰসেনৰ হাতত দিলে। প্ৰসেনে বস্তুবোৰ লৈ কাষতে থ'লে—কবিতা পুথিখনৰ কেইটামান পৃষ্ঠা লুটিয়াই চালে প্ৰসেনে। কিছুসময় কথাপাতি অবন্তিকা আৰু অৰিন্দম গ'ল। প্ৰসেনেও তেওঁলোকে অনা বস্তুবোৰ লৈ তাৰ ৱাৰ্ডলৈ গৈ বস্তুবোৰ থৈ অবন্তিকাৰ কবিতাপুথিখন পঢ়াত লাগিল।

জেলত কিতাপপত্ৰবোৰ পঢ়ি থাকোতে দিনটো কেনেকৈ পাৰ হৈ সময়বোৰ সৰকি যাবলৈ ধৰিলে প্ৰসেনে গমেই নোপোৱা হ'ল। পিতাকৰ অসুখৰ বাবে ১০ দিনৰ পেৰলত মুক্তি লৈ ঘৰলৈ যোৱা খনিন মহন্তই পেৰল শেষ কৰি পুনৰ জেলত সোমাল। এইকেইদিন জেলৰ বাহিৰত থাকি জৰুৰী অৱস্থাৰ বিৰুদ্ধে ৰাইজ যে ক্ষোভ আৰু খঙত জ্বলি আছে তাৰ উমান পাই আহি প্ৰসেনহঁতক ক'লে মহন্তই।

ঃ বুজিছা প্ৰসেন—শুনিছো ইমাৰজেন্সি আৰু বেছি দিন নাথাকে। ইন্দিৰা গান্ধীয়ে বুজিব পাৰিছেঁ যে আৰু কিছুদিন ইমাৰজেন্সি থাকিলে দেশত সামৰিক বাহিনীয়ে বিদ্ৰোহ কৰিব। জনসাধাৰণ এক বিস্ফোৰণমুখী আগ্নেয়গিৰি হৈ আছে—মহন্তই ক'লে।

ঃ কথাবোৰ আমাৰ জেলৰ সতীৰ্থসকলৰ মাজতো আলোচনা হৈ আছে। ইন্দিৰা গান্ধীয়ে কিমান দিননো জুইক কাপোৰেৰে ঢাকি ৰাখিব। তোৰ জন এফ. কেনেডীয়ে কোৱা সেই কথাষাৰ মনত আছেনে? কেনেডীয়ে কৈছিল—"যি দেশৰ শাসনকৰ্তাই সঁচা আৰু মিছা মুকলিকৈ মানুহৰ মাজত চৰ্চা হোৱা আৰু বিচাৰ হোৱাটো নিবিচাৰে, সেই দেশৰ শাসনকৰ্তাই মানুহক ভয় কৰে।" শ্ৰীমতী গান্ধীৰো সেয়ে হৈছে। মানুহৰ ভয়ত তেওঁ নিজৰ ছাঁটোকে ভূত বুলি ভাবিবলৈ লৈছে।

ঃ বাহিৰত গৈ কিছুমান মানুহৰ কাণ্ড কাৰখান শুনি আহি আচৰিত হ'লো। আমাৰ অসমৰ বহু নেতা-পালিনেতাই—যিসকলে ইমাৰজেন্সিৰ আগলৈ শ্ৰীমতী গান্ধীৰ একনায়কত্বৰ বিৰুদ্ধে ডাঙৰ ডাঙৰ লেকচাৰ মাৰিছিল—সেইসকলে এতিয়া ইমাৰজেন্সিৰ সুফলৰ বিষয়ে চৰকাৰী মিটিঙত বোলে ভাষণ দি দি ধৰণী কঁপাই তোলা হৈছে, কি আচৰিত কথা—মহন্তই ক'লে।

ঃ সেই কথাটোত বিশেষ আচৰিত হ'ব লগা কিবা আছে বুলি মই নাভাবো। কিছুমান মানুহ আছে যিবোৰে কেৱল ওভতণি সোঁতত উটিবুৰি থাকিবলৈ ভাল পায়। আন কিছুমানে য'ত ব্যক্তিগত সা-সুবিধাৰ ৰেঙণি দেখে তালৈ সকলো মান-সম্ৰম এৰি দৌৰি যায়। এনেবোৰ কথা আৰু কাণ্ড আমাৰ ইতিহাসৰ পাতে পাতে আছেই দেখোন? এৰিক হ'ফাৰ নামৰ বিখ্যাত মানৱতাবাদীজনে কোৱা কথাখিনি পাহৰিলি নেকি? হ'ফাৰে কৈছিল—"এনে কিছুমান মানুহ আছে, যিবোৰ মানুহে যিখন হাতেৰে খায়, সেই হাতখনকেই কামুৰি দিয়ে। সেই একেবোৰ

মানুহেই যিপাট বুটজোতাৰ গোৰ খায়, সেই পাত বুটজোতাকেই চেলেকে।" ব'ল ব'ল লেকচাৰ মাৰি থাকিলে শুৱা নহ'বই। ৰাতি বহুত হ'ল—বুলি প্ৰসেনে কোৱাত দুয়ো নিজ নিজ বিছনাত শুই পৰিল।

১৯৭৬ চনৰ ২২ ফেব্ৰুৱাৰী। দেশত উমি উমি জ্বলা জুইয়ে সৃষ্টি কৰিব পৰা ভয়াবহ বিপদৰ কথা শ্ৰীমতী গান্ধীয়ে উপলব্ধি কৰিলে। এনেকৈ জোৰ কৰি ভাৰতৰ কোটি কোটি জনতাৰ কণ্ঠৰোধ কৰি একনায়কত্ববাদী শাসনেৰে দেশ চলাই থকাটো যে অসম্ভৱ সেই বুলি তেওঁ অনুধাৱন কৰিলে। জৰুৰী অৱস্থাত মানুহৰ মন মুহিবলৈ শ্ৰীমতী গান্ধীয়ে লোৱা কুৰিদফীয়া আঁচনিৰ সলনি যে ভাৰতৰ মানুহে বাক স্বাধীনতা বিচাৰিছে, দেশত গণতান্ত্ৰিক ব্যৱস্থাৰ পুনৰ প্ৰচলন বিচাৰিছে—জোৰ জুলুম আৰু অন্যায়ৰ পৰা মানুহে যে মুক্তি বিচাৰিছে—সেই কথা অতি ভালকৈ বুজি পালে। তেওঁৰ তোষামোদকাৰীসকলৰ তোষামোদে তেওঁক যে ইতিহাসৰ ডাষ্টবিনলৈ লৈ গৈ আছে—তাকো শ্ৰীমতী গান্ধীয়ে পলমকৈ হ'লেও বুজিবলৈ চেষ্টা কৰিলে। তেওঁৰ বিৰুদ্ধে মাত মতা নেতাসকলক কাৰাৰুদ্ধ কৰিও যে তেওঁলোকক পৰাজিত কৰিব পৰা নাই—সেই কথা বুজিবলৈ তেওঁৰ বাকী নাথাকিল। ভাৰতীয় দৰ্শনত হিংসাৰ স্থান নাই। হিংসাই হিংসাৰহে সৃষ্টি কৰে—সেয়ে তেওঁ উপলব্ধি কৰিলে যে তেওঁ লোৱা পথ ভুল পথ—দেশৰ জনগণক ততালিকে গণতান্ত্ৰিক প্ৰমূল্যসমূহ ঘূৰাই দি গণতান্ত্ৰিক চৰকাৰ জনগণক দিবলৈ তেওঁ সংকল্প ল'লে। এনেবোৰ ধাৰণাৰ বশবৰ্তী হৈ—শ্ৰীমতী গান্ধীয়ে দেশত জাৰি কৰা ইমাৰজেন্সি প্ৰত্যাহাৰ কৰিলে ১৯৭৭ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে। ৰাষ্ট্ৰপতিক শীঘ্ৰে দেশৰ নিৰ্বাচন পাতি এখন নিৰ্বাচিত চৰকাৰ গঠন কৰাৰ বাবে অনুৰোধ কৰিলে।

ইমাৰজেন্সি উঠিল। দেশৰ মানুহে স্বস্তিৰ নিশ্বাস পেলালে। বাতৰিকাকতসমূহে মুক্তমনে বাতৰি পৰিবেশন কৰিব পৰা হ'ল। ভাৰতৰ জনতাৰ কণ্ঠ খোল খালে। মানুহৰ জীৱন যাত্ৰাৰ সৰ্বস্তৰত স্বাভাৱিকতা ঘুৰি আহিল। দেশৰ নেতাসকলক জেলৰ পৰা মুক্ত কৰি দিলে। জেলৰ পৰা ওলাই নেতাসকল নিজ নিজ সত্ত্বা পুনৰ ঘূৰাই পাই ৰাইজৰ ওচৰলৈ ঢাপলি মেলিলে। দেশৰ ৰাজনৈতিক আকাশখন নতুন পোহৰেৰে আলোকিত হৈ উঠা দেখিলে ভাৰতৰ জনতাই। সেই আলোকেৰে আলোকিত হৈ ইমাৰজেন্সিৰ দুখ কষ্টবোৰ পাহৰিবলৈ ধৰিলে। অসমতে কাৰাৰুদ্ধ নেতাসকলক মুক্তি দিলে চৰকাৰে। অসমৰ ৰাইজেও ইমান দিনে পিঠিত লৈ ফুৰা দুখ আৰু ক্ষোভৰ ভাৰ-পাচিখন নমাই থৈ মুকলি আকাশত মুকলি মনে উশাহ-নিশাস কাঢ়িলে। প্ৰসেনেও মুক্তি পালে। মুক্তি পাই সি ধুবুৰীৰ পৰা গাঁৱলৈ—কাকলতলৈ গ'ল। কালতলত—ৰজত মেম্বৰৰ ঘৰত আনন্দৰ এছাটি জুৰ বতাহ বলিল।

ইমাৰজেন্সি উঠি যোৱাৰ লগে লগে দেশত ৰাজনীতিৰ এক নতুন সমীকৰণৰ

বাবে উখল-মাখল লাগিল। জয়প্ৰকাশ নাৰায়ণে অসুস্থ গাৰে দেশৰ বিৰোধী ৰাজনৈতিক দলসমূহক দেশখনৰ বৃহত্তৰ স্বাৰ্থত এক হৈ কংগ্ৰেছৰ বিৰুদ্ধে ঠিয় হ'বলৈ আহ্বান জনালে। মোৰাৰজী দেশাই, চৰণ সিং, জৰ্জ ফাৰ্ণাণ্ডেজ, চন্দ্ৰশেখৰ, ৰামধন, বিজু পাটনায়ক ৰাজনাৰায়ণ, অটল বিহাৰী বাজপেয়ী, লালকৃষ্ণ আদৱানী, মধুলিমায়া আদি নেতাসকলে সকলোবোৰ সৰু ডাঙৰ ৰাজনৈতিক দল লগ লগাই এটা দল গঠন কৰিবলৈ আলাপ-আলোচনাত মিলিত হ'ল। ছচিয়েলিষ্ট পাৰ্টি, কংগ্ৰেছ (সংগঠন), বি. এল. ডি., জনসংঘকে ধৰি কেবাটাও দল একত্ৰিত হৈ এটা দল গঠন কৰাৰ বাবে দিনে-ৰাতি দিল্লীত আলোচনা চলিল। সৰু সুৰা মতপাৰ্থক্য থাকিলেও জয়প্ৰকাশৰ মধ্যস্থতাত প্ৰায়বোৰ কংগ্ৰেছবিৰোধী দল মিলি জনতা পাৰ্টি নামৰ দল এটা গঠন কৰিলে। ইপিনে দেশত মধ্যৱৰ্তীকালীন সাধাৰণ নিৰ্বাচন ঘোষণা কৰিছে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে। সমগ্ৰ দেশত ৰাজনৈতিক উখল-মাখল লাগিল জনতা পাৰ্টি গঠন হোৱাৰ লগে লগে। কংগ্ৰেছৰ ভেটি খহিবলৈ ধৰিলে। বিশিষ্ট কংগ্ৰেছ নেতা, কেন্দ্ৰীয় মন্ত্ৰী জগজীৱনেও কংগ্ৰেছ এৰি 'কংগ্ৰেছ ফ'ৰ ডেমেক্ৰেচি' নামৰ দল এটা গঠন কৰি জনতা পাৰ্টিক সমৰ্থন জনালে। জগজীৱনৰ দৰে আচাৰ্য জে. বি. কৃপালনীকে ধৰি বহু বিশিষ্ট নেতাই জনতা পাৰ্টিত চামিল হ'ল। দেশত নিৰ্বচনৰ ধুমুহা বতাহ বলিল। ৰাইজে নিসন্দেহে ধৰি ল'লে এই জনতা টৌত কংগ্ৰেছৰ ঘৰ ভাঙি-ছিঙি উছন হ'ব আৰু ইন্দিৰা গান্ধীৰ ৰাজনৈতিক জীৱনে ইতিহাসৰ ডাষ্টবিনত ঠাই ল'ব।

১৯৭৭ চনৰ এপ্ৰিল মাহ । দেশত লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ল। জনতা টৌৱে সমগ্ৰ ভাৰতবাসীক আসন্ন কৰিলে। সকলোতে কংগ্ৰেছ দল ধৰাশায়ী হ'ল। শ্ৰীমতী গান্ধী নিজে নিৰ্বাচনত পৰাজিত হ'ল। জনতা পাৰ্টি আৰু আন আন সহযোগীসকলে দেশত চৰকাৰ গঠন কৰিব পৰাকৈ একক সংখ্যা গৰিষ্ঠতা লাভ কৰিলে। জনতা পাৰ্টিৰ সংসদীয় দলৰ নেতা নিৰ্বাচন লৈ এখন শ্বাসৰুদ্ধ নাটকৰ সৃষ্টি হ'ল যদিও জয়প্ৰকাশ নাৰায়ণৰ প্ৰচেষ্টাত তেনে নাটকৰ অন্ত পৰিল। মোৰাৰজী দেশাইক জনতা পাৰ্টিৰ সংসদীয় দলৰ নেতা পাতিলে। দেশাইয়ে ভাৰতৰ প্ৰধান মন্ত্ৰী হিচাপে শপত লৈ দেশৰ গণতান্ত্ৰিক কাঠামো ঘূৰাই আনিলে।

ইপিনে প্ৰসেনে ঘৰত দুদিনমান থাকি গুৱাহাটীলৈ আহিল। বিশ্ববিদ্যালয়ত থকা দয়াল মজুমদাৰৰ ভাড়াতীয়া ৰুমটোলৈ আহি ৰুমৰ বস্তু-বাহানিবোৰ ঠিক ঠাক কৰিলে। দেৰ বছৰ যদিও সি জেলত থাকিল তাৰ কাপোৰ-কানিকে ধৰি ৰুমটো দয়ালৰ ঘৈণীয়েক দময়ন্তীয়ে চাফ-চিকুণ কৰি ৰাখিছিল। সি তাৰ কিতাপ পত্ৰবোৰ জাৰি জোকাৰি কিছু চাফ-চিকুণ কৰিবলৈ ধৰিলে।

ঃ 'প্ৰসেন—অ' প্ৰসেন'—বুলি পি এন চি, ভট্টাচাৰ্য, শৈলেন দাস তাৰ ৰুমলৈ সোমাই আহি তাক অভিনন্দন জনালে। সি তেওঁলোকৰ শুভেচ্ছা গ্ৰহণ কৰি

'বহক—বিছনাতে বহক' বুলিকৈ হাত দুখন ধুই আহিল। আটাইকেইজনে নানাধৰণৰ ৰাজনৈতিক কথা পাতিলে।

ঃ বুজিছে কলিতা—অসমতো জনতা পাৰ্টিৰ শাখা গঠন হৈছে। আমি জনতা পাৰ্টিতে যোগদান কৰা ভাল হ'ব। আপুনি পানীত নামিছে যেতিয়া—মাছ ধৰিবই লাগিব। অসমত এতিয়াও কংগ্ৰেছ চৰকাৰ— শৈলেন দাসে ক'লে।

নাই, নাই, তোৰ কথাত মই একমত নহয়। আমি অসমত আঞ্চলিক দল এটাহে গঠন কৰিব লাগিব আৰু আঞ্চলিক দলৰ চৰকাৰ গঠন কৰি দিল্লীৰ বৈষম্যৰ বিৰুদ্ধে যুঁজিব লাগিব—পি এন চিয়ে ক'লে।

ঃ কিন্তু ইমান কম সময়ৰ ভিতৰত দল এটা গঠন কৰি নিৰ্বাচন খেলি চৰকাৰ গঠন কৰাটো ইমান সহজ হ'ব বুলি মই নাভাবো। তদুপৰি সমগ্ৰ দেশ জনতা পাৰ্টিৰ ঢৌয়ে আসন্ন কৰি ৰাখিছে। অসমতো সেই ঢৌ বিৰাজমান। সোঁতৰ বিপৰীতে গৈ এই সময়ত যুঁজাটো টান হ'ব। সেয়ে কলিতাই নিৰ্বাচন খেলক তেওঁৰ ঘৰুৱা সমষ্টিৰ পৰা—জনতা পাৰ্টিৰ সমৰ্থন লৈ—। আমি আটায়ে জনতা পাৰ্টিৰ অসমৰ নেতা সকলক বুজাই-বঢ়াই সন্মত কৰিবলৈ চেষ্টা কৰি চাও। মোৰ বিশ্বাস প্ৰসেনৰ দৰে বিশিষ্ট আৰু সংগ্ৰামী ছাত্ৰ নেতা এজনক তেওঁলোকে নিশ্চয় সমৰ্থন দিব—গভীৰভাৱে চিন্তা কৰি কৃষ্ণগোপাল ভট্টাচাৰ্যই কথাষাৰ ক'লে।

এনেকৈ আলোচনা কৰি আটাই কেইজনে পি এন চিৰ হোষ্টেললৈ গ'ল। তাত একেলগে ভাত খাই পি এন চিৰ ৰুমতে কিছু সময় জিৰণি ল'লে।

ঃ আপোনালোকে যি ভাল দেখে কৰক—আপোনালোকে যি ধৰণে ক'ব মই সেই মতে আগবাঢ়িম। অৱশ্যে আমাৰ ত্ৰিনাথ সমষ্টিত জনতা পাৰ্টিৰ তেনে সবল প্ৰাৰ্থী মোৰ চকুত পৰা নাই। তাত নিৰ্দলীয় হিচাপে উঠিলে জনতা পাৰ্টিয়ে হয়টো মোক সমৰ্থন দিব"- প্ৰসেনে ক'লে।

ঃ নিৰ্বাচনলৈ প্ৰায় ৯ মাহ মানেই আছে যদিও প্ৰস্তুতি কিন্তু এতিয়াৰ পৰাই কৰি লাগিব। প্ৰসেনে সমষ্টিটোৰ চুকে কোনে ঘুৰি ৰাইজৰ বিশ্বাসযোগ্যতা আদায় কৰিব লাগিব—শৈলেন দাসে মন্তব্য কৰিলে।

বহু ধৰণৰ কথা পাতিলে প্ৰসেন, পি এন চি, ভট্টাচাৰ্য, দাস আদিয়ে। তাৰ মাজতে প্ৰসেনে বিশ্ববিদ্যালয় চৌহদ এৰি উজান বজাৰত মেচ এটাত থকাৰ ব্যৱস্থা কৰা বুলি তেওঁলোকক জানিবলৈ দিলে। ৰাজনীতিৰ কেন্দ্ৰ যিহেতু গুৱাহাটীহে— সেয়ে বিশ্ববিদ্যালয় এৰি গুৱাহাটীত থকাটোৱেই যুগুত হ'ব বুলি আটাইকেইজনে মন্তব্য কৰিলে।

এপ্ৰিল মাহৰ ১ তাৰিখ। প্ৰসেনে বিশ্ববিদ্যালয় এৰি উজানবজাৰ পালেগৈ। তাত এটা মেচত সি থাকিবলৈ ল'লে। বন্ধু-বান্ধৱসকলৰ উপৰিও হিন্দুস্থান ষ্টীলৰ তাৰ সহকৰ্মীসকলে প্ৰসেনক আৰ্থিকভাৱে সহায় কৰি থাকিল। সকলোৱে প্ৰসেনক

আগন্তুক নির্বাচনত প্ৰাৰ্থী হ'বলৈ উৎসাহ দিলে।

১০ এপ্ৰিলৰ আবেলি প্ৰসেন বলীন কম্পাউণ্ডাৰৰ ঘৰলৈ গ'ল। বোধনৰ কোৱাৰ্টাৰ পাৰ হৈ বলীন কম্পাউণ্ডাৰৰ কোৱাৰ্টাৰ। বোধন তেতিয়া হাস্পতালত ডিউটি কৰিয়েই আছে।

ঃ তোমাক জেলত ভৰাই থোৱা খবৰটো পাই আমি বৰ চিন্তিত হৈ আছিলো—দেশখনত যে কি পৰিস্থিতি হৈছিল—কথাবোৰ পতাই মস্কিল আছিল—তাতে পুলিচ হাস্পতাল"— বলীন কম্পাউণ্ডাৰে প্ৰসেনক পাই উলাহত কথাখিনি ক'লে। এনেতে বোধনো আহি বলীন কম্পাউণ্ডাৰৰ ঘৰ পালে। সি প্ৰসেনক সাবটি ধৰিলে। তাৰ চকুত আনন্দৰ দুটোপাল অশ্ৰু বৈ আহি প্ৰসেনৰ গাত পৰিল। বলীন কম্পাউণ্ডাৰ, কম্পাউণ্ডাৰৰ পত্নী সৰলা, বোধন, বকুলী সকলোৱে মিলি চাহ-তামোল খাই স্ফূৰ্তি কৰিলে।

ঃ বুজিছা বোধনকা—মই উজান বজাৰত নতুন মেচ এটালৈ আহিছো। তুমি হৰিচৰণ আৰু শিৱনাথক খবৰ দিয়া। আমি আটায়ে মোৰ মেচত খানা এটা খাম—প্ৰসেনে ক'লে।

ঃ হ'ব—হ'ব—হৰিচৰণ অলপতে আহিছিলেই আমাৰ ইয়ালৈ। সি দৰঙৰ কোনোবা এখন স্কুলত চাবজেক্ট টিচাৰ নে কি হৈছে। শিৱনাথটো গাঁৱৰ হাইস্কুলখনতে মাষ্টৰ হৈছে। তোমাৰ খবৰ কিবা পাইছো নেকি সুধিছিল—বোধনে ক'লে।

ঃ হয় নেকি—তুমি সিহঁতক খবৰ দি মাতি আনা—প্ৰসেনে ক'লে।

ঃ পিচে প্ৰসেন—ইকানে-সিকানে শুনিছো তুমি বোলে ইলেকচন খেলিবা? হয় নেকি? —বলীন কম্পাউণ্ডাৰে সুধিলে।

ঃ বন্ধু-বান্ধৱ আৰু ৰাইজে বৰকৈ ধৰিছে। এতিয়াও সিদ্ধান্ত লোৱা নাই। চাওচোন কি কয় সময়ত—প্ৰসেনে ক'লে।

ঃ নাই, নাই ইলেকচন তুমি খেলিবই লাগিব। আমিও তোমাক যি পাৰো সহায় কৰিম। মুঠতে এই চৰকাৰখন খেদিব লাগিব—বলীন কম্পাউণ্ডাৰে জোৰ দিয়েই কথাখিনি ক'লে।

বলীন, বোধনহঁতৰ লগত কথাপাতি প্ৰসেন উজানবজাৰৰ তাৰ মেচলৈ আহিল। মেচ পাই তাৰ ৰুমৰ বাৰণ্ডাত থকা টুলখনত বহি থকা তাৰ পেহীয়েকহঁতৰ গাঁৱৰ প্ৰদ্যুতক দেখি প্ৰসেন আচৰিত হ'ল। প্ৰদ্যুতক প্ৰসেনে জানে। নীৰাহঁতৰ কাষতে ঘৰ। সি আভ্যন্তৰীণ জল পৰিবহণৰ পাণ্ডু ঘাটত কাম কৰে।

ঃ কি হে প্ৰদ্যুৎ—এই সন্ধিয়াখন ক'ৰ পৰা কেনেকৈ আহিলা? —প্ৰসেনে সুধিলে।

ঃ মই যোৱা তিনিদিন ঘৰতে আছিলো। আজি পুৱা আহিছো। তুমিতো জানাই, মই পাণ্ডু ঘাটতে থাকো। আজি ঘৰৰ পৰা আহোতে নীৰাই তোমালৈ চিঠিখন দি পঠাইছে মোৰ হাতত। মোক শপত দি কৈছে চিঠিখন তোমাক আজিয়েই দিবলৈ।

সেয়ে ৪ বজাত ডিউটি শেষ কৰি তোমাক বিচাৰি এইখিনি পাইছোঁহি— প্ৰদ্যুতে ক'লে।

ইতিমধ্যে প্ৰসেনে ৰুমটো খুলিলে—'আহা, আহা' ৰুমলৈ আহা বুলি প্ৰদ্যুতক নি ৰুমত থকা চকীখনতে বহিবলৈ ক'লে। প্ৰদ্যুতে নীৰাৰ চিঠিখন প্ৰসেনক দিলে। প্ৰসেনে ওপৰে ওপৰে চিঠিখন পঢ়ি নাৰ্ভাচ হৈ যে পৰিল সেইটো প্ৰদ্যুতে বুজি পালে।

ঃ মই যাও—ৰাতিও হ'ল—কাইলৈ পুৱাই ডিউটি আছে—বুলি কৈ প্ৰদ্যুৎ যাবলৈ ওলাল।

ঃ আজি ইয়াতে থাকা—কালি পুৱাই যাবা—প্ৰসেনে ক'লে।

ঃ পুৱা ৬ বজাতে ডিউটি ধৰিব লাগিব—ইয়াত থাকিলে নোৱাৰিম বুলি কৈ প্ৰদ্যুত গ'ল। প্ৰসেনে তাক উজান বজাৰৰ চ'কত চিটি বাছত উঠাই দি মেচলৈ গ'ল। মেচ পাই সি নীৰাৰ চিঠিখন আৰু এবাৰ ভালকৈ পঢ়িলে। নীৰা মানে নৈৰঞ্জনাই লিখিছে চিঠিখন—

পূজনীয় বৰেষু, ১১।৪।৭৭

সেৱা ল'ব। আমাৰ ভাল। আপোনাৰো ভাল বুলিয়েই ধৰি লৈছো। মোৰ বি.এ. ফাইনেল পৰীক্ষা ২১ এপ্ৰিলৰ পৰা আৰম্ভ হৈ ৫ মেত শেষ হ'ব। বিশেষ বিপদ এটাত পৰিহে চিঠিখন লিখিব লগা হ'ল। পিতাই মোক বিয়া দিয়াৰ বাবে হাইস্কুলত কাম কৰা ল'ৰা এজন ঠিক কৰিব খুজিছে। মোৰ তলৰ ভনীজনীকো একেলগে বিয়া দিব। ল'ৰা এজন ঠিক কৰি বিয়াৰ দিনো প্ৰায় ঠিকেই কৰিছে। মই এতিয়াই বিয়াত নোসোমাও বুলি কোৱাত ঘৰৰ মানুহখিনিয়ে খং কৰিছে। 'তলৰ জনী বিয়া দি ওপৰৰ জনীক নিদিলে মানুহে মোক কি ক'ব বুলি পিতাই নানা চিন্তাত পৰি মোৰ ওপৰত খং কৰি আছে। মই আইক কৈছো যদি মই বিয়া হ'ব লাগে—প্ৰসেনৰ লগত হে হ'ম—। আনৰ লগত বিয়াত মই কেতিয়াও নবহো। গতিকে আমাৰ ঘৰখনত এইকেইদিন বিয়াৰ কথাটোৱে উতপ্ত পৰিবেশৰ সৃষ্টি কৰিছে। আইৰ পৰা কথাটো শুনি পিতাই কৈছে বোলে তেওঁ আজি কেইদিনমান আগতে জেলৰ পৰা ওলাইছেহে—তদুপৰি চাকৰিটোও নাই—কেনেকৈ বিয়া পাতিব বা বিয়া পাতি সংসাৰ চলাবই বা কেনেকৈ। এনে পৰিস্থিতিত মই কি কৰো ভাবি একো উবাদিহ পোৱা নাই। আপুনি দুই-এদিনতে এবাৰ আমাৰ ঘৰলৈ আহি কি কৰিলে ভাল হয় পিতাহঁতৰ লগত আলোচনা কৰিব বুলি আশা কৰিলো। ইতি— আপোনাৰ-

নীৰা

চিঠিখন পঢ়ি প্ৰসেন বৰ দোমোজাত পৰিল। এই সময়ত নীৰাক এনে বিপদৰ পৰা কেনেকৈ উদ্ধাৰ কৰা যায় তাক ভাবি সি উৱাহ-দিহ নোপোৱা হ'ল। ইপিনে নিৰ্বাচনলৈও বেছি দিন বাকী নাই। প্ৰসেনে ভাত কেইটামান খাই শুলে যদিও বিনিদ্ৰ ৰজনী এটাহে সি পাৰ কৰিলে। পুৱা ৬-৩০ বজাৰ ইউনিভাৰচিটি বাছত সি

ইউনিভাৰচিটিলৈ গ'ল। ঠিক কৰিলে পি এন চি, ভট্টাচাৰ্য আৰু শৈলেন দাসৰ লগত নীৰাৰ বিষয়টো আলোচনা কৰিব। নীৰাৰ পিতাকে ঠিকেই ভাবিছে কথাটো— ডাঙৰজনী বিয়া নোহোৱাকৈ সৰুজনী বিয়া হ'লে—সমাজে ডাঙৰজনীক হেয় চকুৰে চাব পাৰে—বাছত আহোতে প্ৰসেনে এইবোৰ কথাকে ভাবি ভাবি কেতিয়া মাৰ্কেট ষ্টপেজ পালে ক'বই নোৱাৰিলে। মাৰ্কেটত নামি সি পি এন চিৰ হোষ্টেললৈ গ'ল। পি এন চিয়ে প্ৰসেনৰ লগত চাহ-পানী খাই হোষ্টেলৰ চকীদাৰজনক ভট্টচাৰ্য্যক আৰু শৈলেনক মাতিবলৈ ক'লে। কিছু সময় পিছত দুয়ো পি এন চিৰ ৰুমলৈ আহিল। প্ৰসেনৰ পৰা সকলো কথা শুনিলে।

ঃ যদি ঘটনাটো তেনেকুৱাই আৰু যদি প্ৰসেনে নীৰাকেই বিয়া কৰাবলৈ সিদ্ধান্ত লৈ থৈছে—তেনেহ'লে বিয়াখন নীৰাৰ পৰীক্ষাৰ পাছতেই পাতক—শৈলেনে ক'লে।

ঃ কিন্তু বিয়া এখন পাতিবলৈ পইচাতো লাগিব। আপুনিটো জানেই মই বৰ্তমান কেনে পৰিস্থিতিত আছো। ঘৰৰ পৰা এপইচাও খৰচ কৰাৰ সামৰ্থ্য পিতাৰ নাই— এনে স্থলত ইমান ডাঙৰ কথা এটাত ৰিস্ক কেনেকৈ লোৱা যায়—প্ৰসেনে ক'লে।

ঃ তুমিতো নীৰাক বিয়া কৰাবলৈ বদ্ধপৰিকৰ। ঠিক আছে, নীৰাৰ ঘৰত নীৰা আৰু নীৰাৰ পিতাকক তুমি জনাই দিয়া আৰু যিহেতু নীৰাৰ পৰীক্ষা ৫ মেত শেষ হ'ব—১৫ মে মানত বিয়াখন পাতি দিয়া। বিয়াৰ সকলো খৰচৰ দায়িত্ব আমি লম। তুমি চিন্তা কৰিব নালাগে—পি এন চিয়ে ক'লে।

ঃ ঠিক আছে—পি এন চিয়ে কোৱা মতেই আপুনি কৰক আমি আমাৰ ফালৰ পৰা কৰিব লগাখিনি কৰিম—বুলি ভট্টাচাৰ্য আৰু দাসেও পি এন চিৰ মতকে সমৰ্থন কৰিলে।

আজি ৰাতি বলীন কম্পাউণ্ডাৰৰ ঘৰত খানা। হৰিচৰণ, শিৱনাথ, বোধনহঁতে পাতিছে। কাইলৈ তাৰ বিয়াৰ প্ৰস্তাৱ লৈ প্ৰসেন নিজৰ ঘৰলৈ যাব—যাব নীৰাহঁতৰ ঘৰলৈও। ইপিনে ৰাজ্যত ইলেকচনৰ বা-বতাহ বলিছেই। সন্ধিয়া ৭ বজা মানতেই বলীন কম্পাউণ্ডাৰৰ ঘৰত খানাৰ আয়োজন চলিল। হৰিচৰণ, শিৱনাথ আৰু প্ৰসেনে বোধনৰ কোৱাৰ্টাৰত সুৰ-সমলয় পাতি গোটেই হস্পিতাল কেম্পাচ গীত মাতেৰে ঝংকাৰিত কৰি তুলিলে। বলীন কম্পাউণ্ডাৰ, সৰলা আৰু বকুলীয়ে ৰন্ধা-বঢ়া কামত লাগিছে যদিও মাজে মাজে বোধনৰ ৰুমলৈ আহি হৰিচৰণহঁতৰ সুৰ-সমলয়ত গীত দুটা-এটা শুনি গৈছে। ৰাতি প্ৰায় ১০ টা মান বাজিল। ভাত খোৱাৰ বাবে বলীন কম্পাউণ্ডাৰে প্ৰসেনহঁতক মাতিলে। সিহঁতে গীত-মাত সামৰি ভাত খাবলৈ গ'ল। ভাত খাই উঠি প্ৰসেনে তাৰ বিয়াৰ কথাটো উলিয়ালে। প্ৰসেনৰ বিয়াৰ কথা শুনি সকলোৰে আচৰিত হ'ল।

ঃ ঠিকেই আছে—প্ৰসেনে ভাল সিদ্ধান্তকে লৈছে—প্ৰসেনৰ পৰা বিয়া সম্পৰ্কীয় সকলো কথা শুনাৰ পাছত বলীন কম্পাউণ্ডাৰে মন্তব্য কৰিলে।

ঃ আমি সকলোৱে প্ৰসেনক বিয়াখন পতাত সহায় কৰিব লাগে যিয়ে যেনেকৈ পাৰো—বোধনে ক'লে।

হৰিচৰণ, শিৱনাথ, বোধন, বলীন কম্পাউণ্ডাৰ সকলো বিয়াখনত তাক আৰ্থিকভাৱে সহায় কৰাৰ প্ৰতিশ্ৰুতি দিলে। হৰিচৰণ প্ৰসেনৰ লগত তাৰ মেচলৈ গ'ল। শিৱনাথ বলীন কম্পাউণ্ডাৰৰ ঘৰতে শুলে।

পিছদিনা প্ৰসেন ৰাতিপুৱাৰ মেইল ট্ৰেইন এখনত গুৱাহাটীৰ পৰা ঘৰলৈ গ'ল। ১১টা মান বজাত সি ঘৰ পালে। পিতাক ৰজত মেম্বৰে চোতালতে কিবা কাম এটা কৰি আছিল। হঠাত প্ৰসেনক চোতালত দেখি ৰজত মেম্বৰ আচৰিত হ'ল—আচৰিত হ'ল প্ৰসেনৰ মাক মায়াৱতীও। কাপোৰ সলাই মুখ-হাত ধুই প্ৰসেনেও চোতালতে পাৰি থোৱা ঢাৰিখনতে বহিল।

ঃ কোনো খবৰ-খাটি নিদিয়াকৈ হঠাৎ আহিলি যে প্ৰসেন? —পিতাকে সুধিলে।

ঃ বিশেষ এটা কামৰ বাবে আহিব লগা হ'ল—চিন্তান্বিত প্ৰসেনে ক'লে। প্ৰসেন যে কিবা এটা গভীৰ চিন্তাত পৰিছে—তাৰ মুখখন দেখিয়েই পিতাক ৰজত মেম্বৰে ধৰিব পাৰিলে।

ঃ পিতা—মই মোৰ বিয়া পাতিবলৈ ঠিক কৰিছো? —প্ৰসেনে ক'লে।

ঃ কি কলি বিয়া? এনে সময়ত—এনে অৱস্থাত—ৰজত মেম্বৰ আচৰিত হৈ কথাখিনি ক'লে।

ঃ অহা ১৫ মেত বিয়াখন পাতিম বুলি মই মোৰ বন্ধু-বান্ধৱসকলৰ লগত আলোচনা কৰি এক প্ৰকাৰ ঠিকেই কৰিছো। তেওঁলোকেই টকা-পইচা দি বিয়াখনৰ খৰচ বহন কৰিব।

ঃ কিন্তু শুনিছো তই বোলে এইবাৰ ইলেকচনত উঠিবি। ইলেকচনলৈ বেছি দিন নাই। তাৰ আগতে বিয়া? ছোৱালী ক'ৰ? – পিতাকে সুধিলে।

ঃ কিয় তুমিয়েই দেখোন হৰিপুৰ পামৰ—নীৰা নামৰ ছোৱালীজনীক পেহীহঁতৰ ঘৰত দেখি 'এই ছোৱালীজনীক মই আমাৰ প্ৰসেনৰ বোৱাৰী কৰি নিম— তই কি কৱ" বুলি আজি এমাহমান আগতে কৈছিলা বোলে পেহীক? ময়ো তোমাৰ কথাখিনি শুনি আইও বোলে নীৰাৰ মাকক নীৰাক প্ৰসেনলৈ নিম বুলি কথা দি আহিছেই বোলে।

ঃ অনাথৰ, অনাথৰ ছোৱালীজনীয়েই নেকি? ছোৱালীজনী বাৰু ঠিকেই আছে। মাৰ আৰু মই অৱশ্যে তাইৰ মাক-বাপেকক কথা দিয়াৰ দৰে হৈছে। পিছে টকা-পইচাৰ কথাটোহে কি হয়—মনত অলপ আনন্দ কিছু নিৰানন্দ অনুভৱ কৰি ৰজত মেম্বৰে কথাখিনি ক'লে।

ঃ যাচোন যা ধন আমাৰ দাদাহঁতক মাতি আন—বুলি প্ৰসেনে তাৰ সৰু ভায়েক ধনক দাদেকহঁতক সিহঁতৰ ঘৰলৈ মাতি আনিবলৈ পঠালে। দাদেকহঁত আহিল।

প্ৰসেনে গোটেই কথাটো দদায়েকক ক'লে। কোনোৱে আপত্তি নকৰিলে প্ৰসেনৰ কথাত।

ঃ কিন্তু তহঁত দুজনমান আজিয়েই আবেলি হৰিপুৰ পামগৈ গৈ নীৰাৰ পিতাকক লগ ধৰি কথাটো কৈ আহিব লাগিব—প্ৰসেনে মাষ্টৰ দদায়েকক উদ্দেশ্য কৰি ক'লে।

ঃ হ'ব, হ'ব, আমি যাম—কিন্তু ১৫ মেত যদি বিয়াখন পাতিব নোৱাৰে কি হ'ব—মাষ্টৰ দাদেকে ক'লে।

ঃ নাই নাই—সেইদিনাই পাতিব লাগিব। ইলেকচনলৈ বেছি দিন নাই। মই বৰ ব্যস্ত হৈ পৰিম জুন মাহৰ পৰা—প্ৰসেনে ক'লে।

প্ৰসেনৰ কথাত ঘৰৰ সকলোৱে হয়ভৰ দিলে। সন্ধিয়া ৬ বজাত ট্ৰেইন এখন গুৱাহাটীলৈ যায়। প্ৰসেনে ত্ৰিনাথ ষ্টেচনলৈ গ'ল অহীন্দ্ৰৰ চাইকেলত। সেইখন ট্ৰেইনত প্ৰসেন গুৱাহাটীলৈ যাম বুলি ৫-৩০ বজাত ত্ৰিনাথ ষ্টেচন পালে। ট্ৰেইনখন অলপ লেট আছিল। প্ৰসেনৰ খুড়াক দুজনে ইতিমধ্যে ঘৰৰ পৰা ত্ৰিনাথ নগৰলৈ চাইকেলেৰে আহি ষ্টেচন পাৰ হ'বলৈ ধৰোতে প্ৰসেনক দেখা পালে। প্ৰসেন তেওঁলোকৰ ওচৰলৈ গ'ল।

ঃ পিতাকে প্ৰথমতে বহুত আপত্তি কৰিছিল। তেওঁ ইতিমধ্যে নীৰাৰ তলৰ ছোৱালীজনীৰ বিয়াৰ বন্দোবস্ত কৰি তাৰিখ ঠিকেই কৰিছে, ২৫ মেত। গতিকে ১০ দিন আগতে আৰু এখন বিয়া পতাতো বৰ টান বুলি কৈছিল যদিও পিছত অৱশ্যে সন্মত হৈছে— দদায়েকে দুলাল মাষ্টৰে কথাখিনি ক'লে।

ঃ অ' দাদা—মই পাহৰিছিলোই—তহঁতে নীৰাৰ পিতাহঁতক কবি যে নীৰাৰ বিয়াত কোনোধৰণৰ ফাৰ্ণিচাৰ, আ-অলংকাৰ দিব নোৱাৰিব। সেইবোৰ দিলে মই সেইবোৰ আমাৰ ঘৰলৈ আনিব নোৱাৰিম— প্ৰসেনে ক'লে।

ঃ কিন্তু এইটো কথা কোৱা অলপ জটিল হ'ব—মাষ্টৰে ক'লে।

ঃ জটিল হ'লেও, কবি—মোৰ এই সিদ্ধান্তৰ কিন্তু হেৰ ফেৰ নহ'ব—বুলি প্ৰসেনে ইতিমধ্যে আহি ষ্টেচনত ৰোৱা ট্ৰেইনখনত উঠিল। এটা কাণতাল মৰা হুচেইল মাৰি ট্ৰেইনখন গ'ল গুৱাহাটী অভিমুখে।

সকলো ধৰণৰ প্ৰতিকূল অৱস্থাৰ মাজেৰে প্ৰসেন আৰু নৈৰঞ্জনাৰ বিয়াখন হৈ গ'ল। বিয়াৰ দুদিন পিছতে প্ৰসেন গুৱাহাটীলৈ গুচি গ'ল। বি.এ.ৰ ৰিজাল্ট দিয়াৰ পাছত নীৰাক গুৱাহাটী বিশ্ববিদ্যালয়ত এম.এ. পঢ়াৰ কথাটো অৱশ্যে নীৰাক কৈ গ'ল প্ৰসেনে। মেচৰ মেটসকল আচৰিত হ'ল। বুধিন্দ্ৰ মহন্ত বোলাজনে প্ৰসেনক বিয়াৰ কইনা এৰি অহাৰ বাবে মৃদু তিৰস্কাৰ কৰিলে।

ঃ নহয় বুধিন্দ্ৰ—ভুল নুবুজিবা। মই নাহিলেই নহয় কাৰণে আহিছো। কাইলৈ আমাৰ এটা আন্দোলনৰ কাৰ্যসূচী আছে। তুমিতো জানা জেলৰ পৰা ওলাই আহি মোৰ বন্ধু জ্ঞানেন্দ্ৰ চৌধুৰী, লোহিত মহন্ত, হৰেন গোস্বামীহঁতে "ৰাজনৈতিক বন্দী

মুক্তি দাবী সমিতি" বুলি ভাৰতৰ বিভিন্ন জেলত থকা নক্সালপন্থীকে ধৰি আন আন ৰাজনৈতিক বন্দীসকলৰ মুক্তিৰ বাবে গঠন কৰা সংগঠনটোত মই সক্ৰিয়ভাৱে লাগি আছো। অসমতো কেবাজনো তেনে বন্দী অসমৰ বিভিন্ন কাৰাগাৰত আছে। আমি কাইলৈ ডি.চি. অফিচ ঘেৰাও কৰিম। সেইবাবে মই গুছি আহিব লগা হ'ল।

ঃ অ' হয় নেকি—ঠিকেই আছে তেনেহ'লে—বুলি বুধিন্দ্ৰই প্ৰসেনক শলাগি শুবলৈ গ'ল। ভাগৰে-জুগৰে অহা প্ৰসেনেও ভাত কেইটামান খাই শুই পৰিল।

ৰাতি তেতিয়া কেইটা বাজিছিল প্ৰসেনে ক'ব নোৱাৰে। হঠাত তাৰ দুৱাৰত 'হেৰি ৰুমত কোন আছে—উঠক উঠক' বুলি কোনোবাই দুৱাৰত কেবাবাৰে টুকুৰি মৰাত গভীৰ নিদ্ৰাত নিদ্ৰামগ্ন প্ৰসেনে সাৰ পালে। চকু-মুখ মোহাৰি দুৱাৰখন খুলি দেখিলে পুলিচ অফিচাৰ এজন— লগত কেবাজনো পুলিচ।

ঃ কি হ'ল হে বৰুৱা, ইমান ৰাতি আহিলি যে'—প্ৰসেনে চকু-মুখ মোহাৰিয়েই সুধিলে।

ঃ এ নক'ব কলিতা—আমাৰ ডিউটিৰ কথা জানেই নহয়। ওপৰৰ পৰা আজি হুকুম দিছে আপোনাক এৰেষ্ট কৰিবলৈ পি.ডি. এক্টত'—।

ঃ মোক এৰেষ্ট কৰিবলৈ হুকুম দিছে—কিন্তু কিয়? প্ৰসেনে সুধিলে।

ঃ সেই বিষয়ে আমিনো কি কম—ওপৰৰ হুকুম—আমিতো তামিল কৰিবই লাগিব—ব'লক আমাৰ লগত থানালৈ ব'লক। —বুলি পুলিচ অফিচাৰ বৰুৱাই ক'লে।

ঃ ঠিক আছে, ৫ মিনিট ৰওক—মই কাপোৰখিনি পিন্ধি লওঁ। ইতিমধ্যে মেচৰ সকলো আবাসী আহি প্ৰসেনৰ ৰুমৰ ওচৰ পাইছিল। সকলোৱে নানা উচ্চ-বাচ্য কৰিলে। প্ৰসেনে কাপোৰ পিন্ধি ৰুমটোত তলাটো লগাই 'বলক বৰুৱা' বুলি বাহিৰত ৰৈ থকা পুলিচৰ গাড়ীখনত উঠিল।

ৰাতিপুৱা প্ৰসেনক গ্ৰেপ্তাৰ কৰা কথাটো ৰাষ্ট্ৰ হৈ পৰিল। প্ৰসেনক পিডি এক্টত এৰেষ্ট কৰা খবৰটোৱে ৰাজ্যখনৰ ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। বহু সংগঠনে ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰিলে। কাকতল, জনকপুৰ, ত্ৰিনাথ আদিৰ বিভিন্ন সংগঠনে প্ৰসেনৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰি সভা সমিতি পাতিলে আৰু চৰকাৰক গৰিহণা দিলে। "ৰাজনৈতিক বন্দী মুক্তি দাবী সমিতিয়ে" গুৱাহাটী জেলত ৰখা প্ৰসেনক বিভিন্ন ৰাজনৈতিক ব্যক্তি, দল, সংগঠনে দেখা কৰি দুঃখ প্ৰকাশ কৰিলে। প্ৰসেনৰ সদ্যবিবাহিত পত্নী নীৰায়ো প্ৰসেনৰ পিতাকৰ লগত আহি প্ৰসেনক গুৱাহাটী জেলত দেখা কৰি গ'ল। কান্দোনত ভাগি পৰা নীৰাক প্ৰসেনে সান্ত্বনা দিলে। এনেকৈ প্ৰায় তিনিমাহ প্ৰসেনে জেলত পাৰ কৰিলে।

ঃ বুজিছে কলিতা—আজি আমাৰ ৰিট আবেদনখনৰ ফাইনেল হিয়াৰিং হ'ব—আমি আশা কৰিছো আজি আপোনাক হাইকোৰ্টে মুক্তি দিব, কিন্তু জ্ঞানেন্দ্ৰ চৌধুৰী আৰু হৰেন গোস্বামীৰ কেছ দুটা আজি নুঠে। কিবাকিবি কাগজ পত্ৰ দিওতে পলম

হৈছে—বৰ আশা আৰু উদ্বিগ্নতাৰে কথাখিনি ক'লে লোহিত মহন্তই।

আবেলি ৩ টা বাজিছিল তেতিয়া।

ঃ বুজিছে কলিতা—কোৰ্টৰ পৰা কোনোবা উকীল এজনে ফোন কৰি মোক আপোনাক ক'বলৈ কৈছে যে হাইকোৰ্টে আপোনাক মুক্তি দিছে। অলপ পিছত অৰ্ডাৰৰ কপি লৈ উকীল কেইজনমান ইয়ালৈ আহিব। আপুনি আজিয়েই ইয়াৰ পৰা যাব পাৰিব- জেইলৰ দাসে ক'লে। আবেলি ৫ বজাত হাইকোৰ্টৰ উকীল অমল আৰু নিৰেন বৰুৱাই আহি প্ৰসেনৰ মুক্তিৰ আদেশটো জেইলৰ দাসক দিলে। প্ৰসেনে ইতিমধ্যেই জেলৰ পৰা মেচলৈ যাবলৈ সাজু হৈয়েই আছিল। অৰ্ডাৰটো পাই জেইলৰে প্ৰসেনক যাবলৈ দিলে। জেলৰ বাহিৰত বৈ থকা 'ৰাজনৈতিক বন্দী মুক্তি দাবী সমিতি'ৰ প্ৰায় ৫০ জন মান সদস্যই প্ৰসেনজিত কলিতা জিন্দাবাদ ধ্বনি দি প্ৰসেনক আদৰণি জনালে আৰু ফুলৰ মালা পিন্ধাই ফাঁচি বজাৰলৈ প্ৰচেচন কৰি লৈ গ'ল। ফাচি বজাৰ পাৰ হৈ পাণবজাৰৰ কটন কলেজৰ কাষত সভা এখন পাতি চৰকাৰক ৰাজনৈতিক বন্দীসকলক মুক্তি দিয়াৰ বাবে দাবী জনালে। প্ৰসেনেও উক্ত সভাত কেইআষাৰমান ক'লে।

তেতিয়া ৰাতি প্ৰায় ৮ টা বাজিছিল। প্ৰসেনে তাৰ মেচৰ বন্ধু কেইজনমানৰ লগত মেচলৈ গ'ল। তাৰ ৰুমটোৰ তলা খোলা দেখি সি আচৰিত হ'ল। ভিতৰলৈ গৈ দেখো নীৰা-মানে নৈৰঞ্জনা তাৰ বিচনাত বহি আছে।

ঃ নীৰা তুমি—ইয়াত।

ঃ অ' আপোনাৰ আজি মুক্তি হ'ব বুলি জানি প্ৰদ্যুতৰ লগত আহিলো। প্ৰদ্যুৎ পাণ্ডুলৈ গ'ল। মই ইয়াতে থাকিলো—নীৰাই ক'লে।

ইতিমধ্যে মেচৰ আন কেবাজনো তাৰ লগৰ ল'ৰা আহি সেইখিনি পাই অলপ প্ৰসেনক জোকালে।

ঃ হ'ব, হ'ব, আমাৰ বুজিবলৈ বাকী নাই—নিজে খবৰ দি আনি এতিয়া একো নজনাৰ ভাও জুৰিব নালাগে— আগষ্ট মাহ হ'লেও আকাশ ফৰকাল। তাতে আজি পূৰ্ণিমা। জোনৰ পোহৰে গোটেই পৃথিৱীখন পোহৰাই তুলি এক মায়াময় পৰিবেশ সৃষ্টি কৰিছে। বোধহয় বিধাতাই আজিৰ এই পৰিবেশ তোমাৰ বাবেই বৃষ্টি কৰিছে। জীৱনত বহু যুঁজিলা—আজি প্ৰেম আৰু মৰমৰ লগতে যুঁজা—বুলি বুদ্ধিন্দ্ৰই মন্তব্য কৰি 'অ'ই হৰি, হৰি প্ৰসেনহঁতৰ ভাত দুসাজ তেওঁলোকৰ ৰুমতে দে সোনকালে' — বুলি হৰিক চিঞৰি কৈ বুদ্ধিন্দ্ৰ শুবলৈ গ'ল। হৰিয়ে অলপ পিছতে প্ৰসেনৰ ৰুমত ভাত দুসাজ দি গ'ল। প্ৰসেন আৰু নীৰাই ভাত খালে। সিহঁত হালৰ মুখত যেন মাত নাই—প্ৰসেনে বিছনাখন ঠিক ঠাক কৰি শুলে—নীৰাই চকীখনত বহিল।

ঃ তোমাক বহুত দুখ দিলো—কি কৰিবা কপালত লিখা আছিল যেন পাইছো।

ঃ নাই, নাই—মইহে আপোনাক বহু কষ্ট দিছো—মোৰ কাৰণে আপুনি ইমান বিপদৰ মাজতো বিয়াখন পাতিব লগা হ'ল—নীৰাই ক'লে।

এনেকৈ দুয়ো কথা পাতি থাকোতে হঠাৎ কাৰেণ্ট গ'ল। কমটো ঘোপমৰা আন্ধাৰে আবৰি পেলালে। দিয়াচলাইটো মাৰি মম এডাল জ্বলাব খুজিলে নীৰাই। আন্ধাৰতে নীৰাক থাপ মাৰি বিছনালৈ আনি প্ৰসেনে দেৱকান্ত বৰুৱাৰ 'তুমি নুবুজিবা সখী' কবিতাটোৰ—

"সন্ধিয়া আহিছে নামি, থক হেৰা, নালাগে জ্বলাব চাকি
দুটি নয়নৰ;
সহজ প্ৰভাৰে আজি নাশিবা এন্ধাৰ তুমি অন্ধকাৰ
মোৰ জগতৰ!"

কবিতাফাকি আওৰাই আঁঠুৱাখন পেলাই দিলে।

তিনিদিন মান থাকি নীৰা প্ৰসেনহঁতৰ ঘৰলৈ গ'ল। প্ৰসেনহঁতৰ ঘৰতে কিছুদিন থাকিবলৈ ল'লে নীৰাই। প্ৰসেনেও কেইদিনমান ঘৰতে থাকি গুৱাহাটীলৈ আহিল। সময়বোৰ যে কোন পিনেদি কেনেকৈ সৰকি গ'ল ধৰিবই নোৱাৰিলে প্ৰসেনে ব্যস্ততাৰ বাবে। আগষ্ট মাহ পৰিল। নীৰাৰ বি.এ. পৰীক্ষাৰ ৰিজাল্ট দিলে। এডুকেচনত অনাৰ্চ পাই বি.এ. পাছ কৰিলে নীৰাই। ছেপ্টেম্বৰ মাহত তাই গুৱাহাটী বিশ্ববিদ্যালয়ত এম.এ.ত এডমিচন লৈ তাতেই হোষ্টেলত থাকিবলৈ ল'লে। মাজে মাজে প্ৰসেনৰ উজান বজাৰৰ মেচলৈ আহে—দিনটো থাকি আবেলি হোষ্টেললৈ যায়।

১৯৭৮ চনৰ মাৰ্চ মাহ। ভাৰতৰ নিৰ্বাচনী আয়োগে অসম বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰিলে। লগে লগে নিৰ্বাচনৰ বতাহ তীব্ৰ ভাবে চলিল ৰাজ্যখনত। প্ৰসেনেও নিৰ্বাচনত উঠিবলৈ ইতিমধ্যে প্ৰস্তুতি চলাই আছিল। জনতা পাৰ্টিৰ অসম শাখা ইতিমধ্যে নিৰ্বাচনৰ বাবে সক্ৰিয় হৈ আছিলেই। এতিয়া নিৰ্বাচনী আয়োগে তাৰিখ ঘোষণা কৰাৰ লগে লগে পাৰ্টিৰ সক্ৰিয়তা দুগুণে বাঢ়িল। প্ৰসেনৰো ব্যস্ততা বাঢ়িল। দিনে-নিশাই তাৰ মেচৰ কমটো তাৰ বন্ধু বান্ধৱেৰে গিজগিজাই থাকিবলৈ ধৰিলে। ত্ৰিনাথ সমষ্টিৰো কিছুমান বয়োজ্যেষ্ঠ লোক আহি প্ৰসেনৰ মেচত আলোচনা বিলোচনা কৰিলে। পি এন চি, কৃষ্ণগোপাল ভট্টাচাৰ্য, শৈলেন দাস, জ্ঞানেন্দ্ৰ চৌধুৰী, লোহিত মহন্ত প্ৰমুখ্যে ভালে কেইজন যুৱ নেতাই জনতা পাৰ্টিৰ অফিচলৈ গৈ প্ৰসেনৰ প্ৰাৰ্থিত্ব সম্পৰ্কে আলোচনা কৰিলে।

ঃ প্ৰসেনে নিৰ্দলীয় হিচাপে কনটেষ্ট কিয় কৰিব লাগে তেওঁ আমাৰ পাৰ্টিত যোগদান কৰক—তেতিয়া জিকাত বেছি সুবিধা হ'ব—জনতা পাৰ্টিৰ অসম শাখাৰ সভাপতিজনে ক'লে।

ঃ সেইটো হয়—কিন্তু তেওঁৰ একান্ত ইচ্ছা নিৰ্দলীয় হিচাপেহে কনটেষ্ট কৰাৰ।

আপোনালোকে সমৰ্থন দিলেইহ'ব। জিকাটো চিয়ৰ—পি এন চিয়ে জোৰ দিয়েই কথাষাৰ ক'লে।

ঃ ঠিক আছে—আমাৰ নিৰ্বাচনী কমিটীত কথাটো আমি দুই-এদিনতে আলোচনা কৰিম আৰু আমাৰ সিদ্ধান্তৰ বিষয়ে তোমালোকক জনাম—বুলি সভাপতিজনে কোৱাত পি এন চিইঁত তাৰ পৰা প্ৰসেনৰ মেচলৈ আহিল।

ইপিনে প্ৰসেনে ত্ৰিনাথ নগৰলৈ আহিল। ত্ৰিনাথ নগৰকে ধৰি ত্ৰিনাথ সমষ্টি ভালে কেইজন বয়োজ্যেষ্ঠ সমাজকৰ্মী আৰু যুৱনেতাৰ লগত নিৰ্বাচন সম্পৰ্কে আলোচনা কৰিলে। সকলোকে প্ৰসেনক ইলেকচনত উঠিবলৈ আন্তৰিকতাৰে উৎসাহ দিলে। যুৱক কিছুমানেতো ইতিমধ্যে প্ৰসেনৰ হৈ নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিয়েই দিছে।

ঃ বুজিছে কলিতা, আমি আপোনাৰ কথা মতে ত্ৰিনাথ সমষ্টিৰ প্ৰায়বোৰ মুখ্য ঠাইৰ মুখ্য মানুহবিলাকক লগ ধৰিছো। সকলোৱে আপোনাৰ হৈ কাম কৰিম বুলি আমাক কৈছে। ক'বলৈ গ'লে আপোনাৰ সপক্ষে সমষ্টিটোত একপ্ৰকাৰ ঢৌ এটাৰে সৃষ্টি হৈছে। আনকি বহুতে পইচা-পাতি দিম বুলিও কৈছে—গতিকে চিন্তাৰ কাৰণ নাই—অধ্যাপক পৰমেশ্বৰ দাসে প্ৰসেনক এটা থূলমূল ধাৰণা দি কথাখিনি ক'লে। ঠিক সেই মতে প্ৰসেনৰ সমৰ্থক নৰহৰি দাস, দথৰথ গোস্বামী, অভয় শৰ্মা, সোমেশ্বৰ ডেকা আদিয়ে পৰমেশ্বৰ দাসৰ কথাতে হয়ভৰ দি প্ৰসেনক উৎসাহ আৰু উদ্দীপনা দিলে। প্ৰসেনে কাকতল, জনকপুৰৰ মুখ্য মানুহখিনিৰ লগতো কথাপাতি অনুৰূপ সঁহাৰিয়েই পালে। প্ৰসেন কাকতল পোৱাত বৰপুখুৰীৰ পাৰত এখন সভাই বহিল। কাকতলৰ কি মুনিহ, কি তিৰোতা, কি ডেকা, কি বুঢ়া —সকলোৱে আহি বৰপুখুৰী পাৰ ভৰি পৰিল। সকলোৱে প্ৰসেনৰ মুখৰ পৰা ইলেকচনৰ কথাবোৰ শুনিলে।

ঃ মই সেই তাহানিতে কৈছিলো নহয়—ৰজাৰ পুতেকৰ অভিনয় কৰিছা যেতিয়া ভৱিষ্যতে ৰজা হ'ব লাগিব— কাকতল আৰু দেশৰ নাম উজলাব লাগিব—সেই কথা এতিয়া ফলিওৱাৰ পথত—আনন্দ-উৎসাহেৰে মণ্ডলুৱে কথাখিনি হৈ সকলোৱে পৰসেনক আশীৰ্বাদ এটাহে দিব লাগে বুলি কৈ—হৰিধ্বনি এটা দিলে—সকলোৱে প্ৰসেনক আশীৰ্বাদ দিলে ইলেকচনত জিকাৰ বাবে। প্ৰসেনেও সেৱা এটা লৈ ৰাইজৰ আশীৰ্বাদ ল'লে। বৰপুখুৰীৰ সিটো পাৰৰ পৰা জধিয়া বেঙাৰ বাহীত বাজি উঠিল—

"অ' আমাৰ গাঁও
আমাৰ গাঁৱৰ মান ৰাখি
মৰিবলৈ যাওঁ আমি
মৰিবলৈ যাও ....।"

—গীতটোৰ প্ৰাণস্পৰ্শী সুৰৰ লহৰ। সকলোৱে বাহীৰ সুৰৰ এই লহৰ নীৰৱ-নিস্তব্ধ হৈ শুনিলে।

ৰাতিটো পাৰ কৰি প্ৰসেন পুনৰ পুৱাই গুৱাহাটীলৈ গ'ল। উজান বজাৰৰ মেচ পালে দুপৰীয়া ১২ মান বজাত। নিৰ্বাচনলৈ বেছি দিন নাই। প্ৰথমে নিৰ্বাচনত নমিনেচনৰ বাবে প্ৰয়োজন হোৱা সকলো কাগজপত্ৰ ঠিক কৰাত ব্যস্ত। ২টা মান বজাত পি এন চিকে ধৰি কেবাজনো বন্ধু আহিল। জনতা পাৰ্টিয়ে—ত্ৰিনাথত তাক সমৰ্থন দিবলৈ হেন্থ-নেন্থ কৰাৰ কথাটো পি এন চিয়ে প্ৰসেনক জনালে। কথাটো শুনি প্ৰসেন অলপ বিমোৰত পৰিল। বৰ্তমান পৰিস্থিতিত সি কোনো ৰাজনৈতিক দলত অন্তৰ্ভুক্ত হৈ নিজৰ ভৱিষ্যৎ পৰিকল্পনাক কলিতে মোহাৰিব খোজা নাই। সি ইতিমধ্যেই অসমত এটা আঞ্চলিক দল গঠন কৰাৰ ব্লুপ্ৰিণ্ট প্ৰস্তুত কৰি থৈছেই। গতিকে এতিয়া সি ভটিয়নী সোঁতত উটি তাৰ ভৱিষ্যত পৰিকল্পনাৰ অপমৃত্যু ঘটাব নোখোজে। সি নিজৰ মনটোক অনুশাসনৰ শিকলিৰে টান কৈ বান্ধিবলৈহে ঠিক কৰিলে—তাৰ মনলৈ আহিল দাৰ্শনিক ইমানুৱেল কাণ্টৰ কথা এষাৰি। কাণ্টে কৈছিল—"দুটা বস্তুৱে মোক সকলো সময়তে বিস্ময়ত অভিভূত কৰি ৰাখে। এটা হ'ল মূৰৰ ওপৰৰ তৰাৰে ফুল বছা আকাশখন; আনটো হ'ল মোৰ নিজৰ অন্তৰত থকা নৈতিক অনুশাসন।" প্ৰসেনে তাৰ মনটোক নৈতিক অনুশাসনৰ শিকলিৰে টানকৈ বান্ধি নিৰ্দলীয় প্ৰাৰ্থী হিচাপেই ত্ৰিনাথ সমষ্টিত প্ৰতিদ্বন্দ্বিতাত নামিবলৈ মনটো বান্ধি ল'লে। তাৰ সিদ্ধান্তৰ কথা পি এন চিহঁতক জনালে। পি এন চিহঁতেও তাৰ সিদ্ধান্তকে সমৰ্থন জনাই নিৰ্বাচনৰ প্ৰস্তুতি চলাবলৈ ঠিক কৰিলে।

ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহতে নিৰ্বাচনী প্ৰক্ৰিয়া আৰম্ভ হ'ল। পি এন চিহঁতে বন্ধু-বান্ধৱসকলৰ পৰা কিছু পইচা সংগ্ৰহ কৰি—প্ৰসেনক দিলে আৰু ত্ৰিনাথলৈ গৈ নিৰ্বাচনী প্ৰক্ৰিয়াত লাগি পৰিবলৈ পৰামৰ্শ দিলে। প্ৰসেনে ফেব্ৰুৱাৰী মাহৰ ১০ তাৰিখে আবেলি বাছেৰে ত্ৰিনাথ নগৰ পালে। ত্ৰিনাথ নগৰত ৰাতিটো অধ্যাপক পৰমেশ্বৰ দাসৰ ঘৰত থাকি নমিনেচৰ বাবে প্ৰয়োজনীয় কাগজ-পত্ৰ আৰু প্ৰপোজাৰ আদি ঠিক ঠাক কৰিলে। নৰহৰি দাস, দৰ্শন গোস্বামী, অভয় শৰ্মা, সোমেশ্বৰ ডেকা আদিয়েও তাত উপস্থিত হৈ নানা দিহা-পৰামৰ্শ দি নিৰ্বাচনী প্ৰস্তুতিত সহায় কৰিলে।

১৫ ফেব্ৰুৱাৰী, ১৯৭৮ চন। অসম বিধান সভাৰ ত্ৰিনাথ সমষ্টিৰ বাবে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নমিনেচন দাখিল কৰিলে প্ৰসেনজিত কলিতাই। লগে লগে ত্ৰিনাথত নিৰ্বাচনৰ বতাহ বলিবলৈ আৰম্ভ কৰিলে। ত্ৰিনাথ সমষ্টিৰ প্ৰায়ভাগ বয়োজ্যেষ্ঠ সমাজকৰ্মী, যুৱ-ছাত্ৰ নেতা প্ৰসেনজিত কলিতাৰ হৈ নিৰ্বাচনী যুদ্ধত নামি পৰিল। কেনভাচ কৰাই কেনভাচ কৰিলে, পোষ্টাৰ লগোৱাই পোষ্টাৰ লগালে। পইচা-পাতি বেছিভাগেই নিজৰ পকেটৰ পৰা খৰচ কৰিলে। এচামে ৰাইজৰ পৰা দান-বৰঙণি তুলি নিৰ্বাচনী কাৰ্যালয়ত জমা দিলে। প্ৰসেনে দিনে-ৰাতিয়ে সমষ্টিটোত সভা সমিতি কৰি ৰাইজক ৰাজ্যখনৰ, দেশখনৰ বৰ্তমানৰ পৰিস্থিতিৰ বিষয়ে কৈ ফুৰিলে। অসমৰ

প্ৰাচুৰ্যভৰা সম্পদেৰে অসমখনক সোণৰ অসমলৈ ৰূপান্তৰ কৰাৰ কথাও ক'লে প্ৰসেনে ৰাইজক। সমষ্টিটোত ৯ জন প্ৰাৰ্থী আছে যদিও প্ৰসেনৰ সপক্ষেই নিৰ্বাচনী বতাহ বলিল। কি ল'ৰা কি ছোৱালী, কি বুঢ়া, কি বুঢ়ী, কি পুৰুষ, কি তিৰোতা সকলোৱে প্ৰসেনৰ হৈ ঘৰে ঘৰে ভোট খুজি ফুৰিলে। কৃষক, শ্ৰমিক, দোকানী-পোহাৰী, ঠেলাৱালা, ৰিক্সাৱালা—কোনোৱা বহি নাথাকিল এই ভোট যুদ্ধত—সকলোৱে যিয়ে যেনেকৈ পাৰে যুদ্ধত লাগি পৰিল। কাকতল আৰু জনকপুৰত ৰাইজে নিজ নিজ নামঘৰত নিৰ্বাচনৰ কেইদিন চাকি-বন্তি জ্বলাই নাম প্ৰসঙ্গ কৰি প্ৰসেনৰ জয়ৰ বাবে ভগৱানক প্ৰাৰ্থনা জনালে।

৭ মাৰ্চ। নিৰ্বাচনৰ ভোট গ্ৰহণ আজি। প্ৰসেনে পুৱাই গা-পা ধুই জনকপুৰ হাইস্কুলত থকা ভোটকেন্দ্ৰত তাৰ ভোটটো প্ৰথমে দিলে। এক শান্তিপূৰ্ণ পৰিবেশত গোটেই ত্ৰিনাথ সমষ্টিত ভোটগ্ৰহণ পৰ্ব শেষ হ'ল। চৰকাৰী হিচাপ মতে প্ৰায় ৬৫ শতাংশ ভোট পোল হ'ল সমষ্টিটোত। ভোট শেষ হোৱাৰ পাছত পিছদিনা দোকান-পোহাৰ, হাটে-ঘাটে, বজাৰে-সমাৰে, স্কুলে-কলেজে কেৱল ভোটৰ যোগ-বিয়োগ, হৰণ-পূৰণ অংক চলিল। শ শ লোকে কাগজৰ শৰাধ কৰিবলৈ ধৰিলে কোনে জয়ৰ বৰমাল্য পিন্ধিব। প্ৰাৰ্থীৰ নিজ নিজ সমৰ্থকসকলে নিজ নিজ প্ৰাৰ্থীসকলক জয়মালা পিন্ধায় আনন্দ আৰু স্ফূৰ্তিত গোটেই দিন-ৰাতি ভাত-পানী এৰিছে। বহুতে ১০০ টকাৰ পৰা আৰম্ভ কৰি হাজাৰ টকাৰ বাজি মাৰি আত্মসন্তুষ্টি লাভ কৰিছে।

৯ মাৰ্চ। আজি ভোট গণনা। নলবাৰী চহৰ পুৱাৰে পৰা লোকে লোকাৰণ্য। চাৰিওপিনে উদুলি-মুদুলি পৰিবেশ। দোকানী-পোহাৰীবিলাকৰ মুখত মিচিক-মাচাক হাঁহি। পুৱাৰে পৰা গ্ৰাহকক বস্তু দি ত'ত পোৱা নাই। হোটেলবিলাকত ভাত খোৱা মানুহৰ প্ৰকোপত দুপৰীয়াই কেৱাখনো হোটেল বন্ধ কৰি দিছে হোটেল মালিক সকলে। ভোট গণনা চলি আছে। মাজে মাজে মাইক যোগে কোনে কোন সমষ্টিত কোনে লিড লৈ আছে মাইক যোগে নিৰ্বাচনী বিষয়াই জনাই আছে। ত্ৰিনাথ সমষ্টিত প্ৰসেনজিত মানে প্ৰসেনে প্ৰথমৰে পৰাই লিড লৈ আছে। সমৰ্থকসকলে মাজে মাজে প্ৰসেনজিত 'জিন্দাবাদ' ধ্বনিৰে বাহিৰৰ বতাহ গৰম কৰি ৰাখিছে।

অবশেষত ৰাতি ১ বজাত ত্ৰিনাথ সমষ্টিৰ নিৰ্বাচনৰ ৰিজাল্ট ওলাল। প্ৰসেনে বহু ভোটত জয় লাভ কৰিলে। প্ৰসেনক লৈ ত্ৰিনাথ সমষ্টিৰ লোকসকলে চহৰখনত এটা ডাঙৰ সমদল উলিয়াই চহৰখন ৰজন জনাই তুলিলে। পিছত সকলোৱে ত্ৰিনাথলৈ আহিল। ত্ৰিনাথত ইতিমধ্যে সমষ্টিটোৰ হাজাৰ হাজাৰ লোক গোট খাই প্ৰসেনৰ বাবে বৈ আছিল। প্ৰসেনহঁত ত্ৰিনাথ পোৱাৰ লগে লগে গোটেই ত্ৰিনাথ নগৰ আনন্দ উল্লাসত ডুবি গ'ল। কেবাহাজাৰো লোকৰ সমদল এটাই বিভিন্ন শ্লোগানেৰে ত্ৰিনাথৰ আকাশ-বতাহ মুখৰিত কৰি তুলিলে। সমদলটো ত্ৰিনাথ হাইস্কুলৰ ফিল্ডত

লগ হ'ল। প্ৰসেনক দুখন টেবুল জোৰা লগাই তাৰ ওপৰত তুলি দি ৰাইজৰ উদ্দেশ্যে দুআষাৰ ক'বলৈ ৰাইজে আহ্বান জনালে। প্ৰসেনে টেবুল দুখনৰ ওপৰত উঠিল। চাৰিজনমান ডেকা ল'ৰাই টেবুল দুখন ধৰি থাকিল। ৰাইজক উদ্দেশ্যি প্ৰসেনে ক'লে—শ্ৰদ্ধেয় ৰাইজ—

শ্ৰদ্ধা ল'ব। মই আছিলো গাগেলিৰ গৰখীয়া। গাগেলিৰ গৰখীয়া এজনক আপোনালোকে আজি ৰাজসভালৈ পঠালে। তাৰ বাবে ত্ৰিনাথ সমষ্টিৰ সমূহ ৰাইজলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জনালো। কাকতল, জনকপুৰ, ত্ৰিনাথকে ধৰি অসমৰ সমূহ ৰাইজৰ মৰম-চেনেহে মোক গৰখীয়াৰ পৰা ৰাজ সভাসদ সজালে। ৰাজ্যখনৰ সকলো শ্ৰেণীৰ ৰাইজৰ বাবে—ৰাজ্যখনৰ উন্নতিৰ বাবে মই যাতে কাম কৰিব পাৰো তাৰ বাবেহে মোক আশীৰ্বাদ দিয়ক—বুলি চমু কথাখিনিৰে প্ৰসেনে তাৰ বক্তৃতা শেষ কৰিলে। ৰাইজে আনন্দ উছাহেৰে সভাথল এৰি দিহা-দিহি গ'ল। প্ৰসেনেও তাৰ ঘৰলৈ গ'ল।

ৰাতিটো প্ৰসেনে ঘৰত থাকি নীৰাক লৈ গুৱাহাটীলৈ গ'ল। ইতিমধ্যে বিধান সভাৰ ১২৬ সমষ্টিৰ ৰিজাল্ট ওলাল। জনতা পাৰ্টিয়ে একক সংখ্যাগৰিষ্ঠতা নাপালে। গুৱাহাটীত চৰকাৰ গঠনৰ ৰাজনীতিয়ে শ্বাসৰুদ্ধ পৰিবেশ এটাৰ সৃষ্টি কৰিছে। জনতা পাৰ্টিক কেবাজনো এম.এল.এ.ৰ দৰকাৰ চৰকাৰ গঠন কৰিবলৈ। পাৰ্টিৰ মানুহ প্ৰসেনৰ ওচৰলৈও আহিল। ইপিনে প্ৰসেনৰ মেচত পিএনচি, শৈলেন, ভট্টাচাৰ্য্য, হেমন্তকে ধৰি তাৰ বিশিষ্ট বন্ধু আৰু পৰামৰ্শদাতাসকল বহি চৰকাৰ গঠনৰ অংক কৰাত ব্যস্ত। প্ৰসেনৰ বন্ধু আৰু পৰামৰ্শদাতাসকলে জনতা পাৰ্টিক স্পষ্টভাৱে জনাই দিলে যে প্ৰসেনক মন্ত্ৰী পাতিলেহে প্ৰসেনে পাৰ্টিক চৰকাৰ গঠনত সমৰ্থন দিব। জনতা পাৰ্টিৰ নেতাসকলৰ মাজত বিষয়টো আলোচনা হোৱাৰ খবৰ প্ৰসেনহঁতে পালে। পাৰ্টিৰ ভাবী মুখ্যমন্ত্ৰীজনৰ পৰামৰ্শ মতে প্ৰসেনহঁতৰ দাবী মানি ল'বলৈ সিদ্ধান্ত কৰিলে পাৰ্টিৰ নেতাসকলে। কথাটো তৎক্ষণাৎ প্ৰসেনহঁতৰ মেচত জনাই দিলে। প্ৰসেন আৰু তেওঁৰ বন্ধুসকল সন্মত হ'ল। ১১ মাৰ্চ তাৰিখে সন্ধিয়া অসমৰ ৰাজ্যপালে অসম ৰাজ্যৰ এজন মন্ত্ৰী হিচাপে নিযুক্তি দিয়া নিযুক্তি পত্ৰখন জনসংযোগৰ বিষয়া দুজনে আহি প্ৰসেনক উজান বজাৰৰ মেচত দি গ'ল। তেতিয়াও প্ৰসেনৰ বন্ধুসকলক তাত আছিলেই। সকলোৱে আনন্দত আত্মহাৰা হৈ নানা ধৰণৰ স্ফূৰ্তি কৰিলে।

১২ মাৰ্চ, ১৯৭৮ চন। ৰাতিপুৱা ১০ বজাত ৰাজভৱনত জনতা চৰকাৰৰ শপত গ্ৰহণ অনুষ্ঠান। প্ৰসেনে ইতিমধ্যেই কাকতলৰ তাৰ পিতাক ৰজত মেম্বৰ আৰু মণ্ডলুকে ধৰি বয়োজ্যেষ্ঠ পদুমকুমাৰ, সিন্ধুৰা ডেকা, নবীন কুমাৰ, অভিৰাম, থানে বেপাৰী, কেশৱ লহকৰ আদিক শপত গ্ৰহণ অনুষ্ঠান চোৱাৰ বাবে গাড়ী এখন

পঠিয়াইছিল আনিবলৈ। তদুপৰি বলীন কম্পাউণ্ডাৰ তেওঁৰ পত্নী সৰলা, বোধন, বকুলী, হৰিচৰণ, শিৱনাথ আদিয়েও প্ৰসেনৰ অনুৰোধ মতে শপত গ্ৰহণ চাবলৈ আহি ৰাতিপুৱাই তাৰ মেচত হাজিৰ হ'ল। পি এন চি, ভট্টাচাৰ্য, শৈলেন, জ্ঞানেন্দ্ৰ, লোহিত, হেমন্তপুৱাই আহি মেচত উপস্থিত হ'ল। পি এন চিয়ে এখন চিটি বাছ ঠিক কৰি থৈছিল ৰাতিয়েই। সকলোৱে পুৱা ৮-৩০ বজাত ৰাজভৱনলৈ গ'ল। তাত সুন্দৰকৈ পাৰি থোৱা চকীবিলাকত বহি ল'লে আটাইয়ে। ঠিক ১০ বজাৰ লগে লগে ৰাষ্ট্ৰীয় সংগীত বাজি উঠিল। সকলোৱে থিয় হৈ ৰাষ্ট্ৰীয় সংগীত শুনিলে। ৰাষ্ট্ৰীয় সংগীতৰ পিছতেই মুখ্যমন্ত্ৰীয়ে শপত গ্ৰহণ কৰিলে। মুখ্য মন্ত্ৰীৰ পাছত আৰু কেবাজনে শপত ল'লে। প্ৰসেনজিতেও শপত লৈ বহাৰ লগে লগে তাত উপস্থিত হাজাৰ হাজাৰ লোকে হাত-চাপৰি বজাই প্ৰসেনক অভিনন্দন জনালে। ৰাজ্যপালৰ কাষতে আসনত বহি থকা প্ৰসেনে তাৰ পিতাক ৰজত মেম্বৰে ডিঙিৰ গামোচাখনেৰে চকুৰ চকুপানীখিনি মোচা প্ৰসেনৰ চকুত পৰিল। মণ্ডলুৰ মুখত দেখিলে অন্তৰ্ভেদী অহা এক আনন্দাপ্লুত হাঁহিৰ ৰেঙণি। শপত গ্ৰহণ অনুষ্ঠান শেষ হোৱাৰ লগে লগে পুনৰ ৰাষ্ট্ৰীয় সংগীত বাজি উঠিল। সকলোৱে থিয় হ'ল। প্ৰসেনৰ এখন কাণত বাজিল ৰাষ্ট্ৰীয় সংগীতৰ সুৰ আৰু আন এখন কাণত ধ্বনিত হ'ল—

অ' আমাৰ গাঁও,
আমাৰ গাঁৱৰ মান ৰাখিম
মৰিবলৈ যাওঁ আমি
মৰিবলৈ যাও।।

❖❖❖❖